অন্তৰ্ভাৰতীয় পুস্তকমালা

ৰাগ দৰবাৰী

এই গ্ৰন্থমেলাৰ প্ৰধান উদ্দেশ্য হ'ল ভাৰতবৰ্ষৰ প্ৰত্যেক ভাষাৰ উৎকৃষ্ট আৰু জনপ্ৰিয় গ্ৰন্থসমূহক আন আন সকলো ভাৰতীয় ভাষালৈ অনুবাদ কৰা। যি প্ৰদেশৰ উৎকৃষ্ট গ্ৰন্থ অন্যান্য ভাষালৈ অনুবাদ কৰা হব তাৰপৰা অন্যান্য প্ৰদেশৰ পাঠকসকলে সেই প্ৰদেশৰ সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, সুখ-দুখ আৰু সংস্কৃতিৰ লগত পৰিচিত হব পাৰিব। এই দৃষ্টি-ভংগীকে আগত ৰাখি এতিয়াৰ সমসাময়িক সাহিত্যসমূহৰপৰা এই পুথিবোৰ বাছি লোৱা হৈছে।

আমাৰ ভাষা বহুত আৰু বিচিত্ৰ, কিন্তু দুখৰ বিষয়, আমাৰ প্ৰতিবেশী প্ৰদেশৰ সাংস্কৃতিক সামাজিক চিন্তাধাৰাৰ বিষয়ে আমাৰ জ্ঞান নাই বুলিলেও হয়। আমাৰ এই ফাললৈ বিশেষ লক্ষ্যও নাই। ইউৰোপৰ বিভিন্ন ৰাষ্ট্ৰৰ বেলেগ বেলেগ ভাষা আছে—কিন্তু তেওঁবিলাকে সাহিত্যিক আৰু সামাজিক ক্ষেত্ৰত আদান প্ৰদান কৰে আৰু পৰস্পৰৰ লগত যোগাযোগ ৰাখে।

আশা কৰিব পৰা হয়, এই আদান প্ৰদানৰ মাধ্যমেদি আমাৰ বিভিন্ন ভাষাভাষী মানুহ এজনে আনজনৰ কাষ চাপি আহিবৰ সুযোগ পাব। এজনে আনজনক ভাল দৰে বুজিব পাৰিব, ফলত একে ভাৰতীয় হৈ উঠাৰ সুযোগ হব।

ৰাগ দৰবাৰী

শ্রীলাল শুক্লা

অনুবাদক

শ্রীশৰৎ ৰায় বৰুৱা

নেছনেল বুক ট্রাস্ট, ইণ্ডিয়া, নিউ দিল্লী

নেছনেল বুক ট্রাস্ট, ইণ্ডিয়া 1970

Original title : RAAG DARBARI (*Hindi*)
Assamese title : RAAG DARBARI

ডাইৰেক্টৰ, নেছনেল বুক ট্রাস্ট, ইণ্ডিয়া, এ-5 গ্রীণ পার্ক, নিউ দিল্লী-16ৰ দ্বাৰা
প্রকাশিত আৰু নবজীৱন প্রেছ, কলিকতা-6ৰ দ্বাৰা মুদ্রিত।

ভূমিকা

হিন্দী উপন্যাসৰ অতীত উনৈশ শতিকাৰ শেষ দশকৰপৰাই আৰম্ভ হয়। কিন্তু হিন্দী উপন্যাস সাহিত্যত এক গভীৰ আৰু সুস্পষ্ট পৰম্পৰাৰ আৰম্ভনি ঘটে প্ৰেমচন্দৰপৰাহে। ই এক আচৰিত কথা যে যেতিয়া কুৰি শতিকাত পাশ্চাত্য জগতৰ উপন্যাস সাহিত্যই নিজৰ ক্ৰমবিকাশৰ চৰম সীমাত উপনীত হয়হি, তেতিয়া হিন্দী উপন্যাসে নিজৰ চালুকীয়া অৱস্থাত থকা ঔপন্যাসিক চৰিত্ৰৰপৰা মুক্তি পাবলৈ চেষ্টা কৰিছিল। প্ৰেমচন্দৰ ঔপন্যাসিক প্ৰতিভাই কেইবছৰমানৰ ভিতৰতে নতুন কীৰ্তি স্থাপন কৰি হিন্দী উপন্যাসক শ্ৰেষ্ঠ আসন দি ইয়াক উপন্যাস জগতৰ মানচিত্ৰত অঙ্কিত কৰিলে।

কুৰি শতিকাটো হ'ল ৰাজনৈতিক ক্ৰান্তি, সাংস্কৃতিক সংক্ৰমন আৰু মানব ভৱিষ্যতৰ ওপৰত প্ৰশ্ন কৰা এক শতিকা। বিজ্ঞান আৰু কাৰিকৰী বিদ্যাৰ প্ৰগতিয়ে সংস্কৃতি আৰু কলাবিদ্যাক মাত্ৰ নিৰৰ্থক বুলি প্ৰমাণ কৰিয়েই এৰা নাই, বৰং কলাক এক বিৰাট প্ৰত্যাহ্বানৰ সন্মুখলৈ টানি আনিছে। উপন্যাসৰ কাল্পনিক ভাৱধাৰাক বিজ্ঞানে নতুন ৰূপ দিছে, কিন্তু মানৱীয়তাৰ অক্ষয় ভাণ্ডাৰ নিঃশেষ হ'ল। কাৰিকৰী বিদ্যাৰ আগত ম্লান হৈ যোৱা মানৱীয়তাৰ সমগ্ৰ বিৰূপ ভাৱৰাশিক উপন্যাসত ৰূপ দিয়া হয়। আমাৰ আজিৰ সামাজিক আৰু বাস্তৱ জীৱনৰ নিকৃষ্টতাক আধুনিক উপন্যাসে বিষয়বস্তু হিচাপে গ্ৰহণ কৰিছে। হিন্দী উপন্যাস সাহিত্যৰ বিষয়ত এইটো কোৱা নহব যে ইয়াতো মানৱীয় স্থিতিৰ যি চিত্ৰ প্ৰস্ফুটিত হয়, সি যিকোনো মহত্বপূৰ্ণ ভাষাৰ উপলব্ধি বুলিব

পাৰি। যদিও হিন্দী উপন্যাসৰ বুৰঞ্জী বহুত পুৰণা নহয় তথাপি ইয়াৰ উপলব্ধি মহত্ত্বপূৰ্ণ।

প্ৰেমচন্দৰ আগৰ উপন্যাসবোৰৰ কাহিনীবোৰ ঐতিহাসিক আৰু চমৎকাৰ ভাবৰাশিৰে পৰিপূৰ্ণ। এইবোৰৰ মহত্ত্বহীনতাৰ প্ৰমাণ এইয়ে যে এই কাহিনীবোৰে একো পৰম্পৰা এৰি যাব নোৱাৰিলে। ভাষা আৰু কলাগত স্তৰত এইবোৰ উপন্যাসৰ অৱদান একো গণ্য কৰিব পৰা নাযায়। প্ৰেমচন্দে প্ৰথমবাৰ সামাজিক চেতনাৰ এই বিন্দুবোৰক ধৰিবৰ চেষ্টা কৰিছে, য'ত সামাজিক পৰিবৰ্তন, স্বতন্ত্ৰতা, মৰণাপন্ন মূল্য ব্যৱস্থাৰ বিৰোধ আৰু অন্যান্য সমস্যাৰ সমাধান মানৱীয় ভাৱধাৰাৰে চেষ্টা কৰিছিল। প্ৰেমচন্দৰ উপন্যাস 'গোদান' এখন অমূল্য গ্ৰন্থ, য'ৰপৰা আধুনিক হিন্দী সাহিত্যৰ নতুন যুগৰ সূচনা হয়। 'গোদান'ত কৃষকক মজদুৰ হৈ যোৱাৰ কৰুণ কাহিনী অঙ্কিত কৰা হৈছে। ই এক এনেকুৱা সূত্ৰ যাৰ দ্বাৰা প্ৰেমচন্দই মহাজনী অৰ্থাৎ পূঁজিবাদী ব্যৱস্থাৰ ওপৰত আঘাট হানিব খুজিছিল আৰু দেখুৱাব খুজিছিল যে— কৃষকৰপৰা শ্ৰমিকলৈ ৰূপান্তৰিত হোৱাৰ ট্ৰেজেদি নগৰীকৰণৰ এক ভয়াবহ ভূমিকাৰ প্ৰমাণ মাথোন। নগৰ আৰু গাঁৱৰ দুই ভিন্ন বিন্দুক স্পৰ্শ কৰা এই কাহিনী আমাৰ বৰ্তমান অৱস্থাৰ এক ঐতিহাসিক তথ্য-চিত্ৰ। প্ৰেমচন্দ আৰু তেওঁৰ সমসাময়িক ঔপন্যাসিকসকলে সামাজিক যথাৰ্থতাকে নিজৰ বিষয়বস্তু কৰি লৈছিল। জনজীৱনৰ বিবিধ দৃশ্যৰে পৰিপূৰ্ণ প্ৰেমচন্দকালীন উপন্যাসত লোক-সংস্কৃতিৰ সেই-সকলোবোৰ স্বৰূপ বৰ্ণনা কৰা হৈছে—য'ত দাসত্বৰপৰা মুক্তি, কৃষক মজদুৰৰ আৰ্থিক সংঘৰ্ষ, ভাৰতীয় সমাজত ন্যায় সুচাব পৰা সমাজবাদৰ সৃষ্টিৰ সংকল্পক ৰূপ দিয়া হৈছে। সমগ্ৰ বিশ্বত যেতিয়া

নাজীবাদ, বিশ্বযুদ্ধ আৰু সাম্রাজ্যবাদী মনোবৃত্তিয়ে যি আতঙ্কৰ বাতাবৰণ সৃষ্টি কৰিছিল তেতিয়া হিন্দী উপন্যাসত তাৰ সমর্থনত স্বাধীনতাৰ কাৰণে কৰা সংঘর্ষৰ ঘটনা আজিও বিচাৰি পোৱা যাব। গণ-আন্দোলনৰ যথার্থৰূপৰা সৃষ্টি হোৱা এক ৰাষ্ট্ৰীয় চেতনাৰ এই উপন্যাস, দ্বিতীয় বিশ্বযুদ্ধৰ পাচত 'মানুহ'ক কেন্দ্র কৰি 'ব্যক্তি'ৰ আন্তৰিক ভাৱধাৰাৰ উপন্যাস কেনেকৈ সৃষ্টি হ'বলৈ পালে ই এক হৃদয়স্পর্শী কাহিনী। কিন্তু ইয়াত সন্দেহ নাই যে সামাজিক বিশ্লেষণৰ পাচত ব্যক্তিত্বৰ চৰিত্র অঙ্কন কৰাটো কোনো আকস্মিক ঘটনা নহয়। বাস্তৱতে ব্যক্তি বিশ্লেষণৰ এই ধাৰা ব্যক্তিৰ অন্বেষণৰ ধাৰাহে। অজ্ঞেয়, জৈনেন্দ্র, ইলাচন্দ্র যোশী, ভগৱতীচৰণ বর্মা আদিৰ উপন্যাস সৃষ্টিৰ লগে লগে যশপাল, অশ্ক, অমৃতলাল নাগৰ, বৃন্দাবনলাল বর্মা আদিৰ দ্বাৰা লিখিত উপন্যাসসমূহৰ কৃতিত্বই প্রকৃততে ভাৰতীয় জনজীৱনৰ বিবিধ সংস্কৃতিৰ ভাৱধাৰাকে সৃষ্টি কৰে।

স্বাধীনতা প্রাপ্তি হ'ল এনে এক প্রমাণ বিন্দু যাৰ আধাৰত স্বাধীনতাৰ আগৰ আৰু পিছৰ কালৰ উপন্যাসসমূহৰ কাহিনী চর্চা কৰিব পাৰি। হিন্দী উপন্যাসত সামাজিক যথার্থতা আৰু মনোবিজ্ঞানৰ গুৰুত্বপূর্ণ প্রয়োগৰ পিছত এক নিতান্ত নতুন ভূমিকাৰ স্পর্শ স্বাধীনতাৰ পাছতহে উপলব্ধি কৰিব পৰা যায়। নতুন ৰচয়িতাসকলে ভাৰতীয় ৰাজনীতি আৰু স্বাধীনতাৰ পাছত ভাৰতে লাভ কৰা বাস্তৱতাক উচিত ক্ষেত্রত ৰূপ দিবলৈ প্রয়াস পাইছে। মোহন ৰাকেশ, ফণীশ্বৰনাথ ৰেণু, কৃষ্ণবলদেও বেদ, নাগার্জুন, ভৈৰৱপ্রসাদ গুপ্ত, কমলেশ্বৰ, ৰাজেন্দ্র যাদব, ৰাঙ্গেয় ৰাঘৱ, নৰেশ মেহতা আদিৰ উপন্যাসসমূহ এই ক্ষেত্রত বিজাই চাব পাৰি।

ৰেণুৰ 'মেলা আচল' আৰু নাগাৰ্জুনৰ 'বলচনমা' নামৰ উপন্যাস দুখনত এনে কৃতিত্বপূৰ্ণ কাহিনী বৰ্ণনা কৰা হৈছে য'ত তেওঁলোকে প্ৰেমচন্দকালীন উপন্যাসৰ সামাজিক সৃষ্টিত মানসিকতাৰ বিকশিত ৰূপক চিত্ৰৰূপ দিছে আৰু সমবেদনাৰে আধুনিক ভাৰতীয়ৰ লোকানুভৱতাক ব্যক্ত কৰিছে। এই উপন্যাসসমূহৰ বহুতো আমাৰ আজিৰ যুগত উৎকৃষ্ট উপন্যাস হৈ গৈছে। আচৰিত কথা যে আধুনিক কৃতিয়েই আধুনিক যুগৰ এক উৎকৃষ্ট কৃতি হৈ পৰিছে। কিন্তু এই তথ্যকো নুই কৰিব নোৱাৰি যে মাত্ৰ বাস্তৱ চেতনাৰ দৃষ্টিৰেই নহয় বৰং কলাত্মক আৰু সংবেদনশীল দৃষ্টিৰেও স্বাধীনতাৰ পাছত প্ৰকাশিত কেইবাখনো উপন্যাসে উপন্যাসৰ এক নতুন শৈলীৰ জন্ম দিবলৈ প্ৰয়াস কৰিছে। স্বাধীনতাৰ কেইবছৰমানৰ পাছত যি কেইজন নতুন লিখকৰ আৱিৰ্ভাৱ হৈছে তেওঁলোকেও দুই-চাৰিখন চুটি উপন্যাস লিখিছে। এইবোৰৰ আকাৰ ঔপন্যাসিক দৃষ্টিকোণৰপৰা চালে যদিও যথেষ্ট সৰু যেন লাগে তথাপি এই উপন্যাসসমূহত বৰ্ণিত কাহিনীৰ জৰিয়তে আজিৰ বাস্তৱ জীৱনৰ যথাৰ্থতাক বুজিবলৈ প্ৰয়াস পোৱা যায়। শ্ৰীকান্ত বৰ্মা, শ্ৰীলাল শুক্লা, ৰমেশ বক্সী, মহেন্দ্ৰ ভল্লা আদি লিখকৰ উপন্যাসে স্বাধীনতা কালৰ ৰচনা 'বিৰূপ'ক ইয়াৰ সমগ্ৰ ৰূপত চিত্ৰিত কৰিছে। আমাৰ সামাজিক জীৱনৰ কলাত্মক ব্যাখ্যা এই কাৰণেই কৰাটো সম্ভৱ নহয় যে আজি যিবোৰ কলাৰ অঙ্কুৰ আছে সেইবোৰ এক বিৰাট ধ্বংসৰ স্তূপ মাথোন। ব্যক্তিগত জীৱন, পৰিবাৰ, জাতি, ব্যৱস্থা, সংস্থা, বিশ্বাস আৰু অপেক্ষিত ভৱিষ্যতৰ যি দৃষ্টিভঙ্গী জাগি উঠিছে তাক প্ৰতিদ্বন্দ্বী, বিদ্ৰোহী বা নৈৰাশ্যজনক আদি শব্দৰ দ্বাৰা প্ৰকাশ কৰিব নোৱাৰি। ইয়াকে কব লাগিব যে ই এক বিকল্পহীন

স্থিতি মাথোন যাক কেৱল নিঃশেষ কৰিব পৰা যায়। বস্তুতঃ কিছুমান এনেকুৱা উপন্যাস আছে যিবিলাকৰ কাহিনীয়ে কেৱল এই স্থিতিক নিঃশেষ কৰি দিবৰ বাবে বৈচাৰিক ভূমিকা গ্ৰহণ কৰিছে। স্বাধীনতাৰ পিছত গণতন্ত্ৰৰ প্ৰয়োগত ৰাজনীতিয়ে আমাৰ সংস্কৃতিক কিমান দূৰ সঙ্কটাপন্ন কৰি তুলিছে তাৰ কাহিনী আচৰিত আৰু দুঃখজনক। সমকালীন উপন্যাস লিখকসকলে এই দুৰ্ভাগ্যকেই নিজৰ উপন্যাসৰ মূল বস্তু কৰি লৈছে। স্বাধীনতাৰ আগৰ ঔপন্যাসিকসকলে যি স্তৰত মানুহৰ বিভিন্ন সমস্যাৰ দুখলগা কাহিনী প্ৰতিফলিত কৰি তুলিছিল, সেই পদ্ধতি এৰি আজি আধুনিক লিখকসকলে নিজকে সামাজিক স্থিতিৰ আগত ৰাখি সমাজৰ শেষ হৈ যোৱা অৱস্থাটোক অনাবৃত কৰি তুলিছে। যেই কোনো দুখন উপন্যাসৰ কাহিনী কোনো স্তৰতেই তুলনা কৰিব নোৱাৰি। মাত্ৰ ইয়াকে কব পাৰি যে দুখন উপন্যাসত দুটা বিভিন্ন-ধৰ্মী দৃষ্টিভঙ্গীয়ে কাম কৰে। এই দৃষ্টিভঙ্গী উপন্যাসখনৰ একমাত্ৰ মূল আধাৰ। গতিকে স্বাধীনতাৰ পিছত লিখা উপন্যাস দুখনৰ— 'জাহাজ কা পংছী' আৰু 'আন্ধেৰে বন্ধ কমৰে' কাহিনী বেলেগ বেলেগ হোৱা স্বাভাৱিক। যেতিয়া কোনো এখন উপন্যাসত ব্যক্তিগত জীৱনৰ অন্তৰ্দ্বন্দ্বৰ চিত্ৰ ৰূপায়িত হয় ঠিক সেইদৰে আন এখন উপন্যাসত বাস্তৱ জীৱনৰ যথাৰ্থতাৰ লগত যুঁজা মানৱীয়তাৰ দুঃখজনক ৰূপ ফুটি উঠে। তেতিয়াই দুয়োখন উপন্যাসৰ দৃষ্টিভঙ্গীৰ ভিন্নতাত যি সূত্ৰ বিচাৰি পাওঁ সি আজিৰ উপন্যাসক আগৰ দিনৰ উপন্যাসৰপৰা পৃথক কৰে।

'গোদান'ৰপৰা আৰম্ভ কৰি 'ৰাগ দৰবাৰী' উপন্যাসৰ ভাৱৰাশিৰ মাজত এনেকুৱা অসংখ্য মহত্বপূৰ্ণ কাহিনী সম্বলিত উপন্যাস আছে—

যি উৎকৃষ্ট গৰিমাৰে মহিমামণ্ডিত আৰু ইয়াৰ লগত আধুনিক উপন্যাসৰ নিচিনা প্ৰয়োগধৰ্মী উপন্যাসো আছে। কিন্তু 'গোদান' আৰু 'ৰাগ দৰবাৰী' দুয়োখন নিশ্চিত ভাবধাৰাৰ উপন্যাস—যাৰ মাজত ৰচনাধৰ্মৰ কোনো সামঞ্জস্য নাথাকিলেও ভাৰতীয় জীৱন পূৰ্ণ ধাৰাৰ দুটা মহাপূৰ্ণ ভাবৰাশিৰ—দুয়োটা সাংস্কৃতিক দৃষ্টি ভঙ্গীৰ অস্তিত্ব দুয়োখন উপন্যাসতেই আছে। প্ৰেমচন্দৰ নিচিনা প্ৰখ্যাত উপন্যাসিক-সকলৰ ভাৱধাৰা 'ৰাগ দৰবাৰী'ৰ লিখক শ্ৰীলাল শুক্লাৰ ভাৱধাৰাৰ লগত সম্পূৰ্ণ অমিল। শ্ৰীলাল শুক্লা হ'ল নতুন লিখাৰুসকলৰ মাজৰে এজন—যিজনে মূলতঃ প্ৰয়োগধৰ্মী ৰচনাৰ ভাৱধাৰাক তেওঁৰ নিজৰ সাহিত্যত স্থান দিছে। 'ৰাগ দৰবাৰী' উপন্যাস লিখাৰ আগতে শ্ৰীশুক্লা হিন্দী সাহিত্যত এজন ব্যংগ লিখক হিচাপে জনাজাত আছিল। 'ৰাগ দৰবাৰী' উপন্যাস লিখাৰ পাছতে তেওঁ হঠাতে হিন্দী সাহিত্যত বিখ্যাত উপন্যাসকাৰ হিচাপে ধৰা দিলে। এইখিনিতে উল্লেখ কৰা উচিত হ'ব যে ব্যংগ-লিখকৰ ৰূপত যি গভীৰতাৰ চৰ্চা শ্ৰীলাল শুক্লাৰ ব্যংগ ৰচনাত বিশেষকৈ, 'অংগদ কা পাৱত' কৰা হৈছিল—সেই গভীৰতাৰ অস্তিত্ব তেওঁৰ উপন্যাসতো আছে যদিও 'ৰাগ দৰবাৰী'ক লৈ কেইজনমান সমালোচকে ইয়াক ব্যংগ ৰচনাৰ সংকলনহে মাত্ৰ বুলি কৈছে। 'গোদান' আৰু 'ৰাগ দৰবাৰী' এই দুয়োখন উপন্যাসৰ লিখক দুগৰাকীৰ কৃতিত্বত সন্দেহ কৰাৰ কোনো থল নাই। এই দুয়োখন উপন্যাসৰ কাহিনীৰ কথা বিচাৰ কৰি চালে দেখা যায় যে 'গোদান'ৰ কাহিনীত গাঁৱৰপৰা চহৰ অভিমুখে যাত্ৰাৰ কথা উল্লেখ কৰা হৈছে আৰু নগৰীকৰণৰ দুখলগা চৰিত্ৰৰ ৰূপ দিয়া আছে। আনহাতে 'ৰাগ দৰবাৰী'ৰ কাহিনীত চহৰৰপৰা গাঁও অভিমুখে যাত্ৰাৰ কথা বৰ্ণোৱা হৈছে।

স্বাধীনতাৰ আগতে একোখন চহৰৰ যি গৌৰৱপূৰ্ণ ঐতিহ্য আছিল সি এতিয়াও আছে। এই ঐতিহ্য এতিয়াও ম্লান পৰা নাই। কিন্তু ৰাজনৈতিক বিড়ম্বনাৰপৰা ৰক্ষা পাবলৈ আৰু আন এখন চহৰৰপৰা পোৱা প্ৰভাৱৰপৰা আঁতৰি থাকিবলৈ আজি চহৰৰ জনতাৰ গাঁও অভিমুখী হোৱাৰ যি প্ৰবৃত্তি জন্মিছে সি আজিৰ ভাৰতবৰ্ষৰ এটা সত্য প্ৰতিচ্ছবি অনাবৃত কৰি দেখুৱাইছে। গাঁও আৰু চহৰ হ'ল ভাৰতৰ জনজাগৰণ বা পতনৰ দুটা সাংস্কৃতিক কেন্দ্ৰ; ইয়াত জীৱনৰ ছন্দত বহুত বিভিন্নতা আছে, কিন্তু গণতন্ত্ৰীকৰণে আমাৰ সমাজত যি সংস্কাৰ আনি দিছে সি কম-বেছি পৰিমাণে এটাহে মাথোন। এখন সৰু গাঁৱত তাৰ দৈনন্দিন চাল-চলনৰ উপৰিও নিজৰ জাতীয় প্ৰভাৱ নপৰাকৈ নেথাকে। সেইদৰে তাত ৰাজনৈতিক গতিবিধি আৰু প্ৰভাৱেও শিপাই ধৰে। 'ৰাগ দৰবাৰী'ৰ কাহিনীটো এনে এখন ক্ষুদ্ৰ গাঁৱৰ প্ৰতিচ্ছবি মাথোন। ইয়াতো ৰাজনৈতিক চাতুৰীয়ে প্ৰভাৱ পেলাবলৈ কুণ্ঠাবোধ নকৰিছিল। চহৰৰ ৰাজনৈতিক ব্যৱস্থাই ক্ষুদ্ৰ গাঁওখনত নতুন প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। 'ৰাগ দৰবাৰী'ৰ ব্যংগাত্মক কাহিনীয়ে ক্ষুদ্ৰ গাঁওখনত ৰাজনৈতিক চাতুৰীয়ে যি প্ৰভাৱ বিস্তাৰ কৰে তাকে বৰ্ণাইছে।

ব্যংগাত্মক ভাবধাৰা আৰু ইয়াৰ প্ৰকাশভঙ্গীৰ বাবে 'ৰাগ দৰবাৰী' কোনো শ্ৰেষ্ঠ উপন্যাসতকৈ নিকৃষ্ট নহয় যদিও ইয়াক একেবাৰে শ্ৰেষ্ঠ উপন্যাস বুলি কব নোৱাৰি। ই এক সাৰ্থক ব্যংগ কাহিনীমূলক উপন্যাস মাথোন। 'ৰাগ দৰবাৰী'ৰ কাহিনী দুৰ্বল হ'ব পাৰে, কিন্তু সমবেদনাৰ দৃষ্টিত এই উপন্যাসৰ জৰিয়তে আমাৰ গাঁৱৰ সমাজ-ব্যৱস্থা, সামাজিক অবিশ্বাস আৰু প্ৰৱঞ্চনামূলক কাৰ্যকলাপক অনাবৃত কৰি দেখুৱাবলৈ সৎ প্ৰয়াস কৰা হৈছে।

এজন সমালোচকে 'ৰাগ দৰবাৰী'ক আঞ্চলিক উপন্যাসৰ শেষ কৃতি বুলি কৈছে। কিন্তু মই ভাবি নেপাওঁ তেওঁনো আঞ্চলিক উপন্যাসৰ আৰম্ভনি কোনখিনিৰপৰা কৰা হয় বুলি ভাবে। অৱশ্যে ইমানকে কব পাৰি যে 'ৰাগ দৰবাৰী' হ'ল এক সাৰ্থক ব্যংগাত্মক কাহিনীৰ আৰম্ভনি মাথোন। ব্যংগাত্মক প্ৰকাশভঙ্গীৰ ফালৰপৰা 'ৰাগ দৰবাৰী'ৰ সফলতাৰ ওপৰত সন্দেহ কৰিব পাৰি। কিন্তু নিঃসন্দেহে কব পাৰি যে ইয়াৰ কাহিনী ঢুখলগা। প্ৰকৃত ব্যংগাত্মক প্ৰকাশভঙ্গীৰ এটা নিজস্ব দৃষ্টিভঙ্গী আছে। আনহাতে ইয়াক বুজিব পৰা স্থলও আছে। ৰাজনৈতিক চাতুৰীৰে কৰা প্ৰবঞ্চনামূলক কাৰ্যপদ্ধতিক ব্যংগাত্মক ভাষাৰে প্ৰকাশ কৰাৰ কাম খবৰকাগজেও কৰিব পাৰে। এইক্ষেত্ৰত 'ৰাগ দৰবাৰী' আৰু খবৰকাগজৰ প্ৰকাশভঙ্গীৰ মাজত প্ৰভেদ দেখা যায়। খবৰকাগজ কলা-কৃতি নহয়, কিন্তু 'ৰাগ দৰবাৰী' এখন কলা-কৃতিৰ উপন্যাস। কলা-কৃতিৰ প্ৰকাশভঙ্গীৰ ধৰ্ম হ'ব কাহিনীসমূহ প্ৰতিবাদমূলক আৰু সন্দেহৰে ঘনীভূত হৈ থকা। ইয়াক নিঃসন্দেহে কব পাৰি যে 'ৰাগ দৰবাৰী' কেৱল প্ৰতিবাদমূলক উপন্যাসেই নহয়, ই সন্দেহৰ কেন্দ্ৰস্থলো।

গংগাপ্ৰসাদ বিমল

নগৰৰ দাঁতি কাষৰীয়া ঠাইখন। সেইখন এৰি আহিলেই পোৱা যায় ভাৰতীয় গাঁও সমূহৰ এখন বিশাল মহাসাগৰ।

তাত এখন ট্ৰাক ৰৈ আছিল। সেইখন দেখিলেই বিশ্বাস কৰিব পাৰি,—ইয়াৰ জন্ম কেৱল ৰাস্তাবোৰক ধৰ্ষণ কৰিবৰ বাবেই। সঁচা কথা কবলৈ গলে ট্ৰাকখন ৰাস্তাৰ কাষতহে আছিল। কিন্তু পুলিচৰ দৃষ্টিত ই ৰাস্তাৰ সোঁ মাজত ঠিয় দি আছে। আনহাতে ড্ৰাইভাৰেও কব যে ট্ৰাকখন ৰাস্তাৰ কাষতহে আছে। প্ৰচলিত ৰীতি অনুসৰি ড্ৰাইভাৰে ট্ৰাকৰ সোঁফালে থকা দুৱাৰখন খুলি নামি আহে আৰু দুৱাৰখন খোলা অৱস্থাতে এৰি যায়। তেনেস্থলত বাটৰুৱা বা অন্যান্য যাত্ৰীয়ে ৰাস্তা সুকলমে পাৰ হৈ যোৱাত কোনো অসুবিধা নহৈছিল।

ৰাস্তাৰ এটা কাষত এটা পেট্ৰোল ডিপো আছিল, আৰু তাৰ আনটো কাষত আছিল খেৰ, খৰি আৰু টিনৰ ভগা টুকুৰাৰে আৰু স্থানীয় ক্ষমতা অনুসৰি পাব পৰা অদৰকাৰী বস্তুৰে নিৰ্মিত দোকান পোহাৰ কিছুমান। চকুৰ পলকতে কৈ দিব পাৰি যে তাত থকা

দোকানৰ কোনো লেখ নাই। প্ৰায় বিলাক দোকানতে মানুহে খাই তৃপ্তি পোৱা পানীয় পোৱা হৈছিল। এই জাতীয় বস্তুক ধূলি, বোকা, বহুবাৰ ব্যৱহৃত চাহপাত আৰু উতলা পানীৰে বনোৱা হৈছিল। ভাত মিঠায়ো আছিল—যি দিনে ৰাতিয়ে বতাহ, বৰষুণ, পানী আৰু মহ-মাখিৰ উপদ্ৰৱৰ সৈতে সাহসেৰে যুঁজ দিছিল। সেইবিলাক আমাৰ দেশীয় কাৰিকৰৰ হস্ত-কৌশল আৰু তেওঁলোকৰ বৈজ্ঞানিক দক্ষতাৰ জল-জল পট্‌ পট্‌ নিদৰ্শন। তেওঁলোকে কৈছিল—"আমি হয়তো এখন উচ্চ মান বিশিষ্ট ব্লেড তৈয়াৰ কৰিব নাজানিব পাৰোঁ, কিন্তু জাবৰ জোঠৰৰপৰা সুস্বাদু খাদ্যলৈ ৰূপান্তৰিত কৰিব পৰা উপায় সমগ্ৰ পৃথিৱীৰ ভিতৰতে কেৱল আমিহে জানো।

ট্ৰাকৰ ড্ৰাইভাৰ আৰু হেণ্ডিমেনটোৱে এখন দোকানৰ সমুখত ঠিয় হৈ চাহ খাই আছিল।

ৰঙ্গনাথে দূৰৰপৰাই ট্ৰাকখন দেখা পালে আৰু চাওঁতে চাওঁতে তেওঁৰ ভৰি দুখনে দেখোন কোবেৰে খোজ পেলাবলৈ আৰম্ভ কৰিলে।

আজি তেওঁ যথেষ্ট ঠগ খালে। স্থানীয় যাত্ৰীবাহী ৰেলগাড়ীখন আগৰ দৰে দুঘণ্টা পলমকৈ আহিব বুলি ভাবিয়েই তেওঁ ঘৰৰপৰা ওলাইছিল। পিছে ৰেলখনে মাত্ৰ ডেড়ঘণ্টা পলম কৰি আহি গুচি গৈছিল। অভিযোগ কৰা কিতাপৰ কথা-সাহিত্যত নিজৰ বৰঙনী আগবঢ়াই আৰু ৰেলৰে অধিকাৰীৰ আগত হাস্যাস্পদ হৈ সি ষ্টেছনৰপৰা বাহিৰ ওলাই আহিছিল। বাটেদি আহি থাকোঁতে ট্ৰাকখন দেখা পাই তাৰ মুখত আনন্দৰ হাঁহি বিৰিঙি উঠিল।

যেতিয়া সি ট্ৰাকখনৰ ওচৰ পায়গৈ তেতিয়া ড্ৰাইভাৰ আৰু হেণ্ডিমেনে চাহৰ শেষ সোহাটোৰ আমেজ লৈছিল। ইফালে

সিফালে এনেয়ে চাই, নিজৰ মুখত হাঁহি বিৰিঙি থকা ওঁঠ দুটা ঢাকি নিৰ্বিকাৰ ভাবে সি ড্ৰাইভাৰক সুধিলে—"ড্ৰাইভাৰ চাহাব, এই ট্ৰাকখন শিৱপালগঞ্জৰ ফালে যাব নেকি ?"

ড্ৰাইভাৰৰ খাবলৈ চাহ আছিল আৰু চকু জুৰাবলৈ দোকানীৰ তিৰোতাজনী আছিল। সি বিশেষ একো নভবাকৈয়ে উত্তৰ দিলে —"যাব।"

"মোকো লগতে লৈ যাবনে ? পোন্ধৰ মাইলৰ খুটিতে নামি যাম। শিৱপালগঞ্জলৈকে যাব লাগে।"

ড্ৰাইভাৰে দোকানীৰ ঘৈণীয়েকক একেবাৰতে ভালকৈ চাই ললে আৰু এইবাৰ ৰঙ্গনাথৰ ওপৰত চকু দিলে। আহা-হা, কি সুন্দৰ ৰূপ। ভৰিত খদ্দৰৰ পায়জামা, মূৰত খদ্দৰৰ টুপি, গাত খদ্দৰৰ পাঞ্জাবি। কান্ধৰপৰা ওলমি পৰা ভূদানী মোনা। হাতত চামৰাৰ ছুটকেচ। ড্ৰাইভাৰে তেওঁলৈ চালে আৰু ব' লাগি চায়েই থাকিল। তাৰ পিছত অলপ চিন্তা কৰি ক'লে—"গাড়ীতে বহকগৈ ডাঙৰীয়া, এতিয়াই যাম।"

ঘৰঘৰাই ট্ৰাকখন চলিল। নগৰৰ একাবেকা পথৰপৰা ৰেহাই পাই অলপ পিছতে পৰিষ্কাৰ আৰু নিৰ্জন ঠাই ওলালহি। এইখিনিতে ড্ৰাইভাৰে প্ৰথমবাৰৰ বাবে টপ্ গিয়েৰ ব্যৱহাৰ কৰিলে, কিন্তু ই পিছলি পিছলি আকৌ আগৰ ঠাই ললে। প্ৰতি এশ গজৰ অন্তৰে অন্তৰে গিয়েৰদাল পিছলি আহে আৰু এক্সিলেটৰ ডবাই থকাৰ বাবে ট্ৰাকৰ ঘৰঘৰণি বাঢ়ি আহে, লগে লগে ট্ৰাকৰ গতিও কমি আহে। ৰঙ্গনাথে মাত লগালে,— "ড্ৰাইভাৰ চাহাব, তোমাৰ গিয়েৰদাল দেখোন একেবাৰে আমাৰ দেশৰ শাসনতন্ত্ৰৰ দৰে।"

ড্ৰাইভাৰে হাঁহি এটা মাৰি প্ৰশংসা পত্ৰখন গ্ৰহণ কৰিলে।

ৰঙ্গনাথে নিজৰ কথাষাৰ অলপ পৰিষ্কাৰ কৰাৰ চেষ্টা কৰি কলে, —"তুমি যিমানেই টপ্ গিয়েৰত নিদিয়া দুগজ আগ বাঢ়িয়েই দেখোন পিছলি যায় আৰু ঘূৰি আকৌ নিজৰ ঠাই পায়গৈ।"

ড্ৰাইভাৰে পুনৰ হাঁহিলে আৰু তাৰ পিছত কলে,—"ডাঙৰীয়াই ডাঙৰ কথা এষাৰ কলে।"

এইবাৰ সি গিয়েৰদাল টপত দি নিজৰ এখন ভৰি প্ৰায় নব্বৈ ডিগ্ৰী কোণ এটা কৰি দাঙি নিজৰ কৰঙনৰ তলত সুমুৱাই ললে। 'শাসনতন্ত্ৰ চলাবলৈও ইও এক ৰীতি'—এই কথাষাৰ কবলৈ ৰঙ্গনাথে মুখখন মেলিছিল; কিন্তু কথাষাৰ আৰু গহীন হৈ যাব বুলি সিমানতে মনে মনে থাকিল।

ইতিমধ্যে ড্ৰাইভাৰে নিজৰ কৰঙনটো গিয়েৰৰপৰা আঁতৰাই আনি যথাস্থানত থলে। এইবাৰ সি গিয়েৰত এটুকুৰা দীঘল খৰি লগাই দি তাৰ এফাল পেনেলৰ তলত টানকৈ লগাই দিলে। ট্ৰাকখন জোৰেৰে চলি থাকিল ট্ৰাকখন দেখা পায়েই কেইবা ফাৰ্লং আগৰেপৰাই চাইকেল আৰোহী, পথচাৰী, এক্কাগাড়ী সকলোৱে ভয়তে ৰাস্তা এৰি ফাল'ৰ কাটি দিয়ে। যিটো গতিত ট্ৰাকখন আগবাঢ়িছিল—তালৈ চাই সিহঁতে ভাবিছিল,—সেইখন যেন ট্ৰাক নহয়,—জুইৰ ঢৌ, বঙ্গোপসাগৰৰপৰা উৎপত্তি হোৱা প্ৰবল বা-মাৰলি,—ৰাইজক জুলুম কৰিবলৈ পথোৱা অভদ্ৰ টেকেলাহঁত, পিণ্ডাৰী জাতিৰ দল।

ৰঙ্গনাথে ভাবিলে—নগৰত আগেয়েই ঘোষণা কৰি দিব লাগিছিল যে সকলোৱে নিজৰ নিজৰ পোহনীয়া জন্তু আৰু ল'ৰা-ছোৱালী ঘৰৰ ভিতৰত ৰাখে যেন। কাৰণ, নগৰৰ মাজেৰে এখন ট্ৰাক আহিব লাগিছে।

নিৰৱতা ভঙ্গ কৰি ড্ৰাইভাৰে সুধিলে,—"কেনে আছে ডাঙৰীয়া, —আপোনাৰ ভালনে ? বহুত দিনৰ মূৰত দেখোন গাঁৱৰ ফালে ওলাল।"

ৰঙ্গনাথে শিষ্টাচাৰৰ এই চেষ্টাটোক মিচিকীয়া হাঁহি এটা মাৰি সমৰ্থন কৰিলে। ড্ৰাইভাৰে আকৌ সুধিলে,— "পিছে ডাঙৰীয়া, আজিকালি কি কৰিছে ?"

"ঘাঁহ উঘালি আছোঁ আৰু।"

ড্ৰাইভাৰে হাঁহিলে। কিছুদিনৰ আগতে ঘটা ঘটনাৰ কথা এটা মনত পেলালে। ন-দহ বছৰৰ এটা নাঙঠ ল'ৰা কোনোমতেহে ট্ৰাকৰ তলত নপৰাকৈ সাৰি গ'ল। ট্ৰাকৰপৰা কোনোমতে সাৰি পুল এটাৰ ওচৰত জেঠিটোৰ দৰে থপৰ কৰি পৰিলগৈ। ড্ৰাইভাৰে এই ঘটনাটোত বিশেষ প্ৰভাৱিত হ'ল যেন দেখা নগ'ল। এক্সিলাৰেটৰ ডবাই হাঁহি হাঁহি ক'লে—"কি সুন্দৰ কথা কলে, অকণমান বুজাই কওকচোন।"

"কলোঁ নহয়, ঘাঁহ উঘালি আছোঁ বুলি। ইয়াক ইংৰাজীত ৰিচাৰ্ছ কৰা বোলে। যোৱা বছৰ এম. এ. পাছ কৰিলোঁ এই বছৰৰপৰা ৰিচাৰ্ছ আৰম্ভ কৰিছোঁ।"

ড্ৰাইভাৰে যেন অলিফ-লয়লাৰ সাধুহে শুনিছে। হাঁহি এটা মাৰি পুনৰ সুধিলে,—"ডাঙৰীয়াইনো শিৱপালগঞ্জলৈ কি কৰিবলৈ যায় ?"

"তাত মোৰ মোমাইদেউ থাকে। মাজতে মোৰ এবাৰ বেমাৰ হৈছিল। কিছুদিন গাঁৱত থাকি শকত আৱত হবগৈ লাগিব।"

এইবাৰ ড্ৰাইভাৰে বহুত সময়লৈকে হাঁহি থাকিল। কলে,—"কি বঢ়িয়া কথাষাৰ ডাঙৰীয়াই শুনালে।"

ৰঙ্গনাথে ড্ৰাইভাৰৰ ফালে সন্দেহৰ চকুৰে চাই সুধিলে,—"ইয়াত বেলেগ কথা শুনাবলৈ কিটো আছে ?"

ড্ৰাইভাৰে এই সহজ সৰল কথাষাৰত হাঁহি ৰাখিবই নোৱাৰিলে। হাঁহি হাঁহিয়েই সুধিলে—"বাঃ কি কৈছে আপুনি ? বাৰু, এৰক এইবিলাক কথা। বৰ্তমান মিত্তল চাহাবৰ খবৰ কি ? সেই খুনী কেছটোৰ কি হ'লগৈ ?"

ৰঙ্গনাথৰ তেজখিনি যেন গোট মাৰিব খুজিলে। সেপ এটা ঢুকি ক'লে, "মই কেনেকৈ জানিম কেচৰ কথা আৰু এই মিত্তলনো কোন ?"

ড্ৰাইভাৰৰ হাঁহিতো যেন ব্ৰেক পৰিল। ট্ৰাকৰ বেগো কমি গ'ল। সি ৰঙ্গনাথক এবাৰ ভালদৰে চাই লৈ কলে—"আপুনি মিত্তল চাহাবক নাজানে নেকি ?"

"ওহোঁ।

"জৈন চাহাবক একা ?"

"ওহোঁ।"

ড্ৰাইভাৰে খিৰিকীৰে মূৰটো উলিয়াই থু পেলাই দিলে আৰু পৰিষ্কাৰ গলাৰে প্ৰশ্ন কৰিলে,—"আপুনি চি-আই-দিত কাম নকৰে নেকি ?"

ৰঙ্গনাথে কেৰেঘেঁহাই ক'লে,—"চি-আই-ডি ? সেইটো আকৌ কি চৰাইৰ নাম ?"

ড্ৰাইভাৰে দীঘলকৈ উশাহ এটা এৰি সন্মুখৰ বাটটোৰ অৱস্থা নিৰীক্ষণ কৰিবলৈ ধৰিলে। কেইখনমান গৰুৰ গাড়ী গৈ আছিল। যদি ক'ৰবাত কেতিয়াবা সুবিধা ওলায় তেতিয়া ভালকৈ হাত ভৰি মেলি বহি লব লাগে। এই কথাষাৰকে মানি গাৰোৱানে গাড়ীত

মূৰে গায়ে কাপোৰ লৈ ফস্তি জুৰি শুই গৈছিল। গৰু কেইটায়ো নিজৰ সমৰ্থতাৰ বাবে নহয়, বৰং নিজৰ অভ্যাস অনুসৰি চুপচাপ গাড়ী টানি লৈ গৈ আছিল। এয়াও ৰাইজ আৰু জনাৰ্দনৰ বিষয়ে গল্প আছিল কিন্তু ৰঙ্গনাথৰ মাত মাতিবলৈ সাহসে নুকুলালে। তেওঁ চি-আই-ডি কথাটোৰ পৰা অলপ সঙ্কুচিত হৈ আছিল। ড্ৰাইভাৰে প্ৰথমে ৰবৰৰ বলটোৰ দৰে হৰ্ণটো বজালে। পিছত এনে এটা ধ্বণৰ আৰাম্ভ কৰিলে যিটো সঙ্গীতৰ আৰোহন অৱৰোহন চেৰাই যোৱাৰ উপৰিও বৰ ভয় খুৱাব পৰা বিধৰ আছিল। কিন্তু গৰু গাড়ী কেইখনে কেটকুটেই নকৰিলে। ড্ৰাইভাৰে প্ৰবল বেগেৰে গাড়ী চলাইছিল আৰু গৰুগাড়ী কেইখনৰ ওপৰেদিয়েই প্ৰায় নিব খুজিছিল। পিছে গাড়ী কেইখনৰ ওচৰ পাওঁ পাওঁ হওঁতেই তাৰ বোধহয় হঠাতে মনত পৰিল যে সি ট্ৰাকহে চলাইছে, হেলিকপ্তাৰ নহয়! সি তেতিয়া চকু কাণ মুদি ব্ৰেক মাৰিলে, পেনেলত লাগি থকা খৰি ছটা উফৰি পৰিল। গিয়েৰ সলালে আৰু গাড়ী কেইখনত খুন্দা নমৰাকৈ পাৰ হৈ গ'ল। গাড়ী কেইখন পাৰ হৈ আহি সি ঘৃণাৰে ৰঙ্গনাথক সুধিলে,—"তুমি যদি চি-আই-ডি নোহোৱাই তেন্তে খদ্দৰৰ কাপোৰ কিয় পিন্ধিছা?"

ৰঙ্গনাথ এই আক্ৰমণত চক খাই উঠিছিল। পিছে এই কথাটো এটা সাধাৰণ প্ৰশ্ন বুলি মানি খুব সৰল ভাবেই উত্তৰ দিলে,—"খদ্দৰটো আজিকালি সকলোৱেই পিন্ধে।"

"আৰে, কোনো কামৰ মানুহেতো নিপিন্ধে।" এইবুলি কৈয়েই সি আকৌ খিৰিকীৰে বাহিৰলৈ থুৱালে আৰু গিয়েৰদাল টপত দি দিলে।

ট্ৰাকখনৰ পিছে পিছে বহু দূৰৰপৰাই এটা হৰ্ণ বাজি বাজি আহিছিল। ৰঙ্গনাথে সেইটো শুনি আছিল আৰু ড্ৰাইভাৰে নুশুনাৰ ভাও জুৰিছিল। কিছু সময়ৰ মূৰত হেণ্ডিমেনটোৱে ওলমা বাদুলি দি ড্ৰাইভাৰৰ কাণৰ কাষত থকা খিৰিকীখনত খট্ খটাব ধৰিলে। ড্ৰাইভাৰে ট্ৰাকখনৰ গতি কমাই দিলে আৰু ৰাস্তাৰ বাওঁ ফাললৈ গাড়ীখন নিলে।

হৰ্ণৰ শব্দ এখন ষ্টেচন ওৱাগনৰ পৰা আহিছিল। গাড়ী খনে ট্ৰাকখনৰ সোঁ কাষে পাৰ হৈ গৈ অলপ আগত গতি কমাই দিলে আৰু তাৰপৰা এখন খাকী হাত ওলাই ট্ৰাকখনক ৰ'বলৈ ইঙ্গিত দিলে। দুয়োখন গাড়ীয়েই ৰৈ গ'ল।

ষ্টেচন ওৱাগনৰ পৰা এজন অফিচাৰৰ দৰে চাপ্ৰাচী আৰু চাপ্ৰাচীৰ দৰে এজন অফিচাৰ নামি আহিল। গাড়ীৰপৰা খাকী কাপোৰ পিন্ধা দুটা চিপাহীও নামিল। তেওঁলোকে নমাৰ লগে লগেই পিণ্ডাৰী জাতিৰ দৰে উপদ্ৰৱ আৰম্ভ কৰি দিলে। কোনোবাই ড্ৰাইভাৰৰ লাইচেন্স কাঢ়ি ললে, কোনোবা এজনে ৰেজিষ্ট্ৰেচন কাৰ্ড ললে, কোনোবা এজনে বেক্‌ভিউ মিৰৰ খন খট্ খটাবলৈ ধৰিলে, কোনোবাই আকৌ হৰ্ণটোকে বজাবলৈ ধৰিলে। কোনোবা এজনে ব্ৰেক চাবলৈ ধৰিলে। তেওঁলোকে ফুটবোৰ্ডখন লৰাই চালে, লাইট জ্বলালে, পিছফালে বজা হৰ্ণটো টুঙটুঙাই চালে। মুঠতে তেওঁলোকে যিহকে চালে আটাইবোৰ গোলমলীয়া পালে। যিটোতে হাত দিলে সেইটোৱেই বেয়া ওলাল। এই দৰেই সেই চাৰিজন মানুহেই চাৰি মিনিটৰ ভিতৰতে প্ৰায় চল্লিছটামান দোষ উলিয়ালে আৰু এজোপা গছৰ তলত থিয় হৈ শত্ৰুৰ লগত কেনে ব্যৱহাৰ কৰিব লাগে তাৰ ওপৰত বাকবিতণ্ডা আৰম্ভ কৰি দিলে।

ৰঙ্গনাথ আন এজোপা গছৰ তলত থিয় হ'লগৈ। সিফালে ড্ৰাইভাৰ আৰু চেকিং পাৰ্টিৰ মাজত ট্ৰাকৰ প্ৰতিটো অংশৰ বাবে তৰ্ক চলিবলৈ ধৰিলে। চাওঁতে চাওঁতেই তৰ্কৰ বিষয় ট্ৰাকৰ অংশৰ পৰা বাগৰি আহি দেশৰ বৰ্ত্তমান অৱস্থা আৰু আৰ্থিক দুৰৱস্থাৰ ওপৰত ব'লহি আৰু অলপ সময়ৰ ভিতৰতে মানুহ কেইজনৰ মাজত কেবাটাও সৰু সৰু উপসমিতি গঠিত হ'ল। তেওঁলোকে বেলেগে বেলেগে একোজোপা গছৰ তলত বহি একোজন বিশেষজ্ঞৰ দৰে কথাবোৰ জুকিয়াই ফঁহিয়াই চাবলৈ ধৰিলে। বহু তৰ্ক বিতৰ্ক হৈ যোৱাৰ পাছত এজোপা গছৰ তলত মুকলি অধিবেশনত বহা দি সকলো বহিল। অলপ সময়ৰ পিছতেই গম পোৱা গ'ল যে অধিবেশন প্ৰায় শেষ হৈ আহিছে। অৱশেষত ৰঙ্গনাথে অফিচাৰৰ মি-মিওৱা মাত শুনিবলৈ পালে। "কিহে মিঞাঁ অচফাঁক, কি কৰা এতিয়া? ক্ষমা কৰি দিয়া যাওক।"

চাপ্ৰাচীয়ে মাত লগালে, —"হয় হুজুৰ, আৰু নো কৰিব কিটো? কিমানলৈকেনো চালান কৰিব। দুটা বা এটা দোষ ওলালেও যহন তহন।"

দুটা এটা বাজে ধৰণৰ কথা পতাৰ পাছত অফিচাৰে মাত লগালে, —"বাৰু যোৱা বুটা সিং, তোমাক মাফ কৰিলোঁ।"

ড্ৰাইভাৰে খোচামোদৰ সুৰত কলে, —"এনে কাম ডাঙৰীয়াইহে কৰিব পাৰে।"

অফিচাৰে বহুত পৰৰ পৰাই আন এজোপা গছৰ তলত থিয় হৈ থকা ৰঙ্গনাথক মন কৰি আছিল। চিগাৰেট এটা জ্বলাই তেওঁৰ ফালে আগবাঢ়ি আহিল। ওচৰ পাই সুধিলে "আপুনিও এইখন ট্ৰাকতে আহিছে নেকি?"

"হয় ?"

"আপোনাৰ পৰা ই কোনো ভাড়া লোৱা নাইতো ?"

"ওহোঁ, নাই লোৱা।"

অফিচাৰে মাত লগালে —"সেইটো মই আপোনাৰ পোছাক দেখিয়েই গম পাইছিলোঁ। পিছে সোধাটো আকৌ মোৰ কৰ্ত্তব্য।"

ৰঙ্গনাথে অলপ জোকাবলৈকে ক'লে—"এইয়া আচল খাদী বুলি ভাবিছে নেকি ? এইয়া মিলৰহে খাদী।"

তেওঁ সন্মানেৰে ক'লে—"ডাঙৰীয়া, খদ্দৰ খদ্দৰেই। ইয়াত আৰু আচল নকল কি আছে ?"

অফিচাৰ গুচি যোৱাৰ পাছত ড্ৰাইভাৰ আৰু চাপ্ৰাচী দুয়ো ৰঙ্গনাথৰ ওচৰ চাপিল। ড্ৰাইভাৰে মাত লগালে,—"দুটা টকা উলিয়াওক চোন।"

তেওঁ মুখখন আনফালে ঘূৰাই কাৰা জবাব দিলে—"কি ? টকা মই কিয় দিম ?"

ড্ৰাইভাৰে চাপ্ৰাচীৰ হাতত ধৰি ক'লে—"আহক ডাঙৰীয়া, মোৰ লগতে আহক।" গৈ থাকোঁতে ৰঙ্গনাথক ড্ৰাইভাৰে ক'লে,—"তোমাৰ কাৰণেই মোৰ গাড়ীৰ চেকিং হ'ল। আৰু তুমিয়েই এতিয়া মোৰ বিপদৰ সময়ত এনে কথা কৈছা। এয়েই তোমাৰ শিক্ষা হয়নে ?"

বৰ্ত্তমান শিক্ষা পদ্ধতি আলিৰ দাঁতিত পৰি থকা কুকুৰৰ নিচিনা, যাক যি কোনোৱে লাথি মাৰি যাব পাৰে। ড্ৰাইভাৰেও গৈ থাকোঁতে শিক্ষা পদ্ধতিৰ ওপৰতে এষাৰি কথা শুনাই চাপ্ৰাচীৰ সৈতে ট্ৰাকখনৰ ফাললৈ খোজ ললে। ৰঙ্গনাথে মন কৰিলে যে সন্ধিয়া হৈ আহিছে, তাৰ চুটকেচটো ট্ৰাকতে আছে। শিৱপালগঞ্জ

পাবলৈ এতিয়াও পাঁচ মাইল বাকী আৰু তাক এতিয়া মানুহৰ সদ্‌ভাৱৰ বিশেষ আৱশ্যক। সিও লাহে লাহে ট্ৰাকৰ ফালে যাবলৈ ধৰিলে। সিফালে ষ্টেচন ওৱাগনৰ ড্ৰাইভাৰে হৰ্ণ বজাই বজাই চাপ্ৰাচীক মাতিছিল। ৰঙ্গনাথে টকা দুটা ড্ৰাইভাৰক দিব খুজিলে। সি ক'লে—"এতিয়াই যদি দিব খুজিছাই তেন্তে চাপ্ৰাচী চাহাবকে দিয়া। মই তোমাৰ পইচাৰে কি কৰিম?"

কৈ থাকোঁতে তাৰ গলা এনে ধৰণৰ সন্যাসীৰ দৰে হ'ল—যি পইচা হাতেৰে কেতিয়াও নুচুৱেই, কেৱল মানক কয় তোমাৰ পইচা হাতৰ মলি মাত্ৰ। চাপ্ৰাচীয়ে টকা দুটা জেপত থৈ বিড়িটোৰ শেষ হোপাটো টানি আধাপোৱা টুকুৰাটো ৰঙ্গনাথৰ পায়জামাৰ ওপৰতে পেলাই ষ্টেচন ওৱাগন খনৰ ফাললৈ আগ বাঢ়িল। সি যোৱাৰ পাছত ড্ৰাইভাৰেও ট্ৰাকত ষ্টাৰ্ট দিলে আৰু গিয়েৰদাল ওপৰলৈ আনি ৰঙ্গনাথৰ হাতত ধৰাই দিলে। অলপ পৰৰ পিছতে কুঁৱলীৰ মাজেৰে বাটৰ দুয়োকাষত কিছুমান কাপোৰৰ টোপোলা থকা যেন দেখা গ'ল। আচলতে সেইবোৰ মাইকী মানুহহে আছিল, শাৰী পাতি ৰাস্তাৰ দুয়োকাষে বহি আছিল। সিহঁতে আৰামেৰে কথা পাতি আছিল আৰু লগতে শৌচাচাৰো কৰি আছিল। ৰাস্তাৰ তলত পচি যোৱা কাগজ পত্ৰ পৰি আছিল আৰু তাৰ দুৰ্গন্ধিত আবেলিৰ বতাহজাকো গৰ্ভৱতী নাৰীৰ দৰে আলস্য ভাবত বৈছিল। অলপ দূৰত কুকুৰৰ ভুকভুকনিৰ শব্দ শুনা গ'ল। চকুৰ আগত ধোঁৱাৰ কুণ্ডলী উৰি অহা দেখা গ'ল। ই সহজেই অনুমেয় আছিল যে তেওঁলোক কোনো গাঁৱৰ কাষ পাইছিলহি। সেয়াই আছিল শিৱপালগঞ্জ।

দুই

শিৱপালগঞ্জ থানাত মানুহ এটাই হাতযোৰকৈ দাৰোগাক কৈ আছে,—"আজিকালি কৰি কেবামাহো পাৰ হৈ গ'ল। এতিয়া হজুৰে আৰু মোক চালান দিবলৈ যাতে পলম নকৰে।"

মধ্যযুগত এখন সিংহাসন আছিল বোধহয়—যি এতিয়া ক্ষয় গৈ গৈ আৰামী চকী হ'লগৈ। দাৰোগাই তাত বহিও আছিল আৰু কবলৈ গলে শুইও আছিল। এই আবেদন নিবেদন আটাইবোৰ শুনাৰ পিছত দাৰোগাই মূৰটো দাঙি কলে,—"চালান হৈ যাব। পিছে ইমান ততাতৈয়াখন কিহৰ? কিনো বিপদ আহিছে?"

সেই মানুহটোৱে আৰামী চকীৰ ওচৰতে পৰি থকা এটা প্ৰাগ ঐতিহাসিক যুগৰ মূঢ়াৰ ওপৰত বহি পৰিল আৰু কবলৈ ধৰিলে, —"মোৰ বাবেতো বিপদেই হজুৰ। আপুনি চালান কৰি দিলেই এই গোলমালৰ পৰা হাত সাৰোঁ।"

দাৰোগাই মুখৰ ভিতৰতে কিবাকিবি ভোৰভোৰাই কাৰোবাক গালি পাৰিবলৈ ধৰিলে। কিছু সময়ৰ পাছত দেখা গ'ল কামৰ হেঁচাত তেওঁৰ উশাহ নিশাহ বন্ধ হোৱাৰ উপক্ৰম। ইমান কামৰ ধুম যে অপৰাধৰ সোধাপোছা কৰিবৰ সময়েই নাই, মোকৰ্দ্দমাৰ চালান নহয়গৈ, আদালতত সাক্ষী বাদী লোৱা নহয়। ইমান কাম যে আটাইবোৰ কামেই বন্ধ হৈ আছে।

মুঢাটো আৰামী চকীৰ ফালে চুচৰি আহিল। সি কলে,— "হজুৰ, শক্ৰুৱে কবলৈ আৰম্ভ কৰি দিছে যে শিৱপালগঞ্জত দিন দুপৰতে জুৱা খেলা হয়। কেপ্তেইনৰ হাততো হেনো এখন বেনামী চিঠি পৰিছে। এনেয়ে বছৰত এবাৰকৈ চালান কৰিব লাগে। এই বছৰ চালান দিওঁতে পলম হৈছে। সময়খিনি পাৰ হলেই মানুহৰ ওজৰ আপত্তিও বন্ধ হৈ যাব।"

অকল আৰামী চকী খনেই নহয় আটাইবোৰেই মধ্যযুগৰ আছিল। তক্তাপোচ, তাৰ ওপৰত পাৰি থোৱা সতৰঞ্চি কাপোৰ, কলমদানী, শুকাই যোৱা চিয়াঁহীৰ দোৱাত, মটীয়া বৰণৰ কোঠাৰ কোণ কেইটা, ভাঁজ খোৱা ৰেজিষ্টাৰ, আটাইবোৰেই কেইবা শতাব্দীৰো পূৰণা যেন হৈছিল। তাত বহি যদি কোনোবাই চাৰিওফালে চকু ফুৰাই চায় তেন্তে তেওঁ গম পাই যাব যে তেওঁ ইতিহাসৰ কোনোবা এটা চুকত থিয় দি আছে। এই থানাৰ বাবে ফাউণ্টেন পেন বনোৱা হোৱা নাছিল। সেইটো দিশত ইমানেই উন্নতি হৈছিল যে অন্ততঃ ইকবাৰ কলমো নাছিল? ইয়াৰ বাবে টেলিফোনৰ আৱিষ্কাৰ হোৱা নাছিল অস্ত্ৰশস্ত্ৰৰ ভিতৰত আছিল কিছুমান প্ৰাচীন কালৰ ৰাইফল—যাক দেখিলে বোধ হৈছিল—চিপাহী বিদ্ৰোহৰ দিনতহে এইবোৰ ব্যৱহাৰ কৰা হৈছিল। কিন্তু এনেয়ে চিপাহীৰ বাবে বাঁহৰ টোকোন আছিল যাৰ বিষয়ে এজন কবিয়ে বৰ্ণনা দিছে যে এই টোকোন নৈ খাল আদি পাৰ হ'বলৈ আৰু কুকুৰক টঙনিয়াবলৈ বেচ উপযোগী বস্তু। এই থানাৰ বাবে জীপ গাড়িৰ কোনো অস্তিত্বই নাছিল। ইয়াৰ সেৱা কৰিবলৈ দুই তিনিটা চকীদাৰৰ মৰমৰ ছত্ৰ-ছায়াত ডাঙৰ হোৱা ঘোঁৰা নামৰ এক বাহন আছিল। অৱশ্যে এনে বাহন শ্বেৰছাহৰ দিনটো আছিল।

থানাৰ ভিতৰলৈ সোমোৱাৰ লগে লগেই মানুহৰ বোধ হৈছিল যেন তেওঁক কোনোবাই দাঙি আনি এশবছৰৰো আগৰ দিনত পেলাই দিলেহি। যদি তেওঁৰ আমেৰিকাৰ ডিটেক্টিভ কিতাপ পঢ়াৰ অভ্যাস আছে, তেনেহলে তেওঁ খুটি নাটি বিচাৰি চালে-হেঁতেন যেন আঙুলিৰ চাব চোৱা আইনাখন, কেমেৰা, ৱায়াৰলেচ লগা গাড়ী—এইবোৰ ক'ত? তাৰ পৰিৱৰ্ত্তে তেওঁ মাত্র এয়াহে দেখিবলৈ পাব- যাৰ বিষয়ে ওপৰত উল্লেখ কৰা হৈছে। লগতে এইটোও দেখিবলৈ পাব যে লেঙুটী মৰা মানুহ এটাই থানাৰ সন্মুখত থকা তেতেলী গছজোপাৰ তলত আৰামেৰে বহি ভাং বনোৱাত ব্যস্ত। পিছত অৱশ্যে গম পালেহেঁতেন যে সেই মানুহটোৱে অকলেই কুৰিখন গাঁৱৰ সুৰক্ষাৰ বাবে সাজু আৰু যিটো অৱস্থাত যেনেদৰে আছে ঠিক তাৰপৰাই কুৰিখন গাঁৱৰ অপৰাধক বাধা দিব পাৰে। অপৰাধ যদি হৈ গ'ল তাৰ খবৰ লব পাৰে আৰু যদি অপৰাধ নাই হোৱা তাক কৰাব পাৰে। কেমেৰা, আইনা, পুলিচৰ কুকুৰ, ৱায়াৰলেচ তাৰ বাবে নিষ্প্ৰয়োজনীয়। এইদৰেই থানাখনৰ পৰিৱেশ বেচ ৰমণীয় আছিল আৰু তাৰ বিগত দিনৰ গৌৰৱৰ সাক্ষী বহন কৰিছিল।

দাৰোগা আৰু থানাত থকা দহবাৰজন চিপাহীৰ ওপৰত সেই অঞ্চলৰ ৰাইজৰ বহুতো আশা আকাঙ্ক্ষা আছিল। আঢৈশ-তিনিশ গাঁৱৰ ভিতৰৰ সেই থানাৰপৰা আঠ মাইল দূৰৰ কোনো গাঁৱত যদি সিন্ধি দিয়া খবৰ শুনে তেন্তে ধৰি লোৱা হৈছিল যে এই কেইজন লোকৰ ভিতৰৰ যেই কোনো এজনে চোৰ নিশ্চয় দেখা পাব। বাৰমাইল দূৰত যদি ৰাতি ক'ৰবাত ডকাইতি হয় তেন্তে তেওঁলোকৰপৰা ইয়াকো আশা কৰিবপৰা গৈছিল যে ডকাইত গৈ

পোৱাৰ আগতেই তেওঁলোক তাত ওলাবগৈ। এই বিশ্বাসৰ ওপৰতে কোনো গাঁৱতেই সকুসুৰা ফাক্কা হিলৈৰ বাহিৰে অন্য কোনো অস্ত্ৰ-শস্ত্ৰ দিয়া নগৈছিল। অস্ত্ৰ দিয়াত এইবাবেই ভয় আছিল যে গাঁৱত বসবাস কৰা অসভ্য আৰু বৰ্ব্বৰ মানুহে বন্দুকৰ ব্যৱহাৰ শিকি পোৱাৰ লগে লগেই ইটোৱে সিটোক হত্যা কৰিবলৈ আৰম্ভ কৰি দিব, তেজৰ নৈ বৈ যাব। যেতিয়াই ডকাইতৰ হাতৰপৰা তেওঁলোকৰ সুৰক্ষাৰ প্ৰশ্ন আহিছিল তেতিয়াই দাৰোগা আৰু তেওঁৰ দহ-বাৰজন মানুহৰ যাদুৰ ওপৰত সকলো এৰি দিয়া হৈছিল।

তেওঁলোকৰ যাদুৰ আটাইতকৈ ডাঙৰ প্ৰদৰ্শন হৈছিল হত্যা-সম্পৰ্কীয় গোচৰত কৰা আশা। কাৰণ, ধৰি লোৱা হৈছিল যে এই তিনিশখন গাৱঁত থকা মানুহৰ কাৰবাবে ঘৃণা আছিল, কাৰ লগত শত্ৰুতা আছিল, কাক কেঁচাই কেঁচাই চোবাবৰ মন আছিল,— ইয়াৰ পূৰা হিচাপ ৰাখিব আৰু প্ৰথমৰ পৰাই এনে কিছুমান উপায় উলিয়াই থব যাৰ বাবে কোনেও কাকো মাৰিব নোৱাৰিব। আৰু যদি কোনোবাই তাৰ ভিতৰতো মাৰে তেতিয়া হলে তেওঁ-লোকে বতাহৰ গতিৰে গৈ ঠিক সময়ত হত্যাকাৰীক ধৰি পেলাব, মৃত ব্যক্তিক কবৰলৈ আনি লব আৰু তাক মৰা দৃশ্য চাই থকা লোকক দিব্য দৃষ্টি দি দিব যাতে সি যি কোনো আদালতে ৰি ঘটনা ঘটিল তাক মহাভাৰতৰ সঞ্জয়ৰ দৰে চলন্ত বিৱৰণী দিব পাৰিব। মুঠতে কবলৈ গলে আমাৰ দাৰোগা আৰু তেওঁৰ চিপাহী-হঁতক মানুহ বুলি নহয় বৰং আল্লাউদ্দীনৰ চাকিৰপৰা ওলোৱা দৈত্য বুলি ভাবি ৰখা হৈছিল। তেওঁলোকক তেনেকৈয়ে ৰাখি ১৯৪৭ চনত ইংৰাজে নিজৰ দেশলৈ উভটি গৈছিল আৰু তাৰ

পিছত লাহে লাহেহে মানুহে বুজিব পাৰিছিল যে সেইবোৰ দৈত্য নহয়,—মানুহহে ; আৰু এনেকুৱা মানুহ যি দৈত্য ওলোৱাৰ আশাত দিনে ৰাতিয়ে নিজৰ নিজৰ চাকিবোৰ চাফ কৰি থাকে।

শিৱপালগঞ্জৰ জুৱাৰী সঙ্ঘৰ মেনেজিং ডাইৰেক্টৰ গুচি যোৱাৰ পাছত দাৰোগাই মূৰ তুলি এবাৰ চাৰিওফালে চালে। দেখিলে—সকলোফালে শান্তিয়ে বিৰাজ কৰিছে। তেতেলী গছৰ তলত ভাং বনাই থকা লেঙুটি মৰা চিপাহীটোৱে ওচৰত থকা শিৱলিঙ্গত ভাং আগবঢ়াইছিল, ঘোঁৰা এটাৰ ওচৰত চৌকিদাৰ এটা থিয় দি আছিল আৰু থানাৰ বন্ধ কোঠা এটাৰ ভিতৰত থকা ডকাইত এটাই ডাঙৰ ডাঙৰকৈ হনুমান চালিসা প'ঢ় আছিল। বাহিৰৰ সদৰ দৰজাত কৰ্ত্তব্যৰত থকা চিপাহীটোৱে নিশ্চয় সাৰ পাই থাকিবৰ বাবে এটা খুটাৰ সহায় লৈ থিয়ই থিয়ই টোপনিয়াই আছিল।

দাৰোগাই ক্ষন্তেকৰ বাবে চকুৰ পটা দুখন বন্ধ কৰিব খুজিছিল, আৰু ঠিক তেনে সময়তে ৰুপ্পন বাবুক সোম'ই অহা দেখা পালে। তেওঁ মনে মনে ভোৰভোৰালে—অকণমান সময়ো চকু দুটা মুদিব নোৱাৰি। ৰুপ্পনবাবু ওচৰ পোৱাৰ লগে লগেই তেওঁ চকীৰপৰা উঠি থিয় হ'ল। বহুত আগতেই নম্ৰতাকণ শেষ হৈ যোৱাৰ পিছতো পুনৰ নম্ৰতাৰেই তেওঁৰ লগত হাত মিলালে। ৰুপ্পনবাবুৱে বহিয়েই মাত লগালে,—"ৰামাধীনলৈ ৰঙা চিয়াঁহীৰে লিখা এখন চিঠি আহিছে। ডকাইতে পাঁচহেজাৰ টকা বিচাৰিছে। আৰু লিখিছে অমাৱস্যাৰ দিনা ৰাতি দক্ষিণফালৰ টিলাটোত……"

দাৰোগাই হাঁহি মাৰি কলে,—"চাওকচোন ডাঙৰীয়া। এইটো বৰ বেছি হ'লগৈ আৰু। আগতে ডকাইতে নকী পাহাৰ পাৰ হৈ

ঘৰলৈ টকা নিবলৈ আহিছিল। এতিয়া আকৌ বিচাৰে কোনোবাই তেওঁলোকক ঘৰত গৈ টকা দি আহিবগৈ লাগে।”

ৰুপ্পন বাবুৱে কলে,—“এৰা, সেইটো মন কৰিছোঁ। এইটো ডকাইতি নহৈ যেনিবা ভেটীহে হ'লগৈ।”

দাৰোগায়ো একেটা সুৰতে কলে, ভেটী, চুৰি, ডকাইতি—এতিয়া সকলো এক হৈ গ'ল। সম্পূৰ্ণ সাম্যবাদ।”

ৰুপ্পন বাবুৱে কলে,—“দেউতায়ো সেইটোকে কয়।”

“তেখেতে কি কয়?”

“এইটোৱেই যে সম্পূৰ্ণ সাম্যবাদ।” দুয়ো হাঁহিলে। ৰুপ্পন বাবুৱে মাত লগালে, “নহয় মই ধেমালী কৰা নাই। ৰামাধীনলৈ সঁচাকৈয়ে এনে এখন চিঠি আহিছে। দেউতাই সেইবাবে মোক পঠাই দিছে। ৰামাধীন আমাৰ বিৰোধী পক্ষৰ হলে কি হ'ল; তেওঁক এনে ধৰণে জোকোৱা উচিত নহয়।”

”বৰ সুন্দৰ কথা কৈছে। যাক কৈছে মই তেওঁক কৈ দিওঁ।”

ৰুপ্পন বাবুৱে দাৰোগাৰ ফালে চালে। দাৰোগায়ো তেওঁৰ চকুলৈ চালে আৰু হাঁহি মাৰি কলে,—“হেৰি ভয় নাখাব। মই ইয়াত থাকোঁতে কেতিয়াও ডকাইতি হবলৈ নিদিওঁ।”

ৰুপ্পন বাবুয়ে লাহেকৈ মাত লগালে,—“সেইটো বাৰু মই বুজিছোঁ, এই চিঠিখন নকলি চিঠি। পাৰিলে আপোনাৰ চিপাহীকো সুধি চাওকচোন। কিজানি সিহঁতৰ কোনোবাই লিখিলে বা।

“এইটো কেতিয়াও হ'ব নোৱাৰে। মোৰ চিপাহীয়ে লিখিব নাজানে। দুই এটাই যি মাত্ৰ চহীহে মাৰিব পাৰে।”

ৰুপ্পন বাবুৱে আৰু কিবা এটা কম বুলি মুখ মেলিছিল, তেনেতে দাৰোগাই মাত লগালে,—“ইয়াত লৰা-লৰি কৰিবৰ কিটো আছে,

ৰামাধীনক ৰিপোৰ্ট লিখিবলৈ দিয়কচোন। চিঠিখনতো অন্ততঃ হাতত পৰকহি।”

ক্ষন্তেক সময় দুয়ো মনে মনে বহি থাকিল। দাৰোগাই আকৌ কিবা এটা ভাবি মাত লগালে,—“সঁচা কথা কবলৈ গলে এইখনৰ সম্পৰ্ক শিক্ষা বিভাগৰ লগত আছে যেনহে লাগে।”

“কেনেকৈ ?”

“শিক্ষা বিভাগ কিয়—আপোনাৰ কলেজৰ লগত যেনহে বোধ হয়।”

ৰূপ্পনবাবুৱে কথাটো ভাল নাপালে। “আপোনাৰো সেই মোৰ কলেজৰ ওপৰতহে চকু।”

“মোৰ বিশ্বাস ৰামাধীনলৈ দিয়া এই চিঠিখন আপোনাৰ কলেজৰে কোনোবা ল’ৰাই লিখিছে। আপোনাৰ কি ধাৰণা বাৰু ?”

“আপোনালোকৰ চকুত সকলো দোষ স্কুলীয়া ল’ৰা-ছোৱালীয়েহে কৰে।” ৰূপ্পনবাবুৱে পুনৰ ক’লে,—” যদি আপোনাৰ আগত কোনোবাই বিষ খাই আত্মহত্যা কৰে– আপোনালোকে সেইটোকো আত্মহত্যা বুলি নধৰিব। এইটোকে কব যে কোনোবা ছাত্ৰই বিষ দি হত্যা কৰিলে।”

“আপুনি ঠিকেই কৈছে ৰূপ্পনবাবু, প্ৰয়োজন হলে মই তাকেই কম। মই বস্তাৱৰ সিঙৰ শিষ্য। আপুনি বোধহয় এইটো কথা নাজানে।”

তাৰপাছত চৰকাৰী কৰ্ম্মচাৰীলৈ কথাটো বাগৰিল। আগতে চৰকাৰী কৰ্ম্মচাৰী কেনে আছিল আৰু এতিয়া কেনে হৈছে। লাহেকৈ বস্তাৱৰ সিঙৰ কথা তল পৰিলগৈ।

ৰূপ্পনবাবুৰ বয়স ওঠৰ বছৰ। তেওঁ স্থানীয় বিদ্যালয়ৰ দশম

মানত পঢ়িছিল। পঢ়িবলৈ আৰু বিশেষকৈ দশম মানতে পঢ়িবৰ বাবে তেওঁৰ বেচ ধাউতি আছিল। গতিকেই তেওঁ সেই একেটা শ্ৰেণীতে যোৱা তিনিবছৰ ধৰি পঢ়ি আহিছিল।

তেওঁ আছিল স্থানীয় ছাত্ৰ নেতা। তেওঁৰ ব্যক্তিত্বই এই আৰোপক খণ্ডন কৰিছিল যে ভাৰতত নেতা হবলৈ হলে প্ৰথমে ৰ'দত ঘূৰি চুলি পকাব লাগিব। তেওঁ নেতা হোৱাৰ আটাইতকৈ ডাঙৰ আদৰ্শ আছিল এইটোৱেই যে তেওঁ সকলোকে সমান চকুৰে চাইছিল। থানাৰ দাৰোগা আৰু জেলৰ কয়দী তেওঁৰ মানত এক আছিল। সেই একে ধৰণেই পৰীক্ষাত নকল কৰা আৰু কলেজৰ প্ৰিন্সিপাল তেওঁৰ মানত একে আছিল। তেওঁ সকলোকে এক বুলি ভাবিছিল, সকলোৰ কাম কৰিছিল আৰু সকলোৰে পৰা কাম আদায় কৰি লৈছিল। তেওঁক ইমানেই সন্মান দিয়া হৈছিল যে পুঁজিবাদৰ প্ৰতীক দোকানীয়ে তেওঁৰ ওচৰত বস্তু নেবেচিছিল, বৰং অৰ্পণহে কৰিছিল আৰু শোষণৰ প্ৰতীক ইক্কাৱালাই তেওঁক নগৰ পৰ্য্যন্ত আগবঢ়াই দি ভাড়া নিবিচাৰিছিল,—আশীৰ্ব্বাদহে বিচাৰিছিল। তেওঁৰ নেতাগিৰিৰ প্ৰাৰম্ভিক আৰু অন্তিম ক্ষেত্ৰ আছিল সেই ঠাইৰ কলেজখন, য'ত তেওঁৰ এটা ইংগিতত শ শ ছাত্ৰই তিলকে তাল বনাব পাৰিছিল আৰু প্ৰয়োজন হলে আগবাঢ়ি আহিছিল।

তেওঁ জন্মগত নেতা আছিল,—কাৰণ তেওঁৰ দেউতাকো নেতা আছিল। তেওঁৰ পিতাকৰ নাম আছিল বৈদ্য ডাঙৰীয়া।

তিনি

জিলা বোৰ্ডে এৰি দিয়া দুটা ডাঙৰ আৰু দুটা সৰু কোঠালীৰ এটা ডাকবঙলা আছিল। ইয়াত কেঁচা দেৱাল আৰু টিনৰ টুকুৰাৰে কিছুমান অস্তাৱল বনোৱা হৈছিল। অস্তাৱলৰ পৰা কিছু দূৰত থকা পকা ইটাৰ দেৱালত টিন লগাই এখন দোকানৰ নিচিনাকৈ খোলা হৈছিল। এফালে ৰেলৰ গেটৰ ওচৰত এটা কোঠালীৰ এটা গম্বুজ আছিল আৰু আনফালে এজোপা বৰগছৰ তলত কবৰৰ নিচিনা এটা ঢাপ আছিল। অস্তাৱলৰ ওচৰত এটা নতুন ধৰণৰ ঘৰ আছিল। তাত লিখা আছিল "সামুদায়িক মিলন কেন্দ্ৰ, শিৱপালগঞ্জ।" এই আটাইবিলাকৰ পাছফালে এটুকুৰা তিনি চাৰি একৰৰ মাটি চন পৰি আছিল। সেই মাটি টুকুৰা চহাই গুটি সিঁচা হৈছিল আৰু গুটিও গজি উঠিছিল।

এই গোটেইখিনি ঠাই লৈ "ছঞ্জামল বিদ্যালয়, ইণ্টাৰমিডিয়েট কলেজ, শিৱপালগঞ্জ" নামেৰে জনাজাত আছিল। ছঞ্জামল কেতিয়াবা জিলাবোৰ্ডৰ চেয়াৰমেন আছিল। এটা ভুৱা প্ৰস্তাৱ-যোগে বোৰ্ডৰ ডাকবঙলাটো কলেজৰ কাৰ্য্যকৰী সমিতিৰ নামত লিখাই লৈছিল—যিটো সময়ত কাৰ্য্যকৰী সমিতিৰ বাহিৰে কলেজৰ নিজৰ বুলিবলৈ একোৱেই নাছিল। লিখাৰ চৰ্ত অনুযায়ী কলেজৰ নাম "ছঞ্জামল বিদ্যালয়" ৰখা হ'ল।

কলেজৰ এটা এটা অংশৰ বেলেগ বেলেগ ইতিহাস আছিল। সামুদায়িক মিলনকেন্দ্র গাঁওসভাৰ নামত লোৱা চৰকাৰী পইচাৰ দ্বাৰা বনোৱা হৈছিল। তাত প্রিন্সিপেলৰ অফিচ আৰু এঘাৰ ও বাৰ শ্রেণীৰ পঢ়োৱা কোঠা আছিল। অস্তাৱলৰ নিচিনা ঘৰটো শ্রমদানেৰে বনোৱা হৈছিল। টিনৰ ঘৰটো কোনো মিলিটাৰী চাউনীৰ ভগ্নাৱশেষক ৰাতিয়ে ৰাতিয়ে ভাঙি বনোৱা হৈছিল। চহোৱা মাটিবোৰ কৃষি-বিজ্ঞান পঢ়োৱা কামত লগোৱা হৈছিল আৰু তাত গজি উঠা ঘাঁহবোৰ প্রিন্সিপেলৰ গৰু ম'হৰ কামত লাগিছিল।

বিজ্ঞানৰ শ্রেণী চলি আছিল। নৱমমান শ্রেণীত পঢ়োৱা বি-এচ্-চি পাছ মতিৰাম মাষ্টৰে ছাত্রবিলাকক আপেক্ষিক ঘনত্বৰ বিষয়ে পঢ়াইছিল। ৰাস্তাইদি কুঁহিয়াৰেৰে ভৰা গৰুৰ গাড়ীবোৰ শঙ্কৰ মিলৰ ফালে আগুৱাই গৈ আছিল। কেইটামান দুষ্ট ল'ৰাই পাছফালৰপৰা কুঁহিয়াৰ লৈ পলাইছিল আৰু আগত বহি যোৱা গাৰোৱানে গালি পাৰি গৈ আছিল। গালি আৰু প্রতিগালিয়ে ইটোৱে সিটোক চেৰাই গৈছিল আৰু শ্রেণীবিলাকত পার্শ্ব সঙ্গীতৰ কাম কৰিছিল। ল'ৰাবিলাকে এই নাটকীয় পৰিৱেশ উপভোগ কৰিছিল আৰু লগে লগে বিজ্ঞানো পঢ়িছিল।

এটা ল'ৰাই মাষ্টৰক সুধিলে,—"চাৰ, আপেক্ষিক ঘনত্বনো কাক কয়?"

মাষ্টৰে ক'লে,—"আপেক্ষিক ঘনত্ব মানে ৰিলেটিভ ডেন্সিটি।"

আন এটা ল'ৰাই মাত লগালে,—"চাৰ, এতিয়া আপুনি দেখোন বিজ্ঞান পঢ়োৱা নাই, ইংৰাজীহে পঢ়াইছে।"

তেওঁ কলে,—"বিজ্ঞান চালা ইংৰাজীৰ অবিহনে কেনেকৈ হ'ব পাৰে?"

ল'ৰাবিলাকে মাষ্টৰৰ উত্তৰ শুনি ঢেকঢেকাই হাঁহিবলৈ ধৰিলে। হাঁহিৰ কাৰণ আছিল হিন্দী ইংৰাজীৰ তৰ্ক-বিতৰ্কৰ কাৰণে নহয়, —'চালা' শব্দৰ প্ৰয়োগৰ কাৰণেহে।

তেওঁ ক'লে—"এইটো হাঁহিব লগা কথা নহয়।"

ল'ৰাবিলাকে বিশ্বাস নকৰি আৰু জোৰেৰে হাঁহিবলৈ ধৰিলে। ইয়াকে দেখি মাষ্টৰ মতিৰামেও ল'ৰাবিলাকৰ সৈতে হাঁহিবলৈ ধৰিলে। ল'ৰাবিলাক চুপ হৈ গ'ল।

মাষ্টৰে ল'ৰাবিলাকক আন একো নকৈ মাথোন ক'লে— "ৰিলেটিভ ডেন্সিটি নুবুজা যদি আপেক্ষিক ঘনত্বটো বুজি লোৱা। আনফালেদি বুজিবলৈ চেষ্টা কৰা। আপেক্ষিক মানে কোনো বস্তুৰ লগত সমিলমিল থকা। ধৰি লোৱা, তোমাৰ এটা আটা বনোৱা মিল আছে আৰু তাৰ ওচৰতে তোমাৰ ঘৰৰ ওচৰৰ মানুহ-জনৰো এটা মিল আছে। তুমি তোমাৰ আটা মিলটোৰপৰা পাঁচশ টকা আয় কৰা আৰু তোমাৰ ওচৰ চুবুৰীয়া জনে আয় কৰে চাৰিশ টকা। তাৰ মানে তুমি তেওঁতকৈ বেছি আয় কৰা। ইয়াকে বিজ্ঞানৰ ভাষাত কব যে তোমাৰ আপেক্ষিক লাভ বেছি। এতিয়া বুজি পালা?"

এটা ল'ৰাই মাত লগালে,—"চাৰ, বুজিতো পালোঁ। কিন্তু আপোনাৰ গোটেই উদাহৰণটো ভুল। আটা বনোৱা মিলৰপৰা এই গাঁৱত কোনেও পাঁচশ টকা আয় কৰিব নোৱাৰে।"

মতিৰাম মাষ্টৰে মেজত ভুকুৱাই ক'লে,—"কিয় কৰিব নোৱাৰিব। কৰিব পৰা মানুহে কি কৰিব নোৱাৰে?"

ল'ৰাটো এই কথাত পতিয়ন নগ'ল। সিও দৃঢ়ভাবে কলে,— "একো কৰিব নোৱাৰে। আমাৰ দদাইদেউৰ আটাৰ মিলটো

দিনে ৰাতিয়ে চলে। কিন্তু কোনোৰকমে মাহেকত দুশ টকাহে আয় কৰিব পাৰে।”

“কোন তোমাৰ দদায়েৰ?” মাষ্টৰ মতিৰামৰ গলাৰ আৱাজটো যেন আগতকৈ অলপ ডাঙৰ হ’ল। ল’ৰাটোক ভালকৈ নিৰীক্ষণ কৰি ক’লে,—‘তুমি সেই নিলাজ মুন্নুৰ ভতিজাক নোহোৱাটো?”

ল’ৰাটোৱে নিজৰ অভিমান মুলুকুৱালে। সি নির্ভয়ে কলে,—নহয়নো কি?”

মুন্নু সম্ভ্ৰমৰ মানুহেই আছিল। ইংৰাজীত এটা কথা আছে, গোলাপ ফুলক যি বুলিয়েই কোৱা নাযাওক গোলাপ সদায় গোলাপেই। ঠিক তেনেকৈ মুন্নুকো মতা হৈছিল। নিলাজ মুন্নুৱে আটাৰ মিল চলাইছিল,—পইচা উপার্জ্জন কৰিছিল, মানী লোক আছিল। এনেয়ে নিলাজ মুন্নু এই নামটো মুন্নুৱে নিজে গোটোৱা নাছিল। এইটো তেওঁ পাইছিল। ল’ৰাকালত দেউতাকে তেওঁক মৰমতে ‘নিলাজ মুন্নু’ বুলি মাতিছিল আৰু মাকে ‘মুন্নু’ বুলি মাতিছিল। আৰু গাঁৱৰ মানুহেও মৰমতে তেওঁক ‘নিলাজ মুন্নু’ বুলি মাতিছিল।

মতিৰাম মাষ্টৰে নিলাজ মুন্নুৰ ভতিজাকলৈ অলপ তভক মাৰি চালে। তাৰ পাছত উশাহটো সলাই কলে,—“বাদ দিয়া এইবোৰ কথা।”

তেওঁ খুলি থোৱা কিতাপটোত চকু ফুৰালে। যেতিয়া তেওঁ মূৰ দাঙ্গি চালে, দেখিলে ল’ৰাবিলাকে তেওঁলৈকে চাই আছে। সুধিলে—“কি হ’ল?”

এটা ল’ৰাই ক’লে,—“ইয়াকেই ঠিক হ’ল যে এটা আটা মিলৰ-পৰা মাহে পাঁচশ টকা আয় কৰিব নোৱাৰি।”

"কোনে কৈছে?" মাষ্টৰে ক'লে। "মই নিজেই আটা মিলৰ পৰা মাহে সাতশকৈ টকা আয় কৰিছোঁ। কিন্তু নিলাজ মুন্নুৰপৰা গোটেইখন ওলট-পালট হৈ গৈছে।"

নিলাজ মুন্নুৰ ভতিজাকে শালীনতাৰে কলে,—"তাত বেজাৰ কৰিব লগীয়া কিটো আছে? ইওতো এটা ব্যৱসায়। কেতিয়াবা চিট্ আৰু কেতিয়াবা পট। প্ৰতিযোগিতাত এনেকুৱাই হয়।"

"বিশ্বাসী আৰু অবিশ্বাসীৰ মাজত প্ৰতিযোগিতা! কি বকিছা? মাষ্টৰ মতিৰামে ঘপহকৰে কলে

এটা ল'ৰাই মাত লগালে,—"অতি বেয়া কথা।"

মাষ্টৰে শ্ৰেণীৰ ল'ৰাবিলাকলৈ চাই প্ৰশ্ন কৰিলে,—"এইটো কোনে কৈছে?"

এটা ল'ৰাই নিজৰ বহা ঠাইৰপৰা হাত দাঙি কলে,—"মই চাৰ। মই সুধিছিলোঁ আপেক্ষিক ঘনত্ব উলিয়াবৰ কি উপায়?"

মতিৰাম মাষ্টৰে ক'লে,—"কোনো এটা বস্তুৰ আপেক্ষিক ঘনত্ব উলিয়াবলৈ হলে সেই বস্তুটোৰ ওজন আৰু আয়তন মানে 'ভলিউম' জানিব লাগে। উপায়ৰ কথা কবলৈ গলে সকলো বস্তুৰে দুটা উপায় আছে। এটা শুদ্ধ উপায় আৰু আনটো অশুদ্ধ উপায়। শুদ্ধ উপায়ৰ ফলাফল শুদ্ধ পোৱা যায় আৰু অশুদ্ধ উপায়ৰ পৰা অশুদ্ধ ফলাফল পোৱা যায়। ইয়াক এটা উদাহৰণৰ দ্বাৰা বুজুৱাটো অতি জৰুৰী। ধৰি লোৱা—তোমাৰ এটা আটাৰ মিল আছে। ইয়াৰ নতুন মেচিন,—সদায় গ্ৰীজ, তেল আদি সলাই চক্চকীয়া কৰি ৰখা হৈছে। ইঞ্জিন নতুন, ফিটা নতুন আৰু প্ৰয়োজনীয় সকলো বস্তুৱেই আছে। কিন্তু বিজুলী শক্তি নাই। তেতিয়া কি হ'ব?"

প্ৰথমতে কোৱা ল'ৰাটোৱে কলে, "তেতিয়া ডিজেল ইঞ্জিন ব্যৱহাৰ কৰিব লাগিব। মুন্নু খুড়াই তেনে কৰিছিল।"

মতিৰাম মাষ্টৰে কলে,—"ইয়াত কেৱল মুন্নুৰ খুড়াকৰ হাত নাই। ইয়ালৈ প্ৰথমতে ডিজেল ইঞ্জিন কোনে আনিছিল? কোনোবাই জানানে?"

ল'ৰাবিলাকে হাত দাঙি একেলগে ক'লে,—"আপুনি, আপুনি আনিছিল।"

মাষ্টৰে সন্তোষমনেৰে মুন্নুৰ ভতিজাকৰ ফালে চালে আৰু গৰ্ব্বেৰে ক'লে,—"শুনিলা? নিলাজ মুন্নুৱেতো মোৰ চকুৰ আগত ডিজেল চলাইছে। কিন্তু মোৰ আটা মিল এই কলেজ খোলাৰ আগৰেপৰা চলি আছে। মোৰ আটা মিলৰ পৰাইতো কলেজৰ কাৰণে প্ৰত্যেকজন আটা বনোৱা মানুহৰপৰা একোসেৰকৈ আটা দান লোৱা হৈছিল। মোৰ আটা মিলৰপৰাই সেই আটা বজাৰত বিক্ৰী কৰিবৰ কাৰণে লৈ যোৱা হৈছিল। মোৰ আটা মিলতেই কলেজৰ দালানৰ নক্সা আঁকা হৈছিল। আৰু মেনেজাৰ খুড়াই কৈছিল,—'মতি, কলেজত তুমি মাষ্টৰ হিচাপে থাকিবা যদিও আচল প্ৰিন্সিপালৰ কাম তুমিয়েহে কৰিবা। সকলো কথা মোৰ আটা মিলতেই হৈছিল। এতিয়া আকৌ গাঁৱত নিলাজ মুন্নুৰহে আটা মিল হ'লগৈ। মোৰ আটা মিল যেন মিলেই নহয়।"

ল'ৰাবিলাকে নিস্তব্ধ হৈ মাষ্টৰৰ কথা শুনিলে। এই একেবোৰ কথা ল'ৰাহঁতে আগেয়ে বহুবাৰ শুনিছিল আৰু যি কোনো সময়তে শুনিবলৈ তেওঁলোক সাজু হৈয়ে আছিল। তেওঁলোকে মাষ্টৰৰ কথাত বিশেষ গুৰুত্ব নিদিলে। কিন্তু মুন্নুৰ ভতিজাকে কলে,—"চাৰ, বস্তুটো আপোনাৰো ভাল মুন্নু খুড়াৰো ভাল। কিন্তু

আপোনাৰ আটা মিলৰ ধানকুটা মেচিনটো 'অভাৰহোলিঙ' কৰিব লাগে। ধান তাত বেছিকৈ ভাগি যায়।"

মতিৰাম মাষ্টৰে কলে,—"সেইটো নহয়। মোৰ নিচিনা ধানৰ মেচিন গোটেই এলেকাটোতেই নাই। কিন্তু নিলাজ মুন্নৰে কূটা আৰু পিচোৱাৰ দাম কমাই দিছে। আৰু সেই কাৰণেই মানুহ সেইফালে বেছিকৈ গৈছে। প্ৰত্যেক ভাৰতীয় মানুহৰ তেনে অৱস্থাই। য'ত দুপইচাৰ লাভ তালৈকে সকলোৱে লৰ মাৰে।"

"এইটোতো সকলো ঠাইতেই হয়।" ল'ৰাটোৱে তৰ্ক কৰিলে।

"সকলো ঠাইতে নহয়, কেৱল ভাৰততহে এনেকুৱা হয়। অঁ— অলপ ভাবি কলে "দাম কমাই কিছুমান মানুহে নিজৰ ঘাটি পৰাখিনি আনফালেদি গ্ৰাহকৰ আটা চুৰ কৰি পূৰা কৰি লয়। মতিৰাম মাষ্টৰে সকলো কৰিব পাৰে, কিন্তু এইটো কাম কৰিব নোৱাৰে।"

এটা ল'ৰাই কলে,—"তেনেহলে আপেক্ষিক ঘনত্ব উলিয়াবলৈ উপায় কি ওলাল?"

মাষ্টৰে ঘপহকৈ কলে,—"তাকেই-তো কৈছোঁ।" তেওঁৰ চকুটো খিড়িকীৰ সিপাৰে থকা ৰাস্তাৰ ওপৰৰ কুঁহিয়াৰ কঢ়িয়াই নিয়া গাড়ীখনৰ ওপৰত পৰিলগৈ। কিছুবছৰৰ আগৰ চিৰন্তন ভাবাবিষ্ট কৰিব নিচিনাকৈ কৈয়েই থাকিল, "গোটেই এলেকাটোতে এটা মাত্ৰ মেচিন আছিল—লোহাৰ আছিল—কিন্তু আইনাৰ নিচিনা চকচকীয়া আছিল।"

হঠাৎ দুৱাৰৰ ফালে চাই মাষ্টৰে কলে,—"তুমি কি সুধিছিলা?"

ল'ৰাটোৱে তাৰ প্ৰশ্নটো দোহাৰিলে। কিন্তু তাৰ আগতেই মাষ্টৰৰ মনটো অন্যফালে গৈছিল। লৰাটোৱে কাণ থিয় কৰি

শুনিলে,—বাহিৰত কুঁহিয়াৰ চুৰ কৰা আৰু কুঁহিয়াৰ ৰক্ষা কৰা মানুহৰ মাজত গালি, চাপৰাচীৰ ওপৰত প্ৰিন্সিপেল চাহাবৰ দপদপনি,—মিউজিক ক্লাচৰপৰা উৰি অহা হাৰমনিয়মৰ ভেপোঁ ভেপোঁ শব্দ। হঠাৎ ভঁক ভঁক শব্দ শুনা গৈছিল। মতিৰাম মাষ্টৰৰ আটা মিল চলি আছিল। এইটো তাৰেই শব্দ আছিল। এইটোৱে আচল শব্দ আছিল। অন্নবস্ত্ৰৰ নাটনিৰ কাৰণে হাহাকাৰ, দন্দ খৰিয়ালৰ চিঞৰ বাখৰ, এই সকলোবোৰ থকা স্বত্বেও যেনেকৈ এজন প্ৰকৃত নেতাই কেৱল আত্মাৰ আৱাজহে শুনিবলৈ পায়, আন একো নুশুনে;—ঠিক তেনেকৈ মতিৰাম মাষ্টৰেও একো শুনিবলৈ নাপালে। মাত্ৰ শুনিলে—ভঁক, ভঁক, ভঁক।

তেওঁ ওলাই গ'ল।

ল'ৰাবিলাকে কবলৈ ধৰিলে,—"কি হ'ল চাৰ। এতিয়াও ঘণ্টা বজা নাই।"

তেওঁ কলে,—"মোৰ বোধেৰে মেচিন ঠিক হৈ গ'ল। চাই আহোঁচোন কেনে চলিছে।"

তেওঁ দুৱাৰৰ ওচৰলৈকে গ'ল। আকৌ হঠাৎ ঘূৰি আহিল। তেওঁৰ মুখমণ্ডলত দুখৰ চেহেৰা ফুটি উঠিল যেন তেওঁ অতি দুখ পাইছে। তেওঁ কলে—"কিতাপতেই পঢ়ি লবা। আপেক্ষিক ঘনত্বৰ অধ্যায়টো অতি জৰুৰী।" অলপ পৰ ৰৈ পুনৰ কলে "প্ৰয়োজনীয়"—কওঁতেই তেওঁৰ মুখৰ চেহেৰা সলনি হৈ গ'ল।

ভঁক ভঁক ভঁক। কৰ্তব্যই তেওঁক বাহিৰৰ জটিল কৰ্মক্ষেত্ৰলৈ আহ্বান কৰিছে। ছাত্ৰ আৰু কিতাপৰ মোহে তেওঁক বাধা দিব নোৱাৰিলে। তেওঁ গুচি গ'ল।

দিনৰ চাৰি বজাত প্ৰিন্সিপাল তেওঁৰ কোঠাৰ পৰা ওলাল।

এটি ক্ষীণকায় দেহ খাকী হাফপেণ্ট কামিজ্ঞ পৰিধাৰিত। কাষ-লতিত পুলিচ চাৰ্জ্জেণ্টে লোৱা এডাল বেত, ভৰিত চেণ্ডেল। সকলো মিলি যথেষ্ট এলেহুৱা আৰু ধূৰ্ত যেন অনুমান হয় আৰু তাতোকৈ নিজকে বেছি এলেহুৱা আৰু ধূৰ্ত যেন ভাবিছিল।

তেওঁৰ পাছে পাছে আনদিনাৰ নিচিনাকৈ কলেজৰ কেৰাণীজন\ গৈ আছিল। প্ৰিন্সিপাল চাহাবৰ লগত তেওঁৰ বেচ বন্ধুত্ব আছে।

তেওঁলোক ছুয়ো মতিৰাম মাষ্টৰৰ ক্লাচৰ ফালে আগবাঢ়িছিল। ক্লাচ অস্তাৱস্বৰূপ দালানটোৰ লগলগা আছিল। দূৰৈৰপৰা দেখা গৈছিল যে তাত কোনো মাষ্টৰ নাই। এটা ল'ৰাই ফটা পায়জামা এটা পিন্ধি মাষ্টৰৰ মেজৰ ওপৰত বহি কান্দি আছিল। প্ৰিন্সিপাল চাহাবক কাষেদি যোৱা দেখি সি আৰু জোৰেৰে কান্দিবলৈ ধৰিলে। তেওঁ সুধিলে—"কি হ'ল তোৰ? মাষ্টৰ কলৈ গ'ল?"

ল'ৰাটোৱে এতিয়া থিয় হৈ কান্দিবলৈ ধৰিলে। আন এটা ল'ৰাই কলে,—"এইটো মতিৰাম মাষ্টৰৰ ক্লাচ।"

এইবাৰ প্ৰিন্সিপাল চাহাবক আৰু বুজাব লগা নহ'ল মতিৰাম মাষ্টৰ কলৈ গৈছে। কেৰাণীজনে ক'লে,—"চেকেণ্ডহেণ্ড মেচিনে চৌব্বিছ ঘণ্টাই বিশ্ৰাম বিচাৰে। কিমানবাৰ মতিৰাম মাষ্টৰক কলোঁ—"আটাৰ মিলটো বেচি দিবলৈ। কিন্তু নুবুজে। মই নিজেও এবাৰ ডেৰহাজাৰ টকা দিবলৈ ওলাইছিলোঁ।"

প্ৰিন্সিপালে কেৰাণীজনক ক'লে—"বাদ দিয়ক এইবোৰ কথা। সিটো ক্লাচৰপৰা মালবীয়ক মাতি আনক।"

অলপ সময়ৰ পাছতে এজন চকুত লগা সুশ্ৰী ডেকাক অহা দেখা গ'ল। প্ৰিন্সিপাল চাহাবে চিঞৰি কলে,—"ভাই মালবীয়, এই ক্লাচটোও অলপ চাবা।"

মালবীয় ওচৰলৈ আহি হাতত বাঁহৰ বেত এডাল লৈ থিয় হ'ল আৰু ক'লে,—

"একেটা পিৰিয়দতে দুটা ক্লাচ কেনেকৈ লম ?"

কন্দা ল'ৰাটোৱে কান্দিয়েই আছিল। ক্লাচৰ পাছফালে কিছু-মান ল'ৰাই হোহোকৈ হাঁহি আছিল। বাকী কিছুমানে ইহঁতৰ লগত এনেধৰণৰ ভিৰ কৰিলেহি যেন চাৰি আলিত দুৰ্ঘটনাহে ঘটিছে।

প্ৰিন্সিপাল চাহাবে জোৰ জোৰকৈ কবলৈ ধৰিলে,—"বেছি আইন কানুন নেদেখুৱাবা। যেতিয়াৰপৰা তুমি খান্নাৰ লগত ঘূৰা ফিৰা কৰিছা তেতিয়াৰপৰাই সকলো কামতেই তোমাৰ অসুবিধা লাগে।"

মালবীয়ই প্ৰিন্সিপালৰ মুখৰ ফালে চাই ৰ'ল। কেৰাণীজনে কলে,—"চৰকাৰী বাচৰ ফালেই চোৱাঁ মালবীয়। এখন বাচ বেয়া হলে গোটেইবোৰ যাত্ৰীকে পাছৰ গাড়ীখনতে বহুৱাই নিয়ে। এই ল'ৰাবোৰকো তেনেকৈ তোমাৰ ক্লাচলৈকে লৈ গৈ বহুৱাই লোৱা।"

মালবীয়ই মিঠা ভাষাৰে ক'লে,—"এইটোতো ক্লাচ নাইন। মই তাত ক্লাচ চেভেনক পঢ়ুৱাই আছোঁ।"

প্ৰিন্সিপালৰ ডিঙি বেঁকা হ'ল। বুজাজনে বুজি গ'ল যে তেওঁৰ হাত এতিয়া হাফপেণ্টৰ ভিতৰলৈ যাব আৰু বকিবলৈ আৰম্ভ কৰিব। সেয়ে হ'ল। তেওঁ আৰম্ভ কৰিলে,—"মই সকলো জানো। তুমিও খান্নাৰ নিচিনাকৈ প্ৰত্যেক কথাতে তৰ্ক কৰিবলৈ আৰম্ভ কৰিছা। মই ক্লাচ নাইন্ আৰু চেভেনৰ পাৰ্থক্য বুজোঁ। মোক আৰু এতিয়া প্ৰিন্সিপালগিৰী কৰিবলৈ শিকাব নালাগে। যি হুকুম দিয়া হৈছে তাক পালন কৰা। বুজিছানে নাই ?"

প্ৰিন্সিপালৰ ঘৰ ওচৰৰ গাঁৱতে। দূৰ দূৰ অঞ্চলতো তেওঁ তেওঁৰ দুটা গুণৰ কাৰণে বিখ্যাত আছিল। এটা হ'ল ভুৱা খৰচৰ হিচাপ দি শিক্ষানুষ্ঠানখনৰ কাৰণে অতি বেছি চৰকাৰী টকা খৰচ কৰা আৰু আনটো হ'ল তেওঁৰ খঙৰ চৰম সীমা পালে স্থানীয় অৱধী ভাষাৰ ব্যৱহাৰ কৰা। যেতিয়া তেওঁ তথাকথিত খৰচৰ নক্সা বনাইছিল তেতিয়া অতি ডাঙৰ হিচাপ পৰীক্ষকেও হাৰ মানি গৈছিল। আকৌ যেতিয়া তেওঁ অৱধী ভাষা ব্যৱহাৰ কৰিছিল তেতিয়া অতি ডাঙৰ তৰ্কশাস্ত্ৰবিদেও তেওঁৰ কথাৰ উত্তৰ দিব নোৱাৰিছিল।

মালবীয়ই মূৰ তুলি গুচি গ'ল। প্ৰিন্সিপাল চাহাবে ফটা পায়জামা পিন্ধা ল'ৰাটোৰ পিঠিত বেতৰ কোব এটা লগাই ক'লে —"যা, সৌ ক্লাচটোলৈ গৈ মনে মনে বহি থাকগৈ। অলপমানও ইফাল-সিফাল কৰিলে ঠিক কৰি পেলাম।"

ল'ৰাবিলাক যোৱাৰ পাছত কেৰাণীজনে হাঁহি কলে,—"আহক এতিয়া। খান্না মাষ্টৰকো এবাৰ চাই লওঁ।"

খান্না মাষ্টৰৰ আচল নাম খান্নাই আছিল। যেনেকৈ আমাৰ ইয়াত তিলক, পেটেল, গান্ধী, নেহৰু আদি জাতি নহয় কেৱল মানুহৰহে নাম। এই দেশত জাতি প্ৰথা নাশ কৰিবলৈ এইটো এটা পোনপটীয়া উপায়। জাতিৰপৰা তেওঁৰ নামটো গুচাই তাত কোনো মানুহৰ নাম লগাই দিলেই জাতিৰ লগত আৰু সম্বন্ধ নাথাকে। ই আপোনা আপুনি শেষ হৈ যায়।

খান্না মাষ্টৰ ইতিহাসৰ লেকচাৰাৰ আছিল। কিন্তু এতিয়া ইণ্টাৰমিডিয়েটৰ এটা শ্ৰেণীত ইংৰাজী পঢ়াইছে। তেওঁ ল'ৰা এটাক দাঁত কৰচি কৈছিল,—"হিন্দীত দেখোন ডাঙৰ ডাঙৰ প্ৰেমৰ গল্প

লিখিব পাৰা। কিন্তু ইংৰাজীত কোনো উত্তৰ দিবলগীয়া হলে মুখখন ঘূৰাই তলমূৰ কৰি পেলোৱা।”

ল’ৰাটোৱে ক্লাচত মূৰ তল কৰি থিয় দি আছিল। এনেয়ে গাখীৰ ঘিউৰ নাটনি আৰু খেলাধূলাৰ ভাল সুবিধা নথকাত প্ৰত্যেকটো ল’ৰাকেই বিমৰ্ষ দেখা গৈছিল। তাতে আকৌ এই ল’ৰাটোৰ মুখখন এনেধৰণৰ আছিল যেন কথাবোৰ কওঁতে লাগি লাগি গৈছে। শ্ৰেণীৰ ল’ৰাবোৰে জোৰেৰে হাঁহিবলৈ ধৰিলে। খান্না মাষ্টৰে ইংৰাজীত সুধিলে,—“কোৱা ‘মেটাফৰ’ মানে কি ?”

ল’ৰাটো তেনেকৈ থিয় হৈ থাকিল। কিছুদিন আগেয়ে এই দেশত সকলোৰে মুখে মুখে শুনা গৈছিল যে লিখাপঢ়া নজনা মানুহ শিঙ্ আৰু নেজ থকা জন্তুৰ নিচিনা। সেই সময়তেই নিৰক্ষৰ মানুহৰ বহুতো ল’ৰাই গাৱঁত হালকোৰ মাৰিবলৈ এৰি স্কুলত নাম লগালে। হেজাৰ হেজাৰ ল’ৰা এনে ধৰণেৰে আহি স্কুল, কলেজ, বিশ্ববিদ্যালয় আদি ভৰি পৰিল। শিক্ষাৰ ক্ষেত্ৰত হৈ চৈ লাগি গ’ল। এতিয়া কিন্তু কাকো এনে ধৰণে প্ৰচাৰ কৰা দেখা নাযায় যে নিৰক্ষৰ মানুহ জন্তুৰ নিচিনা। কিন্তু মনে মনে হয়তো কৈছিল উপযুক্ত মানুহেহে উচ্চ শিক্ষা লব লাগে। ইয়াৰ কাৰণে ‘স্ক্ৰীণিঙ’ হ’ব লাগে। এনেধৰণেৰে ঘূৰাই ফিৰাই এই গাৱঁলীয়া ল’ৰা-বিলাকক আকৌ হালৰ মুঠিত ধৰাই খেতিত লগাই দিবলৈ চেষ্টা কৰা হৈছিল। কিন্তু প্ৰত্যেকবাৰ অকৃতকাৰ্য্য হৈ শ্ৰেণীত সকলো ধৰণৰ কথা শুনি আৰু খেতিৰ মহিমাৰ বিষয়ে বৰ বৰ নেতাসকলৰ নিৰহ নিপানী ব্যাখ্যা শুনিও এই ল’ৰাবিলাকে হাল আৰু কোৰৰ সংসাৰলৈ আকৌ ঘূৰি যাবলৈ সাজু নাছিল। সিহঁতে চিকৰাৰ

নিচিনাকৈ স্কুলৰ লগতে লাগি আছিল আৰু যি কোনো সুবিধাতে তাৰ লগত লাগি থাকিবলৈ বিচাৰিছিল।

ঘোঁৰামুখীয়া এই ল'ৰাটোও ইয়াৰে এটা অঙ্গস্বৰূপ আছিল। শ্ৰেণীত তাক সদায় ঘূৰাই-ফিৰাই কোৱা হৈছিল—"যোৱা সোণ; নিজৰ ম'হৰ গাখীৰ খীৰোৱা আৰু গৰুৰ নেজত ধৰা। শ্বেলী আৰু কীটচ তোমাৰ কাৰণে নহয়। কিন্তু পুতেক বাপেকতকৈ কেইবা শতাব্দী আগবাঢ়ি গৈছে। এই ইঙ্গিত শুনিবলৈ সি সাজু নাছিল।

সেই সময়ত ল'ৰাটোৱে এটা কিতাপত নিজৰ ঘোঁৰাৰ নিচিনা মুখখন লুকুৱাই কুৰি শতিকাৰ কলিকতা চহৰৰ ৰঙীন ৰাতিৰ সপোন দেখিছিল। এনেকুৱা অৱস্থাত সি কোনোৰকমৰ পৰিৱৰ্তনেই বিচৰা নাছিল। কলেজৰ আন ল'ৰাৰ নিচিনাকৈ এই ল'ৰাটোৱেও পিন্ধা কাপোৰ কানিৰ বিষয়ে সিমান সজাগ নাছিল। এই সময়ত সি সুদা ভৰি আৰু এনেধৰণৰ এটা মোটা ময়লা পায়জামা পিন্ধি আছিল যিটো সাধাৰণতে নগৰবাসীয়ে শ্লিপিং ট্ৰাউজাৰ হিচাপে ব্যৱহাৰ কৰে। সি অতি ডাঠ কামিজ এটা পিন্ধি আছিল—য'ত বুটাম আদি একোৱেই নাছিল। মূৰৰ চুলি শুকান আৰু ডাঠ আছিল। মুখখনত কোনোদিনে পানীৰ স্পৰ্শ নোহোৱা চিন আৰু চকুহুটা টলটলীয়া আছিল। দেখিলে মনত ধৰে সি নিশ্চয় কোনো প্ৰোপাগাণ্ডাৰ কামত লাগি কলেজলৈ আহিছে।

ল'ৰাটোৱে যোৱা বছৰত কোনো সস্তীয়া কিতাপৰপৰা এটা প্ৰেমৰ গল্প নকল কৰি নিজৰ নামত কলেজ আলোচনীত প্ৰকাশ কৰাইছিল। খান্না মাষ্টৰে তাকেই সুধিছিল। তেওঁ ডিঙিৰ আৱাজ সলনি কৰি সুধিলে,—"কাহিনীকাৰ মহাশয়, অলপমান কওক 'মেটাফৰ' কি বস্তু।

খান্না মাষ্টৰে খাকী ৰঙৰ লংপেণ্ট আৰু নীলা ৰঙৰ বুচছাৰ্ট পিন্ধিছিল আৰু চকুত কেৱল ভাল দেখাবলৈ ক'লা চশ্মা লগাইছিল। চকীৰ কাষেদি আহি তেওঁ মেজৰ সন্মুখলৈ আহিল। গাৰ এটা অংশ মেজখনত লগাই ললে। ল'ৰাবিলাকক কিবা এটা কব খুজিছিল,—ঠিক এনে সময়তে ক্লাচৰ পাছ দুৱাৰত প্ৰিন্সিপাল চাহাবক দেখা যেন লাগিল। তেওঁ বাৰান্দাত থিয় হৈ থকা কেৰাণীজনৰ কান্ধ এখন দেখা পালে।

তেওঁ মেজখন এৰি পোন হৈ থিয় হ'ল আৰু প্ৰিন্সিপালক উদ্দেশ্য কৰি ক'লে—"চাৰ, শ্বেলীৰ কৱিতা এটা পঢ়াইছিলোঁ।"

প্ৰিন্সিপালে এটা শব্দৰ লগত আন এটা শব্দ লগ লগাই জোৰেৰে ক'লে,—"কিন্তু আপোনাৰ বক্তৃতানো কোনে শুনিছে? ল'ৰাহঁতেতো ছবিহে চাই আছে।"

প্ৰিন্সিপাল কোঠাৰ ভিতৰলৈকে সোমাই আহিল। ইটোৰ পাছত সিটোকৈ দুটা ল'ৰাৰ পিঠিত কোব মাৰিলে। সিহঁত উঠি থিয় হ'ল। এটা লেতেৰা পায়জামা, বুচ্চাৰ্ট পিন্ধা আৰু মূৰৰপৰা তেল বৈ-পৰা ল'ৰা আছিল, আনটো আছিল কামিজ আৰু আন্দাৰৱেৰ পিন্ধা অলপ পালোৱানী ধৰণৰ। প্ৰিন্সিপাল চাহাবে তাহাঁতক সুধিলে—"মাষ্টৰে তহঁতক ইয়াকে পঢ়াইছে নেকি?"

প্ৰিন্সিপালে মূৰটো তল কৰি প্ৰথম ল'ৰাটোৱে বহি থকা ঠাইৰ-পৰা আলোচনী এখন দাঙি আনিলে। আলোচনীখন চিনেমাৰ। এটা পাত খুলি বতাহত ঘূৰালে। ল'ৰাবোৰে দেখিলে কোনো বিলাতী মেমৰ নাঙঠা ছবি। তেওঁ আলোচনীখন মাটিত দলিয়াই পেলালে আৰু চিঞৰি ক'লে—"ইয়াকেই পঢ়িছ নহয়?"

কোঠাটো শাঁত পৰিল। প্ৰিন্সিপাল চাহাবে ক্লাচৰ এটা কোণৰ-

পৰা আনটো কোণত থিয় হৈ থকা খান্না মাষ্টাৰক চিঞৰি কলে—"আপোনাৰ ক্লাচত নিয়মানুবৰ্ত্তীতাৰ এয়ে অৱস্থা। ল'ৰাই চিনেমাৰ আলোচনী পঢ়িছে আৰু ইয়াকে লৈ আপুনি জোৰ দিছে আপোনাক ভাইচ্-প্ৰিন্সিপালৰ পদ দিব লাগে বুলি। এইদৰেই আপুনি ভাইচ্-প্ৰিন্সিপাল্ৰ কাম কৰিব।" তেওঁ আকৌ ক'লে—"লিখাপঢ়াত কি আছে? আচল কথা নিয়মানুবৰ্ত্তীতা। বুজিছে মাষ্টৰ চাহাব।"

ইয়াকে কৈ প্ৰিন্সিপাল চাহাবে ওমৰখৈয়ামৰ নায়কৰ নিচিনাকৈ—"মই পানীৰ নিচিনাকৈ আহিছিলোঁ আৰু বতাহৰ নিচিনাকৈ যাওঁ—এই ভাব লৈ ক্লাচৰপৰা ওলাই গ'ল। যোৱাৰ পাছত তেওঁ খান্না মাষ্টৰৰ ভোৰভোৰণি শুনিবলৈ পাইছিল।

প্ৰিন্সিপাল কলেজৰ গেটৰপৰা বাহিৰ ওলাল। ৰাস্তাইদি কোট পেণ্ট পিন্ধা মানুহ এজনক অহা দেখা গ'ল। তেওঁ চাইকেলেৰে আহিছিল। কাষেদি যাওঁতে তেওঁ প্ৰিন্সিপালক নমস্কাৰ জনালে আৰু প্ৰিন্সিপালেও প্ৰতি নমস্কাৰ জনালে। মানুহজন আঁতৰি যোৱাৰ পাছত কেৰাণীজনে সুধিলে, "এখেতনো কোন?"

"মেলেৰীয়া ইন্সপেক্টৰ। নতুনকৈ আহিছে। ইয়াৰ স্থানীয় খণ্ড উন্নয়ন বিষয়াৰ ভতিজাক। বৰ ফিটফাট। মই একো নকওঁ। ভাবিছোঁ, কেতিয়াবা কামত আহিব।"

কেৰাণীজনে ক'লে—"আজিকালি এনেকুৱা মানুহৰপৰাহে কাম হয়। কোনো ভাল মানুহেতো কাম কৰি নিদিয়ে।"

অলপ সময় দুয়ো মনে মনে গৈ আছিল। প্ৰিন্সপালে আকৌ কবলৈ আৰম্ভ কৰিলে,—"সকলো মানুহৰ লগতে মিলিজুলি থাকিব লাগে। এই কলেজৰ সকলোতকৈ শেষৰ গাধাটোকো দেউতা কব লাগে।"

কেৰাণীজনে উত্তৰ দিলে,—"তাকেইতো দেখিছোঁ। গোটেই দিনটো আপোনাৰ এইবোৰ কৰোঁতেই যায়।"

"কওক বাৰু আপুনি। মোৰ আগতেও ইয়াত পাঁচজন প্রিন্সিপাল আছিল। কোনে ইমান ডাঙৰ দালান বনাইছিল। "প্রিন্সিপালে প্রকৃতিস্থ হৈ পুনৰ কলে, ইয়াৰ সামুদায়িক মিলন-কেন্দ্রটো ময়েই খুলিছিলোঁ। হয় নে নহয় বাৰু।"

কেৰাণীজনে মূৰ দুপিয়াই ক'লে "হয়।"

প্রিন্সিপালে অলপ সময় চিন্তা কৰি কলে—"মই এতিয়া এনেকুৱা চিন্তাত আছোঁ পাৰিলে কোনোবা এটাৰ হতুৱাই দালানটোৰ আৰু এটা খণ্ড কৰাই লওঁ।"

কেৰাণীজনে চুপচাপে যাবলৈ ধৰিলে। তেওঁ হঠাতে ৰাস্তাত ৰৈ গ'ল। প্রিন্সিপাল চাহাবো ৰৈ গ'ল। কেৰাণীয়ে ক'লে—"দুটা দালান বনাব পাৰি।" প্রিন্সিপাল চাহাবে উৎসাহত ডিঙিটো দাঙি সুধিলে—"ক'ত ?"

এটাতো হৰিজনবিলাকৰ কাৰণে চামৰা বনোৱা দালান। ঘোঁড়াৰ ডাক্তৰে কৈছিল। আনটো হস্পিতালৰ কাৰণে—কলেৰাৰ ওৱার্ড হ'ব। তাত মাটিৰ খৰচ অলপ কম পৰিব। কলেজৰ ওচৰতে চালাকি কৰি দালানটো বনোৱাই লোৱা যাওক। পাছত লাহেকৈ হাত কৰি লব পৰা যাব।"

প্রিন্সিপালে কলে,—"মোৰ আগৰপৰা জনা আছে,—ইয়াত চালাকি নাখাটিব।"

তেওঁলোক দুয়ো কিছুদূৰ মনে মনে যাবলৈ ধৰিলে।

ৰাস্তাৰ কাষত এটা মানুহে দুই চাৰিটা বন্ধুৱা গোটাই খুব বকি আছিল। প্রিন্সিপাল তেওঁলোকৰ আগত থিয় হ'লগৈ। দুই

চাৰি মিনিট তাতে থিয় হৈ মানুহটোৰনো কিয় খণ্ড উঠিছে তাৰে বুজ লবলৈ চেষ্টা কৰিলে। বনুৱা কেইটাই ভোৰভোৰাই আছিল। প্ৰিন্সিপাল চাহাবে বুজি পালে ই বিশেষ একো কথা নহয়। বনুৱা আৰু ঠিকাদাৰে কেৱল নিজৰ নিজৰ দৈনন্দিন ঘটনাৰ প্ৰদৰ্শন কৰিছে আৰু কথাত কথা লাগি কথা বাঢ়ি গৈছে। তেওঁ আগবাঢ়ি বনুৱা কেইটাক কলে—"যা-যা, নিজৰ কাম কৰ। ঠিকাদাৰ চাহাবক ঠগিবলৈ গলে গাত জোতা পৰিব।"

বনুৱা কেইটাই কৃতজ্ঞতাৰে প্ৰিন্সিপালৰ ফালে চালে। সুবিধা পাই সিহঁত কামে কাজে লাগিল। ঠিকাদাৰে প্ৰিন্সিপালক আত্মীয়তাৰ সুৰেৰে কলে—"ইহঁত চব বেইমান। অলপমান সুবিধা পালেই কণামাকৰি পৰ্য্যন্ত নিবলৈ নেৰে। পইচা লাগে দুগুণ আৰু কামৰ বেলিকা শূন্য।"

প্ৰিন্সপালে কলে—"সকলো ফালে একেই অৱস্থা। আমাৰ ফাললৈকে চাওক। কোনো মাষ্টৰে পঢ়াব নোখোজে। পাছে পাছে লাগি থাকিলেহে কেতিয়াবা—।"

ঠিকাদাৰে ঢেকঢেকাই হাঁহিবলৈ ধৰিলে। ক'লে—"মোক আৰু কব লাগিছেনে? ইয়াকেই কৰোঁ। সকলো জানো।" কিছু সময় ৰৈ আকৌ কলে—"এইফালে কলৈ ওলাইছে?"

কেৰাণীজনেই উত্তৰ দিলে—"মেম্বাৰ ডাঙৰীয়াৰ ঘৰলৈ। চেকত চহী কৰাব লাগে।"

"কৰাই আনক।" ঠিকাদাৰে প্ৰিন্সিপালক যাবলৈ ইঙ্গিত দিলে। যেতিয়া তেওঁলোক যাবলৈ আগবাঢ়িল ঠিকাদাৰে পুনৰ সুধিলে, "আৰু কি খবৰ?"

প্ৰিন্সিপাল চাহাব ৰৈ গ'ল। কলে—"ভালেই। কেৱল সেই

খান্না চান্নাই অলপ টিঘিল ঘিলাইছে। আপোনালোক আৰু মোৰ বিৰুদ্ধে কৈ ফুৰিছে।

ঠিকাদাৰে জোৰেৰে ক'লে—"আপুনি ভয় নকৰিব। বেপকৰা হৈ প্ৰিন্সিপালগিৰী কৰি গৈ থাওক। তাক কৈ দিব প্ৰোপাগাণ্ডাৰ জবাব লাঠী। কৈ দিব এইখন শিৱপালগঞ্জ। ওখ চাপৰ চাই চিতি যাতে খোজ দিয়ে।

প্ৰিন্সিপাল যেতিয়া আগবাঢ়িল, কেৰাণীজনে ক'লে—"ঠিকাদাৰকো কলেজৰ কমিটিত লৈ লওক। কামত আহিব।"

প্ৰিন্সিপালে ভাবি চিন্তি গৈ থাকিল। কেৰাণীয়ে কলে,—চাৰি বছৰৰ আগৰ তাৰিখত ৰচিদ কাটি দিম। মেনেজিং কমিটিতো এওঁক লোৱাতো ভাল হ'ব। তেতিয়া সকলো ঠিক হৈ যাব।"

প্ৰিন্সিপালে তেতিয়াই একো উত্তৰ নিদিলে। অলপ সময় ৰৈ ক'লে,—"মেম্বাৰ ডাঙৰীয়াৰ লগত কথাবতৰা হ'ব লাগিব। সেইবোৰ উচ্চ ৰাজনীতিৰ কথা। আপুনি আমি ক'লে কি হ'ব?"

চাৰি

কিছুমান জাবৰ-যোথৰ, জাবৰতকৈও নিকৃষ্ট কিছুমান দোকান, তহচিল অফিচ, থানা, তাৰিখোৱা ঘৰ, বিকাশ খণ্ডৰ অফিচ, মদৰ দোকান, কলেজ আদি—আলিবাটেদি যোৱা মানুহৰ চকুত মাত্ৰ ইমানকেই পৰে। অলপমান আগলৈ ঘন ঘন আম গছৰ লানিৰ

মাজত এটা কেঁচা ঘৰো আছিল। সেইটোৰ পিঠি আলিবাটৰ ফালে আছিল। দুৱাৰ নোহোৱা ঘৰটোৰ দুৱাৰ মুখ খন হাবিৰ ফালে মুখ কৰি আছিল। বাৰিষাৰ দিনত মিঠাই দোকানীয়ে গছৰ তলৰপৰা উঠি আহি এই ঘৰটোতে জুৱা খেলিছিলহি। বাকীখিনি সময় ঘৰটো খালি পৰি থাকে। অৱশ্যে যিকণ সময় ই খালি থাকে তেতিয়াও ইয়াক মানুহে এনেয়ে পৰি থাকিবলৈ নিদিয়ে। সময় সুযোগ বুজি নৰ-নাৰী সকলে মনৰ পছন্দমতে ইয়াক ব্যৱহাৰ কৰে। শিৱপাল গঞ্জৰ এই ঘৰটোৰ যি নাম দিয়া হৈছিল সি হেন্‌ৰি মিলাৰকো চমক লগাই দিবলৈ যথেষ্ট সমল আছিল। বিদ্যালয়ৰ এজন মাষ্টৰে এই ঘৰটোৰ নাম প্ৰেমভৱন ৰাখিছিল। জাবৰ যোথৰৰ দ'ম আৰু প্ৰেমভৱনৰ মাজত পৰা পথৰ অংশটো শিৱপাল গঞ্জৰ ফালে গৈছিল। আচল শিৱপাল গঞ্জৰ চিনাকি বৈদ্য ডাঙৰীয়াৰ ঘৰত বহা সভাতহে পোৱা গৈছিল।

সভাঘৰ পাবলৈ হলে আচল ৰাস্তাটোৰপৰা ফালৰি কাটি এটা সৰু গলি ৰাস্তাইদি যাব লগা হৈছিল। এই গলিৰ দুয়োকাষে ভগাটিনৰ, খৰিৰ টুকুৰাৰে নিৰ্ম্মিত ওখোৰা মোখোৰা কেইটামান অসমান ঘৰ আছিল। সেই ঘৰবিলাকৰ বাহিৰৰ বাৰান্দাবিলাক গলিৰ ওপৰলৈকে বঢ়াই দিয়া হৈছিল। এইবিলাক দেখি এনে ধৰণৰ দাৰ্শনিক ভাৱৰ সৃষ্টি হয় যে নিজৰ সীমাৰ আশেপাশে যিমানেই খালি পৰি থকা মাটি পোৱা যায় তাত চকু মুদি দুই চাৰিহাত বেৰা দি লব লাগে।

সেই গলিটো এখন পথাৰত গৈ হেৰাই গৈছিল। তাত দুই চাৰিজোপা নিম গছ আছিল। গছ কেইজোপা যেনে ধৰণে থিয় হৈ আছিল দেখিলে এনে ভাৱ হয় যে এইবিলাক গছ বন মহোৎসৱৰ

আগতে লগোৱা। সেই গছ কেইজোপা কোনো নেতা বা চৰকাৰী বিষয়াৰ হাতৰ পৰশৰপৰা সাৰি গৈছিল আৰু বৃক্ষ আৰোপন আৰু কেমেৰা ক্লিকৰ ব্যস্ততাৰপৰা ৰেহাই পাইছিল। এনে সুজলা সুফলা অঞ্চলটোত এটা ঘৰে পথাৰৰ এটা সম্পূৰ্ণ অংশক এনে ধৰণে গিলি থৈছিল যে তাৰপৰা আৰু এখোজো আগুৱাই যোৱা সম্ভৱ নাছিল। সেই ঘৰটো বৈদ্য ডাঙৰীয়াৰ আছিল। ঘৰটোৰ সম্মুখৰ অংশটো পকাৰ আছিল আৰু গাঁৱলীয়া পৰিৱেশ হিচাপত ই যথেষ্ট আহল বহল আছিল। ঘৰটোৰ পিছফালৰ বেৰবোৰ কেঁচা আছিল। তাৰ পিছফালে যথেষ্ট পৰিমাণে জাবৰ-যোথৰ পেলাই থোৱা আছিল। জিলিকি থকা বিমান বন্দৰ আৰু লোভনীয় হোটেলৰ দ্বাৰা যে "চিম্বলিক মৰ্ডানাইজেচন" এইখন দেশত হব লাগিছে তাৰ প্ৰমাণ এই ঘৰটোৰ শিল্পকলাত বিৰাজমান আছিল আৰু তাৰপৰাই এইটোক প্ৰমাণিত হয় যে দিল্লীৰপৰা আৰম্ভ কৰি শিৱপাল গঞ্জলৈকে ব্যৱহৃত হোৱা থলুৱা বুদ্ধি আমাৰ দেশৰ সকলো ঠাইতে একে।

ঘৰটোৰ সন্মুখৰ অংশটোত মুকলি বাৰান্দা আৰু ডাঙৰ কোঠা এটা আছিল। এই ঘৰটো সভাঘৰ নামে জনাজাত আছিল। সাধাৰণ মজদুৰ এটাইও জানিছিল যে সভাঘৰৰ অৰ্থ ইটা আৰু বালিৰে নিৰ্মিত এটা অট্টালিকাহে মাথোন।

থানাৰপৰা উভটি আহি ৰুপ্পন বাবুৱে সভাঘৰৰ বাৰান্দাত জনতাৰ ভিৰ দেখিবলৈ পালে। তেওঁৰ খোজ ঘন হৈ গ'ল, ধুতি-খনে বতাহত উৰামাৰি যাব খুজিলে। সভাঘৰ পায়েই তেওঁ গম পালে যে তেওঁৰ মোমায়েকৰ পুতেক ৰঙ্গনাথ চহৰৰপৰা ট্ৰাকত উঠি আহিছে। বাটত ড্ৰাইভাৰে তেওঁৰপৰা টকা দুটাও লৈছে।

এটা ক্ষীণ মীন মানুহে লেতেৰা পেতেৰা এটা বনিয়ন আৰু এটা আন্দাৰওৱেৰ পিন্ধি সভাত বহি আছে। নভেম্বৰ মাহৰ আবেলিটোত বেচ ঠাণ্ডা বতাহ বৈ আছিল, কিন্তু সেই ক্ষীণকায় মানুহটোক বনিয়নটোৱে সৈতে বেচ আনন্দমনেৰে বহি থকা দেখা গৈছিল। মানুহটোৰ নাম আছিল মঙ্গল, কিন্তু মানুহে তাক শনি বুলিহে মাতিছিল। তাৰ চুলিবিলাক পকিবলৈ আৰম্ভ কৰিছে আৰু ওপৰৰ পাৰিৰ আগৰ দাঁত দুটাহে মাথোন সৰিছে। বৈদ্য ডাঙৰীয়াৰ সভাত তাৰ মাথোন বহি থকাটোৱেই কাম আছিল। বেছিভাগ সময় সি আন্দাৰওৱেৰটো পিন্ধিয়েই সময় কটাইছিল। আজি তাক বনিয়ন পিন্ধা দেখি ৰুপ্পন বাবুৱে বুজি পালে যে মঙ্গল অলপ ফৰ্মেল হ'ব খুজিছে। সি ৰুপ্পন বাবুক একেটা উশাহতে ৰঙ্গনাথৰ বিপদৰ কথা কৈ দিলে আৰু তাৰ মুকলি হৈ থকা কৰঙন দুটাত দুটা চাপৰ মাৰি হাঁহি হাঁহি কলে, "আজি বদ্ৰী ভাই থকা হলে বৰ মজা লাগিলহেঁতেন।"

ৰুপ্পন বাবুৱে ৰঙ্গনাথৰ ওচৰলৈ গৈ কলে "তুমি ভালেই কৰিলা ৰঙ্গনাথ দাদা, দুটা টকা দি কাজিয়াখনৰ সামৰণি পেলালা। অকণ অকণ কথাত মাৰপিট আদি কৰা ভাল নহয়।"

ৰঙ্গনাথে ৰুপ্পন বাবুক প্ৰায় ডেৰবছৰৰ মূৰত লগ পাইছে। ৰুপ্পন বাবুৰ গম্ভীৰতা দিনটোৰ আটাইতকৈ মুখৰোচক ঘটনা বুলি মানি লৈ ৰঙ্গনাথে কলে, "মইতো মাৰপিট কৰোঁ বুলিয়েই ঠিক কৰিছিলোঁ, পিছত কিবা এটা ভাবি ৰৈ গলোঁ।"

ৰুপ্পন বাবুৱে মাৰপিটৰ বিশেষজ্ঞ এজনে কোৱাদি হাত দাঙি কলে, "তুমি ঠিকেই কৰিলা। এনেকুৱা কাজিয়াৰপৰাই ছাত্ৰ সমাজৰ প্ৰায়েই বদনাম হয়।"

ৰঙ্গনাথে এতিয়াহে তাক ভালকৈ মন কৰিলে। কান্ধৰ ওপৰত পৰি থকা ধুতিৰ আগ অলপতে খোৱা তামোলৰ ৰঙা হোৱা ওঁঠ, তেলেৰে চপ চপীয়া হৈ থকা চুলি—এই আটাইবিলাক গুণত ভূষিত হৈ স্থানীয় গুণ্ডাগিৰিৰ যি কোনো মানতকৈ তাক উচ্চ থাপৰ যেনেই লাগিল। ৰঙ্গনাথে কথা ঘূৰাবলৈ চেষ্টা কৰি কলে, "বদ্রি দাদা ক'ত? তেওঁক দেখা নাই দেখোন।"

শনিয়ে তাৰ আন্দাৰ ওৰেৰটো জোকাৰি জোকাৰি চেলাউৰী কোঁচাই কলে, "মোৰো বদ্রি ভাইলৈ মনত পৰিছে। তেওঁ থকা হলে ইমান পৰে·········।"

"বদ্রি দাদানো ক'ত আছে?" ৰঙ্গনাথে শনিৰফালে মন নিদি ৰুপ্পন বাবুক সুধিলে।

ৰুপ্পন বাবুৱে অলপ বিৰক্ত মনেৰে কলে, "শনিয়েতো কৈছেই। বদ্রিয়েতো মোক কলৈ গৈছে কৈ যোৱা নাই। কেনিবা গৈছে। বোধহয় বাহিৰলৈ গৈছে। দুই তিনি দিনতে আহি যাব।"

তাৰ কথাৰপৰা বদ্রি যে ৰুপ্পনৰ সহোদৰ ভাই আৰু দুয়ো একেখন ঘৰতে থাকে এই কথা বুজি পোৱাৰ সাধ্য নাছিল। ৰঙ্গনাথে দীঘলৈকে উশাহ এটা ললে।

ৰঙ্গনাথে আন এটা প্ৰশ্ন সুধিলে, "তুমি এতিয়া কোন শ্ৰেণীত পঢ়িছা ৰুপ্পন?" তাৰ চেহেৰাপৰা বুজা গ'ল সি এই প্ৰশ্নটো মুঠেই ভাল পোৱা নাই। সি উত্তৰ দিলে, "ক্লাচ টেনত।" ৰুপ্পনে কলে, "তুমি কবা যে দুবছৰৰ আগতেময়ো এই শ্ৰেণীতে আছিলোঁ। কিন্তু শিৱপাল গঞ্জত এই শ্ৰেণীৰপৰা বাহিৰলৈ ওলাবৰ বাবে কোনো পথ বিচাৰি পোৱা নাই। তুমি এই কলেজৰ কথা নাজানা। ই হৈছে চোৰ আৰু গুণ্ডাৰ আদ্দা। শিক্ষকে পঢ়াবলৈ

শুনাবলৈ এৰি ৰাজনীতিহে কৰে। দিনে ৰাতিয়ে এই কলেজৰ পৰিৱেশে দেউতাক অতীষ্ঠ কৰি তুলিছে। ইয়াতনো কোনোবাই পৰীক্ষাত পাছ কৰিব পাৰেনে?"

কোঠাৰ ভিতৰত বৈদ্য ডাঙৰীয়াই বেমাৰীক ঔষধ দি আছিল। হঠাৎ তেওঁ তাৰপৰাই মাত লগালে "ধৈৰ্য্য ধৰা কপ্পন। এই কুব্যৱস্থা অন্ত পৰিবৰ হ'ল। "এনে বোধ হ'ল যেন অকাশবাণীহে হৈছে, "ভয় নাখাবা বসুদেৱ, কংসৰ কাল শেষ হৈ আহিছে।" কপ্পন বাবু মনে মনে থাকিল। ৰঙ্গনাথে কোঠাৰ ফাললৈ মূৰ কৰি ডাঙৰকৈ সুধিলে, "মোমাইদেউ, আপোনাৰ এই কলেজখনৰ লগত কিহৰ সম্পৰ্ক?"

"সম্পৰ্ক?" কোঠাৰ ভিতৰৰপৰা বৈদ্য ডাঙৰীয়াৰ হাঁহি দেৱালত জোৰেৰে ঠেকা খাই ওলাই আহিল। "তুমি জানিব বিচাৰিছা মোৰ এই কলেজখনৰ লগত কিহৰ সম্পৰ্ক? কপ্পন, ৰঙ্গনাথৰ উৎসুকতাক শান্ত কৰা।"

কপ্পনে ব্যৱসায়ীৰ সুৰত কলে, "দেউতা কলেজৰ মেনেজাৰ। শিক্ষকৰ নিযুক্তি তেওঁৰ হাততেই।"

ৰঙ্গনাথৰ চেহেৰাৰ ওপৰত কপ্পনৰ কথাৰ প্ৰভাৱ পৰা যেন দেখি সি আকৌ কলে, "এনেকুৱা মেনেজাৰ গোটেই দেশতে নোলাব। ভালৰ লগত খুব ভাল আৰু বদমাচৰ লগত একেবাৰে বদমাইচ্।"

ৰঙ্গনাথে খবৰটো চুপচাপ হজম কৰি ললে আৰু মাত্ৰ কিবা এটা কোৱা উচিত হ'ব বুলিয়েই মাত লগালে, "আৰু কো-অপাৰেটিভ ইউনিয়নৰ কি খবৰ? মোমাইদেউ তাৰো কিবা এটা আছিল নহয়।"

"আছিল নহয় এতিয়াও আছে।" কপ্পন বাবুৱে অলপ খঙেৰে

ক'লে, "মেনেজিং ডাইৰেক্টৰ আছিল, আছে আৰু আগলৈও থাকিব।"

বৈদ্য ডাঙৰীয়া আছিল, আছে আৰু থাকিবও।

ইংৰাজৰ দিনত তেওঁ ইংৰাজলৈ শ্ৰদ্ধা দেখুৱাইছিল। স্বদেশী শাসনতন্ত্ৰত হাকিমক শ্ৰদ্ধা দেখুৱাবলৈ ধৰিলে। তেওঁ এজন পুৰণা দেশসেৱক আছিল। যোৱা মহাযুদ্ধৰ সময়ত দেশত যেতিয়া জাপানৰপৰা আতঙ্কৰ সৃষ্টি হৈছিল তেওঁ সুদূৰ পূবখণ্ডত যুদ্ধ কৰিবৰ বাবে বহুতো চিপাহী ভৰ্তি কৰালে। এতিয়াও প্ৰয়োজন হলে ৰাতিটোৰ ভিতৰতে তেওঁ নিজৰ ৰাজনৈতিক দলত শ-শ সদস্য ভৰ্তি কৰাব পাৰে। বৰ্তমান তেওঁ কো-অপাৰেটিভ ইউনিয়নৰ মেনেজিং ডাইৰেক্টৰ আৰু কলেজৰ মেনেজাৰ। আচলতে তেখেত এই পদসমূহত কাম কৰিবলৈ ইচ্ছুক নাছিল। কিন্তু এই দায়িত্বসমূহ সুকলমে চলাই নিবৰবাবে কোনো দায়িত্বশীল লোক নাছিল আৰু তাত যিমান ডেকা ল'ৰা আছিল সেইয়া সমগ্ৰ দেশৰ ডেকাল'ৰাৰ দৰেই নিষ্কৰ্মা আছিল। সেইকাৰণে বুঢ়া বয়সত তেওঁ এই দায়িত্ববোৰ পালন কৰিব লগাত পৰিছিল।

বুঢ়াকাল! বৈদ্য ডাঙৰীয়াৰ বাবে এই শব্দটো একেবাৰে নিৰৰ্থক আছিল। কেৱল ইয়াক এৰাব নোৱাৰাৰ বাবেহে ব্যৱহাৰ কৰিব লগা হৈছিল। কাৰণ হিচাপত তেওঁৰ বয়স ৬২ বছৰ পাৰ হৈ গৈছিল। কিন্তু ৰাজধানীত থাকি বহুতো মহাপুৰুষৰ দৰে তেওঁ বয়স হোৱা সত্বেও বুঢ়া নহৈছিল আৰু সেই মহাপুৰুষসকলৰ দৰেই বৈদ্য ডাঙৰীয়াৰো এই প্ৰতিজ্ঞা আছিল যে যেতিয়া মৰিম তেতিয়াহে বুঢ়া হম আৰু যেতিয়ালৈকে মানুহে আমাক বিশ্বাস নকৰে যে তুমি

মৰিলা,—তেতিয়ালৈকে নিজকে জীৱিত বুলি ভাবিম আৰু দেশ সেৱা কৰি যাম। সকলো ডাঙৰ ৰাজনীতিজ্ঞ পুৰুষৰ দৰে তেওঁ ৰাজনীতিক ঘৃণা কৰিছিল আৰু ৰাজনীতিজ্ঞক অৱজ্ঞা কৰিছিল। গান্ধীৰ দৰেই তেওঁ নিজৰ ৰাজনৈতিক দলত কোনো দায়িত্বশীল পদ নললে। কাৰণ তেওঁ সেই ঠাইত নতুন তেজক উৎসাহ দিব বিচাৰিছিল। কিন্তু কো-অপাৰেটিভ ইউনিয়ন আৰু কলেজৰ ক্ষেত্ৰত দায়িত্ব বহন কৰিবলৈ মানুহে তেওঁক বাধ্য কৰালে।

বৈদ্য ডাঙৰীয়াৰ চিকিৎসাও এটা ব্যৱসায় আছিল। তেওঁ ৰোগৰ দুটা ভাগ কৰি লৈছিল। এটা প্ৰকট ৰোগ আৰু আনটো গুপ্ত ৰোগ। তেওঁ প্ৰকট ৰোগক প্ৰকট ধৰণেৰে আৰু গুপ্তৰোগক গুপ্ত ধৰণেৰে চিকিৎসা কৰিছিল। ৰোগৰ ক্ষেত্ৰত তেওঁৰ এটা বিশ্বাস আছিল যে সকলো ৰোগ ব্ৰহ্মচৰ্য্য নাশ হোৱাৰ বাবেই হয়। কলেজীয়া ল'ৰাৰ নিস্তেজ আৰু ক্ষীণকায় চেহেৰা দেখি তেওঁ প্ৰায়েই ব্ৰহ্মচৰ্য্য পালন নকৰাৰ ফল বুলি কৈছিল। যদি কোনোবাই কয় যে ল'ৰাৰ স্বাস্থ্য সুখাদ্য নোপোৱাৰ বাবে ভাগি পৰিছে, তেতিয়া তেওঁ বিশ্বাস কৰিছিল যে ল'ৰাটোৱে পৰোক্ষভাৱে ব্ৰহ্মচৰ্য্যক অৱমাননা কৰিছে। কাৰণ ব্ৰহ্মচৰ্য্য নমনা মানুহ বিপথে যায়। গতিকে কম খাদ্যৰ বিষয়ে কথা কোৱা মানুহ ব্ৰহ্মচৰ্য্য বিৰোধী।

এদিন তেওঁ ৰঙ্গনাথকো ব্ৰহ্মচৰ্য্য পালন কৰাৰ লাভালাভৰ বিষয়ে বহুতো বুজাইছিল। তেওঁ এটা আচৰিত ধৰণৰ শৰীৰ বিজ্ঞানৰ বিষয়ে কলে,—যিটোৰ হিচাপ হ'লগৈ যে কেইমোন খালে কেইছটাক ৰস হয়, ৰসৰপৰা তেজ, তেজৰপৰা সৰ্বশেষত এটোপাল বীৰ্য্য তৈয়াৰ হয়গৈ। তেওঁ প্ৰমাণ কৰি দেখুৱালে যে বীৰ্য্যৰ এটা টোপাল তৈয়াৰ কৰোঁতে যিমান খৰচ হয় সিমান খৰচ এটমবোমা

এটা তৈয়াৰ কৰোঁতেও প্ৰয়োজন নহয়। ৰঙ্গনাথে বুজি পালে যে ভাৰতত যদি কিবা মূল্যবান বস্তু আছে তেন্তে সেইয়া হ'ল বীৰ্য্য। তেওঁ ক'লে এটোপাল বীৰ্য্যৰ হাজাৰ হাজাৰ শত্ৰু আছে আৰু সকলোৱে ইয়াক অপহৰণ কৰিবলৈ তৎপৰ। যদি মানুহে কিবা উপায়েৰে বীৰ্য্যক সুৰক্ষা দিব পাৰে, তেতিয়া হ'লে ধৰি লোৱা যে তোমাৰ সম্পূৰ্ণ চৰিত্ৰকে সুৰক্ষা দিয়া হ'ল। তেওঁৰ কথাৰপৰা এই ধাৰণা হ'ল যে আগতে ভাৰতত মানুহে বীৰ্য্যৰক্ষাত বেচ মনকাণ দিছিল। শেষত তেওঁ এফাঁকি শ্লোক পঢ়িলে,—যাৰ অৰ্থ হ'ল বীৰ্য্যৰ এটা টোপাল নষ্ট হ'লে মানুহৰ মৃত্যু হয় আৰু এটোপাল লাভ কৰিলে পুনৰ্জীৱন পোৱা যায়।

সংস্কৃত শুনিয়েই শনিয়ে হাতযোৰকৈ ক'লে, "জয় ভগৱানৰ জয়।" সি তাৰ মূৰটো মাটিত লগাই দিলে আৰু শ্ৰদ্ধাসহকাৰে সি সভা-ঘৰৰপৰা লাহে লাহে আঁতৰি গ'ল। বৈদ্য ডাঙৰীয়াই আৰু উৎসাহেৰে ৰঙ্গনাথক ক'লে—"ব্ৰহ্মচৰ্য্যৰ তেজৰ ওপৰত আৰু কবলৈ নাই, বুজিছা। কিছুদিনৰ মূৰত আইনাত নিজৰ মুখখন চালেই সকলো বুজি পাবা।"

ৰঙ্গনাথে মূৰটো দুপিয়াই ভিতৰলৈ যাবলৈ থিয় হ'ল। মোমায়েকৰ স্বভাৱ সি আগৰেপৰাই জানে। ৰুপ্পন বাবু দুৱাৰ মুখতে থিয় হৈ আছিল। তাৰ ওপৰত বৈদ্য ডাঙৰীয়াৰ ভাষণৰ কোনো প্ৰভাৱ পৰা নাছিল। সি ৰঙ্গনাথক তাৰ কাণৰ ওচৰত ফুচফুচাই সুধিলে,—"মুখমণ্ডলত তেজ আনিবলৈ ব্ৰহ্মচৰ্য্যৰ কি আৱশ্যক? সেইয়া দেখোন পাউদাৰ ক্ৰীম আদি ব্যৱহাৰ কৰিলেই আনিবপৰা যায়"

পাঁচ

পুনৰ্জন্মৰ সিদ্ধান্তৰ আৱিষ্কাৰ দেৱানী আদালতত হৈছে,—যাতে বাদী আৰু বিবাদীয়ে মনত এই দুখ লৈ নমৰে যে তেওঁলোকৰ গোচৰ আধৰুৱা হৈয়েই ৰ'ল। তেওঁলোকে এই কথাটো ভাবি শান্তিৰে মৰিব পাৰিব যে গোচৰৰ ৰায় শুনিবলৈ অহা জনমটো পৰি আছে।

বৈদ্য ডাঙৰীয়াৰ সভাঘৰৰ বাহিৰৰ মুকলি বাৰান্দাত বহি থকা মানুহটোৱে প্ৰায় সাত বছৰমানৰ আগতে এটা গোচৰ তৰিছিল। কাৰণ সি পূৰ্বজন্মৰ পাপ, পুণ্য, ভাগ্য, ঈশ্বৰ আৰু অহা জন্মৰ কাৰ্য্যক্ৰম আদিৰ কথা ভৱিষ্যত-বাণী কৰিছিল।

তাক মানুহে লঙ্গৰ বুলি মাতে। কপালত তিলক, ডিঙিত তুলসীৰ মালা, বতাহ বৰষুণে খচকি যোৱা এখন ডঢ়ীয়া মুখ, ক্ষীণ-মীন এটা দেহ আৰু পুৰণা চোলা এটা পিন্ধা মানুহটো। তাৰ এটা ভৰি আঁঠুৰ ঘিলাৰ ওচৰতে কটা। ইয়াৰ অভাৱ এডাল লাঠিৰে পূৰণ কৰা হৈছিল। মুখমণ্ডলত পুৰণি দিনৰ সাধু-সন্ন্যাসীৰ ভাৱ—যি হয়তো নিজ হাতেৰে নিজৰ পিঠিতে লেখি লেখি এশটা বেতৰ কোব মাৰে।

তাৰ কাষলৈ শনিয়ে ডাঙৰ ঘোটা এগিলাচ আগবঢ়াই দি ক'লে, "লোৱা ভাই লঙ্গৰ, এই গিলাচ, মাৰি লোৱাঁ। ইয়াত বহুতো বঢ়িয়া বঢ়িয়া বস্তু আছে।"

লঙ্গৰে জোৰেৰে উশাহ এটা টানি চকু দুটা মুদি গিলাচত থকা পানীয়খিনি পি খালে। শনিয়ে তাক সিমানতে এৰি আনফালে মন কৰিলে। সভাত প্ৰিন্সিপাল চাহাব, কেৰেণী, বৈদ্য ডাঙৰীয়া, ৰঙ্গনাথ আদি বহি আছিল। তেতিয়া ঠিক দিনৰ দহ বাজিবৰ হৈছিল।

শনিয়ে ডাঙৰ আন এটা গিলাচ এইবাৰ প্ৰিন্সিপাল চাহাবৰ ফালে আগবঢ়াই দি একেষাৰ কথাকে কলে, "খাই চাওক মাষ্টৰ চাহাব। ইয়াত বহুতো বঢ়িয়া বঢ়িয়া বস্তু আছে।"

প্ৰিন্সিপাল চাহাবে বৈদ্য ডাঙৰীয়াক ক'লে, "কলেজৰ কাম আধৰুৱাকৈ এৰি আহিছোঁ। ইয়াক আবেলিৰ বাবে থৈ দিয়া যাওক, কি বোলে?"

বৈদ্য ডাঙৰীয়াই মৰম সনা মাতেৰে কলে, "সন্ধিয়াকৈ আকৌ এবাৰ খাব।"

"কলেজখন এৰি আহিছোঁ........" তেওঁ আকৌ কলে।

কপ্পন বাবুৱে কলেজলৈ বুলি ঘৰৰপৰা সাজু হৈ ওলাল। সদাই লোৱাৰ দৰে ধুতিৰ আগটো কান্ধত পেলোৱা, গাত হাৱাই চাৰ্ট, —যাক তাৰ নিজৰ দাৰ্শনিক ভাৱধাৰাত লেতেৰা হোৱা সত্বেও দামী হোৱাৰ বাবে অন্ততঃ কেবাদিনলৈ পিন্ধি থাকিব পাৰি। ইতিমধ্যে খিলিপান এখন মুখত ভৰাই লৈ মূৰটো সুন্দৰ কৈ আঁচুৰি ললে। হাতত এখন শকত কিতাপ,—যাক নাগৰিক শাস্ত্ৰৰ পিৰিয়দত পঢ়া হৈছিল। কিতাপখনৰ নাম আছিল 'জেবীজাচ্চ।' জেপত দুটা ফাউন্‌টেইন পেন—এটা ৰঙা আৰু আনটো নীলা চিয়াঁহীৰ। কিন্তু দুয়োটাতে চিয়াঁহী নাছিল। হাতৰ সৰু গাঁঠিত এটা ঘড়ী—ইয়াক জুৱাখেলাৰ সময়ত প্ৰয়োজন হলে বন্ধক পৰ্যন্ত

ৰখা হয় আৰু যি জুৱাৰীৰ বস্তু বন্ধক ৰাখে সি দহ টকাতে দামী ঘড়ীটো পাই যাব পাৰে।

ৰুপ্পন বাবুৱে প্ৰিন্সিপাল চাহাবৰ কথা বাহিৰলৈ গুলাই আহোঁতে শুনি আহিছিল। সি তাৰপৰাই মাত লগালে, "কলেজকতো সদায় আপুনি এৰি থাকে, কিন্তু কলেজেহে আপোনাক এৰিব নোখোজে।"

প্ৰিন্সিপাল চাহাবে অলপ ভয় কৰি হাঁহি হাঁহি ডাঙৰকৈ কলে, "ৰুপ্পন বাবুৱে ঠিক কথাই কয়।"

শনিয়ে জাপ মাৰি প্ৰিন্সিপালৰ হাতৰ সৰু গাঁঠিটোত ধৰিলে আৰু উৎসাহেৰে কলে—"তেনেহলে এই কথাষাৰৰ বাবেও আৰু এগিলাচ হৈ যাওক।" বৈদ্য ডাঙৰীয়াই তৃপ্তিৰে প্ৰিন্সিপাল চাহাবে ভাং-খোৱা চাই থাকিল। সেই গিলাচ শেষ কৰি প্ৰিন্সিপালে মাত লগালে, "সঁচাকৈয়ে বহুতো ভাল বস্তুৰ সংমিশ্ৰণ এয়া।"

বৈদ্য ডাঙৰীয়াই কলে,—"ভাং নামমাত্ৰ। আছেও আৰু নায়ো। আচল বস্তু—বাদাম, খিচ্‌মিচ্‌ আৰু পেস্তা। বাদামে বীৰ্য আৰু বুদ্ধি বৃদ্ধি কৰে; খিচমিচে শক্তি বঢ়ায়। ইয়াত ইলাচিও দিয়া হৈছে,—ইয়াৰ প্ৰভাৱ শীতল। ইয়াৰ দ্বাৰা বীৰ্য নাফাটে, শক্তি-শালী হৈ স্থিৰেৰে থাকে। মইতো এই পানীয়ৰ অলপমান আমাৰ ৰঙ্গনাথকো দিছোঁ।"

প্ৰিন্সিপাল চাহাবে কিবা এষাৰ সুধিবলৈ বুলি মূৰটো অলপ দাঙিছিল, পিছে তেওঁ সেই একে গতিতেই কৈ যোৱাত প্ৰিন্সিপাল মনে মনে থাকিল। "আজি কিছুদিনৰ আগতে ইয়াৰ জ্বৰ হৈছিল। শক্তিও কমি গৈছিল। গতিকে মই ইয়ালৈ মাতি পঠালোঁ। ইয়াৰ শৰীৰৰ বাবে দৈনিক আঁচনি এখন তৈয়াৰ কৰা হ'ল।

পুষ্টিকৰ খাদ্যৰ লগত বাদামো দিয়া হৈছিল। লগতে দুখিলা ভাঙৰ পাত। এতিয়া এইটোকে মন কৰিব লাগিব যে যেতিয়া ছমাহৰ মূৰত ৰঙ্গনাথ ইয়াৰপৰা উভটি যাব তেতিয়া ই কেনেকুৱা হৈ যাব।"

কলেজৰ কেৰাণীয়ে এইখিনিতে মাত লগালে, "চিকা হৈ আহিছিল, গড় হৈ উভটি যাব। চাই থাকিবা খুড়া।" যেতিয়াই কেৰাণীয়ে বৈদ্য ডাঙৰীয়াক খুড়া বুলি সম্বোধন কৰে, তেতিয়াই প্ৰিন্সিপাল চাহাবে মনে মনে অন্তৰত বৰ দুখ পায়, তেওঁক নো দেউতা বুলি কিয় মাতিব নোৱাৰে। তেওঁৰ মুখখন হঠাৎ উদাস হৈ গ'ল। গতিকে ওচৰতে পৰি থকা ফাইল এটাত এনেয়ে চকু ফুৰালে।

ইতিমধ্যে লঙ্গৰো দুৱাৰ মুখ পাইছিলহি। শাস্ত্ৰত শূদ্ৰৰ বাবে যি বিধান আছিল সেই বিধান অনুসৰি দুৱাৰ দলিত কুকুৰটো যেন হৈ বৈদ্য ডাঙৰীয়াক সেৱা জনালে। ইয়াৰপৰা এইটোৱেই বুজা গ'ল যে আজিও আমাৰ দেশত শাস্ত্ৰ সবাতকৈ ওপৰত। লঙ্গৰে ভিক্ষা খোজা দি সুধিলে, "তেনেহলে মই যাওঁ আৰু বাপু।"

বৈদ্য ডাঙৰীয়াই কলে, "যোৱা ভাই, তুমি ধৰ্ম্ম যুদ্ধ কৰি আছা, কৰি যোৱাঁ। ইয়াত মোৰ কি সহায় আগবঢ়াব পাৰোঁ।"

লঙ্গৰে সাধাৰণ ভাবেই কলে, "ঠিকেই বাপু, এনে যুদ্ধত তুমি কি কৰিবা। যেতিয়াই কোনো কামৰ বাবে কবলগীয়া হ'ব তেতিয়া আহি তোমাৰ দুৱাৰ দলিত মূৰ দোঁৱামহি।"

মাটিলৈকে কুঁজা হৈ সি আকৌ সেৱা জনালে আৰু এটা ভৰিৰ ওপৰত ভৰ দি লাঠিৰ সহায়েৰে লেঙেৰিয়াই লেঙেৰিয়াই গুচি গ'ল। বৈদ্য ডাঙৰীয়াই জোৰেৰে হাঁহিলে,—"ইয়াৰো বুদ্ধি ল'বাৰ দৰেই হৈ আছে।"

তেওঁ সাধাৰণতে কম হাঁহে। ৰঙ্গনাথে সচকিত হৈ দেখিবলৈ পালে;—হাহেঁাতেই বৈদ্য ডাঙৰীয়াৰ চেহেৰা কোমল হৈ গ'ল; নেতা গিৰিৰ ঠাই শুদ্ধ মনে ললে। এজন সদাচাৰিত মহাপুৰুষৰ ঠাইত তেওঁক অসৎ চৰিত্ৰৰ লোক যেন দেখা গ'ল।

ৰঙ্গনাথে সুধিলে, "এইখন কেনে ধৰণৰ যুদ্ধ?"

প্ৰিন্সিপাল চাহাবে সন্মুখত পৰি থকা ফাইল আৰু চেক্ বুক—যাৰ আঁৰত তেওঁ কেতিয়াবা কেতিয়াবা ৰাতিপুৱা ভাং খাবলৈ আহে,—ঘাটিবলৈ ধৰিলে। তেওঁ হঠাৎ বৈ কলে, "এওঁ তহচিলৰ পৰা এখন দলিলৰ নম্বৰ নকল লব লাগে। এওঁ শপত খাইছে যে মই ভেটী নিদিওঁ, কায়দা-কানুনেৰেহে নকলখন লম। সিফালে নকল বাবুৱেও শপত খাইছে যে তেৰোঁ ভেটী নলয় আৰু কায়দা কানুনেৰেহে নকলখন দিব। এই কথাৰ বাবেই কাজিয়া লাগিছে।"

ৰঙ্গনাথ ইংৰাজীত এম এ আৰু তেওঁ বহু কাজিয়াৰ সূত্ৰপাতৰ বিষয়ে কিতাপত পঢ়িছিল আলেকজেণ্ডাৰে ভাৰতত খুটিপুতি বহিবলৈ ভাৰত আক্ৰমণ কৰিছিল; আৰু তেওঁ যাতে ভাৰতৰ মাটিত খুটি পুতিব নোৱাৰে পুৰুৱে তাৰ বাবে প্ৰতিৰোধ কৰিছিল। সেইবাবে যুদ্ধ হৈছিল। আল্লাউদ্দীনে কৈছিল—মই পদ্মিনীক লৈ যাম আৰু ৰাণাই কৈছিল—মই পদ্মিনীক নিদিওঁ। সেই-বাবেই যুদ্ধ হৈছিল। আটাইবোৰ যুদ্ধৰ গুৰিতে এটা কথাই আছিল। এটা পক্ষই কৈছিল—"লম", আনটোৱে কৈছিল—"নিদিওঁ" আৰু এই কথাৰ বাবেই যুদ্ধ হৈছিল।

কিন্তু, ইয়াত লঙ্গৰে কৈছিল—সত্যৰ পথেৰে নকলখন লম আৰু বাবুৱে কৈছিল—সত্যৰ পথেৰে নকলখন দিম। তথাপি কাজিয়া লাগিল।

ৰঙ্গনাথে প্ৰিন্সিপাল চাহাবক এই ঐতিহাসিক বিপৰ্য্যয়ৰ কাৰণটোনো কি সুধিছিল।

প্ৰিন্সিপালৰ হৈ কেৰাণীয়ে উত্তৰ দি ক'লে—“এইয়া ভঙুৱাৰ ভঙুৱালী। বৰ কষ্টেৰেহে কথা মগজত সোমায়।

“লঙ্গৰ ইয়াৰপৰা প্ৰায় পাঁচ ক্ৰোশ দূৰৰ এখন গাঁৱত থাকে। ঘৈণীয়েক ঢুকাইছে। পুতেকহঁতৰ লগত তেওঁৰ ভাল ভাব নাই আৰু সিহঁত মৰিল বুলি ধৰি লৈছে। ঈশ্বৰৰ ভক্ত। ভক্ত কবীৰৰ ভজন গায়। গাই গাই যেতিয়া ভাগৰ লাগিল তেতিয়া সেই বহা ঠাইতে এটা দেৱানী গোচৰ লগাই ললে।”

মোকৰ্দ্দমাৰ বাবে তাক এটা পুৰণা শুনানীৰ নকল লাগে। সেই বাবে আগতেই তহচীলত দৰ্খাস্ত এখনো দিলে, পিছে দৰখাস্তত বোধহয় কিবা খুট ৰৈ গ'ল। গতিকে সেইখন নামঞ্জুৰ (খাৰিজ) হ'ল। সেইবাবে সি দ্বিতীয়খন দৰখাস্ত দিলে। কিছু-দিনৰ আগতে সি তহচীললৈ নকলখন আনিবলৈ গ'ল। নকল নবীচজন এজন ঘোচখোৰ। তেওঁ নকলখনৰ বাবে পাঁচটকা ৰূপ বিচাৰিলে। লঙ্গৰে ক'লে যে নিৰিখ দুটকাহে। গতিকে সি সিমানহে দিব। বচ্,—এই কথা লৈ দুয়োৰে মাজত তৰ্কাতৰ্কি লাগিল। দুই তিনিজনমান উকীল তাতে থিয় হৈ আছিল। তেওঁলোকে নকল নবীচক ক'লে,—বোলো হেৰা ভাই, দুটকাতে মানি লোৱা। বেচেৰা মানুহটো লেঙ্গেৰা। নকলখন লৈ তোমাৰ গুণানুকীৰ্ত্তন কৰিব। কিন্তু নকল নবীচজন অটল হৈয়ে ৰ'ল। তেওঁ তেওঁৰ কথাৰ চুলি এডাল মানো হেৰফেৰ নকৰিলে। একেকোবেই পুৰুষ হৈ গ'ল আৰু ক'লে “মতা মানুহৰ এক কথা। যিটো মুখৰপা ওলাল সেইটোকেই লম।”

উকীল কেইজনে এইবাৰ লঙ্গৰক বুজালে,—"নকল বাবু ঘৰ গৃহস্থী থকা মানুহ। ছোৱালীও বিয়া দিব লাগে। সেইবাবে ৰেট বঢ়াই দিছে। তুমি কথাটো মানি লোৱাঁ আৰু টকা পাঁচোটা দি দিয়া।"

লঙ্গৰ কিন্তু সহজে এৰি দিয়া বিধৰ ভকত নহয়। সি ক'লে—"এতিয়া বাৰু সেইটোৱেই হ'ব। দৰমহাটো মদ ভাঙত খৰচ কৰে আৰু ছোৱালী বিয়া দিবলৈ ভেটী লয়।" বচ্, লঙ্গৰৰ কথা শুনি নকলবাবু গৰম হৈ গ'ল। তেওঁ ভোৰভোৰাই ক'লে—"ঠিক আছে মই বাৰু এই কথাত ভেটী নলওঁ। যি কৰিব লাগে সকলো নিয়ম কানুন মতেই কৰিম।" উকীলসকলে বহুতো বুজালে যে লঙ্গৰ ভকতীয়া মানুহ, তেওঁৰ কথাত বেয়া পাব নাপায়; কিন্তু তেওঁৰ যি এবাৰ খং উঠিল উঠিলেই। সি আৰু তুনাই নানামিল।

—"সঁচা কথা এইটোৱেই যে, ৰঙ্গনাথ বাবুক, লঙ্গৰে বেয়া কোৱা নাছিল। এই দেশত ছোৱালী বিয়া দিয়াও চুৰি কৰাৰ এটা অজুহাত হে হ'ল। এজনে ভেটী ললে আনজনে সমৰ্থন কৰি কয়,—কি কৰিবনো বেচেৰাই। উচ্চ বংশলৈ ছোৱালী বিয়া দিব লাগে। আটাইবোৰৰ গুৰিতেই হ'ল ছোৱালী বিয়া দিয়াটো।"

"যিয়েই নহওক লঙ্গৰ আৰু নকলবাবুৰ মাজত খুব মনোমালিন্য হ'ল। এতিয়া ভেটীৰ কথাত কথাই কথাই তৰ্কাতৰ্কি হয়েই। আগতে একেবাৰে ঠিকমতে চলিছিল। পুৰণা মানুহ কথাত পকা আছিল। এটা টকা ধৰাই দিয়া, পিছদিনা নকল তৈয়াৰ। এতিয়া নতুন নতুন স্কুলীয়া ল'ৰা অফিচত সোমাইছেহি আৰু লেন-দেনৰ মূল্যত কেনা লগাইছেহি। সেইবোৰকে দেখি শুনি পুৰণা মানুহেও যিহকে মন যায় তাকেই কৰে। এতিয়া ভেটী দিয়া আৰু ভেটী লোৱা দুয়োটাই মহা অশান্তিৰ কাম হ'লগৈ।"

লঙ্গৰৰো টিঙিচ্ কৰি খঙটো উঠি আহিল। সি নিজৰ লগুণ চুই ক'লে,—"বাৰু বাবু তুমিও যেতিয়া নিয়ম-কানুন মতেই কাম কৰিবা ময়ো সেই নিয়ম কানুন মতেই কাম কৰিম। এতিয়া তোমাক এটা ফুটা কড়িও নিদিওঁ বুইছা। মই দৰখাস্ত দি দিছোঁ, কেতিয়াবা নহয়, কেতিয়াবাতো আমাৰ কাম হ'বই।

তাৰ পিছত লঙ্গৰে তহচীলদাৰক সকলো গৈ কলেগৈ। তহচীলদাৰে তাৰ কথা শুনি খুব হাঁহিলে আৰু ক'লে,—"চাব্বাচ লঙ্গৰ; তুমি ঠিক কৰিলা। বাৰু; এতিয়া তোমাৰ এই লেন-দেনৰ মাজত সোমাবৰ কোনো দৰকাৰ নাই। তোমাৰ নম্বৰ আহিলে নকল পাই যাবা।" তেওঁ পেচকাৰক ক'লে,—"চোৱাঁ, বেচেৰা লঙ্গৰে যোৱা চাৰিমাহেই অশান্তিত কটাইছে। এতিয়া, কায়দাকানুন অনুসৰি কাম হোৱা উচিত; এওঁক যাতে কোনেও দিগ্দাৰী নিদিয়ে।" এই কথাত পেচকাৰে ক'লে,—"হুজুৰ, এই লেঙেৰাটো বৰ জেদী। আপুনি ইয়াৰ কথাত ভোল নাযাব।" এইবাৰ লঙ্গৰৰ পেচকাৰৰ ওপৰত বৰ খং উঠিল। কাজিয়া, চিঞৰ-বাখৰ আৰম্ভ হৈ গ'ল। তহচীলদাৰে বহু কষ্টেৰেহে দুয়োকে বুজাই বঢ়াই শান্ত কৰালে।

লঙ্গৰে জানে নকলবাবুৱে কিবা নহয় কিবা উপায়েৰে দৰখাস্তখন খাৰিজ কৰি দিব। বেচেৰা দৰখাস্তখনৰ জীৱনটোও পকুৱাৰ জীৱনৰ দৰেই। তাক লবলৈ কোনো ডাঙৰ শক্তিৰ প্ৰয়োজন নহয়। দৰখাস্ত যি কোনো সময়তে খাৰিজ কৰা যাব পাৰে। ফীজৰ টিকট কম লগোৱা হৈছে, ৰেকৰ্ড কপিৰ ঠিকনা ভুল, এটা ঘৰ পূৰাই নকৰিলে,—এনে ধৰণৰ কোনো কথা প্ৰথমতে নোটিচ বোৰ্ডত লিখি দিয়া হয় আৰু নিৰ্দ্ধাৰিত তাৰিখৰ ভিতৰত যদি সেইখন শুদ্ধ কৰা নহয় তেনেহলে দৰখাস্ত খাৰিজ কৰি দিয়া হয়।

গতিকে লঙ্গৰে এতিয়া চব ঠিক কৰি একেবাৰে সাজু কৰি লৈছে। সি নিজৰ গাঁৱৰপৰা গুচি আহিল। নিজৰ ঘৰত তলা লগাই দিলে। খেতি-বাতি, শস্য, হালোৱা গৰু দুটা সকলো ভগৱানৰ হাতত সঁপি থৈ আহিল। সম্পৰ্কীয় মানুহ এজনৰ ঘৰত খুটি পুতি লৈ পুৱাৰপৰা গধূলীলৈকে তহচীলৰ নোটিচ বোৰ্ডৰ ওচৰে-পাঁজৰে ঘূৰিবলৈ আৰম্ভ কৰি দিলে। তাৰ মনত ভয় জানোচা নোটিচ বোৰ্ডত তাৰ দৰখাস্তৰ কিবা খবৰ ওলায় আৰু সি কথাটো যদি গম নাপায় তেতিয়া কি হ'ব। কোনে জানে যে তাৰ দৰখাস্ত খাৰিজ নহ'ব পাৰে। এবাৰ এনেকুৱা হৈয়ে গৈছে।

সি নকল লোৱাৰ সকলো কায়দা কিটিপ শিকি ললে। ফীজ লোৱাৰ নিয়ম-কানুন সোপাকে মুখস্থ কৰি পেলালে। মানুহৰ যেতিয়া কপাল ফুটে তেতিয়া থানা-কেছাৰীৰ মুখ দৰ্শন কৰিব লগাত পৰে। লঙ্গৰৰো কপালখন ফুটিলে। কিন্তু এইবাৰ শেনৰ এজাত; যেনেকৈ হওক সি তহচীলৰ ওপৰত জপিয়াই পৰিছেহি। নকল, পট্টা আদি সকলো উলিয়াইহে এৰিব যেন লাগিছে।

কেৰাণীজন যাবলৈ উঠিল। প্ৰিন্সিপালে চাৰিওফালে চকু ঘূৰাই সুধিলে,—"বদ্ৰী ভাইক দেখোন দেখা নাই।

বৈদ্য ডাঙৰীয়াই ক'লে,—"আমাৰ এজন সম্পৰ্কীয় লোকৰ ঘৰত হোৱা ডকাইতি এটাত সাঙোৰ খাই পৰিছে। পুলিচৰ লীলা অপাৰ। জানিছেই নহয়। বদ্ৰী তালৈকে গৈছিল। আজি উভটি আহিব লাগে দেখোন।"

শনি দুৱাৰদলিৰ কাষতে বহি আছিল। মুখেৰে সুহুৰি বজোৱাদি বজাই ক'লে,—"যেতিয়ালৈকে নাহে তেতিয়ালৈকে ভাল।"

প্ৰিন্সিপালে পাহৰিয়েই গৈছিল যে আৰাম—হাৰাম। ওচৰতে থকা ডাঙৰ গাৰু এটা কাষলৈ টানি আৰামেৰে বহি সুধিলে,—"কথাটোনো কি?"

শনিয়ে খুব লাহেকৈ ক'লে,—"কো-অপাৰেটিভ ইউনিয়নৰ বস্তু উধাও হ'ল। বদ্ৰী ভায়ে শুনিবলৈ পালে চুপাৰভাইজাৰক কেঁচাই কেঁচাই খাব।"

প্ৰিন্সিপালেও বৰ ভয় খালে। তেওঁ একেধৰণেৰে ফুচফুচাই সুধিলে,—"এনেকুৱা কথা নে?"

শনিয়ে মূৰটো তুপিয়াই কিবা এষাৰ কব খোজোঁতেই বৈদ্য ডাঙৰীয়াই ভেকাহি মাৰি ক'লে,—"কি মাইকী মানুহৰ দৰে ফুচফুচাই কথা কবলৈ আহিছ? কো-অপাৰিটিভৰ বস্তু উধাও হ'ল,—কিনো বৰ ডাঙৰ কথাটো হ'ল? কোনখন ইউনিয়ন আছে—য'ত এনে ঘটনা ঘটা নাই?

অলপ সময় ৰৈ তেওঁ পুনৰ বুজোৱা ধৰণে ক'লে,—"আমাৰ ইউনিয়নত প্ৰকৃততে বস্তু উধাও হোৱা নাছিল। কিন্তু মানুহে আমাক সন্দেহৰ চকুৰে চাইছিল। এতিয়া আমি ডাঠি কব পাৰোঁ আমিহে সঁচা মানুহ। বস্তু চুৰি হৈছে আৰু আমি তাক লুকুওৱা নাই। যি হৈছে আমি সকলো ৰাইজক জনাই দিছোঁ।"

দীঘলীয়া উশাহ এটা সলাই বৈদ্য ডাঙৰীয়াই সামৰণিৰ সুৰত ক'লে,—"যাঃ, যি হ'ল ভালেই হ'ল। অন্ততঃ এডাল কাঁইট বাহিৰ হ'ল। চিন্তা গুচিল।"

প্ৰিন্সিপাল চাহাবে গাৰুত আঁউজি নিশ্চল হৈ বহিয়ে থাকিল। শেষত এনে এষাৰ কথা ক'লে—যিটো সকলোৱেই জানে। তেওঁ ক'লে,—"মানুহ আজিকালি বৰ অধৰ্ম্মী হবলৈ ধৰিছে দেখিছোঁ।"

এইষাৰ বৰ গুণ থকা কথা। প্ৰত্যেকজন ভদ্ৰ মানুহে ইয়াক মালটি ভিটামিন পিলৰ দৰে দিনৌ তিনিবাৰকৈ আহাৰ খোৱাৰ পাছত প্ৰয়োগ কৰিব পাৰে। কিন্তু কেৰাণীজনক দেখি বুজা গ'ল যেন তেওঁৰ ইয়াৰ ওপৰত কোনো ব্যক্তিগত আক্ষেপহে আছে। তেওঁ ক'লে,—"মানুহে মানুহে আছে। আমাৰ কলেজত কিন্তু এনেধৰণৰ ঘটনা আজিলৈকে হোৱা নাই।"

বৈদ্য ডাঙৰীয়াই তেওঁলৈ আত্মীয়তাৰ দৃষ্টিৰে চাই মিচিকিয়াই হাঁহিলে। শস্যৰ গুদামৰপৰা ঘেঁহু উলিয়াবৰ সময়তহে কো-অপাৰেটিভ ইউনিয়নৰ বস্তু উধাও হৈছিল। ইয়াকে মন্তব্য দি তেওঁ ক'লে,—"কলেজত উধাও হ'ব কেনেকৈ? তাত তো ঘেহুঁৰ গুদাম নাথাকে।"

এইটো যেন ধেমালীৰ কথাহে আছিল। প্ৰিন্সিপাল চাহাবৰ হাঁহি উঠিল। বচ্, এইবাৰ আৰু কোনে পায়। এবাৰ যেতিয়া হাঁহি উঠিল—তাৰ পিছৰখিনি কামো ভাঙৰ প্ৰভাৱে কৰি পেলালে। তেওঁ হাঁহিয়েই থাকিল। কিন্তু বৈদ্য ডাঙৰীয়াৰ কথাত কেৰাণীৰ মনত ব্যক্তিগত আক্ষেপৰ দ্বাৰা আঘাত কৰা যেন লাগিল। তেওঁ ক'লে,—"খুড়া, কলেজতো ভূঁচিৰে সৈতে ঠাহ খাই থকা কেবাশ বস্তাৰ গুদাম আছে।"

এনে আলোচনাৰ সামৰণি মৰাৰ আশাৰে বৈদ্য ডাঙৰীয়াই প্ৰিন্সিপাললৈ চাই সুধিলে,—"আৰু কিবা বিশেষ কথা আছে নেকি?"

"একো নাই। সেই খান্নাৰ কথাহে। পৰহি ক'লা চশ্মা পিন্ধি পঢ়াই আছিল। মই শ্ৰেণীতে গৈ একেবাৰে থকচি পেলালোঁ। ল'ৰাবোৰক ফুচুলাইছিল।" প্ৰিন্সিপালে আৰু কিবা

কব খুজিছিল। কিন্তু নিজকে সংযমী কৰি ৰাখিলে। আকৌ কথা এষাৰ কব খোজোঁতেই তেওঁৰ মুখৰপৰা ফিক্‌কৈ কিবা বস্তু ওলাই আহিল।

বৈদ্য ডাঙৰীয়াই গহীন হৈ কলে,—"এনে কৰিব নাপায়। বিৰোধী পক্ষকো সম্মানপূৰ্ব্বক ব্যৱহাৰ কৰিব লাগে। নাচাইনো কিয়, প্ৰতিজন ডাঙৰ ডাঙৰ নেতাৰ একোজনকৈ বিৰোধী লোক আছে। সকলোৱে স্ব-ইচ্ছাৰে নিজৰ নিজৰ বিৰোধীক ধৰি থৈছে। এয়ে হ'ল গণতন্ত্ৰৰ সিদ্ধান্ত। আমাৰ নেতাসকলে যথেষ্ট শালীনতাৰে বিৰোধী পক্ষক পৰাস্ত কৰি আহিছে। বিৰোধীসকলে নিজৰ নিজৰ কথাবোৰ বকিয়েই যায় আৰু নেতাসকলে মনে মনে নিজৰ কৌশল চলাই যায়। কোনো কাৰো দ্বাৰা প্ৰভাৱিত নহয়। এইয়া আদৰ্শ বিৰোধী কথা। আপুনিও এই নিয়মটো মানি লোৱা উচিত।"

কেৰাণীৰ অন্তৰত কিন্তু এই ৰাজনীতিৰ মৌলিক সিদ্ধান্তই কোনো প্ৰভাৱ পেলাব নোৱাৰিলে। তেওঁ ক'লে,—"ইয়াৰপৰা একো নহয় খুড়া। খান্না মাষ্টৰক মই ভালদৰে জানো। বুৰঞ্জীত তেওঁ এম্-এ। কিন্তু নিজৰ বাপেকৰ নামেই নাজানে। কেৱল ৰাজনৈতিক দল গঠন কৰাত ওস্তাদ। নিজৰ ঘৰলৈ ল'ৰাবোৰক মাতি নি জুৱা খেলিবলৈ লগাই দিয়ে। তেওঁক ঠিক কৰিবৰ মাত্ৰ এটা উপায় আছে। সেইটো হ'ল—কোনোবা এদিনা ধৰি গুৰুলা-গুৰুলকৈ পিটিব লাগে।"

কেৰাণীৰ কথাই বৈদ্য ডাঙৰীয়াক আৰু গম্ভীৰ কৰিলে, কিন্তু বাকী আটাইখিনি মানুহ উৎসাহিত হোৱা যেন লাগিল। কথা আহি একেবাৰে জোতা মৰা পদ্ধতি আৰু পৰম্পৰাত ৰ'লহি।

শুনিয়ে উৎসাহেৰে ক'লে,—"যেতিয়া খান্নাৰ গাত জোতা পৰিবলৈ আৰম্ভ কৰিব আমাকো মাতিবলৈ নাপাহৰিবা। বহুত দিনৰপৰাই কাকো জোতা মাৰিব পৰা নাই। আমিও দুই চাৰি হাত দিবলৈ যাম।" এনেদৰেই কথা কটাকটিৰ শেষত আলোচনা শেষ হ'ল।

ছয়

ৰামাধীনৰ পূৰা নাম বাবু ৰামাধীন ভীখমখেৰৱী আছিল। ভীখমখেৰা শিৱপালগঞ্জৰ গাতে লাগি থকা এখন পৰি অহা গাঁও—যি কেইটামান জুপুৰীত, মাল বিভাগৰ কাগজ পত্ৰত আৰু বাবু ৰামাধীনৰ পুৰণি কবিতাত সুৰক্ষিত আছিল।

লৰালিকালত বাবু ৰামাধীনে ভীখমখেৰা গাঁৱৰপৰা ওলাই ৰেলৰ লাইন ধৰি একেবাৰে চহৰ ওলায়গৈ। তাৰপৰা তেওঁ যি কোনো ৰেলতে উঠাৰ পৰিকল্পনা কৰি কলিকতা পাইছিলগৈ। কলিকতাত প্ৰথমে তেওঁ এজন বেপাৰীৰ লগত চিঠি অনা নিয়া কাম কৰিছিল। তাৰপিছত মালবস্তু অনা নিয়া কাম কৰি পিছলৈ নিজেই ব্যৱসায় আৰম্ভ কৰি দিলে। শেহত তেওঁ নিজে গোটেই ব্যৱসায়ৰে স্বত্বাধিকাৰী হৈ পৰিল।

তেওঁৰ ব্যৱসায়টো কানিৰ আছিল। কেঁচা কানি পশ্চিমফালৰ পৰা আহিছিল। তাকে বেলেগ বেলেগ উপায়েৰে কলিকতাৰ ডাঙৰ ডাঙৰ বেপাৰীলৈ পঠিওৱাৰ বাবটো তেওঁৰ হাতেতে আছিল।

তাৰপৰা দেশৰ বাহিৰলৈ পঠিওৱাৰ কামটোও তেওঁ লব পাৰিলেহেঁতেন। কিন্তু তেওঁ উচ্চাকাঙ্খী নাছিল। নিজৰ বেপাৰৰ কাম তেওঁ মনে মনে কৰিছিল আৰু আজৰি সময়খিনিত জিলাৰপৰা আহিবলগীয়া মানুহৰ খবৰ লৈছিল। তাত তেওঁ নিজৰ অঞ্চলৰ মানুহৰ মাজত বেচ বিখ্যাত হৈ পৰিছিল। মানুহে তেওঁৰ শিক্ষা নোহোৱাকৈয়ে মহাগুণৰ প্ৰশংসা কৰিছিল আৰু তেওঁৰ নাম লৈ বুজিবলৈ চেষ্টা কৰিছিল যে বিশ্ববিদ্যালয়ৰ ডিগ্ৰী নোলোৱাকৈয়ে আকবৰৰ নিচিনা অশিক্ষিত ৰজা মহাৰজায়ো কিমান সুন্দৰভাৱে শাসনযন্ত্ৰ চলাইছিল চাগৈ।

কানিৰ ব্যৱসায়ৰপৰা ভাল পইচা আহিছিল। আৰু অন্য বেপাৰীৰ পৰাও ইয়াত কোনো বেছি সম্পৰ্ক ৰাখিব লগাত নপৰিছিল। এইটো ব্যৱসায়ত অৱশ্যে এটা অলপ বেয়া কথা আছিল এইটোৱেই যে ই আইনকানুন বিৰোধী আছিল। এই বিষয়ে কোনো কথা ওলালেই ৰামাধীনে তেওঁৰ বন্ধু মহলক কয়—“এই ক্ষেত্ৰত মই *কি কৰিব পাৰোঁ কোৱাঁ। আইনকানুন মোক সুধি বনোৱা* নাই নহয়।”

যেতিয়া বাবু ৰামাধীনক কানি আইন দণ্ডবিধি অনুযায়ী হাজোতলৈ নিয়া হ'ল—তেতিয়াও তেওঁ হাকিমৰ আগত সেই একে নিয়মৰ কথাকে দোহাৰিলে। তেওঁ ইংৰাজী আইনক নিন্দা কৰি মহাত্মা গান্ধীৰ উপমা দাঙি ধৰিলে আৰু এইটো কবলৈকে চেষ্টা কৰিলে যে বিদেশী আইন নিজৰ সুবিধা অনুযায়ী বনোৱা হৈছে আৰু প্ৰতিটো সামান্য কথাকে অপৰাধ বুলি কোৱা হৈছে। তেওঁ বিচাৰকৰ আগত ক'লে, “হজুৰ কানিৰ জন্ম এক শ্ৰেণীৰ গছৰপৰা। গছৰ পুলিটো ডাঙৰ হৈ অহাৰ লগে লগে তাত ধুনীয়া ধুনীয়া

বগাফুল ওলায়। ইংৰাজীত তাক পপি বোলে। তাৰেই অন্য এটা ধৰণো আছে—য'ত ৰঙা ফুল ওলায়। চাহাবে তাক বঙলাত ৰোৱে। সেই ফুলৰো আৰু এটা ধৰণ আছে—যাক ডবল পপি বোলা হয়। হজুৰ, এই সকলোবোৰ ফুলপাতৰ কথা। ইয়াৰ লগত অপৰাধৰ কি সম্পৰ্ক থাকিব পাৰে? সেই বগাফুলৰ পপিৰ গছৰ পৰাই পিছত এই ক'লা ক'লা বস্তুটো ওলায়। ইয়াৰে দৰব বনোৱা হয়। ইয়াৰ ব্যৱসায় অপৰাধ হ'ব নোৱাৰে। যি আইনত ইয়াক অপৰাধ বুলি কোৱা হয় সেইয়া হ'ল ক'লা আইন। সেই আইন আমাক সৰ্ব্বস্বান্ত কৰিবলে তৈয়াৰ কৰা হৈছে।"

এনে সুন্দৰ ভাষণ দিয়াৰ পাছতো ৰামাধীনৰ দুবছৰ জেল হ'ল। কিন্তু শাস্তি সেই সময়ত সহজে হৈ গৈছিল। আচল কথা হ'ল শাস্তিৰ আগতে আদালতত দিয়া ভাষণটোহে। ৰামাধীনে এই কথা বাৰুকৈয়ে জানিছিল যে এনেধৰণৰ বক্তৃতা দি শ শ মানুহ—বিপ্লৱীৰপৰা আৰম্ভ কৰি অহিংসা বাদীলৈকে—শ্বহীদ হৈছিল আৰু তেওঁৰ দৃঢ় বিশ্বাস আছিল যে এই বক্তৃতাৰপৰা তেৰোঁ শ্বহীদ সহজেই হ'ব পাৰিব। পিছে জেল খাটি অহাৰ পিছত গম পালে যে শ্বহীদ হ'বলৈ কানিৰ আইন নহয় লোন আইনহে ভঙ্গ কৰিব লাগিছিল। কিছুদিন কলিকতা ঘূৰি গম পালে যে তেওঁ ইতিমধ্যে বজাৰৰপৰা আঁতৰ হৈ গৈছে। গভীৰ দুখত দুই এটা কবিতা শুনাই এইবাৰ ৰামাধীনে টিকট কাটি নিজৰ গাঁৱলৈ উভটি আহিল। আহি তেওঁ শিৱপালগঞ্জত খুটি পুতি বহিল।

তেওঁ মানুহক তেওঁৰ ব্যৱসায় বন্ধ হোৱাৰ কথাটোও খোলোচাকৈ জনাই দিলে। ইয়াতকৈ তেওঁ বেছি কোৱাৰ দৰকাৰো নাছিল। তেওঁ এটা আধা পকা আধা কেঁচা ধৰণৰ সৰু ঘৰ বনালে। অলপ

মাটি লৈ খেতি কৰিবলৈ আৰম্ভ কৰিলে, গাঁৱৰ ডেকাহঁতক কড়িৰ ঠাইত তাচৰপৰা জুৱা খেলিবলৈ শিকালে আৰু ঘৰৰ দুৱাৰ মুখত পাৰি লোৱা খাটখনত পৰি পৰি মানুহক কলিকতাৰ প্ৰবাসী দিনবোৰৰ সাধু শুনাবলৈ লাগি গ'ল। সেই সময়ত গাঁও পঞ্চায়েত প্ৰতিষ্ঠা হ'ল আৰু কলিকতাত শিকি অহা বুদ্ধিকণেৰে তেওঁৰ এজন দূৰ সম্পৰ্কীয় ভায়েকক পঞ্চায়তৰ সভাপতিও বনাই ললে। আৰম্ভনিতে মানুহে জনাই নাছিল যে সভাপতিনো কি বস্তু। গতিকে তেওঁৰ ভায়েকে ভোটৰ বাবেও থিয় হ'ব লগা নহ'ল। কিছুদিনৰ মূৰত মানুহে গম পালে যে গাওঁ পঞ্চায়তত দুজন সভাপতি আছে;—এজন হ'ল বাবু ৰামাধীন—যি গাঁও সভাৰ মাটিৰ পট্টা দিবলৈ আৰু আনজন হ'ল তেওঁৰ দূৰ সম্পৰ্কীয় ভায়েক —যি প্ৰয়োজন হলে বস্তু উধাও মোকৰ্দ্দমাত জেল খাব পাৰে।

বাবু ৰামাধীনৰ এটা সময়লৈকে গাঁৱত বেচ দৌৰাধপৰা চলিছিল। তেওঁৰ সম্মুখত ভগা কাঠ, টিন আদিৰ টুকুৰাৰে নিৰ্ম্মিত ঘৰ আছিল—য'ত গাঁৱৰ উঠি অহা ডেকাহঁতে জুৱা খেলিছিল। ঘৰটোৰ আনটো ফালে ভাং গছৰ কোমল কোমল পাতেৰে ভাং বনোৱা হৈছিল। পৰিৱেশটো বেচ কাব্যপূৰ্ণ আছিল। তেওঁ গাঁৱত পোনপ্ৰথম কেনা, নেষ্টচিয়াম, লাৰ্কস্পাৰ আদি বিলাতী ফুল ৰুইছিল। সেইবোৰৰ ভিতৰত ৰঙা ৰঙৰো কিছুমান ফুল আছিল। তেওঁ সেইবোৰ চাই চাই কৈছিল,—"এইবিধ পপি আৰু এইবিধ চালা ডবল পপি।"

বাহিৰৰপৰা উভটি আহোঁতে গাঁৱৰ বাহিৰতে হঠাৎ ? পালোৱানৰ ৰিক্সা কোনোবাই ৰাখিলে। অলপ অচৰপ ত

হৈছিল, গতিকে ৰিক্সা ৰখোৱা মানুহজনৰ মুখখন দূৰৰপৰা ভালকৈ মনিব পৰা নগ'ল। পালোৱানে সুধিলে,—"কোনৰে সেইটো ?"

"ৰে চে কব নালাগে পালোৱান। মই ৰামাধীনহে। এইবুলি কৈ কৈ এটা মানুহ ৰিক্সাৰ কাষত আহি থিয় হ'লহি। ৰিক্সা-ৱালাই ঘপহকৈ আলিৰ সোঁমাজতে ৰিক্সাখন ৰাখি দিলে। মানুহ-টোৱে ধুতি-পাঞ্জাবী পিন্ধিছিল। কিন্তু আন মানুহৰ দৰে তাক চিনিবলৈ হলে ধুতি পাঞ্জাবীৰপৰা নহয়; তাৰ টকলা মূৰৰ পৰাহে চিনিব পৰা যায়। ৰিক্সাৰ হেণ্ডোলদালত ধৰি মানুহটোৱে ক'লে, —"শুনিছানে, মোৰ ঘৰত ডকাইতি হ'ব।"

পালোৱানে ৰিক্সাৱালাটোৰ পিঠিত আঙুলীৰে হেঁচি দি আগুৱাবলৈ ইঙ্গিত দি ক'লে—"এতিয়াৰ পৰাইনো কিয় ইমান তেল ফাটিছে,—যেতিয়া ডকাইতি হ'ব তেতিয়া মোক জনাবা।"

ৰিক্সাৱালাই পেডেল ঘূৰাবলৈ জোৰ দিলে, কিন্তু ৰামাধীনে হেণ্ডোলদাল এনে ধৰণেৰে ধৰি আছিল যে সি কোনোমতেই ৰিক্সাখন লৰাব নোৱাৰিলে। ৰিক্সাখন একেঠাইতে ৰৈ থাকিল।

বদ্রী পালোৱানে মুখৰ ভিতৰতে ভোৰভোৰাই ক'লে,— "ক'ৰপৰানো আপদটো ওলালহি,—আলিৰ মাজতে ৰিক্সা ৰখাই বিধবাৰ নিচিনাকৈ কান্দিবলৈ আৰম্ভ কৰিছে।"

ৰামাধীনে ক'লে,—"কন্দা নাই। আপত্তিহে কৰিছোঁ। বৈদ্য ডাঙৰীয়াৰ ঘৰত ভুমিয়েইহে এটা মানুহ, বাকীবোৰ চব কানীয়া। গতিকে সকলো কথা তোমাকেই কৈছোঁ। এখন চিঠি আহিছে আৰু তাত ডকাইতে মোৰপৰা পাঁচ হেজাৰ টকা বিচাৰিছে। কৈছে যে অমাৱস্যাৰ নিশা দক্ষিণফালৰ টিলাটোত টকা দি আহিবলৈ।"

বদ্ৰী পালোৱানে নিজৰ কৰঙন দুটাত থপৰিয়াই ক'লে,— "মন গলে দি আহাঁগৈ। আৰু মন নগলে এটা ফুটা কড়িও দিবৰ কোনো আৱশ্যক নাই। ইয়াতকৈ বেছি আৰু কি কম? ৰিক্সাৱালা ব'ল এতিয়া।"

ঘৰৰ ওচৰ পাইছোঁহি, বাহিৰত বটি থোৱা ভাং তৈয়াৰ হৈ থাকিব। সেয়া খাই, গা-পা ধুই, কঁকালত বটীয়াকৈ লেঙুটী মাৰি, এটা পাঞ্জাবী পিন্ধি, সভাঘৰত গপচত বহা যাব। মানুহে সুধিব, পালোৱান কি কি কৰি আহিলা? তেওঁ চকু মুদি আনৰ প্ৰশ্ন শুনি যাব আৰু আনক হে উত্তৰ দি যাবলৈ কব। দেহৰ সকলো শক্তি আৰু ডাঙৰ আলস্যৰ প্ৰভাৱত সংসাৰৰ সকলোবিলাক শব্দ মহৰ কোন্ কোননিৰ নিচিনা শুনা যাব।

সপোনৰ মাজত ডুব গৈ থকা বদ্ৰীক এই সময়ত আলিবাটৰ মাজত ৰখোৱাত তাৰ বেচ খং এচাট উঠিছিল। ৰিক্সাৱালাক ধমকি দি আকৌ কলে, "তোক ৰিক্সা চলাবলৈ কৈছোঁ নহয়।"

কিন্তু বেচেৰাই চলায় কেনেকৈ? ৰামাধীনৰ হাত তেতিয়াও ৰিক্সাৰ হেণ্ডেলত আছিল। তেওঁ কলে, "টকাৰ কথা নহয়। মোৰ পৰা কোনোবাই কি খাই টকা লব? মই তোমাক এই-টোৱেই মাত্ৰ কবলৈ বিচাৰিছিলোঁ যে কল্পনক আঁতৰোৱা। নিজকে অলপ বেছি বেছি ভাবিবলৈ লৈছে। নামিয়েই যোৱা যাওক, আকাশৰ……।"

বদ্ৰী পালোৱানে নিজৰ ভৰি দুটাৰ ওপৰত ভৰ দি ৰিক্সাৰপৰা তললৈ নামি আহিল। ৰামাধীনক ৰিক্সাৱালাৰপৰা অলপ দূৰলৈ টানি নি সুধিলে, "কিয় নিজৰ মুখখন বেয়া কৰিছা? কি কৰিলে কল্পনে।"

ৰামাধীনে কলে, “মোৰ ঘৰলৈ এই ডকাইতৰ চিঠিখন আচলতে ৰুপ্পনেহে পঠিয়াইছে, বুইছা। মোৰ হাতত ইয়াৰ প্ৰমাণ আছে।”

পালোৱানে মুখৰ ভিতৰতে ভোৰভোৰালে, “দুদিনৰ বাবে বাহিৰলৈ যাবও নোৱাৰি। সিফালে মই গলোঁ এইফালে এই সমস্যাটো আহি থিয় হ’ল।”

অলপ ভাবি কলে, “তোমাৰ হাতত যদি প্ৰমাণেই আছে তেনেহলে ভয় খাবৰ কিটো হ’ল?” ৰামাধীনক অভয় দান দি তেওঁ চিঞৰি কলে,—“তেনেহলে তোমাৰ তাত ডকাইতি চকাইতি একো নহয়। ঘৰলৈ গৈ নাকত তেল দি শুই থাকা। ৰুপ্পনে ডকাইতি নকৰে। ল’ৰা মানুহ, ধেমালী কৰিছে চাগৈ।”

ৰামাধীনে খঙেৰে কলে, “সেইটো বাৰু মই বুজিছোঁ। ৰুপ্পনে ধেমালী কৰিছে। কিন্তু এইটো ধেমালীও জানো ধেমালী?”

বদ্ৰী পালোৱানেও সমৰ্থন জনাই কলে, “তুমি ঠিকেই কৈছা।”

ৰাস্তাইদি এখন ট্ৰাক জোৰেৰে আহি আছিল। তাৰ লাইটৰ পোহৰে বদ্ৰীৰ চকু চাট্ মাৰি ধৰাত ৰিক্সাৱালাক ক’লে, “ৰিক্সাৱালা, ‘ৰিক্সাখন দাঁতিলৈ নে।’ আলিবাটটো তোৰ বাপেৰৰ নহয়।”

ৰামাধীনে বদ্ৰীৰ স্বভাৱ জানিছিল। এনেধৰণৰ কথা শুনি ক’লে, “ইয়াত বেয়া পাবৰ কোনো কথা নাই। পালোৱান! কিন্তু ভাবি চোৱাঁচোন, এইটোও জানো এটা কথা হ’ল?”

তেওঁ ৰিক্সাৰ ফাললৈ আহি আছিল। ৰিক্সাত বহি ক’লে, “যেতিয়া ডকাইতিয়েই নহয় তেনেহলে তৰ্ক কৰি কি লাভ? ব’ল, ৰিক্সাৱালা।” যাওঁতে তেওঁ কৈ গ’ল, “ৰুপ্পনক মই বুজাই কম বাৰু। এইবোৰ কথা ঠিক নহয়।”

ৰামাধীনে পিছৰপৰা চিঞৰি চিঞৰি কলে, “সি মোৰ ঘৰত

ডকাইতি কৰিম বুলি চিঠি দিছে। তুমি কেৱল তাক বুজাবা। এইটো বুজোৱা কথা নহয়, মুখত জোতা মৰা কথা, বুইছা।”

ৰিক্সা আগবাঢ়িছিল। পালোৱানে মূৰ ঘুঘুৰোৱাকৈয়ে উত্তৰ দিলে, “বৰ বেছিকৈ দুখ লাগিছে যদি তুমিও মোৰ ঘৰলৈ এনে এখন চিঠি পঠাই দিবা।”

সাত

ঘৰৰ ছাটৰ ওপৰত এটা কোঠালী আছিল যিটো সমূহীয়া পৰিয়ালৰ পঢ়া কিতাপৰ নিচিনাকৈ সদায় খোলা আছিল। ঘৰটোৰ চুকত থকা মুদ্গৰ দুডালে ইয়াকেই বুজাইছিল যে ৰাজহুৱা হিচাপে ঘৰটো বদ্রী পালোৱানৰ। এনেকৈ ঘৰত আন আন মানুহেও নিজৰ নিজৰ ৰুচি অনুযায়ী কোঠালীটো ব্যৱহাৰ কৰে। ঘৰৰ মাইকী মানুহবিলাকে আইনা আৰু মাটিৰ বাচনত বহুতো আচাৰ ভৰাই ভৰাই ছাটৰ ৰ'দত দিছিল আৰু গধূলি হোৱাৰ লগে লগে কোঠাটোত জমা কৰিছিল। ছাটত শুকাবলৈ দিয়া কাপোৰবোৰ এনে অৱস্থাই হৈছিল। কোঠালীটোত ইফালৰপৰা সিফাললৈ এডাল ৰচি তৰা আছিল আৰু তাত গধূলি হোৱাৰ লগে লগে লেংগুটী, গামোছা, পেটিকোট আদিৰে ভৰি পৰিছিল। বৈদ্য ডাঙৰীয়াৰ অদৰকাৰী বটলবোৰেও এটা আলমাৰী অধিকাৰ কৰি আছিল। প্ৰায় বেছিভাগ বটলেই খালি আছিল। তাত আঠা লগাই থোৱা সচিত্ৰ বিজ্ঞাপন, “ব্যৱহাৰ কৰাৰ আগতে”ৰ ওপৰত

এটা আধামৰা মানুহৰ ছবিৰপৰা আৰু 'ব্যৱহাৰ কৰাৰ পাছত' —য'ত এটা ফেঁচ লগা মানুহে লেঙুটী মাৰি আছে আৰু পৰিমাণ স্বৰূপে যাৰ স্বাস্থ্য ভাল—এই শীৰ্ষকৰপৰা অনুমান হৈছিল যে এই বটলবোৰেই হাজাৰ হাজাৰ মানুহক সিংহৰ নিচিনাকৈ শক্তিশালী বনাই দিছিল। আন এটা কথা, সেইবিলাকে কেৱল নিজৰ গা-ধোৱা ঘৰ আৰু শোৱা কোঠাতহে কঁকাল লৰাই লৰাই সিংহৰ নিচিনাকৈ ঘূৰি ফুৰে,—বাহিৰত ছাগলী ছাগলী হৈয়েই থাকে।

পৰিয়ালৰ সকলো মানুহ এটা শান্তিপূৰ্ণ পৰিৱেশত থাকিব লাগে—এই মতাৱলম্বীৰ মানুহবিলাকে এই কোঠালীটো দেখি তেওঁলোকৰ মনত স্থানীয় সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা উপজিব পাৰে। ইয়াক দেখি কোনো সমাজশাস্ত্ৰীয়ে কব নোৱাৰে যে পূৰ্ব্ব গোলাৰ্দ্ধত সমূহীয়া পৰিয়ালৰ ব্যৱস্থা কোনোফালৰপৰাই বিপদমুখী নহয়।

এই কোঠালীটো ৰঙ্গনাথক থাকিবলৈ দিয়া হৈছিল। তেওঁ দুয়াত চাৰি পাঁচ মাহমান থকাৰ কথা আছিল। বৈদ্য ডাঙৰীয়াই ঠিকেই কৈছিল। এম. এ. পঢ়ি পঢ়ি যি কোনো সাধাৰণ ল'ৰাৰ নিচিনাকৈ সি একেবাৰে ক্ষীণাই গৈছিল,—সদায় জ্বৰত ভুগিছিল। সাধাৰণ হিন্দুস্থানী মানুহৰ নিচিনাকৈ তাৰ ডাক্তৰী চিকিৎসাত বিশ্বাস নথকা স্বত্বেও সি ডাক্তৰী দৰব খাইছিল। তাৰ দ্বাৰা সি কোনোৰকমে ভাল পোৱা নাছিল। চহৰৰ যি কোনো সাধাৰণ মানুহৰ নিচিনাকৈ তাৰ বিশ্বাস আছিল যে চহৰৰ দৰব আৰু গাঁৱৰ বতাহ একে। সেইকাৰণে সি গাঁৱত থাকিবৰ কাৰণেই আহিছিল। যি কোনো সাধাৰণ মূৰ্খৰ নিচিনাকৈ এম্. এ. পাচ কৰাৰ পাছত কোনো চাকৰি নোপোৱাৰ কাৰণে সি গৱেষণা

আৰম্ভ কৰি দিছিল। কিন্তু সি সাধাৰণ বুদ্ধিমান মানুহৰ নিচিনাকৈ জানিছিল যে গৱেষণা কৰিবৰ কাৰণে বিশ্ববিদ্যালয়ত থাকিবলৈ লোৱা আৰু সদায় কিতাপৰ দোকানত বহি থকা আৱশ্যক নহয়। সেই কাৰণেই সি ভাবিলে গাঁৱত থাকি অলপ আৰাম কৰিব, গাত শক্তি বঢ়াব, পঢ়াশুনা কৰিব আৰু প্ৰয়োজন হলে চহৰলৈ গৈ কিতাপৰ সাল-সলনি কৰি আহিব। লগতে বৈদ্য ডাঙৰীয়াৰ লগত শিষ্ট ভাষাৰে দুই এষাৰ কথাও কব পাৰিব।

ওপৰৰ কোঠাটো যথেষ্ট ডাঙৰ আছিল। ৰঙ্গনাথ আহিয়েই তাৰ এটা অংশ সম্পূৰ্ণ নিজৰ কৰি ললে। কোঠাটো পৰিষ্কাৰ কৰি তাত এখন চালপীৰা স্থায়ীৰূপে লগাই দিলে। তাৰ ওপৰত এখন বিছনাও পাৰি দিলে। ওচৰৰ আলমাৰীটোত কিতাপবোৰ সজাই পেলালে। তাত কিন্তু কোনো মামলা মোকৰ্দ্দমা আদি গুপ্ত সাহিত্যৰ কিতাপে স্থান নাপালে। কোঠাটোতে কলেজৰ পৰা এখন সৰু মেজ আৰু চকী আনি পাৰি লৈছিল। চালপিৰা-খনৰ ওচৰতে এখন খিড়িকী আছিল। খিড়িকীখন খুলিলেই ওচৰৰ বাগিছা আৰু খেতিৰ মনোমোহা দৃশ্য দেখিবলৈ পোৱা গৈছিল।

ৰূপ্পন বাবুৱে ক'ৰবাৰপৰা কিছুমান ইটাৰ টুকুৰা গোটাই আনিছিল আৰু তাকে যোৰা তাপলি মাৰি ৰেডিঅ'ৰ নিচিনাকৈ বনাই লৈছিল। কোঠালীটোৰ ওপৰত বাঁহ আৰু গছৰ ডাল পুতি ইফালৰপৰা সিফাললৈ তাঁৰ লগাই দিছিল। দেখিলে এনে অনুমান হৈছিল যে এচিয়াৰ সকলোতকৈ ডাঙৰ ট্ৰেন্সমিছন চেণ্টাৰটো ইয়াতেই আছিল। কিন্তু ভিতৰৰ ৰেডিঅ'টো এটা হেডফোনৰ সহায়েৰে শুনা গৈছিল। ৰঙ্গনাথে কেতিয়াবা তাকে কাণত লগাই স্থানীয় খবৰ আৰু বৈষ্ণৱ সন্তসকলৰ শোকপূৰ্ণ ভজন শুনিছিল

আৰু অনুমান কৰি লৈছিল যে আকাশবাণী এতিয়াও সেই আগৰ নিচিনাই আছে আৰু হাজাৰ বিজাৰ লোকৰ গালি খাইয়ো সেই গতিৰেই চলিছে। কিছুদিনৰ পাছত ৰঙ্গনাথে এটা সস্তীয়া ৰেডিঅ' কিনিলে।

ৰঙ্গনাথৰ দৈনিক কাৰ্য্যক্ৰম বৈদ্য ডাঙৰীয়াৰ উপদেশমতেই কৰা হৈছিল। যেনে, ৰাতিপুৱা অতি সোনকালে শুই উঠা, তামৰ লোটাত থোৱা ঠাণ্ডা পানী খোৱা, বহুদূৰলৈকে ফুৰিবলৈ যোৱা, নিত্যকৰ্ম্ম পালন (কাৰণ সেইটোৱেই সংসাৰৰ একমাত্ৰ নিত্যকৰ্ম্ম, —বাকীবোৰ অনিত্য), ফুৰি আহি মুখ হাত ভৰি ধোৱা, দাঁতোনেৰে মুখ ধোৱা, ব্যায়াম কৰা, গাখীৰ খোৱা, অধ্যয়ন কৰা, দুপৰীয়া ভোজন কৰা, বিশ্ৰাম, অধ্যয়ন, আবেলি ফুৰা, ফুৰি আহি সাধাৰণ ব্যায়াম ইত্যাদি।

ৰঙ্গনাথে এই গোটেই কাৰ্য্যক্ৰম বেচ অতি বিশ্বাসেৰে আৰু সৰলতাৰে পালন কৰিছিল। ইয়াত মাত্ৰ এইটোও সংশোধন হৈছিল যে অধ্যয়নৰ ঠাইত বৈদ্য ডাঙৰীয়াৰ লগত বৈঠকেও স্থান পাইছিল।

কিছুদিনৰ ভিতৰতে শিৱপালগঞ্জৰ বিষয়ে ৰঙ্গনাথৰ মনত এনে লগা হ'ল যে মহাভাৰতৰ নিচিনাকৈ যি বস্তুটো ক'তোৱেই নাই, সি ইয়াতে আছে আৰু যিটো ইয়াত নাই সি ক'তোৱেই নাই। সি বুজি পালে যে আমি সকলো ভাৰতবাসী এক আৰু সকলো ঠাইতে আমাৰ বুদ্ধিও একেই। সি দেখিবলৈ পালে যে যাৰ প্ৰশংসা বাণী সকলো নাম কৰা কাগজৰ প্ৰথম পৃষ্ঠাৰ পৰাই ডাঙৰ ডাঙৰ হৰফেৰে লিখা, যাৰ ইঙ্গিতত ডাঙৰ ডাঙৰ নিগম, আয়োগ আৰু প্ৰশাসন উঠা বহা কৰে সেইজন লোকৰ প্ৰতিভা আজি সৰ্ব্ববিদিত।

শিৱপালগঞ্জ যদিও গাঁও আছিল—তথাপি ই চহৰৰ ওচৰতে আৰু ৰাজআলিৰ কাষতে আছিল। সেইকাৰণে তালৈ আহিবলৈ ডাঙৰ ডাঙৰ নেতা আৰু চৰকাৰী বিষয়া সকলৰ বাবে কোনো অসুবিধা নহৈছিল। পানীৰ অসুবিধা তাত নাছিল। কাৰণ কুঁৱাৰ বাহিৰেও তাত কেইটামান হেণ্ডপাম্পও আছিল। সেইয়ে বাহিৰৰপৰা অহা ডাঙৰ ডাঙৰ লোকসকলে পিয়াহ লাগিলে খোৱা পানীৰ অভাৱ নহৈছিল। সেইসময়ত শিৱপালগঞ্জলৈ জননায়ক আৰু দেশ সেৱক সকলৰ আহযাহ বৰ বেছি হৈছিল। কাৰণ তেতিয়া সকলোৰেই শিৱপালগঞ্জৰ বিকাশৰ চিন্তা কৰিছিল আৰু এই উপলক্ষ লৈয়েই তাত সময়ে সময়ে জনসভা পাতি বক্তৃতাৰ ফুলজাৰি মাৰিছিল।

সেইসময়ত গাঁৱত দিয়া বক্তৃতাৰ মুখ্য বিষয় আছিল খেতি। ইয়াৰ অৰ্থ এইটো নাছিল যে আগতে অইন কিবা বিষয়হে আছিল। আচলতে যোৱা কেইবছৰ মানৰপৰা গাঁৱৰ মানুহক ফুচুলাই কৈ আহিছিল যে ভাৰতবৰ্ষ এখন কৃষি প্ৰধান দেশ। গাঁৱৰ মানুহেও ইয়াত কোনো প্ৰতিবাদ কৰা নাছিল। কিন্তু প্ৰত্যেকজন বক্তাই আৰম্ভনীৰেপৰা ভাবি লৈছিল যে গাঁৱৰ মানুহে ইয়াৰ প্ৰতিবাদ কৰিব। সেইকাৰণে তেওঁলোকে এটাৰ পাছত এটা যুক্তি খণ্ডন কৰি ইয়াকে বুজাব খুজিছিল যে ভাৰতবৰ্ষ এখন খেতি প্ৰধান দেশ। তাৰ পাছত তেওঁলোকে ইয়াকে কৈছিল যে খেতিৰ উন্নতিয়েই দেশৰ উন্নতি। বক্তৃতাৰ বিষয় আছিল মাত্ৰ এটা। আৰু তাকে ঘূৰাই পকাই কৈছিল যে খেতিপ্ৰধান দেশ হিচাপে ৰাইজসকল হ'ল খেতিয়ক আৰু তেওঁলোকে ভাল ধৰণে খেতি কৰিব লাগে,—অধিক শস্য উৎপাদন কৰিব লাগে।

প্ৰত্যেকজন বক্তাই ইয়াকে সন্দেহ কৰিছিল যে খেতিয়ক সকলে অধিক শস্য উৎপাদন কৰিব নোখোজে।

বক্তৃতাৰ স্থান কেতিয়াবা বিজ্ঞাপনে পূৰণ কৰিছিল আৰু আনফালৰ পৰা শিৱপালগঞ্জৰ ঘৰৰ দুৱাৰত লগাই ৰখা বিজ্ঞাপনে সেই ঠাইৰ সমস্যাৱলী আৰু তাৰ প্ৰকৃত সমাধানৰ পৰিচয় দিছিল। এতিয়া প্ৰধান সমস্যা হ'ল—ভাৰত এখন খেতি প্ৰধান দেশ,—অথচ ইয়াৰ খেতিয়কসকলে অৱহেলা কৰিয়েই অধিক উৎপাদন নকৰে। গতিকে ইয়াৰ একমাত্ৰ সমাধান হ'ল—সভাসমিতি আৰু কথাছবিৰ জৰিয়তে খেতিয়কসকলক অধিক খাদ্য উৎপাদনৰ প্ৰতি মন আকৰ্ষণ কৰাব লাগে আৰু তেওঁলোকক বুজাব লাগে যে তোমালোকে যদি নিজৰ কাৰণে অধিক উৎপাদন নকৰা তেন্তে অন্ততঃ দেশৰ কাৰণে কৰা। ইয়াৰ কাৰণেই চহৰৰ ঠায়ে ঠায়ে প'ষ্টাৰ লগোৱা হৈছিল আৰু খেতিয়কসকলক অন্ততঃ দেশৰ কাৰণে অধিক শস্য উৎপাদনৰ প্ৰতি মন আকৰ্ষণ কৰিব খোজা হৈছিল। বাস্তৱিকতে এই দুয়োটা পদ্ধতিৰে প্ৰভাৱ খেতিয়ক-সকলৰ ওপৰত ভালদৰে পৰিছিলো। অতি অজলা খেতিয়কজনেও অন্ততঃ চিন্তা কৰিছিল যে হওক নহওক ইয়াৰ অন্তৰালত কিবা এক নিহিত তথ্য লুকাই আছে।

শিৱপালগঞ্জত এনে সময়তে এনে ধৰণৰ এখন প'ষ্টাৰৰ যথেষ্ট প্ৰচলন হৈছিল। প'ষ্টাৰখনৰ ছবিত দেখুওৱা হৈছিল—এক হৃষ্টপুষ্ট খেতিয়কে মুখত এমোকোৰা হাঁহিৰে সৈতে ঘেঁহুৰ ঠোক কাটি আছে আৰু তাৰ নিচেই কাষতে এজনী তিৰোতাই তৃপ্তিৰ হাঁহি মাৰি থিয় দি আছে। প'ষ্টাৰখন ইংৰাজী আৰু হিন্দী ভাষাত লিখা যদিও ই সকলোৰে আকৰ্ষণৰ বস্তু হৈ পৰিছিল। উক্ত

দুয়োটা ভাষা নজনা খেতিয়কসকলে ছবিত থকা মতামাইকী হালক খেতিয়ক বুলিয়েই চিনি পাইছিল। এই প'ষ্টাৰখনৰ জৰিয়তে স্থানীয় খেতিয়কসকলৰ পৰা ইয়াকে আশা কৰা হৈছিল যে মতা মানুহটোৰ পিছফালে থিয় দি থকা মাইকীজনীৰ সৌন্দৰ্য্যত মোহ গৈ তেওঁলোকে অধিক পৰিমাণে খেতি কৰিবলৈ অনুপ্ৰেৰণা পাব। শিৱপালগঞ্জত এই প'ষ্টাৰখন এটা চৰ্চ্চাৰ বিষয় হৈ পৰিছিল। কাৰণ তাৰ মানুহৰ দৃষ্টিত প'ষ্টাৰত থকা খেতিয়কজনৰ চেহেৰা বদ্ৰী পালোৱানৰ চেহেৰাৰ লগত প্ৰায় মিলিছিল। কিন্তু মাইকী-মানুজনীৰ চেহেৰাৰ বিষয় লৈ অলপ মতভেদ আছিল। কাৰণ তাইৰ চেহেৰা গাঁৱৰ কোনজনী ছোৱালীৰ লগত মিলে তাক কোনেও সঠিককৈ ঠাৱৰ কৰিব পৰা নাছিল।

শিৱপালগঞ্জত আন সকলোবোৰ বিজ্ঞাপনতকৈ এখন বেছি শক্তিশালী বিজ্ঞাপন আছিল,—আৰু সেইখন হ'ল মেলেৰীয়া ৰোগ নিৰ্ম্মূল কৰাৰ বিজ্ঞাপন। ঠায়ে ঠায়ে ঘৰৰ বেৰত লিখা আছিল, —"মেলেৰীয়াক ধ্বংস কৰিবলৈ আমাক সহায় কৰক,—মহক বিনাশ কৰক।" ইয়াৰ মানুহে ইয়াকে ধৰি লৈছিল যে খেতিয়কসকলে ইয়াত গৰু ম'হৰ নিচিনাকৈ—মহ পালিবলৈও ইচ্ছুক আৰু এই মহবোৰ মাৰিবৰ কাৰণে খেতিয়কসকলক বিজ্ঞাপনৰ দ্বাৰা বুজাব লগা হৈছে। এই বিজ্ঞাপনসমূহ ইংৰাজী ভাষাত লিখাৰ বাবে কোনো লোকে আপত্তি কৰা নাছিল। ইয়াৰ প্ৰকোপত ঘৰৰ বেৰবিলাক ৰং বিৰঙৰ হৈ পৰিছিল আৰু তাৰ প্ৰতি সকলো লোকেই আমোদ পাইছিল।

আন এখন বিজ্ঞাপনত সহজ সৰল ভাৱে প্ৰকাশ পাইছিল,— "আমি ধন সঞ্চয় কৰিব লাগে। এই কথা প্ৰায় বিলাক মানুহেই জানে আৰু ধন সঞ্চয় কৰিব লাগে বুলি তেওঁলোকৰ পূৰ্ব্ব-পুৰুষ-

সকলে মৰাৰ আগতে কৈ গৈছে। ইয়াত মাত্ৰ এইটোৱেই নতুনত্ব আছিল যে সঞ্চয় দেশৰ কাৰণেও প্ৰয়োজন। বিজ্ঞাপনত ঠায়ে ঠায়ে ইঙ্গিত দিয়া হৈছিল যে তুমি নিজৰ কাৰণে ধন সঞ্চয় কৰিব নোৱাৰিলেও দেশৰ কাৰণে সঞ্চয় কৰা। কথাটো অৱশ্যে ঠিকেই আছিল। কাৰণ ডাঙৰ ডাঙৰ সেঠ, মহাজন, উকীল, ডাক্তৰসকলে নিজৰ কাৰণে ধন সঞ্চয় কৰে যেতিয়া সৰু সৰু খেতিয়কসকলে অন্ততঃ দেশৰ কাৰণে সঞ্চয় কৰাত আপত্তি কিহৰ? অৱশ্যে সকলোৰে একে মত যে ধন সঞ্চয় কৰিব লাগে। ধন সঞ্চয় কৰি ক'ত কেনেকৈ জমা থব লাগে—এই বিষয়েও বিজ্ঞাপন আৰু জনসভাত দিয়া বক্তৃতাৰ দ্বাৰা ফটফটীয়াকৈ বুজাই দিয়া হৈছিল। ইয়াত মানুহৰ কোনো আপত্তি নাছিল। কেৱল মানুহবিলাকক ইয়াকেই কোৱা হোৱা নাছিল যে কিছু সঞ্চয় কৰাৰ আগতে তোমালোকে তোমালোকৰ পাৰিশ্ৰমিক কিমান পাব লাগে।

কিন্তু ৰঙ্গনাথক যিখন বিজ্ঞাপনে আকৰ্ষণ কৰিছিল—সেইখন কোনো চৰকাৰী প্ৰতিষ্ঠানৰ বিজ্ঞাপন নাছিল,—সেইখন আছিল কোনো এক বেচৰকাৰী প্ৰতিষ্ঠানৰ বিজ্ঞাপন। সেই বিজ্ঞাপনত খৰ ৰোগৰ উৎপত্তি, ব্যাপকতা আৰু আৰোগ্যৰ বিষয়ে উল্লেখ কৰা আছিল। ইয়াত এটা দৰবৰ কথা কোৱা হৈছিল—যিটো খৰত লগালে খৰ ভাল হৈ যাব। এই দৰবৰ অন্যান্য গুণ হিচাপে ইয়াক খালে কাহ, পানী লগা ভাল হ'ব, মিঠা বস্তুৰ লগত মিহলাই খালে কলেৰা বা হাগনী বেমাৰ ভাল হৈ যাব। এনেকুৱা দৰব পৃথিৱীৰ আন ক'তো পোৱা নাযায়। এই দৰবৰ আৱিষ্কাৰক এতিয়াও জীয়াই আছে। কিন্তু বিলাতবাসীসকলৰ শঠতাৰ কাৰণে তেওঁ নোবেল পুৰস্কাৰ লাভ কৰিব পৰা নাই।

এই দেশত নোবেল পুৰস্কাৰ লাভ কৰিব নোৱাৰা বহুতো ডাঙৰ ডাঙৰ ডাক্তৰ আছে। জাহানাবাদত এজন ডাক্তৰ আছে আৰু তেওঁ বিজুলী শক্তিৰ দ্বাৰাই নপুংসতাৰ চিকিৎসা কৰে। গতিকে এতিয়া এই ৰোগত ভোগাৰ কোনো কাৰণ নাই। ভাৰততে আৰু এজন ডাঙৰ ডাক্তৰ আছে—যিজনে অস্ত্রোপ্রচাৰ নকৰাকৈয়ে অণ্ডকোষ বৃদ্ধিৰ চিকিৎসা কৰে। এইবিলাক কথা শিৱপালগঞ্জৰ যেই কোনো পকী দেৱালত আলকাতৰাৰে লিখি থোৱা দেখিবলৈ পোৱা যায়। এনেদৰে ল'ৰা-ছোৱালীৰ ৰোগ, চকুৰ বেমাৰ, ছালৰ বেমাৰ আদি নানা ৰোগৰ বিজ্ঞাপন দেখা পালেও বিশেষকৈ তিনিটা ৰোগৰ বিজ্ঞাপনৰ প্ৰাধান্যতা বেছি। এই কেইটা ৰোগ হ'ল—খৰ, অণ্ডকোষ বৃদ্ধি আৰু নপুংসতা। এই ৰোগসমূহৰ চিকিৎসাৰ বিষয়ে শিৱপালগঞ্জৰ ল'ৰা-ছোৱালীয়ে অক্ষৰ জ্ঞান লাভ কৰাৰ লগে লগে জানিবলৈ পায়।

ইমানবোৰ বিজ্ঞাপনৰ মাজত বৈদ্য ডাঙৰীয়াৰ বিজ্ঞাপন—“নৱযুৱকলৈ আশাৰ বতৰা”-ই নিজৰ বেলেগ অস্তিত্ব বজাই ৰাখিছিল। এই বিজ্ঞাপন দেৱালত লিখা “নপুংসতাৰ বিজুলী চিকিৎসাৰ নিচিনা অশ্লীল বিজ্ঞাপনৰ সমকক্ষ নাছিল। এই বিজ্ঞাপন সৰু সৰু দোকান আৰু চৰকাৰী দালানৰ কাষত য'ত প্ৰস্ৰাব কৰা আৰু বিজ্ঞাপন লগোৱা মানা কৰি আঁৰি থোৱা টিন পাতৰ ধুনীয়া টুকুৰাৰ ওপৰত ৰঙা আৰু সেউজীয়া চিঞাহীৰ আখৰেৰে লিখা আছিল, আৰু মাত্ৰ ইয়াকেই লিখা আছিল—“নৱযুৱক সকলৈ আশাৰ বতৰা।” বিজ্ঞাপনৰ তলত বৈদ্য ডাঙৰীয়াৰ নাম আৰু ঠিকনা উল্লেখ কৰা আছে।

এদিন ৰঙ্গনাথে দেখিবলৈ পালে ৰোগী চিকিৎসাত এটা নতুন

অধ্যায় আৰম্ভ হৈছে। ৰাতিপুৱাৰ পৰাই কেইটামান মানুহে এখন বেৰত ডাঙৰ ডাঙৰ আখৰেৰে লিখিব ধৰিছে—"অৰ্শ।" ই শিৱ-পালগঞ্জৰ উন্নতিৰ লক্ষণ। 'অৰ্শ' শব্দটোৰ আখৰ কেইটাই যেন সগৌৰৱে কব লাগিছে—পুৰণি যুগটোৰ অৱসান ঘটাই আধুনিকতাৰ প্ৰতীক যেন অৰ্শই সৰ্ব্বব্যাপী নপুংসতাৰ লগত বুজাপৰা কৰিবলৈ আগবাঢ়ি আহিছে। গধূলিলৈকে সেই দৈত্যাকাৰ বিজ্ঞাপনখনে এখন বেৰৰ গাত ৰঙচঙীয়া হৈ আছিল আৰু দূৰলৈকে ঘোষণা কৰিছিল—অৰ্শৰ চমকপ্ৰদ চিকিৎসাৰ মহিমা।

চাওঁতে চাওঁতে চাৰি পাঁচ দিনৰ ভিতৰতে গোটেইখন ঠাই অৰ্শ আৰু আন আন চিকিৎসাৰ বিজ্ঞাপনে ভৰি পৰিল। প্ৰত্যেক ঠাইতে সেইখন বিজ্ঞাপন জিলিকিবলৈ ধৰিলে। সেই একেখন বিজ্ঞাপনকে ৰঙ্গনাথে যেতিয়া এখন দৈনিক কাকতত দেখিবলৈ পালে তেতিয়া তেওঁ বৰ আচৰিত হ'ল। সেইখন বাতৰি কাকত সদায় দিনৰ দহবজাত চহৰৰপৰা শিৱপালগঞ্জলৈ আহিছিল আৰু গাড়ী মটৰে ক'ত কেইটাক খুন্দিয়ালে, আব্বাসী নামৰ গুণ্ডাটোৱে ইৰসাদ্ নামৰ শাক বেপাৰীটোক কেতিয়া ছুৰীৰে আঘাত কৰিসে আদি খবৰ কঢ়িয়াই আনিছিল। ৰঙ্গনাথে দেখিলে, কাগজখনৰ প্ৰথম পৃষ্ঠাৰ এটা বুজন অংশ ক'লাৰঙেৰে ৰঙ-সনা আছে আৰু তাৰ ওপৰত ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছে "অৰ্শ।" বেৰত লিখা আখৰ কেইটাৰ নিচিনাই সেই একে আখৰ। সেই আখৰ কেইটাই 'অৰ্শ'ক এটা নতুন ৰূপ দিছিল আৰু আন বিজ্ঞাপনসমূহক নিস্তেজ কৰি পেলাইছিল। বগা কাগজৰ ওপৰত ক'লা ৰঙৰ পটভূমিত "অৰ্শ শব্দটোৱে দূৰৰপৰাই মানুহক আকৰ্ষণ কৰিছিল। আনকি শনিয়েও,—যাৰ ডাঙৰ ডাঙৰ শব্দ পঢ়াটো কষ্ট হয়,—

কাগজখনত চকু ফুৰাই বহুত পৰৰ মূৰত ৰঙ্গনাথক ক'লে,—"সেই বস্তুটোৱেই হয়।"

ৰঙ্গনাথ খাটিয়া এখনত বহি আছিল। তাৰ ওচৰতে কাগজখনৰ পাত এখিলা পৰি আছিল। সেইদিনাৰ কাগজখনত এনেবিলাক সংবাদ আছিল—আমেৰিকাই মহাকাশলৈ এটা নতুন উপগ্ৰহ নিক্ষেপ কৰিছে, পাকিস্তান ভাৰত সীমান্তত গুলিয়াগুলী চলিছে, ঘেঁহুৰ উৎপাদন কম হোৱা বাবে ৰাজ্যবিলাকৰ প্ৰাপ্যৰ অংশ কম কৰিব লগা হৈছে, সুৰক্ষা সমিতিত দক্ষিণ আফ্ৰিকাৰ সম্পৰ্কে বিবেচনা চলি আছে ইত্যাদি। এই সকলো সংবাদকে চেৰ পেলাই কাগজখনত 'অৰ্শ'ৰ ওপৰত এটা দৈত্যাকাৰ বিজ্ঞাপন জিলিকি আছে।

ডকাইতবিলাকৰ আদেশ আছিল যে কোনো এটা দিনত কোনো এক নিৰ্দিষ্ট ঠাইত ৰামাধীনৰ তৰফৰপৰা বুজন পৰিমাণৰ টকাৰ এটা মোনা থৈ আহিব লাগে। ডকাইতি কৰাৰ এই পদ্ধতি আজিও দেশৰ ঠায়ে ঠায়ে প্ৰচলিত আছে। বাস্তৱতে কিন্তু এই পন্থা হ'ল মধ্যযুগীয়। কাৰণ তেতিয়া টকা পইচা মোহৰ হিচাপেহে ব্যৱহৃত হৈছিল আৰু তাৰ বাবে প্ৰয়োজন হৈছিল থৈলা বা মোনাৰ। কিন্তু আজিকালি টকা 'নোট'ৰ আকাৰত দিব পাৰি আৰু পাঁচ হেজাৰ টকা প্ৰেমপত্ৰ দিয়া দি কোনো লেফাফাতো দি থৈ আহিব পাৰি। প্ৰয়োজন হলে 'চেকে'ও নোটৰ স্থান লব পাৰে। এই কাৰণতে পৰহি ৰাতি অমুক টিলাত পাঁচ হেজাৰ টকাৰ মোনা এটা থৈ যোৱাৰ নিৰ্দ্দেশ আছিল। এই আদেশ পালন কৰাৰ এটা বাস্তৱ অসুবিধাও আছিল। কাৰণ টিলাৰ ওপৰত থৈ অহা টকাৰ খামটো বতাহত উৰি যাবও পাৰে আৰু চেকখনো জাল হ'ব পাৰে। চমুকৈ কবলৈ হলে সাহিত্য, প্ৰকাশন, শিক্ষা আদি

ক্ষেত্ৰৰ দৰে ডকাইতিৰ ক্ষেত্ৰতো মধ্যযুগীয় পদ্ধতিলৈ ৰূপান্তৰিত কৰাটো সুবিধাজনক নাছিল।

যিয়েই নহওক লাগিলে ডকাইতে এনেবিলাক কথা বিবেচনা কৰা নাছিল। কাৰণ ৰামাধীনলৈ চিঠি পঠোৱা ডকাইতটো আচল ডকাইত নাছিল। ইয়াৰ ৰহস্য আন এটাহে আছিল। সেইসময়ত গাঁওসভা আৰু কলেজৰ ৰাজনীতি লৈ ৰামাধীন আৰু বৈদ্য ডাঙৰীয়াৰ মাজত কিছু মতানৈক্য ঘটিছিল। চহৰ হোৱাহেঁতেন তাৰ ৰাজনীতি অধিক উচ্চখাপৰ হ'লহেঁতেন। এনে সময়ত ৰামাধীনৰ বিপক্ষে কোনো এক মহিলাৰ তৰফৰপৰা পুলিচৰ ওচৰত এক চক্ৰান্তমূলক অভিযোগ আহি পৰিল যে সি মহিলাগৰাকীৰ চৰিত্ৰত কলঙ্ক সানিবলৈ চেষ্টা কৰিছে। কিন্তু মহিলা গৰাকীৰ সক্ৰিয় বিৰোধিতাৰ কাৰণেহে ৰামাধীনক একো কৰিব নোৱাৰিলে। সেয়ে ৰামাধীনে নিজৰ সন্মান ৰক্ষা কৰি পুলিচ থানালৈ চিধাই দৌৰি আহিল। কিন্তু এইখন গাঁও য'ত এতিয়াও মহিলাৰ শালীনতা ভঙ্গই ৰাজনীতিৰ যুদ্ধত হাতবোমাৰ মান্যতা লাভ কৰিবপৰা নাই। গতিকে তাত কোনো পুৰণা পদ্ধতি প্ৰয়োগ কৰিবলগা হ'ল। ফলস্বৰূপে ৰামাধীন বাবুৰ ওপৰত ডকাইতিৰ সংকট সৃষ্টি কৰি বৈদ্য ডাঙৰীয়াক অলপদিন টিঘিল ঘিলাবলৈ এৰি দিয়া হৈছিল।

পুলিচ, ৰামাধীন আৰু বৈদ্য ডাঙৰীয়া তিনিওৰে পূৰা বিশ্বাস যে এই চিঠি ভুৱা। এনেধৰণৰ চিঠি বহুবাৰ বহুলোকলৈ আহিছিল। সেই কাৰণেই ৰামাধীন সিমান বিবুদ্ধি হোৱা নাছিল যে ডকাইতৰ নিৰ্দেশমতে সি নিৰ্দিষ্ট ঠাইত আৰু নিৰ্দিষ্ট সময়ত টকাৰ মোনা থৈ আহিবগৈ লাগিব। চিঠিখন ভুৱা নোহোৱাহেঁতেন ৰামাধীনে সম্ভৱতঃ ঘৰতেই টকাখিনি দি অহাৰ সিদ্ধান্তটো বেছি ভাল বুলি

ভাবিলেহেঁতেন। কিন্তু ৰিপোৰ্ট থানালৈ যোৱা কাৰণে পুলিচেও নিজৰ ফালৰপৰা ব্যৱস্থা এটা গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল।

নিৰ্দিষ্ট দিনটোৰ দিনা পাহাৰৰ টিলাৰপৰা গাঁৱলৈকে এই গোটেই অঞ্চলটো পুলিচৰ তত্ত্বাৱধানত দিয়া হ'ল। তাত বহুসংখ্যক পুলিচ মোতায়েন কৰা হৈছিল। টিলাৰ ওপৰত এখন কৃত্ৰিম থানাই আৰম্ভ হ'ল। টিলাৰ ওচৰে পাঁজৰে থকা হাবি-জঙ্গল, খেতি আদি কাটি তহিলং কৰা হ'ল। মাজে সময়ে অঞ্চলটোত ডকাইত্ ডকাইত্ শব্দই মুখৰিত কৰি ৰাখিছিল। ক্ৰমে সন্ধ্যা পাৰ হৈ ৰাতি গভীৰ হৈ আহিল। কিন্তু ডকাইতৰ কোনো সাৰ-সিকতি নাই,—অৰ্থাৎ ডকাইত অহা নাই। মাজে মাজে টিলাৰ ওচৰৰ হাবিৰপৰা অহা দুই এটা জন্তু, চৰাইৰ মাতে ৰাতিটো বেছি গভীৰ কৰি তোলে। কেতিয়াবা দুই এটা বিকট চিঞৰে পুলিচ কেইটাক সচেতন কৰি তোলে। মাজনিশা হৈ আহিল যদিও ডকাইতৰ কোনো শব্দ পোৱা নগ'ল। সেইদিনা ৰাতি ৰামাধীন আৰু ডকাইতৰ মাজৰ মল্লযুদ্ধত হাৰজিত কাৰোৱেই নহ'ল। কাৰণ টিলাৰ ওপৰলৈ টকা নিবলৈ ডকাইতো নাহিল আৰু ৰামাধীনেও টকা দিবলৈ টিলালৈ নাহিল।

থানাৰ সহকাৰী দাৰোগাজনে তেওঁৰ চাকৰী জীৱন আৰম্ভ কৰা আজি অলপদিনহে হৈছে। টিলাৰ ওপৰত ডকাইত ধৰাৰ দায়িত্বটো তেওঁৰ ওপৰতে দিয়া হৈছিল। ডকাইত অহাৰ কোনো আশা নেদেখি তেওঁ চিপাহী কেইটাক লগত লৈ ৰাতি প্ৰায় একমান বজাত টিলাৰ ওপৰৰপৰা তললৈ নামি আহিল। তেতিয়া বেচ গাঢ় আন্ধাৰ আৰু অলপ ঠাণ্ডাও পৰিছিল। তেওঁৰ নগৰবাসিনী গৃহিণীলৈ খুব মনত পৰিছিল। ৰাতিৰ নিস্তব্ধতা দূৰ কৰিবলৈ তেওঁ

মাজে মাজে গুণগুণাই গান গাই আছিল। শেষত প্ৰকাশ্যে ডাঙৰকৈয়ে গাবলৈ ধৰিলে—"হাঁয় মেৰা দিল হাঁয় মেৰা দিল।"

সৰু দাৰোগাৰ আগত আৰু পিছত দুটাকৈ চিপাহী। তেওঁ একান্তমনে গান গাই আহিছে আৰু চিপাহী কেইটাই ভাবিছে, —কোনো কথা নাই, সকলো দুই এদিনতে ঠিক হৈ যাব। পথাৰখন পাৰ হওঁতে নৌহওঁতেই দাৰোগাৰ গানৰ শব্দ অলপ বেছি হৈ গ'ল।

তেওঁলোক আহি ঘাই ৰাস্তাটোৰ ওচৰ পাইছিলহি। এনেতে তাৰ ওচৰৰে এটা গাঁতৰপৰা শব্দ এটা ওলাই আহিল,—"কফিন নে সৰ্ফালা।" দাৰোগাৰ হাতখন হঠাতে ৰিভলভাৰৰ ওপৰত পৰিল। চিপাহী কেইটাই আচৰিত হৈ ৰাইফল ঠিক কৰোঁতে নৌকৰোঁতেই গাঁতটোৰপৰা আকৌ শব্দ ভাহি আহিল—"কফিন নে সৰ্ফালা।"

এটা চিপাহীয়ে দাৰোগাৰ কাণত ফুচফুচাই ক'লে—"গুলিয়াগুলী হ'ব পাৰে। গছৰ আঁৰলৈ আহক, হজুৰ।"

গছ এজোপা তেওঁলোকৰপৰা প্ৰায় পাঁচগজমান দূৰতে আছিল। দাৰোগাই চিপাহী কেইটাক ফুচ্‌ফুচাই কলে,—"তহঁত গছৰ আঁৰলৈ যা। মই চাওঁচোন বাৰু।"

দাৰোগাই অলপ আগবাঢ়ি আহি মাত লগালে,—"গাঁতত 'কোন আছ? যিয়েই নহব, বাহিৰলৈ ওলাই আহ।" হঠাৎ চিনেমা এখনত দেখা দৃশ্য এটালৈ মনত পৰি পুনৰ ক'লে,—"তহঁত চাৰিও-ফালৰপৰা ঘেৰাও হৈ পৰিছ। যদি আধা মিনিটৰ ভিতৰত গাঁতৰ-পৰা ওলাই নাহ তেন্তে গুলী চলোৱা হ'ব।"

অলপ সময়ৰ কাৰণে গাঁতৰপৰা কোনো শব্দ ওলাই নাহিল। অলপ পাছতে আকৌ কেবাটাও আচৰিত ধৰণৰ শব্দ ওলাই

আছিল—“সফ’ৰ-গফ’নে-সফ’লে-গফে’লী-চৰ্ফ’লাৱালী।” আচৰিত ধৰণৰ শব্দকেইটা শুনি দাৰোগা বিমোৰত পৰিল।

প্ৰত্যেক ভাৰতীয় লোকে নিজৰ ঘৰ এৰি বাহিৰলৈ আহি ভাষাৰ অজ্ঞতাত বিবুদ্ধি হৈ পৰে। শব্দকেইটাই দাৰোগাক বিপাঙত পেলালে। তেওঁ বুজিব নোৱাৰিলে—এইটোনো কি ভাষা? আন্দাজতে তেওঁ ধৰি ললে যে শব্দকেইটা গালিৰ বাহিৰে একো হ’ব নোৱাৰে। তেওঁ ৰিভলভাৰটো টানি লৈ আৰু জোৰেৰে ক’লে—“গাঁতৰপৰা সোনকালে ওলাই আহ, নহলে গুলী চলাম।”

কিন্তু গুলী চলাবৰ প্ৰয়োজন নহ’ল। এটা চিপাহীয়ে—গছৰ আঁৰৰপৰা ওলাই আহি ক’লে,—হজুৰ, গুলী নচলাব। ই জগন্নাথ, মদ খাই গাঁতত পৰি আছে।”

চিপাহীবিলাক গাঁতৰ চাৰিওফালে থিয় হৈ ৰ’ল। দাৰোগাই সুধিলে,—“কোন জগন্নাথ?

পুৰণা চিপাহী এটাই বিনয়ভাবে ক’লে,—“ই ৰামনাথৰ পুতেক জগন্নাথ। অকলশৰীয়া মানুহ। মদ বেছিকৈ খায়।”

চিপাহী কেইটাই তাক গাঁতৰপৰা তুলি আনি তাৰ ভৰিৰ ওপৰত থিয় কৰাই দিলে। কিন্তু সি নিজে নিজৰ ভৰিৰ ওপৰত থিয় হ’ব নোখোজে। সি পুনৰ পৰি যাব খোজাত চিপাহী কেইটাই তাক মাজতে ধৰি থিয় কৰি ৰাখিলে। কিন্তু অৱশেষত সি গাঁতটোৰ ওচৰত পুনৰ বহি পৰিল আৰু হুঁচ নোহোৱাকৈ মুখেৰে বিৰবিৰকৈ বকি থাকিল। এই সময়ত চিপাহী এটাই কলে, “সি এতিয়া হুঁচত নাই। গতিকে যিহকে তিহকে বকি গালি পাৰিছে।

দাৰোগাই পাগলটোক মাৰিবলৈ হাত দাঙোতেই চিপাহী এটাই বাধা দি কলে,—“নামাৰিব হজুৰ, বাদ দিয়ক।”

চিপাহীটোৰ কথাত দাৰোগা সন্তুষ্ট হ'ব নোৱাৰিলে। তেওঁ হাত কোঁচাই আনিলে আৰু আদেশৰ সুৰত কলে,—"ইয়াক বান্ধি লোৱা আৰু হাজোতত ভৰাই থোৱাগৈ। ইয়াৰ বিৰুদ্ধে ১০৬ ধাৰাত ফৌজদাৰী গোচৰ দাখিল কৰিব লাগিব।"

আন এটা চিপাহীয়ে ক'লে,—"এইটো নকৰিব হজুৰ! ই ইয়াতে থাকে। ঘৰত চূণ মোকামৰ কাম কৰে। ই বদমাইচ হলেও কাম কৰিহে খায়।"

চিপাহী কেইটাই জগন্নাথক থিয় কৰাব নোৱাৰি ৰাস্তাৰ ফাললৈ চোঁচোৰাই আনিলে। দাৰোগাই ক'লে—"ই বোধহয় বৰ বেছিকৈ খালে, সেয়ে গালৈ হুঁচ অহা নাই। এতিয়া তাক হাজোতলৈ লৈ যোৱা। কাইলৈ চালান কৰি দিব লাগিব।"

"নহয় হজুৰ, মিছাকৈয়ে গণ্ডগোলত পৰাত কি প্ৰয়োজন। এতিয়া ইয়াক গাঁৱলৈ লৈ গৈ ঘৰত থৈ আহিম। ইয়াকনো কেনেকৈ হাজোতত ৰখা যায়। তাতে আকৌ ই বৈশ্য ডাঙৰীয়াৰ মানুহ।"

দাৰোগা কামত নতুনকৈ সোমাইছে। এতিয়া তেওঁ চিপাহী-কেইটাৰ মানৱতাবাদী দৃষ্টিকোণ ভালকৈ বুজি পাইছে। তেওঁ একো নকলে। চিপাহীকেইটাৰ ওচৰৰপৰা অলপ আঁতৰি আহিল।

আঠ

কো-অপাৰেটিভ ইউনিয়নৰ বস্তুৰ উধাও বেচ শৃঙ্খলাবদ্ধ আৰু সহজ সৰলভাৱে হৈছিল। শতেকৰ ঘৰত সদায় হোৱা উধাওৰ তুলনাত এইবোৰৰ বৈশিষ্ট্য আছিল যে এই উধাও কাৰ্য্য নিৰ্ভুল আছিল, বেছি ঘূৰোৱা পকোৱা বিধৰ নাছিল।

কো-অপাৰেটিভ ইউনিয়নৰ এটা শস্যৰ গুদাম আছিল—য'ত ঘেঁহুৰে ভৰি আছিল। এদিনাখন ইউনিয়নৰ চুপাৰভাইজাৰ ৰামস্বৰূপে দুখন ট্ৰাক লগত লৈ গুদাম পালেহি। ট্ৰাকত ঘেঁহুৰ বস্তা বোজাই কৰি লোৱা হ'ল। আঁতৰৰপৰা দেখা মানুহে ধৰি ললে যে এই ধৰণৰ কথা কো-অপাৰেটিভত সদায় হৈ থকা কথা। সেয়া ওচৰৰে আন এটা শস্যৰ গুদামত থবৰ বাবে ৰামস্বৰূপে এখন ট্ৰাকৰ ড্ৰাইভাৰৰ লগতে উঠি ললে। গাড়ী চলিবলৈ ধৰিলে। বাটৰ এটুকুৰা ঠাইত কেঁচা ৰাস্তাইদি সোমাই গলে প্ৰায় পাঁচ মাইলমান আঁতৰত দ্বিতীয়টো গুদাম পোৱা যায়। কিন্তু ট্ৰাকখন সেই ৰাস্তাইদি নুঘূৰি চিধা বাটেৰে আগবাঢ়ি গৈ থাকিল। ইয়াৰ পৰাই উধাও আৰম্ভ হৈ গ'ল। ট্ৰাক গৈ একেবাৰে চহৰৰ গেলা-মালৰ পাইকাৰী বজাৰত ৰ'লগৈ। তাত ঘেহুঁৰ বস্তা নমাই দুইখন ট্ৰাকে উধাওৰ সকলো কথা পাহৰি পিছদিনা ওচৰে পাঁজৰে আন ঠাইত আগৰ দৰেই কয়লা আৰু খৰি বোজাই কামত লাগি

গ'ল। বহুত দিনলৈকে ৰামস্বৰূপৰ কোনো খবৰ পোৱা নগ'ল আৰু মানুহে ধৰি ললে যে যেহুঁ বেছি বেচ কেই হাজাৰমান টকা সংগ্ৰহ কৰি তেওঁ বোম্বাইৰ ফাললৈ যাত্ৰা কৰিলে। এই গোটেই ঘটনাটো স্থানীয় থানালৈ উধাও হোৱা ৰিপোৰ্টৰ ৰূপত আহি গ'ল আৰু আনে কোৱা কথাবাৰ বৈদ্য ডাঙৰীয়াৰ পৰা এডাল কঁাইটৰ দৰে ওলাই পৰিল।

পিছে ইউনিয়নৰ এজন সঞ্চালকে চহৰলৈ গৈ এনে এটা দৃশ্য দেখিলে যাৰ পৰা গম পোৱা গ'ল যে ৰামস্বৰূপে সেই টকাখিনি খৰচৰ বাবে বোম্বাইলৈ নহয় নিজৰ এলেকাকহে প্ৰাধান্য দিছে। সঞ্চালক জনে এনেয়ে চহৰলৈ ফুৰিবলৈ গৈছিল। এই সময়খিনিত আৰু কাৰ্যক্ৰমৰ লগতে তেওঁৰ এক স্থায়ী নিজা কাৰ্যক্ৰমো আছিল। কোনো এখন পাৰ্কত গৈ এজোপা গছৰ তলত পাৰি থোৱা বেঞ্চত বহিবগৈ, চানাছুৰ চোবাব, ৰঙা নীলা ধুনীয়া ফুল আৰু ছোৱালীক মনোযোগেৰে চাব আৰু বয়সত সৰু ল'ৰাৰে মূৰত তেল মালিচ কৰাব। যেতিয়া এই কাৰ্যক্ৰম সমূহৰ শেহৰ স্তৰ পাইছিলগৈ ঠিক তেনে সময়তে এটা ঘটনা ঘটিল। তেওঁ সেই সময়ত এজোপা গছৰ তলৰ বেঞ্চত বহি আছিল। তেওঁৰ চকু আমেজত জাপ গৈ আছিল আৰু তেওঁৰ চুলিৰ মাজৰ পৰা ল'ৰাটোৰ কোমল আঙুলীৰ তিৰ্‌তিৰ্ কৈ শব্দ এটা ওলাই আহিছিল। ল'ৰাটোৱে উল্লাসেৰে তেওঁৰ চুলিৰে সৈতে মূৰটোত তবলাৰ কিছুমান নিৰস বোল উলিয়াইছিল আৰু তেওঁ চকু মুদি অতি দুঃখেৰে ভাবিছিল ল'ৰাটোৱে বোধহয় মালিচৰ পৰ্বটো অতি সোনকালেই শেষ কৰি দিব।

তেওঁ দেখিলে সমুখৰ এজোপা গছৰ তলৰ বেঞ্চত ৰামস্বৰূপ চুপাৰভাইজাৰ দেখোন বহি আছে। তেৰোঁ এটা ল'ৰাৰ দ্বাৰা মূৰত

তেল মালিচ কৰাই আছিল আৰু তিৰ্‌তিৰ্‌ শব্দৰ আনন্দৰ অনুভূতিত নিজকে হেৰুৱাই পেলাইছিল। দুই পক্ষয়ে পৰমহংসৰ ভাৱত নিজ নিজ জগতত বিলীন হৈ গৈছিল। শান্তিপূৰ্ণ সহঅস্তিত্বৰ বাবে সেইটো এটা আদৰ্শমূলক আছিল। গতিকে কোনো এজনেও আনজনৰ চিন্তাত হস্তক্ষেপ নকৰিলে। প্ৰায় পোন্ধৰ মিনিটকাল তেওঁলোকে নিজ নিজ বেঞ্চত ভাল ওচৰ চুবুৰীয়াৰ দৰে ইজনে সিজনক দেখা সত্বেও নেদেখা ভাও জুৰি থাকিল। তাৰ পিছত একোটাকৈ এঙামূৰি দি দুয়োপক্ষই থিয়দঙা দিলে আৰু নিজৰ নিজৰ মালিচ কৰোঁতাক যথোচিত পাৰিশ্ৰমিক দি সিহঁতক আকৌ তাতে লগ পাবৰ বাবে উৎসাহ দি পঞ্চশীল সিদ্ধান্ত অনুসৰি নিজ নিজ ৰাস্তা ধৰিলে।

শিৱপালগঞ্জলৈ উভটি অহাৰ বাটত হঠাৎ সঞ্চালকৰ মনত খেলালে যে মালিচৰ সুখৰ পিছত তেওঁ কো-অপাৰেটিভ আন্দোলনৰ সৈতে বিশ্বাসঘাতকতা কৰিছে। তেওঁৰ মনত পৰিল যে ৰামস্বৰূপ পলাতক আৰু পুলিচে তেওঁক বিচাৰি ফুৰিছে। তেওঁ ৰামস্বৰূপক ধৰাই দিব পৰা হলে বস্তু উধাওৰ মোকৰ্দমা আৰম্ভ হৈ গ'লহেঁতেন। কিজানি তেওঁৰ নামো বাতৰি-কাকতত ছপা হৈ ওলালহেঁতেন। এইবোৰ ভাবিগুণি তেওঁ মনত বৰ দুখ পালে। তেওঁৰ আত্মাইও দোষাৰোপ কৰিলে। গতিকে উভটি আহিয়েই আত্মাৰ সন্তুষ্টিৰ বাবে পোনে পোনেই বৈদ্য ডাঙৰীয়াৰ তালৈ গ'ল। হিংবাষ্টক চূৰণৰ এটা পুৰীয়া উলিয়াই তেওঁ বৈদ্য ডাঙৰীয়াক ক'লে, "আজি পাৰ্কত একেবাৰে ৰামস্বৰূপৰ দৰে এটা মানুহ দেখিছিলোঁ।"

বৈদ্য ডাঙৰীয়াই ক'লে, "হ'ব পাৰে, কোনো কোনো মানুহ দেখাত বহু সময়ত একে হয়।"

সঞ্চালকে ভাবিলে, এইকণ কোৱাৰ বাবেই হ'বপায় আত্মাই দেখোন তেওঁৰ পিছ নেৰা হ'ল। অলপ সময় ইফালে সিফালে চাই, চুচুক-চামাক্কৈ কলে, "মই তেতিয়াই ভাবিছিলোঁ। আন হওক নহওক ই ৰামস্বৰূপ নিশ্চয় হ'ব।"

বৈদ্য ডাঙৰীয়াই এইবাৰ সঞ্চালকৰ ওপৰত চকু থলে। তেওঁ আকৌ কলে, "ৰামস্বৰূপেই হ'ব। মই ভাবিছিলোঁ বোলো এই বদমাচেনো ইয়াত কি কৰিছে? সি মালিচ কৰাই আছিলে।"

"তুমিনো কি কৰিছিলা তাত?"

সঞ্চালকে অন্যমনস্ক ভাৱে ক'লে, "মই ভাগৰত এজোপা গছৰ তলত জিৰণি লৈছিলোঁ।"

বৈদ্য ডাঙৰীয়াই কলে, "সেই সময়তে পুলিচত খবৰ দিব লাগিছিল।"

সঞ্চালকে অলপ ভাবি ক'লে, "মই ভাবিলোঁ বোলোঁ তাক যে দেখা পাইছোঁ ক'ৰবাত কি জানি সি গম পায়েই বা। সেই কাৰণে পুলিচত খবৰ দিয়া নহ'ল।"

বস্তু উধাও কৰা অপৰাধী বোম্বাইত নহয় মাত্র পোন্ধৰ মাইল দূৰত আছে আৰু তেল মালিচ কৰাবলৈ তাৰ মূৰ এতিয়াও কান্ধৰ ওপৰত ঠিকেঠাকে আছে, এই খবৰটোৱে বৈদ্য ডাঙৰীয়াক বেচ চিন্তাত পেলাই দিলে। সঞ্চালক সকলৰ সভা বহুওৱাৰ প্ৰয়োজন হৈ পৰিল। তেওঁ গোটেই কথাটো খালী পেটতে শুনিছিল। তাক ভাং খাই খাই শুনিবৰ বাবে সভাৰ কাল সন্ধিয়ালৈ ৰখা হ'ল।

শনিয়ে এই পৃথিৱীত বৈদ্য ডাঙৰীয়াক একমাত্র মানুহ আৰু স্বৰ্গত হনুমানক একমাত্র দেৱতা বুলি মানিছিল আৰু দুয়োৰে প্ৰতি বেলেগ বেলেগ অনুকম্পা আছিল। হনুমানে চুটীকৈ ধুতি

পিন্ধে আৰু শনিয়ে আন্দাৰওৱেৰটোৰেই কাম চলায়। বাহিৰলৈ কেতিয়াবা সাজি কাচি ফুৰিবলৈ যাবলগীয়া হলেহে গাত বনিয়নটো সুমুৱাই লয়।

সেয়া বাৰু গ'ল হনুমানৰ প্ৰভাৱ; কিন্তু, বৈদ্য ডাঙৰীয়াৰ প্ৰভাৱত বাটেদি যোৱা যি কোনো বাটৰুৱাকে সি কুকুৰৰ দৰে ভুকিব পাৰে। বৈদ্য ডাঙৰীয়াৰ নিজৰ ঘৰত কুকুৰ থকা হলেও কিজানি তাৰ আগত পৰা হলে নেজ পেলাই দিলেহেঁতেন। কিন্তু কথা হ'ল বৈদ্য ডাঙৰীয়াৰ ঘৰত কুকুৰ নাই আৰু শনিৰ নেজ নাই।

তাৰ চহৰৰ সকলো বস্তুকে আৰু ৰঙ্গনাথকো সি ভাল পাইছিল। যেতিয়া ৰঙ্গনাথ ড্ৰৱাৰদলীৰ ওচৰত থাকে শনিকো তেতিয়া আশেপাশে দেখা পোৱা যায়। আজিও সেইটোৱেই হ'ল। বৈদ্য ডাঙৰীয়া কো-অপাৰেটিভ ইউনিয়নৰ সভালৈ গৈছিল। ঘৰত মাত্ৰ ৰঙ্গনাথ আৰু শনি আছিল। বেলি চকাপাটত উঠিছিল আৰু জাৰৰ দিনৰ আবেলিটোত সকলোৰে ঘৰৰপৰা ওলোৱা চৌকাৰ ধোঁৱা আকাশত দেখা গৈছিল।

আলিবাটত কোনোবাই খট্‌খট্ শব্দ কৰি আহি আছিল। যি কোনো শাৰীৰিক বিকাৰৰ বাবে আমাৰ ভাৰতীয় মানুহৰ মনত যি সাত্ত্বিক ঘৃণা ওপজে, তাক বাহিৰলৈ থুই পেলোৱাৰ দৰে পেলাই শনিয়ে কলে, "চালা লঙ্গৰ বেটা গৈছে।" কৈয়েই সি এফেটা জাপতে আহি বাহিৰৰ বাৰান্দা পালেহি আৰু তাত ভেকুলী বহাদি বহি পৰিল।

ৰঙ্গনাথে ৰিঙিয়াই মাতিলে, "লঙ্গৰ নেকি অ'?"

সি অলপ আগুৱাই গৈছিলগৈ। মাত শুনি য'তে আছিল ত'তেই ৰৈ গ'ল আৰু পিছলৈ ঘূৰি চাই কলে, "হয় বাপু, লঙ্গৰেই।

"নকল পালানে নাই" ?

"নকলতো নাপালোঁ, কিন্তু আজি নোটিছ বোৰ্ডত আপত্তি ছপা হৈছে।" লঙ্গৰে উত্তৰ দিলে।

"কি হ'ল! আকৌ ফীজ কম হ'ল নেকি ?"

"ফীজ নহয় বাপু।" সি নিজৰ কথাখিনি সকলোৱে শুনি পাবলৈ ডাঙৰ ডাঙৰকৈ কলে, "এইবাৰ মোকৰ্দ্দমাৰ ঠিকনাত কিবা ভুল আছে। প্ৰাৰ্থীৰ চহী ভুল শিতানত দিয়া হৈছে, তাৰিখৰ দুটা সংখ্যা লগ লাগি গ'ল। এটুকুৰা ঠাইত কটা আছে, কিন্তু তাত চহী নাই। বহুতো ভুল পাইছে।"

ৰঙ্গনাথে কলে, "সেইবোৰ অফিচৰ কাৰসাজি; কতধৰণৰ যে ভুল মুলিয়ায়।"

যেনেকৈ গান্ধীজীয়ে প্ৰাৰ্থনা সভাত কৈছিল আমি ইংৰাজক ঘিণ কৰিব নালাগে। সেই একেটা সুৰতে লঙ্গৰে সুৰ লগাই ক'লে, "নহয় বাপু, অফিচত কামকৰা মানুহে ঠিকেই কাম কৰে। যত গণ্ডগোল চব সেই নকল বনোৱা মানুহটোৱে কৰিছে। বিদ্যা লোপহৈ আহিছে নহয়। নতুনকৈ অহা নকল বনোৱা মানুহটোৱে ভুলে-ভ্ৰান্তিয়ে লিখি দিয়ে।"

ৰঙ্গনাথে মানি ললে যে সঁচাকৈয়ে বিদ্যা লোপ পাই আহিছে, কিন্তু লঙ্গৰে দিয়া মন্তব্যৰ লগত একমত হ'ব নোৱাৰিলে। তেওঁ কিবা এটা কবলৈ মুখ মেলোঁতেই লঙ্গৰে জোৰেৰে কলে, "কোনো কথা নাই, কাইলৈ দৰখাস্ত ঠিক হৈ যাব।"

আকৌ একে ধৰণেই খট্খট্ শব্দ কৰি সি গুচি গ'ল। শনিয়ে কলে, "জানো ক'ৰ ক'ৰ পৰা আহি দেশৰ মূৰ্খবোৰ শিৱপালগঞ্জত গোট খাইছেহি।"

ৰঙ্গনাথে তাক বুজালে, "আটাইবোৰ ঠাই একেই। দিল্লীতো সেই একেই দশা।"

তেওঁ শনিক দিল্লীৰ সাধু শুনাবলৈ ধৰিলে। যেনেকৈ ভাৰতীয়ৰ বুদ্ধিয়ে ইংৰাজীৰ খিৰিকিৰে জুপি চাই পৃথিৱীৰ খবৰ লয়, তেনেকৈ শনিৰ বুদ্ধিয়েও ৰঙ্গনাথৰ খিৰিকিৰে ভুমুকিয়াই দিল্লীৰ খবৰ লবলৈ ধৰিলে। দুয়োৰে অলপ সময় তাতেই লাগি থাকিল।

আন্ধাৰ নামি আহিছিল লাহে লাহে, কিন্তু এনে অৱস্থা হোৱা নাছিল যে চকুৰ আগত মানুহেই নে পশুৱেই থিয় দি আছে তাক ধৰিব নোৱৰা। বৈদ্য ডাঙৰীয়াৰ সভাঘৰৰ সোঁমাজতে এটা লেম্প আঁৰি দিয়া হ'ল। সন্মুখৰ ৰাস্তাৰে তিনিটা ডেকা ল'ৰাই জোৰেৰে চিঞৰি কথা পাতি, হাঁহি হাঁহি পাৰ হৈ গৈছিল। সিহঁতৰ কথা-বাৰ্ত্তাত ছুপৰীয়া, ফটুৱা, তাচ আৰু পইচাৰ বিষয়ে কথা এনেধৰণৰে ব্যৱহাৰ হৈছিল যে যি ভাষাত প্লেনিং কমিচনৰ কৰ্ম্মচাৰীৰ ইভেল্যুচন, কো-অৰ্ডিনেচন, দি বেটেলিং, বা সাহিত্যবিদৰ ভাষাত পৰিপ্ৰেক্ষ, আয়ম, যুগবোধ, সন্দৰ্ভ আদি কব পাৰি। কিবাকিবি কৈ কৈ সেই ডেকা তিনিটাই সভাঘৰৰ আগতে থিয় দিলেগৈ। শনিয়ে ক'লে, "বদ্ৰীভায়ে এই জন্তু কেইটাক কুস্তি কৰিবলৈ শিকায়। ধৰি লোৱা ডকাইতৰ হাতেতে বন্দুক তুলি দিয়া হৈছে। গতিকেই সিহঁতৰ প্ৰকোপত আলিয়েদি মানুহ যাব নোৱৰা হৈছে। অৱস্থা এনে হৈছেগৈ যে, গাঁও এৰিবগৈ লাগিবনেকি।"

সেই ডেকা তিনিটাৰ এটাই আহি দুৱাৰ মুখতে থিয় দিলেহি। সি শুদা গাৰে আছিল। তাৰ বুকুত আখৰা কৰাৰ মাটি তেতিয়াও লাগি আছিল। লেঙুটিৰ এটা ফাল কঁকালৰপৰা ভৰিলৈকে হাতীৰ শুৰৰদৰে ওলমি আছিল। সেই সময়ত শিৱপালগঞ্জত

লেঙুটি মাৰি ঘূৰি ফুৰাতো এটা দস্তুৰৰ নিচিনাই হৈ পৰিছিল। শনিয়েই মাত লগালে, "সৰু পালোৱান, কিনো কথা?"

পালোৱানে শৰীৰৰ মাংসপেশীবোৰ কটকটীয়া কৰি ফুলাই কলে, "বদ্ৰীদাদা আজি আখৰালৈ নাহিল কিয়? ক'তনো লাগি ধৰিলে?"

"লাগি ধৰা নাই, ওচৰতে ক'ৰবাত আছে হ'বপায়।"

"ক'ত থাকিব পাৰে বাৰু?"

"ইউনিয়নৰ চুপাৰভাইজাৰে ঘেহুঁৰ বস্তালৈ উধাও হ'ল। সেই বাবেই ইউনিয়নৰ মিটিং বহিছে। বদ্ৰীও তালৈকে গৈছে হব'পায়।"

তেনেকুৱাতে সভাঘৰৰ ওচৰতে মানুহে কথাবতৰা পতা শুনা গ'ল। বাহিৰৰ বাৰান্দাত খদ্দৰৰ ধুতি, পাঞ্জাবী, টুপী আৰু চেলেং কাপোৰ এখনেৰে বৈদ্য ডাঙৰীয়াৰ ভব্যমূৰ্ত্তি উপস্থিত হ'লহি। তেওঁৰ পিছে পিছে কেইবাজনো শিষ্য-প্ৰশিষ্য। আটাইতকৈ শেহত বদ্ৰী পালোৱান। মুখখন বৰ কুৎচিৎ আৰু আপচু দেখা গৈছিল। তেওঁক দেখিয়েই সৰু পালোৱানে মাত লগালে, "ওস্তাদ এটা বৰ ডাঙৰ কথা আছে। তাকে কবলৈ বহুত সময়ৰপৰা ইয়াত বৈ আছোঁ।"

"বৈ বৈ তই কিবা গলি গৈছ নে? ক কি কথা? এইদৰে কৈ বদ্ৰী পালোৱানে সৰু পালোৱানক স্বাগত জনালে। গুৰু-শিষ্য দুয়ো কথা পাতিবৰ বাবে বাহিৰৰ বাৰান্দাৰ আনটো ফাললৈ গুচি গ'ল।

বৈদ্য ডাঙৰীয়াই লগত চাৰি পাঁচজনমান মানুহ লৈ ভিতৰ সোমাই আহিল। এজনে মহা আয়মেৰে এটা দীঘল উশাহ টানিলে; পিছে শেষলৈ সেইটো এটা উচুপনি যেনহে শুনা গ'ল। দ্বিতীয়জনে তক্তাত বহিলৈ এনেধৰণে হামিয়ালে যে প্ৰথমতে

সেইটো এটা হাঁহি আছিল, কিন্তু পিছলৈ এটা সুহুৰিত পৰিণত হ'লগৈ। বৈদ্য ডাঙৰীয়াইও গাৰুৰ সহায়ত বহি নিজৰ টুপী আৰু পাঞ্জাবীটো খুলি তক্তাৰ সিফাললৈ দলিয়াই দিলে। এই বোৰৰ-পৰা এইটোৱেই বুজা গ'ল যে সকলোৱে এটা ডাঙৰ কাম কৰি অহাৰ পিছত ভাগৰ পলুৱাবৰ ব্যৱস্থা কৰিছে। তেনেতে শনিয়ে মাত লগালে, "মহাৰাজ, বৰ বেছিকৈ ভাগৰ লাগিছে যদি এবাৰ আকৌ হৈ যাওক নেকি?"

বৈদ্য ডাঙৰীয়াই একো নকলে। ইউনিয়নৰ এজন ডাইৰেক্টৰে মাত লগালে, "দ্বিতীয়বাৰ তাতেই ইউনিয়নতে ধৰা হৈ গৈছে। বৰ সুন্দৰ বস্তু। গাখীৰতে সিজোৱা। এতিয়া ঘৰাঘৰিহে যাব লাগে আৰু।"

বৈদ্য ডাঙৰীয়াই অলপ সময় টলকা মাৰি থাকি আনৰ কথা শুনিবলৈ ধৰিলে। এই অভ্যাসটো তেওঁ তেতিয়াৰ পৰাই কৰিছিল —যেতিয়াৰপৰা তেওঁৰ বিশ্বাস হৈ গৈছিল যে যি নিজে কম খায়, আনক বেছি খুৱায়, কম কথা কয়, আনক বেছি কথা কবলৈ দিয়ে তেৱেঁই নিজে কম মূৰ্খ হয় আৰু আনক বেছি মূৰ্খ বনায়। হঠাতে তেওঁ সুধিলে, "বাৰু ৰঙ্গনাথ, তুমি কি বোলা?"

যেনেকৈ কোনো কথাৰ পাতনি নেমেলাকৈ বৈদ্য ডাঙৰীয়াই মতামত বিচাৰিলে, ঠিক একেধৰণেই একো নুবুজাকৈয়ে ৰঙ্গনাথে টপৰাই মাত লগালে, "যি হয়, সকলো ভালৰ বাবেই হয়।"

বৈদ্য ডাঙৰীয়াই মোছখিনি অলপ বেঁকা কৰি হাঁহিলে। তেওঁ কলে, "তুমি উচিত কথাকেই কৈছা।" বদ্রী প্ৰস্তাৱৰ বিৰুদ্ধে আছিল, পিছলৈ মনে মনে থাকিলগৈ আৰু। প্ৰস্তাৱ এক মতত গৃহীত হ'ল। "যি হয় সকলো ভালৰ বাবেই হয়।"

ৰঙ্গনাথে এতিয়াহে সম্বিৎ ঘূৰাই পালে যে একো নজনাকৈয়ে নিজৰ মতামত দি পেলালে। সি কৌতূহলেৰে সুধিলে, “আপোনা-লোকে কি প্ৰস্তাৱ কৰিছিল?”

“আমি এইটোৱেই প্ৰস্তাৱ কৰিছিলোঁ যে চুপাৰভাইজাৰে আমাৰ যি আঠ হেজাৰ টকা আত্মসাৎ কৰিলে, চৰকাৰে তাৰ ক্ষতিপূৰণৰ বাবে অনুদান দিয়া উচিত।” ৰঙ্গনাথে কলে, “চৰকাৰৰ লগত কিহৰ সম্পৰ্ক? টকা লৈ আপোনাৰ ইউনিয়নৰ চুপাৰভাইজাৰ উধাও হৈছে আৰু তাৰ ক্ষতিপূৰণ চৰকাৰে দিব?”

“নহলে কোনে দিব? চুপাৰভাইজাৰ চম্পং দিছে। আমি পুলিচক খবৰ দিছোঁ। বাকীখিনি চৰকাৰৰ দায়িত্ব। আমাৰ হাতত একো নাই। থকা চুপাৰভাইজাৰক ধৰি আনি তাৰপৰা ঘেঁহুৰ মূল্য উলিয়াই ললোহেঁতেন। এতিয়া যি কৰিবলগীয়া আছে, সকলো চৰকাৰে কৰিব। নহলে চৰকাৰে চুপাৰভাইজাৰক ধৰি আনি আমাৰ আগত হাজিৰ কৰকহি বা আন কিবা কৰক। যিয়েই নহওক, চৰকাৰে যদি বিচাৰে আমাৰ ইউনিয়ন জীয়াই থাকক আৰু তাৰ দ্বাৰা ৰাইজৰ কল্যাণ হৈ থাকক, তেনেহলে চৰকাৰে সেই ক্ষতিপূৰণ ভৰিবই লাগিব। নহলে এই ইউনিয়ন ভাগি যাব। আমি আমাৰ কাম কৰিলোঁ। বাকীখিনি চৰকাৰৰ। ইয়াৰ অকৰ্ম্মণ্যতাৰ বিষয়েও আমি জানো।”

বৈদ্য ডাঙৰীয়াই ইমান তৰ্কসঙ্গত কথা কৈ আছিল যে ৰঙ্গনাথৰ সেই কথা শুনি মূৰ ঘূৰাই গ’ল। তেওঁ শাসনৰ অকৰ্ম্মণ্যতা, ৰাইজৰ কল্যাণ, দায়িত্বহীন আদি শব্দ বিলাক নিজৰ কথাৰ মাজলৈ টানি আনিছিল। ৰঙ্গনাথৰ বিশ্বাস গভীৰ হৈ গ’ল যে নতুন যুগৰ মানুহে যেনেকৈ ৰাজনীতিৰ ভাষা বুজি পায়, সেইদৰে

তেওঁৰ মোমায়েক পুৰণি দিনৰ মানুহ হৈয়ো তেনে ভাষাতে কথা কব জানে।

বদ্ৰী পালোৱানে সৰু পালোৱানৰ লগত কথা পাতি ইতিমধ্যে ঘূৰি আহি পাইছিলহি। সি ক'লে,—"ৰামাধীনৰ ঘৰত ডকাইতি নহ'ল। কিন্তু অ'ত ত'ত চুৰিতাৰি হোৱাৰ খবৰ পোৱা গৈছে।"

সি দেউতাকৰ আগত সদায় সমীহ কৰি কথা কয়। এই কথাষাৰো ঠিক তেনেকৈয়ে ক'লে, যেনিবা সৰু পালোৱান আৰু তাৰ মাজত হোৱা কথা বতৰাৰ ধৰণো তেনেকুৱা আৰু সেইটো দেখুৱাতোয়েই তাৰ কৰ্ত্তব্য আছিল।

বৈদ্য ডাঙৰীয়াই ক'লে,—"এৰা চুৰি ডকাইতি সকলোপিনেই হোৱাৰ কথা শুনা গৈছে। দেশ ৰসাতললৈ গৈছে।"

বদ্ৰীয়ে বাপেকৰ কথা নুশুনাৰ ভাও জুৰি এজন স্বাস্থ্য পৰিদৰ্শকে গ্ৰহণী বেমাৰৰপৰা ৰক্ষা পাবলৈ ৰাইজক উপদেশ দিয়াৰ দৰে ক'লে—"গোটেই গাৱঁতে চুৰি তাৰি হোৱাৰ কথা শুনিছোঁ যেতিয়া আমি জাগি শোৱা উচিত।"

তাৰ পিছত সি বাহিৰৰ মুকলি বাৰান্দালৈ গৈ আন্ধাৰে মুধাৰে সৰু পালোৱানৰ ওচৰত থিয় দিলেগৈ।

ন

দেশৰ নতুন নাগৰিকক মহান আদৰ্শৰ প্ৰতি প্ৰেৰণা দিবলৈ আৰু সুশিক্ষা দি ৰাষ্ট্ৰৰ উন্নতি সাধনৰ উদ্দেশ্যে ছঞামল ইণ্টাৰ কলেজ বিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল। কলেজৰ সংবিধান আৰু নিয়মাৱলীখনত কলেজ পৰিচালনাত মৌলিক অধিকাৰ দিয়া হৈছিল। ইয়াৰ উদ্দেশ্য প্ৰায় ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰৰ অধ্যায়ত উল্লেখ কৰা উদ্দেশ্যৰ লগত প্ৰায় মিল আছিল।

কলেজখনৰ স্থাপনা ৰাষ্ট্ৰৰ হিতৰ বাবে হৈছিল কাৰণেই তাত আন একো নাথাকিলেও গোষ্ঠী সমষ্টি যথেষ্ট আছিল। ই দুই তিনি বছৰৰ ভিতৰতে ওচৰৰ আন আন কলেজৰ গোষ্ঠী সমষ্টিতকৈ যথেষ্ট বিকশিত হৈছিল। কোনো কোনো ক্ষেত্ৰত ই সৰ্ব্বভাৰতীয় প্ৰতিষ্ঠান পৰ্য্যন্তৰ লগত ফেৰ মাৰিব পাৰিছিল।

কলেজৰ প্ৰবন্ধ সমিতিত বৈদ্য ডাঙৰীয়াৰ প্ৰভুত্ব সিমান নাছিল। তথাপিতো ৰামাধীন ভীমখেৰৰীয়ে তাত নিজৰ গোষ্ঠী বনোৱাৰ বাবে যথেষ্ট চেষ্টা কৰিব লগা হৈছিল। এতিয়া বহুত চেষ্টাৰ ফলত কলেজৰ চাকৰিয়াল সকলৰ মাজত দুটা গোষ্ঠীৰ উদ্ভৱ হ'ল। তথাপিও কলেজৰ বহুত উন্নয়নমূলক কাম কৰিবলৈ বাকী আছিল। প্ৰিন্সিপাল চাহাব বৈদ্য ডাঙৰীয়াৰ ওচৰত সম্পূৰ্ণৰূপে আশ্ৰিত আছিল। কিন্তু খান্না মাষ্টৰ এতিয়াও ৰামাধীনৰ গোষ্ঠীত

সম্পূৰ্ণৰূপে আশ্ৰিত হোৱা নাছিল। সন্তোষৰ কথা যে কলেজৰ ছাত্ৰসকলৰ মাজত দুটা বা অধিক গোষ্ঠীৰ আকাৰত সমষ্টিৰ সৃষ্টি হোৱা নাছিল।

অৱশ্যে স্বীকাৰ কৰি লব লাগিব যে কলেজত বৈদ্য ডাঙৰীয়াৰ গোষ্ঠীৰ প্ৰভাৱ কোনো ৰকমেই উলাই কৰিব নোৱাৰি। তথাপি দুয়োটা গোষ্ঠীৰ মাজত প্ৰকাশ্যে কাজিয়া নহলেও পৰোক্ষভাবে দুয়ো গোষ্ঠীৰ মাজত ক্ষমতা লৈ সদায় শীতল যুদ্ধ চলি থাকে। গোষ্ঠী দুটাৰ মাজত কেতিয়াবা ক্ষমতাৰ মাপ-কাঠি লৈ কাজিয়া লাগে আৰু সেই সুযোগতে দুয়ো গৰাকী মূৰব্বীৰ মাজত ব্যক্তিগত আক্ৰোশে ঠাই লয়। সময় আৰু সুবিধা বুজি ইজনে সিজনক বিপদত পেলাবলৈ অলপো কুণ্ঠিত নহয়। কেতিয়াবা কাজিয়াৰ পৰিৱেশ ইমান ডাঙৰ হয় যে ই তেতিয়া কলেজৰ চাৰিবেৰ পাৰ হৈ বাহিৰা সমাজত প্ৰৱেশ কৰে আৰু ই ৰাজহুৱা সমাজৰ বিষয় হৈ পৰে। কেতিয়াবা কলেজৰ বিষয় গৈ বাতৰি কাকতত সমালোচনাৰ বিষয় বস্তু হৈ পৰেগৈ।

কলেজত সৃষ্টি হোৱা শীতল যুদ্ধই জনসাধাৰণৰ মনত আমোদ দিছিল। কাৰণ তেওঁলোকে ভাবিছিল কিবা এটা হৈ থকা উচিত। কিয়নো ইয়াত কোনো চিনেমা ঘৰ নাই, হোটেল নাই, কফিহাউচ নাই, মাৰ-পিট, চুৰি ডকাইতি, ৰাস্তাৰ দুৰ্ঘটনা, নতুন নতুন ফেচনৰ লাহতী ছোৱালী, প্ৰদৰ্শনী, গালিগালাজ হোৱা সাৰ্বজনিক ৰাজহুৱা সভা আদি একোকে নাই। মানুহ কলৈ যাব? কি চাব? কি শুনিব? গতিকে কিবা এটা হৈ থকা উচিত।

চাৰিদিনমান হ'ল কলেজত এখন প্ৰেমপত্ৰ ধৰা পৰিছে। এটা

ল'ৰাই ছোৱালী এজনলৈ দিছিল। কলেজৰ ফালৰপৰা ল'ৰাটোৰ ওপৰত উত্তম শাস্তি গ্ৰহণ কৰি তাক কলেজৰপৰা বাহিৰ কৰি দিয়া হ'ল। ল'ৰাটোৰ বাপেকে কলেজ কৰ্তৃপক্ষক অনেক কোৱা-মেলাৰ পাছত তেওঁৰপৰা এখন প্ৰতিশ্ৰুতি লোৱা হ'ল যে ল'ৰাটোৱে যেন আকৌ এনে কাম নকৰে আৰু কলেজৰ নতুন ঘৰটো সাজিবৰ বাবে পঁচিছ হেজাৰ ইটা দিব লাগব। এই প্ৰতিশ্ৰুতি অনুসৰি ল'ৰাটোক কলেজত পুনৰ ভৰ্ত্তি কৰা হ'ল।

আন এটা ঘটনা—এদিন কলেজৰে ল'ৰা এটাৰ হাতত দেশীয় পুৰণা বন্দুক এটা পোৱা গ'ল। বন্দুকটোত কাৰ্টিজ নাছিল আৰু ইয়াৰ কাৰুকাৰ্য্য দেখিলে দেশীয় কুমাৰৰ চকুত পানী ওলাব। এই বিষয়ে কেনেবাকৈ পুলিচলৈ খবৰ গ'ল। কলেজলৈ পুলিচ আহিল আৰু বন্দুকটোসহ ল'ৰাটোক আৰু কলেজৰ কেৰাণীজনক থানালৈ লৈ যোৱা হ'ল। কেৰাণীজন বৈদ্য ডাঙৰীয়াৰ গোষ্ঠীৰ মানুহ আছিল। মানুহে ভাবিছিল এইবাৰ নিশ্চয় কিবা এটা হ'ব আৰু ই কেবাদিনলৈ চলি থাকিব। কিন্তু গধূলিলৈ গম পোৱা গ'ল যে সেইটো বন্দুক নাছিল, মাত্ৰ লোহাৰ টুকুৰা এটাহে আছিল; কেৰাণীজনক পুলিচে থানালৈ নিয়া নাছিল—তেওঁ নিজৰ মনটোক সান্ত্বনা দিবৰ কাৰণে নিজেই থানালৈ গৈছিল আৰু ল'ৰাটোৱেও একো দোষণীয় কাম কৰা নাই। গধূলি যেতিয়া মানুহে ল'ৰাটোক আৰু কেৰাণীজনক ঘূৰি অহা দেখিলে তেতিয়া তেওঁলোকৰ মন মৰি গ'ল। তেওঁলোকে ভাবিলে—এইবাৰো একো নহ'ল আৰু তেওঁলোকৰ মনত একেটা প্ৰশ্নই জাগি উঠিল—এতিয়া কি হ'ব?

এনেকুৱা অৱস্থাত মানুহৰ দৃষ্টি প্ৰিন্সিপাল আৰু বৈদ্য ডাঙৰীয়াৰ ওপৰত পৰিছিল। কিন্তু এওঁলোক দুজনে এই ঘটনাৰ লগত

কোনো সংস্পৰ্শ থকা নেদেখুৱাই নিজৰ নিজৰ কামত ব্যস্ত থাকিল। এওঁলোকৰ নিৰ্লিপ্ততাই মানুহৰ মনত নিৰাশাৰ ছাঁ পেলালে।

এদিন খান্না মাষ্টৰক কোনোবাই ক'লে যে প্ৰত্যেক কলেজতে এজন প্ৰিন্সিপাল আৰু এজন ভাইস্-প্ৰিন্সিপাল থাকে। ছঞ্চামল কলেজত ইয়াৰ ব্যতিক্ৰম কিয়? খান্নাই ইতিহাস পঢ়াইছিল আৰু তেওঁ কলেজৰ আটাইতকৈ পুৰণা শিক্ষক। গতিকে তেওঁ ভাইস্ প্ৰিন্সিপালৰ কামটো পোৱাৰ যোগ্য। এই সন্দৰ্ভতে তেওঁ এদিন বৈদ্য ডাঙৰীয়াৰ ওচৰলৈ গৈ কৈ আহিল যে তেওঁক কলেজৰ ভাইস্-প্ৰিন্সিপালৰ কামটো দিব লাগে। বৈদ্য ডাঙৰীয়াই কিছুসময় চিন্তা কৰি ক'লে—"ই এটা নতুন চিন্তাধাৰা। নতুন পুৰুষে ন' ন' চিন্তা কৰি থাকিব লাগে। তেওঁলোকৰ প্ৰত্যেকটো চিন্তাধাৰাকে মই স্বাগত জনাওঁ। কিন্তু এই প্ৰশ্নটো প্ৰবন্ধ কমিটিৰ বিচাৰৰ বিষয়। যদি এই প্ৰশ্নটো প্ৰবন্ধ কমিটিৰ অহা বৈঠকত উত্থাপন কৰা হয় তেতিয়াহ'লে ইয়াক সমুচিত বিচাৰ কৰা হ'ব।

খান্না মাষ্টৰে এইটো ভবা নাছিল যে প্ৰবন্ধ কমিটিৰ অহা বৈঠক আৰু কেতিয়াও নবহে। তেওঁ তৎক্ষণাৎ ভাইস্-প্ৰিন্সিপালৰ পদটোৰ বাবে প্ৰাৰ্থী হৈ এখন আবেদন লিখিলে আৰু প্ৰিন্সিপালৰ হাতত দি ক'লে আবেদনখন যেন প্ৰবন্ধ কমিটিৰ অহা বৈঠকত দাখিল কৰা হয়।

প্ৰিন্সিপালে খান্না মাষ্টৰৰ এই সিদ্ধান্তত বিবুদ্ধি হ'ল। তেওঁ এবাৰ বৈদ্য ডাঙৰীয়াৰ ওচৰলৈ গৈ সুধিলে,—"খান্না মাষ্টৰক দৰখাস্তখন দিবলৈ আপুনি উপদেশ দিছিলনেকি?"

ইয়াৰ উত্তৰ বৈদ্য ডাঙৰীয়াই কোনো চিন্তা নকৰাকৈ তিনিটা শব্দত দিলে—"এইয়া নতুন পুৰুষ।"

ইয়াৰ পাছত কিছুদিনলৈকে প্ৰিন্সিপালে শিৱপালগঞ্জৰ ৰাস্তাত যেতিয়াই যাকে লগ পায় তাকে কৈ ফুৰিবলৈ ধৰিলে যে আজি-কালিৰ মানুহবোৰ যে কি হৈ গ'ল। খান্না মাষ্টৰৰ এই কাৰ্য্যৰ বৰ্ণনা তেওঁ "মুখত ৰাম নাম কাষলতিৰ তলত ছুৰী", "মোৰেই পোহনীয়া কুকুৰে মোকেই ভুকুভুকায়", "পিঠিত ছুৰী মৰা", "ভেকুলীৰ পিঠিত নোমগজা" আদি ফকৰা যোজনাৰে ইঙ্গিত দিছিল। প্ৰিন্সিপালৰ ভয় হ'ল—আজি যি ভাইস্ প্ৰিন্সিপাল হ'ব খুজিছে সি কাইলৈ প্ৰিন্সিপাল হ'বলৈ বিচাৰিব। ইয়াৰ বাবে সি প্ৰবন্ধ কমিটিৰ সদস্যসকলক নিজৰ ফলীয়া কৰিবলৈ চেষ্টা কৰিব। মাষ্টৰবিলাকৰ গোষ্ঠী বনাব। ল'ৰাবিলাকক মাৰপিট কৰিবলৈ উচটাব। ওপৰৱালালৈ তেওঁৰ বিপক্ষে অভিযোগ পঠাব।

"সজাই পৰাই কোৱা কথাৰপৰা
সত্য লুকাই নাথাকে,
কাগজৰ ফুলৰপৰা
সুগন্ধ আহিব নোৱাৰে।"

এই কবিতাফাকি শিৰোনাম কৰি যিখন চিঠি ৰামাধীনে বৈদ্য ডাঙৰীয়ালৈ লিখিছিল তাৰ তাৎপৰ্য্য এয়ে আছিল যে যোৱা তিনিবছৰ ধৰি নবহাকৈ থকা প্ৰবন্ধ কমিটিৰ বৈঠক অহা দহদিনৰ ভিতৰত আহ্বান কৰিব লাগে আৰু কলেজ স্থাপন হোৱা দিন ধৰি কোনো বৈঠক নোহোৱাকৈ থকা কলেজৰ সাধাৰণ সমিতিৰ বছেৰেকীয়া অধিবেশন পাতি তাত কলেজৰ ভাইস্-প্ৰিন্সিপালৰ পদত প্ৰাৰ্থী নিয়োগ কৰিব লাগে।

প্ৰিন্সিপালে যেতিয়া চিঠিখন জেপত লৈ বৈদ্য ডাঙৰীয়াৰ ঘৰৰপৰা ওলাল তেওঁ হঠাতে খুব গৰম অনুভৱ কৰিলে। কলেজৰ

গেটৰ ওচৰতে তেওঁ ৰূপ্পন বাবুক লগ পালে আৰু ক'লে,—"দেখিলানে? খান্নাই ৰামাধীনৰ আশ্ৰয় লৈ বহি আছে আৰু ভাইস্-প্ৰিন্সিপাল হোৱাৰ সপোন দেখিছে।"

ৰূপ্পন বাবুৱে কলেজৰপৰা বাহিৰলৈ ওলাই আহিছিল। বৰ লৰালৰিকৈ উত্তৰ দিলে,—"জানো, জানো, সকলো জানো। এটা কথা কিন্তু মই পৰিষ্কাৰকৈ কৈ দিব খুজিছোঁ। খান্নাৰ লগত মোৰ কোনো শত্ৰু-মিত্ৰ ভাব নাই। কিন্তু মই ভাবোঁ এই কলেজত এজন ভাইস্-প্ৰিন্সিপালৰ প্ৰয়োজন। আপুনি ইয়াত নাথাকিলে সকলো শিক্ষকে কুকুৰ মেকুৰীৰ দৰে কাজিয়া কৰে। শিক্ষকৰ কমনৰূমত যি গুণ্ডামী চলে তাক আৰু কি বৰ্ণনা দিম।" তেওঁ গহীন হৈ গ'ল আৰু আদেশৰ সুৰেৰে ক'বলৈ ধৰিলে,—"প্ৰিন্সিপাল চাহাব, মই ভাবোঁ ইয়াত এজন ভাইস্-প্ৰিন্সিপাল হ'ব লাগে। খান্না সকলোতকৈ পুৰণা শিক্ষক। তেওঁকে হ'বলৈ দিয়ক। কেৱল নামৰ কাৰণেহে। দৰমহাতো নাবাঢ়ে।

প্ৰিন্সিপালৰ বুকুখন ইমানকৈ ঢপঢপাবলৈ ধৰিলে যেন উশাহ নিশাহ অলপতে বন্ধ হৈ যাব। তেওঁ ক'লে,—"এই কথা আৰু কেতিয়াও নকব ৰূপ্পন বাবু। এই খান্না-চান্নাই চিঞৰিলেই কি আপুনি তাৰ লগ লব। এইখন শিৱপালগঞ্জ, হাঁহি তামাচাৰ কথা নহয়। ভাবিচিন্তিহে কথা কব লাগে।"

"মইতো সঁচা কথাকে কৈছো। বাৰু দেখা যাব।" এই বুলি ৰূপ্পন বাবু তাৰপৰা আঁতৰি গুছি গ'ল।

প্ৰিন্সিপাল অতি বেগেৰে নিজৰ কোঠালৈ সোমাই আহিল। ঠাণ্ডা আছিল যদিও তেওঁ গাৰপৰা কোটটো খুলি পেলালে। স্কুলীয়া বস্তু যোগান ধৰা দোকান এখনৰপৰা পোৱা কেলেণ্ডাৰ

এখন তেওঁৰ সম্মুখৰ দুৱাৰৰ ওচৰত ওলমি আছিল। কেলেণ্ডাৰৰ ছবিখনত এজনী প্ৰায় অৰ্দ্ধনগ্ন তিৰোতাই মানুহ এটালৈ লাড়ুৰ নিচিনা বস্তু এটা আগ বঢ়াই দিছে। মানুহটোৰ চুলিবিলাক দীঘল। এখন হাত চকুৰ ওচৰত আৰু মুখৰ ভঙ্গিমা এনে আছিল যেন তেওঁ লাড়ু খাই ভাল পোৱা নাই। এয়া আছিল মেনকা আৰু বিশ্বামিত্ৰৰ ছবি। প্ৰিন্সিপালে কিছু সময় ধৰি কেলেণ্ডাৰ-খন চাই আছিল। পাছত ঘণ্টা বজোৱা ঠাইৰপৰা চিঞৰি চাপৰাচীটোক মাতি আনিলে আৰু ক'লে,—"খান্নাক মাত।"

চাপৰাচীয়ে ব্যঙ্গতাৰ সুৰত ক'লে,—"ফিল্ডৰ ফাললৈ গৈছে। লগত মালবীয়ও আছে।"

প্ৰিন্সিপালে ওচৰত থকা কলমদানীটো দূৰত থলে। কলমদানীটো নমুনা হিচাপে কোনো এক এডুকেশ্যন এম্পোৰিয়ামৰ পৰা বিনামূল্যত পাইছিল। ইয়াক এতিয়া যেনেকৈ প্ৰিন্সিপালে ঠেকেচ মাৰি থলে তাৰপৰা এনে অনুমান হৈছিল যেন সেই এম্পোৰিয়ামৰপৰা এইবাৰ কোনো বস্তুকেই নিকিনে। কিন্তু প্ৰিন্সিপালৰ তেনে অভিপ্ৰায় নাছিল। তেওঁ মাথোন ইয়াকে চাপৰাচীটোক বুজাব খুজিলে যে তেওঁৰ এতিয়া তাৰ চি-আই-ডি ৰিপোৰ্ট শুনিবৰ সময় নাই। তেওঁ চিঞৰি ক'লে,—"মই কৈছোঁ খান্নাক এতিয়াই মাত।"

চাপৰাচীটোৱে মোটা চাফা এটা কুৰ্তা আৰু এখন চাফা ধুতী পিন্ধি আছিল। ভৰিত খৰম আৰু কপালত তিলক। সি লাহেকৈ ক'লে,—গৈছোঁ, খান্নাকো মাতি আনিছোঁ। ইমাননো কিয় খঙ কৰিছে?"

প্ৰিন্সিপালে দাঁত কামুৰি চকু টেলেকা কৰি মেজৰ ওপৰত

থোৱা টিনৰ টুকুৰা এটালৈ চাই আছিল। টিনটুকুৰাৰ ওপৰত পালিচ কৰি এটা ৰঙা গোলাপৰ ফুল আঁকি দিয়া হৈছিল। ইয়াৰ তলত তাৰিখ দিন আৰু মাহৰ কাৰণে এখন কেলেণ্ডাৰ লগাই দিয়া হৈছিল। এই কেলেণ্ডাৰখন মদ তৈয়াৰ কৰা প্ৰসিদ্ধ প্ৰতিষ্ঠান এটাই পণ্ডিত জৱাহৰলাল নেহৰুৰ স্মৃতিত প্ৰকাশ কৰিছিল আৰু বিনামূল্যত চাৰিওফালে এই বিশ্বাসতে পঠাইছিল যে য'লৈকে এই কেলেণ্ডাৰখন যাব তাৰ জনতাই পণ্ডিত নেহৰুৰ আদৰ্শ আৰু প্ৰতিষ্ঠানটোক কেতিয়াও পাহৰিব নোৱাৰিব। কিন্তু এই সময়ত কেলেণ্ডাৰখনে প্ৰিন্সিপালৰ মনত একো প্ৰভাৱ পেলাব নোৱাৰিলে। পণ্ডিত নেহৰুৰ ৰঙা গোলাপে তেওঁৰ মনত শান্তি দিব নোৱাৰিলে।

চাপৰাচীটোৱে ক'লে,—"আপুনিও বামুণ আৰু মইও বামুণ। নিমখেৰে নিমখ খাব নোৱাৰি।" ইয়াক কৈ সি গুছি গ'ল।

প্ৰিন্সিপালে খৰমৰ ক্ষীণ হৈ যোৱা খট্‌খট্ শব্দ শুনি থাকিল। তেওঁৰ দৃষ্টি আন এখন কেলেণ্ডাৰৰ ওপৰত পৰিলগৈ। কেলেণ্ডাৰ-খনত পাঁচ বছৰীয়া ল'ৰা দুটাই কান্ধত ডাঙৰ ডাঙৰ ৰাইফল বৰফৰ ওপৰত থিয় হৈ বোধকৰোঁ চীনা সৈন্যৰ আগমনৰ বাবে অপেক্ষা কৰিছিল। প্ৰিন্সিপালে কেলেণ্ডাৰখনত দৃষ্টি নিবদ্ধ ৰাখি খান্নাৰ কাৰণে অপেক্ষা কৰি থাকিলে আৰু ভাবিবলৈ ধৰিলে ইয়াৰ ভাইস্-প্ৰিন্সিপাল হোৱাৰ চখ নথকাহেঁতেন কিমান ভাল হ'লহেঁতেন।

আনহাতে ঘটিব লগা ঘটনাক ঐতিহাসিক কৰি তুলিবৰ কাৰণে কেৰাণীজন আহি বাহিৰৰ বাৰান্দাত থিয় হ'লহি। বেৰৰ বাহিৰ-ফালে খিড়িকীৰ তলত কছুৰৎ মাষ্টৰে থিয় হৈ বিড়ি হুপি

আছিল। খান্না আৰু প্ৰিন্সিপালৰ সংবাদ ৰাইজৰ ওচৰ পোৱাৰ আগতে বতাহত উৰি যাব বুলি এতিয়া আৰু ভয়ৰ কোনো কাৰণ নাথাকিল।

ৰাতি ৰঙ্গনাথ আৰু বদ্ৰী দুয়ো ঘৰৰ ছাটৰ ওপৰত বাগৰি আছিল আৰু শোৱাৰ আগতে কোনো লাগবান্ধ নোহোৱা কথাৰ মহলা মাৰিছিল। ৰঙ্গনাথে তেওঁৰ কথা শেষ কৰি ক'লে,—"খান্না আৰু প্ৰিন্সিপালৰ মাজত কি কথানো হৈ গ'ল গমেই নাপালোঁ। কছৰৎ মাষ্টৰ বাহিৰত থিয় হৈ আছিল। খান্না মাষ্টৰে চিঞৰি কৈছিল,—"আপোনাৰ এইটোৱেই মানৱতা।" তেওঁ মাত্ৰ এইটোৱেহে শুনিলে।

বদ্ৰীয়ে কথাটো অলপ জমাই ক'ল,—"প্ৰিন্সিপালে বোধহয় গালি পাৰিছিল। তাৰ উত্তৰ স্বৰূপে খান্নাই মানৱতাৰ কথা কৈছিল বোধকৰোঁ। এই খান্নাটোৱে এনেধৰণে কথা কয়। চালা অসভ্য।"

ৰঙ্গনাথে ক'লে—"গালিৰ উত্তৰ তেন্তে ঠিক হৈছে।"

বদ্ৰীয়ে ইয়াৰ উত্তৰ একো নিদিলে। ৰঙ্গনাথে আকৌ ক'লে,—"মইতো চাই আছোঁ। এই মানৱতাৰ বিষয়ে কোৱাটোৱেই অৰ্থহীন।"

বদ্ৰীয়ে শুবৰ কাৰণে বাগৰ সলালে। তাৰ টোপনি যাব খোজা যেন দেখি ৰঙ্গনাথেও গাত কম্বলখন মেৰিয়াই লৈ শুই পৰিল।

দহ

গাঁওখনত গয়াদীন নামৰ এজন মানুহ আছিল। তেওঁৰ প্ৰকৃত কাৰবাৰ আছিল, টকা ধাৰে দি সুদ লোৱা। তেওঁৰ এখন কাপোৰৰ দোকানো আছিল। তাত টকা পইচাৰ লেনদেনো চলিছিল। গয়াদীনৰ ঘৈণীয়েক আগতেই মৰিছিল। এতিয়া ঘৰত আছিল একমাত্ৰ বিবাহযোগ্যা গাভৰু জীয়েক বেলা আৰু বিধবা ভনীয়েক এগৰাকী। বেলা স্বাস্থ্যৱতী, ধুনীয়া, গৃহস্থালীৰ কামত পটু আৰু ৰামায়ণ, মহাভাৰতৰ সাধু পঢ়িব পৰাকৈ শিক্ষিতা আছিল। ইতিমধ্যে তাইৰ বাবে এটা সুযোগ্য আৰু ধুনীয়া ডেকাৰ বিচাৰ খোচাৰ চলিছিল। ৰূপ্পন বাবু বেলাৰ প্ৰেম আকাঙ্ক্ষী আছিল। কিন্তু এই কথা তাই ঘুনাক্ষৰেও নাজানিছিল। ৰূপ্পন বাবুৱে সদায় শোৱাৰ আগতে এবাৰ তাইৰ শৰীৰটো ধ্যান কৰি লৈছিল আৰু ধ্যান শুদ্ধ ৰাখিবৰ বাবে সেই সময়ত তেওঁ মাত্ৰ শৰীৰটোহে দেখা পাইছিল, তাৰ ওপৰৰ কাপোৰবোৰ নহয়। বেলাৰ পেহীয়েকে গয়াদীনৰ ঘৰৰ সকলো কাম চোৱা-চিতা কৰিছিল আৰু বেলাক ঘৰৰ দুৱাৰদলীৰপৰা বাহিৰলৈ ওলাবলৈ নিদিছিল। বেলায়ো পেহীয়েকৰ কথা শুনি ঘৰৰপৰা বাহিৰ নোলাইছিল। তাই বাহিৰলৈ যাব লগা হলে ঘৰৰ পাছ দুৱাৰদি ওলাই ওচৰ চুবুৰীয়াৰ ঘৰ পায়গৈ। ৰূপ্পন বাবুৱে বেলাৰ বাবে

খুব ব্যাকুল হৈ পৰিছিল আৰু তাইলৈ সপ্তাহত তিনি চাৰি-বাৰকৈ চিঠি লেখি আকৌ ফালি পেলাইছিল।

এইবোৰ কথা বৰ বিশেষ গুৰুত্ব দিবলগীয়া বিধৰ নহয়। কথা হ'ল গয়াদীনে সুদলৈ টকা ধাৰে দিছিল আৰু কাপোৰৰ দোকান চলাইছিল। আৰু কো-অপাৰেটিভ ইউনিয়নেও সুদত টকা ধাৰে দিছিল। দুয়োপক্ষ শান্তিপূৰ্ণ সহ অৱস্থানতে আছিল। বৈদ্য ডাঙৰীয়াৰ লগত গয়াদীনৰ ভাল সম্পৰ্ক আছিল। আনকি তেওঁৰ ওপৰত বৈদ্য ডাঙৰীয়া, পুলিচ, ৰূপ্পন, স্থানীয় এম. এল. এ আৰু জিলা বোৰ্ডৰ টেক্স কলেক্টৰৰ কৃপা দৃষ্টি আছিল।

এইবিলাক থকা সত্বেও তেওঁ নিৰাশাবাদী আছিল। তেওঁ বহুত সাৱধানে চলিব লগা হৈছিল। নিজৰ স্বাস্থ্যৰ প্ৰতিও তেওঁ সাৱধান আছিল আৰু খোৱা-বোৱাত নিয়ম মানি চলিছিল। পৰাপক্ষত তেওঁ খাদ্যৰ ভিতৰত মাটি দাইল নাখাইছিল। এবাৰ তেওঁ চহৰলৈ গৈছিল। তাত এজন সম্পৰ্কীয়ই ভাতৰ লগতে মাটি দাইলো দিছিল।

গয়াদীনে লাহেকৈ ভাতৰ কাঁহীখন দূৰলৈ ঠেলি দিলে আৰু যাৱতীয় বিধি-নিয়ম কৰি পেটত ভোক লৈয়েই খোৱা পাতৰপৰা উঠি আহিল। পিছত তেওঁক অন্য দাইলৰ সৈতে আকৌ নতুনকৈ ভাত দিয়া হ'ল। এইবাৰ তেওঁ যাৱতীয় বিধি-নিয়ম কৰি ভাত কিটা খালে। আবেলি সম্পৰ্কীয়জনে তেওঁক জোৰকৈ ধৰিলে যে কিয়নো তেওঁ মাটি দাইল বেয়া পাই কব লাগে। অলপ সময় ইফালে সিফালে চাই তেওঁ লাহেকৈ ক'লে,—"মাটি দাইল খালে পেটত বায়ু হয় আৰু বায়ু হলে সঘনাই খং উঠে।"

তেতিয়া গৃহস্থই সুধিলে, "খং উঠিলেনো কিটো হ'ব? খং কিবা বাঘ নেকি? গতিকে ভয় কৰিবলৈ কিটো আছে?"

সম্পৰ্কীয়জনে অফিচত কাম কৰে। গয়াদীনে বুজালে যে তেওঁ ঠিকেই কৈছে। পিছে খঙে সকলোকে নুশুৱায়। খং কেৱল হাকিমৰ উঠিলেহে শুৱায়। শাসনতন্ত্ৰ অকামিলা হৈ গলেও হাকিম হাকিমেই থাকিব। কিন্তু আমি হলোঁ বেপাৰী মানুহ। আমি খং দেখুৱালে কোনোৱে ভুলতো আমাৰ দোকানৰ ফাললৈ মূৰ নকৰিব। আৰু কব নোৱাৰি কেতিয়া ক'ত বিপদ মূৰ দাঙি উঠে।

গয়াদীনৰ ঘৰত চুৰি কৰি চোৰে কিছু অলঙ্কাৰ-পাতি আৰু কেইসাজমান কাপোৰ লৈ গ'ল। পুলিচে সন্দেহ কৰিবলৈ বাধ্য হ'ল যে সেই দিনা ৰাতি চোৰৰ পিছে পিছে খেদা লোৱা সকলৰ ভিতৰৰে কোনোবাই চুৰ কৰিছিল। চোৰে ঘৰৰ চালৰপৰা চোতাললৈ জপিয়াওঁতে গয়াদীনৰ জীয়েক আৰু ভনীয়েকে তাক দেখা পোৱা নাছিল। দেখা হলে তাৰ চেহেৰাও দেখিবলৈ পালেহেঁতেন। পিছে যেতিয়া চোৰে লাঠিৰ সহায়েৰে দেৱালত উঠি ঘৰৰ চাললৈ বগাবলৈ ধৰিছিল তেতিয়া দুয়োৱে তাক দেখা পালে। তেতিয়া অৱশ্যে চোৰৰ পিঠিটোহে দেখা পালে; পুলিচে এই কথাষাৰ জানি সন্তোষ নহ'ল। যোৱা তিনিদিন ধৰি পুলিচে কেইবাটাও চোৰ সিহঁতৰ আগত আনি থিয় কৰালেহি, চেহেৰাৰ লগতে সিহঁতৰ পিঠি কেইখনো দেখুওৱা হ'ল। কিন্তু সিহঁতৰ ভিতৰৰ এটাকো বেলা আৰু তাইৰ পেহীয়েকে চিনিব নোৱাৰিলে। পুলিচে কিন্তু সন্দেহ কৰিছিল যে গয়াদীনৰ জীয়েক আৰু ভনীয়েকে জানি শুনিও চোৰক ধৰাই দিব খোজা নাই।

গয়াদীন আৰু নিৰাশাবাদী হৈ পৰিছিল। গাঁৱত ইমানবোৰ ঘৰ থাকোঁতে চোৰে আৰু চুৰ কৰিবলৈ ঘৰ নাপালে। চোৰ

তললৈ নমাৰ সময়ত জীয়েক আৰু ভনীয়েকৰ চকু চোৰৰ মুখততো পৰিব পাৰিলেহেঁতেন; পিছে সেই চকু কেইটা পৰিলগৈ চোৰৰ পিঠিতহে আৰু সিফালে দাৰোগা ডাঙৰীয়াইয়ো সকলোকে হাঁহি হাঁহি কথাটো কৈছিল।

সেই গাঁওখনত কেইজনমান মাষ্টৰো আছিল। তাৰ ভিতৰত এজন হ'ল খান্না যি বুৰ্ব্বক আছিল; দ্বিতীয়জন মালবীয় তেওঁ সেই বুৰ্ব্বক। তৃতীয়, চতুৰ্থ, পঞ্চম, ষষ্ঠ আৰু সপ্তমজন মাষ্টৰৰ নাম গয়াদীনে নাজানিছিল। গয়াদীন বিশেষকৈ সেই সময়ত আৰু নিৰাশাবাদী হৈ পৰিছিল, কিয়নো সাতোজন মাষ্টৰেই সেই সময়ত গয়াদীনৰ ঘৰৰ ফাললৈকে আহি আছিল। নিশ্চয় তেওঁলোকে চোৰৰ প্ৰতি অনুকম্পা দেখুৱাই সেই বিষয়ে আলোচনা বাদ দি কলেজৰ বিষয়ে আলোচনা কৰিব।

অৱশেষত সেইটোৱেই হ'লগৈ। মাষ্টৰ কেইজনে আধাঘণ্টা ধৰি গয়াদীনক বুজাবলৈ ধৰিলে যে তেওঁ কলেজৰ প্ৰবন্ধ সমিতিৰ উপাধ্যক্ষ। ইফালে অধ্যক্ষই বোম্বাইত বহু বছৰ ধৰি বাস কৰি আহিছে আৰু বাস কৰিও থাকিব গতিকে মেনেজাৰ আৰু প্ৰিন্সিপালৰ অনাচাৰৰ বিৰুদ্ধে উপাধ্যক্ষইহে কিবা এটা কৰিব লাগে।

গয়াদীনে বহুত চিন্তা কৰি সৰ্ব্বোদয়ী মনোভাৱেৰে বুজালে যে উপাধ্যক্ষ কেৱল নামত হে, কামত তেওঁৰ কোনো হাত নাই। গতিকে তেওঁ শিক্ষকসকলৰ দাবী সম্পৰ্কে একো কৰিব নোৱাৰিব।

তেতিয়া নাগৰিক শাস্ত্ৰৰ মাষ্টৰে গহীন হৈ বুজাবলৈ ধৰিলে যে উপাধ্যক্ষৰ কামটো বহুত দায়িত্বশীল। গয়াদীনে একোৱেই নাজানে

বুলি ধৰিলৈ তেওঁ উপাধ্যক্ষৰ কামৰ দায়িত্ব সম্পৰ্কে ভাৰতীয় সংবিধান অনুসৰি কবলৈ আৰম্ভ কৰি দিলে। গয়াদীনে নুশুনাৰ ভাও ধৰি মনে মনে ৰ'ল।

হঠাৎ মৌনতা ভঙ্গ কৰি সুধিলে,—"বাৰু কওকচোন, ভাৰতৰ বৰ্ত্তমান উপাধ্যক্ষ কোন?"

এই প্ৰশ্নটো শুনিয়েই মাষ্টৰসকলৰ মুখকেইখন কেহেৰাজ বটা যেন হ'ল। তেওঁলোকৰ ইজনে সিজনৰ মুখলৈ চোৱা চুই কৰিলে; কিন্তু ভাৰতৰ উপাধ্যক্ষৰ নাম কি একো কব নোৱাৰিলে। শেষত নাগৰিক শাস্ত্ৰৰ মাষ্টৰে ক'লে,—"প্ৰথমেতো ৰাধাকৃষ্ণন ডাঙৰীয়াই আছিল, এতিয়া পিছে কোন হৈছে গম পোৱা নাই।"

গয়াদীনে লাহেকৈ মাত লগালে,—"এতিয়া বুজি লোৱা মাষ্টৰ, উপাধ্যক্ষৰ কি কাম?" কিন্তু মাষ্টৰে নামানিলে। তেওঁলোকৰে ভিতৰৰ এজনে জোৰকৰি ধৰিলে যে অন্ততঃ গয়াদীন ডাঙৰীয়াই কলেজৰ প্ৰবন্ধ সমিতিৰ এখন সভা আহ্বান কৰিব লাগে। গয়াদীন যে গাঁৱৰ মহাজন আছিল সেইটো ঠিক, কিন্তু আনঠাইত তেওঁ সন্মানিত লোক নাছিল। মাষ্টৰৰ প্ৰচেষ্টাই তেওঁক সেও মনাব নোৱাৰিলে। তেওঁ লাহেকৈ মাত লগালে,—"সভা আহ্বান কৰিবলৈ ৰামাধীনক লগাই দিয়া মাষ্টৰ চাহাব! এনে কামৰ কাৰণে তেৱেঁই ভাল হ'ব।"

"তেওঁকতো লগাই দিয়াই হৈছে।"

"তেনেহলে লাগি থাকিবলৈ দিয়া, এৰি দিবলৈ নিদিবা।" কথাষাৰ কৈয়েই গয়াদীনে আশেপাশে বহি থকা আন মানুহক নিৰীক্ষণ কৰিবলৈ ললে। এই আন মানুহখিনি আছিল ওচৰৰ গাঁৱৰে আৰু তেওঁলোক আহিছিল টকা ধাৰ লোৱা সম্পৰ্কত।

খান্না মাষ্টৰে স্থিৰ কৰি লৈছিল আজি যেনে তেনে গয়াদীনৰপৰা নিশ্চিত সিদ্ধান্ত এটা লব লাগিব। তেওঁ মালবীয়াক অনুৰোধ কৰি ক'লে,—"মালবীয়া আপুনিয়েই গয়াদীন ডাঙৰীয়াক বুজাওক। এই প্ৰিন্সিপালেতো আমাৰ একেবাৰে সৰ্ব্বনাশ কৰিছে।"

গয়াদীনে চিন্তা কৰি দেখিলে যে মাষ্টৰ কেইজন সহজে নগৈছে। তেওঁলোকে বোধহয় আগৰ কথাৰ পুনৰ অৱতাৰণা কৰিব। সেয়ে তেওঁ মানুহবিলাকক ক'লে,—"তোমালোক আজি যোৱাগৈ কাইলৈ পুৱা অকণমান সোনকালে আহিবা।"

গয়াদীনে এইবাৰ খান্না মাষ্টৰৰ ফাললৈ চালে। খান্না মাষ্টৰে মাত লগালে,—আপুনি অনুমতি দিলে প্ৰথমৰপৰাই আৰম্ভ কৰোঁ তেনে।"

"কি কৰা মাষ্টৰ চাহাব?" গয়াদীনে বিৰক্তিৰে কলে,— "প্ৰাইভেট স্কুলৰ মাষ্টৰী। আজি আছে কাইলৈ নাই।"

খান্নাই কলে,—"বিপদ এইখিনিতে যে যোৱা পাঁচ বছৰ ধৰি এই কলেজৰ কাৰ্য্যকৰী সমিতিৰ সভা বহা নাই। বৈদ্য ডাঙৰীয়াই মেনেজাৰ হৈ আছে। নতুনকৈ নিৰ্ব্বাচনী হোৱা নাই, অৱশ্যে হ'ব লাগে প্ৰত্যেক বছৰতে।"

কিছুসময় মৌনতাৰ পাছত গয়াদীনে মাত লগালে,—"আপোনা-লোকতো পঢ়াশুনা জনা মানুহ। মইনো কি কম? বহুত সংস্থাই আছে যাৰ মাহে মাহে হ'ব লগা সভা কেইবা বছৰলৈকো নোহোৱাকৈ থাকে। আমাৰ ইয়াৰে জিলাবোৰ্ডলৈ নাচায় কিয়? কোনোবা এটা যুগৰ পৰাই নিৰ্ব্বাচন নোহোৱাকৈয়ে চলি আছে।"

মালবীয়াই কলে,—"প্ৰিন্সিপালে হাজাৰ হাজাৰ টকা ইচ্ছামতে খৰচ কৰে। প্ৰতিবছৰে অডিটে দোষ ধৰে, প্ৰতিবছৰে তেওঁ সাৰি যায়।"

গয়াদীনে একো নজনা ভাৱ দেখুৱাই সুধিলে,—“আপুনি হিচাপ পৰীক্ষক নেকি ?”

মালবীয়াই অলপ গহীন মাতেৰে কলে,—“নহয় ডাঙৰীয়া, কথা সেইটো নহয়। চকুৰ আগতে ৰাইজৰ টকা এনেদৰে নষ্ট হোৱাতো সহ্য কৰিব নোৱাৰি। অন্ততঃ......”

গয়াদীনে বাধা দি আগৰদৰেই মাত লগালে,—“তেনেহলে ৰাইজৰ টকা কেনে ধৰণেনো নষ্ট হোৱাটো আপুনি বিচাৰে ? ডাঙৰ ডাঙৰ অট্টালিকা সাজি ? সভাসমিতি পাতি ? নহয় বিয়াই সবাহ খৰচ কৰি ?” প্ৰশ্নগুনি মালবীয় টাপ মাৰিল। গয়াদীনে মৰমৰে কথাটো বুজালে—“মাষ্টৰ চাহাব, মইতো লেখা-পঢ়া নজনা মানুহ। কিন্তু ভালদিনত কলিকতা, বোম্বাই দেখিছোঁ। ময়ো অলপ-চলপ বুজি পাওঁ দিয়কচোন। ৰাইজৰ টকাৰ ওপৰত ইমান দুখ পোৱাটো অনুচিত। সেয়া নষ্ট হ'বই।” তেওঁ কিছুসময় মনে মনে ৰ'ল। তাৰপিছত খান্না মাষ্টৰলৈ চাই অলপ খঙেৰেই কলে,—“বুইছা মাষ্টৰ চাহাব, ৰাইজৰ টকাৰ বাবে ইমান চিন্তা ভাৱনা নকৰিবা। কষ্ট ভুগিবলগীয়া হ'ব পাৰে।”

মালবীয়ই লাহেকৈ মাত লগালে,—“গয়াদীন ডাঙৰীয়া, মই জানো যে এইবিলাক কথাত আমি মাষ্টৰবোৰৰ কোনো মাতিবলগীয়া নাই। লাগিলে কলেজৰ ঠাইত বৈদ্য ডাঙৰীয়াই আটা গুৰি কৰা কল বহুৱাই দিয়ক, প্ৰিন্সিপালে নিজৰ জীয়েকৰ বিয়া পাতক, তাত আমাৰ প্ৰতিবাদৰ আৱশ্যক নাই। তথাপিও এই সংস্থাটো আপোনালোকৰেই। তাত দেখাদেখিকৈ নৈতিকতাহীন ঘটনাবিলাক ঘটি যোৱাটো বেয়া দেখি।”

নৈতিকতাৰ নাম নলবা মাষ্টৰ; কোনোবাই শুনিলে ক'ৰবাত আক' জৰিমনা ভৰিব লাগিব।”

গয়াদীনে ঘৰৰ চুকত পৰি থকা খাটিয়া এখনলৈ দেখুৱাই ক'লে,—"ধৰিলোৱা নৈতিকতা সেই খাটিয়াখন। এতিয়া এইখন এটা চুকত পৰি আছে। কিন্তু সভা সমিতিৰ সময়ত ইয়াৰ ওপৰত চাদৰ-তাদৰ পাৰি দি দেখিবলৈ ধুনীয়া কৰা হয়। তেতিয়া ইয়াৰ ওপৰত উঠি বক্তৃতাৰ ফুলজাৰি বৰষা হয়। খাটিয়াখনৰ আৱশ্যক সেই বাবেই।

গয়াদীনৰ কথাত সকলো নিমাতে ৰ'ল। গয়াদীনেই নিজে তেওঁলোকক সাহস দি পুনৰ সুধিলে,—"এতিয়া কোৱা মাষ্টৰ চাহাব, তোমালোকৰ নিজৰ বাবে কি ক'বলগীয়া আছে? ইমান পৰেতো তোমালোকে ৰাইজৰ দুখ-দৈন্যৰ বিষয়েই ক'লা।

খান্না মাষ্টৰক অলপ উত্তেজিত হোৱা যেন দেখা গ'ল। তেওঁ ক'লে,—"আপোনাক কোনো দুখ-কষ্টৰ কথা কোৱাই মিছা। আপুনি কোনো কথাকে কষ্ট বুলি মানি লব নোখোজে।"

"নামানিম কিয়?" গয়াদীনে জোৰ দি ক'লে,—"নিশ্চয় মানিম। তুমি কোৰ্ৰাঁচোন বাৰু।"

মালবীয়ই ক'লে—"প্ৰিন্সিপালে আমাৰপৰা সকলো দায়িত্ব অপহৰণ কৰি তেওঁৰ নিজৰ মানুহৰ হাতত অৰ্পণ কৰি দিছে।"

গয়াদীনে কিছু সময় চিন্তা কৰি ক'লে—"মই কিবা এটা ক'লে আপোনালোকে পাব বেয়া। কিন্তু যেতিয়া প্ৰিন্সিপাল চাহাবৰ নিজৰ ইচ্ছামতে দায়িত্ব পালন কৰিবলৈ অধিকাৰ আছে, তাত বেয়া পাবলৈ কিটো আছে? পৃথিৱীৰ সকলো কামেই যে তোমালোকেই কৰিব লাগিব তাৰ কি মানে আছে? যোৱা বছৰৰ কথা মনত পেলোৱা। বৈদ্য ডাঙৰীয়াই বেজগাঁৱৰ লাল চাহাবক উপাচাৰ্য্যৰ বাব দিলে। মানুহে কিমান বিৰোধিতা কৰিলে, কিন্তু কোনোবাই জানো কিবা কৰিব পাৰিলে? পিছত সকলো মনে মনে

থাকিল। তোমালোকো মনে মনে থাকা। চিঞৰ-বাখৰ লগালে একো লাভ নহয়। মানুহে তোমালোকক হে লুভীয়া বুলি ক'ব।"

এজন মাষ্টৰে পিছৰপৰা মাত লগালে,—"পিছে এই কথাটোৰ কি কৰা যায়? প্ৰিন্সিপালে ল'ৰাহঁতক আমাৰ বিৰোধিতা কৰিবলৈ শিকাইছে। আমাৰ বিৰুদ্ধে মিছামিছি অভিযোগ আনে। আমি কিবা লিখিলে কাগজেই নাইকীয়া কৰি দিয়ে। পিছত আকৌ আমাৰপৰাই কৈফিয়ৎ বিচাৰে।"

গয়াদীনে ক'লে—"এয়াতো তুমি মোক অফিচৰ নিয়ম-কানুনৰ বিষয়ে কৈছা। তাত তো এনেকুৱা হৈয়েই থাকে।"

মাষ্টৰজনে উত্তেজিত হৈ ক'লে,—"যেতিয়া আঠ-দহোটাই মৃত্যু বৰণ কৰিব, তেতিয়াহে আপুনি বুজিব যে কিবা এটা ঘটনা হৈছে।"

"সেইটোনো কি নতুন কথা হ'ল? চাৰিওফালে দেখোন মানুহ মৰিব লাগিছে।"

খান্না মাষ্টৰে আগৰ মাষ্টৰজনে কোৱা কথাটো চম্ভালি লৈ কলে,—"এওঁৰ খণ্ডৰ বাবে বেয়া নাপাব। আমি সঁচাকৈয়ে অতিষ্ঠ হৈ পৰিছোঁ। কেওফালে মহা বিপদ। চাওকচোন, এই জুলাইতে প্ৰিন্সিপালে তেওঁৰ তিনিজন সম্পৰ্কীয় লোকক মাষ্টৰ কৰি ল'ব পায়নে? তেওঁৰ কেৱলমাত্ৰ নিজৰ পৰিয়ালৰ চিন্তা। কওকচোন এনে কৰিলে আমাৰ জানো মনত বেয়া নালাগিব?"

"বেয়া কিয় লাগিব ভাই?" গয়াদীনে কাহিবলৈ ধৰিলে,—"তোমালোকেই দেখোন কৈছিলা কেৱলমাত্ৰ পৰিয়ালৰ চিন্তা। বৈদ্য ডাঙৰীয়াৰ সম্পৰ্কীয় মানুহ নাপালে বোধহয়, গতিকে বেচেৰাই নিজৰ আত্মীয়কে ৰাখিলগৈ।"

গয়াদীনৰ কথাত মাষ্টৰ কেইজনে হাঁহি দিলে। "এইটো হঁহাৰ কথা

নহয়। আজিৰ যুগ ধৰ্ম্ম। সকলোৱে যি কৰে, প্ৰিন্সিপালেও তাকেই কৰিছে। নিজৰ সম্পৰ্কীয় মানুহক বেচেৰাই নো ক'লৈ নিব ?"

খান্না মাষ্টৰলৈ চাই তেওঁ আকৌ ক'লে,—"তুমি ইতিহাস পঢ়োৱা নহয় জানো মাষ্টৰ চাহাব ? সিংগড় বিজয় কেনেকৈ হৈছিল কোৱাঁচোন।"

খান্না মাষ্টৰে উত্তৰ বিচাৰিবলৈ ধৰিলে। গয়াদীনে মাত লগালে,— "ময়ে কৈ দিওঁ ৰবা। তানাজীয়ে কি লৈ গৈছিল ? এটা কেটেলা পহু। তাক ৰচীৰে বান্ধি দুৰ্গৰ দেৱাললৈ দলিয়াই দিলে। পহুটো য'তে পৰিলগৈ ত'তে লাগি ধৰিলে। লগত যোৱা চিপাহীহঁতে সেই ৰচীৰ সহায়েৰে দুৰ্গৰ ওপৰত উঠিলগৈ।"

মাষ্টৰ কেইজনে একেবাৰে নিৰ্বিকাৰ হৈ বহি আছিল। গয়াদীনে আকৌ বুজালে,—"সেই একেটা অৱস্থা আমাৰ দেশৰো, মাষ্টৰ চাহাব। যি য'তে আছে কেটেলা পহুৰ দৰে লাগি আছে। অলপো ইফাল সিফাল নাই। তাক তুমি যিমানেই টনা-আঁজোৰা লগোৱা, যিমানেই চেষ্টা নকৰা, সি নিজৰ ঠাইতে লাগি থাকিব আৰু তাৰ নেজৰ সহায়তে যিমান ইষ্টকুটুম্ব, সম্পৰ্কীয় আছে সকলোৱেই বগাই গৈ ওপৰ পাবগৈ। কলেজক কিয় দোষ দিছা, সকলো ঠাইতে এয়ে অৱস্থা।"

মাষ্টৰসকল বিফল মনোৰথ হৈ গয়াদীনৰ ঘৰৰপৰা ওলাই নিজৰ ঘৰমুৱা হ'ল।

মাষ্টৰৰ দলটোৱে গৈ থাকোঁতে দেখিবলৈ পালে যে ওচৰৰে ঘৰ এটাৰ মুকলি বাৰান্দাত লঙ্গৰে জুই একুৰা জ্বলাই লৈ কিবা এটা ৰান্ধি আছে। ওচৰলৈ আহি জুমি চাই দেখিলে যে সি ৰুটিহে বনাইছে। লঙ্গৰক দেখা পাইয়েই মাষ্টৰসকলৰ মনবোৰ পাতল লাগি গ'ল।

তেওঁলোকে ক্ষন্তেক সময় বৈ লঙ্গৰৰ সৈতে কথা পাতিবলৈ ধৰিলে আৰু কিছু সময়ৰ ভিতৰতে গম পালে যে তহচীলত যি নকলৰ বাবে লঙ্গৰে দৰখাস্ত দিছিল, সেইয়া এতিয়া সম্পূৰ্ণ কায়দা কানুনেৰে, এটা ফুটা কড়িও অন্যায়ভাৱে খৰচ নকৰাকৈ প্ৰায় হৈয়েই আছে।

মাষ্টৰসকলে বিশ্বাস নকৰিলে কথাটো।

লঙ্গৰে ক'লে,—"বিশ্বাস কৰাঁ বাপুহঁত, আজি মই সকলো ঠিক কৰি আহিছোঁ। দৰখাস্তত দুটা ভুল আকৌ ওলাইছিল, ঠিক কৰি দিয়া হ'ল।"

এজন মাষ্টৰে অবিশ্বাস ভাৱেৰে মাত লগালে,—"আগতেওতো তোমাৰ দৰখাস্তত ভুল ওলাইছিল। এই নকল নবীচে বাৰে বাৰে কিয় ভুল উলিয়াই থাকে? ধুৰন্ধৰ ক'ৰবাৰ।"

"গালি নাপাৰিবা বাপু, এইয়া ধৰ্ম্মৰ যুদ্ধ। গালি-গালাজৰ ইয়াত একো কাম নাই।"

বেচেৰা নকল নবীচেনো কি কৰিব পাৰে? কলম চলাওঁতাহঁতৰ জাতটোৱেই এনেকুৱা "

"পিছে নকল কাহিনিকৈ পাবা?"

"পালোঁ বুলিয়েই ধৰি লোৱাঁচোন। এই ধৰা পোন্ধৰ বিছদিন। ৰেকৰ্ড নে কি সেইবোৰ সদৰলৈ গৈছে। এতিয়া দৰখাস্তও সদৰলৈ পঠোৱা হ'ব। নকল তাতেই তৈয়াৰ হ'ব, পিছত ইয়ালৈকে উভটি আহিব; তাৰপিছত ৰেজিষ্টাৰভুক্ত কৰা হ'ব.........।"

লঙ্গৰে নকল লোৱাৰ পৰিকল্পনা লেঠাৰি নিচিগাকৈ কৈয়েই গ'ল; সিফালেদি গমেই নাপালে যে মাষ্টৰসকলে তাৰ লেঠাৰি নিচিগা কথা শুনি আৰু ঘৰটোৰ কাষৰপৰা অহা গেলা গোন্ধ সহ্য কৰিব নোৱাৰি কেতিয়াবাই তাৰপৰা আঁতৰি গৈছে।

সি পুনৰ ৰুটি বনোৱাত মন দিলে।

এঘাৰ

তহচীলৰ মুখ্যালয় হোৱা সত্বেও শিৱপালগঞ্জ ইমান এখন ডাঙৰ গাঁও নাছিল যে ই এখন নগৰৰ শাৰীত পৰিব। ইয়াত এখন গাঁওসভা আছিল আৰু গাঁৱৰ মানুহে ইয়াক গাঁওসভা হিচাপে ৰাখিবলৈকে ইচ্ছা কৰিছিল। কাৰণ তেতিয়া নগৰবাসীয়ে দিবলগা কৰ ইয়াৰ বাসিন্দাসকলে দিব নালাগিব। এই গাঁওসভাৰ প্ৰধান আছিল ৰামাধীনৰ ককায়েক।

গাঁওসভাৰ নতুন নিৰ্ব্বাচন জানুৱাৰী মাহত হ'ব লাগিছিল। কিন্তু বিশেষ কাৰণত ই এঘাৰ মাহ পিছুৱাই যায়। প্ৰশ্ন হৈছিল এইবাৰ কাক সভাপতি কৰা যায়। কাৰণ আগৰজন সিমান শক্তিশালী আৰু চালাক-চতুৰ নাছিল। যোৱাবাৰৰ নিৰ্ব্বাচনত বৈদ্য ডাঙৰীয়াই কোনো আগভাগ লোৱা নাছিল। কাৰণ গাঁও-সভাৰ কামক তেওঁ একেবাৰে তুচ্ছ বুলি ভাবিছিল। কিয়নো গাঁওসভাৰ অফিচাৰবোৰ কিবা এক ধৰণৰ আছিল। তেওঁলোকৰ হাতত পুলিচৰ লাঠিও নাছিল আৰু তহচীলদাৰৰ ক্ষমতাও নাছিল। তাৰোপৰি গাঁওসভাৰ সভাপতিয়ে মানুহ চিনাক্ত কৰিবলগা হয় আৰু কেতিয়াবা মাটিৰ পট্টা দিয়া সম্পৰ্কীয় গোচৰত আদালতত উপস্থিত হ'বলগা হয়।

কিছুদিনৰপৰা দেখা গৈছে যে বৈদ্য ডাঙৰীয়াই গাঁওসভাৰ প্ৰতি

অনুৰক্ত হৈ পৰিছে। কাৰণ তেওঁ প্ৰধানমন্ত্ৰীৰ ভাষণ এটা কাগজত পঢ়িবলৈ পাইছিল। সেই ভাষণত কোৱা হৈছিল যে গাঁৱৰ উন্নতি স্কুল, সমবায় সমিতি আৰু গাঁও পঞ্চায়তৰ আধাৰৰ যোগেদিহে হ'ব পাৰে। বৈদ্য ডাঙৰীয়াৰ ধাৰণা হ'ল তেওঁ যেন ইমানদিন গাঁৱৰ উন্নতি কেৱল কলেজ আৰু কো-অপাৰেটিভ ইউনিয়নৰ যোগেদিহে কৰি আছে। বোধহয় এনে কাৰণতে শিৱপালগঞ্জৰ উন্নতি হোৱা নাই।

গাঁওসভাৰ প্ৰতি চিন্তা কৰোঁতেই তেওঁৰ কেবাটাও কথা মনত পৰিল। ৰামাধীনৰ ককায়েকে গাঁওসভাখন নষ্ট কৰি পেলালে। গাঁৱত চন্ পৰি থকা মাটিবোৰ অন্য মানুহে ইচ্ছানুযায়ী জব্দ কৰি লৈছে আৰু সভাপতিয়ে একো প্ৰতিবাদ কৰা নাই। ধাৰণা হয় তেওঁ ইয়াৰ ভাগ পাইছে। গাঁও পঞ্চায়তৰ হাতত পইচা নাই আৰু নিশ্চয় সভাপতিয়ে আত্মসাৎ কৰিছে। গাঁও সভাপতিয়ে অনাহকত গোচৰ দি পুলিচৰ হতুৱাই মানুহ ধৰাই নিয়ে। ইয়াৰ পৰা বুজা যায় যে তেওঁ পুলিচৰ দালাল হৈ পৰিছে। গাওঁ সভাপতিৰ নামত থকা বন্দুক কেতিয়াবা ডকাইতিৰ কামত ব্যৱহাৰ হয় বুলিও গাঁৱত বু-বু-বা-বা হয়।

বৈদ্য ডাঙৰীয়াৰ বৈঠকখানাত ভাঙৰপৰা ঘোটা তৈয়াৰ কৰি মানুহক খুওৱাৰ কাম শনিচৰৰ দায়িত্বত আছিল। এটা সময়ত সি আনদিনৰ দৰে ভাং পিহি আছিল। তাক কোনোবাই মতাত সি ঘপ কৰি মূৰ দাঙি চালে। বৈদ্য ডাঙৰীয়াই তাক ক'লে— "ভাঙৰ কাম আন কাৰোবাক দি তই এইফালে অলপ ভিতৰলৈ আহচোন।"

তাক মতাত সি খুব বেয়া পালে আৰু মুখৰ ভিতৰতে ভোৰ-

ভোবাৰলৈ ধৰিলে—"কাক দিওঁ? এই কাম কোনেনো কৰিব পাৰিব? আজিকালিৰ ল'ৰাই এইবোৰ একো নাজানে। মাহ হালধী পিহাদি পিহি থব।" সি পিহনাখনৰ দায়িত্ব নতুন ল'ৰা এটাৰ হাতত দি হাতখন ধুলে আৰু পিন্ধি থকা জাঙিয়াটোৰ পাছফালে হাতখন মচি বৈদ্য ডাঙৰীয়াৰ ওচৰলৈ গৈ থিয় দি ৰ'ল।

খাটিয়া এখনত বৈদ্য ডাঙৰীয়া, ৰঙ্গনাথ, বদ্ৰী পালোৱান আৰু প্ৰিন্সিপাল বহি আছিল। প্ৰিন্সিপালে মাত লগালে,—"বহক শনিচৰজী" এনে সম্বোধনে শনিচৰক আচৰিত কৰি দিলে। সি অলপ ইতস্ততঃ কৰি তাৰ বুকুত হাত ফুৰাবলৈ ধৰিলে। সি লাহেকৈ মাত লগালে—"প্ৰিন্সিপাল চাহাব? এতিয়া আপোনাৰ লগত বহুৱাই মোক নৰকলৈ নপঠাব।"

বদ্ৰী পালোৱানে হাঁহি এটা মাৰি ক'লে,—"চালা গাঁজাখোৰ, গাজামী কৰিবলৈ আহিছ? প্ৰিন্সিপাল চাহাবৰ ওচৰত বহিলে তই নৰকলৈ যাবি? তাতে বহ।"

বৈদ্য ডাঙৰীয়াই লাহেকৈ মাত লগালে,—"এই প্ৰসঙ্গত বদ্ৰীয়ে একো নকবি। মঙ্গলদাসজী এতিয়া ক'লৈ গৈছে তোমালোকে কিবা জানানেকি?"

শনিচৰে কেবাবছৰৰ মূৰত নিজৰ আচল নামটো শুনিলে। সি প্ৰিন্সিপালৰ ওচৰতে বহিল আৰু নিজকে বঢ়াই ক'লে,—"এতিয়া পালোৱানক বেছি হেয়জ্ঞান নকৰিব হুজুৰ। বৰ্তমান তেওঁৰ বয়সেই বা কিমান? সময়ত সকলো বুজিব পাৰিব।"

বৈদ্য ডাঙৰীয়াই ল'হেকৈ মাত লগালে,—"তেনেহলে প্ৰিন্সিপাল চাহাবে কি কব খুজিছে কওক।"

প্ৰিন্সিপালে মাত লগালে,—"কবলৈনো কিটো আছে। আপোনালোকেতো জানেই। অলপতে আমাৰ গাওঁসভাৰ নিৰ্ব্বাচন হ'ব। ইয়াৰ সভাপতি এজন দায়িত্বশীল লোক। তাৰোপৰি এওঁ কলেজ কমিটিৰ এজন সদস্য হ'ব যেতিয়া মোৰো ওপৰৱালা হ'ব।"

বৈদ্য ডাঙৰীয়াই কোনো পাতনি নেমেলাকৈ ক'লে—"শুন মঙ্গলদাস, এইবাৰ আমি তোকে গাঁওসভাৰ সভাপতি পাতিব খুজিছোঁ।"

কথা শুনি হতভম্ব হৈ পৰিল। সি হাতযোৰ কৰি থিয় দিলে। চকুদুটা আনন্দত পুলকিত হৈ পৰিল। তথাপি নিজকে অযোগ্য যেন দেখুৱাই ক'লে,—"মহাৰাজ, মোৰ নিচিনা অপদাৰ্থ এটাক আপোনালোকে উপযুক্ত বুলি ভাবিছে যেতিয়া সেয়েই মোৰ কাৰণে যথেষ্ট। কিন্তু মই সন্মানৰ উপযুক্ত নহওঁ।"

প্ৰিন্সিপালে মাত লগালে,—"যেই কোনো ঘটিৰাম বাতিৰাম সভাপতি হ'ব নোৱাৰে। কাৰণ ই বৰ দায়িত্বশীল কাম। গাঁৱত তেওঁ সৰ্ব্বেসৰ্ব্বা। যেতিয়া যি আৱশ্যক হয় কৰি লব পাৰে। টকা পইচাৰো লেনদেনত হাত আছে। তাৰোপৰি শ্লিপ দি চৰকাৰী গুদামৰপৰা আৱশ্যক হলে চাউল, দাইল, তেল, চেনি আদি উলিয়াই লব পাৰি। চহৰৰ ডাঙৰ ডাঙৰ অফিচাৰ তেওঁৰ ঘৰলৈ আহে। তেওঁৰ বিনা হুকুমত গাঁৱৰ কোনো লোকেই নিজৰ ঘৰলৈ কুটা এডালো নিব নোৱাৰিব। গাঁৱৰ সকলোৱে তেওঁৰ উপদেশমতেহে চলিব। সকলো তেওঁৰ হাতৰ মুঠিত, এতিয়া বুজিব পাৰিলাতো শনিচৰ ?"

শনিচৰে বিনম্ৰপূৰ্ব্বক হাতযোৰ কৰিলে আৰু মাথোন ইয়াকে ক'লে—"মই নো কি কম? গোটেই পৃথিৱীয়ে ইয়াকেই কব যে

আপোনালোক থাকোঁতেও শিৱপালগণ্ডত মোৰ নিচিনা অকৰ্ম্মন্য এটাক—।”

প্ৰিন্সিপালে তেওঁৰ চিৰ পৰিচিত হাঁহিটো মাৰি ক'লে,—“আপুনি আকৌ বঢ়াই কবলৈ ধৰিলে শনিচৰজী। আমাৰ সিফালে ৰামপুৰ গাঁওসভাত তাৰে মিঠাইৱলা এটাই সভাপতি হৈ ৰামপুৰৰ ৰং সলনি কৰি দিলে। এটা সকলোৰে জনা কথা কওঁ। এবাৰ তহচীলত গান বাজনা হৈছিল। তালৈ ডেপুটি চাহাব আহিছিল। সকলো গাঁওসভাৰ সভাপতি সকল গানবাজনাত উপস্থিত আছিল। তেওঁলোকক মঞ্চৰ ওপৰত সতৰঞ্চি পাৰি বহিছিল। মিঠাইৱলাই প্ৰতিবাদ কৰি ক'লে,—“এইটো বৰ অন্যায় কথা হৈছে। আমাক ইয়ালৈ মাতি আনি সতৰঞ্চি পাৰি বহুৱাইছে আৰু ডেপুটি চাহাব নিজে চকীত বহিছে। ডেপুটি চাহাবো নতুন কৈ আহিছে। তাতে ল'ৰামতীয়া মানুহ, আত্মসম্মানত লাগিল। তেওঁ মিঠাইৱলাৰ কথাত প্ৰতিবাদ কৰিলে। তাৰপাছত দুয়োফালৰপৰা সন্মান লৈ কথা কটাকাটি হ'ল। সভাপতি কেইজনে মিঠাইৱলাৰ কথাত হয় ভৰ দিলে। মজলিছ ইন্‌কিলাব জিন্দাবাদ ধ্বনিৰে মুখৰিত হ'ল। ডেপুটি চাহাবে সভাপতি কেইজনক বহিবলৈ অনুৰোধ কৰিলে। কিন্তু তেওঁলোক বহিবলৈ অমান্তি হ'ল। ৰামপুৰৰ মিঠাইৱলা জিলাৰ নেতা হৈ পৰিল।”

শনিচৰৰ কাণত ইন্‌কিলাব জিন্দাবাদৰ ধ্বনি লাগি আছিল। তেওঁৰ কল্পনাত এটা নাঙঠা জাঙিয়া পিন্ধা মানুহৰ পাছে পাছে এশ জন মান মানুহে হাত দাঙি চিঞৰি আছিল। বৈদ্য ডাঙৰীয়াই লাহেকৈ মাত লগালে, ই সঁচাকৈয়ে অশিষ্টতা। মই সভাপতি হোৱা হ'লে উঠি গুচি আহিলোহেঁতেন। মই আকৌ দুমাহ মানৰ

পাছত নিজৰ গাঁওসভাত উৎসৱ পাতিলোহেঁতেন। ডেপুটি চাহাবকো নিমন্ত্ৰণ কৰিলোহেঁতেন। তেওঁক মঞ্চৰ ওপৰত সতৰঞ্চিত বহিবলৈ দিলোহেঁতেন। আনহাতে মই চকীত বহি ভাষণ দি কলোহেঁতেন, "বন্ধুসকল, মই প্ৰকৃততে চকীত বহিবলৈ বেয়া পাইছোঁ। কিন্তু অতিথি সৎকাৰৰ ই এটা নিয়ম। ডেপুটি চাহাবে এদিন আমাক ওচৰলৈ মাতি নি এই বিষয়ে আদৰ্শ দাঙি ধৰিছিল। গতিকেই তেখেতৰ শিক্ষাৰ আধাৰত মোৰ এই অসুবিধাক স্বীকাৰ কৰি লৈছোঁ।" ইয়াকে কৈ তেওঁ এটা আত্ম সন্তুষ্টিৰ হাঁহি মাৰিলে।

বৈদ্য ডাঙৰীয়াই পুনৰ শনিচৰক উদ্দেশ্য কৰি ক'লে,—"শনিচৰ, কথা তেনে হলে ৰ'ল। তোকে গাঁওসভাৰ সভাপতি পতা হ'ব। এতিয়া যা আৰু ভাঙৰ কি অৱস্থা হৈছে চাগৈ। তোৰ হাতৰ পৰশ নাপালে আচল সোৱাদ পোৱা নাযাব।"

বদ্ৰী পালোৱানে দুৱাৰৰ ওচৰত থিয় হৈ মিচিকিয়াই হাঁহি মাৰি ক'লে,—"যা চালা, আকৌ সেই ভাং ঘোটগৈ।"

শনিচৰ তাৰপৰা আঁতৰি গ'ল। কিছু সময় মৌনতাৰ পাছত প্ৰিন্সিপালে আকৌ লাহেকৈ ক'লে,—"আপোনালোকে আপত্তি নকৰে যদি খান্না মাষ্টৰৰ বিষয়ে কথা এটা কব খোজোঁ।"

কেনেও আপত্তি নকৰিলে।

"এটা ঘটনা হ'ল। যোৱা পৰহি গধূলি সময়ত গয়াদীনৰ চোতালত এটা দলিৰ নিচিনা পৰিল। গয়াদীন সেই সময়ত ঘৰত নাছিল। দলিটো বেলাৰ পেহীয়েকে দেখা পাই তুলি ললে। দলিটো এটা বন্ধ কৰা লেফাফাহে আছিল। পেহীয়েকে বেলাৰ হতুৱাই লেফাফাটো খোলাই তাৰ ভিতৰত থকা কাগজখন পঢ়ি শুনাবলৈ ক'লে। কিন্তু বেলাই পঢ়িব নোৱাৰিলে।

ৰঙ্গনাথে বৰ মনোযোগেৰে কথাবিলাক শুনি আছিল। তেওঁ সুধিলে,—“ইংৰাজীত লিখা আছিলনেকি ?”

“ইংৰাজীতনো কোনে লিখিব ? হিন্দীতেই লিখা আছিল। কিন্তু কুমাৰী ছোৱালীয়ে কেনেকৈ পঢ়িব। সেইখন আছিল এখন প্ৰেমপত্ৰ।”

বৈদ্য ডাঙৰীয়াই মনে মনে শুনি আছিল। ৰঙ্গনাথৰ কোনেনো লিখিছিল বুলি সুধিবলৈ সাহস নহ'ল।

প্ৰিন্সিপালে ক'লে,—“অৱশ্যে চিঠিখন কোনে লিখিছিল নাজানো, মোৰ সন্দেহ হৈছে খান্না মাষ্টৰৰ গোষ্ঠীৰ কাৰোবাৰ ইয়াত হাত আছে। কিন্তু খান্না মাষ্টৰে আপোনাৰ বিপক্ষে কুৎসা ৰটি ফুৰিছে আৰু কৈছে যে সেই চিঠিখন ৰূপ্পনবাবুৱে দিছে। এতিয়া তাৰ সাহ হৈছে বা সি আপোনাৰ বংশক কলঙ্কিত কৰিব খুজিছে।”

প্ৰিন্সিপালৰ কথাষাৰে বৈদ্য ডাঙৰীয়াৰ ওপৰত একো প্ৰভাৱ পেলাব পৰা যেন দেখা নগ'ল। তাৰ সলনি তেওঁ কিছু সময় মনে মনে থাকিল। পাছত তেওঁ মাত লগালে—“সি মোৰ বংশক কেনেকৈ কলঙ্কিত কৰিব। গয়াদীনৰ বংশকহে সি কলঙ্কিত কৰিছে। ছোৱালী তাৰহে।”

বাৰ

কাৰ্ত্তিক পূৰ্ণিমাৰ দিনা শিৱপালগঞ্জৰপৰা প্ৰায় পাঁচ মাইল মান দূৰত এখন মেলা বহে। সেই ঠাইত হাবিৰে ভৰা এটা টিলা আছে আৰু তাৰ ওপৰত দেৱী মন্দিৰ এটা আছে। ইয়াৰ চাৰিওফালে পুৰণা অট্টালিকাৰ ইটা ভগা টুকুৰা সিঁচৰিত হৈ পৰি থকা দেখা যায়। হাবিখনত বগৰী গছকে ধৰি আন আন জাতীয় গছ আছে। ইয়াৰ আশেপাশে গোমধানৰ খেতি কৰা দেখা যায়। শহাপহুৰপৰা আৰম্ভ কৰি কুকুৰনেচীয়া বাঘলৈকে আৰু গোমধান চোৰৰপৰা ডকাইতলৈকে এই সকলোজাতি হাবিখনত সহজেই লুকাই থাকিব পাৰে। ওচৰৰ গাঁৱৰ ডেকা গাভৰুৰ মাজত প্ৰেম-পিৰিতী আদান প্ৰদানৰ বাবে এই হাবিখন হ'ল উপযুক্ত ঠাই। ইয়ালৈ চহৰৰপৰাও কেতিয়াবা পিক্‌নিক্ খোৱা দল আহে আৰু ডেকা গাভৰুৰ মাজত প্ৰেমপিৰিতীৰ খেলা চলে আৰু কেতিয়াবা চৌতে খৰমাৰি মন্দিৰ দৰ্শন কৰি তৃষিত মন আৰু শৰীৰ পৱিত্ৰ কৰে।

এই অঞ্চলৰ ওচৰত থকা বাইজে এই টিলাক লৈ গৰ্ব্ব অনুভৱ কৰে। কাৰণ তেওঁলোকৰ বাবে ইয়েই অজন্তা, ইলোৰা, খজুৰাহু, মহাবলীপুৰম, সকলো। তেওঁলোকৰ মাজত বিশ্বাস আছে যে এই মন্দিৰ দেবাসুৰৰ যুদ্ধৰ পিছত দেৱতাসকলে নিজ হাতেৰে দেবী থাকিবৰ বাবে বনাইছিল। টিলাৰ বিষয়ে তেওঁলোকে কয় যে

ইয়াৰ তলত বহুত টকা পইচা পুতি থোৱা আছে। অৰ্থ, ধৰ্ম্ম আৰু ইতিহাসৰ ফালৰপৰা এই টিলাৰ এটা বেচ মহত্ব আছে।

ইতিহাস আৰু পুৰাতত্বৰ বিষয়ে জ্ঞান আহৰণৰ বাবে ৰঙ্গনাথৰ প্ৰবল ইচ্ছা আছিল। সেইয়ে তেওঁৰ এই টিলাটোৰ বিষয়ে জানিবলৈ আগ্ৰহ জন্মে। ইয়াৰ মূৰ্ত্তিসমূহ গুপ্তযুগৰ আৰু মাটিৰ পাত্ৰৰ বহুতো খোলাকটিবোৰ, যাক 'টেৰাকোটা' কোৱা হয়, মৌৰ্য্য যুগৰ।

মাইকী মানুহৰ আগেপিছে মতা মানুহ আৰু ল'ৰা-ছোৱালীবোৰে দলবান্ধি মেলাৰ ফালে আগুৱাই গৈ আছিল। গৰুগাড়ীবোৰে আচৰিত ধৰণে বাট উলিয়াই দৌৰৰ প্ৰতিযোগিতা চলাইছিল। খোজ কাঢ়ি যোৱা মানুহে তাতোকৈ আচৰিত ধৰণে সেই দৌৰ প্ৰতিযোগিতাৰ মাজেৰে নিজকে বচাই আগুৱাই গৈছিল আৰু প্ৰমাণ কৰিছিল যে চহৰৰ চাৰি আলিত আটাইবোৰ মটৰ সমুখা-সমুখিকৈ যুদ্ধ কৰি চূৰমাৰ নোহোৱাহলে পুলিচৰ বিশেষত্ব মানুহে হয়তো অনুভৱ কৰিব নোৱাৰিলেহেঁতেন। বৰঞ্চ এইটোহে প্ৰমাণিত হৈছিল যে মানুহৰ আত্মৰক্ষাৰ প্ৰতি প্ৰবল ইচ্ছা আছে।

ৰঙ্গনাথে মেলাখন ভালকৈ চাবলৈ ধৰিলে আৰু চাই থাকোঁতেই ইয়াৰ কথাকাণ্ডৰ বিষয়ে জানিবলৈ সক্ষম হ'ল। জাৰ পৰিবলৈ আৰম্ভ কৰা সত্বেও তেওঁ কাৰো গাত গৰম কাপোৰ নেদেখিলে। অৱশ্যে দুই এটা ল'ৰা-ছোৱালীয়ে ফৰ্চা চুৱেটাৰ পিন্ধা তেওঁৰ চকুত পৰিল, তিৰোতা মানুহে ৰঙীন, কিন্তু সস্তা চিল্কৰ শাৰী পিন্ধিছিল। পিছে বেছি ভাগেই সুদা ভৰিৰেই খোজ কাঢ়িছিল আৰু পুৰুষৰ অৱস্থাতো তথৈবচ।

এইবিলাক দৃশ্যাৱলী চোৱা আৰু বুজাৰ তুলনাত পুৰাতত্ব পঢ়াটো

এটা সুন্দৰ ব্যৱসায়—তেওঁ নিজকে ধিক্কাৰ দি এইকথাষাৰ ভাবিলে আৰু ৰূপ্পন বাবুৰ ফাললৈ মূৰটো ঘূৰাই দিলে।

ৰূপ্পন বাবুৱে চিঞৰি তিনিজন চাইকেল আৰোহীক চাইকেলৰ-পৰা নমাই দিলে। ভীৰৰপৰা আঁতৰি ৰাস্তাৰ কাষত তেওঁলোকে নিজৰ নিজৰ চাইকেল কেইখন ধৰি থিয় হ'ল। তিনিওজনৰ মাজত চৰ্দ্দাৰ যেন দেখা মানুহজনে মূৰৰপৰা ৰংযোৱা হেটটো খুলি বিছনিৰ দৰে বিছিবলৈ ধৰিলে। ঠাণ্ডাপৰা সত্বেও তেওঁৰ কপালত বিন্দু বিন্দু ঘামে দেখা দিছিল। তেওঁ হাফ্‌পেণ্ট কামিজ আৰু খোলা ডিঙিৰ কোট এটা পিন্ধিছিল। চৰ্দ্দাৰৰ দুই সহযাত্ৰী ধুতি-পাঞ্জাবী টুপী পিন্ধা মানুহ আছিল আৰু চেহেৰাৰপৰা মহা ধুৰন্ধৰ যেন দেখা সত্বেও নিজৰ চৰ্দ্দাৰৰ লগত বেচ ভদ্ৰভাৱেই আহিছিল।

"আজিতো মেলাত চাৰিওফালে পইচাই পইচা হ'ব, কি বোলে?" ৰূপ্পন বাবুৱে হাঁহি মাৰি ওচৰৰ মানুহটোক অলপ জোকালে। সেই মানুহটোৱে চকু দুটা মুদি মূৰটো লৰাই বুধিয়কৰ দৰে কলে,—"হ'ব, পিছে আজিকালি দেখোন পইচাৰ কোনো মূল্যই নোহোৱা হ'ল ৰূপ্পন বাবু!"

যোগনাথৰ ওপৰত পুলিচৰ চোকা দৃষ্টি আছে। কাৰণ গাঁৱত হোৱা চুৰি ডকাইতিত সি জড়িত থাকে বুলি থানাৰ বহীত তাৰ নাম উল্লেখ কৰা আছে। কিন্তু যোগনাথক বৈশ্য ডাঙৰীয়াৰ মানুহ বুলিয়েই গয়াদীনৰ ঘৰত হোৱা চুৰিৰ বাবে তাক সহজে ধৰি নিয়া নহৈছিল। তথাপি তাৰ ওপৰত পুলিচে চোকা দৃষ্টি ৰাখিছিল।

আজি মেলালৈ যোগনাথ ৰূপ্পন বাবুৰ সৈতে এই বাবেই আহিছিল। কাৰণ সি ভয় খাইছিল যে তাক পুলিচে অকলে পালে ধৰি নিব পাৰে। শনিচৰো ৰূপ্পনহঁতৰ দলত আছিল।

যোগনাথে ৰূপ্লন বাবুৰ কাষে কাষে আহি আছিল। যিদিনা গাঁৱলৈ চোৰ আহিছিল, সেইদিনাৰপৰাই মানুহে যোগনাথক অলপ সমীহ কৰি চলিছিল। গয়াদীনৰ ঘৰত চুৰি হোৱাৰে পৰাই যোগনাথে মন কৰিছিল যে মানুহে তাক আগতকৈয়ো বেছি সন্দেহৰ চকুৰে চাবলৈ লৈছে। স্বভাৱতঃ সি খুব জুৱাৰী আছিল।

যোগনাথৰ বাবে এই কথাটো বেচ চিন্তাৰ আছিল। ইফালে আক' কিছুদিনৰ আগতে দাৰোগায়ো তাক থানালৈ মাতি পঠাইছিল। সি লগতে ৰূপ্লন বাবুকো লৈ গৈছিল। দাৰোগাই কলে,—"ৰাইজৰ সহায় নহলে একো কৰিব নোৱাৰি।"

তেওঁ গম্ভীৰভাৱে বুজালে,—"গয়াদীনৰ ঘৰৰ চুৰিৰ বিষয়ত একোৱেই কৰিব পৰা নাই। যেতিয়ালৈকে আপোনালোকে আপোনালোকৰ সহযোগ আগ নবঢ়ায়, তেতিয়ালৈকে একো কৰিব পৰা নহ'ব……।"

ৰূপ্লন বাবুৱে ক'লে,—"আমাৰ পূৰ্ণ সহযোগ আছে। বিশ্বাস নহ'লে কলেজৰ যিকোনো ছাত্ৰকে হাজোতত ভৰাই চাব পাৰে।"

দাৰোগাই কিছু সময় চিন্তা কৰি মাত লগালে,—"বিলাতী নিয়ম এই কেচত অতি উত্তমভাৱে খটুৱাব পৰা যাব। শতকৰা আশীজন অপৰাধীয়ে তো নিজে নিজেই অপৰাধ স্বীকাৰ কৰে। আমাৰ ইয়াত তো……।" কৈয়েই তেওঁ ৰৈ গৈ হঠাৎ যোগনাথৰ ফালে গভীৰ দৃষ্টিৰে চালে।

ৰূপ্লন বাবুৱে উত্তৰ দিলে,—"বিলাতী তো আৰু ইয়াত নচলাব। শতকৰা আশীজন অপৰাধীয়ে যদি নিজে নিজেই দোষ স্বীকাৰ কৰিবলৈ আৰম্ভ কৰে তেনেহলে দেখোন কাইলৈৰপৰা আপোনাৰ

থানাত ডিউটি দিবলৈ দহজন চিপাহীৰ ঠাইত দুজনেহে ৰ'বগৈ। বাকীকেইটা চোন জেলতে থাকিব লাগিব।"

এইদৰেই আচঙ্গ কথা ফূৰ্ত্তিৰ মাজেৰে এবাই গৈ আছিল। যোগনাথক দাৰোগাই কেলেই মাতি পঠাইছিল, সেইটোৱেই পৰিষ্কাৰ নহ'লগৈ। সেই কথাই দোহাৰি ৰূপন বাবুৱে আজি গৰ্ব্বেৰে সৈতে কৈছে,—"হেই যোগনাথ, মৰা বাতুলীটোৰ দৰে মুখখন কৰি গ'লে কি হ'ব? ফূৰ্ত্তি কৰ। হেৰ' দাৰোগাতো আৰু বাঘ নহয় যে তোক খাই পেলাব।"

কিন্তু ছোটে পালোৱানে বিৰক্তিৰে সৈতে ক'লে,—"আমাৰ কিন্তু এটা নিজা হিচাপ আছে, এইফালে জুই খাবি, সিফালে আঙঠা উলিয়াবি। যোগনাথেতো বৈদ্য ডাঙৰীয়াৰ লগত আলোচনা কৰি গয়াদীনৰ ঘৰত সোমোৱাগৈ নাছিল। পিছে এতিয়া তেওঁৰ গাত ধৰি কিয় ওলমিব লগা হৈছে?"

যোগনাথে তাৰ প্ৰতিবাদ কৰি কিবা এষাৰ কওঁতেই এখন গৰুগাড়ী পিছফালেদি ঘৰ্ ঘৰ্ শব্দ কৰি পাৰ হৈ গ'ল।

ৰঙ্গনাথে মুখত পৰা ধুলিবোৰ মচিবলৈ ধৰিলে। ছোটে পালোৱানে কিন্তু চকুৰ পলক এটাও নেপেলালে; যেনেদৰে আছিল তেনেকৈয়ে থাকিল। গীতা শুনাৰ পিছত যেনেকৈ অৰ্জ্জুনে ওঠৰটা দিন কুৰুক্ষেত্ৰৰ ধুলি সহ্য কৰি আছিল, ঠিক তেনেকৈয়ে ছোটে পালোৱানেও গৰুগাড়ীয়ে উৰাই যোৱা ধুলি গা পাতি গ্ৰহণ কৰিলে। তাৰপিছত বিৰক্তিৰে ক'লে,—"সত্য আৰু গাধৰ লাঠি সহ্য কৰিব পৰা মানুহ খুব কমেইহে পোৱা যায়। যোগনাথৰ বিষয়ে মানুহে যি কথা গাঁৱত ফুচফুচাই কোৱাকুই কৰি ফুৰিছে, সেয়া যেনিবা মই মুখ খুলি কৈ দিলোঁ। ইয়াত কোৱামেলা কৰিবলৈ কিটো আছে?"

শনীচৰে শান্তি স্থাপন কৰিবলৈ চেষ্টা কৰিলে। মুখীয়াল হোৱাৰ আশাত সি এতিয়াৰপৰাই বৈদ্য ডাঙৰীয়াৰ দৰে সত্য কথা কোৱাৰ নিয়মৰ অভ্যাস কৰিবলৈ লাগি গৈছিল। ক'লে,—"নিজ ভিতৰতে এইদৰে খুট্ খুট্ খাট্ খাটখন ঠিক নহয়। গোটেই সংসাৰে যোগনাথক যিয়েই নকওক লাগে, আমি যেতিয়া এবাৰ তাক ভাল বুলি কৈছিলো তেতিয়া তাৰ আৰু ইফাল সিফাল নাই। মতা মানুহৰ জিভা এখন নে দুখন হো?"

ছোটে পালোৱানে নাকটো কোচাই ক'লে,—"তাৰ মানে তই মতা হ'বলা?"

বাটত ৰূপ্পনহঁতৰ দলটোৱে লঙ্গৰক দেখা পালে। ৰঙ্গনাথে মাত লগালে,—"অ, এঔ দেখোন ইয়াতো আহি ওলালহি।"

লঙ্গৰে বাটৰ কাষৰ গছ এজোপাৰ তলত গামোছা এখন পাৰি তাতে বহি আছিল আৰু মাজে-সময়ে মুখেৰে কিবাকিবি বকি আছিল। শনিচৰে মাত লগালে,—"লঙ্গৰৰ কি চিন্তা য'তে ইচ্ছা ত'তে লঙ্গৰ পেলাই বহি গ'ল। বৰ সুখী মানুহ।"

ছোটে পালোৱানে কিন্তু লঙ্গৰক সিমান ভাল নাপায় আৰু পৰাপক্ষত দেখিব নোৱাৰে। সি প্ৰায় খঙেৰে কলে,—"বৰ সুখী মানুহ বোলাইছে। চালাই যে শূলৰ ওপৰত বহি আছে কব নোৱাৰে। পৰহি তহচীলদাৰৰ লগত কাজিয়া কৰি আহিছে। মজা এপালি পাব নহয়।"

সিহঁত লঙ্গৰৰ কাষেৰেই পাৰ হৈ গ'ল। ৰূপ্পনে ৰিঙিয়াই সুধিলে,—"বোলোঁ হেৰা লঙ্গৰ ককাই, বোলোঁ কি খবৰ? নকল পালানে নাই পিছে?" লঙ্গৰে বকিবলৈ বন্ধ কৰিলে। কপালখন হাতেৰে ঢাকি ধৰি ৰ'দৰ মাজেৰে সি ৰূপ্পন বাবুক চিনি পালে।

উত্তৰ দিলে,—“ক’তনো পালো বাপু? এফালেদি নকলৰ দৰখাস্ত সদৰৰ অফিচলৈ পঠোৱা হ’ল, সিফালেদি কেচ্ আহি এইখিনি পালেহি। এতিয়া আকৌ পোন্ধৰ দিন বেছি লাগিব।”

এনেতে শনিয়ে মাত লগালে,—“শুনিবলৈ পাইছোঁ। তহচীলদাৰৰ লগত হেনো কাজিয়া পেচাল হ’ল বোলে।”

“ই কেনে কথা বাপু? য’ত আইন-কানুনৰ কথা আছে, তাত কাজিয়া পেচালে কি ডাল কৰিব?”

ছোটে পালোৱানে নাকটো কোঁচাই তাৰ ফালে চালে। তাৰ পিছত মন্তব্য কৰি কলে,—“মুখেৰে সাত হাল বালে একো লাভ নাই। চালা নকল নবীচৰ ওচৰলৈ গৈ পাঁচ টকা ধৰাই দিলেই হয় দেখোন।”

“তুমি এইবোৰ নুবুজিবা, ছোটে। এয়া হ’ল সিদ্ধান্তৰ কথা।” ৰঙ্গনাথে বুজালে।

“ঠিক আছে, যদি এইটোৱেই কথা হয় তেন্তে খাই ফুৰক হাবাথুৰি।”

তেৰ

মন্দিৰ দৰ্শন কৰা লৈ ৰঙ্গনাথহঁতৰ মাজত আলোচনা চলিল। ছোটে পালোৱানে মাত লগালে,—“মই ভাই এতিয়া মন্দিৰ দৰ্শন কৰিব নোৱাৰোঁ। পেটত একো এটা ফুটা কড়ি পৰা নাই। ৰাতিপুৱাৰপৰা ঘূৰি ফুৰিছোঁ। খুব ভোক লাগিছে। মই সৌ

মিঠাইৰ দোকানলৈকে যাওঁ। মোক তাতে লগ ধৰিবা। সি দোকানৰ ফালে আগ বাঢ়িল।

ৰঙ্গনাথক কোৱা হৈছিল যে মন্দিৰটো সত্যযুগৰে। যি আগৰে পৰাই মন্দিৰৰ কাষত পৰি থকা কোনো এটুকুৰা শিলৰ ওপৰত খোদিত বিৱৰণ পঢ়িবলৈ কল্পনা কৰি আছিল আৰু দূৰৈৰপৰাই মন্দিৰটো দেখিয়েই তাৰ বিশ্বাস হৈ গৈছিল যে দেশৰ জনসাধাৰণে সময়ৰ বিষয়ে মাত্ৰ দুটা শব্দ জানে আৰু সেই দুয়োটা শব্দ হৈছে অনাদি আৰু অনন্ত। ইয়াৰ বাহিৰেও অৱশ্যে তেওঁলোকে এই পুৰণিকলীয়া মন্দিৰটো যে গুপ্তবংশীয় সেই কথাও জানে।

মন্দিৰৰ গাত এঠাইত লিখা আছিল,—"মহিষমৰ্দ্দিনীৰ এই মন্দিৰটো ভীখাপুৰ নিবাসী ইকবাল বাহাদুৰ সিঙৰ পুত্ৰ নৰেন্দ্ৰ বাহাদুৰসিঙৰ দ্বাৰা কোনো এক কাতিমাহৰ দশমী তিথিত বনোৱা হৈছিল।" অৱশ্যে মন্দিৰটো কোন চনত বা কোন তাৰিখত বনোৱা হৈছিল সেই কথা উল্লেখ নাই। ইয়াক পঢ়াৰ পাছত ৰঙ্গনাথৰ মনৰপৰা পুৰাতত্ত্বৰ ভাবধাৰা প্ৰায় শূন্যত বিলীন হোৱাৰ নিচিনা হ'ল।

মন্দিৰৰ ভিতৰলৈ সোমাবৰ বাবে চাৰিওফালে চাৰিখন দুৱাৰ আছে। মন্দিৰৰ একাষত প্ৰাচীন দেৱী মূৰ্ত্তিৰ প্ৰতিমা স্থাপন কৰা আছে। তাতে পূজা পাতল কৰা হয়। মন্দিৰৰ চাৰিওবেৰত বিভিন্ন দেৱ-দেৱীৰ প্ৰতিমূৰ্ত্তি খোদিত কৰা আছে।

যোগনাথে মন্দিৰত সোমায়েই অতি আনন্দৰে দেৱীৰ আগত সাষ্টাঙ্গে প্ৰণাম জনালে আৰু হৃষ্ট চিত্তেৰে ভজন গাবলৈ আৰম্ভ কৰি দিলে। ভজনৰ কিন্তু কোনো কথা বুজা নগ'ল।

শনিচৰও গাঁওসভাৰ সভাপতি হ'ব খুজিছিল আৰু সেইবাবে

ভগৱতীৰ আশীৰ্ব্বাদ কামনা কৰি ভিতৰলৈ সোমাই গৈ প্ৰতিমাৰ সন্মুখত বহি পৰিল। মন্দিৰৰ ভিতৰত মানুহৰ সমাগম যথেষ্ট হৈছিল আৰু কোনেও কাৰো মাত শুনা নাছিল। শনিচৰ গাঁজাখোৰটোৰ স্বভাৱনো কেনে আছিল তাক প্ৰকাশৰ বাবে সি য'লৈকে গৈছিল ত'ৰে মানুহৰ ওপৰত তাৰ অসভ্যতাৰ ঢাক-ঢোল নবজোৱাকৈ নাছিল। তাৰপৰা কিছুদূৰত মানুহবোৰ থিয় হৈ ৰ'ল। ৰূপনবাবুৱেও এবাৰ ছেগ বুজি প্ৰতিমাৰ সন্মুখত প্ৰণাম কৰি আহিল। তাৰপাছত আটাইকেউটাই মেলা চাবলৈ ওলাই গ'ল। সিহঁতৰ ওচৰতে ছোৱালী এজনীয়ে মূৰ্ত্তিৰ আগত প্ৰণাম কৰি মুখেৰে ভোৰ-ভোৰাই আছিল। ৰূপনবাবুৱে ভাবিলে এইয়েই আচল মেলা।

ৰঙ্গনাথে হাতযোৰ কৰি পোনে পোনেই প্ৰতিমাৰ ওচৰলৈ গ'ল আৰু মূৰ্ত্তিৰ অৱয়বটো নিৰীক্ষণ কৰিবলৈ ললে। প্ৰাচীন মূৰ্ত্তিকলাৰ বিষয়ে যি অলপ আভাষ আছিল তাৰ একেবাৰে নিৰৰ্থক যেন লাগিল। সি ভাবিলে—যদি এয়েই দেৱী মূৰ্ত্তি হয় তেনেহলে সি এতিয়ালৈকে দেখা খাজুৰাহু, ভূবনেশ্বৰ বা ইলোৰাৰ কৈলাসমন্দিৰত দেখা মূৰ্ত্তিনো কি আছিল? কাষতে থকা মূৰ্ত্তি এটালৈ ৰঙ্গনাথৰ দৃষ্টি পৰিল। মূৰ্ত্তিটোৰ কাৰুকাৰ্য্য অলপ আচৰিত ধৰণৰ আছিল। ইয়াৰ শিৰত চিপাহীয়ে পিন্ধাৰ দৰে এটা শিৰস্ত্ৰাণ, ডিঙিৰ তলছোৱা বহল আৰু বুকুৰ তল অংশ নাছিল। মন্দিৰ দৰ্শন কৰিবলৈ অহা সেই কোনো পৰ্য্যটকে এই মূৰ্ত্তি চাই একেষাৰ কথাতে মন্তব্য দি কব যে ই প্ৰায় বাৰ শতাব্দীৰ কোনো চিপাহীৰ মূৰ্ত্তি।

ৰঙ্গনাথৰ মনত সন্দেহ ওপজাত সি পূজাৰীক সুধিলে,—"এয়া

কোন দেৱতাৰ মূৰ্ত্তি?” পূজাৰী খুব ব্যস্ত থকাত তেওঁ প্ৰায় চিঞৰিয়েই ক’লে,—“আগতে জেপৰপৰা কিছু পইচা উলিয়াই পূজাৰ কাৰণে দিয়া। তেতিয়া নিজে নিজেই জানিব পাৰিবা কোন দেৱতাৰ মূৰ্ত্তি।”

ৰঙ্গনাথে অলপ আগবাঢ়ি গৈ মুৰ্ত্তিৰ ডিঙিটো স্পৰ্শ কৰি চালে। পূজাৰীয়ে তাক সন্দেহৰ চকুৰে চালে আৰু শিক্ষিত মানুহৰ দৰে ক’লে, “মূৰ্ত্তিক হাতেৰে স্পৰ্শ কৰা একেবাৰে অনুচিত।”

ছোৱালীজনীয়ে মূৰ্ত্তি দৰ্শন কৰি বাহিৰলৈ ওলাই গ’ল। ৰূপ্পনবাবুৱে মেলা শেষ হ’ল বুলি ভাবিলে। সি ৰঙ্গনাথৰ হাতখনত টান মাৰি ক’লে,—“দৰ্শনতো হলেই। এতিয়া ব’লা যোৱা যাওক।”

“দৰ্শন আৰু কি হ’ব? এইয়া দেৱীৰ মূৰ্ত্তিয়েই নহয়।”

ৰঙ্গনাথৰ কথা শুনি ওচৰতে বৈ থকা গাঁজাখোৰ তিনিওটা তাৰ গুৰিলৈ দৌৰি অহাদি আহিলে। ৰঙ্গনাথে বিজ্ঞৰদৰে ৰূপ্পনবাবুক বুজাবলৈ ধৰিলে,—“দেখা নাই জানো? এইটো একেবাৰে কোনো চিপাহীৰ মূৰ্ত্তি। এইফালে চোৰাঁ—এইয়া শিৰস্ত্ৰাণ আৰু এইফালে চোৰাঁ—পাছফালে ওলাই অহা কাঁড় থোৱা তূণ আৰু এইফালে একেবাৰে মিহি।” ৰঙ্গনাথে চিপাহীৰ বীৰত্বপূৰ্ণ বক্ষস্থল সম্পূৰ্ণৰূপে বৰ্ণনা কৰিবলৈ নাপালে। তাৰ আগতেই পূজাৰী উঠি আহি তাক এটা ঠেলা মাৰিলে আৰু সি একো ঠাৱৰ কৰিব নোৱাৰি দুৱাৰৰ কাষ পালেগৈ। মানুহবিলাকে একো বুজিব নোৱাৰি পূজাৰী আৰু ৰঙ্গনাথৰ ফালে চালে।

ইফালে পূজাৰীয়ে পূজা কৰা আৰু পইচা বোটলা কাম বাদ দি হেঁপাহ পলুৱাই ৰঙ্গনাথক গালি পাৰিবলৈ ধৰিলে। গাঁজাখোৰ কেইটা একেবাৰে বুৰ্ব্বক হৈ মন্দিৰৰ বাহিৰ ওলাল। পূজাৰীয়ে

দুৱাৰৰ ওচৰলৈ আহি চিঞৰি কবলৈ ধৰিলে,—"মইতো মুখ কেইখন দেখিয়েই চিনি পাইছিলোঁ। খৃষ্টিয়ান,—ইংৰাজৰ পুতেক। অলপ ক-ক, ম-ম শিকিলে। কবলৈ আহিছে এইয়া দেৱী নহয়েই। চাৰি পাঁচদিনৰ পাছত ক'ব মোৰ বোপাই বোপায়েই নহয়।"

শনিচৰ আৰু যোগনাথে আচল ঘটনাটো ভালকৈ বুজি পোৱা নাছিল। তথাপি সিহঁতে হাতভৰি জোকাৰি হুলস্থুল লগাই দিলে। তেতিয়ালৈ ৰূপ্পনবাবুৰ বিচাৰ বুদ্ধি মগজলৈ ঘূৰি আহিল। সি ৰঙ্গনাথৰ হাতত ধৰি ক'লে,—"ব'লা দাদা।" পুনৰ পূজাৰীৰ ফালে চাই চিঞৰি ক'লে,—"চাওক মহাৰাজ, মেলা উৎসৱৰ দিনা বেছি গণ্ডগোল নকৰিব। আপোনাৰ বয়সেও ভাটি দিছে। অলপ নম্ৰ হ'ব লাগে।"

পূজাৰীয়ে কিবা কবলৈ মুখ মেলোঁতেই ৰূপ্পনবাবুৱে পুনৰ ক'লে,—"হৈছে, হৈছে বহুত হৈছে। আৰু বেছি পায়তাৰা দেখুৱাব নালাগে। আমি শিৱপালগঞ্জৰ মানুহ। আপোনাৰ মুখৰ কথা মুখতে ৰাখক।"

অলপদূৰ গৈ ৰঙ্গনাথে ক'লে,—"ভুল অৱশ্যে মোৰেই আছিল। মই একো কব নালাগিছিল।"

ৰূপ্পনবাবুৱে সান্ত্বনা দি ক'লে,—"কথাটো ঠিকেই। ভুল তোমাৰ নহয়, তোমাৰ বিদ্যাৰহে।"

শনিচৰেও ক'লে,—"সঁচা কথা পঢ়াশুনা কৰি মানুহে পঢ়াশুনা মানুহৰ নিচিনাকৈ কথা কবলৈ আৰম্ভ কৰে। কথা কোৱাৰ আচল ৰূপটো পাহৰি যায়। নহয় নে বাৰু যোগনাথ?"

যোগনাথে একো উত্তৰ নিদিলে। সি তেতিয়া ভীৰ ঠেলি গাভৰু ছোৱালীক ঠেলা হেঁচা কৰাত ব্যস্ত আছিল।

ৰূপ্পনবাবু আহি সিংহ চাহাবৰ ওচৰত থিয় হ'লহি। সিংহ চাহাৰ

থানাৰ দাৰোগা। তেওঁৰ মুখত চাৰি পাঁচদিন ধৰি নুখুৰোৱা দাড়িৰে ভৰি পৰিছিল। ওঁঠৰ কোৱাৰীয়েদি ধপাতৰ পিক ওলাওঁ ওলাওঁ অৱস্থাত আছিল। এই সকলোবোৰ থকা সত্বেও তেওঁৰ মূৰত পিন্ধা টুপীটোৰ কাৰণে তেওঁক কিছু এলেহুৱা যেন দেখা গৈছিল।

ৰূপনবাবুৱে মাত লগালে,—"কওক সিংহ চাহাব, কি খবৰ?"

"খবৰ বেখবৰ ভাই। দহোটাকৈ চালান দিব লগা হৈছে। এতিয়াতো ৰূপনবাবু, এই বয়সত মই কিবা ধৰণৰ হৈ গলোঁ। সাক্ষীৰ কাৰণে আদালতত ঘূৰোঁতে ঘূৰোঁতে মোৰ ভৰিৰ ছাল যাব যেন দেখিছোঁ।"

ৰূপনবাবুৱে মেলাত গোট খোৱা মানুহৰ ভীৰৰ হুলস্থূলৰ মাজতো নিজৰ মাতটো ডাঙৰ কৰি চিঞৰি ক'লে,—"আৰু চালান দি কি লাভ আছে, সিংহ চাহাব। পাঁচ দহ টকা লৈ শেষ কৰক।"

সিংহ চাহাবেও চিঞৰি ক'লে,—"কোন আছে চালা পাঁচ দহ টকা দেনেৱালা? সিফালৰ ফেৰীৱলাটোক চালান কৰিছিলোঁ। সবেই চালা দুই দুই টকাকৈ লবলৈ সাজু হৈ আছে। মই কলোঁ চালান লাগে যদি ল তাকেই কৰি দিওঁ।"

ৰূপনবাবুৱে মাত লগালে,—"ক'ত আছে সেই ফেৰীৱলা? বৰ মূৰ্খ দেখিছোঁ।"

ওচৰতে এটা শকত আৱত মানুহ থিয় দি আছিল। সি লাহেকৈ মাত লগালে,—"বাবু চাহাব, মইয়ে ফেৰীৱলা। ইমান সময় ইন্সপেক্টৰ চাহাবৰ খোচামোদৰ কাৰণে থিয় হৈ আছোঁ। পাছে এই দহটকা ফিজ ফেৰীৰ হিচাপৰপৰা তললৈ নানামেই।"

ৰূপনবাবুৱে ক'লে—"লৈ থওক, সিংহ চাহাব। দুটকা হিচাপেও কুৰি টকা হৈ যাব কিনো বেয়া।"

সিংহচাহাবে ক'লে,—"ডুটকা? এতিয়া আৰু ইমান লাজত নেপেলাব ৰূপ্পনবাবু।"

শকত মানুহটোৱে ৰূপ্পনৰ কথাত উৎসাহিত হৈ ক'লে,—"বাবু চাহাব, মোৰ ফালেও এবাৰ চাব লাগে। গোটেই বছৰৰ পাছত এই ফেৰী আৰম্ভ কৰিছোঁ। দহ টকা এই ফালে গুচি গলে বাচিবনো কিটো?"

ৰূপ্পনবাবুৰ এতিয়া ফেৰীৱলাটোৰ লগত খোচামোদী কৰি বেচ ভাল লাগিল। সি ক'লে,—"ঠিকেইটো কৈছে। মাতিবনো সি কিটো? এতিয়া মানি লওক সিংহ চাহাব, আঢ়ৈ টকাতে কথা শেষ কৰক। আপোনাৰো কথা থাকিব তাৰো কথা ৰ'ব।" তাৰ পাছত শকত মানুহটোক ক'লে,—"যা এতিয়াই পঁচিছ টকা সিংহ চাহাবক দে আৰু অলপ অচৰপ মিঠাই-চিঠাই আন।"

ফেৰীৱলাটো যোৱাৰ পাছত আন মানুহে শুনাকৈ সিংহ চাহাবে চিঞৰ ক'লে—"এই চা, মিঠাই নানিবি।"

ৰূপ্পনবাবু আৰু ওচৰ চাপি আহিল। ঘৰুৱা কথা আৰম্ভ হ'ল। সুধিলে,—"সিংহ চাহাব, আপোনাৰ দালানৰ কি খবৰ?"

"দালান নহয় এতিয়া। ঘৰ বুলিয়েই কওক। আধা সজা হৈ পৰি আছে। ভাৱিছোঁ, এনে অৱস্থাতে নীলাম কৰি দিওঁ।"

ৰঙ্গনাথ ভিতৰি ভিতৰি জ্বলি আছিল। মন্দিৰত গালি শুনাৰ পাছত তাৰ মনটোৱে কাৰোবাৰ লগত কাজিয়া কৰিবলৈ উত্ৰাৱল হৈ আছিল। দাৰোগাৰ কথা শুনি মাত লগালে,—"আপোনাৰ দালানটো সজা শেষ কৰিব পৰা নাইনে?"

সিংহ চাহাবৰ এইষাৰ কথাত সিমান খং নুঠিল। কেৱলমাত্ৰ ৰূপ্পনবাবুক সুধিলে,—"এওঁনো কোন?"

ৰূপ্পনবাবুৱে ক'লে—"ই মোৰ পেহাৰ ল'ৰা দাদা। ইয়াৰ কথাত বেয়া নাপাব। অলপ বেছি পঢ়াশুনা কৰা। গতিকে কেতিয়াবা ওলোটা চিধা কথা কয়।"

সিংহচাহাবে আশ্বাস দি ক'লে,—"কোনো কথা নাই। যেনেকৈয়ে নহওক, ঘৰৰ মানুহ।"

ৰঙ্গনাথে ওঁঠটো কামুৰিলে আৰু এটা দীঘলীয়া উশাহ ললে। সিংহচাহাবে তাক বুজাবলৈ আৰম্ভ কৰিলে,—"সেইদিন আৰু নাই। দালানৰ যুগ গ'ল। ঘোঁচ খোৱা টকাৰে আজিকালি দালান সজা নহয়। ঘৰৰ ওপৰখন খেৰৰ চাল হৈছে। ইয়েই বহুত।"

ফেৰীৱলাটো ঘূৰি আহিল। সি পঁচিছ টকাৰ নোট কেইখন সিংহচাহাবৰ হাতত দিলে। নোট কেইখন এটকীয়া আছিল। নিজৰ কথা এৰি তেওঁ নোটবোৰ দুবাৰ গণিলে। এখন নোট অলপ বেছি লেতেৰা আছিল আৰু সেইখন সলনি কৰি ললে। নোটখিনি কামিজৰ তলৰ বনিয়নৰ জেপত লাহেকৈ ভৰাই ললে।

ৰঙ্গনাথে সিংহচাহাবৰ মুখলৈকে চাই আছিল। তাৰপাছত দাৰোগাই লাহেকৈ ক'লে,—"যুগৰ অৱস্থা দেখিলোঁ। আগতে গম পাইছিলোঁ যে ঘোঁচ লোৱা হাকিম হয় যদি তেওঁক হেজাৰ হেজাৰ লোকে আগুৰি থাকে। পইচা দিছিল আৰু ওপৰৰপৰা সুবিধা বিচাৰিছিল। এতিয়া কোনেও ওচৰ নাচাপে। কোনোবা আছে যদি—আমাৰ ৰূপ্পনবাবুৰে কাৰোবাক লগত লৈ আছে।"

সিংহচাহাবে ৰূপ্পনবাবুক পুনৰ বুজাই কলে,—"দীননাথ তহচীল-দাৰৰ কি হ'ল জানেনে আপুনি? কেতিয়াবা বৈদ্য ডাঙৰীয়াক সুধিবচোন। শিৱপালগঞ্জত আহি চাৰি মাহ বহি থাকিল।

কোনেও এটা ফুটা কড়ি নিদিলে। তেতিয়া এদিন তেওঁ আদালততেই গৰম হৈ গ'ল। দুই চাৰিজন উকীল ওচৰতেই থিয় দি আছিল। তেওঁলোকক কলে,—"ঘটনা কি? মানুহে ইয়াকেই ভাবিছে নেকি যে মই পইচা নুচুওঁ বুলি। যদি এনেকুৱাই হয় তেনেহলে আপোনালোকে তহচীলৰ শেষ চোৰটোকো জনাই দিয়ক যে মই ঘোঁচ খাওঁ। কোনেও যেন নজনাকৈ নাথাকে।" মানুহেও ভাবিছিল ধেমালি কৰিছে বুলি। পাছত যেতিয়া কিছুমান ডাঙৰ ডাঙৰ মানুহ আহিল আৰু বৈদ্য ডাঙৰীয়ায়ো নিজে দুই চাৰি ঠাইত কলে,—"তেতিয়া মানুহে খাটিৰ এৰি তেওঁৰ ওচৰলৈ টকা লৈ যাবলৈ ধৰিলে। এতিয়া কওক, ৰূপ্পনবাবু, ক'ৰবাত এনে ধৰণেৰে টকা গোট খাই জানো? এনেকৈতো চাউল, নিমখকণ পাই থাকিলেই হৈ যায়। ঘোঁচ লোৱাও আজিকালি বৰ গৌৰৱৰ কাম। তাৰপৰা একোটোৰেই নাবাচে। ঘোঁচ লোৱা আৰু নোলোৱা একেটাই কথা। সকলোৰে অৱস্থা শোচনীয়।"

দলটো এতিয়া তিনিভাগ হ'ল। যোগনাথ মদৰ দোকানৰ ফালে গ'ল। শনিচৰ আৰু ছোটে পালোৱান মেলাৰ আনফালে গ'ল। চিনি পোৱা দুই চাৰিটা মানুহে ভাং হুপিছিল। ৰঙ্গনাথ আৰু ৰূপ্পনবাবু একেলগে ঘূৰি আহিল।

ৰঙ্গনাথ অলপ গহীন হৈ গৈছিল। ভাগৰিও পৰিছিল। এটা নাদৰ কাষতে ভাগৰ পলুৱাবৰ বাবে বহি পৰিল। ৰূপ্পনেও তাৰ কাষতে থিয় দি অলপ দূৰত হোৱা পাৰচৰাই দুটাৰ যুঁজ চাবলৈ ধৰিলে।

নাদটোৰপৰা অলপ দূৰত এটা জৰাজীৰ্ণ জুপুৰীৰ খুটা এটাৰ ওচৰতে এজনী ছোৱালী বহি আছিল। শাওঁ বৰণীয়া এজনী

গাভৰু ছোৱালী। চকুত লগা এখন সাড়ী পিন্ধি আছিল। নাকত নাকফুল। মেলাৰ লেতেৰা আৱহাওৱাৰ বিপৰীতে ৰঙ্গনাথৰ এই দৃশ্যটো ভালেই লাগিল। সিও সেইফালে চাই থাকিল।

লেতেৰা লুঙী আৰু চকুত লগা নকলী চিল্কৰ পৰিষ্কাৰ কামিজ এটা পিন্ধি এটা মানুহে ছোৱালীজনীৰপৰা অলপ দূৰত বহি বিড়ী হুপি আছিল। মানুহটোৱে তাৰ বহা ঠাইৰপৰা উঠি লাহে লাহে আহি ছোৱালীজনীৰ কাষত থিয় দিলেহি। পাছত তাইৰ-পৰা প্ৰায় এগজমান দূৰতে বহি পৰিল। সি কিবা এটা কলে আৰু ছোৱালীজনীয়ে মিচিকিয়ালে। ৰঙ্গনাথৰ ভাল লাগি গ'ল। সি বিচাৰিছিল যে ছোৱালীজনীয়ে তাৰ ফালেও চাওক। তাইও এবাৰ তাৰ ফালে চালে। সি বিচাৰিছিল যে ছোৱালীজনীয়ে তাৰফালে চাই আকৌ এবাৰ হাঁহক। তাই এবাৰ মিচিকিয়ালে। মানুহটোৱে আকৌ এটা বিড়ী জ্বলালে।

ৰঙ্গনাথৰ ওচৰত মানুহ এটা থিয় হ'লহি। তাৰ পিন্ধনত ধুতী, পাঞ্জাবী আৰু মূৰত এটা টুপী। গাঁৱৰ হিচাপত কোনো প্ৰতিভা সম্পন্ন মানুহে যেন লাগিছিল। ৰঙ্গনাথে তাৰফালে কেৰাহীকৈ চালে। পাছত সম্মুখৰ ফালে চাবলৈ ধৰিলে। ছোৱালীজনীয়ে মিচিকিয়াবলৈ এৰিলে। তাইৰ মুখত এনে ফটা কৰুণাৰ ভাৱ ফুটি উঠিল—যিটো কোনো হিন্দী চিনেমাত গান গোৱাৰ আগতে নায়িকাৰ মুখত ফুটি উঠে।

মানুহটোৱে লাহেকৈ ৰঙ্গনাথক সুধিলে,—"আপুনি ইয়াতে থাকে?"

ৰঙ্গনাথে মূৰ জোকাৰি কলে,—"নহয়।" মানুহটোৱে ৰঙ্গনাথৰ ওচৰতে বহি পৰিল আৰু লাহেকৈ ক'লে,—"এই গাঁৱৰ মানুহ-

বোৰে গানৰ একো মোল নুবুজে। চিনেমাৰ এইটো গান শুনাওক, সেইটো গান শুনাওক।”

ৰঙ্গনাথে মনোযোগেৰে মানুহটোৰ কথা শুনি থাকিল। কিন্তু একো বুজি নাপালে। সি কৈয়েই থাকিল,—“এনেকৈ এওঁৰপৰা টিলানা শুনক, দাদ্ৰা শুনক, প্ৰয়োজন হ’লে ঠুংৰী শুনক।”

ভাৱমুগ্ধহৈ মানুহটোৱে নিদ্ৰাসুলভ চকুদুটাৰে পিৰিকা-পিৰিক কৰি ক’লে,—ৰোহোপুৰলৈ গৈছিল। এতিয়া তেজগাঁৱলৈ যাব।”

ৰঙ্গনাথে এবাৰ এনেকৈ চহৰত থোৱা এখন সঙ্গীত সন্মিলনত ৰবিশঙ্কৰৰ বিষয়ে শুনিছিল। ঘোষকে কৈছিল,—“অলপতে এডিনবৰাৰপৰা ঘূৰি আহিছে। অহা জাৰৰ সময়ত নিউইয়ৰ্কলৈ যাব।”

সি মূৰ দুপিয়াই সমৰ্থন জনালে। এতিয়াহে সি কথাখিনিৰ অলপ আঁত ধৰিব পাৰিলে। মানুহটোৱে অলপ সময় ৰৈ পুনৰ কবলৈ ধৰিলে,—“এওঁলোকৰ কাম চলোৱা বিদ্যা নহয়। বৈঠকলৈ আহক, বহি শুনক—তেতিয়াহে গম পাব কোন আচল আৰু কোন নকল।”

ৰঙ্গনাথৰ দৃষ্টি সন্মুখৰফালে আছিল। ছোৱালীজনীৰ অলপ দূৰত থকা মানুহটো তাইৰ একেবাৰে কাষতে বহিল। দুয়ো কথা পাতিছিল, হাঁহিছিল আৰু ৰৈ ৰৈ ৰঙ্গনাথৰ ফালে চাই আছিল। ইমান সময়ৰ পাছত তাৰ অনুভৱ হ’ল যে ইহঁতে তাৰপৰা যেন কিছু ডাঙৰ আশা কৰিছে।

ৰঙ্গনাথ উঠি থিয় দিলে। সি ৰূপনবাবুৰ ফালে চালে। তেওঁ পাৰযুঁজ চাবলৈ আনটো মূৰলৈ উঠি গৈছিল। ৰঙ্গনাথৰ ওচৰত বহি থকা মানুহটোও থিয় হ’ল। সি অলপ সময় ভাবি পুনৰ ক’লে,—“নিজৰ ধৰ্ম্মৰে ছোৱালী। হিন্দু, বৰ চিধা। তাই কেৱল গান গায়। গুণী মানুহৰ মাজতে থাকে। ব্যৱসায় নকৰে।”

ৰঙ্গনাথে মানুহটোক ক'লে,—"বৰ ভাল কথা। গায়কে যদি ব্যৱসায় কৰে গান বেয়া হৈ যায়। গান এটা হ'ল সাধনাৰ বস্তু।"

মানুহটোৱে আচৰিত হৈ ক'লে,—"আপুনি দেখোন সকলো কথাই জানে। আপোনাক নো কি বুজাব লাগিছে। কেতিয়াবা বৈঠকলৈ আহিব।"

ৰূপ্পনবাবুক পাছফালৰপৰা অহা দেখি মানুহটো ৰৈ গ'ল। ৰূপ্পনে মানুহটোৰ কথা শুনি মাত লগালে,—"বৈঠকলৈ নিশ্চয় আহিব। কিন্তু কথা কাৰ লগত কৈছা? নিজৰ বাপেককতো মানি চলিব লাগে।"

মানুহটোৱে হাতযোৰ কৰিলে। তাৰ হাতৰ মুদ্ৰা সলনি হ'ল। এঁকবাৰ নিচিনাকৈ মিচিকিয়াই হাঁহি ক'লে,—"নিজৰ বোপাইতো টকা, হজুৰ।"

ৰঙ্গনাথে মিচিকিয়ালে। কেৰাহীকৈ চাই দেখিলে ছোৱালীজনীৰ হাঁহিটো আৰু অলপ ডাঙৰ হৈছে।

ৰূপ্পনবাবু আৰু ৰঙ্গনাথ দুয়ো মনে মনে আগবাঢ়ি গৈ থাকিল। শেহত ৰূপ্পনে মাত লগালে,—"সি কি কৈছিল? এতিয়া সি ব্যৱসায় আৰম্ভ কৰিছিলনে নাই।"

ৰঙ্গনাথ মনে মনে থাকিল।

"চাৰিওফালে জালচাজি। এই চালী বেশ্যাজনীক সৰুৰেপৰাই দেখিছোঁ। বছৰৰ পাছত বছৰ ধৰি নাকত নাকফুল ওলোমাই ঘূৰি ফুৰিছে আৰু সি তাৰে ঠুংৰী, দাদৰা নাগৰা পিটিছে। ম'হৰ নিচিনা মাতটো, তাতে আকৌ মস্ত ওস্তাদ হৈছে। গোটেই অঞ্চলটোৰ ভিতৰতে নাম কৰা বেশ্যা। কোনেও তাৰ কড়িটোও নোপোছে।" ৰূপ্পনে বিজ্ঞলোকৰ দৰে কৈ গ'ল।

ৰঙ্গনাথে ভাগৰ লগা মানুহৰ নিচিনাকৈ খোজকাঢ়ি গৈ আছিল। ৰূপনেও কৈ গৈ আছিল—“মই নোযোৱাহেঁতেন সি মনে মনে নাথাকিলেইহেঁতেন। তোমাকতো সি প্ৰায় ফান্দত পেলাইছিলেই।”

ৰঙ্গনাথে হঠাৎ সুধিলে,—“ৰূপন, তুমি বেলালৈ কিয় প্ৰেমপত্ৰ লিখিছিলা?”

এই প্ৰশ্ন শুনি ৰূপনবাবুৰ ব্যাখ্যা সোলোক-ঢোলোক হ'ল। সি নিজকে চম্ভালি ক'লে,—“তুমি ইমানদিন চহৰত আছা, অথচ নাজানা কোনোবাই কাৰোবালৈ কিয় প্ৰেমপত্ৰ লিখে।”

ৰঙ্গনাথৰ ইয়াৰ উত্তৰ দিবলৈ একো নাছিল। মাথোন ইয়াকে ক'লে,—“মামাৰ বৰ খঙ উঠিছিল।”

ৰূপন ততালিকে বৈ গ'ল আৰু গৰজি ক'লে,—“দেউতাই কিয় খঙ কৰিব। তেখেতক কবা মোৰ সৈতে যেন চিধাচিধিভাৱে কথা কয়। তেখেতৰ বিয়া চৌধ বছৰ বয়সত হৈছিল। প্ৰথম গৰাকী মা ঢুকুৱাৰ পাছত পোন্ধৰ বছৰ বয়সত দ্বিতীয় গৰাকী মাক বিয়া কৰাইছিল। এবছৰো অকলে থাকিবলগীয়া নহৈছিল। এইটোতো কায়দা লগাই কৰিছিল আৰু বেকায়দাৰে কিমান বিয়া কৰিছিল শুনিবা নেকি?—”

ৰঙ্গনাথে ক'লে,—“মই শুনিব নোখোজোঁ।”

চৈধ্য

শেহ নিশাৰ ফাললৈ বৈদ্য ডাঙৰীয়াই জাৰ জাৰ অনুভৱ কৰাত তেওঁৰ টোপনি ভাগি গ'ল। চ্যৱনপ্ৰাশ, স্বৰ্ণভষ্ম আৰু বাদাম পাক ইত্যাদিৰ মিলিত দেৱাল মষিমূৰ কৰি জাৰ তেওঁৰ চালৰ ভিতৰলৈ সোমাই আহিল আৰু মঙহৰ কঠিন আৱৰণ ভেদ কৰি হাড় পৰ্য্যন্ত চুলেগৈ। তেওঁ লেপখন ভালকৈ সবলৈ চেষ্টা কৰি ভাবিলে যে অকলে শুলে বিছনা বেছি ঠাণ্ডা হয়। এই কথাষাৰ ভবাৰ লগে লগেই আৰু অন্যভাৱে আহি তেওঁক জুমুৰি দি ধৰিলে, তন্দ্ৰাই তেওঁক চাৰিওফালৰপৰা ঘেৰি ললে। লগে লগে তেওঁ গভীৰ টোপনিত লাল-কাল দিলে। তেতিয়া তেওঁ প্ৰজাতন্ত্ৰৰ সপোন দেখিলে।

তেওঁ দেখিলে যে প্ৰজাতন্ত্ৰই হেনো তেওঁৰ বিছনাৰ কাষত মাটিত হাতযোৰ কৰি বহি আছে। তাৰ চেহেৰা খেতিয়কৰ দৰে আৰু ইংৰাজীতো দূৰৈৰ কথা শুদ্ধকৈ হিন্দীও কব পৰা নাই। তথাপিও সি অনুনয় বিনয় কৰি আছে আৰু সেইয়া বৈদ্য ডাঙৰীয়াই ভালকৈ শুনি আছে। বৈদ্য ডাঙৰীয়াই তাক বাৰে বাৰে বিছনাত বহিবলৈ কৈছে আৰু বুজাইছে যে তুমি দুখীয়া হ'লা। তাত কোনো ক্ষতি নাই, তুমি আমাৰেইতো সম্পৰ্কীয়। কিন্তু প্ৰজাতন্ত্ৰই দেখোন বাৰে বাৰে তেওঁক হজুৰ আৰু ডাঙৰীয়া বুলিহে সম্বোধন কৰিছে। বহুতো

বুজোৱাৰ পিছত প্ৰজাতন্ত্ৰই তেওঁৰ বিছনাৰ চুক এটাত বহি পৰিল আৰু বৈদ্য ডাঙৰীয়াৰপৰা সান্ত্বনা লভি কিবা এটা তেওঁক কব লাগে বুলি বৈদ্য ডাঙৰীয়াক প্ৰাৰ্থনা জনালে যে মোৰ কাপোৰ কানি তেনেই ফাটি গ'ল, মই নঙঠা হৈ গলোঁ। এনে অৱস্থাত মানুহৰ আগত ওলাবলৈকে মোৰ লাজ লাগে। গতিকে হে বৈদ্য মহাৰাজ, মোক এখন পিন্ধিবলৈ পৰিষ্কাৰ চুৰীয়া দিয়ক।

বৈদ্য ডাঙৰীয়াই বড়ীপালোৱানক ভিতৰৰপৰা এখন চুৰীয়া আনিবলৈ কয়। কিন্তু প্ৰজাতন্ত্ৰই গ্ৰহণ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰে। সি কয় মই আপোনাৰ কলেজৰ প্ৰজাতন্ত্ৰ আৰু আপুনি ইয়াৰ বাৰ্ষিক সভা বহু বছৰ ধৰি আহ্বান কৰা নাই। মেনেজাৰৰ নিৰ্ব্বাচন কলেজ খোলাৰ দিন ধৰি আজিলৈকে হোৱা নাই। আজি-কালি কলেজৰ আটাইবোৰ বস্তুৱেই ৰমকজমক হৈ পৰিছে; কেৱল মই হে এটা চুকত পৰি আছোঁ। এবাৰ নিয়ম অনুযায়ী নিৰ্ব্বাচন পাতক। তেতিয়া অন্ততঃ মোৰ গালৈ এখন নতুন বস্ত্ৰ আহিব আৰু মোৰ লাজ নিবাৰণ হ'ব।

ইমানকে কৈ প্ৰজাতন্ত্ৰই সভাঘৰৰপৰা বাহিৰলৈ ওলাই গ'ল আৰু লগে লগেই বৈদ্য ডাঙৰীয়াৰ টোপনি ভাগিল। তেওঁ সপোনৰ কথা ভাবিবলৈ ধৰিলে আৰু নিজকে কলেজৰ প্ৰতি দুৰ্ব্বল যেন অনুভৱ কৰিলে।

পিছদিনা বৈদ্য ডাঙৰীয়াই প্ৰিন্সিপালক ঘৰলৈ মতাই নি আদেশ দিলে যে কলেজৰ বাৰ্ষিক সভা আহ্বান কৰিব লাগে আৰু আন আন বিষয়ববীয়াৰ লগতে মেনেজাৰও নিৰ্ব্বাচন হ'ব লাগে। প্ৰিন্সিপালে বহুতো বুজালে যে নতুনকৈ সভা আহ্বান কৰিবৰতো কোনো দৰকাৰ নাইয়েই আৰু কৰবলৈ গলে উচিতো নহ'ব। কিন্তু

বৈদ্য ডাঙৰীয়াই কলে যে এইটো সিদ্ধান্তৰ কথা। কিন্তু প্ৰিন্সিপালে জোৰ দি ধৰিলে যে কোনো বাতৰি কাকতত কোনো নিন্দাসূচক বাতৰি ওলোৱা নাই, ওপৰ মহলাত এই বিষয়ে কোনো অভিযোগ উঠা নাই, ক'তো কোনো বিক্ষোভ হোৱা নাই, আনকি কোনোৱে অনশনো কৰা নাই। সকলো নিজৰ নিজৰ কামত ব্যস্ত আৰু কোনোৱেই বৈঠক বহাৰ বিষয়ে মাত এটা মতা নাই। যি মাত মাতিছে, সি বাৰু কোন হ'ব পাৰে? সেই খান্না মাষ্টৰ, সেই ভিক্ষাৰী ৰামাধীন আৰু সিহঁতৰ দুই চাৰিটা লেমটো হ'ব; আৰু কোন হ'ব? সিহঁতৰ কথাত লাগি সভা পতাটো ঠিক নহ'ব। বৈদ্য ডাঙৰীয়াই সকলো কথা শুনি মাত লগালে,—"তুমি ঠিকেই কৈছা, পিছে এইবোৰ কথা তুমি নুবুজিবা কাৰণ ই হ'ল সিদ্ধান্তৰ কথা। এতিয়া যোৱা, সভাৰ প্ৰস্তুতি কৰাগৈ।"

ছঞ্চামল বিদ্যালয় ইণ্টাৰ কলেজৰ ছাত্ৰসকল খেল ধেমালিৰ পৃথিৱীখনৰ সৈতে ভালকৈ পৰিচিত আছিল কাৰণ তেওঁলোকৰপৰা প্ৰতিমাহে খেলৰ মাচুল কাণত ধৰি উলিয়াই লোৱা হৈছিল। দ্বিতীয় কথা হ'ল এইটোৱে কলেজৰ ওচৰত কোনো খেল-ধেমালিৰ পথাৰ নাছিল। কিন্তু ইয়াৰপৰা কাৰো অকণো কষ্ট হোৱা নাছিল, বৰঞ্চ সকলো সন্তুষ্ট আছিল। খেলাধূলাৰ শিক্ষকৰ হাতত কোনো খেল-ধেমালি নথকাৰ বাবে হাতত ইমান সময় আছিল যে মাষ্টৰ সকলৰ মাজত সোমাই দুয়োপক্ষৰে বিশ্বাসভাজন হ'ব পাৰিছিল। প্ৰিন্সিপালেও ইয়াৰ ফলত কোনো অসুবিধা পোৱা নাছিল। আৰু কলেজৰ অনুশাসনৰো কোনো সমস্যা উদ্ভৱ হোৱা নাছিল।

ল'ৰাহঁতৰ অভিভাৱকো সুখী আছিল; খেল-ধেমালিৰ বিপদৰপৰা ফীজ দিয়েই সাৰি গৈছিল। লগতে ল'ৰাহঁত আচল খেলুৱৈ হোৱাৰ পৰা সাৰি যায়, গতিকে ল'ৰাহঁতো সুখী।

সেই ল'ৰাহঁতৰ হাততে আজি হকিষ্টিক আৰু বল দেখা গ'ল। সিহঁতে এনে বিৰক্তিৰে ষ্টিকবোৰ ধৰি আছিল যে দেখিলে বোধহয় সিহঁতৰ হাতত যেন কোনোবাই ৰাইফল হে তুলি দিছে। প্ৰায় পঞ্চাছজনমান ল'ৰাই এনেধৰণৰ বস্তুৰে সুসজ্জিত হৈ কলেজ গেটৰ আশে পাশে ঘূৰি ফুৰিছিল।

ৰঙ্গনাথে সিহঁতক এনে অৱস্থাত দেখি সুধিলে,—"বোলোঁ কি কথা? আজি কি ইন্সপেক্টৰে পৰিদৰ্শনো কৰিব নেকি?"

সৰু পালোৱানেই উত্তৰ দিবলৈ সাজু হ'ল। সি ককালৰপৰা খহি যোৱা লুঙিখন ভালকৈ বান্ধি লৈ ক'লে,—"এই অৱস্থাত কোনে পৰিদৰ্শন কৰিব? এয়াতো বাৰ্ষিক সভাৰ প্ৰস্তুতি।"

সৰু পালোৱানো কলেজ সমিতিৰ সদস্য আছিল। ল'ৰাবোৰে তেওঁক দেখি হৰ্ষধ্বনি কৰিলে। গেটতে প্ৰিন্সিপালে আহি তেওঁক লগ ধৰিলেহি আৰু ক'লে,—"আহক, আহক ছোটেলাল ডাঙৰীয়া, আপোনাৰ বাবেই অপেক্ষা কৰি আছোঁ।"

"আহিলোঁ যেতিয়া আৰু উলটি যামগৈনে? বলকচোন আগে আগে।"—সৰু পালোৱানে ভদ্ৰতাৰে ক'লে। বৰষুণত কুকুৰে সম্পূৰ্ণ তিতি যোৱাৰ পিছত এটা বিশেষ ধৰণৰ হাঁহি মাৰে। প্ৰিন্সিপাল চাহাবেও সেমেনা সেমেনিকৈ হাঁহোতে তেনেকুৱাই এটা শব্দ হ'ল। তেওঁ আগে আগে যাবলৈ ধৰিলে আৰু কৈ যাবলৈ ধৰিলে,—"ৰামাধীনৰ দলে বৰ জোৰ দিছে। বৈজে গাঁৱৰ লাল চাহাবৰ সহায়ত বহুতো মানুহ সিটো দললৈ গ'ল। কেলেই

জানো লাল চাহাব ইয়াৰ মাজত সোমালেহি। থাকে চহৰত, কিন্তু গাঁৱৰ প্ৰতিটো কথাতে নাক সুমুৱাই ফুৰে। ৰামাধীনৰ মগজুও সাৰুৱা হ'ল। ধৰিবই নোৱাৰি, কিমান মানুহ এইফালে আৰু কিমান মানুহ সিফালে।”

সৰু পালোৱানে বিল্ডিঙৰ সন্মুখত ফুল ৰুবৰ বাবে খন্দা লোৰবোৰ নিৰীক্ষণ কৰি আছিল। যেতিয়া প্ৰিন্সিপালে কবলৈ আৰম্ভ কৰিলে, —“বৈদ্য মহাৰাজেও কেতিয়াবা কেতিয়াবা এনে কাম কৰে যে কি কম আৰু। কিহৰ দৰকাৰ আছিল এই নিৰ্ব্বাচনৰ··· ?”

গেটৰ ভিতৰলৈ আহিবৰ সময়ত প্ৰিন্সিপালে ৰঙ্গনাথকো কলে, —“ৰঙ্গনাথ বাবু, আপোনাৰ বাবে কোনো বাধা নাই।”

তেওঁ মূৰটো লৰাই ক'লে যে তেওঁ এই আহি আছে। কিন্তু ভিতৰলৈ নোসোমাল।

লাহে লাহে কলেজৰ সমিতিৰ সদস্যসকলে বেলেগ বেলেগ পথেৰে আহিবলৈ ধৰিলে। কো-অপাৰেটিভ ইউনিয়নৰ এজন ডাইৰেক্টৰে খোজকাঢ়িও ইমান বেগেৰে আহি ভিতৰলৈ সোমাই গ'ল যে মানুহে তেওঁক দেখা নাপাই ইজনে সিজনৰ মুখলৈ চুৱাচুই কৰিলে। কেইমিনিটমানৰ পিছত অন্যফালৰপৰা ঠিকাদাৰ চাহাবক কলেজৰ ফুলনি ধাহি মুহি আহি থকা দেখা গ'ল। সৰ্ব্বশেষত বাবু গয়াদীন লাহে লাহে আহি কলেজৰ গেট পালেহি আৰু পুলত বহি পৰিল। উদাস উদাসভাৱেৰে ল'ৰাবোৰৰ হাতত থকা বল আৰু ষ্টিকবোৰ নিৰীক্ষণ কৰিলে। প্ৰিন্সিপালে আহি গেটৰ মুখৰপৰা আদৰি ক'লে,—“আহক মেম্বৰ চাহাব, বাকী সকলো আহি পালেহি।”

কিছুসময়ৰ পিছত আলিবাটেদি এজন অশ্বাৰোহীক অহা দেখা

গ'ল। তেওঁ শুদ্ধ বগা পাগুৰী মাৰিছিল আৰু অনুমান হৈছিল যেন দ্বাদশ শতাব্দীৰ ইতিহাসৰ কোনোবা পৃষ্ঠাৰপৰা এইমাত্র ধৰফৰাই বাহিৰ ওলাই আহিছে। ল'ৰাবোৰৰ ভিতৰৰ এটাই মাত লগালে,—"এতিয়া কোনেও বৈদ্য ডাঙৰীয়াৰ চুলি এডালকে চিঙিব নোৱাৰিব। ঠাকুৰ বলোৰাম সিং আহি পালেহি।"

বলোৰাম সিঙে আহি পায়েই ঘোঁৰাৰ লেকামডাল কোনোবা এটা ল'ৰাৰ হাতত ধৰিবলৈ দিলেহি। তেতিয়া তেওঁক অষ্টাদশ শতাব্দীৰ মানুহ যেন দেখা গ'ল। দক্ষিণৰপৰা বিদ্রোহৰ বাতৰি বহন কৰি অনা কোনোবা উট আৰোহী আগ্ৰাৰ দুৰ্গত যেন পদাৰ্পণ কৰিছেহি।

তেওঁ ল'ৰা এটাক মাতি সুধিলে,—"মাৰপিট হোৱা নাই তো?"

ল'ৰাটোৱে উলটি সুধিলে,—"কেনেকুৱা মাৰপিট? আমি প্রিন্সিপাল চাহাবৰ দলৰ মানুহ। অহিংসবাদী।"

বলোৰাম সিঙে মোছত এপাক তাও দিলে আৰু হাঁহি মাৰি ক'লে,—"তোমালোক তো কম নোহোৱা। হাতত হকি মাৰি লৈ ঘূৰিছা আৰু মহাত্মা গান্ধীৰ পুত্ৰ হৈ দেখুৱাইছা।"

ল'ৰাহঁতে ক'লে—"মহাত্মা গান্ধীয়েও তো হাতত লাঠি লৈ ফুৰিছিল। আমাৰ হাতত তো একো নাই। এইডালতো হকি ষ্টিক, চালা এইডালেৰে ভালকৈ বলেই মাৰিব নোৱাৰি, মানুহনো ক'ত মাৰিব পাৰিব।"

প্রিন্সিপাল চাহাব আকৌ বাহিৰ ওলাই আহিছিল। তেওঁ ক'লে,—"বলক, মেম্বৰ চাহাব, ভিতৰলৈ বলক। কোৰাম হৈ গৈছে। মিটিং আৰম্ভ হ'বৰ হ'ল।"

বলোৰাম সিঙে পাগুৰীৰ আগেৰে ঘাম মছিলে। সি মাত

লগালে,—“কোনোবা শিষ্যক কৈ দিয়ক ঘোঁৰালৈ দানা পানী আনক। ভিতৰৰ মিটিঙৰ লগত আমাৰ কিহৰ সম্বন্ধ? মোৰ কোৰামতো ইয়াতে বন্ধা আছে।”

প্ৰিন্সিপালে আনন্দিত হৈ মূৰ লৰালে। বলোৰাম সিঙে চোলাৰ জেপত হাত ভৰাই মুঠিৰে ধৰি ক’লে,—“বিশ্বাস হোৱা নাই যদি হাতেৰে চুই চাওক। জেপ টান হৈ আছে। এইটোৱেই আচল কোৰাম।”

প্ৰিন্সিপালে জেপত হাত নিদিয়াকৈয়ে ক’লে,—“ধৰি লওক, মই চুলো। আপোনাৰ কথা আৰু এনেয়ে যাবনে?”

“আচল বিলাতী বস্তু। ছটা গুলী থকা। দেশী সৰু আৰু সাধাৰণ পিস্তল নহয় যে এবাৰ ফুটিয়েই নুফুটা হ’ব। গুৰুম্ আৰম্ভ কৰি দিলে ৰামাধীনৰ দলৰ ছজন মেম্বাৰ মাটিত ঢলি পৰিব।”

“কি সুন্দৰ কথা কৈছে।” প্ৰিন্সিপালে ভিতৰলৈ যাওঁতে কৈ গ’ল,—“মই ভিতৰত মিটিঙলৈ গৈছোঁ। বাহিৰৰখিনি আপুনি চম্ভালিব।” আকৌ তেওঁ মহাত্মা বিদুৰৰ বাণীৰে ক’লে,—“শান্তিৰে কাম আদায় কৰিব কিন্তু।”

বলোৰাম সিঙে আকৌ মোছত তাও দিলে।

প্ৰিন্সিপাল চাহাব ভিতৰলৈ গুচি গ’ল। বলোৰাম সিঙ পুলৰ ওপৰত বহিল। অলপ পৰ তেওঁ চাদাৰ পিক পিৰিক পিৰিককৈ পেলাই থাকিল। তাৰপিছত মহাত্মা গান্ধীতকৈ ডাঙৰ অহিংসবাদী কথা কোৱা ল’ৰাটোক ওচৰলৈ মাতি আনি ক’লে,—“বোপাই, অলপ কলেজটোৰ চৌহদ ঘূৰি আহাঁ। চাবা, আমাৰ মানুহে ভালকৈ ঘেৰি আছে নে নাই। আৰু চালা ৰমেশৰাক কবা যাতে

সি কাৰো লগত আৰম্ভ কৰি নিদিয়ে। যাক বুজালে নুবুজে তাক এইফালে পঠাই দিবলৈ কবা।" কোনোবা যুদ্ধত—যাৰ কৃত-কাৰ্য্যতাৰ ওপৰত গোটেই দেশৰ বিজয় নিৰ্ভৰ কৰিছে, তেনে এজন বয়-স্কাউটৰ দৰে খবৰ লবলৈ ল'ৰাটো গুচি গ'ল। আশেপাশে ল'ৰাবোৰে ঘূৰি ফুৰিবলৈ ধৰিলে। বলোৰাম সিঙে ক'লে,—"আৰু অলপ বহলাই লোৱা বোপাইহঁত, আৰু নিৰ্ভয় মনেৰে থাকা। মই যিমান পৰলৈকে এই পুলত বহি থাকিম, শত্ৰু কেতিয়াও ওচৰলৈ নাহে।"

দিনৰ তিনি বাজি গৈছিল। আলিবাটলৈ ট্ৰাক আৰু গৰু-গাড়ীবিলাক ওলাই আহিছিল। বলোৰাম সিঙে পুলৰ ওপৰতে লেপেটা কাঢ়ি বহি ললে আৰু স্বপ্নালু দৃষ্টিৰে সেইবোৰ অহা-যোৱা কৰা চাই থাকিল। এবাৰ ঘোঁৰাটোৱে হি-হিঁয়ালে। সিঙে চিঞৰি ক'লে,—"চাব্বাচ্ মোৰ চৈতক, অলপ ধৈৰ্য্য ধৰ। সময়ত দানা-পানী পাবি।" চৈতকৈও ধৈৰ্য্য ধৰিলে।

হঠাৎ এখন ট্ৰাক কলেজৰ সন্মুখৰ আলিবাটত ৰৈ গ'ল। পৰিষ্কাৰ ধুতি-পাঞ্জাবী আৰু টুপি পিন্ধা আৰু এডাল বেতৰ সহায়েৰে এজন মানুহ ট্ৰাকৰপৰা তললৈ জপিয়াই নামি কলেজৰ ফাললৈ বেগাই খোজ ললে। ট্ৰাকখন ৰোৱা দেখিয়েই ল'ৰাবোৰে দূৰৈৰপৰা দৌৰি আহি পুলৰ কাষ পাইছিলহি। বলোৰাম সিঙে তেওঁক ঠাট্টাৰ সুৰত ক'লে,—"অক্ৰগ্ৰমান চৰণ-ধূলা দিয়ক পণ্ডিত।"

মানুহজনে মুখৰ ভিতৰতে কিবা-কিবি ভোৰ্‌ভোৰালে আৰু কলেজৰ গেটৰ ফাললৈ আগবাঢ়িলে। বলোৰাম সিঙে মাত লগালে,—"হেৰা পণ্ডিত, বোলোঁ অলপ লাহে লাহে যোৱা। কেলেইনো ইমান খৰখেদাখন কৰিছা?"

পণ্ডিতে সেমেনা-সেমেনিকৈ হাঁহিলে। তাৰপিছত সুধিলে,—“মিটিং আৰম্ভ হলেই নেকি ?”

বলোৰাম সিঙ থিয় হ'ল॥ লাহে লাহে পণ্ডিতৰ ওচৰলৈ আহিল। ল'ৰাবোৰো ঘূৰণীয়া হৈ কাষ চাপি আহিল। সিঙে খঙেৰে ক'লে,—“বোপাইহঁত, তোমালোক ইয়াৰপৰা আঁতৰি যোৱা। দূৰৈত গৈ খোৱাগৈ আৰু খেল-ধেমালি কৰাগৈ।” তাৰ পিছত সেই পণ্ডিতৰ ফালে চাই ক'লে,—“মিটিঙত তোমাৰ উপস্থিতি হৈ গৈছে। এতিয়া উভটি যোৱাঁগৈ।”

পণ্ডিতে কিবা এটা কব খুজিছিল; এনেতে বলোৰাম সিঙে খঙত টিঙিৰি তুলা হৈ মাত লগালে—“ভাবি-চিন্তিয়েই কথাটো কৈছোঁ। বোলোঁ উভটি যোৱাঁগৈ।” পণ্ডিতে যেন নিজৰ উৰুৰ ওপৰতে কিবা এটা গোটা বস্তুৰ উপস্থিতি অনুভৱ কৰিলে। লাহে লাহে তেওঁৰ চকু বলোৰাম সিঙৰ চোলাৰ জেপলৈ যোৱাৰ লগে লগেই খপ্‌জপকৈ তেওঁ দুখোজ পিছুৱাই গ'ল।

বিদায় দিবৰ সময়ত বলোৰাম সিঙে আকৌ দোহাৰিলে—“পণ্ডিত, চৰণ-ধূলা অকণমান নিদিয়ে জানো ?”

মানুহজনে একো নমতাকৈ সুৰসুৰকৈ তাৰপৰা আঁতৰি গ'ল। বাটত কোনো যাত্ৰী নোলোৱাত ট্ৰাকখন গুচি গৈছিল। তেওঁ কোবাকুবিকৈ খোজ কাঢ়িয়েই যি কোনো এফাললৈ গুচি গ'ল। এটা ল'ৰাই টপৰকৈ মাত লগালে—‘গ'লগৈ দেখোন।’

বলোৰাম সিঙে ক'লে—“পণ্ডিত বৰ বুধিয়ক। বুজি পালে।”

“বুজি বাৰু পালে। কিন্তু এইদৰে পলাবলৈ কিহে পালে ?” এজন ছাত্ৰই সুধিলে।

"মোৰ বোপাই, তুমি এতিয়াও সৰু হৈ আছা। এনেকুৱা সময়ত বুদ্ধিমান মানুহে এনে ধৰণেৰেই খেল খেলে।"

এজন ছাত্ৰই ঘোঁৰাটোক দানা-পানী দিবলৈ আৰম্ভ কৰিছিল। ঘোঁৰাটোৱে আকৌ হিঁ-হিঁয়ালে। বলোৰাম সিঙে এইবাৰ খঙেৰে ক'লে—"আৰে চুপ থাক, চৈতক!"

বয়-স্কাউটৰ ল'ৰাজন সিমান পৰে উভটি আহিছিল। ঘোঁৰাৰ লগত কথা পতাৰ মাজতে বলোৰামে ল'ৰাটোক সুধিলে—"কিবা খবৰ আছে?"

স্কাউটে অলপ ভয় খাই মেহেঙা-মেহেঙ কৰি ক'লে—"হয় ঠাকুৰ চাহাব, চব ঠিকে ঠাকে আছে।"

"কিমান মানুহ আহিছিল?"

"পাঁচ।"

"সকলোৱে বুজি গ'ল নে কোনোবাই নুবুজিলে?"

"সকলোৱে বুজিলে।" ল'ৰাটোৰ ইতিমধ্যে সাহস ঘুৰি আহিছিল। ঢাপলি মেলি যোৱা পণ্ডিতলৈ চাই ক'লে,—"সৌ পণ্ডিতৰ দৰেই ফেঁচাটো যোৱাদি বেচেৰাহঁতো উভটি গ'লগৈ।"

ল'ৰাবোৰে গিৰ্জ্জনি মাৰি হাঁহি দিলে। বলোৰাম সিঙে ক'লে, "বুদ্ধিমানৰ বাবে ই মৃত্যুৰ সমান।"

কলেজত চাৰিওফালে জয়ধ্বনি। "জয় মহাত্মা গান্ধীৰ জয়!" তাৰ পিছত সেউজীয়া পতাকা দেখা গ'ল। পণ্ডিত জৱহৰলাল নেহেৰুৰো এবাৰ জয়ধ্বনি দিয়া হ'ল। একোবাৰকৈ প্ৰাদেশিক আৰু জিলাৰ নেতাসকলৰ জয়ধ্বনি দিয়াৰ পাছত বৈদ্য ডাঙৰীয়াৰ জয়ধ্বনি দিয়া হ'ল।

যাঠিৰ খোঁচ খোৱা গাহৰিৰ দৰে চিঁচিঁয়াই প্ৰিন্সিপাল চাহাব

কলেজৰ বাহিৰ ওলাল আৰু তেৰোঁ চিঞৰি ক'লে—"জয় বৈদ্য ডাঙৰীয়াৰ জয়!"

'জয়' বুলি কবলৈ উঠি অহা ডেকাহঁতে কলেজৰ গেটৰ বাহিৰত আছিলেই।

কলেজৰ চৌহদ গোটেইখন মেলাৰ নিচিনা হ'ল। প্রিন্সিপাল চাহাবে ৰঙ্গনাথক বুজাবলৈ ধৰিলে—"হওক তেও, বৈদ্য মহাৰাজ সর্বসম্মতিক্রমে আকৌ মেনেজাৰ নির্বাচিত হ'ল। এতিয়া চাই থাকিব কলেজখনে কেনেকৈ দোপতদোপে আগবাঢ়ি যাব।" তেওঁ স্ফূর্তিত থকাৰ বাবে চেহেৰা আৰু ৰক্তিম হৈ পৰিছিল।

সৰু পালোৱানে মাত লগালে—"হেৰা প্রিন্সিপাল চাহাব, বৰ বেছিকৈ কেপ্‌কেপাই নাথাকিবা। এটা কথা শুনা,—এই হকি ষ্টিক লৈ ঘূৰি ফুৰা ল'ৰাবোৰৰ সকলোৰে হাতত একোটাকৈ বল দিয়া আৰু নিশানাবাজীৰ অভ্যাস কৰিবলৈ নির্দ্দেশ দিয়া। ইহঁতৰ ভিতৰত এটাও নোলাব—যিটোৱে বলত ঠিককৈ লাঠী লগাব পাৰে। সকলোৱে বল বুলি ধূলিতে সাপক পিটাৰ দৰে পিটে।"

"নিশ্চয় মেম্বৰ চাহাব, নিশ্চয়। খেলাৰো সুবিধা কৰা হ'ব। এটা ঝামেলাৰপৰা পাৰ পোৱা হৈছে ...।"

"পাৰতো পালাই, পিছে মোৰ কথা মই কলোঁ। এনেকৈতো তুমি সকলো কথাতেই মত দিয়া, কিন্তু, তোমাৰ নষ্ট হোৱা খেতিৰ মূল্য পর্য্যন্ত উঘলা নহয়। এইটোৱেই হ'ল খেল-ধেমালিৰ কথা। ল'ৰাবোৰে হাতত হকি ষ্টিক লৈ বুকু ফিন্দাই ঘূৰি ফুৰে, কিন্তু বলটো মাৰিব নোৱাৰে। আজিয়েই দৰকাৰ হোৱা হলে হকি ষ্টিক বতাহতে ঘূৰাই থাকিলহেঁতেন। মাৰিলেহেঁতেন কাৰোবাৰ পিঠিত

আৰু লাগিলহেঁতেন নিজৰ আঁঠুত। দৰকাৰী সময়ত নিশানাবাজী ঠিক হোৱা উচিত।"

বৈদ্য ডাঙৰীয়াই পিছৰপৰা মাত লগালে—"খেল-ধেমালিৰো মহত্ত্ব আৰু গুণ আছে প্ৰিন্সিপাল চাহাব। সৰুৱে অনুচিত কথা কোৱা নাই। খেল-ধেমালিয়ে ছাত্ৰসকলৰ উৎকৰ্ষ বৃদ্ধি কৰে আৰু চৰিত্ৰ গঠনত সহায় কৰে।"

—"হেঁ হেঁ", প্ৰিন্সিপালে সৰু পালোৱানৰ শৰীৰটোক প্ৰেমিকাক চোৱা দি চাই ক'লে—"পালোৱানেই নহয়, এওঁ একেবাৰে হাঁহিৰ খোৰাক। এওঁনো ক'ৰবাত অনুচিত কথা কবনে আৰু ?"

পোন্ধৰ

গাঁওখনৰ বাহিৰৰ ফালে এখন আহল বহল পথাৰ আছিল। পথাৰখনত এডালো ঘাঁহ বন নথকাত ইয়াক প্ৰায় অনুৰ্বৰা বুলি কব পাৰি। পথাৰখন দেখিলেই এনে ভাব হয় যে আচাৰ্য্য ভাৱেৰ ভূ-দান যজ্ঞত আহুতি দিবৰ বাবে ই এটুকুৰা আদৰ্শ মাটি হ'ব। অৱশ্যে এনে হৈছিলো। দুবছৰৰ আগতে এই পথাৰখন ভূদান আন্দোলনত দান দিয়া হৈছিল। তাৰপৰা দান হিচাপে গাঁওসভাই লাভ কৰিলে। গাঁওসভাৰপৰা এই মাটি টুকুৰা সভাপতিয়ে গ্ৰহণ কৰি নিজৰ অঙহী-বঙহী আৰু বন্ধু-বান্ধৱক দান দিলে। বাকী থকা অংশখিনি পইচা লৈ দুখীয়া আৰু ভূমিহীন লোকৰ মাজত বিতৰণ

কৰি দিলে। পাছত গম পোৱা গ'ল যে মাটিৰ যি অংশ তৃতীয়া আৰু ভূমিহীনৰ মাজত বিতৰণ কৰা হৈছিল সেই অংশ এই পথাৰখনৰ লগত চামিল নাছিল, বৰং কোনোবা খেতিয়কৰ মাটিৰ অংশহে আছিল। গতিকে তাকে লৈ মোকৰ্দমা আৰম্ভ হ'ল। সি আজিও চলি আছে আৰু আগলৈও চলি থাকিব।

যেয়ে কি নহওক, ভূদান যজ্ঞৰ ধোঁৱাই এই গোটেই পথাৰখনক ছাটি ধৰিছিল। গাঁওসভাৰ ৰাইজে তাত খেতি কৰিবলৈ লৈছিল। পানী. সাৰ, বীজ আদি নোহোৱাকৈয়ে কেৱল ইচ্ছাশক্তিৰ দ্বাৰাই এই পথাৰখনত যোৱা বছৰৰপৰা অতি ব্যাপকভাৱে খেতি হৈছিল। কেৱল পৰিসংখ্যাৰ দ্বাৰা প্ৰমাণিত হৈছিল যে গাঁওসভাত আগতকৈ যোৱা বছৰত খাদ্য বেছি উৎপাদন হৈছিল। এই পথাৰখনত খাদ্য উৎপাদনৰ বাদেও গাঁওসভাৰ তৰফৰপৰা বন সংৰক্ষণ, বৃক্ষৰোপন, নলাখন্দা আদি কিছুমান আঁচনিৰ কামো হাতত লোৱা হৈছে।

ভাৰতত শিক্ষিত মানুহে কেতিয়াবা কেতিয়াবা এটা বেমাৰৰ দ্বাৰা আক্ৰান্ত হয়। এই বেমাৰৰ নাম হ'ল—"ক্ৰাইচিচ্ অৱ কন্সাস্।" কোনো কোনো ডাক্তৰে আকৌ "ক্ৰাইচিচ্ অৱ ফেইথ" নামে আন এটা বেমাৰ বিচাৰি উলিয়াইছে। এই বেমাৰে এইবিধ শিক্ষিত মানুহক সাধাৰণতে আক্ৰমণ কৰে—যি নিজকে বুদ্ধিজীৱী বুলি অভিহিত কৰে আৰু যি বাস্তৱতে বুদ্ধিৰ সহায়ত নহয় বৰং আহাৰ, নিদ্ৰা, ভয় আৰু মৈথুনৰ সহায়ত জীয়াই থাকে (কাৰণ, কেৱল বুদ্ধিৰ দ্বাৰা জীয়াই থকা এটা অৰ্থহীন কথা)। এই বেমাৰত আক্ৰান্ত হৈ ৰোগীয়ে মানসিক প্ৰক্ৰিয়া আৰু নিৰাশাবাদৰ হুলস্থুলত দীঘল দীঘল বক্তৃতা দিয়ে। এই বেমাৰৰ পৰিসমাপ্তি

কফি হাউচৰ তৰ্কত, মদৰ বটলত, অঘৰী তিৰোতাৰ বাহুত, চৰকাৰী চাকৰীত আৰু কেতিয়াবা আত্মহত্যাত ঘটে।

যি দিনাৰেপৰা ৰঙ্গনাথে কলেজত মেনেজাৰ পদৰ নিৰ্বাচন দেখিছিল সেই দিনাৰেপৰা তাৰ এই বেমাৰত আক্ৰান্ত হোৱা যেন লাগিছিল। বৈদ্য ডাঙৰীয়াক দেখাৰ লগে লগেই হঠাৎ তাৰ বহু কথাই মনত পৰি গ'ল। প্ৰিন্সিপালে যেতিয়া নিৰ্বাচন পৰ্ব শেষ হৈ যোৱাৰ পাছত চিঞৰি বাখৰি জয় জয় কৰি কলেজৰ বাহিৰ ওলাই গৈছিল—তেতিয়া অনুমান হৈছিল বৈদ্য ডাঙৰীয়াৰ লগত থাকি তেওঁ যেন কোনো এটা ডকাইতৰ দলৰ সদস্যহে হৈ পৰিল। প্ৰিন্সিপালে যেতিয়া তাৰ আগত কোনো মুখৰোচক গল্প শুনাইছিল, সেই সময়ত ৰঙ্গনাথৰ মনত অনুভৱ হৈছিল যে এই মানুহটোৱে যি কোনো সময়তে কোনো মানুহক ডিঙি চেপি মাৰি পেলাব পাৰে। চহৰ হোৱাহেঁতেন প্ৰিন্সিপালে কোনো কফি হাউচত বহি তেওঁৰ বন্ধু-বান্ধৱৰ আগত এই নিৰ্বাচনৰ বিষয়ে এটা দীঘল বক্তৃতা দিলেহেঁতেন আৰু কলেহেঁতেন যে কেনেকৈ বন্দুকৰ জোৰত ছঞামল বিদ্যালয় ইণ্টাৰ কলেজৰ মেনেজাৰী পদ অধিকাৰ কৰা হৈছে আৰু মেজত ভুকুৱাই ক'লেহেঁতেন যে যি দেশত এনে ধৰণৰ সৰু পদৰ কাৰণে এনে কৰা হয়, তেনে স্থলত ডাঙৰ ডাঙৰ পদৰ কাৰণে কি কৰিব নোৱাৰি।

কিন্তু এইখন চহৰ নাছিল,—এইখন আছিল এখন গাঁও। ইয়াত উকীল ৰূপনবাবুৱে নিজৰ দেউতাকৰ ওপৰত ভৰসা নকৰে। এনেবিলাক কাৰণতে ৰঙ্গনাথে ইয়াত তাৰ 'ক্ৰাইচিচ্ অৱ কন্সাস্' নামৰ বেমাৰটোক দমন কৰিব নোৱাৰিলে। তাৰ মগজুত এইটো কথা দিনে দিনে ইমান কটকটীয়া হৈ যাবলৈ ধৰিলে যে সি

ক্ৰমান্বয়ে ডকাইতৰ গৰাহত সোমাই পৰিছে আৰু এই ডকাইত-বোৰে কলেজখন আক্ৰমণ কৰি লুটি লৈছে আৰু এতিয়া আন কোনো বেলেগ ঠাইত আক্ৰমণ কৰিবলৈ প্ৰস্তুত হৈছে। তাৰ মনটোৱে এতিয়া বৈদ্য ডাঙৰীয়াক ভালকৈয়ে গালি পাৰিবলৈ ইচ্ছা কৰিলে আৰু মনটোৱে এনে এটা মানুহক বিচাৰি উলিয়াবলৈ চেষ্টা কৰিলে যাতে তাৰ আগত সি বিশ্বাসপূৰ্ণভাৱে বৈদ্য ডাঙৰীয়াক গালি পাৰিব পাৰে।

এতিয়া কথা হ'ল, এনেকুৱা বন্ধু ক'ত পোৱা যাব? খান্না মাষ্টৰ এটা মিছলীয়া। যদি কোনো কথা তাৰ আগত কোৱা যায় পাছদিনা সেই কথা গোটেই গাঁৱতে সদৰী হৈ যাব। আৰু সকলোৱে কবলৈ ধৰিব যে বৈদ্যৰ ভাগিনীয়েকে নিজৰ মোমায়েকক গালি পাৰিছে আৰু কব, চোৱাঁ, আজিকালি শিক্ষিত মানুহৰ এয়াই ভদ্ৰতা। মালবীয় মাষ্টৰক এই বিষয়ে কব পাৰি। তেওঁ একে গোষ্ঠীৰ হোৱা সত্ত্বেও বৰ চাধাচিধা মানুহ আৰু তেওঁৰ আগত কোনো কথা কৈয়ো আৰাম পোৱা নাযায়।

আৰু কোন? ৰূপ্পনবাবু?

ৰূপ্পন বাবুৰ ওপৰত ৰঙ্গনাথৰ কিছু ভৰসা আছিল। কাৰণ, ৰূপ্পনে কেতিয়াবা কেতিয়াবা প্ৰিন্সিপালক গালি দি কলেজৰ দুৰ্ভাগ্যৰ বিষয়ে কথাবতৰা কৈছিল। তাৰ বিষয়ে এইটোৱেই অভিযোগ আছিল যে সি লিখাপঢ়া বিষয়ত সম্পূৰ্ণ অপক্ক, কিন্তু দুনিয়াদাৰিত বৰ ওস্তাদ। পকা ছলাহী দেউতাকক ফান্দত পেলাই এনে এটা অৱস্থাত পেলাই দিলে যে সি সকলো কাম নিজৰ ইচ্ছামতেই কৰে। সিফালে দেউতাকে ভাবে যে সকলো কাম তেওঁৰ ইচ্ছা অনুসৰি হ'ব লাগিছে। তেওঁ খান্না মাষ্টৰৰ যথেষ্ট

অন্যায় কৰিলে। খান্না মাষ্টৰ মূৰ্খ হ'ব পাৰে, তথাপি তেওঁৰ ওপৰত ইমান অন্যায় কৰা অনুচিত আছিল। কাৰণ, এইটো ঠিক নহয় যে দেউতাকৰ অনুগ্ৰহ লৈ এটা মূৰ্খই আন এটা মূৰ্খক মাৰি পেলাওক।

পথাৰখনৰ এটা কোণত থকা বৰগছ জোপাৰ তলত কুঁৱাৰ পাৰত বহি ৰঞ্জনাথে এটা স্বস্তিৰ নিশ্বাস পেলালে। কাৰণ, বহুত-দিনৰ পাছত আজি প্ৰথমবাৰ তাৰ বেমাৰটোৱে তাক আমনি দিয়া নাই। ঘটনা এইটোৱেই আছিল যে সি আজি সাহেৰে সৈতে ৰূপ্পন বাবুৰ ওচৰত নিজৰ আত্ম-সংকট প্ৰকাশ কৰি দিছিল। সি পৰিষ্কাৰভাবে কৈ দিছিল যে মামাই এনে কৰা উচিত নাছিল। বন্দুকৰ বলত তেওঁ কলেজৰ মেনেজাৰী পদটো পাইছিল যদিও কি হৈছিল ?—চাৰিওফালে তেওঁৰ বদনাম হৈ গ'ল।

ৰূপ্পনে মন্তব্য দি কৈছিল,—"চোৱাঁ দাদা, এইয়া হ'ল ৰাজনীতি। ইয়াত ডাঙৰ ডাঙৰ দুষ্টালি চলেই। এইটোতো একোৱেই নহয়। দেউতা যি পথত আছে সেই পথত ইয়াতকৈয়ো বেছি কৰিব লাগে। শত্ৰুক যেনেকৈয়ে হওক হৰুৱাই লাগিব। ইয়াক হৰুৱাব নোৱাৰিলে নিজেই হাৰ মানিব লাগিব।

কিন্তু এই কলেজৰ বিষয়ে এইটোকে কব পাৰি যে ইয়াৰ পৰিৱৰ্ত্তনৰ অতি প্ৰয়োজন। প্ৰিন্সিপালটো হ'ল অতি ধুৰন্ধৰ। ৰাতিয়ে দিনে গোষ্ঠী সমূহৰ মাজত খুতখাট লগাই থাকে। খান্না মাষ্টৰো এটা জধামূৰ্খ। কিন্তু সি বদমাচ নহয়। ই চালাই তাক বহুত দবাই ৰাখিলে। এতিয়া খান্না মাষ্টৰক উচটাই দিব লাগে। মই এই বিষয়ে দেউতাৰ লগতো কথা-বতৰা হৈছিলোঁ। কিন্তু তেখেতে প্ৰিন্সিপালক গুচাব নোখোজে।

মই ভাবিছোঁ দেউতাৰ লগত কিছুদিন কথা-বতৰা নকওঁ। আৰু ইফালে লাহেকৈ খান্নামাষ্টৰক তুলি দিম। তাৰদ্বাৰা প্ৰিন্সিপাল হাৰ মানিব। সি চালা বৰ বেছিকৈ উফন্দি পৰিছে—তাক ফুটাবই লাগিব। এবাৰ যেতিয়া হাৰ মানিব, তেতিয়া দেউতাক চাই লম কিমান ওস্তাদ—”

ৰঙ্গনাথে এই কাৰণেই বিশ্বাসৰ নিশ্বাস পেলাইছিল। ইমানখিনিতে সি নিশ্চিন্ত হ'ল যে ৰূপ্পনবাবুৰ লগত এই বিষয়ে কথা-বতৰা হব পাৰিছে।

জানুৱাৰী মাহটো প্ৰায় শেষ হওঁ হওঁ,—ফেব্ৰুৱাৰী মাহ আহিবৰ হ'ল। তেতিয়াই গাঁও সভাৰ নিৰ্বাচন হোৱাৰ কথা আছিল। তাৰ পাছতে মাৰ্চ মাহ—তেতিয়া আকৌ হাইস্কুল আৰু কলেজৰ ইণ্টাৰমিডিয়েট পৰীক্ষা আৰম্ভ হ'বলগীয়া আছিল। আগন্তুক নিৰ্বাচনে এফালে শনিচৰ আৰু বদ্ৰীপালোৱানৰ পক্ষক আৰু আনপক্ষৰ ৰামাধীন ভীখমখেড়ৱীক প্ৰজাতন্ত্ৰৰসেৱাত লগাই দিছিল। দুয়োপক্ষই নিৰ্বাচনী যুদ্ধত জিকিবৰ বাবে প্ৰচাৰকাৰ্য্য চলাই ইটো পক্ষই সিটো পক্ষৰ অনুপস্থিতিত গালিগালাজ কৰিছিল। আশা আছিল ফেব্ৰুৱাৰী মাহত এই কাম অনায়াসে শেষ হৈ যাব। মাৰ্চ মাহত হ'বলগীয়া পৰীক্ষাৰ বাবে কলেজৰ কাকো ফান্দত পেলাব পৰা নাছিল। ছাত্ৰ, অধ্যাপক আৰু বিশেষকৈ প্ৰিন্সিপাল চাহাব এতিয়া একেবাৰে ব্যস্ত আছিল।

প্ৰিন্সিপাল ইটো সিটো কামত বান্ধ খাই পৰিছিল। কিছুদিনৰ আগতে কলেজ কমিটিৰ বছৰেকীয়া বৈঠক বহুওৱা সম্পৰ্কত আৰু বৈদ্য ডাঙৰীয়াক দ্বিতীয়বাৰৰ বাবে কলেজৰ মেনেজাৰ হিচাপে নিৰ্বাচন কৰাৰ সংক্ৰান্তত কেইজনমান সদস্যই শিক্ষামন্ত্ৰীৰ ওচৰত

অভিযোগ আনিছিল। তেওঁলোকৰ অভিযোগ আছিল যে বিৰোধী সদস্যসকলক কলেজৰ বৈঠকলৈ আহিবলৈ দিয়া নহৈছিল আৰু তেওঁলোকক বন্দুক দেখুৱাই ভীতি প্ৰদৰ্শন কৰা হৈছিল। অভিযোগ খনত এনে কথাও উল্লেখ কৰা আছিল যে কলেজৰ পৰিচালনাৰ কথা বাদেই, শিৱপাল গঞ্জত সকলো আইন কানুন শেষ হৈ গৈছে, তাত থানা আৰু পুলিচ নামৰ কোনো বস্তুৱেই নাই। চাৰিটা গুণ্ডা লগ লাগি তাত যি ইচ্ছা তাকে কৰিব পাৰে। এইটো স্পষ্ট আছিল যে অভিযোগৰ কথা মিছা বুলি ভাবিবলৈ কোনো তদন্তৰ প্ৰয়োজন নাছিল। তথাপি কোনো বিৰোধী সদস্যই চহৰলৈ গৈ অভিযোগৰ নকল শিক্ষা বিভাগৰ ডাঙৰ ডাঙৰ বিষয়াৰ হাতত দিছিল আৰু ঘূৰি আহি সমগ্ৰ অঞ্চলতে প্ৰচাৰ কৰি দিছিল যে শিক্ষা বিভাগৰ উপ সঞ্চালকজনে অভিযোগৰ বিষয়ে তদন্ত কৰিব। এইবাৰ বৈদ্য ডাঙৰীয়াৰ বাপেকেও একো কৰিব নোৱাৰিব। কাৰণ, ওপৰৰপৰা আচল তদন্ত কৰিবলৈ হুকুম হৈ গৈছে।

প্ৰিন্সিপাল চাহাবক ফান্দত পেলাবলৈ এয়েই যথেষ্ট আছিল। তেওঁ জানিছিল যে তদন্ত কৰাৰ ক্ষেত্ৰত বৈদ্য ডাঙৰীয়াই নিজে তদাৰক কৰিব আৰু তদন্ত কৰাৰ সংক্ৰান্তত ওপৰৱালাসকলৰ অহা-যোৱা হ'ব আৰু সেই বিষয়ে প্ৰিন্সিপাল চাহাবেই দেখা-শুনা কৰিব লাগিব। ওপৰৱালাসকল যেতিয়া কলেজলৈ প্ৰথম আহিব তেতিয়া তেওঁলোকে সকলোতকৈ আগতে কি দেখিব? প্ৰিন্সিপালে নিজে নিজেই উত্তৰ দিলে—"কলেজৰ দালান।"

সেই কাৰণে তেওঁ বিশেষকৈ এই সময়ত কলেজৰ দালান কেইটা সজাই পৰাই তোলাত ব্যস্ত হৈ পৰিল।

এবাৰ তেওঁ চহৰত দেখি অহাৰ দৰে কলেজৰ দালানৰ কাষতে

এলাইন ফুলগছ আৰু গেটৰ মুখত দুয়োফালে দুজোপা নাহৰ গছ ৰুই দিয়াৰ কথা ভাবিলে। তেওঁ আৰু ভাবিলে যে ওপৰৱালাসকল অহাৰ আগতে গছ কেইজোপা ৰং-বিৰঙৰ ইটাৰে ঘেৰি দিব লাগিব। অহাৰ সময়ত চকুৰ আগত যদি পৰিষ্কাৰ পৰিচ্ছন্ন ৰং-বিৰঙৰ দালান দেখা পায় আৰু যাবৰ সময়ত চাহ-মিঠাইৰে আপ্যায়িত কৰি পঠাব পাৰিলে তেওঁৰ বিৰুদ্ধে কি লিখিব?

তেওঁ কলেজৰ গেটৰ ওচৰত থিয় হৈ কেইটামান গাঁত খন্দোৱাইছিল। তেওঁৰ পিন্ধনত আছিল মোজা নোহোৱা জোতা আৰু হাফপেণ্ট। হাতত এখন দামী কিতাপ লৈ ফুৰিছিল।

ঠিক সেই সময়তে খান্না মাষ্টৰ আহি ওলালহি আৰু প্ৰিন্সিপালৰ হাতত কাগজ এখন দি ক'লে—"এইখন লওক।"

প্ৰিন্সিপালে ওচৰতে থিয় হৈ থকা আন এজন মাষ্টৰৰ ফালে চালে। তেওঁক প্ৰিন্সিপালে আগৰেপৰা জানে। কাৰণ, সেইজন মাষ্টৰ তেওঁৰ সম্বন্ধীয়া ভায়েক আছিল। প্ৰিন্সিপালে গাঁতটোৰ ফালে মন কৰি কৰ্তৃত্বৰ সুৰত সুধিলে—"এইখন কি?"

—"কি হ'ব আৰু? দৰ্খাস্ত এখন।"

তেওঁ সেইখন টান মাৰি আনিলে আৰু চকু টেলেকা কৰি চাবলৈ ধৰিলে। খান্না মাষ্টৰে অলপ সহজভাৱে ক'লে—"দিয়ক, মই পঢ়ি দিওঁ।"

—"যাওক, যাওক, নিজৰ কাম কৰকগৈ। মোক পঢ়ি শুনুৱাব নালাগে।" প্ৰিন্সিপালে ঘৃণাৰ ভাবেৰে ক'লে।

খান্না মাষ্টৰে উশাহ বন্ধ কৰি ক'লে—"এই জন্মত পঢ়োৱাৰপৰা আৰু ক'ত ৰক্ষা পাম!"

প্ৰিন্সিপালৰ সম্বন্ধীয়া ভায়েকে খান্না মাষ্টৰৰ মুখৰ ফালে এনেধৰণে

চাই থিয় হৈ আছিল যেন মালিকৰ বঙলাৰ চাৰিবেৰৰ মাজত এলচেচিয়ান কুকুৰটোৱে ৰাস্তাৰ ভতুৱা কুকুৰটোৰ ফালহে চাই আছে। প্ৰিন্সিপালে বহুত সময় সেই দৰ্খাস্তখন ঘূৰাই পকাই চাই আছিল। আগৰদিনৰ ঋষি-মুনি হোৱা হলে দৰ্খাস্তখন ইমান-সময়ে হয়তো জ্বলি পুৰি ভস্ম হৈ গ'লহেঁতেন। বহুত সময় ধৰি চোৱাৰ পাছত তেওঁ সেইখন খান্না মাষ্টৰক পুনৰ ঘূৰাই দিলে।

খান্না মাষ্টৰে আচৰিত হৈ গম্ভীৰ মাতেৰে ক'লে—"এইখন কি? ঘূৰাই দিলে কিয়?"

"ঘূৰাই নিদি কি কৰিম! জেপত ভৰাই থব লাগিব নেকি?"

খান্না মাষ্টৰৰ অতিপাত খঙ উঠিল। কিন্তু নিজকে সংযত কৰি ক'লে—"যেয়েই নহওক, লিখিত প্ৰাৰ্থনা-পত্ৰৰ ওপৰত লিখিত আদেশ দিব লাগিব।"

প্ৰিন্সিপাল এটা কাম কৰা মানুহৰ লগত কথা পতাত ব্যস্ত আছিল।

খান্না মাষ্টৰে অলপ সময় মনে মনে থাকিল। তাৰ পাছত আকৌ ক'লে—"মই চাৰিদিনৰ কাৰণে ছুটী বিচাৰিছোঁ। আপুনি লিখি হুকুম দিব লাগিব।"

প্ৰিন্সিপালে এবাৰ হাত এখন মাটিত থৈ তিতা মাটিৰ ওপৰত বহি পৰিল যাতে মানুহে দেখি ভাৱক যে তেওঁ কলেজৰ হিতৰ কাৰণে নলাত বাগৰি পৰিবলৈয়ো কুণ্ঠিত নহয় আৰু তেওঁ গাঁতখন্দা মানুহ কেইটাক গাঁতৰ চাৰিওফালে বেৰা দিয়াৰ বিষয়ে বুজাবলৈ ধৰিলে।

খান্না মাষ্টৰেও গাঁতটোৰ সিটো পাৰত বহি ললে আৰু ক'লে—"মোৰ কথাৰ উত্তৰ দিয়ক—তাৰ পাছত গাঁত খন্দুৱাব।"

"গাঁতটো খন্দামেই। কিন্তু প্ৰথমে তোমাক তাত পেলাই মাটি দি পুতি লম। তাৰ পাছতহে তোমাৰ ছুটী মঞ্জুৰ হ'ব। বুজিলা খান্না মাষ্টৰ।" এই বুলি কৈ তেওঁ ভায়েকৰ ফালে চালে। ভায়েকে বিনম্ৰভাৱে ক'লে—"ৰ'ব, মই গৈ চাপ্ৰাছীক মাতি আনোগৈ। কাজিয়া লাগিব পাৰে। কিন্তু প্ৰিন্সিপাল চাহাব, মোৰ প্ৰাৰ্থনা—মই ঘূৰি অহালৈকে যেন আপুনি একো মাত নামাতে।"

"মই কি কম ভাই। মইতো সকলো চুপচাপ শুনি গৈছোঁ। যি দিনাই ইয়াৰ টেকেলী ভৰি যাব সেইদিনাই ই নিজে নিজে ফুটি মৰিব।"

প্ৰিন্সিপালে যেন এই কথাৰে খান্না মাষ্টৰক অভিশাপহে দিলে। তেওঁ একেবাৰে থতমত খাই গ'ল। ভয় লাগিল জানোচা খান্না মাষ্টৰে মাৰিলে বুলি প্ৰিন্সিপালে চিঞৰি দিয়ে। তেতিয়াহলে গণ্ডগোলহে সৃষ্টি হ'ব। তেওঁ চুপচাপ গাঁতৰ কিনাৰৰপৰা আঁতৰি গ'ল আৰু ওচৰতে আন এজন মাষ্টৰক দেখি গাৰ জোৰেৰে চিঞৰি কবলৈ ধৰিলে—"গালি নাপাৰিব প্ৰিন্সিপাল চাহাব। নবাবীৰ যুগ আৰু নাই। ইমান সহজে খান্না মাষ্টৰৰ জীৱন নাযায়। মই আপোনাক কৈ দিছোঁ মোৰ গাত হাত লগালে ৰক্তপাত হৈ যাব।"

খান্নাই চিঞৰিবলৈ ইচ্ছা কৰা নাছিল যদিও অলপ হুলস্থুল হোৱাটো বিচাৰিছিল। সঁচাকৈয়ে হুলস্থুল হৈ গ'ল। খান্না মাষ্টৰৰ চিঞৰ শুনি আঠাইকেইজন মাষ্টৰ আহি তেওঁৰ ওচৰত থিয় দিলেহি।

খান্না মাষ্টৰে পুনৰ চিঞৰি ক'লে,—"মাৰক, মাৰক মোক। চাপ্ৰাছীক মাতক। তাৰ হতুৱাই অপমান কৰাওক। বৈ আছে কিয়?"

অলপ পাছতে ছুয়োটা গোষ্ঠীৰ আঠাইকেইজন মাষ্টৰ আহি

ঘটনাস্থলীত উপস্থিত হ'লহি আৰু ঘটনাৰ বিষয়ে বুজিবলৈ চেষ্টা কৰিলে। গণ্ডগোল শুনি ল'ৰাবিলাক বাহিৰলৈ অহা নাছিল। যি দুই এটা ল'ৰা আগবাঢ়ি আহিছিল চাপ্ৰাছীবিলাকে ধমকি দি সিহঁতক ঘূৰাই পঠালে। সিহঁতে বাৰান্দাত থিয় দি বাহিৰৰ তামাচা চাবলৈ ধৰিলে। অলপ পাছতে গণ্ডগোল ঠাণ্ডা হৈ পৰিল।

ঘটনাই বেয়াধৰণে ৰূপ লয় বুলি প্ৰিন্সিপালে প্ৰথমতে ভয়েই খাইছিল। চিঞৰ বাখৰ শাম কটাৰ পাছত প্ৰিন্সিপালে তেওঁৰ খং সংযত কৰি খান্না মাষ্টৰৰ ওচৰলৈ আহি তেওঁৰ হাতৰপৰা ছুটীৰ দৰ্খাস্তখন টান মাৰি আনিলে আৰু সকলৈকে ক'লে—"নিচিঞৰিবা খান্না মাষ্টৰ। তোমাৰ ভুল হৈছে। দিয়া, তোমাৰ দৰখাস্তখনত হুকুম লিখি দিওঁ।"

প্ৰিন্সিপালৰ কলমৰ বাবে ইঙ্গিত পাই তেওঁৰ সম্বন্ধীয়া ভায়েক মাষ্টৰজনে তেওঁৰ হাতত ফাউন্টেনপেন এটা তুলি দিলে। প্ৰিন্সিপালৰ হাতত থকা কিতাপখনৰ ওপৰত দৰখাস্তখন থৈ তাৰ ওপৰত কিবা লিখিবলৈ ধৰিলে। লিখি থাকোঁতে ক'লে—"আমাৰ সিদ্ধান্তৰ ভিতৰত কাজিয়া হৈছে। তাত মাৰপিট হোৱাৰ কোনো প্ৰশ্নই নুঠে। শান্তিৰে কাম কৰিব লাগে।"

খান্না মাষ্টৰে কিছু সময় মনে মনে থকাৰ পাছত মাত লগালে—"মোৰ এই কাগজখনত হুকুম দিয়ক, তাৰ পাছত অন্য কথা হ'ব।"

"তাকেইতো কৰিছোঁ।" তেওঁ মিচিকিয়াই ক'লে,—"লোৱাঁ এইখন।" খান্না মাষ্টৰে কাগজখন টান মাৰি লোৱাৰ দৰে ললে। দৰখাস্তখনৰ কেইটামান শব্দৰ ওপৰত পূৰণৰ চিন লগাই কাটি দিছিল, আৰু কেইটামান শব্দৰ ওপৰত ঘূৰণীয়া চিন দি দিছিল। শেহত ইংৰাজীৰে লিখিলে—"অগ্ৰাহ্য।"

ইয়াৰ আগতেই খান্না মাষ্টৰে কিবা কব পাৰে বুলি ভাবি প্ৰিন্সিপালে মন্তব্য দি ক'লে—"বানানত বহুত ভুল আছে। 'হলিডে' শব্দটোৰ 'এল'ৰ পাছত 'ওৱাই' লিখা হৈছে। 'খান্না' শব্দটোৰ 'কে' আখৰটো ডাঙৰ আখৰত লিখা হৈছেনে সৰু আখৰত লিখা হৈছে ধৰিব নোৱাৰি। এই সকলোবিলাকৰ প্ৰতি চকু দিব লাগে। কলেজৰ চৌহদৰপৰা এতিয়া বাহিৰলৈ ওলাই আহক। তাতেই সকলো বানান মনত পেলাই দিম।"

গণ্ডগোল আকৌ আৰম্ভ হ'ল।

এইয়া ৰাতিপুৱাৰ কথা। দুপৰীয়ালৈকে দুয়োপক্ষৰপৰাই থানাত এজাহাৰ দিয়া হৈছিল। ইয়াৰপৰা এইটোৱেই প্ৰমাণিত হৈছিল যে কলেজৰ শিক্ষকসকলৰ মাজত কাজিয়া হৈছিল আৰু তেওঁলোকৰ ভিতৰতে এজনে আন এজনক হত্যা কৰিব খুজিছিল। এইটোও বুজা গৈছিল যে কাজিয়াৰ সময়ত বাধা দিবলৈ কোনো নাছিল। পুলিচে এই কথাটোৰ ওপৰতে নিৰ্ভৰ কৰি গোচৰৰ তদন্ত আৰম্ভ কৰি দিলে।

সেইদিনা দুপৰীয়া ৰঙ্গনাথ আৰু ৰূপ্পন বাবুৱে সকলো কথা মনে মনে শুনি থাকিল আৰু একো নকলে। কিন্তু ভিতৰি ভিতৰি তেওঁলোক প্ৰিন্সিপালৰ ওপৰত জ্বলি-পকি আছিল আৰু বহুত পাছত ৰূপ্পন বাবুৱে বাহিৰলৈ আহি ক'লে, "এই চালাই দেউতাক কাছাৰীৰ ফালে নিছে আৰু শেষত জেললৈ নিহে এৰিব।"

ঘটনাৰ দিনা দুপৰীয়া বৈদ্য ডাঙৰীয়াই খান্না মাষ্টৰৰ কাহিনী প্ৰিন্সিপালৰপৰা মৌখিকভাৱে শুনিলে আৰু ঘটনাৰ আদ্যোপান্ত শুনি এনে এটা মন্তব্য দিলে যিটোৰ এই ঘটনাৰ লগত কোনো সামঞ্জস্য নাই।

ঘোল

বদ্রী পালোৱান কোনোবাকালে ওলাই যোৱাৰ বাবে ৰঙ্গনাথ ঘৰত অকলশৰীয়া হৈ থাকিব লগা হ'ল। কেইদিনমান জাৰ খুব বেছি পৰিছিল আৰু তাৰ আমেজ লবৰ বাবেই বদ্রীয়ে নিজৰ বিছনাটো কোঠাৰ বাহিৰৰ বাৰান্দাত পাতি লৈছিল। ৰঙ্গনাথ কোঠাৰ ভিতৰতে শুইছিল।

ৰাতি প্ৰায় এঘাৰমান বাজিছিল। ৰঙ্গনাথ বিছনাত পৰি আছিল যদিও টোপনি যোৱা নাছিল।

বিছনাৰ কাষতে এটা কাঠৰ বাকচৰ ওপৰত বেটাৰী চেটৰ এটা ৰেডিঅ' আছিল। কাঠৰ বাকচটোত কলেজৰ বাবে কিতাপ আহিছিল। কিতাপ প্ৰিন্সিপালৰ ঘৰলৈ আৰু বাকচটো মেৰামতিৰ পাছত বৈদ্য ডাঙৰীয়াৰ ঘৰলৈ আহি গৈছিল। ৰেডিঅ'টোও কলেজৰে আছিল যদিও ৰঙ্গনাথ অহাৰ পাছত সেইটো বৈদ্য ডাঙৰীয়াৰ ঘৰলৈ অনাই লোৱা হৈছিল। সেইটো অহাৰ পাছত ৰুপ্পনবাবুৱে অভিনৱ পন্থাৰে ৰেডিঅ' ষ্টেচনৰ খবৰ বাতৰি লব পৰাকৈ বনাই লোৱা হেড্‌ফোনটো অনাৱশ্যক হৈ পৰে। ৰেডিঅ'টো ৰাতি মাত্ৰ কেই ঘণ্টামানৰ বাদে, লাগিলে কোঠাৰ ভিতৰত কোনো থাককেই বা নাথাকক, অনবৰত বজাই ৰখা হৈছিল।

সেই সময়ত ৰেডিঅ'ত শাস্ত্ৰীয় সঙ্গীতৰ কাৰ্যসূচী চলি আছিল। ভায়লিনৰ সুৰত ৰঙ্গনাথ প্ৰায় তন্ময় হৈ আছিল। হঠাতে

ৰেডিঅ'টোৰ ভিতৰত বিকট শব্দ এটা কৰি ই ঘেৰঘেৰাবলৈ ধৰিলে। শব্দটো এনে ধৰণৰ আছিল যে ই ৰঙ্গনাথৰ তন্ময়তা ভাঙি তাৰ বুকু ভেদ কৰি ওলাই যোৱা যেন লাগিল। সি লাহেকৈ উঠি গৈ ৰেডিঅ'টো বন্ধ কৰি দিলে।

চাৰিওফালে অন্ধকাৰ। জাৰৰ নিশাটো আৰু ভয়াবহ হৈ উঠিল। এনে এটা সময়ত মানুহে ভগৱানৰ অস্তিত্ব যিমানেই পাহৰি নাযাওক লাগে ভূতক হলে বিশ্বাস কৰিবলৈ আৰম্ভ কৰে। হঠাতে ৰঙ্গনাথৰ মনটো দেখোন কেনেবা কেনেবা লাগিল। অৱশ্যে যদিও ভয়ৰ কথা নহয় তথাপি প্ৰকৃততে সেইটো ভয়ৰেই আন এটা ৰূপ আছিল।

অৱশ্যে ভয়টোৱে নিজৰ সম্পূৰ্ণ শক্তিৰে ৰঙ্গনাথৰ মনত প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিল, কাৰণ, সেই সময়ত সি ৰূপ্পনবাবুৰ বিষয়ে ভাবিবলৈ আৰম্ভ কৰিছিল। ৰূপ্পনবাবুৰ কথাই মনলৈ ভুমুকি মৰাৰ লগে লগেই বেলা নামৰ ছোৱালীজনীৰ কথাও মনলৈ আহিল। বেলাক অৱশ্যে ৰঙ্গনাথে কেতিয়াও দেখা নাছিল, কিন্তু ঘুন্নুক-ঘানাকৈ গম পাইছিল যে ৰূপ্পনে তাইলৈ এখন প্ৰেমপত্ৰ দিছিল।

সি নাজানিছিল যে প্ৰেমপত্ৰ কিমান গভীৰ হ'ব পাৰে। কিন্তু উৰাবাতৰিৰপৰা গম পাইছিল যে তাত চিনেমাৰ গানৰ টুকুৰাৰে সম্পূৰ্ণ বাক্য বনোৱা হৈছিল। এই কথাটো কিন্তু চাৰিওফালে বিয়পি পৰিছিল যে চিঠিখন বেলাৰ পেহীয়েকে ঘৰৰ চুক এটাত পৰি থকা অৱস্থাত পাইছিল। তেওঁ গয়াদীনক চিঠিখন পঢ়িবলৈ দিলে। গয়াদীনে চিঠিৰ আৰম্ভনীৰ কেইটামান শব্দৰ অৰ্থ একোকেই বুজি নাপালে। কিন্তু তাৰ পাছত যেতিয়া তেওঁ পঢ়ি পঢ়ি— "মুঝকো অপনে গল্লে (অৰ্থাৎ ডিঙি) লগা লো, অ' মেৰে হামৰাহী"

পালেগৈ, তেতিয়াহে তেওঁৰ জ্ঞানৰ দুৱাৰখন প্ৰকাণ্ড শব্দ কৰি খুলি গ'ল আৰু গম পালে যে এই উপদেশটো কোনোবাই বেলাৰ জ্ঞাতাৰ্থে পঠিয়াইছে। শেষৰ লাইন কেইটা পায়গৈ মানে এই পত্ৰখনৰ প্ৰকৃত অৰ্থ সম্পূৰ্ণ পৰিষ্কাৰ হৈ গৈছিল। কিয়নো, চিঠিত কোৱা হৈছিল যে "য়ে মেৰা প্ৰেমপত্ৰ পঢ়কৰ তুম নাৰাজ ন হো, কি তুম মেৰি জিন্দেগী, কি তুম মেৰি বন্দেগী হো।" পত্ৰৰ লিখক আছিল—"শ্ৰীব্ধঃ।"

শুনা গৈছিল গয়াদীনৰ বাহিৰে প্ৰিন্সিপালেও এই চিঠিখন পঢ়িবলৈ পাইছিল। বোধহয় এইবাবেই হয়তো গয়াদীনে ৰূপ্পন বাবুৰ উত্থান-পতনৰ সকলো দায়িত্ব প্ৰিন্সিপালৰ লগত সাঙুৰিছিল। প্ৰিন্সিপালে তেওঁক বুজাবলৈ চেষ্টা কৰিছিল যে এইখন প্ৰেমপত্ৰ নহয়; বৰঞ্চ উচ্চ শ্ৰেণীৰ কবিতাৰ সঙ্কলন—যাৰ সাহিত্যিক মহত্ব 'ব্ধ' লিখাৰ বাবেই কম হৈ যোৱা নাই। কিন্তু এই সান্ত্বনা দিয়াৰ পাছতো গয়াদীনে এই লিখনিক কুপথে যোৱাৰ লক্ষণ বুলি ধৰি ললে। প্ৰিন্সিপাল চাহাবে যেতিয়া কেইবাটাও এনেধৰণৰ কবিতা পাঠ কৰি বুজাবলৈ চেষ্টা কৰিলে যে সাহিত্যত এনেধৰণৰ বস্তু সৰ্বসাধাৰণতে পোৱা যায় তেতিয়া গয়াদীনে কলে যে তোমাৰ সাহিত্যও তোমাৰ বদ অভ্যাসৰ প্ৰমাণ। দুয়ো শেষত এইটো সিদ্ধান্তত উপনীত হ'ল যে এই পত্ৰৰ লিখনি ক'লৈকো নাযায়।

পিছদিনা শিৱপালগঞ্জত কেবাটাও খবৰ বিয়পি পৰিল। এটা খবৰ আছিল খান্না মাষ্টৰৰ দলৰ কোনো ল'ৰাই বেলাৰ নামত প্ৰেমপত্ৰ লিখি মিছামিছিকৈয়ে ৰূপ্পনৰ নাম দিছে। দ্বিতীয় খবৰ হ'ল, বেলাই ৰূপ্পনলৈ এখন প্ৰেমপত্ৰ লিখিছিল আৰু ৰূপ্পনে উত্তৰ দিয়া চিঠিখন গয়াদীনৰ হাতত ধৰা পৰিল। ফলত ৰূপ্পন বৰ বেয়া

ধৰণে অপমানিত হ'ল। তৃতীয় খবৰটো আছিল—বেলা এজনী অসৎ পথে যোৱা ছোৱালী বুলি বেছি ধৰণে সদৰী হৈ পৰিছে।

এই তৃতীয় খবৰটোৱেই ৰঙ্গনাথৰ মনৰ ভয় ভাঙি দি বেলাৰ বিষয়ে ভাবিবলৈ বাধ্য কৰালে। সেইদিনা মেলাৰপৰা ঘূৰি আহোঁতে ৰূপনবাবুৰপৰা প্ৰেমপত্ৰৰ বিষয়ে যি শুনিছিল তাৰ পিছৰপৰা ৰূপনৰ লগত এই বিষয়ে আকৌ কথা পাতিবলৈ তাৰ সাহসে নুকুলালে। নিৰৱ ৰাতিৰ এই সময়খিনিত বেলাৰ বিষয়ে তাৰ উৎসুকতা কমোৱাৰ একমাত্ৰ উপায় আছিল—কল্পনা, কুণ্ঠা আৰু হস্ত-মৈথুন। ৰঙ্গনাথেও এনে কল্পনাৰ জৰিয়তে এই সময়খিনি জীয়াই থাকিবলৈ শক্তি পাইছিল।

তাই দেখিবলৈ কেনেকুৱা হ'ব বাৰু? 'মধুমতী'ৰ বৈজয়ন্তীমালা, 'গো-দান'ৰ শোভা খোটেৰ দৰে নে 'অভিযান'ৰ ৱাহিদা ৰহমানৰ দৰে? ওহোঁ, নহয়—কাৰণ এওঁলোকতো এতিয়া মাকৰ শাৰীত পৰিছেগৈ। বেলা এতিয়া তন্বী গাভৰু। কেনেকুৱা হ'ব পাৰে বাৰু? নাজানো, যেনেকুৱাই নহওক লাগে,—"খুদা কী কচম লা-জবাব" হ'ব পাৰে। এটা ফিল্মী গানৰ টুকুৰা ৰঙ্গনাথৰ ডিঙিত কাঁইট লগাদি লাগি থাকিল। সি মিচিকিয়াই হাঁহিলে। আন্ধাৰতে খুব ধুনীয়াকৈ প্ৰায় ডেড় ইঞ্চিমান বহলকৈ মুখ মেলি হাঁহিলে।

পিছদিনাখন ৰঙ্গনাথ যেতিয়া ঘৰৰ ছাটৰ ওপৰত অকলে শুলে তেতিয়া তাৰ কিন্তু বেলাৰ কথা সমূলি মনলৈ নাহিল। তাৰ ঠাইত বৈদ্য ডাঙৰীয়াৰ খণ্ডত উতলি থকা বীৰ্য্যময় চেহেৰা আৰু মুখখনে ভুমুকি মাৰিলে।

সেইদিনা শনিচৰ আৰু কালিকাপ্ৰসাদৰ প্ৰচেষ্টাত গঢ়ি উঠা সমবায় ফাৰ্মৰ দ্বাৰ উদ্‌ঘাটন কৰা হ'ল। উদ্‌ঘাটনৰ সংক্ৰান্তত

অহা সমবায় বিষয়াজনক বৈদ্য ডাঙৰীয়াই কো-অপাৰেটিভ্ ইউনিয়নৰ বস্তু উধাও হোৱা বিষয়ে কওঁতে এই কথাটোও উন্নুকিয়াইছিল যে উধাও হোৱা বস্তুৰ মূল্য অনুদানৰ ৰূপত কো-অপাৰেটিভ্ ইউনিয়নক দিবলৈ ইতিমধ্যে চৰকাৰক অনুৰোধ কৰা হৈছে। বৈদ্য ডাঙৰীয়াই কোমল সুৰত বুজাইছিল যে যদি চৰকাৰে এনে নকৰে তেতিয়া-হ'লে বুজা যাব যে চৰকাৰী বিষয়াই সমবায় আন্দোলনক আগ-বাঢ়িবলৈ দিব খোজা নাই।

সমবায় বিষয়াজনে এখন ভাল ধৰণৰ কিতাপ পঢ়ি আছিল। সেইবাবে বৈদ্য ডাঙৰীয়াৰ প্ৰতিটো কথাতে কৈছিল—"আপুনি ঠিকেই কৈছে, কিন্তু ……।" এই কথাষাৰকে তেওঁ সাতবাৰমান ক'লে। তেওঁ অষ্টমবাৰ মুখখন মেলি কিবা উচ্চাৰণ কৰিলে যদিও তাৰপৰা "আপোনাক অনুদান দিয়া হ'ব"ৰ নিচিনা সুৰীয়া সঙ্গীত নোলাল। তাৰ ঠাইত সেই আগৰ কথাষাৰেই পুনৰ ওলাই আহিল—"আপুনি ঠিকেই কৈছে, কিন্তু—"

এই কথাষাৰ পুনৰ শুনাৰ লগে লগেই বৈদ্য ডাঙৰীয়াৰ অতিপাত খং উঠি গ'ল।

"……আপোনালোকে দেশ উদ্ধাৰ এইদৰেই কৰিব। এই 'কিন্তু', 'পৰন্তু', 'তথাপি' শব্দবিলাক কিয়? ডাঙৰীয়া, এইবোৰ নপুংসকৰ ভাষা বুইছে? অকৰ্মণ্য মানুহে এইদৰেই নিজকে আৰু দেশকো বঞ্চিত কৰে। আপোনাৰ নিৰ্দেশ স্পষ্ট হোৱা উচিত। কিন্তু! পৰন্তু! থুই কটা!"

ইয়াৰ পিছত বৈদ্য ডাঙৰীয়াই দেশৰ দুৰ্দশাৰ ওপৰত এটা ব্যাখ্যা দাঙি ধৰিলে। ব্যাখ্যাটো দিয়াৰ পাছতো তেওঁ একেবাৰে শান্ত নহ'ল। অলপ সময় মুখেৰে ভোৰ্‌ভোৰাই থাকিল। তাকে

দেখি আন আন মানুহেও ভোৰ্‌ভোৰাবলৈ ধৰিলে। শনিচৰৰ জলসা আগতেই শেষ হৈছিল। গতিকে এই ভোৰ্‌ভোৰণিবোৰে তাৰ সফলতাত কোনো প্ৰভাৱ বিস্তাৰ নকৰিলে। পিছলৈ ভোৰ্‌ভোৰণি-বোৰহে ৰ'লগৈ।

এনেধৰণৰ ভোৰ্‌ভোৰণি সমবায় বিষয়াজনে চহৰৰ প্ৰায়েই সকলো ঠাইতে আৰু সকলো সময়তে শুনিবলৈ পায়। তেওঁ জানিছিল আমাৰ দেশ ভোৰ্‌ভোৰাই থকাসকলৰ দেশ। অফিচ, কাছাৰী, দোকান, কল-কাৰখানা, পাৰ্ক, হোটেল, খবৰ কাগজ, গল্প-কবিতা আদি সকলোতে মানুহে একপ্ৰকাৰ ভোৰ্‌ভোৰায়েই থাকে। এয়াই হ'ল আমাৰ যুগচেতনা। ইয়াত গাঁৱতো তেওঁ সেই একে ভোৰ্‌ভোৰণিকে শুনিবলৈ পাইছিল। খেতিয়কে মালিকৰ বিপক্ষে ভোৰ্‌ভোৰাইছিল, কৰ্মচাৰীয়ে প্ৰথমতে নিজকে ৰাইজৰপৰা বেলেগ কৰি পাছত ৰাইজৰ বিপক্ষে ভোৰ্‌ভোৰাইছিল; আকৌ হঠাতে নিজকে চৰকাৰৰপৰা বেলেগ কৰি চৰকাৰৰ বিপক্ষে ভোৰ্‌ভোৰাইছিল। প্ৰায় সকলোৰেই কিবা নহয় কিবা এটা অসুবিধাত আছিলেই আৰু কোনোৱেই সেই অসুবিধাৰ ঘাই শিপাদাল বাহিৰ কৰিবলৈ চেষ্টা কৰা নাছিল। কিবা এটা অসুবিধা অনুভৱ কৰিলেই তাৰ সমিল-মিল প্ৰতিকাৰৰ উপায় নিবিচাৰি ভোৰ্‌ভোৰাবলৈ আৰম্ভ কৰি দিয়ে।

বৈদ্য ডাঙৰীয়াৰ এইটোৱেই বিশেষত্ব আছিল যে তেওঁ কেতিয়াও ভোৰ্‌ভোৰোৱা নাছিল। আজি কিন্তু তেওঁৰ ভোৰ্‌ভোৰণিয়ে ৰঙ্গনাথৰ অন্তৰত আঘাত দিলে। সি আশা কৰিছিল যে বৈদ্য ডাঙৰীয়াই প্ৰথমতে গাজি-গুমৰি পিছত বৰ্ষুণ দিবলৈ আৰম্ভ কৰিব। কিন্তু তেওঁ প্ৰথমতে গৰজিলে যদিও পিছত ভোৰ্‌ভোৰাই

মনে মনে থাকিল। অৱশেষত সমবায় বিষয়াজনে ভোৰ্ভোৰাবলৈ আৰম্ভ কৰি ইঙ্গিত দিলে যে কো-অপাৰেটিভ্ ইউনিয়নৰ হিচাপৰ বিশেষ ধৰণৰ হিচাপ পৰীক্ষা কৰাব লাগিব।

ৰাতিৰ নীৰৱতা ভঙ্গ কৰি এটা অশ্লীল মাতে ৰঙ্গনাথৰ গালত যেন চৰ এটাহে মাৰি দিলে। কুসহৰ প্ৰসাদে নিজৰ ঘৰৰ দুৱাৰ-মুখত বহি কাৰোবাক গালি দি আছিল। অৱশ্যে তেওঁ কাৰ উদ্দেশ্যে গালি দিছিল তাক ধৰিব নোৱাৰি। কিয়নো, তেওঁৰ গালি পৰাৰ ধৰণ দুটা। এটা গালিৰ অৰ্থ থাকে আৰু ই কাৰোবাক উদ্দেশ্য কৰি পাৰে। আনটো গালি হ'ল অৰ্থহীন। সৰু পালোৱানৰ উদ্দেশ্যে পৰা গালিবিলাকৰ অৰ্থ থাকে। গতিকে ৰাতি পাৰি থকা গালিবিলাক অৰ্থহীন হোৱা বাবে এইবিলাক সৰু পালোৱানৰ উদ্দেশ্যে যে নহয় তাক অনায়াসে বুজিব পাৰি। মুঠতে কুসহৰ প্ৰসাদে উদ্দেশ্যহীন ভাবে গালি পাৰি ৰাতিৰ নিস্তব্ধতা ভঙ্গ কৰি আছিল।

গাঁৱৰ আনটো মূৰত এটা কুকুৰে অনবৰত ভুকি আছে। কেতিয়াবা কেং কেং কৰি আঁতৰি যোৱা শুনা যায়। ধাৰণা হয় কোনোবাই হয়তো খেদা মাৰি যায়। কেতিয়াবা দুই তিনিটা কুকুৰে একেলগে ভুকি উঠে। ৰামাধীনৰ ঘৰৰ ফালৰপৰা কোনো এক যুৱকে হিন্দী গান গাই আহি থকা গম পোৱা যায়। তাৰ মুখত এই গান শুনা গৈছিল—

"তেৰী বাতোঁসে জহিৰ মুঝে য়হ হুৱা
ইস্ক তেৰা ৰহা কিসী কঙ্গাল সে।"

সি বাৰে বাৰে এই শাৰীকেইটাকে দোহাৰি থাকে। কেতিয়াবা তাৰ উচ্চাৰণ অস্পষ্ট শুনা যায় আৰু বুজিব নোৱৰা। ইয়াৰপৰা

অনুমান কৰিব পাৰি যে কোনো দেশীয় মদৰ প্ৰভাৱত সি নিজৰ মাজতে হেৰাই গৈছে নতুবা তাৰ প্ৰেমিকাই কোনো কঙাল যুৱকৰ সৈতে প্ৰেম কৰিব লগা হোৱাত সি হয়তো কান্দিব লগা হৈছে। গাঁৱৰে চাৰি পাঁচোটামান গুণ্ডা ওচৰৰ গলিয়েদি পাৰ হৈ যায়। গয়াদীনৰ ঘৰত চুৰি হোৱাৰ পিছৰেপৰা তেওঁ সদায় ৰাতি পহৰা দিয়ে আৰু মাজে মাজে কেবাটাও শব্দেৰে ধ্বনি দি থাকে। ধ্বনিৰ শব্দ কেইটা হ'ল,—'জাগি থাকা,' এটা ৰূপৰ সিকি, আৰু কোৱাঁ 'মহাত্মা গান্ধীৰ জয়।'

অৱশ্যে এই ধ্বনিবিলাক হ'ল অৰ্থহীন। কাৰণ সিকিৰ ঠাইত আজিকালি পঁচিছ পইচাহে চলে, সিকি শেষ হৈ গৈছে, আৰু মহাত্মা গান্ধীও শেষ হৈ গৈছে। আজিকালি জাগি থকাৰো প্ৰয়োজন নাই। তথাপি তেওঁ নজনা-নুশুনাকৈ, অকণো ভয় নকৰাকৈ ধ্বনি দি থাকে। অলপ দূৰত কোনোবা ফালেদি এখন ৰেলগাড়ী পাৰ হৈ যোৱাৰ শব্দ শুনা যায়। ৰেলৰ উকি ক্ৰমে ক্ষীণ হৈ অস্পষ্ট হৈ পৰে।

বৈ বৈ বজা হুইচেলৰ শব্দ আৰু আন্ধাৰৰ পৰিৱেশত কেতিয়া যে ৰঙ্গনাথ শুই পৰিল সি নিজেই কব নোৱাৰিলে। টোপনিতে তাৰ অনুভৱ হ'ল—যি যেন এটা লিফ্‌টত থিয় দি আছে আৰু কেবাটাও খলপাৰ তললৈ নামি গৈছে। হঠাৎ লিফ্‌ট্‌টো দেখোন তিনিচাৰিটা খলপা একে কোবতে পাৰ হৈ ওপৰলৈ গুচি আহিল। ৰঙ্গনাথৰ বৰ বিৰক্তি লাগিল।

টোপনিতে ৰঙ্গনাথে অনুভৱ কৰে কোনো গাভৰুৰ মূৰত ঘঁহা সুগন্ধি তেলৰ আৰু সস্তীয়া আতৰৰ গোন্ধ। হাতত পিন্ধা বালাৰ এটা পাতল ঝন্‌ঝননিৰ শব্দই টোপনিক আঘাত কৰিব খোজে।

গাভৰু এজনী নিঃশব্দে আহি ৰঙ্গনাথ শোৱা বিছনাখনত বহি পৰিল। তাইৰ এখন হাত ৰঙ্গনাথৰ গাৰ আনফালে আছিল। এবাৰ তাই ৰঙ্গনাথক সাৱটি লবৰ মনেৰে তাৰ বুকুৰফালে হালি পৰে। তাৰ বুকুত দুটা স্তনৰ গধুৰ ওজন অনুভৱ কৰা যেন লাগে। স্তনযুগল আৰু বুকুৰ মাজত ঢাকিবলৈ কাপোৰৰ বাহিৰেও এখন শকত লেপ আছিল। তথাপি সেই বুকুৰ উত্তাপ আৰু সবলতা যেন লুকাই থাকিব পৰা নাছিল। ৰঙ্গনাথৰ উশাহ বন্ধ হোৱা যেন লাগিল। গাৰপৰা লেপখন গুচাই পেলোৱা হ'ল। কিন্তু আন্ধাৰত ইটোৱে সিটোৰ মুখ দেখা পোৱা নাছিল। তাৰ বুকুৰ ওপৰত আন এখন বুকুৰ প্ৰবল হেঁচা আৰু উত্তাপ ক্ৰমান্বয়ে বাঢ়ি গ'ল। সেই মুহূৰ্তত্তে তাৰ গালৰ ওপৰত আন এখন সুকোমল গাল আহি স্পৰ্শ কৰেহি। এটা গভীৰ আৰু দীঘল উচুপনিৰ মাজেৰে কোনোবাই কোৱা শুনা গ'ল—“হায়! শুই পৰিল।”

ৰঙ্গনাথৰ টোপনি ভাগি গ'ল। সি লাহেকৈ মূৰটো লৰালে। অস্বাভাৱিকভাৱে তাৰ মুখৰপৰা ‘কোন’ ‘কোন’ শব্দ ওলাই আহিল।

এটা ক্ষণৰ বাবে তাৰ বুকুৰ ওপৰৰ হেঁচা খাই থকা স্তনযুগলৰ ভিতৰৰ শব্দ স্তব্ধ হৈ গ'ল। তাৰ পাছত গাভৰুৱে বিছনাখনৰপৰা জাপ মাৰি উঠি—দূৰত থিয় হ'লগৈ আৰু পুতুক কৰি ৰঙ্গনাথৰ সন্মুখৰপৰা আঁতৰি গ'ল। সি চেপা মাতেৰে চিঞৰি উঠিল—“আই ঐ মোৰ!”

নিজৰ মাকক মতাটো বৰ ভাল কথা। পিছে এই শব্দকেইটা সেই সময়ত মাত্ৰ ভয়টো প্ৰকাশ কৰিবলৈহে যেন কোৱা হৈছিল। ৰঙ্গনাথে খপ কৰি লেপখন গাৰপৰা সম্পূৰ্ণৰূপে দলিয়াই দি জাপমাৰি থিয় হ'ল আৰু ইফালে সিফালে চালে। কিন্তু তেতিয়ালৈ

তাই ৰঙ্গনাথ শোৱা ছাটৰপৰা আনখন ছাট আৰু তাৰপৰাও আন এখন ছাট পাইছিলগৈ।

মুকলি দুৱাৰেদি বাহিৰ ওলাই আহি সি বাৰান্দাত থিয় হ'লহি। ঠাণ্ডা যথেষ্ট আছিল। বহু সময়লৈকে সি কাণ থিয় কৰি ওচৰত কাৰোবাৰ মৃদু পদক্ষেপ শুনা যায়নেকি মন কৰিলে। কিন্তু বতাহৰ সোঁ-সোৱনিৰ শব্দৰ বাহিৰে আন একো শুনা নাপালে।

ছাটৰ ওপৰত থকা কোঠালৈ পুনৰ সোমাই আহি দুৱাৰখন ভিতৰৰপৰা বন্ধ কৰি যেতিয়া সি বিছনাত আকৌ পৰিলগৈ, সি কোনো কথাৰে আঁতিগুৰি উলিয়াব নোৱাৰিলে। তাৰ অনুশোচনা হ'ল—সি কিয় ভুল কৰিলে? এটা সুন্দৰ সুযোগ হেৰুৱালে। তাইতো উপযাচি আহিছিল। সি ভাবিলে,—কোনাৰ্ক, ভুবনেশ্বৰ আৰু খাজুৰাহোৰ নাৰীমূৰ্তিবোৰ যদি তেজ-মঙহলৈ ৰূপান্তৰিত হয় তেতিয়াহলে মানুহক পাগল কৰিবলৈ সেয়াই জানো যথেষ্ট নহয়। সি এইটোও বুজি পালে যে পুৰাতত্ত্ব আৰু ভাৰতীয় কলা-শাস্ত্ৰৰ ওপৰত সি যিমান অধ্যয়ন কৰিছে সেই সকলোবোৰ আধৰুৱা আৰু অৰ্থহীন হৈ পৰিল। ভাৰতীয় কলা-শাস্ত্ৰত ডক্টৰেট উপাধি নলৈ সুৰসুন্দৰী ভঙ্গিমাৰ দুটা জীৱন্ত স্তনৰ আশ্ৰয় পোৱাটো এটা মহান উপলব্ধি আছিল।

অৰ্থহীন এই কথাবিলাকক চেৰ পেলাই এটা মাথোন কথাই তাৰ অন্তৰক ইমান পৰে খুলি খুলি খাইছে। কথাটো হ'ল—"শ্ৰীমান, তুমি মহা মূৰ্খ। তোমাক মাতিবলৈ কিহে পাইছিল? ভয় খালাই বা কিয়? তুমি তাইক আৰু আগবাঢ়িবলৈ সুবিধা নিদিলা কিয়? বৰ ভুল কাম কৰিলা। এটা অপূৰ্ব সুযোগ হেৰুৱালা। শ্ৰীমান, তুমি এটা মূৰ্খই নহয়, এটা গাধও।

অতীতত হৈ যোৱা ঘটনাৰ তালিকাত আৰু এটা নতুন কথা লিখি ললা, নহয় জানো? মুঠতে তুমি আন একো নহয়, কেৱল এজন ভাৰতীয় ছাত্ৰ,—যাৰ ভাগ্যত ছোৱালীৰ ফটোৱেই যথেষ্ট।"

শুবলৈ কৰা বহুবাৰ ব্যৰ্থ চেষ্টাৰ মূৰতো ৰঙ্গনাথৰ টোপনি নাহিল। তাৰ হাতখন অজানিত ভাবে নিজৰ বুকুৰ ফাললৈ আগবাঢ়িল আৰু অতি দুখেৰে এই কথাষাৰ স্বীকাৰ কৰিলে যে তাত আৰু একো নাই। আছে মাত্ৰ এখন উদং বুকু। "কোন বাৰু তাই?" সি আৰু ভাবিব নোৱাৰিলে। কাৰণ তাৰ ভাব সমুদ্ৰৰ মাজত এটা বিৰাট পৰ্বত প্ৰাচীৰ হিচাপে থিয় দি আছে।

সোতৰ

পুৱাই পুৱাই চাৰিওফালে জনাজাত হ'ল যে যোগনাথক পুলিচে ধৰি নিলে। মানুহবিলাক আচৰিত হ'ল যে যোগনাথক, যাক তেওঁলোকে বৈদ্য ডাঙৰীয়াৰ মানুহ বুলি, জানে, পুলিচে তাক চুবলৈ সাহস পালে ক'ত? গাঁৱৰ গুণ্ডা, ভদ্ৰ সমাজ, সকলোৱে ভয় খালে। গুণ্ডাই এই কাৰণে ভয় খালে যে পুলিচে বৈদ্য ডাঙৰীয়াৰ গুণ্ডাকো বাদ নিদিলে যেতিয়া সিহঁতনো কোন কুটা! আৰু ভদ্ৰ মানুহে ভয় খালে এই বাবে যে পুলিচে যেতিয়া সমান স্তৰৰ মানুহৰ লগতো এনে ব্যৱহাৰ কৰিলে, সুযোগ পালে যে তেওঁলোকৰো ডিঙিত নধৰিব তাৰ কি মানে আছে?

পুলিচৰ আন আন গ্ৰেপ্তাৰৰ দৰে এই গ্ৰেপ্তাৰো নাটকীয় পৰিস্থিতিৰ মাজেৰেই হ'ল। কোৱা বাহুল্য হ'ব যে পৰিস্থিতিক নাটকীয় স্তৰলৈ নিয়াৰ গুৰিতো পুলিচেই আছিল। দাৰোগাই কিতাপত পঢ়িছিল যে দুৰ্দ্ধৰ্ষ মানুহক গ্ৰেপ্তাৰ কৰিবৰ সময় হৈছে নিশাৰ চতুৰ্থ প্ৰহৰ। যোগনাথে শিৱপালগঞ্জতে সদায় ঘূৰি ফুৰে আৰু তাক যিকোনো সময়তে থানালৈ ধৰি আনিব পাৰি, এই আশা বাদ দি তাক গ্ৰেপ্তাৰ কৰিবলৈ তেওঁ ব্ৰহ্মমুহূৰ্তৰ সময়খিনিয়েই বাচি ললে।

ৰাতিপুৱা চাৰে চাৰি বজাত পুলিচে তাৰ ঘৰটো চাৰিওফালৰ পৰা ঘেৰি ললে। সকলোৰে জানিছিল যে তাত গুলি চলোৱাৰ কোনো প্ৰয়োজন নহ'ব। সেইবাবে আটাইবোৰ চিপাহীয়ে হাতত ৰাইফল তুলি ললে। দাৰোগাই পিস্তলত গুলী ভৰাই ললে, ফুচফুচাই হেড্ কনিষ্টবলক কলে, "কানপুৰৰ ফালৰপৰা বদ্‌মাচৰ দল এটা কালি এই ফাললৈ আহিছে। সঁচা হওক বা নহওক, সিহঁত নিশ্চয় যোগনাথৰ ঘৰতে আছে।"

হেড্ কনিষ্টবলে কলে, "হজুৰ, কানপুৰৰপৰা অহা মানুহ ভূদানৰ কৰ্মকৰ্তা।"

"তাকেতো কৈছোঁ," দাৰোগা ডাঙৰীয়াই ফুচফুচাই কলে, 'আগতে বদমাচবোৰ সাধু-সন্ন্যাসীৰ ভেশত ফুৰিছিল। আজিকালি সিহঁতে ভেশ বদলাই পেলালে।"

আটাইবোৰ চিপাহীয়ে বজৰংবলীৰ নাম ললে, নিজৰ নিজৰ ল'ৰাতিবোতাক একোবাৰ স্মৰণ কৰিলে আৰু অস্ত্ৰধাৰণ কৰি হলেও বদ্‌মাচৰ দলটোক কৰায়ত্ব কৰিবলৈ যাত্ৰা কৰিলে।

যোগনাথৰ ঘৰটো ঘেৰি লোৱাৰ পিছত আক্ৰমণৰ প্ৰস্তুতি

চলোৱা হ'ল। আটাইবিলাক চিপাহীয়ে নিজৰ নিজৰ ঠাইত শিলৰ মূৰ্তিৰ দৰে আধা ঘণ্টা বহি থাকিল। না কোনোবাই হাঁহিলে বা কাৰোবাক ইঁহুৱালে। এটা চিপাহীয়ে বুটযোৰ খুলি ভৰিৰ আঙুলি টিপি টিপি, চোৰৰ দৰে সকলোৰে কাণে কাণে শক্তিৰ এক মহামন্ত্ৰ দি থৈ আহিল যে ভৰসা ৰাখা, বিপদৰ কোনো কাৰণ নাই। সকলো চিপাহী অনুভৱশীল আছিল আৰু জানিছিল যে কোনোবাই কৈ দিলেইতো বিপদ আঁতৰি নাযায়। গতিকে সিহঁত বিপদৰ মাজতেই থম্‌থম্‌কৈ বহি থাকিল। দাৰোগাই পিস্তল আৰু হেড্‌কনিষ্টবলে ৰাইফল লৈ যোগনাথৰ দুৱাৰ-মুখত থিয় দি থাকিল।

এটা মানুহ ওচৰৰ গলিৰ ভিতৰৰপৰা ওলাই আহিছিল। পুলিচক দেখি উলটি যাবলৈ খোজ লওঁতেই হেড্‌কনিষ্টবলে হাতৰ ঠাৰেৰে তাক মাতি আনিলে। সি বেচ সাহেৰেই আগুৱাই আহিল। হেড্‌কনিষ্টবলে তাৰ কাণে কাণে কলে, "পলাইছিলা হ'ব পায়।"

সি নিৰ্ভয়ভাৱে কলে, "পলাম কেলৈ আক'? ৰাতিপুৱাই দিনটোলৈ আপোনালোকৰ মুখ চোৱাৰপৰা হাত সাৰিব বিচাৰিছিলোঁ।"

দাৰোগাই মুখত আঙুলি এটা দি 'চিচ্‌'কৈ শব্দ এটা কৰিলে। হেড্‌কনিষ্টবলে আকৌ তাৰ কাণে কাণে কলে, "ইয়াতেই বাৰান্দাত বহি থাকাঁ। সাক্ষী দিব লাগিব।" সি মাত লগালে, "বহিলে কিটো হ'ব? যেতিয়াই দৰকাৰ কাইলৈ, পৰহিলৈ, চ'থাদিনালৈ মাতি পঠাব, সাক্ষীও দি দিম। আপোনাৰপৰা আঁতৰিব পাৰিম জানো?"

সি লাহে লাহে ফালৰি কাটিব ধৰিলে। হেড্‌কনিষ্টবলে আকৌ কাণে কাণে কলে, "তেনেহলে ঠিক আছে। কিন্তু খবৰদাৰ, ইয়াত আমাৰ উপস্থিতিৰ কথা কাকো নকবা বুইছা?"

সি হেড্‌কনিষ্টবলৰ কাণত নিজৰ নাকটো ভৰাই একে ধৰণেই ক'লে "কাকনো কব লাগিছেগৈ? গাঁৱৰ আটায়ে জানে।" এই বুলি কৈ সি গুচি গ'ল।

ঘৰটোৰ পিছফালে বহি থকা গুণ্ডা কেইটাক বিৰি-চাদাৰ দুৰ্বাৰ ইচ্ছাই জোকাবলৈ ধৰিলে। তেতিয়া পুহৰি পুহৰি হৈ আহিছিল আৰু ইটোৱে সিটোৰ মুখো দূৰৈৰ পৰাই দেখা পাইছিল। হঠাৎ পিছফালে বহি থকা চিপাহীহঁতে এটা খৰমৰণি শব্দ শুনিবলৈ পালে। বোধহয় বাহিৰৰ দুৱাৰখন খোলা হৈছিল। সিহঁতে তাত কোনোবাই খৰখৰকৈ কথা-বতৰা পতা শুনিবলৈ পালে। সকলোৱে বুজি পালে যে সিহঁতৰ বাবে কৰ্মক্ষেত্ৰত প্ৰৱেশ কৰাৰ সুবিধা ওলাইছে। সিহঁত আটায়ে নিজৰ ৰাইফল লৈ সাজু হ'ল। সিফালে দুৱাৰৰ ফালে কথা-বতৰা প্ৰথমতে খুব বেছিকৈ হৈ শেহলৈ নুশুনা হৈ পৰিল। চিপাহীহঁত ক্ৰমে অধৈৰ্য্য হৈ পৰিল। অলপ সময়ৰ ভিতৰতে ঘটনা আহি চৰম বিন্দুত উপনীত হ'লহি। অৱশেষত বিপদৰ সঙ্কেত হুইছেল বাজি উঠিল আৰু আটাইবোৰে দৌৰা-ঢপৰা কৰি দুৱাৰৰ কাষ পালেগৈ। তাৰপৰাও কিছুদূৰ আগবাঢ়ি দুৱাৰৰ পৰা প্ৰায় পঞ্চাছ গজমান দূৰত আমবাগানখন পালেগৈ আৰু লগে লগে পৰিস্থিতিটো নাটকীয় হৈ গ'ল।

দেখা গ'ল, যোগনাথ মাটিত বহি আছে। দাৰোগা ডাঙৰীয়াই তাৰ বুকুৰ ওপৰত পিস্তল টোৱাঁই থিয় দি আছে। হেড্‌কনিষ্টবলে আনটো ফালৰ পৰা সঙ্গীনসহ ৰাইফল দেখুৱাই আছে। এটা সুন্দৰ নাটকীয় দৃশ্য; পৰ্দা পৰা নাই এথোন। চিপাহীবোৰে হাতত ৰাইফল লৈ সতৰ্কতাৰে ইফালে সিফালে দৌৰাদৌৰি কৰি আছে।

যোগনাথৰ পৰা কিছুদূৰতে এটা লোটা পৰি আছিল। তাৰপৰা পানী ওলাই মাটিত ডোঙা বান্ধিছিল। এটা চিপাহীলৈ চাই দাৰোগাই হুকুম দিলে, "ঐ, সেই লোটাটো লৈ থ'। প্ৰমাণৰ বাবে দৰকাৰ হ'ব।"

চিপাহীটোৱে লোটাটো হাতত লৈ ভালকৈ নিৰীক্ষণ কৰাৰ পিছত প্ৰশংসাসূচক মাতেৰে ক'লে, "এইটো মোৰাদাবাদী।" তাৰ পিছত কিবা এটা ভাবি সি ক'লে, "ইয়াক চিলমোহৰ মৰা হ'ব নেকি হজুৰ?"

"অঁ, মৰা হ'ব, এতিয়া নহয় পিছত।"

চিপাহীটোৱে অলপ সময় কিবা ভাবি পানীৰে তিতি থকা মাটি টুকুৰালৈ আঙুলি দেখুৱাই মাত লগালে, "ইয়াৰপৰা মাটি অকণো লৈ লম নেকি?"

হেড্‌কনিষ্টবলে তাক ভেকাহি মাৰি ক'লে, "বৰ বেছি জনাটো নোলাবিচোন! যিটো কৈছোঁ তাকে কৰ।"

দাৰোগাই যোগনাথক থিয় কৰালে। তাৰ শৰীৰ তলাচী কৰা হ'ল। তাৰ পিছত সকলোৱে পিস্তল আৰু ৰাইফলবিলাক সামৰি লৈ সুবিধা বুজি কথা-বতৰা আৰম্ভ কৰি দিলে।

এটা চিপাহীয়ে মাত লগালে,—"যিয়েই নহওক লাগে পুৱাই পুৱাই সি পায়খানালৈহে গৈছিল।" দ্বিতীয়টোৱে মাত লগালে, "কি ঠিক, ওচৰতে ক'ৰবাত হয়তো তাৰ দল আছে; সিহঁতৰ বাবে দানা-পানী দিবলৈ গৈছিল।" তৃতীয়টোৱে মাত লগালে, "চাবি এতিয়া বৈদ্য ডাঙৰীয়াই চিঞৰ-বাখৰখন লগাব।" চতুৰ্থটোৱে লাহেকৈ মাত লগালে, "বৈদ্য ডাঙৰীয়াকতো দাৰোগাই জেপত লৈ ঘূৰি ফুৰিছে। গ্ৰেপ্তাৰ কেপ্তেনৰ হুকুম মতেহে হৈছে।" পঞ্চমটোৱে

আন একালে দৃষ্টি আকৰ্ষণ কৰি ক'লে, "মনে মনে থাকচোন, অলপ তামাচা চা, খেল চা।"

যোগনাথ কোনোবা লোকনৃত্যৰ মুদ্ৰাত থিয় হৈ আছিল। হঠাৎ দাৰোগাই তাৰ গালত এচৰ লগাই সুধিলে, "লোটা লৈ কলৈ গৈছিলি হোঁ?"

সি চৰৰ প্ৰভাৱ দূৰ কৰিবৰ বাবে চকুকেইটা মোহাৰি ললে। তাৰ পিছত দাৰোগাৰ চকুৰ ওপৰত চকু থৈ ক'লে, "কাটি তুমি টুকুৰা টুকুৰা কৰি দিয়া, যেতিয়ালৈকে মোৰ উকিলে নকয়, তেতিয়ালৈকে মই কোনো কথাই নকওঁ।"

দাৰোগাই হেড্‌কনিষ্টবলক হুকুম দিলে, "হেণ্ডকাফ্‌ লগাই ইয়াক লৈ বলা। ইয়াৰ ঘৰো খানাতালাচ কৰিবলৈ আছে।"

"ইয়াৰ খবৰো লব লাগিব।" হেড্‌কনিষ্টবলে দাৰোগাৰ কথাৰ লগতে যোগ দিলে।

এই ঘটনাটো বৈদ্য ডাঙৰীয়াক বহুত ঘূৰাই পকাই কোৱা হ'ল। পিছে আজি প্ৰথমবাৰৰ বাবে এই অপ্ৰিয় সত্যটোৰ ওপৰত তেওঁৰ সন্দেহ হৈছিল যে পুলিচে যি কৰে ভালকে কৰে।

বৈদ্য ডাঙৰীয়াৰ ধাৰণা যোগনাথৰ প্ৰতি বৰ ভাল নাছিল। পিছে তেওঁ সেইখন সংসাৰৰ মানুহ আছিল, য'ত মানুহক তেওঁৰ সৎকামৰ বাবে সন্মান নেদেখুৱাই তেওঁৰ উপযোগিতাৰ ওপৰতহে সন্মান দেখুওৱা হৈছিল। তেওঁৰ ফলীয়া মানুহবোৰৰ ভিতৰত যোগনাথেই এনেকুৱা আছিল যি প্ৰাণ খুলি মদ খাইছিল। আৰু লাগিলে তাৰ নিজৰ পইচাৰে অথবা আনৰ মূৰত কঠাল ভাঙিয়েই হওক, মদৰ যোগাৰ সি যেনে তেনে কৰিছিল। আটাইবোৰকে ধৰি মুঠতে সি এটা মজলীয়া ধৰণৰ গুণ্ডা আছিল।

বৈদ্য ডাঙৰীয়াই সন্দেহ কৰিছিল যে যোগনাথৰ গ্ৰেপ্তাৰৰ অন্তৰালত নিশ্চয় ৰাজনীতি থাকিব লাগিব। কিছুদিনৰপৰায়ে দাৰোগাই তেওঁকে নহয় ৰামাধীন ভীখমখেড়ৰীকো অলপ বুজিবাজি চলিবলৈ আৰম্ভ কৰিছে, এই কথাটো বৈদ্য ডাঙৰীয়াই আগৰেপৰাই লক্ষ্য কৰিছিল। প্ৰথমতে তেওঁ ভাবি লৈছিল যে কানিৰ গুপুত বেপাৰত ৰামাধীনে তেওঁকো অংশীদাৰ বনাই লৈছে। পিছে এতিয়া তেওঁ অনুমান কৰিছে দাৰোগাৰ ভ্ৰম হৈছে। ভ্ৰম হোৱাৰ কাৰণো এইটোৱেই হ'ব যে ৰাজনৈতিক কৌশলত তেওঁতকৈ ৰামাধীন ভীখমখেড়ৰী বেছি বুধিয়ক হ'ব। সি যিয়েই নহওক লাগে, বৈদ্য ডাঙৰীয়াই অনুভৱ কৰিছিল যে এনেকুৱা পৰিস্থিতিত যোগনাথক যেতিয়া গ্ৰেপ্তাৰ কৰা হৈছে আৰম্ভনিতে সেইটোৱেই হ'ব, যিটো দাৰোগাই বিচাৰে আৰু দাৰোগায়ো সেইটোকে বিচাৰিব যিটোকে ৰামাধীন ভীখমখেড়ৰীয়ে বিচাৰে।

পিছে ৰূপ্নন বাবুৱে জেদ ধৰিছিল যে যোগনাথক থানাৰপৰাই জামিনত লোৱা যাওক। গতিকে তেওঁ অনিচ্ছা সত্বেও দাৰোগাৰ সৈতে কথা পাতিবলৈ সন্মত হৈছিল।

এতিয়াৰ দাৰোগা ডাঙৰীয়া ৰাতিপুৱাৰ কৰ্মতৎপৰ দাৰোগাৰ নিচিনা হৈ থকা নাছিল। এই সময়ত তেওঁ সম্পূৰ্ণ ঘৰুৱা পৰিৱেশত থাকে। পিন্ধনত খদ্দৰৰ পায়জামা আৰু পাটৰ পাঞ্জাৱী। কোৱাৰিয়েদি তামোলৰ সেলেভি বৈ পৰা। তেওঁৰ মুখৰপৰা বৈদ্য ডাঙৰীয়াই আটাইবোৰ কথা শুনি ললে। তেওঁ এটা কথাৰ বাহিৰে বাকী কথাবোৰত বিশেষ আচৰিত নহ'ল। কথাটো হ'ল, পুলিচে যোগনাথৰ ঘৰৰপৰা এটা দেশী বন্দুক পৰ্য্যন্ত বাহিৰ কৰিব নোৱাৰিলে। ইমান বছৰে পুলিচৰ লগত ঘনিষ্ঠ সম্পৰ্কত থাকি

তেওঁ এটা কথা জানিছিল যে এনেকুৱা ক্ষণত অপৰাধীৰ ঘৰৰপৰা অন্ততঃ এটুকুৰা লোহাৰ অদৰকাৰী বন্দুকৰ টুকুৰা বাহিৰ কৰিব পৰা যায়। এইয়ে আছিল বৈদ্য ডাঙৰীয়াৰ মনোভাৱ।

তেওঁ দাৰোগা ডাঙৰীয়াক এই কামটোৰ বাবে ধন্যবাদ দিয়াটো উচিত হ'ব বুলি ভাবিলে। ভূমিকা নিদি সুধিলে, "যোগনাথৰ ঘৰৰপৰা কেৱল অলঙ্কাৰ-পাতিহে পালে। গাঞ্জা, ভাং, কানিতো নাই পোৱা।"

"কানিৰ তালাচি মই কৰা নাছিলোঁ। তেনে কৰা হলে মানুহে ক'লেহেঁতেন যে যোৱাবাৰ সিটো দলৰপৰা এটা মানুহক কানি সংক্রান্তত গ্রেপ্তাৰ কৰা হৈছিল, গতিকে এইবাৰ এইটো দলৰপৰা গ্রেপ্তাৰ কৰা হ'ল।"

"দল?" বৈদ্য ডাঙৰীয়াই আচৰিত হৈ সুধিলে, "কেনেকুৱা দল? আপুনি এইবোৰ কি কৈছে?"

কপ্পনে মাজতে মাত লগালে, "পুলিচৰ।"

দাৰোগাই কিছুসময় নিৰৱে থাকি মনে মনে কিবা এটা চিন্তা কৰিলে। বৈদ্য ডাঙৰীয়াৰ চেহেৰা বেছ গম্ভীৰ হৈ পৰিছিল। দাৰোগাই বৈদ্য ডাঙৰীয়াক ভালদৰে নিৰীক্ষণ কৰিলে।

"আপুনি এই প্রচেষ্টা একেবাৰে নিৰৰ্থক কৰি দেখুৱালে।" বৈদ্য ডাঙৰীয়াই ক'লে, "যি কানি বেপাৰ কৰে তাক কেতিয়াও ক্ষমা কৰিব নাপায়। সি দুৰাচাৰ, দেশদ্রোহী।"

দাৰোগা ডাঙৰীয়া মনে মনে বহি থাকিল। বৈদ্য ডাঙৰীয়াই হঠাতে সুধিলে, "যোগনাথৰ ঘৰৰপৰা সাধাৰণ বন্দুক এটাকে উলিয়াব নোৱাৰিলে। কিনো খানা-তালাচখন কৰিলে তেনেহলে?"

"সেই তেনেকুৱাই ধৰি লওক", দাৰোগাই নম্রভাৱে ক'লে।

"এতিয়া বন্দুকনো আৰু ক'ত থাকিলগৈ যে প্ৰতিটো খানা-তালাচতে একোটাকৈ ওলাব।"

ৰূপন বাবুৱে খবৰ কাগজ এখন মেলি মুখখন ঢাকি ৰাখিছিল। কাগজৰ আঁৰৰপৰাই মাত লগালে, "ক'লৈনো গ'ল বন্দুকবোৰ? আপোনাৰ মালখানাৰ সোপা শেষ হলেই নেকি?"

দাৰোগা ডাঙৰীয়াই গহীনাই মাত লগালে, "যোৱাবাৰ বৈদ্য ডাঙৰীয়াই থানাত দিয়া ভাষণৰেই ফল এয়া। তাৰ দ্বাৰাই প্ৰভাৱিত হৈ আটাইবোৰ বদমাইচ্ লোকেই নিজৰ নিজৰ বন্দুক-বোৰ এই এলেকাৰপৰা নি বাহিৰত পেলাই দিলেগৈ। বেছি ভাগেই উন্নাওৰ ৰাইজৰ ওচৰত বিক্ৰী কৰি দিয়া হ'ল।"

বদ্ৰী পালোৱান উন্নাওত আছিলগৈ। তেতিয়াও উভটি আহি পোৱাহি নাছিল। বৈদ্য ডাঙৰীয়াই চকুৰ কোণকেইটা মোহাৰি কিবা এটা ভাবি অকণমান হাঁহিলে আৰু মাত লগালে, "শিৱপাল-গঞ্জৰ জলবায়ু বেচ উৎকৃষ্ট। বুদ্ধিৰ বিকাশৰ বাবে উপযুক্ত ঠাই।"

বৈদ্য ডাঙৰীয়া চুপচাপ বহি থাকিল। দাৰোগা ডাঙৰীয়াৰ কথা তেওঁ প্ৰায় শুনাই নাছিল। দাৰোগা যাবৰ বাবে লাহেকৈ থিয় হ'ল। তেওঁ প্ৰায় দুৱাৰদলি পাইছিলগৈহে, তেনেতে বৈদ্য ডাঙৰীয়াই পাহৰি থকা কথা এবাৰ হঠাৎ মনত পৰাৰ দৰে কৰি সুধিলে, "হেৰি নহয়, কিবা বোলেনে যোগনাথৰ জামিনৰ বাবে বোধহয় মোৰেই নাম লিখা হৈছে, নহয় জানো?"

দাৰোগা থিয় হ'ল। ক'লে "তেনে হোৱা হলে আপোনাৰ চহীটো নিশ্চয় ললোহেঁতেন। কিন্তু কোনো কথা নাই, আদালতত জামিনৰ কাম হৈ যাব। কাৰোবাক তালৈ পঠাই দিব।"

বৈদ্য ডাঙৰীয়া মনে মনে থাকিল। ৰূপনে চিধাই সুধিলে, "ইয়াত জামিন লোৱাতনো কি অসুবিধা আছে ?"

"চুৰিৰ অপৰাধত জামিন দিয়া নহয় নেকি ?"

"আৰু হত্যাৰ অপৰাধত ?"

দাৰোগা ডাঙৰীয়াই অলপ পাতলকৈ ক'লে, "আপুনি যোৱা বছৰৰ নিবাদাৰ মোকৰ্দমাৰ বিষয়ে কৈছে হ'বপায়, কিন্তু তাৰ অপৰাধী যক্ষ্মাৰ ৰোগী আছিল। গতিকে তাক হাজোতত ৰাখি কোনেনো হত্যাৰ অপৰাধ মূৰ পাতি ল'ব ?"

ৰূপন বাবুৰে ইতিমধ্যে খবৰ কাগজ পঢ়া এৰি থিয় হৈছিল। তেওঁ মাত লগালে, "যোগনাথ বৰ্তমান আপোনাৰ কবলত আছে। তাক তাতেই সোধাপোচা কৰি লওক। তাৰো বেমাৰ হৈছে। অৱশ্যে তাৰ যক্ষ্মা নহয়, প্ৰমেহ বেমাৰ হে হৈছে।"

বৈদ্য ডাঙৰীয়াই অলপ সৰুকৈ ক'লে, "ৰূপন, শিষ্টতা ৰাখি কথা ক। দাৰোগা ডাঙৰীয়া আমাৰ সম্পৰ্কীয়; যি কৰিব ভাবি চিন্তি কৰিব।"

দাৰোগাই কলে, "অনুমতি হ'লে যাব পাৰোঁ তেন্তে ?"

"নিশ্চয়, যাওক।" ৰূপনে ক'লে, "থানাত ছাগে ৰামাধীনে বাট চাই চাই বৈ আছে।"

দাৰোগা ডাঙৰীয়াই মিচিকিয়াই হাঁহিলে, তাৰ পিছত চাকৰী জীৱনৰ আটাইতকৈ দুখ লগা ঘটনাটো ক'লে, "দেশ স্বাধীন হৈ গ'ল। গতিকে কথাই বেলেগ। নহলে, বুইছে ৰূপন বাবু, ডাঙৰ ডাঙৰ মানুহেই বাট চালেহেঁতেন।"

তেওঁ যোৱাৰ পাছত ৰূপন বাবুৰে নিজকে কোৱাদি ক'লে, "যাক কঠাল বুলি ভাবিছিলোঁ, সি বাদুহে হ'লগৈ। এইষাৰ

কথা এইবাৰ বৈদ্য ডাঙৰীয়াৰ ফালে চাই ক'লে, "বৰ লাজ পোৱা গ'ল।"

বৈদ্য ডাঙৰীয়া শান্তভাৱেৰে বহি থাকিল। তেনেতে ৰঙ্গনাথক ঘৰৰপৰা ওলোৱা দেখি ক'লে, "লাভালাভ, জয়-বিজয়, মান-অপমান এই সকলোবিলাক সমবুদ্ধিত লোৱা উচিত।"

"দেউতাই গীতাৰ বচন কৈছে", ৰূপ্পন বাবুৱে ভাবিলে, এতিয়া চাওঁচোন এই দাৰোগানো ক'লৈ যায়?

বাবু ৰামাধীন ভীখমখেড়ৱীৰ তাত আজি ভাং খোৱাৰ কাৰবাৰ হৈছিল। সমুখৰ এখন চালিৰ তলত জুৱা খেলা চলি থাকে। দুয়োটা বস্তুৰপৰা আঁতৰত থাকি বাবু ৰামাধীনে খাট এখনৰ ওপৰতে পেট পেলাই শুই লঙ্গৰৰ কথা শুনি আছিল। লঙ্গৰ মুকলি বাৰান্দাখনৰ তলতে থিয় হৈ লৈছিল।

ৰঙ্গনাথ আৰু শনি সেইফালেদি যাওঁতে বাবু ৰামাধীনে তেওঁ-লোকক ৰিঙিয়াই মাতিলে। দুয়ো আগবাঢ়ি আহিল। ৰামাধীনে নিজে খাটৰ এটা চুকত বহি ৰঙ্গনাথক মূৰ শিতানৰ ফালে বহুৱালে। শনিৰ বাবে তেওঁ বিশেষ মনোযোগ দিয়া যেন নালাগিল। মাত্ৰ ইমানকে ক'লে, "থিয় হৈ কিয় আছা? বহঁা সভাপতি ডাঙৰীয়া।"

ৰঙ্গনাথৰ বাবে এইয়া দ্বিতীয় সুযোগ আছিল। প্ৰথমবাৰ যেতিয়া তেওঁ ৰামাধীনৰ ঘৰৰ আগেদি গৈছিল, তেতিয়া ভাং আৰু জুৱাৰ দেখাদেখিয়েই নাছিল। আজি প্ৰথমবাৰৰ বাবে এই ব্যৱস্থা দেখিলে। ৰঙ্গনাথে লঙ্গৰৰ ফালে চাই সুধিলে, "এখেতৰ কি খবৰ?"

"বাহাদুৰ মানুহ। ধৰি লোৱা একেবাৰে দিগ্বিজয় কৰি আহিছে।" ৰামাধীনে হাতৰ ঠাৰেৰে বুজাই দিলে যে দিগ্বিজয়ৰ কাৰণে মানুহে কিমান দূৰলৈকে যাবলগীয়া হয়।

ৰঙ্গনাথে ডাঙৰকৈ সুধিলে, "কি হ'ল, নকল পালানে নাই ?"

লঙ্গৰে শান্তভাৱেই উত্তৰ দিলে, "হয় বাপু, পাইছোঁ বুলিয়েই ধৰা। সদৰৰপৰা দৰখাস্ত ঘূৰি আহিছে। এনেয়ে সদৰলৈ যোৱা দৰখাস্ত তাতে হেৰাই যায়, পিছে মোৰ খন হেৰোৱা নাই। আপোনালোকৰে চৰণৰ প্ৰতাপ।"

শুনিয়ে বৰ জনাটোৰ দৰে ক'লে, "বৰ ভাল লক্ষণ। দৰখাস্ত ঘূৰি আহিল যেতিয়া, এতিয়া নকল পাবাই আৰু।"

"কেতিয়াকৈ পাবা ?" ৰঙ্গনাথে সুধিলে।

লঙ্গৰৰ এই কৌতূহল বৰ ভাল নালাগিল। সি ৰঙ্গনাথক সাহস দি ক'লে, "নকল বাবুৱে কৈছিল, তোমাৰ নম্বৰ এই আহিবই লাগে আৰু।"

ৰামাধীনে মাত লগালে, "যোৱা লঙ্গৰ, সিফালে ঠাণ্ডা কিবা অলপ পি লোৱাঁগৈ।"

ৰঙ্গনাথে ক'লে, "আমিও আহোঁ আৰু বাবু ৰামাধীন ডাঙৰীয়া ; অলপ ফুৰিবলৈ ওলাইছিলোঁ। পলম হৈ যাব।"

ৰামাধীনে একো নকলে। দুয়ো ওলাই গ'ল ; যাওঁতে জুৱাৰী-হঁতৰ ওচৰত এখন্তেক বৈ গ'ল।

খেল দুটা দলত হৈছিল। ৰঙ্গনাথৰ খেলখন কিবা কানিয়া মানুহৰ খেল যেন হে লাগিল, অলপ ভাঙৰ নিচাৰ দৰে। যেতিয়া সি দুয়োটা দলৰ খেলা অলপ মনদি চালে তেতিয়া তাৰ শিৱপালগঞ্জৰ জুৱাৰ প্ৰতি থকা ধাৰণা একেবাৰে বদলি গ'ল। আমনি লগাত দুয়ো তাৰপৰা আঁতৰি গুচি গ'ল।

ওঠৰ

চহৰত চাহৰ দোকান, সভাঘৰ, কিতাপৰ দোকান আৰু বিধানসভাৰ যি প্ৰয়োজন, গাঁৱত ৰাস্তাৰ কাষৰ পুলবো সেই একে প্ৰয়োজন; কাৰণ, মানুহে তাতে বহি গল্প-গুজব কৰি সময় কটায়। এদিন দেওবাৰে পুৱা দহমান বজাত ৰঙ্গনাথ আৰু ৰূপনবাবুৱেও এনে এটা পুলৰ ওপৰত বহি ৰ'দ লৈছিল আৰু দেশৰ অৱস্থাৰ আলোচনা কৰিছিল।

ৰঙ্গনাথ সেই নিশা কোনোবা এক গাভৰুৰ স্পৰ্শ আৰু তাইৰ স্তনযুগলৰ বিষয়ে উল্লেখ কৰিয়েই কথা আৰম্ভ কৰিছিল। সেইদিনা ৰাতিৰ ঘটনাৰ সবিশেষ বিৱৰণ কাকো দিব খোজা নাছিল যদিও ৰূপনৰ লগত সি কেৱল সাধাৰণ জ্ঞানৰ কথা কব খুজিছিল আৰু কথা প্ৰসঙ্গত সি ইয়াকো জানিব খুজিছিল যে সিহঁতৰ চুবুৰীটোত এনেকুৱা কোন ছোৱালী আছে—যাক বক্ষবন্ধন বনোৱা কোনো কোম্পানীৰ কেলেণ্ডাৰত মডেল হিচাপে কামত লগাব পৰা যায়। ৰঙ্গনাথে যেতিয়া ৰূপনৰ লগত কথা আৰম্ভ কৰিছিল,—তেতিয়া এনে অনুমান হৈছিল সি যেন কোনোবা কোম্পানীৰ প্ৰচাৰ অধিকাৰী আৰু কোনো ছোৱালী বা ছোৱালীৰ স্তনৰ বিষয়ে যথেষ্ট অভিজ্ঞতা তাৰ আছে।

ৰূপনবাবুৱে ৰঙ্গনাথৰ কথাবিলাক বৰ মনোযোগেৰে শুনি থাকিল আৰু তাৰ কথা শেষ হয় মানে তেওঁৰ এনে লাগিছিল যেন

তেওঁ জুইৰ ভাটী এটাৰ ওপৰতহে বহি আছে আৰু এনে এটা শিহৰণ অনুভৱ কৰিলে যিটো তেওঁ সাধাৰণতে কোনো ছোৱালীৰ কথা ওলালেই অনুভৱ কৰে। তেওঁৰ বিশ্বাস হৈ গ'ল যে সেই নিশা ঘৰৰ ছাটলৈ অহা ছোৱালীজনী বেলাহে আছিল আৰু যাক তাই আত্মসমৰ্পণ কৰিব খুজিছিল সেইজন আছিল স্বয়ং ৰূপনবাবু। সেইনিশা তেওঁ নিজে কিয় ছাটত সুশুলে এই আক্ষেপে ৰূপনবাবুৰ কণ্ঠত এটা গানৰ কলি হিচাপে ধৰা দিলে। কিন্তু এই সময়ত ৰঙ্গনাথৰ আগত নিজৰ দুৰ্বলতা কেনেবাকৈ প্ৰকাশ পায় বুলি তেওঁ সাৱধান হৈ থাকিল আৰু কোনো অভিমত প্ৰকাশ নকৰি মনে মনে থাকিল। তেওঁক মনে মনে থকা দেখি ৰঙ্গনাথে নিজৰ কথা পুনৰ দোহাৰিলে আৰু ক'লে—"ছোৱালীজনী অহা আৰু ঘূৰি যোৱাৰ কথা মই গমেই নাপালোঁ। মোৰ মাত্ৰ এইটোৱেই মনত আছে যে তাই মোৰ বুকুৰ ওচৰলৈ আহি জুপি তললৈ চাই বহিছিল আৰু ..... ।"

ৰঙ্গনাথৰ কথা শেষ কৰিবলৈ নিদি ৰূপনবাবুৱে নিজকে বয়সস্থ যেন দেখুৱাই মাত লগালে,—"হৈ যায়। কেতিয়াবা কেতিয়াবা এনেকুৱা ভ্ৰমও হৈ যায়। নাজানো কোন আছিল তাই। কেনোবা আহিছিল নে নাই এই বিষয়ে কাকো কোৱাৰ প্ৰয়োজন নাই। গাঁৱৰ কথা—ভূত-প্ৰেত বুলি ভাবিব। কাক কি বুজাবা ৰঙ্গনাথদাদা! মনে মনে থাকাঁ। তুমি হয়তো সপোন দেখিছিলা। অৱশ্যে সঁচাও হ'ব পাৰে।"

ৰঙ্গনাথে দুটা কথাৰ কাৰণে ৰূপনৰ মন্তব্য বিশ্বাস কৰিবলৈ টান পালে। এটা হ'ল ৰূপনে তাৰ অনুমানটোক সপোনৰ কথা কৈ এৰি দিব খুজিছিল আৰু দ্বিতীয়তে সেই ছোৱালীজনীৰ প্ৰসঙ্গত

ভূতৰ কথা উল্লেখ কৰিছিল। ৰঙ্গনাথে ক'লে—“তাত কোনো ভুল হ'ব নোৱাৰে। মই সেই সময়ত সাৰ পাই আছিলোঁ। তাই আহি মোৰ খাটিয়াতে বহিছিল আৰু মোক জুমি চাইছিল।”

“ঠিক আছে, ঠিক আছে” বুলি নিজৰ হাতেৰে কোনো কাল্পনিক মাখি এটা মৰাৰ নিচিনা কৰি ৰূপ্সনবাবুৱে ক'লে—“মানি ললোঁ, সঁচাকৈয়ে কোনোবা আহিছিল। আৰু এই বিষয়ে একো কব নালাগে।”

কোনোবা আহিছিল। ৰঙ্গনাথে চকুমুদি কোনাৰ্কৰ কোনো ৰূপসুন্দৰীৰ কথা মনত পেলালে। “সঁচাকৈয়ে তাই আহিছিল। বাৰু ৰূপ্সনবাবু! তুমি কেতিয়াবা সপোনতো তাইৰ কথা ভাবিছিলা নেকি?” ৰূপ্সনবাবু নিৰৱ হৈ ৰ'ল। কোনো কথা নকলে। ৰঙ্গনাথেও তাৰ কথা অপ্ৰাসঙ্গিক যেন ভাবি মনে মনে থাকিল।

থানাত হত্যা সম্পৰ্কীয় এটা গোচৰ দাখিল কৰা হৈছে। কোনো এখন গাঁৱত কোনোবাই কাৰোবাক হত্যা কৰিলে। কোনোবাই কাৰোবাৰ শত্ৰুতা কমাবৰ কাৰণে গাঁৱৰে মুখিয়াল হৰিৰামৰ নামটো থানাতো জনালে। আকৌ কোনোবাই তেওঁৰ বিষয়ে প্ৰশংসা কৰিলে আৰু কোনোবাই তেওঁৰ ফালৰপৰা কাৰোবাক ভেটীও দিলে। কোনোবাই কোনো সাক্ষীক ভাবুকিও দিলে, কাৰোবাক বুৰ্বক বনালে আৰু কাৰোবাৰ সৈতে মিতিৰালিও পাতিলে। এনে ধৰণৰ গোচৰ লৈ আদালত পাওঁতে তাৰ চেহেৰাই সলনি হৈ গ'ল আৰু হত্যাৰ মোকৰ্দমা নহৈ তাৰ ঠাইত ‘ঋণৰ প্ৰতিশোধ’ মূলক গোচৰহে হ'লগৈ। দুয়োপক্ষৰ উকীলে নিজৰ যুক্তি প্ৰদৰ্শন কৰিলে। বিচাৰকৰ মনত দৃঢ় বিশ্বাস হ'ল—গোচৰ হত্যাকাণ্ড বুলি তৰা হৈছিল যদিও প্ৰকৃততে ই ঠগৰামী গোচৰহে হ'ব।

গতিকে বিচাৰকে আচামী হৰিৰামক নির্দোষী বুলি ৰায় দিলে।

বিচাৰকৰ দৃষ্টিত হৰিৰাম দোষী নহলেও সি গুণ্ডা, গুণ্ডা হৈয়েই ৰ'ল। পাছত জেলৰপৰা ওলাই আহিয়েই সি গোটেই গাঁৱৰ মানুহক এটা ভোজ খুৱাই দিলে আৰু নিজৰ নির্দোষিতা প্রমাণ কৰি দেখুৱালে। সেইদিনা শিৱপালগঞ্জৰ সকলো মুখিয়াল মানুহে ওচৰৰ গাঁৱৰে হৰিৰামৰ ঘৰলৈ ভোজ খাবলৈ গ'ল। কেৱল ৰঙ্গনাথ বৈদ্য ডাঙৰীয়াৰ ঘৰত অকলে ৰ'ল।

গোটেই দিনটোৰ সময়খিনি ৰঙ্গনাথৰ বাবে অশান্তিময় আছিল। সেয়ে গধূলি হোৱাৰ লগে লগে সি চহৰৰ ফালে ফুৰিবলৈ ওলাই গ'ল। প্রিন্সিপাল চাহাবক ওচৰৰে পাণ-দোকান এখনত সোমাই পাণ খাই থকা দেখা পালে। তেওঁ দোকানীক পাণৰ দাম দিব খোজাত দোকানীয়ে দামৰ বিষয়ে প্রিন্সিপালক কৈছিল যে দোকানখন তেওঁৰেই যেতিয়া যি দাম দিব খুজিছে তাকে দিব পাৰে। ঠিক এনে সময়তে ৰঙ্গনাথ গৈ সেইখিনি পোৱাত প্রিন্সিপালে গম্ভীৰ হৈ দোকানৰ আচবাবপত্রবিলাক এবাৰ নিৰীক্ষণ কৰিবলৈ ধৰিলে। দোকানৰ দুৱাৰ এখনৰ চৌকাঠডালত ওলোমাই থোৱা এখন প্রকাণ্ড ছবিত মহাত্মা গান্ধীয়ে বিকট হাঁহি এটা মাৰিছে আৰু তেওঁৰ ওচৰতে জৱহৰলাল নেহৰু থিয় দি আছে। ছবিখনৰ ওপৰ ভাগত এটা ৰঙা তেলৰ বটল আঁকি ৰখা হৈছে। ৰঙ্গনাথে প্রিন্সিপালক সুধিলে—“আপুনি ছবিখন দেখিলেনে?”

প্রিন্সিপালে অন্যমনস্কভাৱে উত্তৰ দিলে,—“যেনেকুৱা পশু তেনেকুৱা বান্ধোন। ছবিখন অৱশ্যে গাঁও অঞ্চলৰ বাবেহে যোগ্য।”

“গাঁৱলীয়া আৰু চহৰীয়াৰ মাজত কিহৰ তুলনা?” ৰঙ্গনাথে

ক'লে—"গান্ধীজীকতো সকলোৱেই সন্মান কৰে।" সি অলপ সময় ছবিখন ভালদৰে নিৰীক্ষণ কৰি মন্তব্য দিলে—"ছবি আঁকোতা লোকজন চৰ খাবৰহে যোগ্য।"

প্ৰিন্সিপাল ডাঙৰীয়াই হাঁহি এটা মাৰিলে। তেওঁৰ হাঁহিটোৱে যেন কৈছে ৰঙ্গনাথ এটা মূৰ্খ। তেওঁ ক'লে,—"যিমানেই মিলোৱা সিমানেই মিল খাব। তেলী পাণ-দোকানীৰ সক্ষমতানো কিমান? টোকোনাব দোকানত কোন চালাই 'পিকাছো'ক লগাব?"

"ৰ'ব ৰ'ব মাষ্টৰ চাহাব। পিকাছোৰ নাম নলব। আপোনাৰ মুখত এনে নাম শুনিলে মূৰ্চ্ছা যোৱা যেন উপক্ৰম হয়।"

দুয়ো ৰাস্তাৰ ওপৰত উঠিলহি। ৰঙ্গনাথৰ কথাবাৰে প্ৰিন্সিপালৰ অন্তৰত আঘাত দিয়া যেন লাগিল। প্ৰিন্সিপালে বিচলিত হৈ একেবাৰে শিষ্ট মানুহ এজনে কোৱাদি ক'লে,—"ৰঙ্গনাথজী! আপুনি কি মোক একেবাৰে অশিক্ষিত বুলি ভাবে? মইতো ইতিহাসত এম-এ. পাছ কৰা লোক আৰু প্ৰত্যেকখন পেপাৰতে শতকৰা ৫৯ ভাগ নম্বৰ লাভ কৰিছিলোঁ। এইটো হ'ল কালৰ গতি আৰু সেই কাৰণেই মই আজি ইয়াৰ প্ৰিন্সিপাল।"

প্ৰিন্সিপালৰ গম্ভীৰভাৱাপূৰ্ণ কথাবাৰে ৰঙ্গনাথৰ অন্তৰ স্পৰ্শ কৰিলে। সি ভাবিলে যে পিকাছো বিষয়ক ঠাট্টা কৰি প্ৰিন্সিপালৰ মনত বেজাৰ দিলে। সি প্ৰিন্সিপালক ক্ষমা খুজি ক'লে—"বেয়া নাপাব তেনেদৰে কোৱাৰ বাবে। এইটোতো মই প্ৰথমৰপৰাই জানিছিলোঁ। কোনো বেয়া ডিভিজন পোৱাহেঁতেন আপুনি ইয়ালৈ কেতিয়াও নাহে।"

"সেইটোতো হয়েই।" প্ৰিন্সিপালে ক'লে—'তেতিয়া হয়তো মই কোনোবা ইউনিভাৰ্চিটীৰ লেক্‌চাৰাৰ হলোহেঁতেন। মোৰ

কেবাজনো তৃতীয় শ্ৰেণী পোৱা বন্ধু এতিয়াও ইউনিভাৰ্চিটীতে লাগি আছে।”

প্ৰিন্সিপালে কিছু সময় অন্যমনস্ক হৈ গৈ থাকিল। অলপ সময় চিন্তা কৰি তেওঁ ক'লে—“ৰঙ্গনাথবাবু, মই জানো আপোনালোকে মোৰ বিষয়ে কি ভাবিছে। আপোনালোকে হয়তো ভাবিছে—এইটো কলেজৰ প্ৰিন্সিপাল হৈয়ো মই কেনেকুৱা অসভ্য। সকলোৰে আগত কেনেকৈ পাগলৰ নিচিনাকৈ হাঁহি কথা কয়। কথাটো অৱশ্যে সঁচা। খান্না চান্নাৰ কথা বাদ দিয়ক। সিহঁত সকলো ল'ৰা। মই অৱশ্যে সকলোৰে কথা বৰ মন দি শুনো। নিজতকৈ ডাঙৰৰ কথা ভালদৰে শুনি মই তাৰ সদায় প্ৰশংসা কৰোঁ। এতিয়া আপোনালোকে মোক মূৰ্খ বুলি ভবাৰ এটা কাৰণ আছে। কাৰণ এইটোৱেই—” বুলি তেওঁৰ সন্মুখত এটা ম'হ আহি থকা দেখি প্ৰিন্সিপালে ৰাস্তাৰ কাষলৈ আঁতৰি গ'ল আৰু পুনৰ কবলৈ ধৰিলে, —“কাৰণ এইটোৱেই যে বুদ্ধিমত্তাৰ যেনেকৈ মূল্য আছে ঠিক তেনেকৈ মূৰ্খতাৰো এটা নিজস্ব মূল্য আছে। মূৰ্খতাৰ কথা আপুনি মানি লওক বা নলওক, তাৰ দ্বাৰা আমাৰ কোনো লাভ নহ'ব। যি মূৰ্খ সি সদায় মূৰ্খ হৈয়েই থাকে। এই কাৰণেই মূৰ্খক জোকাই লোৱা মোৰ এটা অভ্যাস হৈ গৈছে। কেতিয়াবা এনে কৰা দেখি মানুহে মোকেই মূৰ্খ বুলি ভাবে। কিন্তু সিহঁত নিজেই মূৰ্খ। কি বুজিছে ৰঙ্গনাথবাবু?”

প্ৰিন্সিপালৰ মুখৰপৰা একে সময়তে ইমানবোৰ কথা ওলোৱা দেখি ৰঙ্গনাথ আচৰিত হ'ল। ঠিক এনেতে পাছফালৰপৰা গৰু-পোৱালি এটাই ৰঙ্গনাথক খোচ মাৰি দিয়াত প্ৰিন্সিপালে তাৰ হাতত ধৰি একাষলৈ টানি নিলে।

ৰঙ্গনাথে গৰু-পোৱালিৰ খোঁচত পোৱা লাজ দূৰ কৰিবৰ বাবে প্ৰিন্সিপালক ক'লে—"ডাঙৰীয়া, মই সম্পূৰ্ণ জানো যে আপুনি পিকাছোৰ বিষয়ে সকলো জানে। কিন্তু সেইটোতো একো কথা নহয়। কথাটো আছিল এইটোৱেই যে আপুনি পিকাছোৰ বিষয়ে উল্লেখ কৰিলে শিৱপালগঞ্জত। আপুনি নিজেই এবাৰ ভাবি চাওক —ইয়াত জানো কোনোবাই পিকাছোৰ নাম শুনিম বুলি ভাবিছিল। সেই কাৰণেই মই আচৰিত মানিছিলোঁ। ডাঙৰীয়া, দোষ আপোনাৰো নহয়, মোৰো নহয়। শিৱপালগঞ্জৰো নহয়। আনকি তামোল-পাণ দোকানীটোৰো নহয়। দোষ হ'ল পিকাছোৰ।"

প্ৰিন্সিপালে ৰঙ্গনাথৰ ব্যক্তিত্ব আৰু বাকপটুতা উপলব্ধি কৰি গম্ভীৰ স্বৰেৰে ক'লে—"এসময়ত আপোনাৰ দৰে কথা কব পৰাৰ অভ্যাস মোৰো আছিল। যেতিয়া মই এম-এ-পঢ়ি আছিলোঁ, তেতিয়া মই চিন্তা কৰা নাছিলোঁ—কোনজন প্ৰফেছাৰ বুদ্ধিমান আৰু কোনজন মূৰ্খ। কেৱল মই সকলোৰে আগত নিজৰ বাকপটুতা প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছিলোঁ। এদিন এজন প্ৰফেছাৰ তাতে খঙত জ্বলি উঠিল আৰু ময়ো পাকত পৰি গলোঁ। বুজিছে ৰঙ্গনাথবাবু।"

তেওঁলোক দুয়ো কথা পাতি পাতি আহি গাঁৱৰ বজাৰৰ বাহিৰ পালেহি। তেতিয়া প্ৰায় গধূলি হৈছিল। বজাৰ শেষ হোৱা অৱস্থাতে মানুহ এটাই আখৈ ভাজি আছিল। গধূলি হলেও পোহৰ যথেষ্ট আছিল আৰু দোকানত বহি থকা যেই কোনো মানুহকে চিনিব পৰা গৈছিল। আখৈ ভজা দোকানখনত বহি থকা ছোৱালীজনীলৈ ৰঙ্গনাথৰ চকু গ'ল আৰু সি চিন্তা কৰিলে যে ছোৱালীজনী চকুত লগা।

তেওঁলোক দুয়ো কিছুদূৰ মনে মনে গৈ থাকি ৰাস্তাৰ কাষত

ঘটি থকা দৈনন্দিন কাৰ্য্যকলাপ আৰু প্ৰাকৃতিক দৃশ্য উপভোগ কৰিছিল। নীৰৱতা ভঙ্গ কৰি প্ৰিন্সিপালে পুনৰ কথা আৰম্ভ কৰিলে—"ঘটনা এয়েই হ'ল ৰঙ্গনাথবাবু। মোৰ প্ৰফেছাৰ মোৰ ওপৰত অসন্তুষ্ট হ'ল আৰু ক্ৰমান্বয়ে এই অসন্তুষ্টিৰ ভাব বাঢ়ি গৈ থাকিল। তেওঁ মোৰ প্ৰত্যেকটো কথাতে দোষ উলিয়াবলৈ ধৰিলে। শেষত গৈ তেওঁ মোৰ ডিভিজনটোও বেয়া কৰি দিলে আৰু এনে অৱস্থাৰ সৃষ্টি কৰিলে যে তেওঁ থকা অৱস্থাত মই ইউনিভাৰ্চিটীত কোনো স্থানেই নাপালোঁ। সেই অধ্যায় বহুত দীঘল, কিমান ক'ম? সেই প্ৰফেছাৰক অসন্তুষ্ট নকৰাহেঁতেন, মই আজি তেওঁৰ স্থান পালোহেঁতেন।"

প্ৰিন্সিপালে কিছুসময় নিৰৱে ৰ'ল। তুয়ো গৈ থকাৰ পাছত তেওঁ আকৌ মাত লগালে—"এই ধৰণে মই কেবাবাৰো ঠগ খাইছোঁ। শেহত বৰ্তমান অৱস্থাত উপনীত হলোঁহি। এতিয়া এনে অৱস্থাত পৰিছোঁ যে যেয়ে যিহকে কয় তাতে হয়ভৰ দিব-লগীয়া হয়। নহলে যে উপায় নাই ৰঙ্গনাথবাবু! মই চাৰিজনীকৈ ভনীক বিয়া দিবলগা হৈ আছে। হাতত এটাও জমা ফুটা কড়ি নাই। যদি বৈদ্য ডাঙৰীয়াই কাণত ধৰি কলেজৰপৰা বাহিৰ কৰি দিয়ে তেতিয়া খুজিলেও ভিক্ষা পোৱা নাযাব। এতিয়া আপুনিয়েই কওক,—মই এই চালা খান্না চান্নাক নিজৰ বোপাই মানি চলোঁ নে বৈদ্য ডাঙৰীয়াক······।"

"নহয়, নহয়। আপুনি যি কৰিছে ঠিকেই কৰিছে, আৰু য'ত আছে ঠিকেই আছে। বিশ্ববিদ্যালয়ৰ প্ৰফেছাৰগিৰিত কিটো আছে? ইয়াত আপুনি ভাইচ-চেঞ্চেলাৰতকৈ জানো কম?"

"ৰঙ্গনাথবাবু, আপুনি অৱশ্যে ঠিকেই কৈছে। মইতো ইয়াত

নিজকে ভাইচ-চেঞ্চেলাৰতকৈ বেছি ডাঙৰ বুলিহে ভাবোঁ। ভাইচ-চেঞ্চেলাৰৰ জীৱনটো জানো কম দুৰূহ! ৰাতিপুৱাৰপৰাই নিজৰ মটৰখন লৈ একজিকিউটিভৰ প্ৰত্যেকজন মেম্বাৰক চালাম দিওঁতেই দিনটো যায়। কেতিয়াবা চেঞ্চেলাৰক হাজিৰা দিব লাগে, কেতিয়াবা মিনিষ্টাৰক আৰু কেতিয়াবা চেক্ৰেটৰীক। চেঞ্চেলাৰে অতি কমপক্ষেও বছৰেকত চাৰিবাৰ গালি দিয়ে। দিনে দিনে অশান্তি বাঢ়ি আছে। ল'ৰা-ছোৱালীয়ে বিভিন্ন দাবী তুলি সভা-সমদল বাহিৰ কৰে। সদায় মাৰ খোৱাৰ ভয়। পুলিচক ফোন কৰিলে ছাত্ৰ-নেতাই হাঁহি হাঁহি কয়—'চোৰাঁ, এইজন হ'ল আমাৰ ভাইচ-চেঞ্চেলাৰ। বছৰেকত চাৰি-পাঁচবাৰ ল'ৰাৰ ওপৰত লাঠী চালনা নকৰালে তেওঁৰ গাত চেতনাই নহয়।' ঘটনা এয়াই ৰঙ্গনাথবাবু। এতিয়া অৱশ্যে প্ৰিন্সিপালগিৰিত কোনো বিপদ নাই। আৰু য'ত বৈদ্য ডাঙৰীয়া কলেজৰ মেনেজাৰ পদত আছে তাততো ধৰি লওক প্ৰিন্সিপাল সকলোতকৈ শ্ৰেষ্ঠ। কাৰো খোচামোদিত মোৰ ধাৰাধাৰ নাই। বৈদ্য ডাঙৰীয়াৰ আঁচলত ধৰি বহি আছোঁ আৰু সকলোৰে লগত নিৰ্ভয় মনেৰে কথা-বতৰা পাতোঁ। কি কয় ৰঙ্গনাথবাবু, এইয়া সুখৰ কাম নহয় জানো?"

"একেবাৰে ঠিক কৈছে আপুনি।"

"আৰু সঁচাকৈয়ে কোনোবাই যদি মোক এইবিষয়ে প্ৰশ্ন কৰে, তেতিয়াহলে মই কম যে ইউনিভাৰ্চিটীত প্ৰফেছাৰ হ'ব নোৱৰাত মোৰ অলপো খেদ নাই। সেইয়া হ'ল নৰক। একেবাৰে অকথ্য! দিনে-ৰাতিয়ে ষড়যন্ত্ৰ। কোনো চৰকাৰী বোৰ্ডে কেতিয়াবা দহ-বাৰ টকাৰ গ্ৰাণ্ট এটা দিব আৰু কাণত ধৰি ইচ্ছানুযায়ী থিচিচ্ লিখাই লব। যাকেই চাওক, কিবা নহয় কিবা এটা বিষয়ত

ৰিচাৰ্চ প্ৰজেক্ট এটা হাতত লৈ বহি আছে। সুধিলে কব ৰিচাৰ্চ কৰিছে। ৰিচাৰ্চনো কি? যাৰ খায় তাৰ গুণগান কৰে। আৰু আনৰ হতুৱাই বুদ্ধিজীৱী বুলি কোৱায়। কেতিয়াবা হয়তো কোৱাব—বিদেশত গৱেষণাৰ বাবে অলপতে আমুক তামুক ঠাইলৈ যাব। এইয়ে হ'ল বুদ্ধিজীৱী।"

—"মোৰ কথা হ'ল,—বৈদ্য ডাঙৰীয়াক সকলো সময়তে সন্তুষ্ট কৰি ৰাখক আৰু তেতিয়াহলে আনৰ ওচৰত মূৰ দোঁৱাব নালাগে। প্ৰফেছাৰ হোৱাটো মই একেবাৰে পছন্দ নকৰোঁ।"

"আপুনি একেবাৰে ঠিক কৈছে।" ৰঙ্গনাথে মাত লগালে।

প্ৰিন্সিপালে সন্দেহজনকভাৱে ৰঙ্গনাথৰ ফালে চালে আৰু পাতলভাৱে হাঁহি এটা মাৰি ক'লে—"কি কথা ৰঙ্গনাথবাবু, আপুনি দেখোন সকলো কথাকে ঠিক আছে বুলি কৈ গৈ আছে।"

"ভাবিছোঁ, মইও আপোনাৰ অভিজ্ঞতাৰপৰা কেনেদৰে লাভবান হ'ব পাৰোঁ। গতিকে আপুনি যিবিলাক কথা কৈ গৈছে সকলো ঠিকেই কৈছে।"

প্ৰিন্সিপাল ডাঙৰীয়াই ঢেক্‌ঢেক্‌কৈ হাঁহি এটা মাৰি ক'লে—"আপুনিও তেনেহলে ঠিকেই কৈছে ৰঙ্গনাথবাবু। যেতিয়া মই আপোনাৰ আগত পিকাছোৰ নাম লৈছিলোঁ তেতিয়া সঁচাকৈয়ে আপুনি আচৰিত হোৱাৰ কাৰণ আছিল। মই এতিয়াহে বুজি পাইছোঁ।"

"ইয়াত আচৰিত হ'বলগীয়া একো নাই প্ৰিন্সিপাল চাহাব। আপুনি মোৰ কথাত বেয়া নাপাব।"

তেওঁলোক দুয়ো ঘূৰি আহি শিৱপালগঞ্জ পায়হি। তেতিয়া আন্ধাৰে আবৰি ধৰিছে আৰু অলপ অলপ জাৰো পৰিছে। ৰাস্তাৰ

কাষত কিছুমান অঘৰী লোকে জুইৰ কাষত বহি সিহঁতৰ নিজৰ ভাষাত কথা পাতি আছিল। ৰঙ্গনাথে পাছলৈ এবাৰ ঘূৰি চালে আৰু নীৰৱতা ভঙ্গ কৰি ক'লে, "জাৰ বৰ বেছিকৈ পৰিছে।"

প্ৰিন্সিপালে বতৰৰ বিষয়ে কোনো কথা চিন্তা কৰা নাছিল। গতিকে তেওঁ ৰঙ্গনাথৰ কথাৰ কোনো উত্তৰ নিদিলে। তেওঁ আগৰ পুৰণা কথা কিছুমান চিন্তা কৰি আছিল। সেয়ে পুনৰ কথা আৰম্ভ কৰি ক'লে—"ৰঙ্গনাথবাবু, আপোনালোকে এতিয়াও মানুহ চিনি পোৱা নাই। মই শুনিছোঁ ৰূপন বোলে খান্নাৰ কবললৈ আহি গ'ল। কিন্তু ৰঙ্গনাথবাবু, আপোনালোকে ভাবিব লাগে এই খান্না মানুহটোনো কি বস্তু। খান্না মাষ্টৰ হ'ল—এটা ভ্ৰমণৰত কড়িৰ নিচিনা বস্তু। চাওকচোন, সেইদিনা কলেজত মাৰপিটৰ কি এটা কাণ্ড কৰি দিলে। তাৰ একো নহ'ল, কেৱল কলেজৰ সন্মান লাঘৱ কৰিলে।"

ৰঙ্গনাথে বিজ্ঞৰ দৰে ক'লে,—"কিন্তু মই শুনিছোঁ, কাজিয়া বোলে দুয়োপক্ষৰপৰাই হৈছিল।"

"আপুনি যেনেকৈয়ে শুনক লাগে তাত এতিয়া একো নহয়। কাৰণ ঘটনা এতিয়া আদালতত। বিচাৰকে যেনেকৈ ভাবে তেনেকৈ ৰায় দিব।"

"কিন্তু ঘটনা যে বৰ বেয়া।"

"বেয়া? এচলু পানীত ডুবি মৰাৰ নিচিনা কথা ৰঙ্গনাথবাবু। কিন্তু এই খান্না মাষ্টৰতো ইমান নিৰ্লজ্জ যে তাৰ ডিঙিত শিল বান্ধিলেহে সি তাতেই ডুবি মৰিব।"

"পুলিচে দুয়োপক্ষৰ ওপৰতে জবৰদস্তি ১০৭ ধাৰাৰ গোচৰ তৰি দিছে। ইয়াকেই কয় পুলিচৰ বদমাচী। খান্নাই গণ্ডগোল কৰিলে,

তাৰ বন্ধু-বান্ধৱে মাৰপিটত যোগ দিলে। দুয়োপক্ষৰ লোকক আৰু লগতে মোকো। ইয়াকেই কয়—অবুজ নগৰৰ বিবুজ কথা। যোৱা কালিয়েই মোকৰ্দমাৰ দিন আছিল। মোক কৈছিল মিটমাট কৰি লওক। মিটমাট কৰাৰ কি কথা আছে? পোনে পোনে মোকেই ফাঁচী দি দিয়ক। তেতিয়াহলে সকলো গণ্ডগোল ঠিক হৈ যাব। শিৱপালগঞ্জত এটা খান্না থাকিব আৰু তাৰ গুণ্ডা বন্ধুবোৰ থাকিব। তেতিয়া কোনো কাজিয়া পেচাল নাথাকিব, গণ্ডগোলো নাথাকিব।"

"মইতো মনে মনে গৈ ঘূৰি আহিলোঁ। ইফালে অৱস্থা এনে আছিল যে প্ৰায় সত্তৰটা মান ল'ৰাই গোট খাই 'প্ৰিন্সিপাল মুৰ্দাবাদ' বুলি ধ্বনি দিবলৈ ধৰে চহৰৰ আদালতত। তাত বিভিন্ন ধৰণৰ মানুহৰ উপৰিও যথেষ্ট সংখ্যক ভাল মানুহো আছিল। সকলোৱে সুধিবলৈ ধৰিলে,—'এওঁলোকনো কোন?' তেতিয়া খান্না মাষ্টৰে নিজেই ক'লে—এওঁলোক ছএগমল কলেজৰ ছাত্ৰ।"

"নিৰ্লজ্জ হ'লে এনেকুৱাই হয়।"

"বুজিছে ৰঙ্গনাথবাবু, এয়ে হ'ল আপোনাৰ খান্না মাষ্টৰ। ৰূপ্পনবাবুক কৈ দিব তেওঁ যেন এনে কথাত ভাগ নলয়। নহলে কেতিয়াবা কান্দিব লাগিব।"

তেওঁলোক থানাৰ কাষেদি আগবাঢ়িল। কেইটামান চিপাহীয়ে হাতত লেম্প লৈ ইফালে-সিফালে ঘূৰি ফুৰিছিল। ঠাইটুকুৰা প্ৰায় হুলস্থূলৰ নিচিনা হৈ আছিল। কিছুমান ল'ৰাই ৰাস্তাৰ কাষত গোট খাই ঘটনা নিৰীক্ষণ কৰি থকা যেন লাগে। থানাৰ ওচৰত দাৰোগাৰ কোৱাৰ্টাৰৰ সন্মুখত তিনিখন ট্ৰাকত বস্তু বাহানি

তোলা হৈছিল। চিপাহীবিলাকৰ লৰাঢপৰা আৰু হুলস্থুলৰ কাৰণ আছিল এয়ে।

প্ৰিন্সিপালে মাত লগালে—"দাৰোগাই বোধহয় তেওঁৰ বস্তুবোৰ উঠাইছে।"

তেওঁ ৰঙ্গনাথৰ কান্ধত হাতখন থৈ লাহেকৈ ক'লে—"বুজিছে, কথা এইটোহে। গোটেই অঞ্চলটোৱেই বেয়া আছিল। এতিয়া তেও পৰিষ্কাৰ হ'ল।"

ৰঙ্গনাথে ক'লে—"কব নোৱাৰোঁ, ইমান সোনকালেনো কেনেকৈ হুকুম আহি গ'ল। দুপৰীয়ালৈকেতো কোনো খবৰেই নাছিল।"

প্ৰিন্সিপালক খুব উৎসাহিত হোৱা যেন দেখা গ'ল। তেওঁ যেন হাত দাঙি নাচিবহে। তেওঁ আনন্দতে ক'লে—"ৰঙ্গনাথবাবু, আপুনি ইমান দিন আপোনাৰ মামাকৰ লগত থাকিও তেওঁক চিনি নাপালে। ইয়াৰ আগৰজন দাৰোগাক তেওঁ বাৰঘণ্টাৰ ভিতৰত শিৱপালগঞ্জৰপৰা খেদাইছিল। এইজন দাৰোগাই অন্ততঃ চৌব্বিছ ঘণ্টা সময় পালে।"

তেওঁ পুনৰ ৰঙ্গনাথৰ কাণত ফুচফুচাই ক'লে—"বৈদ্য ডাঙৰীয়াৰ পাৰ পোৱা টান। যিদিনাখন যোগনাথক জামিনত লবলৈ নাপালে সেইদিনাখনেই মই জানিছিলোঁ যে এই বেটাৰো বস্তুবাহানি গোটাবৰ দিন পালেহি। তাৰ লগত আমাৰ ১০৭ ধাৰাৰ মোকৰ্দমা। আপুনিয়েই বাৰু কওকচোন ৰঙ্গনাথবাবু, মোকনো চালান দিবৰ কি প্ৰয়োজন আছিল? কিন্তু ইহঁতক নো কোনে বুজাব? ৰামাধীন ইয়াৰ বাপেক আছিল। যেনেকৈ বিচাৰিছিল তাক তেনেকৈ ঘুৰাইছিল আৰু এতিয়া আপুনি দেখিলে,—দহদিনেই নহ'ল, যাবৰ হলেই।"

এখন ট্ৰাকত চীচ্‌ম কাঠৰ কেইখনমান ডাঙৰ ডাঙৰ পালেঙ ৰখা হৈছিল আৰু বাকীখিনি ঠাইত এজনী খীৰতি গাই আৰু তাইৰ পোৱালিটো আছিল।

প্ৰিন্সিপালে মাত লগালে—"ম'হজনী দেখোন নাই। বৰ সুন্দৰ ম'হ। ক'লৈ গ'ল!"

কোনোবাই জুমৰ মাজৰপৰাই উত্তৰ দিলে—"বিক্ৰী হ'ল।"

"কাৰ ওচৰত বিক্ৰী কৰিলে বা?"

"চহৰৰপৰা এটা গোৱাল আহিছিল।"

—"কিমান দামত?"

"এশ টকাত। আপুনি বাৰু কিমান টকাত বুলি ভাবিছিল? এহেজাৰ টকাত?"

"মই অৱশ্যে তাকেই ভাবিছিলোঁ।"

ট্ৰাকৰ কাষত কেইবাখনো পালেঙ পৰি আছিল। ৰঙ্গনাথে শুনিছিল যে দাৰোগা চাহাব পালেঙৰ প্ৰতি বেচ চৌখিন আছিল। আজি নিজ চকুৰে দেখা পালে। ট্ৰাকত সেই সময়ত বেচ কোলাহল আৰু উৎসাহৰ মাজত পালেঙবোৰ উঠাইছিল। কেই-খনমান উঠোৱা হৈ গৈছিল আৰু দুখনমান উঠাবলৈ লোৱা হৈছে। ৰাস্তাত গোটখোৱা ছাত্ৰবিলাকে আন্ধাৰ হোৱা সত্বেও আঁতৰি নগৈ ট্ৰাকত পালেঙ উঠোৱা চাই থাকিল। চিপাহী এটাই ট্ৰাকৰ ওপৰত উঠি লেম্পটো তললৈ ওলোমাই ধৰি বস্তু তোলা মানুহ এটাক চিঞৰি কৈছিল—"আৰে বেটা, খুৰাটো ভাঙিলিনে? মইতো আগতেই জানিছিলোঁ যে তই খুৰাটো নাভাঙি নেৰ।" তাৰ চিঞৰ শুনি বিশ্বাস হৈ গৈছিল যে কোনো পালেঙৰ খুৰা ভঙাটো আজিৰ দিনত এটা ডাঙৰ দুৰ্ঘটনা হ'ব। ৰঙ্গনাথে পালেঙ

উঠোৱা মানুহটোক অলপ সাৱধান কৰি ক'লে—"হয় ভাই, খুৰা-চুৰা নাভাঙিবি। চম্ভালি উঠাই যা।"

প্ৰিন্সিপালে ৰঙ্গনাথৰ কথা শুনি ঢেক-ঢেকাই হাঁহিলে। এটা চিপাহীয়ে পালেঙৰ পৰিচৰ্যাত কোনো বাধা নিদি নিজৰ ঠাইৰপৰা মাত দিলে,—"কোন? প্ৰিন্সিপাল ডাঙৰীয়ানেকি? জয়হিন্দ, প্ৰিন্সিপাল ডাঙৰীয়া।"

"কি হ'ল ভাই? জয়হিন্দ। বদলি হৈ গ'ল নেকি?"

"হয় প্ৰিন্সিপাল ডাঙৰীয়া। দাৰোগা চাহাবে তেওঁৰ ছোৱালী-জনীৰ পঢ়াৰ অসুবিধাৰ বাবে ওপৰৱালাৰ ওচৰত দৰ্খাস্ত কৰিছিল। চহৰলৈ বদলি বিচাৰিছিল।"

"আমাৰ কলেজতে পঢ়াব পাৰিলেহেঁতেন। শিৱপালগঞ্জ কোন চহৰতকৈনো নিকৃষ্ট!"

"আপোনাৰ কলেজটো হ'ল হিন্দুস্থানী স্কুল। তেখেতে ইংৰাজী পঢ়াব,—মিচনেৰী স্কুলত। বেবীৰ স্কুলৰ পোচাক বনোৱা হৈ গলেই। পোচাকটো পিন্ধিলে একেবাৰে বিলাতী ছোৱালী যেন দেখি।"

—"তেনেহলে বদলি হৈ চহৰলৈ যাব খুজিছে। এইয়াতো বেচ সুন্দৰ কথা। কিন্তু গাইজনী ক'ত থব? ভুচী ক'ৰপৰা আহিব? গাইজনী নেবেচেনেকি?"

চিপাহীটোৱে পুৰামাত্ৰাই জোৰদি পালেঙখন ট্ৰাকৰ ওপৰলৈ তুলিলে। সি কেঁকাই কেঁকাই ক'লে—"নহয়, গাইজনী মিলিটাৰী ফাৰ্মত ৰাখিব। দাৰোগা চাহাবৰ ভায়েকে তাতেই কাম কৰে। ইয়াত বেচাৰী গাইজনীয়ে একো খাবলৈকে নাপালে। এতিয়াহে তেও খাবলৈ পাব।"

ট্ৰাকৰ ওপৰত থকা চিপাহীটোৰ ধ্যান কেৱল খুৰাটোতে লাগি আছিল। সি দাঁত কামুৰি কৈ আছিল—"ভালকৈ, এতিয়া ভালকৈ ধৰিবি। আৰে—আৰে, এতিয়া আনখন পালেঙ ভাঙি নিদিবি। যদি ভাগি যায় তেন্তে গম পাবি বেটা…।"

এনেতে জুমৰপৰা কোনোবাই ক'লে যে বৈদ্য ডাঙৰীয়াই এইমাত্ৰ দাৰোগা চাহাবক লগ পাবলৈ আহিছিল। তেখেতে কৈছিল যে তেওঁ থাকোঁতে দাৰোগা চাহাবৰ কেনেকৈ বদলি হ'ব পাৰে। তেখেতে দাৰোগাক ৰখাই দিব।

প্ৰিন্সিপালে ৰঙ্গনাথক ক'লে,—"লাজ আছে যদি কাইলৈ পুৱা কুকুৰাই ডাক দিয়াৰ আগতেই শিৱপালগঞ্জ এৰিব।"

তেওঁলোকে কিছু সময় বস্তুবাহানিবোৰ নিৰীক্ষণ কৰি আছিল।

"দাৰোগা ডাঙৰীয়া পালেঙৰ চৌখিন। যিটোকেই ফাকতে পোৱা যায় তাৰ প্ৰতিয়েই চৌখিন।" প্ৰিন্সিপালে হঠাতে ট্ৰাকৰ ওপৰত উঠি থকা চিপাহীটোক মাত লগাই ক'লে—"আৰে ভাই চিপাহী, সেই খুৰা ভগা পালেঙখন এৰি থৈ যাচোন। টকা আধলিটোত নীলাম হয় যদি ময়েই লৈ থম।"

চিপাহীটোৱে ক'লে—"আপুনি ডাঙৰ মানুহ হৈ কেনেকৈ ইমান সৰু কথা কব পাৰিলে? লব খুজিছে যদি গোটেই ট্ৰাকখনৰ বস্তুকে লৈ থওক। কওক, এতিয়াই মই দাৰোগাক কৈ দিওঁ।"

"হে হে, ট্ৰাকখন লৈ মই কি কৰিম। সাধাৰণ মাষ্টৰ মানুহ।" পুনৰ মাতটো সলাই প্ৰিন্সিপালে সাধাৰণ মানুহৰ নিচিনাকৈ ক'লে—"দাৰোগা চাহাব ঘৰতেই আছে নহয়? বৈদ্য ডাঙৰীয়াও আছেনেকি? তেনেহলে ব'লক ৰঙ্গনাথবাবু, দাৰোগা চাহাবক

নমস্কাৰ এটা জনাই আহোঁ। বেচেৰা ভাল মানুহ আছিল। কাকো কেতিয়াও ঠগা নাই। কাৰোপৰা কেতিয়াও একো বিচৰা নাই। ভগৱান যেতিয়া যি দিছে তাকেই চকু মুদি গ্ৰহণ কৰিছে।”

ৰঙ্গনাথে ভাবিলে—“সঁচাকৈয়ে বেচেৰা মানুহটো ভাল আছিল, এতিয়া আঁতৰি গ'ল।”

উনৈছ

চমৰহীৰ হৰিজন লোকসকলৰ বস্তিত নিৰ্মিত “গান্ধী চবুতৰা”ত আজি মানুহৰ মুখে মুখে মাত্ৰ এটা কথা—নিৰ্বাচনৰ আগতে ৰামাধীনৰ ভায়েকে সেই ঠাইটুকুৰাৰ বহুতো উন্নতি কৰাইছিল। কাৰণ হয়তো নিৰ্বাচনী আইনত নিৰ্দেশ থাকিব পাৰে, নতুবা ডাঙৰ ডাঙৰ নেতাসকলে নিৰ্বাচনৰ কেইমাহমানৰ আগতে নিজৰ নিজৰ সমস্তিৰ প্ৰতি চকুকাণ দিয়াৰ দৰে ৰামাধীনৰ ভায়েকেও গান্ধী চবুতৰাৰ আশে পাশে অলপ দেখনিয়াৰ কৰিবলৈ চেষ্টা কৰিছিল।

তাত এজোপা ওখ-ডাঙৰ নিমগছ আছিল, যি বহুতো বুদ্ধিজীৱীৰ দৰে বহুত দূৰলৈকে হাত ভৰি মেলি থকাৰ দৰে আছিল যদিও গা-গছ জোপা ফোপোলা আছিল। ৰামাধীনৰ ভায়েকে তাৰ তলতে এটা কুঁৱা খন্দাইছিল। প্ৰকৃততে তাত কুঁৱা আগৰপৰাই আছিল। পিছে তেওঁ তাকে মেৰামতি কৰাই, যুগৰ লগত খাপ

খুৱাই চৰকাৰী কাগজপত্ৰত নতুনকৈ কুঁৱা নিৰ্মাণ কৰা বুলি লিখোৱাই ললে আৰু ইয়াৰদ্বাৰা বৃহৎ পৰিমাণৰ অনুদান আনিবলৈ নৈতিকতাতো নাইয়েই একপ্ৰকাৰ ৰাজনৈতিক প্ৰচেষ্টা আছিল। প্ৰথমতে সেই কুঁৱাটোৱে বৰষুণৰ দিনত আশে পাশে ওখ ঠাইৰপৰা বাগৰি অহা পানীক নিজৰ ফাললৈ টানি মোহল্লাৰ মানুহক বানপানীৰপৰা ৰক্ষা কৰিছিল। বৰ্তমান ইয়াৰ চাৰিওফালে অন্য এখন পৃথিৱীৰ সৃষ্টি হৈছে আৰু এই নতুনত্বৰ সম্পৰ্কটো কোনো এক পঞ্চবাৰ্ষিক যোজনাৰ সৈতে জড়িত। এই কথাষাৰ সুস্পষ্ট-ভাৱে কব পাৰি যে কুঁৱাটোৰ দুয়োফালে একোটাকৈ খুটা বন্ধাই দিয়া হ'ল। তাৰে এটাত শিলত কাটি লিখা হৈছিল, তৃতীয় পঞ্চবাৰ্ষিক যোজনা। গাঁওসভা শিৱপালগঞ্জ। এই কুঁৱাৰ শিলাধাৰ পশু-চিকিৎসক শ্ৰীঝাওলালৰদ্বাৰা স্থাপন কৰা হ'ল। সভাপতি শ্ৰীজগদম্বা প্ৰসাদ।"

নিৰ্বাচনৰ আগে আগে কুঁৱাৰ মেৰামতিৰ লগে লগে গান্ধী চবুতৰাৰো অভ্যুদয় হৈছিল। তাত কেইডোখৰমান নতুন ইটাই ঠাই পাইছিল। নতুন পৰিৱেশত গান্ধী চবুতৰা আগতকৈ বেছি আকৰ্ষণীয় হৈ পৰিছিল। আৰু কলেজৰ এলেহুৱা লৰাহঁতে কেতিয়াবা কেতিয়াবা তাত বহি জুৱা খেলিছিল। আবেলি সময়ত বদ্ৰী পালোৱানৰ আখৰা কৰা শিষ্যসমূহো তালৈ অহা আৰম্ভ কৰি দিছিল। সিহঁতৰ আওভাও দেখি এনে লাগিছিল যেন সিহঁতৰ তালৈ যোৱাৰ একমাত্ৰ কাৰণ আছিল কুঁৱাৰ পাৰৰ পকা মাটিবোৰ নখেৰে চিকুটি চিকুটি এৰুওৱা।

আজি নিৰ্বাচনৰ দিন। কলেজ ছুটী হৈ গৈছিল। চমৰহীৰপৰা কিছু দূৰৈত অৱস্থিত এখন আচহুৱা ঠাইত নিৰ্বাচন হোৱাৰ কথা

আছিল। গান্ধী চবুতৰাতো মানুহৰ ভিৰ হৈছিল; গান্ধীজীৰ কল্পনা অনুসৰি সকলো শ্ৰেণীৰ মানুহ তাত ঐক্যবদ্ধভাৱে গোট খাইছিল।

ৰূপ্পনবাবুৰ খোজ কাটলৰপৰা তেওঁক ক্লান্ত যেন দেখা গৈছিল। সদায় থকাৰ দৰে সেইদিনা তেওঁৰ চকুমুখত উজ্জ্বলতা আৰু কৰ্মপটুতা নাছিল। তেওঁক গান্ধী চবুতৰাৰফালে অহা দেখা পাই এটা নতুন পালোৱানে চকু মাৰি সুধিলে—"কি খবৰ বাবু?"

উত্তৰত ৰূপ্পনবাবুৱে চকু নামাৰিলে আৰু এষাৰ কথাও নক'লে। তেওঁ মূৰটো লৰাই মাত্ৰ এষাৰ কথাকে বুজাবলৈ চেষ্টা কৰিলে যে তুমিয়েই ধেমালি কৰা, মই নকৰোঁ। কাৰণ, মোৰ আজি মনটো ভাল লগা নাই। তেওঁ ক'লা চশ্‌মা পিন্ধি, ডিঙিত পাটৰ ৰুমাল মেৰিয়াই লাহে লাহে খোজ কাঢ়ি আহি চবুতৰাৰ কোনো এঠাইত বহি পৰিল। ক্ষন্তেক সময়ৰ বাবে উপস্থিত লোকসকলৰ মাজত উদ্বিগ্নতা কমিল।

পোৱালি পালোৱানে কোনো কথাবতৰা নোকোৱাকৈ নিজৰ বাহু দুটা কিলাকুটিৰ ওচৰতে বেঁকা কৰি কান্ধৰ ওচৰলৈ আনিলে। বাহু দুটাত নিগনিৰ দৰে দুটুকুৰা মাংসপেশী ওপৰলৈ ফুলি আছিল। সি অতি আদৰেৰে সেই মাংসপেশী দুটা চাই ৰূপ্পনবাবুৰ ওচৰত বহিলহি। আকৌ এবাৰ চকু মাৰি ৰূপ্পনৰ পিঠিটো মোহাৰি মোহাৰি সুধিলে—"কি কথা বাবু, আজি দেখোন আনন্দতে নিৰানন্দ।"

ৰূপ্পনবাবুৱে পালোৱানৰ অস্তিত্ব আৰু তাৰ কথাৰ প্ৰতি কাণ নিদি মনে মনে বহি ৰ'ল। কলেজৰ ল'ৰা এটাই মাত লগালে—"গুৰু, আমাক তুমি একো কৰিবলৈকে নকলা। শনিৰ ফালৰ-

পৰা নিৰ্বাচনত এনে জোৰ নাই যেনে ৰামাধীনৰ ক্ষেত্ৰত দেখা গৈছে।”

ৰূপনবাবুৰে ভাগৰুৱা পথিক এজনে কোৱাৰ দৰে ক’লে, “এতিয়া অন্যায়ৰ যুগ। নিৰ্বাচনৰ ফলাফল এইমাত্ৰ ওলাই গ’ল। শনি নিৰ্বাচনত জিকিল।”

পোৱালি পালোৱান আৰু কলেজৰ ল’ৰাহঁতৰ মাজত হুলস্থূল লাগি গ’ল। সকলোৰেই একেলগে একেটা কথাকে সুধিলে—“কেনেকৈ? কেনেকৈ? শনিয়ে কেনেকৈ জিকিবলৈ পালে?”

চকু মাৰি ৰূপনৰ লগৰীয়া এজনে মাত লগালে—“কোৱাঁচোনহে পালোৱান, শনিয়ে বাৰু জিকিলে কেনেকৈ?”

“মহিপালপুৰৰ পদ্ধতি খটুৱাই।” ৰূপনবাবুৰে ক্লান্ত মাতেৰে ক’লে।

নিৰ্বাচনত জিকিবলৈ তিনিটা উপায় আছে। এটা হ’ল ৰামনগৰৰ পদ্ধতি, দ্বিতীয়টো নেৱাদাৰ পদ্ধতি আৰু তৃতীয়টো হ’ল মহিপালপুৰৰ পদ্ধতি।

গাঁওসভাৰ নিৰ্বাচনৰ বাবে এবাৰ ৰামনগৰত দুজন নিৰ্বাচন প্ৰাৰ্থী উঠিল। দুয়োজন প্ৰাৰ্থী একে সম্প্ৰদায়ৰ হোৱাৰ বাবে ভোটাৰসকলে তেওঁলোকক ভোট দি জয়ী কৰিবলৈ সিমান যত্নপৰ হোৱা নাছিল। দুয়োপক্ষৰ প্ৰাৰ্থীয়ে ভোটাৰসকলক নানা প্ৰলোভন দেখুৱাই মন জয় কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু কোনো প্ৰাৰ্থীয়ে এই বিষয়ত সিমান কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰিলে।

অৱশেষত এজন প্ৰাৰ্থীয়ে ভোটাৰসকলৰ মন মাটিৰ প্ৰতি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিলে। গাঁৱলীয়া ৰাইজে যেতিয়া গম পালে যে গাঁও পঞ্চায়তৰ সম্পৰ্ক মাটিৰ লেনদেনৰ লগতহে আছে আৰু

তেওঁলোকৰ ওচৰ-চুবুৰীয়াৰ খেতিডৰাও হস্তগত কৰিব পাৰে, তেতিয়া তেওঁলোকৰ মনত মাটিৰ প্ৰতি আক্ৰোশ বাঢ়ি গ'ল আৰু নিৰ্বাচন প্ৰাৰ্থীসকলৰ প্ৰতিও তেওঁলোকৰ মন আকৰ্ষিত হ'ল। ফলত নিৰ্বাচন সংক্ৰান্তত গাঁৱৰ ৰাইজ সক্ৰিয় হৈ পৰিল।

এই সুযোগ বুজি দুয়োপক্ষৰ মাজত ভোটাৰৰ অন্তৰ জয় কৰা লৈ আঁৰিয়া আঁৰিৰ সৃষ্টি হ'ল আৰু অৱশেষত ই গৈ কাজিয়াত পৰিণত হ'লগৈ।

নিৰ্বাচনলৈ মাত্ৰ তিনিদিনমান থকাত এদিন দুয়োপক্ষৰ মাজত তুমুল সংঘৰ্ষ লাগিল আৰু দুয়োপক্ষতে হতাহত হ'ল। পুলিচৰ সহায়ত হতাহত কম হোৱা আৰু বেছি প্ৰভাৱান্বিত নোহোৱা নিৰ্বাচনীৰ প্ৰাৰ্থীৰ এটা পক্ষৰ ওপৰত গোচৰ তৰি প্ৰাৰ্থীজনকে ধৰি প্ৰায় পঁচিছজনমান লোকক হাজোতত ৰখা হ'ল। নিৰ্বাচনৰ দিনা পুলিচ আৰু চৰকাৰী কৰ্মচাৰীৰ সাহায্যত দুয়োপক্ষৰ জবানবন্দি লোৱা হ'ল। অৱশেষত হাজোতত থকা প্ৰাৰ্থীজনক জামিনত খালাচ দি তেওঁক দুৰ্নীতিগ্ৰস্ত বুলি অভিহিত কৰি নিৰ্বাচন প্ৰাৰ্থীত্বৰপৰা তেওঁৰ নাম নাকচ কৰি দিয়া হ'ল। ফলস্বৰূপে আনজন প্ৰাৰ্থীক নিৰ্বাচনত জয়ী বুলি ঘোষণা কৰা হ'ল।

নিৰ্বাচনত জিকা এই পদ্ধতিটোক ৰামনগৰ পদ্ধতি বুলি কোৱা হ'ল।

নিৱাদা পদ্ধতিৰ নিৰ্বাচনত অলপ আদৰ্শ থকা যেন লাগে। নিৱাদাত কেবাটাও সম্প্ৰদায়ৰ লোকে বাস কৰিছিল। এই সম্প্ৰদায় সমূহৰ মাজত উচ্চ নীচ জাতি বুলি অভিহিত সম্প্ৰদায়ৰ লোকো আছিল আৰু তেওঁলোকৰ মাজৰ সম্বন্ধ বামুণ আৰু শূদ্ৰৰ মাজত প্ৰচলিত সম্বন্ধৰ নিচিনাই আছিল। এবাৰ নিৱাদাত গাঁও

পঞ্চায়তৰ নিৰ্বাচনত কেইবাজনো লোকে প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দিতাত নামে। ইয়াৰ ভিতৰত এজন ব্ৰাহ্মণ আৰু এজন শূদ্ৰ প্ৰাৰ্থীও আছিল। পিছত গৈ দেখা গ'ল যে এই দুজন প্ৰাৰ্থীহে নিৰ্বাচনী যুদ্ধত সক্ৰিয় হৈ পৰিল। এই দুয়োজন প্ৰাৰ্থীয়েই নিৰ্বাচনী যুদ্ধত প্ৰতিদ্বন্দ্বী হিচাপে যুঁজ আৰম্ভ কৰি দিলে আৰু নিজৰ প্ৰভাৱ খটুৱাই ভোটাৰসকলৰ সমৰ্থন আদায় কৰিবলৈ চেষ্টা কৰিলে। ব্ৰাহ্মণ প্ৰাৰ্থীজনে তেওঁৰ উচ্চ আভিজাত্য পূৰ্ণ প্ৰভাৱ খটুৱাবলৈ চেষ্টাৰ অলপো ত্ৰুটি নকৰিলে। ভোটাৰসকলে কিন্তু শূদ্ৰ প্ৰাৰ্থীজনৰ প্ৰতিহে সমৰ্থন অগেবঢ়োৱা দেখা গ'ল। ব্ৰাহ্মণ প্ৰাৰ্থীজনে অৱস্থা বিষম দেখি অন্য ব্যৱস্থা গ্ৰহণ কৰাটো স্থিৰ কৰি এজন বাবাজীক ভোটাৰসকলৰ মন ঘূৰাবলৈ নিযুক্তি দিলে। তেওঁ জানে যে গাঁৱৰ মানুহবিলাক ঈশ্বৰভক্ত আৰু হৰিনামৰ দ্বাৰা তেওঁলোকৰ মন ঘূৰোৱাটো সহজসাধ্য হ'ব। গতিকে বাবাজীগৰাকীয়ে কোনো এক ৰাজহুৱা ঠাইত বহি ললে আৰু তাত নাম-কীৰ্ত্তনৰ দ্বাৰা আড্ডা পাতিলে। হৰিনাম শুনিবলৈ গাঁৱৰ দুই-এজন লোক গোট খোৱা হ'ল। অৱশেষত গোটেই গাঁৱৰ ৰাইজ গৈ নাম-কীৰ্ত্তন শুনিবলৈ আৰম্ভ কৰিলে। তেওঁলোক বাবাজীৰ কীৰ্ত্তনত মুগ্ধ হ'ল; কিন্তু বুজিব নোৱাৰিলে তেওঁৰ কৌশল। এই আলমতে ছেগ বুজি সমাজত কোনজন লোক শ্ৰেষ্ঠ আৰু কাক শ্ৰদ্ধা কৰিলে ভগৱানক পোৱা যায়—এই বিষয়ে গাঁৱৰ ৰাইজৰ মাজত প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিলে। অৱশেষত বাবাজীৰ পাকচক্ৰত আৰু হৰিনামৰ প্ৰভাৱত ব্ৰাহ্মণ প্ৰাৰ্থীজনেই যে সমাজৰ শ্ৰেষ্ঠ লোক আৰু মুখিয়াল হ'বৰ যোগ্য তাক প্ৰকাশ্যে প্ৰকাশ পালে আৰু গাঁৱৰ ৰাইজেও ইয়াকে মানি ললে।

ফলস্বৰূপে নিৰ্বাচনৰ দিনা গাঁৱৰ ৰাইজে ব্ৰাহ্মণ প্ৰাৰ্থীজনকে ভোট দি জয়যুক্ত কৰিলে। এই প্ৰথাকে নিৰাদা পদ্ধতি বুলি জনাজাত কৰিলে।

মহিপালপুৰত হোৱা নিৰ্বাচন পদ্ধতি একেবাৰে আচহুৱা যেন লাগে। তাত নিৰ্বাচনৰ বাবে নিৰ্দিষ্ট দিন আৰু নিৰ্দিষ্ট সময় স্থিৰ কৰি দিয়া হ'ল আৰু সেইমতে প্ৰাৰ্থীসকলক আৰু গাঁৱৰ ৰাইজক নিৰ্দিষ্ট সময়ত উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়া হ'ল। কাৰণ, চহৰৰপৰা নিৰ্বাচনী বিষয়া নিৰ্দিষ্ট সময়ত আহি নিৰ্বাচন আৰম্ভ কৰি দিয়া হ'ব। কোনোবা প্ৰাৰ্থী সময়মতে উপস্থিত নাথাকিলে তেওঁৰ প্ৰাৰ্থীত্ব নাকচ কৰি দিয়া হ'ব।

নিৰ্বাচনী বিষয়াজন এজন প্ৰাৰ্থীৰ বিশেষ প্ৰভাৱত আছিল। গতিকে তেওঁ নিৰ্বাচনৰ দিনা বিশেষ প্ৰাৰ্থীজনৰ অনুৰোধক্ৰমে নিৰ্দিষ্ট সময়তকৈ এঘণ্টা আগতে আহিল আৰু তেওঁৰ ঘড়ীৰ সময়ো এঘণ্টা আগুৱাই ৰাখিলে। আনহাতে প্ৰাৰ্থীজনেও তেওঁৰ আৰু গাঁৱৰ কেইটামান ঘড়ীৰ সময় এঘণ্টাকৈ আগুৱাই থলে। ইফালে তেওঁলোকো নিৰ্বাচনী বিষয়াৰ সময় নিৰ্দেশত এঘণ্টাৰ আগতে নিৰ্বাচনস্থলীত উপস্থিত হ'ল। বাকীকেইজন প্ৰাৰ্থী আৰু তেওঁলোকৰ ভোটাৰসকল তেতিয়াও আহি পোৱা নাই। নিৰ্বাচনী বিষয়াজনে সময় আৰু সুযোগ বুজি আটাই-কেউজন প্ৰাৰ্থী উপস্থিত নোহোৱাত তেওঁৰ প্ৰভাৱশালী প্ৰাৰ্থীজনকে নিৰ্বাচনত জয়ী বুলি ঘোষণা কৰিলে। ঠিক এঘণ্টামানৰ পাছতে বাকী কেইজন প্ৰাৰ্থী আৰু তেওঁলোকৰ ভোটাৰসকল আহি নিৰ্বাচনস্থলীত উপস্থিত হ'লহি। সেইসময়ত নিৰ্বাচনী বিষয়াই আহাৰ কৰিবলৈ লৈছিল। প্ৰাৰ্থীকেইজনক কোৱা হ'ল যে

তেওঁলোক নিৰ্দিষ্ট সময়তকৈ এঘণ্টা পলমকৈ আহিছে। এঘণ্টাৰ আগতে নিৰ্বাচনী হৈ গ'ল আৰু উপস্থিত থকা প্ৰাৰ্থীজনকে জয়ী বুলি ঘোষণা কৰা হ'ল। প্ৰাৰ্থীসকলে ইয়াতে প্ৰতিবাদ জনালে যে এই নিৰ্বাচনী ভুল পদ্ধতিত কৰা হৈছে। কাৰণ, তেওঁলোকে নিৰ্দিষ্ট সময়ত উপস্থিত হৈছেহি। তেওঁলোকৰ ঘড়ীৰ সময় চহৰৰ ঘড়ীৰ লগত সম্পূৰ্ণ মিলি আছে। গতিকে নিৰ্বাচনী বিষয়াৰ ঘড়ীটো একঘণ্টা আগবাঢ়ি আছে। সেই কাৰণে পুনৰ নিৰ্বাচন হ'ব লাগে। নিৰ্বাচনী বিষয়া এই কথাত মান্তি নহ'ল আৰু তেওঁৰ ঘড়ীৰ সময় গাঁৱৰ ঘড়ীৰ সময়ৰ লগত মিলাই দেখুৱালে। সেইয়ে তেওঁৰ নিৰ্দেশেই বাহাল থাকিল।

অৱশেষত এই নিৰ্বাচনৰ বিৰুদ্ধে গোচৰ তৰা হ'ল আৰু দুয়োপক্ষৰ মাজত নিৰ্বাচনৰ সময় লৈ বাক-বিতণ্ডা চলিল। এই গোচৰ তিনিবছৰ ধৰি চলাৰ পাছতো নিৰ্বাচনী বিষয়াৰ সিদ্ধান্ত ভুল বুলি প্ৰমাণিত নহ'ল। তেওঁৰ নিৰ্দেশেই বাহাল থাকিল।

এই নিৰ্বাচন পদ্ধতিটোকে মহিপালপুৰ পদ্ধতি বুলি কোৱা হ'ল। শিৱপালগঞ্জতো বৈদ্য ডাঙৰীয়াৰ প্ৰভাৱতে শনিয়ে মহিপালপুৰ পদ্ধতিৰ জৰিয়তে শিৱপালগঞ্জ গাঁওসভাৰ সভাপতি হিচাপে নিৰ্বাচিত হ'ব পাৰিলে।

কুৰি

ঘৰৰ ছাটৰ বাৰান্দাত যি লেতেৰা কাগজৰ লাডু এটা পৰি আছিল, পিছত সেইটোৱেই এখন প্ৰেমপত্ৰলৈ ৰূপান্তৰিত হ'ল। ৰঙ্গনাথে সেইখন এবাৰ দুবাৰকৈ কেইবাবোৰো পঢ়িলে; তাৰ বুজিবলৈ বাকী নাথাকিল যে এই চিঠিখন সেই গৰাকীয়েই লিখিছে যাৰ হেঁচা নিজৰ বুকুত অনুভৱ কৰি সেইদিনা ৰাতি তাৰ কোণাৰ্ক আৰু খজুৰাহুৰ কথা মনলৈ আহিছিল। ৰঙ্গনাথৰ এইটোও পৰিষ্কাৰ হৈ গ'ল যে সেই প্ৰেমপত্ৰখন তাৰ বাবে নহয়, আন কাৰোবাৰ বাবেহে।

তেওঁ কোন হ'ব পাৰে বাৰু?

ৰূপ্পন?

তেনেহলে কি এই চিঠিখন বেলাই ৰূপ্পনলৈ লিখিছে নেকি বাৰু? আৰু তেনেহলে সিদিনা ছাটৰ ওপৰলৈ অহা ছোৱালীজনী বেলাই আছিল নেকি?

প্ৰকৃততে সি এফালে এই পত্ৰ লেখিকাক বেলা বুলি মানি ৰূপ্পনৰ সৈতে তাইৰ যোৰা মিলাইছিল। আৰু আনফালে সি এই কথাষাৰৰ বাবে অতি আচৰিত হৈছিল যে শিৱপালগঞ্জৰ নিচিনা ঠাইতো ফিল্মী গানৰ মাহাত্ম্য আৰু প্ৰেমী থাকিব পাৰে। কাৰণ, গোটেই চিঠিখনেই ফিল্মীগানৰ টুকুৰা যোৰা লগাই পত্ৰক

গদ্যৰ ৰূপত সজাই লিখা হৈছিল। এই বিশ্লেষণসমূহৰ মাজেৰেই ৰঙ্গনাথৰ মনত ভিতৰি ভিতৰি আৰু এটা বস্তুৱে উকি দি আছিল, যাক ফিল্মী ভাষাত হে কব পাৰি—"জানে ফিৰ কিঁউ জলাতী হ্যায় দুনিয়া মুঝে।" সিদিনা তাৰ কথা শুনি "হায়মায়া" নামৰ দৰে পৱিত্ৰ মন্ত্ৰষাৰ কাণত কৈ উলটি দৌৰ মাৰিছিল, আজি অইন কাৰোবাৰ বাবে "অকেলে হ্যায় চলে আৱো, জাহাঁ হো তু মেৰে" —নিচিনাকৈ প্ৰকাশ কৰিছে। ৰঙ্গনাথৰ বাবে এইটো অসহ্য আছিল।

চিঠিখন জেপত ভৰাই সি ঘৰৰপৰা বাহিৰ ওলাল। আজি চহৰত যোগনাথৰ মোকৰ্দমাৰ দিন আছিল আৰু শিৱপালগঞ্জত যিয়েই গম পাইছিল সিয়েই সেইফালেই ঢাপলি মেলিছিল। কোনোবা গুণ্ডাৰ ওপৰত যদি মোকৰ্দমা চলি থাকে, স্বাভাৱিকতে গাঁৱৰ ৰাইজৰ উৎকণ্ঠা বাঢ়ি যায়। কাৰণ, এই চলতে তেওঁলোকে চহৰ ফুৰি আহিব আৰু লগতে কাছাৰী ঘৰো চাই আহিব। গুণ্ডাটোক লাঞ্ছিত হোৱা দেখিলে গাঁৱৰ ৰাইজ অতিশয় আনন্দিত হয় আৰু লগে লগে গুণ্ডাৰো মনত আনন্দ লাগে যে গাঁৱৰ কিমান মানুহে তাৰ সহায়ৰ বাবে দহোবন কাতি কৰি আহিছে। সেই পৰম্পৰা অনুসৰিয়েই গাঁৱৰ বহুতো মানুহে আগতেই গৈ চহৰ পাইছিলগৈ আৰু কিছুমান যাবৰ বাবে সাজু হৈছিল।

সমুখৰপৰা বদ্ৰী পালোৱানে নিজৰ ভুবনমোহন ৰূপ দেখুৱাই আহি আছিল। পিন্ধনত মলমলৰ পাঞ্জাৱী, যাৰ তলত বনিয়ন পিন্ধাৰ কোনো প্ৰয়োজন বোধ কৰা নাছিল। ফাগুন মাহৰ ঠাণ্ডা থকা সত্বেও তাৰ গাত জিলজিলীয়া চোলা জিলিকি আছিল। কঁকালত লেঙুটিতো আছিলেই, তদুপৰি আচৰিত কথা এইটো

আছিল যে তাৰ ওপৰত লুঙিও আছিল। ভৰিত ক'লা পলিচ কৰা চিক্‌চিকীয়া জোতা। চাফচিকুণকৈ ৰখা টকলা মূৰটোত মিঠা তেলৰ চিক্‌চিকনী আৰু তাৰ ওপৰত—বহু ওপৰত নীলা-আকাশখন।

ৰঙ্গনাথে প্ৰথমে ভাবিছিল যে সেই প্ৰেমপত্ৰখন ৰূপ্পনকে দিবগৈ আৰু দুষাৰ মান উপদেশেৰে তাক বেলাৰ প্ৰেমত পৰা বাধা দিবগৈ। সি এইটো ভালকৈ জানিছিল যে ৰূপ্পনবাবুৰ সৈতে এটা বিষয়ৰ ওপৰত কথা পতাটো অসুবিধা হ'ব। পিছে প্ৰেমপত্ৰ পোৱাৰ দৰে গৰম ঘটনা এটাক কিবা উপায়েৰে নিঃশেষ কৰি দিয়াটোও উচিত নহ'ব বুলিয়েই সি ভাবিলে। বদ্ৰীপালোৱানক দেখা পোৱাৰ লগে লগেই সি তাৰ গোটেই পৰিকল্পনাটোকে বদলাই দিলে,—যেনেকৈ মাৰ্কিন বিশেষজ্ঞক দেখা পোৱাৰ লগে লগেই কেতিয়াবা কেতিয়াবা আমি আমাৰ পৰিকল্পনা বদলাওঁ।

ৰঙ্গনাথে চিঠিখন বদ্ৰীপালোৱানক দেখুৱালে। বদ্ৰীপালোৱানে প্ৰেমপত্ৰখন দূৰৰে পৰাই পঢ়িবলৈ ধৰিলে আৰু তাকে সহজ কৰিবৰ বাবে ৰঙ্গনাথে চিঠিখন দুয়ো হাতেৰে ধৰি প্ৰায় ডেড়ফুটমান আঁতৰত থিয় দি থাকিল। সি মনে মনে চিঠিখন পঢ়ি গ'ল; এঠাইত যেতিয়া সি চেলাউৰি কোঁচালে, ৰঙ্গনাথে সহায় কৰাৰ উদ্দেশ্যৰে পঢ়ি দিলে......"আকৌ যেন এই অপূৰ্ব ৰাতি আহক" আৰু ক'লে, "অপূৰ্ব মানে ইয়াত এটা সুন্দৰ ৰাতিৰ কথা কৈছে।"

বদ্ৰীপালোৱানে উগাৰ এটা মৰাৰ দৰে বুজাবলৈ চেষ্টা কৰিলে যে তাক বুজাবৰ কোনো প্ৰয়োজন নাই, এনে ধৰণৰ কথা মই বেচ বুজি পাওঁ। গোটেইখন চিঠি পঢ়ি এটাই সি চিঠিখন নিজৰ হাতলৈ নি ভাঁজ কৰি জেপত ভৰাই থলে। ৰঙ্গনাথে মাত

লগালে, "ৰূপ্পনবাবুৰে কুপথ লৈছে। আৰু সেই ছোৱালীজনী! তায়ো যে চিঠিখনত কিবিলাক লিখিছে!"

উত্তৰত বদ্ৰীপালোৱানে মাত্ৰ সশব্দে হাঁহি উঠিল। "চিঠিখন বোধহয় সেই শাহু আইৰ নিচিনা গ্ৰাম সেৱিকা জনীয়েই লেখিছে। তাই কেৱল সেই সোপা কথাই জানে।"

"তাৰমানে……তাৰমানে কি ৰূপ্পনবাবুৱে কোনো গ্ৰাম সেৱিকাৰ লগত হে পীৰিতি কৰিলেগৈ নেকি?"

পালোৱানে আগৰ দৰেই হাঁহিয়ে থাকিল। তাৰ পিছত হাঁহি বন্ধ কৰি মাত লগালে, "নহয়, নহয়, তুমি চব কথাই উলোটাকৈ লোৱা। তাই বেচেৰীয়ে এনে কাম কেতিয়াও নকৰে। মাত্ৰ আনৰ বাবে চিঠি লিখি দিয়ে।"

বদ্ৰীপালোৱানে কৈ কৈ অহা বাটেৰেই খোজ ললে। ৰঙ্গনাথৰ মুখমণ্ডলত চিন্তাৰ ৰেখা দেখা পাই গৈ থাকোঁতেই কৈ গ'ল, "তুমি এই চিঠিখনৰ বাবে কোনো চিন্তা নকৰিবা। মই চব ঠিক কৰি দিম।"

চহৰৰ আদালতত শিৱপালগঞ্জৰ প্ৰায় আটাইবোৰ মানুহেই গোট খাইছিলহি। যোগনাথৰ বিপক্ষে চুৰিৰ মোকৰ্দমাৰ প্ৰমাণৰ ওপৰত সাক্ষীবাদী লোৱা হৈছিল।

পৰিৱেশটো তেনেই লেতেৰা আৰু অশ্লীল আছিল। বাৰান্দাত কুকুৰৰ দৰে কেবাজনো লোক ঘূৰাঘূৰি কৰি আছিল। ফাকুৱালৈ বেছি দিন নাছিল বাবেই মানুহ কেইজনৰ মুখত আনন্দৰ ৰেখা বিৰিঙি উঠিছিল আৰু কাৰোবাৰ উদ্দেশ্যে গালি শুনিবলৈ পোৱা গৈছিল। সকলোৰে গাত নানা ৰঙ পৰিলক্ষিত হৈছিল। লেতেৰা-পেতেৰা অকণো বাধা নোপোৱাকৈ বাঢ়ি অহা ডাঢ়িৰে সৈতে

বাদী প্ৰতিবাদী সাক্ষীবিলাকে বিৰি হুপি হুপি অথবা লেতেৰা ক'লা ক'লা দাঁতৰ তললৈ চাদা ভৰাই লৈ জোৰেৰে চিঞৰি চিঞৰি কথা পাতি আছিল। অলপ ওচৰতে এজনী তিৰোতাই মজিয়াতে পেটপেলাই শুই নিজৰ কেঁচুৱাটোৰ মুখত পিয়াহ গুজি দি আছিল। এই দৃশ্যটো তাত থিয় দি থকা কেইবাজনো লোকৰ বাবে এটা বেচ মনোৰম দৃশ্য হৈ পৰিছিল।

বতাহ জোৰেৰে বৈছিল, ধূলি আৰু গছৰ পাত উৰি আহি গোটেই বাৰান্দাটো ভৰাই পেলাইছিল।

ভৰিত খাকী ৰঙৰ কাপোৰৰ ফিটা মেৰিয়াই দুজন পুলিচ খালী মূৰেৰে ঘূৰি ফুৰিছিল। তেওঁলোকৰ ভিতৰৰ এজনৰ জোতা ওচৰৰ বৰ গছৰ তলত বহা মুচিটোৰ গুৰিলৈ মেৰামতিৰ বাবে গৈছিল। ইজনৰ জোতা এজলাচৰ বাহিৰত খুলি থোৱা হৈছিল। কাৰণ সেইযোৰ অলপতে কিনাৰ বাবে তেওঁৰ ভৰি কাটিছিল। উকীল-সকলৰ বিশেষ কাম নথকা সত্বেও কামৰ মাজত বুৰগৈ থকা যেন দেখুৱাই এজলাচৰ ভিতৰলৈ বাৰে বাৰে অহা যোৱা কৰি আছিল। কৰ্মব্যস্ত যেন দেখুৱাই উকীলসকল প্ৰতি পোন্ধৰ মিনিটৰ অন্তৰে অন্তৰে এজলাচৰ বাহিৰ ওলাই সমুখৰ পাণ দোকানখনৰ ফাললৈ গৈছিল আৰু ঘূৰি আহোঁতে লগত কোনো মক্কেলক লৈ মুখত একোখন খিলিপাণ ভৰাই, উটৰ দৰে ডিঙি মেলি মেলি পুনৰ এজলাচৰ সুৰক্ষিত পৰিৱেশৰ মাজলৈ সোমাই আহিছিল।

বাৰান্দাৰ এটা চুকত লঙ্গৰ বহি আছিল।

মুখিয়াল হোৱাৰ বাবে এই ৰং-তামচাত শনিৰ উপস্থিতি অনিবাৰ্য্য আছিল ; তথাপিও আজি সকপালোৱানে পুলিচৰ হৈ যোগনাথৰ বিপক্ষে সাক্ষী দিবলৈ আহিছিল। ইয়াত অৱশ্যে এটা উদ্দেশ্য

নিহিত আছিল, কাৰণ, সৰু পালোৱানক বৈদ্য ডাঙৰীয়াৰ মানুহ বুলি ধৰা হৈছিল আৰু যোগনাথো বৈদ্য ডাঙৰীয়াৰ মানুহ আছিল। হঠাৎ ঘটনা এনেকুৱা হ'ল যে এজন মানুহৰে দুটাকৈ মানুহ অভিযুক্ত আৰু প্ৰমাণৰ বাবে সাক্ষী গড়ালত বেলেগে বেলেগে থিয় হৈছিল।

শনি আৰু গাঁৱৰ বহুতো মানুহেই এজলাচৰ ভিতৰলৈ সোমাই গৈছিল। লঙ্গৰক শনিয়ে কেৱল আনন্দৰ খোৰাক যোগাবৰ বাবেই নিজৰ লগত বহুৱাই লৈছিল; এতিয়া বাহিৰৰ বাৰান্দাত বহি সি নতুন শ্ৰোতাক নিজৰ জীৱনৰ কাহিনী শুনাইছিল। তাৰ মাত্ৰ এটাই জীৱন আছিল আৰু তাত এটা কাহিনী আছিল আৰু তাকে সময়ত নানা বৰ্ণনা দি সি মানুহক শুনাইছিল।

"......তাৰ মানে বাপু, ইমান দিনৰ মূৰত, পূৰা এবছৰ তিনিমাহ হৈ যোৱাৰ পিছত এতিয়াহে মামলাটো ঠিক হ'লগৈ। দৰখাস্তৰ নকলত এতিয়া একোৱেই বাকী নাথাকিল, ৰেকৰ্ড কপিও এতিয়া সদৰৰপৰা তহচীল ঘূৰি আহি পালেহি। কালি তহচীললৈ গৈছিলোঁ, গৈ গম পালোঁ যে নকলবাবুৱে হেনো এতিয়া মোৰ কামটো হাতত ললেগৈ। আজি মানে তৈয়াৰ হৈছে চাগৈ। তাৰ পিছত পাই-পইচাৰ হিচাপ হ'ব।

"......বচ্ এই তিনি চাৰি দিন মান মাত্ৰ ৰ'ব লাগিব।" বাৰান্দাৰ খুটা এটাতে আঁউজি চিগাৰেট হুপি থকা উকীল এজনে তাৰে পৰাই মাত লগালে, "ইমান দিনে টলৌ টলৌ কৈ ঘূৰি ফুৰাৰ কি দৰকাৰ আছিল হোঁ? আগতেই মোৰ ওচৰলৈ বা যি কোনো এজন উকীলৰ ওচৰলৈ অহা হলে ইমান দিনে কামটো হৈয়েই গ'লহেঁতেন কিজানি।"

লঙ্গৰে ইমান দিনে সাধুসন্তৰ দৰে মধুৰ হাঁহিৰ প্ৰয়োগ কৰিবলৈ শিকি গৈছিল আৰু সেই হাঁহিটোকে ব্যৱহাৰ কৰি সি মাত লগালে, "উকীলৰ দৰকাৰ নাছিল বাপু, এয়াতো স্বত্বৰ বাবে, অধিকাৰৰ বাবে যুদ্ধ আছিল। পাঁচটকা বাবুক ধৰাই দিয়া হলে নকল তিনিদিন নালাগে তিনি ঘণ্টাতে পাই গলোহেঁতেন। পিছে সেইদৰে তেৱোঁ লোৱা ভকত নাছিল, আৰু ময়ো দিয়া ভকত নাছিলোঁ।"

উকীলে সুধিলে, "তেওঁনো লব কিয় খোজা নাছিল? টকা দিলে আৰু তেওঁ নললে?"

লঙ্গৰ ইতিমধ্যে ভাগৰি পৰাৰ বাবে মজিয়াতে শোৱাৰ ঠিকঠাক কৰি কৈছিল, "এয়া হ'ল স্বত্বৰ বাবে ন্যায়ৰ যুদ্ধ; তুমি উকীল, গতিকে সেইবোৰ নুবুজিবা।"

উপস্থিত ৰাইজে হাঁহি দিলে, কিন্তু লঙ্গৰে গাটো মাটিত এৰি দি চকু দুটা মুদি দিলে। তাৰ পিছত সি অলপ অলপ কেঁকাবলৈ ধৰিলে।

কোনোবা এজনে সুধিলে, "কি অ' লঙ্গৰ ঠাণ্ডা হৈ গলিনেকি?"

সি চকু দুটা মুদিয়েই মাত্ৰ মূৰটো লৰালে, একো নামাতিলে। তাৰ কাষতে বহা মানুহ এটাই তাৰ গাটো চুই চাই ক'লে, "জ্বৰ উঠিছে যেন লাগিছে দেখোন।"

এজনী বুঢ়ীয়ে ওচৰতে মনে মনে বহি কিবা চিন্তা কৰি আছিল। তাই মাত লগালে, "কিবা বেয়াদিন আহিল। মোৰ দুটা ল'ৰাও জ্বৰত ভুগি আছে। শস্য পকি গ'ল। এতিয়া দাওঁতা কোনো নাই। এন্দুৰে গোটেইখন নষ্ট কৰি পেলাইছে।"

অনাৰেৰী মেজিষ্ট্ৰেটৰ এজলাচ।

গয়াদীনৰ সাক্ষী চলি আছিল। জেৰাৰ প্ৰায় শেষ পৰ্য্যায় পাইছিলহি। হঠাৎ যোগনাথৰ উকীলে প্ৰশ্ন কৰিলে ঃ

"তোমাৰ এজনী ছোৱালী আছে?"

"হয়।"

"তাইৰ নাম বেলা?"

"হয়।"

"তাইৰ বয়স প্ৰায় বিছ বছৰ মান হ'ব?"

"হয়।"

আদালতে গয়াদীনক বিছবছৰৰ ছোৱালী এজনীৰ বাপেকক যি ধৰণে চাব লাগে সেই ধৰণে চালে।

"তোমাৰ ঘৰত আৰু কোনো মহিলা থাকে?"

"হয়, মোৰ বিধবা ভনীজনী থাকে।"

"পিছে তাই তোমাৰ তাত সদায় নাথাকে?"

"নহয়, তাই সদায় মোৰ লগতেই থাকে।"

উকীলে ধমকি দি ক'লে, "তুমি শপত খাই থৈছা, মিছা মাতিলে দোষী হম বুলি। এইটো কি সঁচা নহয় যে তোমাৰ ভনীয়েৰাই বেছিভাগ সময় তাইৰ শহুৰেকৰ তাত থাকে আৰু সেইদিন কেইটাত তোমাৰ জীয়েৰাই ঘৰত অকলে থাকে?"

গয়াদীনে মনে মনে থিয় হৈ ৰ'ল। উকীলে আকৌ গৰজি সুধিলে, "নামাতা কিয়?"

"কি মাতিম? আপুনি ইমান খং খাইছে যে মাতিবলৈকে টান হৈছে।" উকীলে একেটা সুৰতেই কলে, "মই খং খোৱা নাই।"

গয়াদীনে একো নামাতিলে। তেতিয়া উকীলে মাতটো অলপ কোমল কৰি সুধিলে, "তোমাৰ কি উত্তৰ?"

"মোৰ বিধবা ভনজনী সদায় মোৰ লগতেই থাকে।"

"তোমাৰ জীয়েৰাৰ বিয়া হৈছে নে?"

"নাই হোৱা।"

"কেতিয়া মানে বিয়া দিয়াৰ ইচ্ছা?"

"কবঁোতা ভগৱান হে।"

ভগৱানৰ নাম শুনি বিচাৰকে ওপৰলৈ মূৰ দাঙিলে। ইমান-পৰে বিচাৰকে অন্য কাগজপত্ৰত চকু ফুৰাইছিল, যাৰ এই মোকৰ্দমাৰ সৈতে কোনো সম্বন্ধ নাই। এতিয়া তেওঁ উকীললৈ চাই মাত লগালে:

"মোকৰ্দমাৰ সৈতে এই অবান্তৰ প্ৰশ্নবোৰৰ কোনো সম্বন্ধ নাই।"

উকীলে কলে, "ধৰ্মাৱতাৰ, মই সম্বন্ধ পিছত স্থাপন কৰিম।"

বিচাৰকৰ সঁহাৰি পাই পাব্লিক প্ৰচিকিউটৰেও তেওঁৰ সাক্ষীৰ ৰক্ষাৰ কাৰণে সচেতন হৈ গৈছিল। তেওঁ প্ৰতিবাদ কৰিলে, "ধৰ্মাৱতাৰ, এই প্ৰশ্ন সম্পূৰ্ণ অপ্ৰাসঙ্গিক।"

বিচাৰকে চকু থিয় কৰি পাব্লিক প্ৰচিকিউটৰলৈ চালে। এইটোৱেই সেই প্ৰতিবাদৰ উত্তৰ আছিল।

ইফালে যোগনাথৰ উকীলে বিচাৰকৰ মনোভাৱ বেয়া হোৱা যেন দেখা পাই, গয়াদীনক তেওঁৰ জীয়েকৰ বিষয়ে কোনো প্ৰশ্ন নোসোধা হ'ল। আন সাক্ষী মতা হ'ল।

এওঁ সেইজন সাক্ষীয়েই আছিল, যি যোগনাথৰ ঘৰৰ খানাতালাচৰ সময়ত তাৰপৰা পলাবলৈ গৈ পুলিচক সান্ত্বনা দিছিল যে সাক্ষী লবৰ সময়ত তেওঁক মাতিলেই উপস্থিত হ'ব। তাৰ

নাম বৈজনাথ আৰু সি শিৱপালগঞ্জৰ পণ্ডিত ৰাধেলালৰ শিষ্য আছিল। পণ্ডিত ৰাধেলাল মিছা সাক্ষী দিয়াত পাৰ্গত আছিল আৰু এনেধৰণৰ সাক্ষীৰ যেতিয়াই চৰকাৰ পক্ষৰ আৱশ্যক হৈছিল তেতিয়াই হাজিৰ কৰিছিল। উকীলে এনেধৰণৰ সাক্ষীক নানা-ধৰণে জেৰা কৰিও তাৰপৰা ঘটনা সম্পৰ্কে কোনো সঁচা কথা বাহিৰ কৰিব নোৱাৰিছিল।

বৈজনাথ ভীখমখেড়াৰ বাসিন্দা আছিল, পিছে আশে পাশে থকা গাঁওসমূহৰ সাক্ষীৰ প্ৰয়োজন হলেই তেওঁৰ তাত উপস্থিতি ধৰি লোৱা হৈছিল। এই ধৰণেই তেওঁৰ ব্যৱসায় কেৱল ভীখমখেড়াতে নহয়, আশে পাশে থকা কেইবাখনো গাঁৱলৈকে বিয়পি পৰিছিল। আচৰিত কথা যে যোগনাথক গ্ৰেপ্তাৰ কৰাৰ দিনা তেওঁ শিৱপাল-গঞ্জতে আছিল। পিছে এনেয়ে সাক্ষী দিবৰ বাবে প্ৰকৃততে তেওঁৰ তাত উপস্থিত থকা নথকাৰ কোনো প্ৰশ্নই নাছিল।

বৈজনাথে প্ৰমাণৰ বাবেই গোটেই ঘটনাটো আকৌ এবাৰ দোহাৰিলে। তেওঁ ক'লে, "যোগনাথৰ ঘৰৰ খানাতালাচী মোৰ উপস্থিতিতেই হৈছিল, তিনিপদ অলঙ্কাৰ মোৰ সমুখতে ঘূৰাই লোৱা হৈছিল, সেয়া মোৰ সমুখতে মোহৰবন্ধ কৰা হ'ল। বস্তু ঘূৰাই লোৱাৰ ৰিপোৰ্ট মোৰ সমুখতে লিখা হৈছিল, ইয়াৰ ওপৰত মোৰ চহীও লোৱা হৈছিল, ইত্যাদি ইত্যাদি।"

যোগনাথৰ উকীলে জেৰা আৰম্ভ কৰিলে:

"তুমি ভীখমখেড়াত থাকা?"

"হয়।"

"ভীখমখেড়া শিৱপালগঞ্জৰপৰা কিমান দূৰ?"

"মই কব নোৱাৰোঁ।"

"তেনেহলে কিমান দূৰ ?"

"শিৱপালগঞ্জত যদি যাত্ৰা, তেনেহলে ভীখমখেড়াৰপৰা শুনা পায়।"

"এমাইল হ'ব ?"

"কব নোৱাৰিম।"

"আধা ক্ৰোশ ?"

"নাজানো।"

"বিছমাইল ?"

"কব নোৱাৰোঁ, মই জোখা নাই।"

বিচাৰকে সাক্ষীৰ ফাললৈ চাই সুধিলে, "কিমান ব্যৱধান দুয়োখন গাঁৱৰ মাজত ?"

"মাজতে এডৰা খেতি মাটি আছে।"

"কিমান খেতি ?"

"দহ-বিছ-পঞ্চাছ হ'ব।"

"চাফ চাফ কবা, কিমান খেতি হ'ব।"

"কব নোৱাৰোঁ, মই জোখা নাই।"

বিচাৰকে পাব্লিক প্ৰচিকিউটৰৰ ফাললৈ ঘূৰি চালে। তেওঁ মাত লগালে, "ধৰ্মাৱতাৰ, সাক্ষীয়ে সঁচাই কৈছে। সি খেতি জোখা নাই। পিছে দুয়োখন গাঁৱেই ওচৰা-ওচৰিকৈ আছে। এমাইল মানৰ দূৰত্ব হ'ব। এই কথা দাৰোগাৰ সাক্ষীৰ পৰাও গম পোৱা যায়।"

বিচাৰকে যোগনাথৰ উকীলক ক'লে, "তেনেহলে দূৰত্বৰ বাবে জেৰা কৰিবৰ নো কি দৰকাৰ ? আপুনি কি দাৰোগাই কোৱা কথাখিনিৰ প্ৰতিবাদ কৰিব খুজিছে নেকি ?"

"প্ৰতিবাদ কৰা নাই ধৰ্মাৱতাৰ। পিছে জেৰাতো কৰিবই লাগিব।"

"কিয় ?"

"এইটোকে দেখুৱাবলৈ যে সাক্ষীৰ বুদ্ধিটোনো কিমান ?"

"অথবা এইটোকে দেখুৱাবলৈ যে আপোনাৰ নিজৰ নো বুদ্ধি কিমান ; নহয় জানো ?"

বিচাৰকৰ মুখৰপৰা এই কথাষাৰ শুনি উকীলৰ মুখখন কেহেৰাজ বটাৰ দৰে হ'ল। পিছে ইতিমধ্যে বিচাৰকে ইমান জোৰেৰে সশব্দে হাঁহিবলৈ ধৰিলে যে ইয়াৰপৰা বুজা গ'ল কথা অপমান দিয়াৰ মতলবত নাছিল বৰঞ্চ এটা ধেমালিহে আছিল। বিচাৰকৰ লগতে আদালতত থকা আনবিলাকেও হাঁহিবলৈ ধৰিলে। এই অনাৱশ্যক হাঁহি-ধেমালিৰ পিছত বিচাৰকে ভীখমখেড়া আৰু শিৱপালগঞ্জৰ মাজৰ দূৰত্বক লৈ কৰা সকলো প্ৰশ্নকে অবান্তৰ বুলি ক'লে। অৱশ্যে এই বিষয়ে ইতিমধ্যে নথিপত্ৰ ৰেকৰ্ড কৰা হৈ গৈছে।

বৈজনাথক আকৌ প্ৰশ্ন কৰা হ'ল :

"বৰ্তমানলৈকে পুলিচৰ পক্ষৰপৰা কিমানবাৰ মোকৰ্দমাৰ বাবে সাক্ষী দিছা ?"

"মনত নাই।"

মই কওঁ যে তুমি এতিয়ালৈকে পুলিচৰ পক্ষৰপৰা ষাঠিটা মোকৰ্দমাৰ বাবে সাক্ষী দিছা।"

"আপুনি কৈ যাওক, মোৰ মনত নাই।"

"ইয়াৰ আগতেও তুমি কেতিয়াবা পুলিচী সাক্ষী হৈ কোনোবা মোকৰ্দমাৰ বাবে আহিছিলা ?"

"পুলিচী সাক্ষী নো কি ?"

"প্রশ্নৰ ওপৰত পুনৰ প্রশ্ন নকৰিবা। মই যি সুধিছোঁ তাৰ উত্তৰ দিয়া।"

"মোৰ সৈতে কাজিয়া পেচাল আৰম্ভ কৰি নলবা কিন্তু কৈ দিলোঁ। মই এনা পেচা বিধৰ মানুহ নহয় হলে।" এই গৰ্জন শুনি উকীলে বিচাৰকলৈ চাই প্রতিবাদ জনালে। বিচাৰকে ক'লে, "প্রশ্নৰ ঠিক ঠিক উত্তৰ দিবা। "এইখন আদালত বুলি মনত ৰাখিবা।"

বৈজনাথে নম্ৰ হৈ ক'লে, "প্রশ্ন কি কৰিম হজুৰ, আপুনি মাই-বাপ। এখেতে সুধিছে, মই পুলিচৰ পক্ষে কেইবাৰ সাক্ষী দিছোঁ। মই পুলিচ তুলিচ কি জানো? মই সঁচা সাক্ষী দিওঁ। যিটো কথা জানো সেইটো কবলৈ আকৌ সঙ্কোচ কিহৰ, লাগিলে পুলিচেই মাতক বা চাফ কৰাইঁতেই মাতক।"

বিচাৰকে কিবা এটা কোৱাৰ আগেয়েই যোগনাথৰ উকীলৰ বৰ খং উঠিল। আচলতে এই উকীলজন খংটোৰ বাবেই বিখ্যাত আছিল। তেওঁৰ দালালবোৰে প্ৰায়ে নতুন নতুন গোচৰীয়াক তেওঁৰ খং দেখুৱাবলৈকে এজলাচলৈ ধৰি আনিছিল। খঙেই তেওঁৰ বিদ্যা, বুদ্ধি, আইনৰ জ্ঞান, অস্ত্ৰ আৰু তেওঁৰ কবচ আছিল। যেতিয়া তেওঁ খঙত টিঙিৰি তুলা হয় তেতিয়া আন মানুহে কঁপক নকঁপক তেওঁ হলে থক্ থক্কৈ কঁপে। বুধিয়ক বিচাৰকে তেওঁৰ খঙৰ দ্বাৰা মোটেই প্ৰভাৱান্বিত নহৈ মনে মনে কাম কৰি যায়। আৰু সেইটো এটা সাধাৰণ কথা বুলি ভাবি একো ৰায় নিদিয়ে। যদি কোনো বিচাৰকে তেওঁৰ খঙৰ বাবে বেয়া পায় তেতিয়া সেই বিচাৰকক নিন্দা কৰি উকীলসকলে বাৰ-এছোচিয়েচনৰ আগত ভাষণ দিয়ে আৰু এছোচিয়েচনে প্ৰস্তাৱ পাচ কৰে।

এইজন বিচাৰক বেচ বুধিয়ক আছিল, গতিকে উকীলৰ খণ্ডত বিশেষ মন নিদিলে। সিফালে উকীলে পুনৰ প্ৰশ্ন কৰিলে, "মোৰ প্ৰশ্ন তেনেই সহজ। বৰ চালাকী দেখুৱাব নালাগে; কোৱাঁ, চৰকাৰী মোকৰ্দমাত প্ৰমাণৰ বাবে তুমি আজিলৈকে কেইবাৰ সাক্ষী দিছা?"

বৈজনাথে ক'লে, "তেনেহলে মোৰো একেবাৰে সহজ প্ৰশ্ন, উকীল চাহাব! ডকাইতি আৰু হত্যাৰ হৈ তুমি এতিয়ালৈকে নো কিমান মোকৰ্দমাত ওকালতী কৰিছা?"

উকীলে তেওঁৰ খণ্ডটোৰ বাবে কোনো কোনো মানুহক বিৰক্ত হোৱা দেখিছে, কিন্তু এনেদৰে অসভ্যালি কৰা দেখা নাই। গতিকে এনেধৰণৰ প্ৰশ্নত তেওঁৰ খুব খং উঠিল আৰু ফোঁপাবলৈ ধৰিলে। তেওঁ উপায় নাপাই বিচাৰকৰ ফালে চাই কবলৈ ধৰিলে, ধৰ্মাৱতাৰ চাওক, এইটোৱে কেনে দুৰ্ব্যৱহাৰ কৰিছে? এওঁ এনেধৰণে ওলোটা ওভোটা কথা কৈ আদালতৰ মান হানি কৰিছে।"

বৈজনাথে লাহেকৈ মাত লগালে, "উকীল চাহাব, নিজৰ দোষটো নেদেখাই, মই কিবা এটা কোৱাত হে এতিয়া জগৰ লাগিলগৈ।"

বিচাৰকে কিছুমান দৰকাৰী কাগজ পত্ৰত চকু ফুৰাইছিল। গতিকে উকীল চাহাবে নিজেই সেই অসহায় অৱস্থাৰপৰা ৰক্ষা পৰিবলৈ বুদ্ধি খটাব লগা হ'ল। তেওঁ দাঁত কৰচি মাত লগালে, "পইচা লৈ পুলিচৰ হৈ মিছা সাক্ষী দিয়া আৰু ওলোটাই মোকে জেৰা কৰা?"

বৈজনাথে চাৰিওফালে এবাৰ চালে আৰু উকীলৰ পিনে সহানুভূতিৰ চকুৰে চাই সকলোৱে শুনাকৈ ক'লে, "এইয়া হৈছে নিজৰ নিজৰ কাৰবাৰ।"

বিচাৰকে দৰকাৰী কাগজ পত্ৰৰ ওপৰত ইতিমধ্যে চহী কৰি শেষ কৰিছিল। তেওঁ একো নজনাৰ ভাও জুৰি মাত লগালে, পৰস্পাৰ পৰস্পৰৰ মাজত মাত মতাটো বৰ ঠিক নহয়। তেন্তে উকীল চাহাব, জেৰা আৰম্ভ কৰক।"

উকীলে ক'লে, "ধৰ্মাৱতাৰ এই সাক্ষীক জেৰা কৰাটো অলপ আহুকাল। প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ তৰ্ক কৰে। এইটো কথা নোট কৰি লোৱা হওক।"

বিচাৰকে বৈজনাথৰ ওপৰত কটাক্ষ দৃষ্টি হানিলে। বৈজনাথে পাব্লিক প্ৰচিকিউটৰৰ ফাললৈ চাইছিল। পাব্লিক প্ৰচিকিউটৰে আকৌ বিচাৰকৰ ফাললৈ চাই আছিল।

বিচাৰকে উকীললৈ চাই মাত লগালে, "আগবাঢ়ক।"

উকীলে জেৰা আৰম্ভ কৰিলে:

"তুমি চৰকাৰৰ হৈ ৩৭৯ ধাৰাৰ চুৰি গোচৰৰ প্ৰমাণৰ সপক্ষে সাক্ষী দিছিলা?"

"মোৰ মনত নাই।"

"এই সাক্ষী তুমি এই মাহতে দিছা।"

বৈজনাথে অলপ সময় ভাবি থাকিল। তাৰ পিছত কলে, "এই মাহত মই মাত্ৰ এটা গোচৰত হে সাক্ষী দিছিলোঁ। মই মোৰ বাৰীৰ কাষেদি যাওঁতে এটা মানুহ কাষলতিৰ তলত এটা টোপোলা লৈ দৌৰি গৈছিল।"

"তুমি কি সাক্ষী দিছিলা, তাৰ বৰ্ণনা দিবৰ কোনো দৰকাৰ নাই। মাত্ৰ এইটোকে কোৱা যে যোৱা মাহত তুমি সাক্ষী দিছিলানে নাই।"

"সাক্ষী দিছিলোঁ, পিছে গোচৰৰ নাম মোৰ মনত নাই।"

ইমান পৰৰ মূৰত এতিয়া বিচাৰকৰো খং উঠি আহিল। তেওঁ সুধিলে, "এইটো কেনেকৈ হ'ব পাৰে?"

"মইতো গাঁৱলীয়া মানুহ হজুৰ, লিখা পঢ়া তেনেই নাজানো।" উকীলে কলে, "ধৰ্মাৱতাৰ এই চতুৰালিকো নোট কৰি থোৱা হওক।" বৈজনাথে কলে, "ধৰ্মাৱতাৰে আৰু কিমান নোট কৰিব? আপুনিয়েই নোট কৰক। আপোনাৰ মুঞ্চিক ক'লেই তেওঁ চব নোট কৰিব।"

বিচাৰকে এইবাৰ বৈজনাথক খুব ধমকি দিলে। ধমকিৰ কোবত বৈজনাথে সঁচাকৈয়ে কিছু সময়ৰ বাবে তাল মাৰিলে। তাৰ মুখখন শেঁতা পৰি গ'ল। ইফালে বিচাৰকেও গালি পাৰিয়েই থাকিল। গালি শুনি বৈজনাথে ইতিমধ্যে নিজকে চম্ভালি ললে। তাৰ ওস্তাদ পণ্ডিত ৰাধানাথলৈ মনত পৰিল। তেওঁ বুজাইছিল যে মোৰ বোপাই, সাক্ষী দিওঁতে কেতিয়াবা উকীল বা হাকিম খঙত একো নাইকীয়া হয়। সেইবোৰৰ বাবে ভয় খাব নালাগে। তেওঁলোক বেচেৰাহঁতে দিনৰ দিনটো মগজৰে কাম কৰোঁতে কৰোঁতে তেওঁলোকৰ পেটৰ পোৰণি উঠে। তেওঁলোকৰ বেছি-ভাগেই বদহজমী, অৰুচি আৰু অৰ্শৰোগত ভোগে। গতিকেই তেওঁলোক খিংখিঙীয়া হয়। তেওঁলোকৰ গালিশপনিৰ কাৰণে ভয় খাব নালাগে। সেই সময়ত এইটোকে ভাবি লব লাগে যে তেওঁলোকে তোমাক গালি পৰা নাই, নিজৰ পেটৰ পোৰণিক হে গালি পাৰিছে। অকল সেয়াই নহয়, এইটোও মনত ৰাখিব লাগে যে সেই আটাইবোৰ ডাঙৰ ডাঙৰ মানুহেই লিখা পঢ়া জনা মানুহ। তেওঁলোকে তোমাৰ মামলা বুজিবই নোৱাৰে। গতিকেই তেওঁলোক যেতিয়া খঙত অগ্নিশৰ্মা হয়, তোমাৰ নিজৰ মগজটো

সুস্থ ৰাখিব লাগে আৰু এইটোকে ভাবি থাকিব লাগে যে এতিয়া কোনটো উপায়েৰে তেওঁলোকক অপদস্থ কৰিব পৰা যায়।

বিচাৰকে শেষবাৰলৈ ক'লে যে প্ৰশ্নৰ উত্তৰ কেৱল "হয় বা নহয়" তহে দিব লাগে। জেৰাৰ গতি এতিয়া ক্ৰমে নিম্নস্তৰলৈ নামি আহিল।

আজিৰপৰা প্ৰায় ছমাহৰ পূৰ্বে তুমি চৰকাৰৰ তৰফৰপৰা বিশ্বেশ্বৰৰ মোকৰ্দমাত প্ৰমাণৰ সপক্ষে সাক্ষী দিছিলা?"

"ওহোঁ, নাইদিয়া।" (এই উত্তৰটো সঁচা আছিল, কিয়নো বৈজনাথে এই সাক্ষী সাতমাহৰ আগতে দিছিল।)

"প্ৰায় এবছৰৰ আগেয়ে তুমি চৰকাৰৰ তৰফৰপৰা ছুনুৰ মোকৰ্দমাত সাক্ষী দিছিলা?"

"নাইদিয়া।" (এই উত্তৰটোও সঁচাই আছিল—ছুনুৰ মোকৰ্দমা চৌধ মাহৰ আগতে হৈছিল।)

"..........."

"নাই দিয়া।"

"..........."

"নাই দিয়া।"

"..........."

"হয় দিছিলোঁ।"

"..........."

"হয়।"

"এই দৰেই তুমি বহুতো মোকৰ্দমাত চৰকাৰী সাক্ষী হৈছা।"

"আপুনি এনে মোকৰ্দমা মাত্ৰ দুটাৰ হে কথা ক'লে।"

"ইমানবোৰ মোকৰ্দমাত তুমি পুলিচৰ লগত সাক্ষীৰ বাবে

হাত মিলাইছা। ইয়াৰ নিশ্চয় কিবা বিশেষ কাৰণ আছে, নহয় জানো ?”

বৈজনাথে বিচাৰকৰ ফালে চাই নিৰ্ভীকভাৱে কলে, “কাৰণ এইটোৱেই যে মই মতা মানুহ।” তাৰ বুকুখন ডাঠ হৈ গ'ল।” বদমাচৰ বিপক্ষে সাক্ষী দিবলৈ আমাৰ ফালে কাৰো সাহস নাই। মই কাকো ভয় নকৰোঁ আৰু গুণ্ডামীৰ ঘোৰ বিৰোধী। গতিকে যি দেখোঁ তাক মুকলিভাৱে কবলৈ অকণো ভয় নকৰোঁ।”

উকীলে তাক মনে মনে ৰাখিবলৈ চেষ্টা কৰিলে, বিচাৰকে হাত দাঙি সাক্ষীক কাঠগৰাৰপৰা ওলাই যাবলৈ কলে। কিন্তু তাৰ কথা বন্ধ নহ'ল। সি কৈ গ'ল, “মই শপত খাইছোঁ মোৰ এলেকাৰপৰা গুণ্ডাক খেদাইহে উশাহ লম। মোৰ কথাত মই অটল। তাৰ বাবে যদি মোৰ প্ৰাণো বাহিৰ হৈ যায়, মই চিন্তা নকৰোঁ……।”

“তোমাৰ নাম ?”

“সৰু পালোৱান।”

পাব্লিক প্ৰচিকিউটৰে কথাষাৰ সংশোধন কৰি পেস্কাৰলৈ চাই কলে, “সৰু লাল বুলি লিখক।”

সৰু পালোৱানে তেওঁলৈ এনেদৰে চালে যেন তাক সঁচাকৈয়ে সৰু কৰি দিলে। অন্তৰত সি বৰ আঘাত পালে। দ্বিতীয় প্ৰশ্ন, “বাপেৰৰ নাম।”

“কুচেহৰ।”

পাব্লিক প্ৰচিকিউটৰে আকৌ সংশোধন কৰিলে, “কুচেহৰ প্ৰসাদ।”

এইবাৰ সৰু পালোৱানে তেওঁলৈ এনেধৰণে চালে যেন তেওঁ তাৰ বাপেকক অলপতে গালিহে পাৰিছিল।

"জাত ?"

"ব্ৰাহ্মণ।"

"গাঁও ?"

"আমিগঞ্জী।"

"বাৰু ঠিক আছে, তোমাৰ গাঁৱৰ নাম কি ?"

"গঞ্জ।"

"কি গঞ্জ ?"

সৰু পালোৱানে কঠুৱা মাতেৰে ক'লে, "এশ দুশ গজ বুলি ভাবিছেনেকি!" অলপ ৰৈ আকৌ ক'লে, "শিৱপালগঞ্জ।"

"কোৱাঁ, ঈশ্বৰৰ নামত শপত খাইছোঁ, যি কম সঁচা কম।"

"কৈ দিলোঁ।"

"কৈ দিলোঁ নহয়, মুখেৰে ফুটাই কোৱাঁ, ঈশ্বৰৰ শপত যি কম সঁচা কম।"

"মুখেৰেই কৈছিলোঁ।"

চিপাহীয়ে বিচাৰকৰ মুখলৈ চালে। কথা বতৰা বন্ধ হৈ গ'ল। বিচাৰকে সৰু পালোৱানক ভালকৈ নিৰীক্ষণ কৰিলে। তেওঁ চিপাহীক হুকুম দিলে, "সাক্ষীক ক, বাহিৰত গৈ মুখখন ধুই আহকগৈ।"

"বাহিৰত গৈ মুখ ধুই আহাঁগৈ।"

সৰু পালোৱানে গামোছাৰে সৈতে মুখত বিৰিঙি উঠা ঘামবোৰ মছি পেলালে। তাৰ পিছত বেছ বিশ্বাসেৰে সৈতে কাঠগৰাৰ ৰেলিঙত ধৰি এনেদৰে জুপি চাবলৈ ধৰিলে যেন সি জাহাজৰ ৰেলিঙত ধৰি সমুদ্ৰৰ জলপ্ৰাণীহে চাইছে। বিচাৰকে হুকুম দিলে:

“সাক্ষীৰ মুখ চাফ কৰোৱা।”

পাব্লিক প্ৰচিকিউটৰে সৰু পালোৱানক কলে, “বাহিৰলৈ গৈ পাণৰ চোবা পেলাই থৈ আহাঁগৈ।”

সৰু পালোৱানে সঁচাকৈয়ে সেই সময়ত বেছ আত্মবিশ্বাসেৰে পাণখন পাগুলি আছিল। তাৰ এনেহে লাগিল যেন তাক কোৱা হৈছে বাহিৰলৈ গৈ যেন তাৰ আত্মবিশ্বাসক হে খুলি আহিবগৈ। সি কথাটো শুশুনাৰ ভাও জুৰি লাহেকৈ পাণখন টেঁটুৰ তললৈ পেলাই দিলে আৰু আকৌ এবাৰ গামোছাৰে মুখখন মছিলে।

বিচাৰকে চিপাহীক হুকুম দিলে, “সাক্ষীক শপত খাবলৈ দিয়া।” চিপাহীয়ে এইবাৰ খণ্ড ভাৱেৰে সৰু পালোৱানক ক’লে, “কোৱাঁ, ঈশ্বৰৰ শপত যি কম সঁচা কম।”

“সঁচা কম।”

“ঈশ্বৰৰ শপত।”

“ঈশ্বৰৰ শপত।” সৰু পালোৱানে ইফালে সিফালে চাই এইবাৰ অনায়াসে কথাষাৰ কৈ দিলে।

পাব্লিক প্ৰচিকিউটৰে সৰু পালোৱানক যোগনাথৰ ঘৰৰ খানা-তালাচৰ বিষয়ে কিছুমান প্ৰশ্ন সুধিলে। সি এইখিনিলৈকে উত্তৰ দি গ’ল যে দাৰোগা ডাঙৰীয়াই যোগনাথৰ লগত একেলগে তাৰ ঘৰত সোমাইছিল।

“তাৰ পিছত ঘৰৰ তালাচী লোৱা হ’লনে?”

“হয়।”

“কি ওলাল?”

“একো নোলাল।”

পাব্লিক প্ৰচিকিউটৰৰ চকু কপালত উঠিল। তেওঁ জোৰ দি সুধিলে, "মই সুধিছোঁ বোলোঁ তালাচীত কি ওলাল?"

"কি ডাল ওলাব? ফোঁচটো।"

যোগনাথ আৰু তাৰ উকীল—দুয়ো একেলগে মিচিকিয়ালে। পিছফালৰপৰা শনিয়ে মাত লগালে, "চাবাচ! জাৰি থাকা বোপাই।"

"সেয়া কোনে মাতিছে? কিহৰ অসভ্যালি?" বিচাৰকে গম্ভীৰ হৈ সুধিলে, কিন্তু ইতিমধ্যে শনি গৈ বাহিৰ পালেগৈয়ে।"

পাব্লিক প্ৰচিকিউটৰে ক'লে, "তালাচীত তিনিপদ অলঙ্কাৰ পোৱা গ'ল, যি তোমাৰ আগত থোৱা হৈছে।"

যোগনাথৰ উকীল জাপমাৰি আহি আগ পালেগৈ আৰু বিচাৰকৰ ফাললৈ চাই ক'লে, "ধৰ্মাৱতাৰ, এয়াতো জেৰাহে।"

পাব্লিক প্ৰচিকিউটৰে ক'লে, "হজুৰ, সাক্ষী বিপৰীত পথে গৈছে। মই ইয়াক জেৰা কৰিবলৈ আপোনাৰপৰা অনুমতি বিচাৰোঁ।"

বিচাৰকে গম্ভীৰভাৱে ক'লে, "অনুমতি দিয়া হৈছে।"

যোগনাথৰ উকীলে প্ৰতিবাদ কৰি ক'লে, "ধৰ্মাৱতাৰ, এখেতে লিখি দিয়ক যে এখেতে এই সাক্ষীৰ জবানবন্দী মানি লোৱা নাই।"

পাব্লিক প্ৰচিকিউটৰে নিজৰ ফাইলৰপৰা এখন দৰখাস্ত উলিয়ালে, যিখন আগতেই লিখি ৰখা হৈছিল। দৰখাস্তখন বিচাৰকৰ আগলৈ আগবঢ়াই দিয়া হ'ল।

উকীলে আকৌ ক'লে, "ধৰ্মাৱতাৰ, এই দৰখাস্তখন আগৰেপৰাই লিখি থোৱা হৈছিল।"

"তাৰপৰা বিশেষ একো অসুবিধা নহয়।" বিচাৰকে কথাষাৰত কাণ নিদি ক'লে।

পাব্লিক প্ৰচিকিউটৰে ক'লে, "হুজুৰ, এইটো দেখোন সদায় ঘটি থকা ঘটনা। আদালতী মেৰপেচ। প্ৰতিটো সুযোগৰ বাবেই সাজু হৈ আছোঁ।"

"ঠিক আছে, ঠিক আছে, আপুনি জেৰা আৰম্ভ কৰক।" পাব্লিক প্ৰচিকিউটৰে সৰু পালোৱানৰ পিনলৈ ঘূৰি লৈ প্ৰশ্ন সোধা আৰম্ভ কৰিলে, "এই যে তিনিপদ অলঙ্কাৰ তোমাৰ আগত থোৱা হৈছে, সেয়া তালাচীৰ সময়ত যোগনাথৰ ঘৰৰপৰা ফিৰাই লোৱা হৈছিল।"

সৰু পালোৱানে যেন মিছামিছিকৈ পেক্‌পেকাই থাকিবলৈ বেয়া পাইছে, এনেভাৱ কৰি বিচাৰকলৈ চাই কলে, "মোৰ যি কবলগীয়া আছিল, কৈ দিলোঁ। তালাচীত একো নোলাল।"

পাব্লিক প্ৰচিকিউটৰে ফাইলৰপৰা এখন কাগজ উলিয়াই সুধিলে "এই তালিকাখন ঘূৰাই লোৱা বাবদ তোমাৰ সমুখতে লিখা হৈছিল নহয়?"

"মোৰ আগততো কেৱল গালি শপনিহে পৰা হ'ল, লিখা পঢ়াৰ সুবিধানো ক'ত ওলাল!"

"এই তালিকা খনত তুমি চহী কৰিছিলানে? ভালকৈ চাই কোৱাঁ।"

সৰু পালোৱানে কাগজখন নোচোৱাকৈয়ে খঙেৰে ক'লে, "নাই কৰা।"

পাব্লিক প্ৰচিকিউটৰে কাগজখনৰ এটুকুৰা ঠাইত চহী এটালৈ আঙুলিয়াই ক'লে, "এয়া, চোৱাঁ, ভালদৰে চাই লোৱাঁ। এই চহীটো তোমাৰেই।"

সৰু পালোৱানে বিচাৰকক ক'লে, "মোৰ কবলগীয়াখিনি কোৱা

হলেই হজুৰ, এতিয়া আকৌ এখেতে কিয় একেটা প্ৰশ্নকে পেৰি আছে?”

এইবাৰ বিচাৰকে কোনো সহানুভূতি নেদেখুৱালে। তাক সাৱধান কৰি কলে, “কাগজ চাই উত্তৰ দিয়া। ওলোটা-পালোটা বকিলে জেল হ'ব।”

সৰু পালোৱানৰ ওপৰত কোনো প্ৰভাৱেই নপৰিল। সি বুকুখন ফিন্দাই ক'লে, “জেলৰতো বেপাৰেই হয় হজুৰ। যেতিয়া আদালত পালোঁহিয়েই, এটা ঠেং জেলত আৰু ইটো বাহিৰত। কিন্তু কাগজত মই কি চাম? লিখাপঢ়া মোৰ বাবে বান্দৰৰ আগত নাৰিকলৰ দৰে।”

পাব্লিক প্ৰচিকিউটৰে চিঞৰি সুধিলে, “তেনে হলে তুমি চহী কেনেকৈ কৰাহে? এই চহীটো তোমাৰ নহয়নে?”

ইমান পৰৰ মূৰত যোগনাথৰ উকীলে মুখ মেলিলে। তেওঁ যেন এটা গৰু পোৱালিক মৰম কৰি কোৱাৰ দৰে ক'লে, “লাহে লাহে এটা এটাকৈ প্ৰশ্ন সোধক। সাক্ষীতো ক'তো পলাই যোৱা নাই।”

পাব্লিক প্ৰচিকিউটৰে এই কথাষাৰত কাণ নিদি সুধিলে, “তুমি তেনেহলে চহী কেনেকৈ কৰা?”

“চহী আক' কোনে কৰে? আমাৰ সাতপুৰুষ চহী নকৰাকৈয়ে গ'ল, এতিয়া আক' মই কৰিম? গৈ চাই আহকগৈ, পাঁচশ কাগজ থোৱা আছে। প্ৰত্যেকতে মই টিপচহী মাৰিছোঁ।”

সৰু পালোৱানে অভিমানৰ সৈতে এজলাচৰ চাৰিওপিনে চকু ঘূৰালে। পাব্লিক প্ৰচিকিউটৰে আকৌ সুধিলে, “মই সুধিছোঁ, তুমি এই কাগজৰ ওপৰত চহী কৰিছিলানে নাই?”

পাব্লিক প্রচিকিউটৰে ক'লে, "হুজুৰ, এইটো দেখোন সদায় ঘটি থকা ঘটনা। আদালতী মেৰপেচ। প্ৰতিটো সুযোগৰ বাবেই সাজু হৈ আছোঁ।"

"ঠিক আছে, ঠিক আছে, আপুনি জেৰা আৰম্ভ কৰক।" পাব্লিক প্ৰচিকিউটৰে সৰু পালোৱানৰ পিনলৈ ঘূৰি লৈ প্ৰশ্ন সোধা আৰম্ভ কৰিলে, "এই যে তিনিপদ অলঙ্কাৰ তোমাৰ আগত থোৱা হৈছে, সেয়া তালাচীৰ সময়ত যোগনাথৰ ঘৰৰপৰা ফিৰাই লোৱা হৈছিল।"

সৰু পালোৱানে যেন মিছামিছিকৈ পেক্‌পেকাই থাকিবলৈ বেয়া পাইছে, এনেভাৱ কৰি বিচাৰকলৈ চাই কলে, "মোৰ যি কবলগীয়া আছিল, কৈ দিলোঁ। তালাচীত একো নোলাল।"

পাব্লিক প্ৰচিকিউটৰে ফাইলৰপৰা এখন কাগজ উলিয়াই সুধিলে "এই তালিকাখন ঘূৰাই লোৱা বাবদ তোমাৰ সমুখতে লিখা হৈছিল নহয়?"

"মোৰ আগততো কেৱল গালি শপনিহে পৰা হ'ল, লিখা পঢ়াৰ সুবিধানো ক'ত ওলাল!"

"এই তালিকা খনত তুমি চহী কৰিছিলানে? ভালকৈ চাই কোৱাঁ।"

সৰু পালোৱানে কাগজখন নোচোৱাকৈয়ে খঙেৰে ক'লে, "নাই কৰা।"

পাব্লিক প্ৰচিকিউটৰে কাগজখনৰ এটুকুৰা ঠাইত চহী এটালৈ আঙুলিয়াই ক'লে, "এয়া, চোৱাঁ, ভালদৰে চাই লোৱাঁ। এই চহীটো তোমাৰেই।"

সৰু পালোৱানে বিচাৰকক ক'লে, "মোৰ কবলগীয়াখিনি কোৱা

হলেই হজুৰ, এতিয়া আকৌ এখেতে কিয় একেটা প্ৰশ্নকে পেৰি আছে?”

এইবাৰ বিচাৰকে কোনো সহানুভূতি নেদেখুৱালে। তাক সাৱধান কৰি কলে, “কাগজ চাই উত্তৰ দিয়া। ওলোটা-পালোটা বকিলে জেল হ'ব।”

সৰু পালোৱানৰ ওপৰত কোনো প্ৰভাৱেই নপৰিল। সি বুকুখন ফিন্দাই ক'লে, “জেলৰতো বেপাৰেই হয় হজুৰ। যেতিয়া আদালত পালোঁহিয়েই, এটা ঠেং জেলত আৰু ইটো বাহিৰত। কিন্তু কাগজত মই কি চাম? লিখাপঢ়া মোৰ বাবে বান্দৰৰ আগত নাৰিকলৰ দৰে।”

পাব্লিক প্ৰচিকিউটৰে চিঞৰি সুধিলে, “তেনে হলে তুমি চহী কেনেকৈ কৰাহে? এই চহীটো তোমাৰ নহয়নে?”

ইমান পৰৰ মূৰত যোগনাথৰ উকীলে মুখ মেলিলে। তেওঁ যেন এটা গৰু পোৱালিক মৰম কৰি কোৱাৰ দৰে ক'লে, “লাহে লাহে এটা এটাকৈ প্ৰশ্ন সোধক। সাক্ষীতো ক'তো পলাই যোৱা নাই।”

পাব্লিক প্ৰচিকিউটৰে এই কথাষাৰত কাণ নিদি সুধিলে, “তুমি তেনেহলে চহী কেনেকৈ কৰা?”

“চহী আক' কোনে কৰে? আমাৰ সাতপুৰুষ চহী নকৰাকৈয়ে গ'ল, এতিয়া আক' মই কৰিম? গৈ চাই আহকগৈ, পাঁচশ কাগজ থোৱা আছে। প্ৰত্যেকতে মই টিপচহী মাৰিছোঁ।”

সৰু পালোৱানে অভিমানৰ সৈতে এজলাচৰ চাৰিওপিনে চকু ঘূৰালে। পাব্লিক প্ৰচিকিউটৰে আকৌ সুধিলে, “মই সুধিছোঁ, তুমি এই কাগজৰ ওপৰত চহী কৰিছিলানে নাই?”

"কবৰ মন গৈছে যদি তুমি হাঁহৰ দৰে টেঁট-টেটাই থাকাঁ। কোনেনে মানা কৰিছে?" বিচাৰকে খঙেৰে ক'লে, "সাৱধানে কথা কবা।"

সৰু পালোৱান একেবাৰে পঞ্চমত আহি গ'ল। "নিজৰ নিজৰ কথা কোৱা ধৰণ হুজুৰ, এওঁৰ কথাতে কিয় মিছা মাতিম?"

পাব্লিক প্রচিকিউটৰে নিজৰ কাগজ সামৰি পেলাই ক'লে, "মোৰ একো সুধিবলগীয়া নাই।"

সৰু পালোৱানে লুঙিখন বান্ধি লৈ লাহে লাহে পিছুৱাবলৈ ধৰিলে, এনেতে যোগনাথৰ উকীলে মাত লগালে, "মই কেইটামান প্রশ্ন সুধিব বিচাৰোঁ, ধৰ্মাৱতাৰ!"

বিচাৰকৰ কোনো আপত্তি নাছিল। উকীলে সুধিলেঃ "গয়াদীনৰ জীয়েক বেলাক জানানে?"

"কোনে নাজানে তাইক?"

"মিছাকৈ কেপকেপাই নাথাকিবা। তোমাৰ নিজৰ কথা কোৱাঁ। তুমি নিজে জানানে নাজানা?"

"নাজানিম কিয়?"

"ছোৱালীজনী কেনেধৰণৰ?"

"বদচলন।"

বিচাৰকে ক'লে, "এই জেৰা একেবাৰে নিৰৰ্থক। মোকৰ্দমাৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই।"

"নহ'ব কিয় ধৰ্মাৱতাৰ! কথা এতিয়াই পৰিষ্কাৰ হৈ পৰিব।" উকীলে তাৰ পিছত পালোৱানলৈ চাই সুধিলেঃ

"তুমি কেনেকৈ জানা যে বেলা বদ্‌চলন ছোৱালী?"

"চকুৰে দেখিছোঁ আৰু।"

"তাই যোগনাথৰ সৈতে বদ্‌চলনী কৰিছিল। গয়াদীনে সেইবাবে যোগনাথক এই মোকৰ্দমাত সাঙুৰিছে।"

ইয়াৰ পিছত জেৰা পুনৰ স্বাভাৱিক গতিত চলিল। বিভিন্ন সাক্ষীৰ জবান-বন্দীত এইটো প্ৰমাণিত হৈছিল যে যোগনাথ চোৰ নাছিল। প্ৰকৃততে সি গয়াদীনৰ ভনীয়েক অথবা জীয়েকৰ প্ৰেমিক, যাক তাই নিৰ্ৱ ৰাতি অকলে শয্যাসুখৰ বাবে মাতিছিল। পিছে গয়াদীনে তাক নিজৰ বন্ধু ভনীজোঁৱাই বা জোঁৱাই হিচাপে মানি নললে। তেওঁ তাক চোৰহে আখ্যা দিলে।

আগৰ দাৰোগাজন বৰ্তমান শিৱপাল গঞ্জত নাছিল। তেওঁ নিজৰ ভগাছিগা খাট, স্ত্ৰীৰতি গাই আৰু কনভেণ্টগামিনী কন্যাক লগত লৈ চহৰ পাইছিলহি আৰু কোনোবা এটা গলিত অশেষ কষ্টেৰে এটা সৰু ঘৰ ভাড়াত লৈ থাকিবলৈ লৈছিল। তেওঁক এটা বিশেষ কাম সমৰ্পণ কৰা হৈছিল বাবে তেওঁ সামান্য নাগৰিকৰ দৰে থাকিব লগা হৈছিল। তেওঁক সেই অৱস্থাত দেখি বৰ দুখ লাগিছিল, কিয়নো চৰকাৰী মানুহৰ বাবে সাধাৰণ মানুহৰ দৰে থকাটো বৰ অপমানজনক কথা।

পিছে সেই দাৰোগাজনে যোগনাথৰ বিৰুদ্ধে চুৰী মোকৰ্দমাৰ তদন্ত কৰিছিল। সেইবাবেই আজি এজলাচলৈ আহি আকৌ তেওঁ সেই অভদ্ৰ মানুহবোৰৰ সম্পৰ্কলৈ আহিব লগা হৈছিল। সৰু পালোৱানৰ জবানবন্দী শুনিয়েই তেওঁ ছিঃ ছিঃ কৰিবলৈ ধৰিলে আৰু বিচাৰকৰ দৃষ্টি তেওঁৰ ওপৰত পৰাৰ আগতেই তেওঁ গয়াদীনৰ হাতত ধৰি বাহিৰ ওলাই গ'ল। কিছু সময় দুয়ো বাহিৰত গৈ মনে মনে থিয় হৈ থাকিল।

নিৰৱতা ভঙ্গ কৰি দাৰোগাই মাত লগালে, "এই অভদ্ৰবোৰ। অন্যায়ৰো এটা সীমা আছে।"

গয়াদীনে মাটিলৈ চাই আছিল। এটা আলপিন ডুচপৰা ইটাৰ মাজত পৰি আছিল। এনেহে লাগিছিল যেন তেওঁ ভাবিছে যে আলপিনটো তুলি লবনে নলয়।

দাৰোগা ডাঙৰীয়াই মাত লগালে, "কোনোবাই কাৰোবাৰ বিষয়ে যিহকে তিহকে মাতিব পাৰে। ভাল মানুহৰ বিষয়ে মাত মাতোঁতা কোনো নাই।"

তেতিয়া গয়াদীনে ভাগৰুৱা মানুহৰ মাতৰ দৰে ক'লে, "কি কৰিব! হ'ব লগা আছিল হ'ল। যিদিনাখন আপুনি যোগনাথক ধৰিলে, মই গম পাই গৈছিলোঁ যে মোৰ ঘৰত আৰু এতিয়া কাৰো ইজ্জত বাচি নাথাকিব।"

"সেইবাবে মই বৰ দুখ পাইছোঁ।"

"দুখৰ কোনো কথা নাই। তাত আপোনাৰ কি দোষ? যাক চোৰ বনাই জেললৈ পঠাব খুজিব, সি নিজৰ ফালৰ পৰা একোৱেই বাকী নাৰাখিব।"

"ঘটনা এনে হ'বলৈ পোৱাত মোৰ খুব বেয়া লাগিছে।"

"বেয়া পোৱাৰ কোনো কাৰণ নাই, দাৰোগা। এয়া হ'ল আমাৰ দেশৰ ৰীতি। যেতিয়া কাছাৰী ঘৰৰ মুখ দেখিব লগা হ'ল, এতিয়া আৰু সকলোবোৰেই সহ্য কৰি যাব লাগিব। যিয়েই ইয়ালৈ এবাৰ আহে, ধৰি লব তাৰ কৰ্ম নষ্ট হ'ল।"

যোগনাথৰ উকীলে দেখোন কঁাড়পাতৰ দৰে বাহিৰ ওলাই আহি আন এটা এজলাচৰ ফাললৈ দৌৰ মাৰিলে। পিছে পিছে দৌৰি অহা মক্কেলক তেওঁ কৈ গ'ল সোনকাল নকৰিবা, এতিয়া

দৌৰিবলৈ দিয়া যোগনাথক। তাৰ পিছত এটা এটাকৈ বুজি লোৱা হ'ব। অঁ, অঁ পুলিচকো। দাৰোগাই ঘপককৈ চালে, পিছে তেতিয়া তাত একোৱেই নাছিল।

এৰৈকছ

এটা সময়ত প্ৰিন্সিপাল চাহাবে বৈদ্য ডাঙৰীয়াৰ সৈতে কলেজৰ সমস্যাসমূহৰ বিষয়ে আলোচনা কৰি আছিল,—অৰ্থাৎ কবলৈ গ'লে খান্নামাষ্টৰক গালি পাৰি আছিল।

ইয়াৰ এদিন আগতে ১০৭ ধাৰাৰ মোকৰ্দমাৰ বাবে যেতিয়া তেওঁ আদালত পালেগৈ তেতিয়া তেওঁ মোকৰ্দমাৰ এটা নতুন তথ্য বিচাৰি পালে। কাৰণ, খান্না মাষ্টৰৰ উকীলে নিজৰ বিতৰ্কত কিছুমান এনে ধৰণৰ কথা হৈছিল:

"ধৰ্মাৱতাৰ, এই মোকৰ্দমা হ'ল 'হেভ্‌চ' আৰু "হেভনটৰ"। এফালে কলেজৰ মেনেজাৰ আছে যাক বৈদ্য মহাৰাজ বুলিও কোৱা হয়। প্ৰকৃততে বৈদ্য কম, মহাৰাজ বেছি। তেওঁৰ পিছত শ শ বদমাচ আৰু গুণ্ডা আছে। সেইবিলাকৰ ভিতৰত এই কলেজৰ প্ৰিন্সিপাল আৰু আঠ দহজন শিক্ষকো আছে,—যিসকল হয়তো তেওঁৰ সম্পৰ্কীয় অথবা সম্পৰ্কীয়ৰ সম্পৰ্কীয়। এওঁলোক সকলোৰে অৱস্থা ভালেই, আৰু যদি ভালো নহয় তেন্তে কলেজৰ পুঁজিৰ পৰা সেইখিনি পূৰা কৰি দিয়া হয়। ধৰ্মাৱতাৰ, সিটো ফালে

খান্নামাষ্টৰ 'আৰু তেওঁৰ দৰে আঠ দহজন শিক্ষক আছে,—যিসকল তৃথীয়া আৰু প্ৰিন্সিপালৰ কুচক্ৰই এওঁলোকক সদায়েই দমন কৰি ৰাখে। পৰস্পৰৰ মাজত সংঘৰ্ষৰ মূল কাৰণ এইটোৱেই।"

বিচাৰকে ইংৰাজীতে কৈছিল,—"অৰ্থাৎ কাজিয়া ভাত আৰু মাছক লৈহে হৈছে।"

উকীলে নিজৰ কথাষাৰক প্ৰমাণ কৰিবৰ বাবে পুনৰ ঘূৰাই পকাই ক'লে—"নহয় ধৰ্মাৱতাৰ, মোৰ কথাষাৰৰ এইটো অৰ্থ নাছিল। মই মাত্ৰ এইটোকে কৈছিলোঁ যে কাজিয়াৰ গুৰি সিদ্ধান্তক লৈহে।"

"আপুনিতো এই কথা কোৱা নাছিল।"

"মানে কব খুজিছিলোঁ আৰু।" উকীলে নিজৰ কথাটো বাহাল ৰাখিলে। "খান্না আৰু তেওঁৰ অনুৰাগী লোকসকলে এইটো সহ্য কৰিব পৰা নাই যে ৰাইজৰ ধনৰ এনেদৰে অপব্যৱহাৰ হওক। ধৰ্মাৱতাৰ, এওঁলোক সকলো নতুন পুৰুষ। বেইমানী আৰু ধুৰন্ধৰৰ সৈতে মিতিৰালী কৰাৰ অভ্যাস এতিয়াও শিকা নাই এথোন···।"

বিচাৰকে হাঁহি এটা মাৰি ক'লে,—"তেনে অৱস্থাত এওঁলোকে মোকৰ্দমা আৰু জেলখোৱাৰ পৰা ভয় কৰা উচিত নহয়।"

উকীলে এই উপদেশৰ প্ৰতি কাণ নিদিয়াকৈয়ে নিজৰ ব্যাখ্যা বাহাল ৰাখিলে।

"গতিকে এই কলেজৰ বিষয়ত হ'ব লগা অশান্তিৰ বাবে তেওঁলোকৰ দাবী সাংবিধানিক ৰূপত থিয় কৰাইছে। ধৰ্মাৱতাৰ, আজি মাত্ৰ অলপ দিনৰ আগতে কলেজৰ মেনেজাৰৰ পদত নিৰ্বাচন হৈ গ'ল; আৰু পিস্তলৰ বলত বৈদ্য মহাৰাজ পুনৰবাৰ মেনেজাৰ নিৰ্বাচিত হ'ল। ইয়াৰ অভিযোগ শিক্ষা বিভাগৰ উপ-সঞ্চালকৰ

ওচৰত দাখিল কৰা হৈছে। খান্নামাষ্টৰ আৰু তেওঁৰ দলে ইয়াৰ বিৰোধিতা কৰিছিল, অৰ্থাৎ নিৰ্বাচন অবৈধ বুলি দাবী কৰিছিল। অকল সেয়াই নহয়, তেওঁলোকে উপ-সঞ্চালককো লগ ধৰিছিল আৰু এই সম্পৰ্কত অলপতে অনুসন্ধান কৰাৰ কথা আছে। সেইদৰেই বৈদ্য মহাৰাজ যিটো সমবায় ইউনিয়নৰ মেনেজিং ডাইৰেক্টৰ আছিল—তাতেই বস্তুৰ উধাও হৈছিল। এই গোটেই কথাটো প্ৰায় ছমাহ ধৰি তল পেলাই থোৱা হৈছিল আৰু খান্নামাষ্টৰে তেওঁৰ লগৰীয়াসকলক লৈ সমবায় বিভাগৰ ৰেজিষ্ট্ৰাৰৰ লগত গোট খাই তাৰো অনুসন্ধান চলোৱাইছে। প্ৰয়োজনে হলে মই এই বিষয়া কেইজনকো সাক্ষী হিচাপে থিয় কৰাম।”

“ধৰ্মাৱতাৰ, এই অনুসন্ধান কাৰ্য্যৰ সময়তে খান্না আৰু তেওঁৰ লগৰীয়াসকলক হেঁচা দিবলৈ আৰু তেওঁলোকক বাধ্যত পেলাই মুখ বন্ধ কৰিবলৈহে মোকৰ্দমা চলোৱা হৈছে। এই মোকৰ্দমাও একপ্ৰকাৰৰ চালাকি হে।”

প্ৰিন্সিপালৰ উকীলে আদালতত যি ক’লে সেইটো বিশেষ গুৰুত্বপূৰ্ণ সাক্ষী নাছিল।

মোকৰ্দমাৰ শেষত সেইদিনা গাঁৱলৈ উভটি আহি প্ৰিন্সিপালে বৈদ্য ডাঙৰীয়াক কৈছিলহি যে কলেজৰ নিৰ্বাচন আৰু সমবায় ইউনিয়নৰ বস্তুৰ উধাও—এই দুয়োটা ঘটনাৰে অনুসন্ধান আৰম্ভ হ’ব।

প্ৰিন্সিপালৰ মুখত অনুসন্ধানৰ কথা শুনি বৈদ্য ডাঙৰীয়াৰ চেহেৰাত কোনো পৰিৱৰ্তন দেখা নগ’ল। কেৱল তেওঁ ধৰ্মৰ প্ৰতি দোহাই দি কৈছিল—“সকলো হৰিৰ ইচ্ছা।”

কিন্তু প্ৰিন্সিপালে মনে মনে এখন আঁচনি তৈয়াৰ কৰি আনিছিল

আৰু তাকে সাহসেৰে কৈ গ'ল—"মহাৰাজ, মোৰ এইটোহে সিদ্ধান্ত যে খানা মাষ্টৰক ধৰি লাঠীৰে কোবাই হাত ভৰি ভাঙি পেলাই থব লাগে আৰু সেইটোকে কৰিব নোৱাৰিলে তাক কাণত ধৰি কলেজৰপৰা বাহিৰ উলিয়াই দিব লাগে। লগতে টিকাত কেইটামান গোৰ দিব লাগে।"

বৈদ্য ডাঙৰীয়াৰ বিবেকৰ ওপৰত প্ৰিন্সিপালৰ মন্তব্যই কোনো প্ৰভাৱ পেলাব নোৱাৰিলে। তেওঁ মাথোন ক'লে—"মই হিংসাৰ কথা ভাল নাপাওঁ।" কৈয়েই তেওঁ মনে মনে থাকিল। প্ৰিন্সিপালে কাণ পাতি ৰৈ থাকিল, জানোচা ইয়াৰ লগতে তেওঁ আকৌ "হৰিৰ ইচ্ছা" বুলি কব। পিছে তেওঁ একোকে নক'লে। বোধহয় অহিংসা, পিস্তল প্ৰদৰ্শন, বস্তুৰ উধাও, দেশৰ কল্যাণ আদি সমস্যাবোৰে তেওঁক ইতিমধ্যে চিন্তিত কৰি তুলিছিল।

মদৰ দোকানৰপৰা প্ৰায় এশ গজ মান আগলৈ এজোপা পিপল গছ আছিল। তাতে এটা ভূতে বাহ লৈছিল। তাত থকা তাৰ বহুত দিনেই হ'ল। স্বাধীনতা লাভ কৰা, জমিদাৰী উচ্ছেদ, গাওঁ সভা পতা, কলেজ খোলাৰ দৰে বহুত ঘটনা হৈ গৈছিল। কিন্তু সি তাৰপৰা আঁতৰি যোৱা নাছিল। যিবিলাক মানুহে সি তাত থকা কথাটো জানিছিল, তেওঁলোকে বেলি ডুবাৰ পাছত সেইফালে নগৈছিল। যদি কোনোবা পাৰ হৈ গৈছিলো, নানা ধৰণৰ মাত শুনিবলৈ পাইছিল। এই মাতবোৰ শুনাৰ পাছত মানুহৰ জ্বৰ উঠিছিল আৰু সৰহভাগ মানুহেই এই জ্বৰতে সিফলীয়া হৈছিল। যদি কোনোবা মৰা নাছিল তেতিয়া মানুহে কৈছিল যে পণ্ডিত ৰাধেলালে বেচ ভাল ভূত জাৰিব জানে।

কোনো এটা আবেলিত এজন চাইকেল আৰোহীয়ে সেই পিপল গছ জোপাৰ তলেৰে পাৰ হৈ যাওক। তেওঁ তাত ভূতৰ অৱস্থিতিৰ কথা জানিছিল যদিও আগে আগে এখন ট্ৰাক লাহে লাহে গৈ নথকা হলে বোধহয় তেওঁ সেইফালেদি পাৰ হৈ যাবলৈ সাহস নকৰিলেহেঁতেন। তেওঁ ট্ৰাকৰ পিছফালৰ ৰঙা লাইটৰ আশ্ৰয় লৈ আৰু নিজৰ মনক প্ৰবোধ দি পুটুককৈ পিপল গছৰ তলেদি পাৰ হৈ গ'ল।

গজজোপা পাৰ হৈ যোৱাৰ পাছত তেওঁ দীঘলকৈ এটা উশাহ ললে। ফাগুনৰ উতলা বতাহে তেওঁৰ কাণে মুখে খুন্দিয়াই গ'ল। তেওঁ মনৰপৰা ভূতৰ শঙ্কা দূৰ কৰিবৰ বাবে এটা গানৰ কলি গুণগুণাবলৈ ধৰিলে।

তেওঁ এবাৰ উচপ খাই উঠিল। বাটৰ একেবাৰে কাষতে এটা গোঁ-গোঁৱনি শব্দ শুনিবলৈ পালে। চাইকেল আৰোহীয়ে শব্দটো ভূতেই কৰা বুলি ধৰি ললে। তেওঁৰ উশাহ বন্ধ হোৱা যেন লাগিল। তেওঁ ধৰি ললে যে ভূতে কোনো খবৰ নিদিয়াকৈয়ে ঠাই বদলাইছে আৰু পিপল গছৰ পৰা নামি আহি বোধহয় আঁহত গছজোপাত উঠিলহি।

গোঁ-গোঁৱনি শব্দটো এইবাৰ আগতকৈ অলপ বেছি হ'ল। তাৰ ঠিক লগে লগেই কেইটামান মানুহৰ মাতৰদৰে দুই ধৰণৰ শব্দ শুনা গ'ল। এটাই ডাঙৰকৈ হাঁহিলে। আন এটাই ক'লে, "কৈছিলোঁ নহয় বেছিকৈ নাখাবলৈ। পিছে নামানিলি। বোপাই, হোঁ আৰু অকণমান খা।"

এইবাৰ আৰু এটা মানুহৰ মাত শুনা গ'ল। মানুহটোৱে গান গাই আছিল। হাঁহিৰ মাজতে আন কোনোবা এটাই "হামিদ

ডাকু” যাত্ৰাৰ দুটামান লাইন গাই আছিল—“ন কী জৈ শোৰগুল চক্ চক্, শীপ্ সবকো ঝুকাতে হ্যায়।”

তেনেতে গোঁ গোঁ মাতটো ক্ৰমান্বয়ে উঠানমা কৰিবলৈ ধৰে। প্ৰথমতে কোনোবা এটাই আৰম্ভ কৰিলে—গোঁ গোঁ। তাৰ মাজতে আন এটাই চিঞৰিলে, “বচোৱা!” শেষলৈ আকৌ সেই গোঁ গোঁ শব্দ।

লগে লগে ‘হামিদ ডাকু’ৰ গান গোৱা মানুহটোৱে তাৰ গান বন্ধ কৰি দিলে। সিয়েই পুনৰ মাত লগালে, কৈছিলোঁ নহয় বাচাধন, বেছিকৈ নাখাবি বুলি। পিছে মাফত কা মাল, নাখাবি কিয়?” আকৌ সেই হাঁহি, আকৌ সেই হামিদ ডাকুৰ গান।

চাইকেল আৰোহীয়ে বিভিন্ন ধৰণৰ মাত কথা শুনি এইবিলাক ভূতৰে চালাকি বুলি ভাবি তেওঁৰ মনত খুব ভয় সোমাইছিল। তেওঁ মানুহৰ বিষয়ে চিন্তাই কৰা নাছিল! কিন্তু তেওঁ মানুহৰ মাত শুনা পাই কিবা অঘটনৰ ভয়ত সন্দেহ কৰি চাইকেলৰপৰা নামিল আৰু চিঞৰি ক’লে—“ভয় নকৰিবা পালোৱান। মই আহি গৈছোঁ। খবৰদাৰ, গাত হাত নলগাবি একা।”

গছৰ আনটো ফালে এটা জোপোহাৰ আঁৰত পাঁচ ছয়টা মান মানুহে সন্ধিয়াৰ আন্ধাৰত ইফালে সিফালে ঘূৰি ফুৰিছিল। বহুতো ধৰণৰ মাত ভাহি আহিছিল।

“গোঁ গোঁ গোঁ!”

“বচোৱা!”

“বেছিকৈ নঢলিবা বোপাই। কৈছিলোঁ নহয় বেছিকে নাখাবলৈ। মাফত কা মাল।”

“ন কী জৈ শোৰগোল চক চক, শীপ্ সবকো ঝুকাতে হ্যায়।”

চাইকেল আৰোহীয়ে সাৱধানে ইফালে সিফালে চাই ফুৰিছিল। আৰু কোনো অজ্ঞাত লোকক কোনো বিপদৰপৰা ৰক্ষা কৰিবলৈ চিঞৰি ফুৰিছিল। ইতিমধ্যে এটা মানুহ জোপোহাৰ আঁৰৰপৰা সুস্থভাৱে ওলাই আহি চাইকেল আৰোহীৰ সন্মুখত থিয় দিলেহি। তাৰ মুখৰপৰা দেশী মদৰ ভেকেটা ভেকেট গোন্ধ আহি আছিল। সি আহি খঙেৰে সুধিলে,—"কি হ'ল বাপু? ইয়াত কিয় টেঁটুফালি মৰিছাহি?"

চাইকেল আৰোহীয়ে জোপোহা এটাৰ ফালে আঙুলিয়াই দেখুৱাই ক'লে—"সেই ফালৰপৰা কোনোবাই বচোৱা বচোৱা বুলি চিঞৰিছে।"

"সিহঁত চবেই মদ খাই লাং খাই পৰি আছে। চালাহঁত চবেই বক্‌বক্ কৰিব খোজে। পিছে তুমি কি কৰিব খুজিছা?"

এনেতে আন দুজন চাইকেল আৰোহীও সেইফালেদি পাৰ হৈ গৈছিল। প্ৰথমজন আৰোহীক দেখি তেওঁলোক চাইকেলৰ বেগ কমাই দি নামিবলৈ চেষ্টা কৰিলে। জোপোহাৰ অঁৰৰপৰা অহা শব্দ আৰু ডাঙৰ হ'ব ধৰিলে যদিও শব্দবোৰ অস্পষ্ট আছিল। মদপী মানুহটোৱে অলপ ধম্‌কি দিয়াৰ সুৰত ক'লে,—"তোমালোকে ইয়াত ৰোৱাৰ কোনো দৰকাৰ নাই। এয়া গঞ্জীবোৰৰ ব্যাপাৰ। চালাহঁত চবেই মদ খাই জমি আছে। তোমালোকে নিজৰ নিজৰ ৰাস্তা ধৰা।"

চাইকেল আৰোহী দুজনে এই উপদেশ শুনি চাইকেলৰ গতি বঢ়াই দি আঁতৰি গুচি গ'ল। প্ৰথমজন আৰোহীয়েও নাক কোঁচাই চাইকেলত উঠি গুচি গ'ল। যাওঁতে এষাৰ কথা কৈ গ'ল—"চব লুচ্চা। গোটেই অঞ্চলটোৱেই এই মদপীবোৰৰপৰা একেবাৰে নষ্ট হৈ গ'ল।"

মদপী মানুহটোৱে উত্তৰত ক'লে—"তুমি ঠিকেই কৈছা বোপাই। মদ খোৱাটো ভাল নহয়।"

এতিয়া ঠাইটুকুৰা নিৰ্জন হৈ পৰিল। মানুহটোৱে পুনৰ নিৰ্দেশ দি ক'লে—"ব'ল বোপাইহঁত, এতিয়া ব'ল। নিজৰ ৰাস্তা ধৰ আৰু ডবল মাৰ্চ কৰ। চলো।"

প্ৰায় পাঁচোটামান মানুহ জোপোহাৰ আঁৰৰপৰা ৰাস্তালৈ উঠি আহিল। সিহঁতৰ ভিতৰত কোনো এটায়ো থৰক বৰক কৰা নাছিল। সকলো চুপচাপ আছিল আৰু আটাইকেউটাই এনেধৰণে আগবাঢ়ি গৈছিল যেন ওচৰতে শত্ৰুৰ সম্ভেদ পাই আক্ৰমণ কৰিবলৈহে গৈছে। ভূত থকা গছ জোপাৰ ওচৰ পোৱাৰ লগে লগে সিহঁত ৰাস্তাৰপৰা ফালৰি কাটি নামি আহিল। এইটো অৱশ্যে ভূতৰ ভয়তো হ'ব পাৰে, নতুবা সন্মুখৰপৰা আহি থকা মটৰৰ তীব্ৰ লাইটৰ পোহৰৰ কাৰণেও হ'ব পাৰে। ৰাস্তাৰপৰা তললৈ নামি আহোঁতে সিহঁত একেবাৰে গৈ এডৰা খেতি পালেগৈ আৰু ইয়াৰ চাৰিওফালে কাঁইটীয়া গছৰ ডাল গোটাই থোৱা হৈছিল। আচলতে খেতি ডৰাত একো শস্য নাছিল, মাত্ৰ মাটি টুকুৰা ৰক্ষাৰ বাবেহে কাঁইটৰ সহায় লব লগা হৈছিল।

খেতিৰ পৰা সেই দলটো উঠি আহি পুনৰ ৰাস্তা পাইছিলহি। মদৰ দোকানখনলৈ তাৰপৰা পঞ্চাছ গজমান দূৰ হ'ব। মানুহ এটাই ক'লে, "ৰামচন্দ্ৰাৰতো নিজৰ গছ এজোপাও নাই। এইবোৰ কাৰ গছ উঠাই লৈ আহিল?"

"কেনেকৈ জানো কাৰ?"

"নালাগে কব। মই নিজে নিজেই চব গম পাম।"

"যদি গম পাবাই, তেন্তে মোক সুধিছা কিয়?"

“এই কাৰণেই সুধিছিলোঁ, যাতে তোমাৰ কথাৰো গম লওঁ।”

মানুহটোৱে হাঁহিবলৈ ধৰিলে। সি সকলোকে ক'লে—“যোগনাথে জেলৰ পৰা জেৰা কৰিবলৈ শিকি আহিলে দেখিছোঁ।”

সিহঁত আটাইকেউটা মদৰ দোকানলৈ সোমাই গ'ল। তাত আগৰ পৰাই পাঁচজনমান মানুহ বহি আছিল। এজনে উৎসাহেৰে সুধিলে,—“আৰে! যোগনাথ দেখোন। জেলৰপৰা কেতিয়া উভটিলা?”

“আজি দুপৰীয়া।”

সি আৰু উৎসাহেৰে সুধিলে—“দিনকেইটা কেনেকৈ পাৰ কৰিলা?”

“বৰ সুন্দৰভাৱে।”

“কোনোবা চিনাকি মানুহ লগ পাইছিলানেকি?”

“আটাইবোৰেই চিনাকি হৈ গ'ল।”

“তাত বিশেশ্বৰাও আছিল। লগ পাইছিলানেকি?”

“ওহোঁ ক'তা? কিন্তু তাত চব বিশেশ্বৰাৰ বাপেক আছিল?”

“ৰামবাঁহ কাটিব লগা হৈছিল নে নাই?” কোনোবা এটাই চুকৰপৰা প্ৰায় ঠাট্টা কৰি মাত লগালে। যোগনাথে বেয়া পোৱা যেন লাগিল। সি অলপ খঙেৰে ক'লে—“সেইটো কোনে কুকুৰাৰ দৰে মাতিছে?”

“এই আমাৰ পাহুন।”

“তাক কৈ দে সি যেন নিজৰ পেঁপাটো বন্ধ কৰি ৰাখে। তাক পোচোঁতা শিৱপালগঞ্জত কোনো নাই।”

“শুনিলি পাহুন? ই আমাৰ যোগনাথ হয়। অলপতে জেলৰ পৰা ওলাই আহিছে। কৈছে তোৰ পেঁপাটো বন্ধ কৰি থ।”

“মোৰপৰাও শুনি ল। আগতেই কৈ দিছোঁ। মইও প্ৰথম শ্ৰেণীৰ

হাৰামি বুজিছ? চুপচাপ মদত পানী মিলাই মিলাই খাই যা আৰু হজম কৰিব নোৱাৰিলে ঘৰৰ চুকত বমি কৰি যা। আকৌ যদি ৰামবাঁহৰ কথা উলিয়াৱ, তেন্তে একেবাৰে ৰামবাঁহ দেখুৱাই দিম।"

"শুনিলি পাহুন?"

"শুনিব কোনে? এই চুকটো যে খালি।"

"আৰে! পাহুন ক'ত? ফালৰি কাটি কেনিবা গ'লনেকি?"

"আৰে, বাঃ বাঃ পাহুন!"

যোগনাথে দহটকীয়া নোট এখন উলিয়াই দোকানীক দি ক'লে—"সকলো কেইজনকে এটা এটা পেগ দিয়া। কোনো যাতে বাদ নপৰে। বহুত দিনৰ মূৰত নিজৰ ঘৰলৈ আহিছোঁ।"

"বহুত পইচা লগত লৈ আহিছা নেকি?"

"শনি মুখিয়াল হ'ল নহয়। তাৰ হুকুম, আজি সকলোৱে মৌজ কৰক, খাৱক, পিয়ক আৰু স্ফূৰ্ত্তি কৰক।"

"পিছে শনিৰ ওচৰত পইচা ক'ত?"

"এতিয়া শনি আৰু শনি হৈ থকা নাই। সি এতিয়া মুখিয়াল, বুজিলা?"

"সিহঁত আটাইকেউটাই একো একো পেগ লৈ বহি গ'ল। মদ খোৱা ঠাইটুকুৰা দোকানৰ বাৰান্দা আছিল। তাত এখন বাঁহৰ বেৰা দি ৰাস্তাৰপৰা আঁৰ কৰি ৰাখিছিল। ভিতৰত দোকান আছিল। বাৰান্দাত এটা লেম্প জ্বলি আছিল আৰু তাৰপৰা অহা পোহৰত মদ খোৱা মানুহকেইটাক দেখা পোৱা গৈছিল। দোকানৰ ভিতৰত এটা টিপচাকি জ্বলি আছিল আৰু ইয়াৰ পোহৰত মদ খোৱা মানুহকেইটাক দেখা পোৱা নগৈছিল। বাৰান্দাত পাৰি থোৱা বেঞ্চ এখনত মানুহ দুটা বহি আছিল। তাহাঁতক দেখি

যোগনাথে। বেঞ্চত বহিলহি। আন মানুহ তলত এখন থৈলাৰ ওপৰত বহিছিল, কেইটামান মাটিতে বহি আছিল। মদ দিয়া মানুহ, মদ ৰখা পাত্ৰ আৰু গিলাচ যি আছিল সকলো ইমানেই আছিল। চুলাই মদৰ গোন্ধ ৰাস্তাৰ বহু দূৰলৈকে মলমলাই আছিল। যেনেকৈ যোজনগন্ধাৰ অকণমান সুগন্ধৰ নিজৰ স্থিতিৰ কথা ৰজা শান্তনুক বহুত দূৰৰপৰাই জনাব পাৰিছিল, ঠিক তেনেকৈ দূৰ-দূৰণিৰপৰা মানুহে গম পাইছিল যে ইয়াত চুলাই মদ বেচা হয়। ইয়াত গোন্ধেই দেশী মদৰ বিজ্ঞাপন। সেইবাবে ভাল ভাল জনবহুল বাতৰি কাকতত বিলাতী মদৰ বিজ্ঞাপন পোৱা যায়, কিন্তু তাত দেশী মদৰ উল্লেখেই নাথাকে। কিয়নো তাৰ বাবে বিজ্ঞাপনৰ প্ৰয়োজনেই নাই।

মদৰ গিলাচত দুই-তিনি ঢোক মৰাৰ পাছতেই যোগনাথে ইফালে সিফালে চালে আৰু ক'লে—"পানী পোৱা গৈছে।"

"কি ?"

"পানী। পানী মিহলাই মদ বিক্ৰী কৰিছে।"

"মোৰো তেনে যেন লাগিছে।"

"মোৰো। এনে সোৱাদ বহুত দিনৰপৰাই পোৱা যেন লাগে। বৰঞ্চ এতিয়া পানী মিহলোৱা মদক আচল যেন লাগে।"

দোকানীয়ে নিজৰ বহা ঠাইৰপৰা উঠি যোগনাথৰ কাষলৈ আহিল। সি কোমল মাতেৰে যোগনাথক ক'লে—"আৰামৰ সৈতে খাই যোৱা। এপোৱা-আধাপোৱা যদি বিনা পইচাতে খাব বিচাৰা, তেন্তে খোলাখুলিকৈ কৈ দিয়া। খুৱাই দিম। কিন্তু পানী-তুনি মিহলোৱাৰ কথা বেছিকৈ পেকপেক কৰা মানুহেহে চিন্তা কৰে। ইয়াত তেনে সন্দেহ নকৰিবা।"

যোগনাথে কথাষাৰ শুনি বৰ ভাল পালে। সি জেপৰপৰা কেইখনমান দহ আৰু পাঁচটকীয়া নোট বাহিৰ কৰি ক'লে—বিনা পইচাত খাবলগা হলে সময়ত খাম। পিছে, ভয় নকৰিবা। এইয়া চোৰা। কেতিয়াবা দেখিছা ইমান টকা একেলগে ?"

দোকানী ক্ষীণকায় যদিও বেছ কথা কব জনা মানুহ আছিল। মুখখন গম্ভীৰ কৰি দোকানৰ ভিতৰৰফালে সোমাই গ'ল। খোৱাৰ আগতে কৈ গ'ল—"আমাৰ দেখাৰ দিন উকলিল। এতিয়া তোমাৰ দেখাৰ দিন আৰম্ভ হৈছে। চাই থাকাঁ।"

দ্বিতীয়টো পেগ আহি পালেহি। এটাই মাত লগালে—"এতিয়া পিছে কি কৰিবা যোগনাথ ?"

"টকাৰ অলপ টনাটনি পৰিছে।" যোগনাথে এনেদৰে ক'লে যেন কাৰো এই কথাত বিশ্বাস নহ'ল। এতিয়া প্ৰথমে দাৰোগাৰ সৈতে ফয়চলা কৰিব লাগিব। বদলি হৈ গ'ল যদিও তাত কি কথা আছে। মই সহজে এৰি দিয়া বিধৰ মানুহ নহওঁ। ইয়ালৈ অহাৰ আগতেই চহৰতে তেওঁৰ ওপৰত এটা গোচৰ দি আহিছো।"

"কিহৰ গোচৰ ?"

"দেৱানী ." কি তুমি একো নাজানা নেকি ?" মোৰ ওপৰত চুৰিৰ মিছা মোকৰ্দমা তৰা হৈছিল। দুই তিনিমাহ মই হাজোতত থাকি আহিবলগীয়া হ'ল।"

"বৈদ্য ডাঙৰীয়াই জামিনত নললে নেকি ?"

"তেওঁ লবলৈ ইচ্ছা কৰিছিল। কিন্তু মইহে সিমান ইচ্ছা নকৰিলোঁ। কলোঁ—বোলোঁ দাৰোগাৰ নামতে ইয়াত অলপ দিন থাকি যাম। ইয়াত থাকিবলৈতো একো ভাৰা দিব নালাগে।"

"তাৰ পিছত ?"

"তাৰ পিছত আৰু কি ? মোৰ সন্মান গ'ল, খেতি লোকচান হ'ল। এডৰা খেতি ৰামচন্দ্ৰাই তাৰ নিজৰ খেতিৰ লগত মিলাই ললে। এই আটাইবোৰ লোকচানৰ বাবে আঠ হাজাৰ টকাৰ ক্ষতিপূৰণ বিচাৰি দাবী কৰি আহিছোঁ।" ডিক্ৰী হৈ গ'ল দাৰোগাও বিক্ৰী হৈ যাব।"

"পিছে কোর্টৰ ফিজ ক'ৰপৰা দিবা ? দেৱানী গোচৰত বহুত খৰচ পৰিব।"

"সকলো ভগৱানে দিব।"

"চোৱাঁ ভাই যোগনাথ। বামুণৰ ঘৰত জন্ম লৈ ইফালে সিফালে নাচাবা। সঁচা কথা কোৱাঁ।"

"হয় ভাইময়ো কওঁ। সকলো ভগৱানে দিব।"

"বাঃ! এওঁ এতিয়া জিদহে ধৰিলে। আৰু যেন একো নকয়। নালাগে কব বাৰু। পিছে মোকৰ্দমা তৰিলানে, নাই তৰিবলৈ বাকী আছে ?"

"ওঁ তৰিলোঁ।"

"কেতিয়ানো ?"

"আজিয়েই।"

বাইছ

ব্যায়ামাগাৰৰ আখৰাৰপৰা দুয়ো পালোৱান থৰক বৰক কৰি ওলাই আহিল। এক বদ্ৰী পালোৱান আৰু আনটো হ'ল সৰু পালোৱান। দুয়ো ঘামত জুৰুলি জুপুৰি আৰু গোটেই গাতে ধূলি।

আজি আখৰাত বদ্ৰী পালোৱানে সৰু পালোৱানক ভালকৈ এসেকা দিলে। বদ্ৰী পালোৱান সৰুৰ ওস্তাদ নোহোৱা হলে আজি সি ভালদৰে এজাউৰী গালি দিলেহেঁতেন। কিন্তু গুৰু হোৱাৰ বাবে নক'লে।

সিহঁত দুয়োটা লাহে লাহে ৰাস্তাত গৈ থাকিল। এবাৰ বদ্ৰীয়ে সৰুক সুধিলে—"কিঅ' সৰু, সিদিনা যোগনাথৰ গোচৰত কি সাক্ষী দি আহিলি নো?"

"কেতিয়া যোগনাথৰ হৈ সাক্ষী দিছিলোঁ? মইতো পুলিচৰ হৈহে সাক্ষী দিছিলোঁ।" সৰুৱে একো নভবাকৈয়ে উত্তৰ দিলে।

বদ্ৰীয়ে লাহেকৈ ক'লে—"চিধা প্ৰশ্ন সুধিলে চিধা উত্তৰ দিব লাগে।"

"কোনেনো বেঁকাবেঁকিকৈ উত্তৰ দিছে।"

বদ্ৰীয়ে এই নিৰৰ্থক কথাষাৰত কাণ নিদি সুধিলে—"তই সাক্ষী দিওঁতে বেলাৰ বিষয়ে কি কৈছিলি?"

"কবলৈ কিটো আছে। যিটো জানো আৰু মুখত যি আহিল তাকে কলোঁ।"

বদ্ৰী-পালোৱানে বৰ কোমল সুৰত কথা সুধি আছিল। তেওঁ সৰুৰ হাতত ধৰি সুধিলে—"তাইৰ বাৰু যোগনাথৰ সৈতে কিবা কেলেঙ্কাৰী আছেনে কি?"

সৰুৱে বদ্ৰীৰ হাতৰপৰা তাৰ হাতখন এৰুৱালে। সি লাহেকৈ ক'লে, "মইনো কিটো জানো—কোনে কাৰ লগত কেলেঙ্কাৰী কৰি আছে? গাঁৱৰ চাৰিওফালে হাবি আৰু তাৰ আঁৰ লৈ কোনে কাৰ লগত প্ৰেম পীৰিতি কৰিছে—মই কিবা চাবলৈ গৈছোঁ নেকি?"

"কিয়, তয়েইতো এদিন কৈছিলি যে তই বেলাক যোগনাথৰ সৈতে লটৰ-পটৰ অৱস্থাত দেখিছিলি।"

"কলোঁৱেই জানিবা, তাতেনো কি ক্ষতি হ'ল?"

বদ্ৰী পালোৱান অলপ গৰম হৈ গ'ল। সি অলপ খঙেৰে ক'লে—"কিয় নহ'ব? কৈছিলি নে নাই তাকে ক।"

সৰু পালোৱানে অলপ ভয় খালে। সি বদ্ৰী পালোৱানক অলপ সমীহ কৰি ক'লে,—"কোৱাঁ কি নাছিলোঁ গুৰু! অৱশ্যে কওঁতে বহুতেই কলোঁ। আদালতৰ সাক্ষীৰ মামলা। যিহকে মুখত আহিলে সকলো কৈ গলোঁ। কওঁনো সঁচা কব লাগে তাত।"

বদ্ৰী পালোৱান কিছু সময় মনে মনে থাকিল। মুখেৰে একো নকলে। তাকে দেখি সৰুৱে আৰু ভয় খালে। সি ভয়ে ভয়ে সুধিলে—"গুৰু কিহৰ চিন্তাত পৰিলা? কথকীয়ে হে ভবা চিন্তা কৰে। কি কথানো বাৰু মোকো কোৱাঁচোন।"

বদ্ৰীয়ে লাহেকৈ ক'লে,—"ভাবিছোঁ, তোৰ মুখত জোতা মাৰোঁনে গোৰ মাৰোঁ। তোৰ মুখত কুকুৰে মুতক। থুই কটা!" কথাকিটা কৈ সি মাটিত থুই পেলাই দিলে।

সৰুৱে ভয়ে লাজে জৰ্জৰিত হৈ থিয় দি থাকিল। সি অলপ সময় ৰৈ কলে—"এনেকৈ নকবা গুৰু। কোনোচোন মোৰ কোন-খিনিত ভুল হ'ল।"

"তই চালা কি বুজিবি? এজনী ভাল মানুহৰ ঘৰৰ ছোৱালীক বদনাম দি তাইৰ মান সন্মান সকলো নষ্ট কৰিলি! এইখিনি কৰিও কৈছ মই কিটো কৰিলোঁ।"

কথা মাত্র ইমানেই। সৰু পালোৱানে এই কথাটো জানিব পাৰি স্বস্তিৰ নিশ্বাস পেলালে। সি নভবা নিচিন্তাকৈ পুনৰ মাত লগালে,—"গুৰু, মই আদালতত যি কৈছিলোঁ সকলো ভগৱানৰ নামত শপত খাই কৈছিলোঁ। সকলোৱে জানে যে আদালতত কোৱা কথাৰ কোনো মূল্য নাই। গতিকে ইয়াৰপৰা অন্য কাৰোৰে কোনো লোকচান নহয়।"

বদ্রীক তেতিয়া মনে মনে থকা দেখি সৰুৰ সাহ আৰু অলপ বাঢ়িল। সি অলপ হাস্য-ৰসিক ভাৱত ক'লে—"এই সামান্য কথাটোকে লৈ তুমি মোক জোতা মাৰিব খুজিছিলা, বাঃ গুৰু, তুমিও কেতিয়াবা এনেকুৱা কথা কোৱা, বাঃ! মই আকৌ ভাবি ভাবি ওৰকে পোৱা নাছিলোঁ—বোলোঁ কথাটোনো কি?"

বদ্রী পালোৱানে সৰুৰ গলধনত থাপৰ এটা মাৰি ক'লে—"তই প্রকৃততে এটা জধামূৰ্খ। তই বাৰু কেতিয়াবা তোৰ দুয়োকাষে থকা বস্তুবোৰলৈ মন কৰনে? এই বেলা এতিয়া তোৰ মাতৃ হ'ব। এতিয়া লাগিলে তই তাইক চৰিত্রহীনাই বোল বা আন কিবা বোল, সেই গালি তোৰ ওপৰতে পৰিব।"

"কি ক'লা গুৰু?"

"কবলৈ কিটো আছে? কেইমাহ মানৰ ভিতৰতে বেলাৰ বিয়া

হ'ব—বদ্ৰী পালোৱানৰ লগত। আৰু তই সেই বিয়াত পেঁপা বজাব লাগিব। এতিয়া বুজিলি ?"

বদ্ৰী পালোৱানৰ মুখত তেনে কথা শুনি সৰুৰ এনেহে লাগিল যেন বহুধৰণৰ নিৰৰ্থক কথাৰ দ'ম এটা তাৰ সন্মুখত পৰি আছে আৰু যেন কোনোবাই তাক পেঁচ এটা দি দ'মৰ ওপৰত চিট কৰি পেলাই দিলে। তাৰ মুখৰপৰা মাত্ৰ এষাৰ কথা ওলাল —"কি কৈছা গুৰু ?"

"শুনা নাইনেকি কি কৈছোঁ ?" বদ্ৰীয়ে পাতল ধৰণৰ হাঁহি এটা মাৰি ক'লে—"কি কথা কলোঁ তই নুশুনিলি নেকি? তোৰ কাণত বহুত ময়লা জমা হ'লনেকি ? আকৌ শুন, বেলাক মই বিয়া কৰাম। তাইক কথা দিছোঁ। সেইদিনা তই যেতিয়া আদালতত তাইৰ বদনাম কৰিছিলি তেতিয়া মোৰ শৰীৰৰ প্ৰতিডাল সিৰ টনটনাই উঠিছিল। ইচ্ছা হৈছিল এটা প্ৰচণ্ড ঘোঁচা সোধাই তোৰ মুখখন ভাঙি দিওঁ। পিছে তই হলি মোৰ শিষ্য। গতিকে অবোধ বালক বুলি ক্ষমা কৰি দিলোঁ। বাৰু, এতিয়া যি কৰিলি কৰিলি, এতিয়াৰপৰা ভৱিষ্যতে নিজৰ জিভাখনত অলপ লেকাম লগাবি।"

সৰু পালোৱানে ভাবি আছিল—সি যেন এতিয়াও সেই নিৰৰ্থক কথাসোপাৰ দ'মৰ ওপৰত পৰি আছে আৰু বদ্ৰী পালোৱানে যি কৈছে সেইয়া যেন সপোনৰ কথাহে। সি ক'লে—"গুৰু, তুমি হলা ব্ৰাহ্মণ আৰু সিহঁত হ'ল শূদ্ৰ। ভাবি চিন্তি কথা কবা। বৈদ্য মহাৰাজ যদি অসন্তুষ্ট হয়, তেতিয়া হলে আমাৰ আঁচনিখনেই পণ্ড হৈ যাব।"

বদ্ৰী পালোৱানে মাত লগালে,—"সৰু, তই কি বুজিবি ?

হাতীয়ে নিজৰ বাটেদি গৈ থাকে আৰু কুকুৰে তাক দেখি ভুকিয়েই থাকে।”

সৰুৱে প্ৰায় দাবীৰ সুৰত ক'লে—“তুমি প্ৰবাদহে ক'লা। বৈদ্য ডাঙৰীয়াই কিন্তু এইবোৰ কথা শুনিলে দপদপাই উঠিব।”

এনে ধাৰণা হৈছিল যেন বদ্ৰী পালোৱানে নিজৰ মনৰ ভিতৰৰ ৰহস্য ভাঙি বেচ সকাহ পালে। সি সৰুৰ কথাৰ কোনো উত্তৰ নিদিলে। কেৱল মাত্ৰ সুহুৰিয়াবলৈ ধৰিলে।

দুয়ো পালোৱান কিছুদূৰ গৈ থকাৰ পাছত সৰুৰ মনত এটা কথাই খুন্দিয়াবলৈ ধৰিলে। কথাটো হ'ল—বেলাৰ বিষয়ে কিছুদিনৰ আগতে এটা খবৰ বিয়পিছিল যে ৰূপনবাবুৱে বেলালৈ এখন চিঠি লিখিছিল। ইফালে সিফালে উৰি উৰি এই কথাষাৰো তাৰ কাণত পৰিছিল যে কোনোবা এজনী ছোৱালী বৈদ্য ডাঙৰীয়াৰ ঘৰৰ ছাটলৈ হেনো ৰাতি আহি ৰঙ্গনাথৰ গাত খুন্দা খাই পুনৰ উভটি গুচি গৈছিল। বৈদ্য ডাঙৰীয়াৰ ঘৰৰ ছাটৰপৰা যি ঘৰলৈ ওপৰে ওপৰে অহা যোৱা কৰিব পাৰি তাৰ ভিতৰত গয়াদীনৰ ঘৰো এটা আছিল। এদিন ৰূপনবাবুৱে এইষাৰ কথাও কৈছিল যে কোনোবা ছোৱালীয়ে লিখা চিঠি এখন ৰঙ্গনাথৰ হাতত পৰিছে। পিছে ৰঙ্গনাথে সেই বিষয়ে একো কোৱা নাই। সৰু পালোৱানৰ মনত সন্দেহ হৈছিল যে ৰূপনবাবুৱে বহুতদিনৰপৰাই বেলাক ফুচুলাবলৈ চেষ্টা কৰি আছে আৰু বোধহয় ইমান দিনে বেলা আসক্ত হ'ব পায়। এনে সময়তে বদ্ৰী পালোৱানৰ বেলাৰে সৈতে থকা সম্বন্ধৰ সম্বাদটোৱে সৰু পালোৱানৰ ভাববিলাকত আউল লগাই দিলে। সি পুনৰ সুধিলে,—“কিন্তু গুৰু, বেলাৰ সৈতে বোলে ৰূপনবাবুৱে কিবা লিখা পঢ়া চলাইছিল।”

"হয় কৰিছিল। সকল'ৰা, একো নজনাকৈ কৰিলে আৰু।"

"আৰু শুনিছিলোঁ,—সিফালৰপৰাও চিঠি আহিছিল।"

বদ্ৰী পালোৱানে মুখতে ধৰিলে। "কোনে ক'লে তোক ?"

"কোনেও নাইকোৱা, গুৰু।"

"তেনেহলে গম পালি কেনেকৈ ?"

"শুনিছিলোঁ গুৰু।"

"কাৰপৰা শুনিছিলি ?"

"মনত নাই গুৰু। কোনোবাই তেনেহলে এনেকুৱা উৰা বাতৰিহে দিছিল।"

বদ্ৰীয়ে কিছু সময় মনে মনে থাকি পৰিষ্কাৰভাৱে কলে,—"এৰা, চিঠি আহিছিল। মোলৈহে আহিছিল কিন্তু। পিছে সেইখন চিঠি নাছিল,—আছিল আজিকালিৰ ছোৱালীৰ এসোপা বকলা,—গান বাজনাৰ কথা আছিল তাত।"

সৰুৱে অলপ তোষামোদ কৰি সুধিলে—"গুৰু, তেন্তে এই ঘটনা বহুদিন ধৰি চলিছিল চাগৈ ছাটৰ ওপৰত।"

বদ্ৰীয়ে ক'লে,—"ইমান এটা ডাঙৰ কথা তোৰ আগতহে প্ৰথমে কৈছোঁ। ইমানেই যথেষ্ট। আৰু বেছি সোধাপোচা কৰিব নালাগে। আৰু চা, এতিয়া কাকো কব নালাগে বুজিছ ?"

"কাকো নকওঁ গুৰু।"

"অলপ দিনৰ ভিতৰতে কথাটো অৱশ্যে প্ৰকাশ পাবই, পিছে এতিয়া সেইটো ঢাকি ৰাখিব লাগে।"

"কলোঁৱেই নহয় গুৰু, কাকো নকওঁ বুলি।"

কিছু সময়ৰ মূৰত বদ্ৰী পালোৱানে হাঁহিবলৈ ধৰিলে আৰু ক'লে—"বাঃ ৰে সৰু, তয়ো যে কি যোৰ মিলালি। বেলা আৰু

যোগনাথৰ মিলামিচা। হুঃ চালা! সন্তীয়া লালী গুৰৰ দৰে। বেলাই তাৰ হাতত ধৰিলেই সি থতমত খাই যাব। আৰু তাৰ সৈতে তই মিলালি বেলাক।

দুয়ো পালোৱান এৰা এৰি হোৱাৰ আগতে বদ্রী পালোৱানে আকৌ এবাৰ সকক সকিয়াই দিলে যে এতিয়া তাৰ আৰু বেলাৰ সম্বন্ধৰ কথা কাকো কব নালাগে। সৰু পালোৱানে নিষ্ঠাৰ সৈতে গোপনীয়তাৰ শপত খালে। কিন্তু বোধহয় সেয়া গোপনীয়তাৰ শপত সেই শপতবোৰৰ দৰেই আছিল যিবিলাক আদালতত খোৱা হয়। আৰু তাৰ পৰিণামস্বৰূপে পিছদিনাই বদ্রী পালোৱানে কেইজনমান এনে মানুহক লগ পালে যি তাক সম্পূর্ণ বেলেগ চকুৰে চাইছিল।

তেইছ

শিৱপালগঞ্জত এটা অসুখী ল'ৰা আছিল আৰু সি হ'ল ৰূপ্পনবাবু। কিছুদিনৰ আগলৈকে সি বেচ স্বাস্থ্যবান আছিল আৰু বেচ সন্মানিত আছিল। কাৰণ, সি হ'ল বৈদ্য ডাঙৰীয়াৰ পুত্ৰ। সি স্থানীয় স্কুলখনত দশমমান শ্ৰেণীত কেবা বছৰ ধৰি পঢ়িছিল আৰু ছাত্ৰ-সকলৰ নেতা আছিল। তহচীলদাৰ তাৰ লগৰীয়া, দাৰোগা তাৰ বন্ধু আৰু প্ৰিন্সিপাল তাৰ সহকাৰী আছিল। সি কিন্তু কলেজৰ শিক্ষকৰ ব্যৱহাৰ আৰু আচৰণৰ বাবে সদায় অসন্তুষ্ট আছিল।

আৰু শিক্ষকসকলেও তাক "ভয়ানাং ভয়ং ভীষণং ভীষনানাং" আৰু পিতাৰো পিতা মানিছিল। ঘৰত তাৰ স্থান এটা তজবজীয়া দমবাৰ দৰেই আছিল। এইটো প্ৰায় নিশ্চিত আছিল যে দেশৰ ৰাজনৈতিক ময়দানত স্বছন্দে চৰি ফুৰিবলৈ সৰ্বগুণসম্পন্ন সন্তানৰ দৰে কোনোবা এদিনা সিও চৰি ফুৰাৰ কৌশল শিকি পেলাব আৰু বাপেকৰ মৃত্যুৰ পাছত ইফালে সিফালে বাটে-পথে ছমাহ বছৰেক ঘূৰি ফুৰাৰ পাছত কোনোবা এদিন নিজৰ বাপেকৰ স্থানতে তাক পাগুলি থকা অৱস্থাতে দেখিবলৈ পোৱা যাব।

পাঁচ মাহৰ আগতে সেই গাঁওখনলৈ এটা ল'ৰা আহিছিল আৰু তাৰ নাম হ'ল ৰঙ্গনাথ। মানুহে তাৰ উচ্চ মনক চিনি পাইছিল কিয়নো তাৰ মোমায়েক আছিল বৈদ্য ডাঙৰীয়া আৰু ইয়াৰ বাহিৰেও তাৰ নিজাকৈ এখন উচ্চ আসন আছিল। সি ইতিহাসৰ এম-এ-ডিগ্ৰীধাৰী আছিল। তাক দেখিবলৈ চাধা-চিধা ল'ৰাৰ দৰেই লাগিছিল। পিছে, প্ৰয়োজনবোধ কৰিলে সি বেঁকা ধৰণেও কথা কব জানিছিল। ইতিহাস তাৰ বিষয় থকাৰ বাবেই সি ৰাজনৈতিক আৰু সামাজিক শোষণ আৰু উৎপীড়নৰ বহুতো সাধু জানিছিল। পিছে সি কেতিয়াও ভবা নাছিল যে সিও ইতিহাসৰ এটা অঙ্গ আৰু ইচ্ছা কৰিলে ইতিহাসক প্ৰাণ দিব পাৰে বা মখিমূৰো কৰিব পাৰে। সি দেশৰ **শতকৰা পঞ্চান্নবৈজন** বুদ্ধিজীৱীৰ ভিতৰৰ এজন আছিল যদিও অন্যান্য বুদ্ধিজীৱীয়ে চিন্তা কৰা নিৰৰ্থক বিচাৰধাৰাক তাৰ মনৰপৰা সকলো সময়তে আঁতৰাই ৰাখিছিল।

ৰঙ্গনে আজিকালি প্ৰায়ে অশান্তিত দিন কটাব লগা হয়। কাৰণ সি আজি কিছুদিনৰপৰা ৰাজনৈতিক বিষয়ত জড়িত হোৱাৰ

পৰা বহুতো অশোভন কথা চকুত পৰিছে। প্ৰথমতে সি কলেজৰ প্ৰিন্সিপালক তাৰ বাপেকৰ গোলাম বুলি ভাবিছিল। এতিয়াহে সি গম পালে যে প্ৰিন্সিপাল হ'ল এটা মহামূৰ্খ আৰু জেদী প্ৰকৃতিৰ মানুহ। সি শিক্ষকৰ প্ৰতি নিজৰ বিদ্বেষভাৱক চৰিতাৰ্থ কৰি তুলিবৰ বাবে তাৰ বাপেকক দলীয় ৰাজনীতিৰ মাজলৈ টানি আনিছে। কেইজনমান শিক্ষকক সি প্ৰথমতে একেবাৰে বুৰ্বক বুলি ভাবিছিল। কিন্তু কিছুদিনৰপৰা তাৰ মনত ধাৰণা হৈছিল যে তেওঁলোক বুৰ্বক হলেও ধুৰন্ধৰ প্ৰকৃতিৰ নহয়। গতিকে তেওঁলোকে সুৰক্ষা পোৱা উচিত। কিছুদিনৰ আগলৈকে সি বদ্ৰী পালোৱানক এটা শক্তিৰ উৎস বুলি ভাবিছিল আৰু তেওঁৰ শক্তিৰ ওপৰত গৰ্বও অনুভৱ কৰিছিল। কিন্তু এতিয়া তাৰ দৃষ্টি জিলাৰ গুণ্ডাবোৰৰ ওপৰতহে পৰিছিল—যি কেতিয়াবা শিৱপালগঞ্জলৈ আহিলে বদ্ৰীৰে সৈতে কথা পাতি উভটি গৈছিল।

ৰূপ্পনৰ মনত অশান্তিয়ে বাহ লোৱাৰ সময়তে এদিন এটা ঘটনা ঘটিল। অৱশ্যে সেই ঘটনাটোৰ লগত মনৰ অশান্তিৰ কোনো সম্পৰ্ক নাছিল। কথাটো হ'ল ৰূপ্পনক বহুত দিনৰ পৰাই এজনী ছোৱালীৰ প্ৰয়োজন আছিল। এই প্ৰয়োজনটোক ভুল ধৰণে বুজি সি ভাবি লৈছিল যে তাক একমাত্ৰ বেলাৰহে প্ৰয়োজন। ইয়াৰ পাছত তাৰ প্ৰয়োজনটোক সি প্ৰেম নামেৰে অভিহিত কৰিছিল। সি এনেদৰে ভাবিবলৈ ধৰিলে যে বেলাই তাক ভাল পায় আৰু সিও তাইক ভাল পাবলৈ লৈছে। এদিন সি বেলালৈ এখন প্ৰেমপত্ৰ দিলে। কিন্তু ইয়াৰ উত্তৰ বেলাইতো নিদিলেই, বৰঞ্চ ইয়াৰ বাবে সি নিজেই কেবাঠাইতো কেবাবাৰো কৈফিয়ৎ দিব লগা হ'ল। চিঠি লিখাৰ সময়ত সি যদিও নিজৰ কথা সম্পূৰ্ণৰূপে

বজাই ৰাখিছিল তথাপি ভিতৰি ভিতৰি বেচ সঙ্কোচিত হৈছিল। আৰু যিদিনাই সি খান্না মাষ্টৰৰপৰা শুনিবলৈ পালে যে বেলা আৰু বদ্ৰী পালোৱানৰ মাজত মিলামিছা আছে আৰু বদ্ৰীয়ে তাইক বিয়া কৰাব,—সেই দিনাৰপৰাই তাৰ মনত অশান্তিয়ে বাহ ললে। সেই অশান্তিয়েই তাক প্ৰিন্সিপাল, বৈগু ডাঙৰীয়া, বদ্ৰী পালোৱান, শনি—আটাইৰে ওপৰত বিৰূপ মনোভাৱ লবলৈ বাধ্য কৰালে।

ৰঙ্গনাথেও আজিকালি অন্যমনস্ক হৈ থাকে। কাৰণ এই পাঁচ মাহত সি বুজি গৈছিল যে ধেমালিৰ চলেৰে হোৱা খেলত খেলুৱৈৰ হাত-ভৰি ভগাৰ উপক্ৰম হৈছে আৰু হাঁহি হাঁহি যি ধূলি আনৰ চকুত পেলোৱা হৈছে সেই ধূলিয়ে সিহঁতৰ চকু ফুটাই দিছে। যেতিয়া শনি মুখিয়াল হোৱাৰ কথা ওলাইছিল অথবা সৰু পালোৱানে যেতিয়া যোগনাথৰ বিৰুদ্ধে সাক্ষী দিবলৈ গৈছিল, তেতিয়া আটাই-বোৰৰেই ধেমালি যেনেই ভাৱ হৈছিল আৰু যেতিয়া সি দেখিলে যে শনি সঁচাকৈয়ে গাঁওসভাৰ মুখিয়াল হ'ল আৰু সৰু পালোৱানে যোগনাথক জেলৰপৰা উলিয়াই হাঁহি হাঁহি উভটি আহিল তেতিয়া সি মনত প্ৰচণ্ড আঘাত পালে। শনিৰ বিজয়ৰ দিনা সি বহুত কথাই ভাবি পেলালে আৰু সেই সময়ত প্ৰদেশৰ ৰাজধানীবোৰত হিচাপ নোহোৱাকৈ কিমান যে বৈগু ডাঙৰীয়া, মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ মাজত কিমান শনি সোমাই আছে সি অনুভৱ কৰিলে।

খান্না মাষ্টৰে বদ্ৰী পালোৱানৰ লগত বেলাৰ প্ৰেম সংঘটিত হোৱা ঘটনাৰ কথা কোৱাৰ আগতে ৰূপ্পনক আৰু এটা কথা কৈছিল। কথাটো হ'ল—ফাকুৱাৰ তিনিদিনৰ পাছত গধূলি জোন ওলোৱাৰ আগে আগে বাটৰ কাষৰ এটা পুলৰ ওপৰত বদ্ৰী আৰু

বেলাক এটা অসংযত অৱস্থাত পোৱা গৈছিল, আৰু সেইটো পুলৰ ওপৰতে বহি ৰঙ্গনাথে ৰূপ্সনবাবুক ঘৰৰ ছাটত অকলশৰীয়া অৱস্থাত অনুভৱ কৰা ঘটনাৰ কথা কৈছিল।

খান্না মাষ্টৰৰ লগত মালবীয়ও আছিল। দুয়ো আগৰপৰাই পুলৰ ওপৰত বহি কথা পাতি আছিল। ৰূপ্সনবাবুৱে ফাকুৱা উৎসৱৰ দিনা বেছিকৈ ভাং খোৱাৰ বাবে অনুভৱ কৰা ভাগৰ পলুৱাবলৈ ৰঙ্গনাথৰ লগত ফুৰিবলৈ ওলাই আহিছিল। পুলৰ ওপৰত মানুহ দুজন বহি থকা দেখি সিহঁতে স্বাভাৱিক ধৰণেৰেই সুধিলে,—"সেইয়া কোন পুলৰ ওপৰত ?"

"কোন ? ৰূপ্সনবাবু ? নমস্কাৰ ৰঙ্গনাথ ডাঙৰীয়া, মই খান্না।"

"সিজন কোন ?"

"এখেত মালবীয়। নমস্কাৰ ৰূপ্সনবাবু, আহক, বহকহি ইয়াতে।"

নিজৰ শিক্ষকক এটা চলিত অভিবাদন জনাই ৰূপ্সনবাবুৱে পুলৰ এটা মূৰত বহি পৰিল। ৰঙ্গনাথ আনটো মূৰত বহিল। লগে লগে চাৰি সিদ্ধৰ সভা আৰম্ভ হৈ গ'ল।

গধূলি তেতিয়া নটা বাজিছিল যদিও ক'তো নীৰৱতা নাছিল। বজাৰ সমাৰ কৰি ঘৰলৈ উভটা মানুহৰ সোঁত তেতিয়াও আছিল। তহচীল অফিচৰ আগত থকা খিলিপাণৰ দোকানত বেটাৰী ছেটৰ ৰেডিঅ' তেতিয়াও বাজি আছিল আৰু তাৰপৰা বিভিন্ন ফিল্মৰ গান একে লেঠাৰিকৈ ভাহি আহিছিল—যিবিলাক গানে ভোকত মৰা দেশত নৱজাগৰণৰ প্ৰেৰণা দিবলৈ সকলো ফালৰপৰাই উপযুক্ত আছিল।

ৰাতি হৈছিল। তেতিয়া হয়তো চহৰৰ কোনোবা হোটেলত ৰামৰ বটল খোল খাইছে, কাৰোবাৰ চৌকাত মাংস আৰু ৰুটী

তৈয়াৰ হ'ব ধৰিছে। কোনোবা ঠাইত কোনো কোনো গাভৰুৱে বিড়ীত দীঘল হোপা মাৰি কাৰোবাৰ কাৰণে অপেক্ষা কৰি আছে। এই ৰঙীন কল্পনাবোৰে শ শ মাইল দূৰৰপৰা অহা ট্ৰাক ড্ৰাইভাৰবোৰক উৎকণ্ঠিত কৰি তুলিবলৈ আৰু ভৰিৰ তলৰ এক্সিলেৰেটৰক সজোৰে ডবাই ৰাখিবলৈ সুযোগ দিছিল। ইয়াৰ পৰিণাম এইটোৱেই আছিল যে আলিবাটেৰে প্ৰতি পাঁচ মিনিটৰ আঁতৰে আঁতৰে যোৱা ট্ৰাকৰ ঘৰঘৰণি শব্দই পুলৰ ওপৰত বহি কথা পাতি থকা সকলৰ কথাত বাধাৰ সৃষ্টি কৰিছিল।

এনে বাধাৰ মাজতে ৰূপ্পনহঁতৰ কথা-বতৰা চলি আছিল। খান্না মাষ্টৰে দুখ মনেৰে ৰূপ্পন আৰু ৰঙ্গনাথৰপৰা সহায় প্ৰাৰ্থনা কৰিলে। তেওঁ জেপৰপৰা এখন কাগজ উলিয়ালে আৰু ৰূপ্পনলৈ চাই ক'লে—"এইখন পঢ়ি চাওকচোন, আপোনালোকৰ প্ৰিন্সিপালে কি লিখিছে।"

ৰূপ্পনবাবুৱে ক'লে—"মই আন্ধাৰত পঢ়িব নোৱাৰোঁ। আপুনি যদি পাৰে পঢ়ি শুনাওক।"

খান্না মাষ্টৰে মুখেৰেই কাগজখনৰ সাৰ মৰ্মখিনি কৈ শুনালে। কাগজখনত মালবীয় মাষ্টৰৰ চালচলন আৰু চৰিত্ৰ সম্পৰ্কে লিখা আছিল। যদি কাগজত লিখা কথাবিলাক বিশ্বাস কৰা যায় তেতিয়া হলে মানি লব লাগিব যে মালবীয় আৰু ছাত্ৰসকলৰ মাজত গভীৰ সম্ভাৱ আছে। কাগজখনত লিখা কেবাটাও ঘটনাৰ ভিতৰত মালবীয়ই কোনোবা এজন ছাত্ৰক লগত লৈ চহৰলৈ যোৱা ঘটনাটোও এটা। তাক চহৰত চিনেমা দেখুৱাই নিশাটো তাৰে সৈতে কটাইমেলি আৰু তাক আগন্তুক পৰীক্ষাৰ সম্ভাব্য প্ৰশ্নবিলাক কৈ পিছদিনা শিৱপালগঞ্জলৈ উভতি আহিছিল। কাগজখন কোনো সাহিত্য ৰচনাৰ উদ্দেশ্যেৰে নহয়, বৰং ৰাইজক সঁচা কথা এটা

জনাবলৈহে লিখা হৈছিল। গতিকেই তাৰ বৰ্ণনা স্পষ্ট সহজ আৰু ক'ৰবাত ক'ৰবাত অশ্লীলো আছিল। কাগজখন কলেজৰ প্ৰিন্সিপাল আৰু মেনেজাৰক উদ্দেশ্য কৰি তেওঁলোকলৈ প্ৰাৰ্থনা জনাই লিখা হৈছিল যাতে কলেজখনৰ ভালৰ বাবে তাৰপৰা এনেধৰণৰ চৰিত্ৰহীন শিক্ষকক কাণত ধৰি বাহিৰ কৰি উলিয়াই দিব লাগে।

খান্নামাষ্টৰে কাগজখনৰ সাৰাংশ শুনাই ৰূপ্পনক ক'লে—"ইয়াৰ পাছতো আপুনি ভাবেনেকি যে আমি মনে মনে থকা উচিত? প্ৰিন্সিপালৰ বিৰুদ্ধে আমি এষ্কো মাত মতা অনুচিত জানো?"

ৰূপ্পনে ভাঙৰ নিচাত সুধিলে,—"আপোনাৰনো কি ইচ্ছা?"

"আমাৰ লগত সকলো প্ৰমাণ আছে। এই কাগজখন প্ৰিন্সিপালেই ছপাইছে। আমি সেইখনৰ ওপৰত মানহানিৰ গোচৰ তৰিম!"

ৰঙ্গনাথে ক'লে—"বৰ লাজৰ কথা দিয়কচোন।"

ৰূপ্পনে এষ্কো নভবাকৈয়ে উত্তৰ দিলে,—"চাওক, এইটো সঁচা কথা যে এসময়ত মালবীয় ডাঙৰীয়াৰ বিপক্ষে এনে ধৰণৰ উৰা-বাতৰি প্ৰচাৰ হৈছিল। এটা ল'ৰাই মোক নিজেই কৈছিল যে তাক হেনো মালবীয়ই চিনেমা দেখুৱাম বুলি কৈছিল......।"

তাৰ কথাত এটা অদ্ভুত ধৰণৰ শব্দই বাধা দিলে। মালবীয়ই সশব্দে নাক চাফা কৰিছিল। তেতিয়াহে বাকী কেইজনে গম পালে যে বহুতো সময়ৰ পৰাই তেওঁ মনে মনে কান্দি আছিল।

খান্না মাষ্টৰে উৎসাহ পাই মাত লগালে,—"এইটোৱেই হ'ল চৰিত্ৰৰ অৱমাননা। এজন ভদ্ৰলোকক এনেদৰে বদনাম কৰা হৈছে। আপোনাৰপৰা সহযোগ পাম বুলি আশা কৰিছিলোঁ। পিছে আপুনিও একেধৰণৰ কথাকে কৈছে।"

ৰূপ্পনে অলপ নিৰ্দয়তাৰ সুৰত ক'লে, "মই যিটো শুনিছিলোঁ সেইটোহে কলোঁ। মাষ্টৰে এনেধৰণৰ কাৰ্য্য প্ৰায়েই কৰে। এই অভিযোগ সঁচা যদিও একো নতুন কথা নহয়। কিন্তু মই এনেধৰণৰ চিঠি দিয়া কাৰ্য্যৰ বিৰোধিতা কৰোঁ। আপুনি নিশ্চয়কৈ জানিব মই এই কথাৰ মুকলি ভাবে প্ৰতিবাদ কৰিম।"

খান্নাই আৰু অলপ গৰম হৈ ক'লে—"ৰূপ্পনবাবু, আপুনি একেষাৰ কথাকে দোহাৰি আছে—মই এই কথাৰ বিৰোধিতা কৰোঁ। মালবীয়ৰ বিপক্ষে এইয়া অপপ্ৰচাৰ। ই চৰিত্ৰৰ অৱমাননা। কোনোবাই কাৰোবাক যা-তা কথা কব পাৰে। এইটোনো এটা কথা হ'ল নে ?"

তেওঁ কৈ গ'ল—"চাওক, কবলৈ গলে মানুহে বদ্ৰী পালোৱানৰ বিষয়েও কবলৈ ধৰিছে। জানো, মানুহৰ মুখত যি আহিছে তাকে ৰটি ফুৰিছে। পিছে মই হলে সেইবোৰ কথাত বিশ্বাস কৰা নাই দেই।"

ৰঙ্গনাথেই প্ৰথমে সুধিলে,—"বদ্ৰী দাদাৰ বিষয়েনো মানুহে কি ৰটিছে ?"

তেতিয়া খান্না মাষ্টৰে এজন ছাত্ৰৰ মুখৰপৰা শুনা বদ্ৰীৰ প্ৰেম-কাণ্ডৰ এটা কাহিনী ৰূপ্পনক শুনালে। এই কাহিনীটো যিজন ছাত্ৰই কৈছিল—তাক ব্যায়াম আখৰাৰ এজন পালোৱানে কৈছিল। খান্না মাষ্টৰে ৰূপ্পন আৰু ৰঙ্গনাথক যি কাহিনী শুনালে তাত আন আন কথাৰ লগত এই কথাষাৰো কোৱা হৈছিল যে গয়াদীন তেওঁৰ জীয়েকক বিয়া নৌ দিওঁতেই সাত-আঠ মাহৰ পিছতে ককা হ'বলৈ ওলাইছে আৰু ৰূপ্পন বাবুৱেও উপহাৰ স্বৰূপে এটা ভতিজা পাব।

খবৰটো ইমান সাংঘাতিক আছিল যে ৰূপনবাবুৰে পুলৰপৰা তললৈ সৱি নপৰাকৈ কোনোমতেহে ৰ'ল আৰু ৰঙ্গনাথে এইটো ভাঙৰ নিচা বুলি কথাটো উৰাই দিবলৈ চেষ্টা কৰিলে। পিছে কথাটো একেবাৰে সঠিক আছিল যে ৰূপনবাবু এবাৰ চকিত হৈ পৰিছিল। কিছু সময়ৰ মূৰত যেতিয়া প্ৰকৃতিস্থ হ'ল তেওঁ এনে ধৰণৰ বহুতো কথা গম পালে যিবোৰৰ ওপৰত ইমান দিনে তেওঁৰ দৃষ্টিপাতেই হোৱা নাছিল। তেওঁৰ মনত পৰিল যে আজি কিছু দিনৰপৰা বদ্রী পালোৱানে ছাটৰ ওপৰত কছৰৎ কৰিবলৈ বহুত সময় লয় আৰু সেই সময়ত চিৰিৰে ছাটলৈ অহা বাটৰ দুৱাৰখন বন্ধ কৰি লয়। তেওঁৰ এইটো কথাও স্পষ্ট হৈ গ'ল যে সেইদিনা কোনজনী ছোৱালী ৰঙ্গনাথৰ বিছনালৈ আহিছিল।

এইবাৰ ৰূপনবাবুৰ সঁচাকৈয়ে ভাঙৰ নিচা অনুভৱ হ'ল আৰু তেওঁ অস্থিৰ হৈ ইফালে সিফালে চাবলৈ ধৰিলে। ৰঙ্গনাথ আৰু খান্না মাষ্টৰৰ মাজত প্ৰিন্সিপাল আৰু খান্নাৰ লগৰীয়াসকলৰ বিৰুদ্ধে চলা ১০৭ ধাৰাৰ গোচৰ সম্বন্ধে চৰ্চা চলি আছিল। ৰূপনবাবুৰে কিছু সময় মনে মনে থাকি একান্তমনে তেওঁলোকলৈ চাই আছিল।

ৰূপনৰ খং উঠি গ'ল,—কিন্তু কাৰ ওপৰত সেইটোহে স্পষ্ট নহ'ল। লগতে তেওঁৰ এই মাষ্টৰসকলৰ ওপৰত আৰু নিজৰ ওপৰত পুতৌ উপজিল। তেওঁ প্ৰিন্সিপালক অনৰ্গল গালি বৰষিবলৈ ধৰিলে। আৰু যেতিয়া ৰঙ্গনাথে তেওঁক বুজাবলৈ চেষ্টা কৰিলে আৰু খান্না মাষ্টৰহঁতক আগৰদৰে কব বিচাৰিলে যে এয়া একো নহয়, মাত্ৰ ভাঙৰ নিচাহে, তেতিয়া ৰূপনে ৰঙ্গনাথক ভেকাহি মাৰি মুখ বন্ধ কৰি দিলে।

চহৰৰ একাষে ওখ ওখ দেৱালেৰে ঘেৰা এটা আহল বহল বঙলা আছিল,—যিটো দেখিলেই গম পোৱা যায় যে সেইটো কোনো সৰু মৌজাদাৰৰ ঘৰ হ'ব। জমিদাৰী বিলুপ্ত হোৱাৰ পাছত বঙলাৰ মালিকে কোনোবা নতুন যুগৰ সৰু মৌজাদাৰক বঙলাটো ভাড়ালৈ দিছিল।

বঙলাটোৰ কোণৰ এটা কোঠাত জিলা বিদ্যালয় নিৰীক্ষকৰ কাৰ্য্যালয় আছিল। সেইটো কোঠা বাদ দি বাকী গোটেই বঙলাটোৱেই নিবাসস্থান আছিল। গোটেই ঘৰটোৰ ভাড়া চৰকাৰে সম্পূৰ্ণ চৰকাৰী কাৰ্য্যালয় বুলি ভাবি দি আছিল। গতিকে কাৰ্য্যালয়ৰ সমুদায় ভাড়া জিলা বিদ্যালয় নিৰীক্ষকে নিজৰ নামত দিছিল। এনে ধৰণৰ মৈত্ৰীপূৰ্ণ সহযোগক ইংৰাজীত 'অফিচ-কাম-ৰেছিডেন্স' বুলি কোৱা হয়।

কাৰ্য্যালয়ৰপৰা অৰ্থাৎ কোণৰ কোঠাটোৰ দুৱাৰখন ঠেলি বৈদ্য ডাঙৰীয়া, প্ৰিন্সিপাল আৰু ৰূপনবাবু বাহিৰ ওলাই আহিল। বাহিৰৰপৰা দেখা মানুহৰ এনেহে লাগিব যেন তিনিটা চোৰে সিন্ধি দি বঙলাৰপৰা ওলাই আহিছে। দহখোজমান অহাৰ পাছত তেওঁলোকৰ খোজৰ গতি মন্থৰ হৈ গ'ল। তেওঁলোক তাতে ক্ষন্তেক সময় ৰৈ বঙলাৰ আগত থকা ফুলনিখন চাবলৈ ধৰিলে। বাহিৰৰ বাৰান্দাত চকু ৰাখি ৰূপনবাবুৱে মাত লগালে, "ইন্সপেক্টৰ চাহাবৰ মটৰখন একেবাৰে জহি গৈছে দেখিছোঁ।"

প্ৰিন্সিপাল চাহাবে ইফালে সিফালে চাই মাত লগালে,— "বানচত অলপমান টানি ধৰা হ'ল।"

"অ' ভালেটিহে।" ৰূপনবাবুৱে চাৰিওফালে ঘাঁহনি, ফুলৰ বাগান আৰু অট্টালিকা আদিত চকু ফুৰাই ক'লে,—"যিয়েই নহওক

লাগিলে, বেচ আৰামতে আছে। সকলোবোৰ বিনা পইচাতে উপভোগ কৰিছে।”

বঙলাৰ গেটৰ মুখত চাপ্ৰাছী এটা দেখা গ'ল। সি প্ৰিন্সিপালক দেখা পাই এক বিশেষ ভঙ্গীমাত থিয় দিলে। প্ৰিন্সিপালেও এক ভঙ্গিমাৰে জেপৰপৰা আধলী এটা উলিয়াই চাপ্ৰাছীক দি ক'লে,— “এতিয়াৰপৰা সদায় বিচাৰিবি নেকি আকৌ?”

“আপোনালোকৰ কৃপাতে খাই লৈ আছোঁ আৰু।”

স্বপ্নে মাত লগালে,—“তাত সন্দেহ নাই।”

বৈদ্য ডাঙৰীয়াই কাৰা নজৰ এটা দি মনে মনে ৰাস্তা পালেহি।

চহৰৰ এই অংশটোক ইংৰাজসকলে চিভিল লাইনচ্‌ বুলিছিল, আৰু প্ৰকৃততে এই অংশটো তেওঁলোকৰ উত্তৰাধিকাৰী আৰু মানসপুত্ৰসকলৰ বাবেহে এৰি থৈ গৈছিল। এই অঞ্চলটোৰ আলিবাটত যানবাহনৰ আহ-যাহ নাছিল বুলিবই পাৰি। কেতিয়াবা কেতিয়াবা দুই এখন চিক্‌চিকীয়া মটৰগাড়ীয়ে পথচাৰীহঁতক শঙ্কিত কৰি জোৰেৰে পাৰ হৈ গৈছিল। কেতিয়াবা আকৌ দুই এখন জৰাজীৰ্ণ অৱস্থাৰ পুৰণা মটৰগাড়ীয়ে বিকট শব্দ কৰি ঘৰঘৰাই পাৰ হৈ যোৱা দেখা যায়।

তেতিয়া আবেলি চাৰি বাজিছিল। চতুৰ্থ শ্ৰেণীৰ চৰকাৰী কৰ্মচাৰীয়ে তেওঁলোকৰ অফিচাৰসকলৰ ল'ৰা-ছোৱালীক নিজৰ চাইকেলত বোজাই কৰি কিৰ্‌-কিৰ্‌ শব্দ কৰি আলিবাটেৰে পাৰ হৈ গৈছিল। ল'ৰা-ছোৱালীবোৰ ইংৰাজী স্কুলৰপৰা ছুটীৰ পাছত ঘৰলৈ উভতিছিল।

“থুমাৰ মাম্মীয়ে থুমাক আৰু ড্ৰয়িং কপি কিনি নিদিলে, ৰ'বা, কাইলৈ থুমাক স্কুলত পানিচ্‌ দিব।” এই কথা লৈ দুটা ল'ৰাই

তৰ্ক কৰি গৈছিল। তাৰে এটা চাইকেলৰ আগৰ লোহাডালত আৰু আনটো কেৰিয়াৰৰ ওপৰত বহি গৈছিল। সিহঁত দুটাৰ ঠিক মাজত 'চিট'ৰ ওপৰত এটা বিনা ইউনিফৰ্মৰ চাপ্ৰাচী আছিল।

বৈদ্য ডাঙৰীয়াই ল'ৰাহালৰ তৰ্ক শুনিবলৈ পাইছিল। তেওঁ লাহেকৈ মন্তব্য কৰিলে—"এই ল'ৰাহঁতৰ শিক্ষাৰ বাহাদুৰী চোৱাঁ আৰু আমাৰ গাঁৱৰ স্কুলৰ ল'ৰা-ছোৱালীৰ শিক্ষালৈ মন কৰাঁ। দুয়োবিধ শিক্ষা পদ্ধতিৰ মাজত কিমান পাৰ্থক্য!"

প্ৰিন্সিপাল চাহাবে তেওঁৰ দুয়োখন হাত পেণ্টৰ জেপত সুমুৱালে। তেওঁ মাত লগালে, "ভাবিছোঁ, অহা জুলাইৰপৰা আমাৰ বিদ্যালয়তো ল'ৰাহঁতৰ বাবে ইউনিফৰ্ম চলাই দিওঁনেকি?"

"বৰ ভাল কথা।" বৈদ্য ডাঙৰীয়াই ক'লে।

ৰূপনবাবুৱে পিছফালৰপৰা মাত লগালে,—"কোনটো ইউনিফৰ্ম চলাবনো? এই চাপ্ৰাচীটোৰ দৰে নে সেই ল'ৰাহঁতে পিন্ধাৰ দৰে।"

প্ৰিন্সিপালে ক'লে "ৰূপনবাবু, মই পুৰা ছচিয়েলিষ্ট। দুয়োটাকে এক বুলি ভাবোঁ।"

"মই আকৌ আপোনাকো ধৰি তিনিওটাকে এক বুলি ভাবোঁ।"

তেওঁলোক তিনিও অলপ সময় মনে মনে গৈ থাকিল। এনেতে প্ৰিন্সিপালে বৈদ্য ডাঙৰীয়াক ক'লে—"ইন্সপেক্টৰৰ ঘৰৰ পৰা পিপাটো এতিয়াও ঘূৰি নাহিল দেখোন।"

"দহ সেৰৰ প্ৰায় ওচৰা-ওচৰি হ'বই। যেতিয়া ইমানখিনি ঘিঁউ দিব পাৰিলে তেন্তে পিপাৰ বাবেনো কিহৰ বেজাৰ?"

প্ৰিন্সিপালে হাঁহিলে। "ঠিক আছে। যাবলৈ দিয়ক। গাই-জনীয়েই যেতিয়া গুচি গ'ল, তেনেহলে ডিঙিৰ পঘাডালক লৈ বেজাৰ কৰাৰ কি কাৰণ থাকিব পাৰে?"

"তাকেইতো কৈছোঁ।" বৈদ্য ডাঙৰীয়া অলপ গহীন হৈ গ'ল আৰু শাস্ত্ৰত পোৱা সাধু এটাৰ উদাহৰণ দি ক'লে—"যেতিয়া হাতীটোকে দান দিলে তেতিয়া অঙ্কুশডাল লৈ কাজিয়া কৰাৰ কোনো লাভ নাই। ৰামে যেতিয়া বিভীষণক ৰাজতিলক পিন্ধালে, তেতিয়া জাম্বৱন্তই মাত লগালে—'মহাৰাজ, সোণৰ ভৱন এটাতো আপুনি নিজৰ বাবে অন্ততঃ ৰাখিব পাৰিলেহেঁতেন।' তেতিয়া মৰ্য্যাদা পুৰুষোত্তম শ্ৰীৰামচন্দ্ৰই কি ক'লে শুনা—'হে জাম্বৱন্ত, বিক্ৰীতে কৰিনি কিম কুশে বিষাদঃ?' গতিকে হাতী বেচাৰ পাছত অঙ্কুশডাল লৈ কাজিয়া কৰাৰ কোনো প্ৰয়োজন নাই।"

"তেনেহলে ঠিক আছে! যাবলৈ দিয়ক। পিপাটোতনো কিটো আছে?"

এনেতে স্বপ্নবাবুৱে মাত লগালে—"পিছে কথাটোৰ আদৰ্শই ভুল। পিপাটো অন্ততঃ তেওঁ ওভোতাই দিব লাগিছিল। প্ৰতিবাৰেই নতুন নতুন পিপা একোটা ক'ৰপৰা ওলাব?" প্ৰিন্সিপালক তেওঁ আগ্ৰহেৰে সৈতে সুধিলে—"আপোনাৰ যদি কিবা কবলৈ ভয় লাগিছে তেন্তে মোক হুকুম দিয়ক, মই ঘূৰাই আনো সেইটো।"

অৱশ্যে কোনেও স্বপ্নক হুকুম নিদিলে।

তেওঁলোক তিনিও বজাৰৰ ওচৰ পাইছিলহি। আজিকালিও হিন্দুস্তানী চহৰত দুইৰকমৰ বজাৰ বহে। এখন ক'লা অৰ্থাৎ 'নেটিভ'হঁতৰ বাবে আৰু আনখন শ্বেতাঙ্গ সকলৰ বাবে। এইখন বেলেগ ধৰণৰ বজাৰ আছিল। ইয়াত ইংৰাজী চিনেমা ঘৰ, মদৰ বাৰ, হোটেল আৰু ৰঙচঙীয়া বজাৰ আছিল। বিজুলী বাতিৰ পোহৰেৰে

জকমকাই থকা বিজ্ঞাপনত চিগাৰেট আৰু মদৰ প্ৰচাৰ কাৰ্য্য চলিছিল। ইয়ালৈ আহি এনেহে লাগিছিল যেন দেশত লাগিলে খাবলৈ ভাত নাথাককেই, কেকুটো কিন্তু সহজেই পোৱা গৈছিল। তোমাৰ কণ্ঠ যদি পানীৰ অভাৱত শুকাই যায়—তথাপি তুমি মদ-বিয়েৰ খাই সজীৱ হ'ব পাৰা আৰু প্ৰয়োজন হলে মদ্যপান নিষেধৰ ওপৰত এলানি দীঘলীয়া বক্তৃতাও দিব পাৰা। সংক্ষেপতে কবলৈ গলে—ইয়ালৈ অহাৰ পিছত এনেহে লাগিছিল যেন যেতিয়ালৈকে তুমি জনতা হৈ থাকা তেতিয়ালৈকে তোমাৰ খোৱা-বোৱা, শোৱাৰ কষ্ট আছে আৰু তুমি যদি এইবোৰৰপৰা মুক্তি বিচাৰা তেনেহলে জনতাক এৰি উচ্চ কিবা এটা কৰিবলৈ উপায় বিচাৰি উলিওৱা।

তেওঁলোক তিনিও বজাৰৰ ইফালে সিফালে ফুৰি বজাৰ চাবলৈ ধৰিলে। প্ৰিন্সিপালে বৈদ্য ডাঙৰীয়াৰ ফাললৈ চাই মাত লগালে, "ব'লক মহাৰাজ, কিবা অলপ খাই লোৱা যাওক! ল'ৰাকণৰ গাটো দুৰ্বল লাগিছে বোধহয়।"

তেওঁ আটাইতকৈ আগতে পাণৰ দোকান বিচৰাত লাগিল। ভাৰতীয়সকল পাণ খোৱাত অভ্যস্ত। গতিকে যেই কোনো ঠাইতে পাণৰ দোকান বিচাৰি উলিওয়াতো একো টান কাম নহয়। পিছে এইখন বজাৰত পাণ দোকান বিচাৰি উলিয়াবৰ কোনো প্ৰয়োজন নাছিল। ইয়াত পাণৰ দোকানেহে মানুহ বিচাৰি ফুৰিছিল। আগফালে, পাছফালে, বাওঁফালে সোঁফালে, সকলো ফালেই পাণৰ দোকানেই পাণৰ দোকান। এই তিনিওজন লোকেই নিজৰ সম্মুখত থকা পাণৰ দোকানখনলৈকে আগবাঢ়ি গ'ল। দোকানত থকা ডাঙৰ আইনাখনত চাই বৈদ্য ডাঙৰীয়াই

নিজৰ চুৰিয়াৰ আগটো ঠিক কৰি ললে, ৰূপ্পনে চকুটো পিৰিকিয়াই মিচিকিয়াবলৈ চেষ্টা কৰিলে আৰু প্ৰিন্সিপালে পাণ দোকানীৰ লগত কথা পাতিবলৈ ধৰিলে। মাজে মাজে একোবাৰ আইনা-খনতো চকু ফুৰায়।

তেওঁ সৰুকৈ দোকানীক ক'লে,—"তিনি গিলাচ, বেচ সুন্দৰভাৱে মিলাই দেই।"

বৈদ্য ডাঙৰীয়াৰ কাণত প্ৰিন্সিপালৰ নিৰ্দেশ বাজি উঠাত অজ্ঞৰ দৰে সুধিলে,—"কিনো, কিনো ?"

"নাই, একো নহয়। এই পাণ খোৱাৰ আগতে অকণমান পানীৰ ব্যৱস্থা হৈছে।" বৈদ্য ডাঙৰীয়াই একো নামাতিলে। দোকানীয়ে ভাং গুলি তিনিটা গিলাচত বাকি দিলে। প্ৰিন্সিপালে মাত লগালে,—"কেইটামান জালুক আৰু বাদাম সৰহকৈ দিবা দেই!"

চুৰি কৰি ভাং বেচাৰ অপৰাধত কোনো পুলিচৰ মানুহে যাতে দোকানীক জৰিমনা নভৰায় এই ভয়তে ৰূপ্পনে ইফালে সিফালে চাবলৈ ধৰিলে।

ৰূপ্পন বাবুৱে ভাং গিলাচ পি লৈ গিলাচটো শব্দ কৰি থলে। প্ৰিন্সিপালে বেলাৰ বিষয়ে কিবা কথা উলিয়ালে। ৰূপ্পনে বাপেকৰ ফালে চাই ক'লে,—"আপুনি অলপমান এই প্ৰিন্সিপালক সাৱধান কৰি দিয়ক। এখেতে ইয়াত খান্না মাষ্টৰৰ প্ৰসঙ্গত কথা উলিয়াবলৈ কোনো আৱশ্যক নাই। নহলে মই যদি সঁচা কথা কবলৈ আৰম্ভ কৰি দিওঁ, তেতিয়াহলে এখেতে পলাই ফাট মাৰিবলৈ বাট বিচাৰি নাপাব।"

বৈদ্য ডাঙৰীয়াই বিশেষ একো মতামত নিদি মাত্ৰ ক'লে—

“ৰূপ্সন, তহঁতে মোক তহঁতৰ কথাত সাঙুৰি নলবি। প্ৰিন্সিপালে মনত বেয়া পাইছে এইবাবে যে তই আজিকালি খান্নাৰ পক্ষ লৈ কবলৈ ধৰিছ। গতিকে তঁহতে নিজে নিজে কথা পাতি এই বিষয়টো মীমাংসা কৰি লবি।”

তিনিও পুনৰ ৰিক্সা-ষ্টেণ্ডৰ ফাললৈ গৈ আছিল। বৈদ্য ডাঙৰীয়াৰ মুখত কথাষাৰ শুনাৰ লগে লগে ৰূপ্সনে য'তে আছিল ত'তে ঘপকৈ ৰৈ গ'ল। সি মোনাটো ফুটপাথত থৈ প্ৰিন্সিপাল চাহাবক ক'লে—“আহক প্ৰিন্সিপাল চাহাব; প্ৰথমতে খান্নাৰ কথাটোকে তেনেহলে কিবা এটা হেস্তনেস্ত কৰি লোৱা যাওক।”

প্ৰিন্সিপাল চাহাবে আনফালে চাই ক'লে—“থাওক এতিয়া। কোনোবা এদিন হ'ব দিয়া।”

ৰূপ্সনে আঁকোৰ গোজালি মাৰি ক'লে—“আজিৰ কাম কাইলৈ পেলাই থোৱাতো ছলাহীৰ বাহিৰে আন একো নহয়। এই কথাটোৰ কিবা এটা হেস্তনেস্ত আজিয়েই কৰি পেলাব লাগিব। কোনোবা দিনালৈ পেলাই থলে সি আৰু কোনোদিনে নহ'বগৈ।”

বৈদ্য ডাঙৰীয়াই ইতিমধ্যে এজোপা পিপল গছৰ তলত ৰখা শিৱলিঙ্গ এটা দেখা পাইছিল। তাৰ ওপৰত সৰুকৈ এটা মন্দিৰ বনাই দিয়া হৈছিল। শিৱলিঙ্গ দেখা পায়েই বৈদ্য ডাঙৰীয়া ভক্তিত গদ-গদ হৈ পৰিল। এইখন ক'লা-বজাৰ য'ত ভগৱানৰ নাম লুকাই চুৰকৈ লব লাগে,—বিৱেকৰ এই কথা পাহৰি তেওঁ পিপল গছৰ তল পালেগৈ আৰু ভক্তিৰে শিৱৰ স্তুতি গাবলৈ ধৰিলে।

ইফালে ফুটপাথৰ ওপৰত প্ৰিন্সিপাল আৰু ৰূপ্সন বাবুৱে কালিৰ কাম আজিয়েই কৰিবৰ বাবে সাজু হৈছিল।

বৈদ্য ডাঙৰীয়াই একধ্যানে শিৱক স্তুতি কৰিবলৈ লাগি গ'ল। ৰাস্তাইদি গৈ থকা গাড়ী-মটৰ আৰু বজাৰৰ জন-কোলাহলৰ শব্দকো আওকাণ কৰি তেওঁ শিৱক আৰাধনা কৰাত ব্যস্ত থাকিল। বৈদ্য ডাঙৰীয়াৰ অন্তৰৰপৰা নিগৰি ওলোৱা আৰাধনাৰ মূল মন্ত্ৰ হ'ল —"হে শঙ্কৰ, শত্ৰুক সংহাৰ কৰা। তুমি ৰুদ্ৰ, তুমি সৃষ্টিৰ সংহাৰক। গাঁৱৰ ৰামাধীন নিৰ্বাচনত হাৰিছে। সি শিক্ষা-বিভাগৰ উপ-সঞ্চালকৰ ওচৰত অভিযোগ দাখিল কৰিছে আৰু আপত্তি দৰ্শাইছে যে, নিৰ্বাচন হেনো বন্দুকৰ জোৰতহে হৈছে। পুলিচ চাহাবৰ ওচৰতো সি অভিযোগ তুলিছে। তুমি ভাং আৰু ধুতুৰা খোৱা। হে শঙ্কৰ! এই হাকিমবোৰৰ ভ্ৰষ্টবুদ্ধিত তুমি তোমাৰ ভাং আৰু ধুতুৰা দি সিহঁতৰ বুদ্ধি আৰু ভ্ৰষ্ট কৰি দিয়া। সিহঁতক আমাৰ পক্ষে লিখিবলৈ প্ৰেৰণা দিয়া। হে ভূতনাথ! ৰামাধীন ভীখমখেড়ৱীক মাৰি নিয়া আৰু মোক শত্ৰুমুক্ত কৰা।

হে উমাপতি, জগতকাৰণ শিৱ! ৰামস্বৰূপ সমবায় পৰিদৰ্শকৰ ওপৰত প্ৰশ্ন তুলি শত্ৰুবিলাকে সমবায় ইউনিয়নৰ বস্তু উধাও হোৱাৰ কথা উলিয়াইছে। সিহঁতে চিঞৰিব লাগিছে যে সেই কাৰ্য্যত মোৰো হাত আছে। কো-অপাৰেটিভ্ ইন্সপেক্টৰটো হ'ল নীচ, ধূৰ্ত আৰু তাক মোৰ হাতৰ মুঠিলৈ আনিব পৰা নাই। যোৱাবাৰ সি মোক অকলে ভয় দেখুৱাই গ'ল। তুমি এই কো-অপাৰেটিভ্ ইন্সপেক্টৰটোক সংহাৰ কৰা।

হে ৰুদ্ৰ! দিব্যলোকত তোমাৰ অস্ত্ৰ ত্ৰিশূল, অন্তৰীক্ষত তোমাৰ অস্ত্ৰ বায়ু, ভূ-লোকত তোমাৰ অস্ত্ৰ হ'ল অন্ন। শত্ৰুৰ ওপৰত তুমি বজ্ৰপাত পেলাই, ধুমুহা বতাহেৰে, কলেৰা বা গেষ্ট্ৰো-এণ্ট্ৰাইটিচেৰে, মুঠতে যি অস্ত্ৰেৰেই সুবিধা হয় তুমি শত্ৰু ধ্বংস কৰা।

হে শিৱ! হে মহেশ! মই তোমাক ধ্যান কৰোঁ। তুমি পৰমানন্দময়, তোমাৰ তেজেৰে নভোৱাকাশ ব্যপ্ত কৰিছা। তুমি অতীন্দ্ৰিয়, সূক্ষ্ম, অনন্ত, আদ্য, নিঃসঙ্গ, নিৰ্লিপ্ত। সেইবাবেই হে শিৱ, শত্ৰুক সংহাৰ কৰা।"

বৈদ্য ডাঙৰীয়াই যেতিয়া ধ্যানৰ অন্তত চকু মেলি চালে, তেতিয়া তেওঁ দেখা পালে যে চকু মুদাৰ আগতে থকাৰ দৰেই ভৌতিক জগতখন একেদৰেই আছে; কোনো পৰিৱৰ্তন হোৱা নাই। পাৰ্থক্য মাথোন ইমানকে দেখা পালে যে তেওঁৰপৰা প্ৰায় দহগজমান দূৰত স্বপ্নন আৰু প্ৰিন্সিপালে চিঞৰ-বাখৰ কৰি তৰ্ক কৰি আছিল।

"তুমি নিজকে বৰ চালাক চতুৰ বুলি ভাবা, নহয় জানো? মোক খান্নাৰ মানুহ বুলি কৈছা? বুজিছা, মই কাৰো দলত নাই। মই কেৱল সঁচাটোহে জানো। কি ভাবিছা প্ৰিন্সিপাল চাহাব?"

প্ৰিন্সিপালে বিজ্ঞলোকৰদৰে হাঁহি হাঁহি ক'লে—"বহুত হ'ল আৰু স্বপ্ননবাবু। এতিয়া মনে মনে থাকাঁ।"

"এতিয়াও একোটোৱেই হোৱা নাই। মই কৈ দিছোঁ—তুমি যি ১০৭ ধাৰাৰ গোচৰ চলাইছা, সি কালিলৈকে মিটমাট হ'ব লাগিব। কাইলৈৰ পাছত যদি আকৌ এই গোচৰ পুনৰ আৰম্ভ হয়, তেতিয়া হলে সকলো ছাত্ৰই 'ইন্‌কিলাব জিন্দাবাদ'ত লাগি যাব। তেতিয়া তোমাৰ দল তাতে শেষ হৈ যাব।"

"স্বপ্নন!"—বৈদ্য ডাঙৰীয়াই ওচৰলৈ আহি খঙেৰে মাত লগালে। পিছে তাত বৈদ্য ডাঙৰীয়াৰ উপস্থিতিক কোনেও ভ্ৰূক্ষেপকে নকৰিলে। স্বপ্ননে মাত লগালে,—"দেউতা, মই তেতিয়াই কোৱা

নাছিলোঁনে—যে খান্না মাষ্টৰৰ লগত কাজিয়া লগাৰ সময়ত ময়ো আছিলোঁ বুলি। বৰং ময়েই দুয়োপক্ষৰ মাজত মিলামিচা কৰাই দিছিলোঁ। এই ১০৭ ধাৰাৰ গোচৰ সম্পূৰ্ণ মিছা। খান্না মাষ্টৰক সাঙুৰিবৰ বাবেই এই গোচৰ তৰা হৈছে। ছাত্ৰসমাজে ইয়াক একেবাৰে সমৰ্থন নকৰে।"

বৈদ্য ডাঙৰীয়াই শান্তভাৱে ক'লে,—"বাৰু, কোনো কথা নাই। ঘৰলৈ গৈ কথাটো বিচাৰ কৰি চাম।"

প্ৰিন্সিপাল চাহাবৰ হঠাতে কি হৈ গ'ল জানো, তেওঁ দেখোন চিঞৰি চিঞৰি কবলৈ ধৰিলে,—"বিচাৰতো কৰি লব মহাৰাজ। পিছে ৰূপনে এই বজাৰৰ সোঁমাজতে মোক অপমান কৰিছে। খান্নাৰ নামত মোক যিহকে তিহকে কৈছে। মই এতিয়া কি কওঁ, মিছেচ খান্নাই এওঁৰ মগজটো একেবাৰে বেয়া কৰি দিলে। পৰ্দাৰ অন্তৰালত এতিয়া কি হ'ব ধৰিছে মই কেনেকৈ বুজাম আপোনাক ?"

"কবৰ কোনো আৱশ্যক নাই। মই সকলো জানো।"

বৈদ্য ডাঙৰীয়া যাবলৈ ওলাল। কিন্তু ৰূপনে তেওঁক যোৱাত বাধা দি ক'লে,—"দেউতা এতিয়াই যাব নোৱাৰে। কথাটো ইয়াতে নিষ্পত্তি কৰিব লাগে। কওক—আপুনি কি জানে কওক। মিছেচ খান্নাক এনেবোৰ কথাৰ মাজলৈ কিয় টানি আনিছে ?"

বৈদ্য ডাঙৰীয়া বৈ গ'ল। তেওঁ এক নাটকীয় ভঙ্গিমাৰে প্ৰিন্সিপালৰ ফালে চালে। তেওঁৰ সেই দৃষ্টিয়ে প্ৰিন্সিপালৰ অন্তৰ পৰশি গ'ল। সেই একেটা দৃষ্টিৰে আকৌ তেওঁ ৰূপনলৈও চাই পঠিয়ালে। এলাপেচা মানুহ হোৱা হলে সেই চাৱনিৰ আগত মুচকচ্ গ'লহেঁতেন। কিন্তু ৰূপন এই বিষয়ত তেওঁৰ বাপেকৰো

বাপেক আছিল। একেষাৰ কথাকে পুনৰ দোহাৰিলে—"কওক দেউতা, আপুনি কি জানে?"

বৈদ্য ডাঙৰীয়াই উশাহ এটা টানি ক'লে,—"মই চব জানো ৰূপ্পন,—তই হঠাতে কিয় তোৰ গুৰুৰ লগত বিদ্রোহ আচৰিলি আৰু খান্না মাষ্টৰনো কেনেকৈ তোৰ লগত বন্ধু হৈ গ'ল। খাটাং কথা হ'ল এইটোৱেই যে তোৰ তালৈ অহা-যোৱা কৰাটো মোৰ মোটেই ভাল লগা নাই।"

ৰূপ্পনবাবু কিছু সময় তাতে মনে মনে থিয় দি থাকিল। তাৰ পিছত সি তাৰ ডিঙিত বান্ধি লোৱা ৰুমালখন অলপ টানকৈ বান্ধিলে। হাতত বেগটো লৈ মাত লগালে,—"বুজিলোঁ, সকলো বুজিলোঁ। আপুনি মোৰ চৰিত্ৰৰ ওপৰত সন্দেহ কৰিছে। মই সকলো বুজি পাইছোঁ।" সি প্ৰিন্সিপাললৈ আঙুলিয়াই ক'লে,—"এই প্ৰিন্সিপাল চাহাবেই সকলোবোৰ কথা সাজি মেলি আপোনাৰ কাণত পেলাইছে। মই জানো, ইয়াৰ ফল কিন্তু ভাল নহ'ব দেই।"

ৰূপ্পনে কিছু সময় মনে মনে থাকি হঠাৎ ক'লে—"আৰু বদ্ৰী দাদা? গোটেই গাঁৱতে সকলোৰে মুখে মুখে তেওঁৰ কথা। তেওঁ বেলাক—মানে বেশ্যাজনীক ঘৰ সুমুৱাব খুজিছে। তেওঁক হলে মাতিবলৈ সাহস নাই—তেওঁৰ চৰিত্ৰৰ ওপৰত……।"

প্ৰিন্সিপালে বুজি পালে যে কথা এতিয়া বেয়াৰ ফালেহে যাব। ৰূপ্পনৰ কথাষাৰ শেষ হোৱাৰ আগতেই আৰু তেওঁৰ বৰপুত্ৰৰ বদনামৰ কথা শুনাৰ আগতেই বৈদ্য ডাঙৰীয়াৰ মূৰ ঘূৰাই গ'ল আৰু ফুটপাথতে বহি পৰিল। প্ৰিন্সিপালে ৰূপ্পনবাবুক বাধা দি ক'লে—"কি যা তা বকি গৈছা ৰূপ্পনবাবু, অলপ প্ৰকৃতিস্থ হোৱাঁ।" তাৰ পাছত বৈদ্য ডাঙৰীয়ালৈ চাই ক'লে—"যাবলৈ দিয়ক মহাৰাজ,

সেইবোৰ কথা বাদ দিয়ক। ৰূপন হ'ল ল'ৰা মানুহ। ক'ৰবাত কিবা শুনিলে হ'ব পায়, তাকে চিঞৰি ফুৰিছে।"

পিছে বৈশ্য ডাঙৰীয়াৰ প্ৰিন্সিপালে দিয়া সান্ত্বনাবাণীৰ প্ৰয়োজন নহ'ল। ৰূপনৰ কথাবিলাক তেওঁ গম্ভীৰভাৱে সহ্য কৰি গৈছিল। ৰূপনে একমুখে বন্দ্ৰীৰ প্ৰেমকাণ্ডৰ কথাক ভৰ্ৎসনা কৰি গ'ল। সি প্ৰথমতে প্ৰেমকাণ্ডৰ ইতিহাসত সোমাল। তাৰ পিছত পৰিস্থিতিৰ লগত সম্বন্ধ থকা কিছুমান তথ্য প্ৰকাশ কৰিলে। সৰ্বশেষত বৈশ্য ডাঙৰীয়াৰ সকলো দেখিও নেদেখাৰ ভাও ধৰা ভয়াতুৰ আৰু পক্ষপাতপূৰ্ণ নীতিৰ নিন্দা কৰিলে। সি এইটোকে প্ৰমাণ কৰিব বিচাৰিলে যে বৈশ্য ডাঙৰীয়াই ৰূপন আৰু বন্দ্ৰীৰ মাজত এটা বিভেদ নীতিৰ সৃষ্টি কৰিব খুজিছে—যিটো আজিৰ সমাজৰ কাম্য নহয়। কথাবিলাক শেষ কৰি ৰূপনে খণ্ডতে ফোঁপাবলৈ ধৰিলে।

প্ৰিন্সিপালে আগতেই সান্ত্বনাবাণীৰ নিষ্প্ৰয়োজন বুলি ভাবি বজাৰত বস্তু কিনি টেঙৰ মানুহৰ দৰে নিজৰ মোনাত ভৰাই গৈছিল। বৈশ্য ডাঙৰীয়াৰ মুখত কোনো ধৰণৰ প্ৰতিক্ৰিয়া নেদেখি ৰূপনবাবুও চুপ হৈ গ'ল আৰু কিবা উপায়েৰে তাৰপৰা ফালৰি কাটিবলৈ চিন্তা কৰিলে। বৈশ্য ডাঙৰীয়াই সকলোখিনি কথা শান্ত ভাৱেৰে শুনি গ'ল। সেইয়া ৰূপনবাবুৰ আৱেগপূৰ্ণ প্ৰলাপ নহৈ গীতাৰ সমস্বত্ববাদৰ অমৃতৰস পান কৰাৰ নিচিনাহে হ'ল। ৰূপন চুপ হৈ যোৱাৰ পাছত বৈশ্য ডাঙৰীয়াই প্ৰিন্সিপালৰ ফালে চাই মাত লগালে,—"ব'লক, ষ্টেচনৰ ফালে উভতি যাওঁ। গাড়ী অহাৰ সময় হৈছেই বোধহয়।"

ৰূপনবাবুৰে বাপেকৰ এই শান্তিপূৰ্ণ নীতিৰ আগত

কিংকৰ্তব্যবিমূঢ় হৈ পৰিছিল। সি উচপিচ্ কৰি অনিশ্চয়তাৰ মাজেৰে ক'লে,—"মই এতিয়া নাযাওঁ। ৰাতিৰ গাড়ীতহে যাম।"

ৰূপ্পনৰ কথাটো বৈদ্য ডাঙৰীয়া আৰু প্ৰিন্সিপাল দুয়ো নুশুনাৰ ভাও ধৰিলে। পৰিৱেশটো পাতল কৰিবৰ বাবে প্ৰিন্সিপালে ৰূপ্পনে কোৱা কথাটোৰ ওপৰত কিবা কব খুজিলে—"বদ্ৰী পালোৱানৰ বিষয়ে মহাৰাজ······।"

বৈদ্য ডাঙৰীয়াই তেওঁক হাতৰ ঠাৰেৰে মনে মনে থাকিবলৈ ক'লে। তাৰ পিছত সৰলভাৱে ক'লে—" "একো কবৰ প্ৰয়োজন নাই। মই সকলো স্থিৰ কৰি পেলাইছোঁ।"

ৰূপ্পনৰ উৎসুকতা বাঢ়ি গ'ল। পিছে সি জানিবলৈ যেন মোটেই ইচ্ছা কৰা নাই এনেভাব দেখুৱাই দুয়োৰোপৰা অলপ আঁতৰি গ'ল। বৈদ্য ডাঙৰীয়াই ইমান ডাঙৰ ডাঙৰকৈ কৈছিল যে কাৰোবাৰ ইচ্ছা নহলেও শুনিব পাৰে এনে ভাৱ লৈ তেওঁ কলে, "মই ইমান পুৰাতনবাদী নহওঁ। গান্ধীজী আন্তৰ্জাতিক বিবাহৰ পক্ষপাতী আছিল। ময়ো তাৰেই পক্ষপাতী। বদ্ৰী আৰু বেলাৰ মাজৰ বিয়াখন কেউফালৰপৰা এখন আদৰ্শপূৰ্ণ বিবাহ হ'ব। পিছে কব নোৱাৰি—গয়াদীনৰ মনত বা কি প্ৰতিক্ৰিয়া হয়। চাব লাগিব।"

এই বুলি কৈ তেওঁ ৰূপ্পনৰ চকুলৈ চালে। ৰূপ্পনে বাপেকৰ চকুত দৃষ্টি নিক্ষেপ কৰিবলৈ সাহস নকৰিলে। সি কেৱল মুখৰ ভিতৰতে ক'লে—"যাওঁ।"

চৌবিছ

দুপৰীয়া পাৰ হৈ গৈছিল মাত্ৰ। ঘৰৰ ভিতৰত বৈদ্য ডাঙৰীয়া আৰু বদ্ৰী পালোৱানৰ বাহিৰে আন কোনো নাছিল। চাৰিওফালে নিৰৱতা। ৰূপনবাবুৰে বাৰান্দাৰ গাতে লাগি থকা কোঠাটোত পাৰি থোৱা খাটখনত এনেয়ে বাগৰ দি পৰি আছিল। আজি কলেজ বন্ধ আৰু তাৰোপৰি সি যোৱা নিশা বহু ৰাতিলৈকে সাৰ পাই আছিল। গতিকে বহু সময় শোৱাৰ পাছতো সি আকৌ শুবৰ চেষ্টা কৰিলে। সেই সময়তে দেউতাকৰ শাস্ত্ৰীয় বচনষাৰ তাৰ কাণত পৰিল—"তই ইমান নীচ হ'ব পাৰ বুলি মই জনা নাছিলোঁ।"

যিখন কাণত এনে এষাৰ কথা পৰাৰ পাছত কাণ থিয় নহয় তেনেহ'লে সেই কাণ কুকুৰৰ নেজতকৈয়ো তলত। ৰূপন কাণ থিয় কাৰ লৈ বেৰৰ জলঙাইদি ভিতৰলৈ জুমি চালে। সি দেখিলে বৈদ্য ডাঙৰীয়াই খাটৰ ওপৰত লেপেত কাঢ়ি বহি আছে আৰু বদ্ৰী পালোৱানে কিলাকুটিত ভেজা দি কাতি হৈ বাৰান্দাত পৰি আছে। দুয়োৰে মাজত বিনা ঘোষণাৰে আৰু একেবাৰে ঘৰুৱা পৰিৱেশত যুদ্ধ চলিছিল। পৰিৱেশটো ইমানেই ঘৰুৱা আছিল যে ৰূপনে বৈদ্য ডাঙৰীয়াৰ এই কথা নুশুনা হলে সি এইটোকে ভাবিলেহেঁতেন যে তাৰ বৰ ককায়েক আৰু বাপেকে নিৰলে কো-অপাৰেটিভ্ ইউনিয়নৰ এটা নতুন উধাওৰ তৎকালীন

আৱশ্যকতাৰ দৰে সামূহিক মহত্বৰ ওপৰত প্ৰাৰম্ভিক পৰামৰ্শহে কৰিছে।

সি যিয়েই নহওক লাগিলে ৰূপ্পনে প্ৰথমবাৰ কথা শুনাৰ পাছত বাপেকৰ মুখৰপৰা বাহিৰ হোৱা দ্বিতীয়বাৰ কথা শুনিলে,— "তই এটা মূৰ্খও। মই তোৰপৰা এইয়া কল্পনাও কৰা নাছিলোঁ।"

বদ্ৰী পালোৱানে বিশেষ একো কথা চিন্তা নকৰাকৈ গা এঙামুৰী দি ক'লে,—"ঘৰত গালি শপনি পাৰি থাকিলে এতিয়া কি লাভ? গালি পৰাটো কিন্তু ভাল কথা নহয় দেই।"

এই কথাষাৰে বৈদ্য ডাঙৰীয়াৰ মনত অলপ প্ৰভাৱ পেলোৱা যেন দেখা গ'ল। তেওঁ আগৰ চেহেৰা পৰিৱৰ্তন কৰি সাধাৰণ ভাৱে ক'লে—"আৰু তই যিটো কৰিলি সেইটো বোধহয় ভাল কথা? ইয়াৰ পৰিণাম কি হ'ব তই অলপমানো জাননে? তোৰ কাৰ্য্যই মোৰ অন্তৰত কি কষ্ট দিছে তই জানো জান?"

বদ্ৰী পালোৱানে আজি পুৱা বোধহয় ভাং খোৱা নাছিল। এইটো কথা ঠিক যে ভাং নোখোৱা মানুহে ভাং খালে আৰু ভাং খোৱা মানুহে ভাং খাবলৈ নাপালে অনবৰত হামিয়াই থাকে। গতিকে বদ্ৰীয়েও হামিয়াই আছিল। সি উত্তৰ দিলে—"কষ্ট পোৱাৰ কি কথাটোনো হ'ল? কওক,—কি কি কষ্ট আছে, সকলো দূৰ কৰি দিম।"

"তই ইমান বুদ্ধিয়ক হৈয়ো গয়াদীনৰ জীয়েকৰ লগত কেনেকৈ ঘটৰ মটৰখন লগালি বাৰু?"

বদ্ৰী পালোৱানে অলপ সময় মনে মনে বহি থাকি মাত লগালে, "আপোনাৰ সৈতে কথা পতা মিছা", এই বুলি কৈয়েই সি বেৰত ওলোমাই থোৱা পাঞ্জাৱীটো কান্ধত পেলাই লৈ দুৱাৰৰ পিনে খোজ

ললে। বৈদ্য ডাঙৰীয়াই পিছফালৰ পৰা মাত লগালে—“এতিয়া পলাইছ কিয় ?”

“পলাইছে কোন ? কিবা কামৰ কথা হলেহে বহিব পাৰি। ঘৰৰ ভিতৰতো যদি এনেয়ে চেলচেলাই থাকে তেনেহলে হৈছে আৰু।”

“পিছে এই কথাটো কেতিয়াবা নহয় কেতিয়াবাতো পাতিব লাগিবই।”

বদ্ৰী পালোৱানে ক্ষন্তেক সময় ৰৈ ক’লে—“এই সময়ত আপোনাৰ মুখৰ পৰা ওলোটা পালোটা কথা ওলাইছে। এইচব মোটেই ভাল কথা নহয়। কথা অন্য সময়তো পাতিব পাৰিম।”

“আকৌ কেতিয়া ? যেতিয়া মোৰ নাকটো গু’ৰিতে কাটি তলত সৰি পৰিব—?”

বদ্ৰী পালোৱান বাধ্য হৈ উলটি আহিল। কান্ধত পাঞ্জাবীটো তেনেদৰেই ৰাখি সি মুকলি বাৰান্দাতে বহি পৰিল। তাৰ পিছত ক’লে,—“এই নাক চাকৰ কথা মোৰ আগত নকব বুইছেনে ? আপোনাৰ নাকনো থাকিল ক’ত ? সেইটোতো পণ্ডিত অযোধ্যা-প্ৰসাদৰ দিনতেই কটা গৈছিল।”

“তইহে দেখোন এতিয়া নীচ কথাবোৰ কবলৈ লৈছ।”

বদ্ৰী পালোৱানে তাৰ ভৰি দুটাৰ ওপৰত ভেজা দি নাচিবলৈ আৰম্ভ কৰিলে। “কৈছোঁ যেতিয়া এতিয়া কৈ লবলৈ দিয়ক। আপুনি কৈছে মই বেলাৰ লগত ঘটৰ মটৰ খন কৰিছোঁ। আপুনি মোৰ দেউতা। আপোনাক এতিয়া কেনেকৈ বুজোৱা যায় ? ঘটৰ মটৰ কৰা কাম ফালতু মানুহৰহে কাম। আপোনাৰ বংশতে আপোনাৰ দেউতাক অযোধ্যাপ্ৰসাদে ৰঘুবৰৰ মাকৰ সৈতে লেটি-

পেটিখন কৰা নাছিল জানো? এইবোৰকহে ঘটৰ মটৰ কৰা বোলে। নহয় জানো? বাৰু, সেইবোৰ কথা এতিয়া বন্ধ কৰা যাওক।"

বৈদ্য ডাঙৰীয়ায়ো তেওঁৰ কথাৰ সুৰ নৰম কৰি ক'লে, "আপোনাৰ বংশ! আপোনাৰ দেউতা! এইবোৰ তই কি কৈছ? এই বংশ মোৰেইনে অকল? কেলেই তোৰ নহয়? কিয় এই পুৰুষ তোৰ নহয় জানো?"

চাৰি আলিৰ ৰঙা লাইটটোহে যেন জ্বলি উঠিল। বদ্ৰীয়ে কথাৰ গতি বন্ধ কৰি দি কোমল সুৰত ক'লে, "হ'ল নহয় সেইটোৱেই। সঁচা কথা এটা কলোঁ বাবে মোৰ খং উঠি গ'ল। বাৰু যাব দিয়ক সেইবোৰ কথা।"

"নহয় বদ্ৰী, তই যাব নোৱাৰ। আজি এই কথা ইয়াতেই সমাপ্ত কৰিব লাগিব। আমি ব্ৰাহ্মণ আৰু সিহঁত হ'ল শূদ্ৰ। কিন্তু এইটো অকল জাতৰেই কথা নহয়, সিদ্ধান্তৰো কথা। এনে আচৰণৰ ছোৱালীক……। সকুৱে আদালতত কি কৈছিলে?"

বদ্ৰী পালোৱানে বহাৰপৰা থিয় দিলে আৰু ক'লে, "বচ্ কথা বন্ধ কৰক। আৰু এটা কথা মই কৈ লওঁ আৰু তাৰ পিছত মোৰো কথা বন্ধ। মই ককা অযোধ্যাপ্ৰসাদৰ পেচ্ দিব নাজানো। যি কৰিম নীতি-নিয়মেৰেই কৰিম। ইফাল সিফালৰ কথা মোৰ ভাল নালাগে।"

ইয়াকে কৈ সি দুৱাৰৰফালে খোজ ললে। বৈদ্য ডাঙৰীয়াই হঠাতে দুৰ্বাসা ঋষিৰ দৰে উগ্ৰমূৰ্তি ধাৰণ কৰি মাত লগালে— "নীচ! তই মোৰ কথাও শুনিব……।"

ৰূপ্পনে বদ্রী আৰু বাপেকৰ মাজত হোৱা কথা-বতৰা বেৰৰ আঁৰৰ পৰা শুনি আছিল। যোৱা কালি চহৰত কোৱা বৈদ্য ডাঙৰীয়াৰ কথাৰপৰা এনে লাগিছিল যে তেওঁ বেলাৰ বিয়া বদ্রীৰ লগতে হ'বলৈ দিব আৰু যদি কিবা বাধা আহি পৰে তেন্তে সেইয়া গয়াদীনৰ ফালৰপৰাহে হ'ব আৰু তাকো ঠিক কৰি লোৱা হ'ব।

সি নিজকে স্থিৰেৰে ৰাখিব নোৱাৰিলে। বেৰৰ সিপাৰৰ কোঠাটোৰপৰা কোবেৰে ওলাই আহি দুয়োৰে মাজত থিয় দিলেহি। সি মাত লগালে, "দেউতা, এতিয়া কিবা কোৱা মেলা কৰাত লাভ আছে জানো? এতিয়া আপুনি এইটোৱেই কওক—যিটো কালি আপুনি প্ৰিন্সিপাল চাহাবৰ আগত কৈছিল। তাকেই দোহাৰি যাওক। আমিও এতিয়া কৈ ফুৰিম যে আমি জাতি প্ৰথা নামানো। যেতিয়া বদ্রীদাদাই বেলাৰ সৈতে সম্বন্ধ কৰিলেই তেতিয়া......।"

ৰূপ্পনৰ কথা সম্পূৰ্ণ নহ'ল। হঠাতে তাৰ ডিঙিত মোচৰ খোৱা যেন লাগিল। বদ্রী পালোৱানে প্ৰতিদিনেই কোনোবা নহয় কোনোবা এটাৰ ডিঙিত হাত দিছেলেই। আজি সি ৰূপ্পনৰ ডিঙিত হাত দিলে। ৰূপ্পনে চক খাই গ'ল। বদ্রীয়ে দাঁত কামুৰি ক'লে—"তই ঘৰৰ ভিতৰতে নেতা ওলাবলৈ আহিছ?" মোকেই কৱ যে মই তাইৰ লগত সম্বন্ধ কৰিলোঁ। তাকো আকৌ মোৰ মুখৰ আগতে—। বান্দৰ কঁহা কা!"

বদ্রীয়ে ৰূপ্পনৰ ডিঙিটোত ধৰি তাক চোতাললৈ গঁতা মাৰি পঠিয়ালে আৰু ৰূপ্পনেও ভয়ৰ কোবত স্থিৰ কৰিব নোৱাৰিলে যে তাৰ ককায়েকে দিয়া 'বান্দৰ' উপাধিটো স্বীকাৰ কৰি লব নে ওভোতাই দিব। সিফালে বদ্রী পালোৱানে বৈদ্য ডাঙৰীয়াক কৈ গ'ল—"ইয়াকে কয় সাক্ষী। নেতা। ই নিজেই তাইলৈ দুই পৃষ্ঠাৰ

চিঠি দিছিল। কব নোৱাৰো চিঠিত কি কথা আছিল। নিজে লাগিছিল আৰু কৈছে মইহে লাগিলোঁগৈ তাইৰ পিছত।”

ৰূপ্পন কোনোমতেহে থলামূৰি খাই নপৰাকৈ থাকিল। সি গেঙেৰি মাৰি ক’লে—“মই ইমান নীচ নহওঁ যে তোৰ লগত এই বিষয়ে কথা হম।” বৈদ্য ডাঙৰীয়াৰ ফালে চাই ক’লে,—“দেউতা, ইয়াক এতিয়া একো কৈ লাভ নাই। ইয়াৰ যিহকে মন যায় তাকেই কৰিবলৈ দিয়ক।”

পিছে এই সময়ত বৈদ্য ডাঙৰীয়াই উপদেশ লোৱাতকৈ উপদেশ দিবলৈহে উদ্যত হৈছিল। গহীনভাৱে তেওঁ মাত লগালে—“যিয়েই নহওক ৰূপ্পন, এইটো তোৰ কবলগীয়া কথা নহয়। তহঁতৰ চৰৰে ওচৰত মোৰ অভিযোগ আছে আৰু তহঁতৰ প্ৰতিটোৰে আচৰণৰ বিষয়ে মোৰ জনা আছে।”

“অ’ এই কথা। তেনেহলে মোৰো আপোনাৰ আচৰণৰ বিষয়ে জনা আছে।’

কাজিয়াৰ এইটোৱেই শেষ দৃশ্য আছিল। বদ্রী পালোৱানে ঠাট্টা কৰি দেউতাকক ক’লে,—“শুনিলে?”

ৰূপ্পন বেগেৰে ঘৰৰপৰা ওলাই গুচি গ’ল। বৈদ্য ডাঙৰীয়াই কোনো প্ৰতিবাদ কৰিব নোৱাৰিলে। তেওঁ মাত্ৰ বিছনাৰ কাষত মনে মনে থিয় দি ৰ’ল। মুখৰপৰা—‘হে ৰাম’ পৰ্য্যন্ত শব্দ বাহিৰ নোলাল।

আবেলি হওঁ হওঁ হৈছিল। মিঠাইৰ দোকান এখনৰ মুখত গান্ধী টুপি পিন্ধা এজন নেতা থিয় দি আছিল। সেই ঠাইতে চাইকেলৰ হেণ্ডেলত ধৰি এটা পুলিচ কনিষ্টবল থিয় দি আছিল।

দোকানত কেইপদমান মিঠাইহে আছিল। তাৰে তুবিধমান খোলা ঠাইত ৰাখিছিল—য'ৰ ওপৰত মাখিবিলাকে আনন্দমনেৰে বিৰাজ কৰি ফুৰিছিল। দোকানৰ ওচৰত ৰূপ্পন আৰু লঙ্গৰক দেখা গ'ল। ৰূপ্পনে লঙ্গৰক এনেধৰণে চাইছিল, যেনেকৈ প্ৰথম শ্ৰেণীত যাত্ৰা কৰা যাত্ৰীয়ে তৃতীয় শ্ৰেণীত বিনা টিকেটেৰে ভ্ৰমণ কৰা যাত্ৰীকে সন্দেহৰ চকুৰে চায়। আজি ৰূপ্পনক খুব ভাগৰত থকা যেন দেখা গৈছিল। গতিকে সি ক্ষীণ মাতেৰে সুধিলে— "তোমাৰ মেল মোকৰ্দমাৰ কি হ'লগৈ?"

"আজিতো ছুটী বাপু। ধৰিবই পৰা নাই একো। এনেয়ে নকলটো ইমানদিনে তৈয়াৰ হৈ গৈছেই চাগৈ।" লঙ্গৰে বিগত দিনবোৰৰ কথা কবলৈ ধৰিলে।—"অৱশ্যে তেতিয়াই নকল তৈয়াৰ হৈ গৈছিল। পিছে মইহে আনিবলৈ যাব পৰা নাছিলোঁ। মোৰ তেতিয়া মেলেৰীয়া জ্বৰ হৈছিল। সেইদিনা সদৰ কাছাৰীত যি পৰিলোঁ পৰিলোঁ। বহু দিনলৈকে বিছনাৰপৰা উঠিব পৰা নাছিলোঁ। আকৌ ভাবিলোঁ,—বোলোঁ মৰিব লাগিলে নিজৰ গাঁৱতে মৰিম। সেই ফালৰপৰা এজন ঠাকুৰ সদৰ কাছাৰীলৈকে আহিছিল। তেওঁ লগতে মোক নিজৰ গাঁৱলৈ লৈ গ'ল। তাত মানুহে ক'লে যে মোৰ হেনো মেলেৰীয়া জ্বৰ হৈছে।

এদিন আমাৰ গাঁৱলৈ কেইবাজনো লোক মটৰ গাড়ীত উঠি আহিছিল। গোটেই গাঁৱৰে বেৰবোৰত গেৰুৱা ৰঙেৰে কি কি জানো ইংৰাজীতে লিখি গ'ল। তাৰ পিছত বাপু, তেওঁলোকে মোৰ তেজ ললে আৰু মেচিনত পৰীক্ষা কৰিলে। চোৰাঁচোন বাৰু বাপু, কেনে অদ্ভুত কথা! আমি হলোঁ এই কলিযুগৰ দেশীয় মানুহ আৰু আমাৰ বেমাৰ হ'লগৈ বিলাতী। মটৰ গাড়ীত যিসকল

লোক আহিছিল তেওঁলোক ক'লে—লঙ্গৰ ডাঙৰ মানুহ, তাৰ মেলেৰীয়া হৈছে।

কি কম বাপু! তাৰ পিছতে সেই মটৰ গাড়ীত অহা মানুহ কেইটাই গাঁৱত ডাঙৰ কাম কৰিলে। দুই তিনিজন মানুহে হাতত একোটা একোটা ডাঙৰ মেচিন লৈ গাঁৱৰ চাৰিওফালে কুঁৱা, নলা, গাঁত-চাত সকলোতে ফিচ্ ফিচ্ কৰি কিবাবোৰ মাৰি ফুৰিলে। দুটা মানুহে সদায় প্ৰতিঘৰ মানুহৰ ঘৰলৈ গৈ গেৰুৱা ৰঙেৰে মেলেৰীয়া মহাৰাণীৰ "ইস্তুতি" ইংৰাজীতে লিখি গ'ল। সেই আখৰবোৰৰনো কি প্ৰতাপ, কি কম আৰু বাপু, গোটেই মহবোৰ কলোঁ নহয় একেবাৰে পলাই ফাট মাৰিলে। আৰু আমিও এমাহ কাল দুখ যাতনা ভুগি আপোনাৰ দৰ্শন লাভ কৰিবলৈকে হ'ব পায় আকৌ উঠি মেলি ফুৰিব পৰা হলোঁ।"

নেতাগৰাকীয়ে মাত লগালে—"কি কথা শুনালি লঙ্গৰ তই—যেঃ

ইংৰাজী আখৰ লিখাৰ প্ৰতাপত
মেলেৰিয়াৰ মহ পলায় ফটাফট্।"

মিঠাই দোকানীয়ে নেতাক প্ৰশংসা কৰি শুনালে—"কি কবিত্ব শুনালে আপুনি। হোঁৱক, আপোনাৰ কবিতাৰ বাবে এই জেলেপিকে খাওক।"

নেতাগৰাকীয়েও অলপো সঙ্কোচ নকৰি মাখি কেইটা খেদাই চাৰি-পাঁচখনমান জেলেপি থালৰপৰা বাছি লৈ টপাটপ খাবলৈ ধৰিলে। সিফালে চিপাহীটোৱে লঙ্গৰক ক'লে—"তেনেহলে কোৱাঁ যে এই মৰোঁ এই মৰোঁ কৰি বাচি গলোঁ।"

"এইটো ঠিকেই বাপু, পিছে মই জানিছিলোঁ যে মই নমৰোঁ। ভগৱানৰ বিচাৰত একো অন্যায় হ'ব নোৱাৰে। যেতিয়ালৈকে মই

তহচীলৰপৰা নকল নাপাওঁ, মই তেতিয়ালৈকে মৰিব নোৱাৰোঁ। নকল নোচোৱাকৈয়ে মোৰ জীউটো ওলাই যাব নোৱাৰে। মই সত্য যুদ্ধত নামিছোঁ।"

চিপাহীয়ে ক'লে—"তই চালা বুদ্ধু বুজিছ? দুটকাৰ বাবে জিন্দেগী বৰবাদ কৰিছ। পেলাই নিদিয় কিয় টকা দুটা?"

লঙ্গৰে মূৰটো লৰাই ক'লে,—"তুমি এই কথা বুজি নাপাবা বাপু, এইয়া হ'ল সত্য যুদ্ধ বুজিছা?"

ৰূপ্পনে কথাটো অলপ সলাই সুধিলে—"পিছে, এতিয়া কি হৈছেনো?"

"কাইলৈ বা পৰশিমানলৈ পাই যাম। এতিয়াৰপৰা গৈ তহচীলৰ আগত পৰি থাকিমগৈ নহয়।"

নেতাই মাত লগালে—"তাতে জুপুৰি এটা সাজি লবি। লৰা-ঢপৰাৰপৰা ৰক্ষা পাবি।"

ৰূপ্পনে মিঠাই দোকানৰ চকী এখনত বহি নিশ্চিন্তমনে ভৰিৰ কলাফুল লৰাই থাকিল। তাৰ পাছত মিঠাই দোকানীক ক'লে, —"মোৰ কাৰণে আৰু লঙ্গৰৰ কাৰণে একাপকৈ গাখীৰ গৰম কৰি খাবলৈ দিয়া।"

লঙ্গৰৰ সৈতে গাখীৰ খাইয়েই ৰূপ্পন ঘৰলৈ যাবলৈ বুলি ওলাল। তেনেতে নেতাগৰাকীয়ে মাত লগালে—"তেনেহলে কেনে হ'ব লঙ্গৰউ? তাতে তহচীল অফিচৰ আগত জুপুৰি এটা বান্ধি লোৱা যাওক, কি বোলা লঙ্গৰ ককাই। নতুবা এটা কাম কৰ। দুই এদিনতে অনশন আৰম্ভ কৰি দিবি। ভাল হ'ব বাপ্পেকে। খবৰ কাগজতো নাম ওলাই যাব। নকল পাব বা নাপাব নাম হৈ যাব। ভাবি ল লঙ্গৰউ।"

ৰূপমনে বহুত কথাকে চিন্তা কৰি আছিল। এবাৰ চিন্তাৰ মাজতে যতি পৰিল। হঠাতে বহুতো নাম তাৰ মনলৈ আহিল। লেঙেৰাক লঙ্গৰ বুলি আৰু এটা অন্ধ মগনীয়াক মানুহে সুৰে বুলি বুলি মাতিছিল। আকৌ কুস্তি কৰোঁতে কৰোঁতে এটা পালোৱানৰ কাণখন ছিগি থকাত তাক নাম দিয়া হ'ল 'টুট্টে'। বৈদ্য ডাঙৰীয়াৰ তালৈ বেমাৰ দেখুৱাবলৈ অহা বেমাৰীবোৰৰ ভিতৰত এটা কণা মানুহো আছিল। তাক দেখা পোৱাৰ লগে লগে ৰূপমনে মাত লগালে,—"কিবে শুক্ৰাচাৰ্য, তোমাৰ কি খবৰ?" এটা বুঢ়া মানুহ আছিল– যাক 'বহৰে বাবা' বুলি কৈ সন্মান কৰা হৈছিল। যাৰ মুখত আইৰ দাগ আছিল সিইতক শিৱপালগঞ্জত ছট্টাপ্ৰসাদ বুলি মতা হৈছিল। নেতাগৰাকীয়ে লঙ্গৰক 'লঙ্গৰউ' বুলি মতাৰ বাবে ৰূপমনৰ খুব খং উঠিল। সেই খঙতে সি নেতাজনক খঙেৰে কলে—"হইৰা, তুমি ইয়াক লঙ্গৰউ বুলি কিয় মাতাহে? তাৰ আচল নাম দি মাতিব নোৱাৰানেকি?"

নেতাই লঙ্গৰৰ ফালে চাই সুধিলে—"তোৰ আচল নামটোনো কি?"

"এতিয়াতো সকলোৱে লঙ্গৰ বুলিয়েই মাতে বাপু।" সি অলপ ভাবি উত্তৰ দিলে—"এনেকৈ আই বোপায়ে দিয়া মোৰ আচল নাম আছিল লঙ্গৰপ্ৰসাদ।"

বৰ্তমান সময়ত প্ৰায়বোৰ কল-কাৰখানাই বন্ধ হৈ থাকে। সকলো ঠাইতে কিবা নহয় কিবা এটা অসন্তোষৰ ভাৱ আছেই। চিনাজনা আটাইবোৰ মানুহেই চোৰ। আলিবাটত কেৱল কুকুৰ, মেকুৰী, গৰু-ছাগলী আৰু গাহৰিহে ফুৰে। মানুহৰ সংখ্যা কম।

বতাহ বলে কেৱল ধূলি উৰাবলৈহে। আকাশৰ কোনো ৰং নাই। নীলা ৰঙটোও যেন নকল। মূৰ্খ মানুহৰ অভাৱ নাই। সিহঁত মূৰ্খ হবলৈকে মূৰ্খৰ সহায়েৰে মূৰ্খৰ বিপৰীত মূৰ্খামি কামবোৰ কৰে। ভয়ত বা লৰা-ঢপৰাখন কৰি আত্মহত্যা কৰাৰ কোনো প্ৰয়োজন নাই। অসাধু লোক আৰু অসাধুতা সকলোফালৰ পৰাই সুৰক্ষিত। আজিকালিৰ দিনবিলাক হ'ল আঠচল্লিছ ঘণ্টাৰ।

ৰূপনে এখন আমবাগানৰ কাষেদি পাৰ হৈ যায়। তাৰ কাষতে পথাৰবিলাক। তেতিয়া চ'ত মাহ আছিল,—পথাৰৰ শস্য প্ৰায়েই কটা হৈ গৈছিল। পথাৰত ঠায়ে ঠায়ে শস্য কাটি জমা কৰি থোৱা হৈছিল। মুকলি পথাৰত অ'ত ত'ত পৰি ৰোৱা শস্যবিলাক খাবৰ বাবে জাকে জাকে গৰু ম'হ বিচৰণ কৰি ফুৰিছিল আৰু সুবিধা বুজি তেতিয়াও কোনো কোনো পথাৰত চপাবলৈ বাকী ৰখা শস্যবিলাক ধাহি মুহি খাই গৈছিল। গৰখীয়াবিলাকেও দ'ম কৰি ৰখা শস্যবিলাকৰ আঁৰত লুকাই স্বচ্ছন্দ মনে জুৱা খেলাত ব্যস্ত আছিল। গৰুম'হ বিলাকে কেনি গৈছে, কাৰ শস্য খাইছেগৈ সেইফালে সিহঁতৰ অলপো কাণসাৰ নাই। মাত্ৰ খেলাত মত্ত। লগে লগে মুখত বিড়ী একোটাকৈ হুপি আছিল। গৰখীয়াবোৰৰ ভিতৰত দুই তিনিটামানহে বয়সিয়াল ল'ৰা আছিল আৰু বাকী হ'ল ফুকলীয়া ধৰণৰ ল'ৰা যাক ভৱিষ্যত দেশৰ কৰ্ণধাৰ বুলি কোৱা হয়।

জুৱাখেলৰ আড্ডাৰফালে ৰূপন আগবাঢ়িল। সি খেলাৰ গতি নিৰীক্ষণ কৰি ৰ'ল। তাক আগত দেখি জুৱা খেলা ল'ৰাবিলাকে বহা ঠাইৰপৰা উঠি স্বাগত জনালে। তাকে দেখি ৰূপনে এজন শিক্ষকৰ দৰেই মাত লগালে,—"বহাঁ বহাঁ, নিজৰ কাম কৰি

যোৱাঁ।” সি কিছু সময় খেলা চাই থাকিল। এঘাৰবছৰীয়া ল'ৰা এটাই ৰূপ্পনৰফালে চাই চাই বিড়ীৰ ধোঁৱা উৰাবলৈ ধৰিলে। সি দেখিলে যে তাৰ সাক্ষাততো ল'ৰাহঁতে বিড়ী হুপিবলৈ এৰা নাই আৰু এৰাৰ আশাও নাই। সি আগবাঢ়িল।

হঠাতে সি দেখা পালে—নিচেই ওচৰৰ পথাৰত দ'ম কৰি থোৱা শস্যবিলাক গৰু কিছুমানে নিশ্চিন্তমনে খাই আছে। ল'ৰাহঁতৰ খবৰেই নাই। তাকে দেখি সি ল'ৰাহঁতক চিঞৰি ক'লে—“হেৰ বদমাছহঁত, দেখা নাইনে গৰুবোৰে কেনেকৈ শস্যবিলাক খাই নষ্ট কৰিছে। গৰুবোৰ পথাৰৰপৰা খেদাই নিদিয় কিয়?”

ল'ৰাহঁতে ৰূপ্পনৰফালে নোচোৱাকৈয়ে অন্যমনস্কভাৱে ক'লে—“সেইবিলাক আমাৰ গৰু নহয়।”

“তেনেহলে কাৰ গৰু?”

“আমি কব নোৱাৰোঁ।” সিহঁত খেলাত ব্যস্ত থাকিল।

ল'ৰাহঁতে তাৰ কথাৰ প্ৰতি কাণ নিদিয়াত ৰূপ্পনৰ খুব খং উঠিল আৰু সিহঁতক যা-তা গালি পাৰিবলৈ ধৰিলে। গালিৰ কোবত এটা গৰখীয়া ল'ৰাই—“এইবোৰতো আমাৰ গৰু নহয়, তথাপি খেদি দিছোঁ” বুলি সকলোৱে কাণ চোৱাই গৰু ম'হবোৰ খেদাবলৈ বুলি আৰু সিহঁতক আন এখন পথাৰত চৰিবৰ বাবে সুযোগ দিবলৈ পথাৰৰফালে নামি গ'ল।

• ৰূপ্পনো তাৰপৰা আন এফালে গুচি গ'ল।

পঁচিছ

বৈদ্য ডাঙৰীয়াৰ ঘৰৰপৰা প্ৰায় এশগজমান দূৰত এখন সৰু পথাৰ আছিল। সেই পথাৰত থকা কেইজোপা মান নিমগছৰ তলত আজি অলপ দিনৰ আগৰেপৰা প্ৰাইমেৰী স্কুলৰ শিক্ষক এজনে কিছুমান ল'ৰা গোটাই খেলা শিকাইছিল। বৈদ্য ডাঙৰীয়াই ভাবি লৈছিল যে ইয়াৰ গুৰিতে ৰাজনীতি আছে। সেই শিক্ষকজন ৰামাধীন ভীখম খেড়ৰীৰ দলৰ আছিল বাবেই বৈদ্য ডাঙৰীয়াই নিজৰ মনৰ ভাব ব্যক্ত কৰি কথাটো তাতেই নিষ্পত্তি কৰিছিল। এতিয়া তাত গাঁও সভাৰ জৰিয়তে এখন সাপ্তাহিক হাট আৰু দৈনিক বজাৰৰ ব্যৱস্থা কৰা হ'ল।

মুখিয়াল হোৱাৰ পাছত শনিচৰে সেই পথাৰখনৰ এটা কোণত কাঠেৰে এটা কেবিন বনালে আৰু তাত গেলামালৰ দোকান এখন আৰম্ভ কৰিলে। এই কামটো মুখিয়াল হোৱাৰ আগতেনো কিয় কৰিব নোৱাৰিলে সেই বিষয়ে তাৰ কবলগীয়া একো নাছিল।

ফাকুৱালৈ পোন্ধৰ দিনমান থকাৰ আগতে দোকানখন খুলিলে, আৰু বহুত খাটিৰ বাতিৰ কৰি বদ্ৰী পালোৱানৰ দ্বাৰা উদ্বোধন কৰালে। অনাড়ম্বৰ হলেও উদ্বোধন উৎসৱ বেচ সুন্দৰ হৈছিল। সৰু পালোৱানে তাৰ দুই তিনিজন বন্ধু-বান্ধৱক লগত লৈ দোকান খোলাৰ সময়ত এখন ভগা-ছিগা বেঞ্চত বহিলগৈ। সি দোকানৰ

পৰা গুড়ৰ এটা প্ৰকাণ্ড টুকুৰা উঠাই লৈ লগৰীয়াহঁতৰ মাজত বিলাই দি খাবলৈ ধৰিলে। বদ্ৰী পালোৱানে মনে মনে ৰাইজৰ আগমনলৈ বাট চাই ৰ'ল। যেতিয়া ৰাইজৰ নামত দহবাৰ-জনমান নিষ্কৰ্মা মানুহ টহলি টহলি সেইখিনি পালেহি তেতিয়া বদ্ৰী পালোৱানে এটা সংক্ষিপ্ত অথচ সাৰগৰ্ভ ভাষণ দিলে, শনিচৰ এতিয়া দিনে ৰাতি কামবনহীন হৈ বহি থকাটো ঠিক কথা নহয়। দোকান খোলা হ'ল। তেওঁ যদি ঠিক পথেৰে চলে তেতিয়াহলে কিছুদিনৰ ভিতৰতে মানুহ হৈ যাব।

শনিচৰে নিজৰ মতে দোকানখনক বেচ সজাইছিল। কাঠৰ বেৰৰ এফালে কোনোবা কঁকাল চিধা কৰা লাড়ুৰ বিজ্ঞাপন আছিল। আনফালে "অধিক খাদ্য উৎপাদন কৰক" কথাষাৰ লিখা এখন ডাঙৰ প'ষ্টাৰ আঁৰি থোৱা আছিল। বাকী অংশত কোনোবা বুঢ়া এজনীৰ দ্বাৰা আবিষ্কৃত কাজল, খৰ, কাহ, হাঁপানি বেমাৰ আদিৰ দৰব আৰু এবিধ বিশেষ ধৰণৰ বেটাৰী আৰু বনস্পতি ঘিঁউ আদিৰ বিজ্ঞাপন আছিল। দোকানখনৰ এইটো বিশেষত্ব আছিল যে তাত যিবিলাক বস্তুৰ বিজ্ঞাপন লগোৱা হৈছিল সেইবোৰ বস্তু দোকানত সহজে পোৱা নগৈছিল। যিবোৰ বস্তুৰ বিজ্ঞাপন নাছিল সেইবোৰহে দোকানখনত বেছিকৈ পোৱা গৈছিল।

দোকানত পাণ-বিড়ীৰপৰা আৰম্ভ কৰি চাউল, দাইল, আটা, গৰমমচলা আদি সকলো আছিল যাক মুকলিভাৱে কিনিব আৰু খাব পাৰিছিল। এয়াতো ৰাজনীতিৰ এটা দিশ আছিল যিটো মেনিফেষ্টোত লিখা যায়। ইয়াৰ পিছত আনটো দিশ আছে যিটো পাৰ্টিৰ সভাত, কোনো গুপ্ত মন্ত্ৰণাৰ ৰূপত প্ৰকট হয় আৰু যিটোক অকল বিশ্বস্তসূত্ৰইহে গম পায়। ইয়াৰ ভিতৰত যিবোৰ

বস্তু মুকলিভাৱে কিনিবতো নোৱাৰি কিন্তু খাব হলে পাৰি, সেই বস্তুবোৰো আছিল। এই ধৰণৰ বস্তুবোৰত বহুতো বিলাতী ঔষধো আছিল যিবোৰ আচলতে স্থানীয় হস্পিতালৰ ষ্টোৰত আছিল। এই ধৰণৰ বস্তুবোৰৰ ভিতৰত কিছুমান এনে ধৰণৰ পদাৰ্থও আছিল যিবোৰ লুকাই চুৰকৈহে কিনিব পৰা গৈছিল আৰু লুকাই চুৰকৈ ব্যৱহাৰ কৰিব পৰা গৈছিল। এইবোৰৰ ভিতৰত গাজা, ভাং আদিও আছিল। কানিৰ বিষয়ত শনিয়ে বৰ বিশেষ উৎসুকতা দেখুওৱা নাছিল, কিয়নো গাঁৱত কানিৰ লুকাই চুৰকৈ কৰা বেপাৰৰ একাধিকাৰ কেৱল ৰামাধীন ভীখমখেড়ৰীৰহে আছিল।

ফাকুৱা পায়হি মানে শনিৰ দোকানে চৰকাৰী মান্যতাপ্ৰাপ্ত কৰিলে। সি চেনি বেচিবলৈ আৰম্ভ কৰিছিল। চেনি পাৰ্মিটৰ বিনিময়তহে পোৱা গৈছিল। কিন্তু মানুহে এইটো জনা নাছিল যে পাৰ্মিট নো ক'ৰপৰা পোৱা গৈছিল? ফাকুৱাৰপৰা তাত দেশী মদো বেচা হৈছিল আৰু তাত আটাইতকৈ ডাঙৰ বিশেষত্ব এইটো আছিল যে মদত পানী মিহলোৱা নহৈছিল। কিন্তু চৰকাৰী দোকানৰ লাইচেঞ্চ থকা দোকানৰ মানত হলে এই বিশেষত্ব পোৱা নগৈছিল।

এই দোকানখনে সকলোৰে পৰা নিজৰ নিজৰ ওজনত আশীৰ্বাদ পাইছিল। বদ্ৰী, সক পালোৱান, বৈদ্য ডাঙৰীয়া, প্ৰিন্সিপাল চাহাব আটায়ে আহি আশীৰ্বাদ দি গৈছিলহি। প্ৰিন্সিপালেতো 'ষ্টেচনাৰী' দোকান এখনো দিবলৈ উপদেশ দিছিল। কো-অপাৰেটিভৰ নতুন চুপাৰভাইজাৰে এইটো কৈ গৈছিল যে দোকানৰ ঘৰটো যদি অলপ ভালকৈ বনোৱা হয় তেনেহলে এইখন দোকানকে কো-অপাৰেটিভ ষ্টোৰ বুলি ধৰি লৈ চলাব পৰা যাব। শনিয়ে

উত্তৰত কৈছিল এতিয়াৰ পৰাইনো কিয় কো-অপাৰেটিভ্ ষ্টোৰ বুলি ধৰি নলয়? কো-অপাৰেটিভৰ বাবে লাখ লাখ টকাৰ অট্টালিকা বনোৱা হয়, তাৰ ভিতৰত কো-অপাৰেটিভ্ ষ্টোৰৰ বাবে ঘৰো দেখোন বনাই দিব পাৰে।"

চুপাৰভাইজাৰে কলে, "ষ্টোৰনো বেলেগে কিয় লাগিছে? চাৰিখন বেৰ বনাই ওপৰত চাল এখন লগাই দিয়ক, বচ্ ঘৰ হৈ গ'ল। কাইলৈকে বনাব পাৰি দেখোন। পিছে বৈদ্য ডাঙৰীয়াই ক'লে যে তুমি পঞ্চায়ত ঘৰ বনাইছাই যেতিয়া তাৰেপৰা ষ্টোৰো হৈ যাব।"

শনিয়ে মুখিয়ালৰ প্ৰতাপেৰেই অলপ ভোৰ্ভোৰালে, "বৈদ্য ডাঙৰীয়াৰ এইটোৱেই অলপ গণ্ডগোলীয়া। কাকো 'না' কব নোৱাৰে। মোক আক' এইটো কৈছে। প্ৰিন্সিপাল চাহাবক কৈছে যে পঞ্চায়ত ঘৰ কলেজৰ ওচৰতে হৈ যাব। বদ্ৰী পালোৱানক আকৌ কৈছে যে শনিচৰৰ তাতে যদি বহা-শোৱাৰ সুবিধা কৰি দিয়ে তেনেহলে দিনে ৰাতিয়ে পঞ্চায়তৰ কাম চোৱা-চিতা কৰিব। এতিয়া তুমিয়েই কোৱা পঞ্চায়তৰ বাবে ঘৰ নহৈ যেনিবা কাতি মাহৰ কুকুৰ কুকুৰণীৰ বাবেহে ঠাই হ'লগৈ। আগৰেপৰাই হাজাৰ হাজাৰ মানুহে দোকান ঘেৰাও কৰাৰ আশাৰে টকালি পাৰি বহি আছে। বজাৰেই বহা নাই, ইফালে আকৌ আগৰেপৰাই মগনীয়া আহি টৌ খুটি মাৰিলেই।"

চুপাৰভাইজাৰে ক'লে—"তেনেহলে বৈদ্য ডাঙৰীয়াৰ সৈতে কথা হৈ লওক নতুবা ময়েই তেওঁৰ লগত কথা হম।"

"কথা পাতিলে কিটো হ'ব। তেওঁৰ সকলোবোৰ কথাই আমাৰ বাবে আদেশৰ দৰে।"

এটা প্ৰায় পঁচিছ বছৰমান বয়সীয়া ল'ৰাই কেইজনমান লোকৰ সৈতে শনিচৰৰ দোকানত কথা পাতি আছিল। তাত ৰূপ্পনো আছিল। কথাৰ বিষয় আছিল পৰিয়াল পৰিকল্পনা। পঞ্চায়তৰ মুখিয়াল হিচাপে শনিচৰে তেওঁৰ মন্তব্য দাঙি ধৰিলে—"মানুহক নিৰ্বীজকৰণ কৰাতো একো টান কাম নহয়। পিছে মই আন এটা উদাহৰণহে দিব খোজোঁ। আজি কিছুদিনৰ আগলৈকে শিৱপালগঞ্জ গোটেইখন বান্দৰেৰে ভৰি আছিল। সিহঁতৰ উৎপাতত খেতি বাতি প্ৰায়েই বাদ দিব লগা হৈছিল। শিৱপালগঞ্জৰ মানুহে অনেক চেষ্টা কৰিও বান্দৰ আঁতৰাব নোৱাৰিলে। অৱশেষত আমি পশ্চিমীয়া মানুহ কিছুমান আমদানী কৰিলোঁ। সিহঁত বান্দৰ ধৰাত ওস্তাদ আছিল। গতিকে অলপ দিনৰ ভিতৰতে গাঁওখনৰ আটাইবোৰ বান্দৰকে ধৰি শিৱপালগঞ্জ বান্দৰমুক্ত কৰা হ'ল।"

"তুমিও তাকেই কৰাঁ। শিৱপালগঞ্জত যিমানেই ল'ৰা পোৱা সকলোকে ধৰি ধৰি বন্ধ কৰাই থোৱাঁ। গুলি কৰি মৰাৰ কোনো দৰকাৰ নাই। শুনিছোঁ বোলে বান্দৰবোৰক বিলাতলৈ পঠাই দিয়া হ'ল। ল'ৰাবোৰকো জাহাজত তুলি বিলাতলৈ পঠাই দিয়াঁ। তাত গৈ থাকি মেলি বংশ বৃদ্ধি কৰকগৈ।"

অলপ সঙ্কোচ কৰি ক'লে—“আৰে নহয়। আপোনালোকে মোৰ কথা ধেমালিৰ সুৰত লৈছে। বাৰু এতিয়া যাওঁ। কাইলৈ আকৌ আহিম।”

শনিচৰে ধেমালিৰ সুৰতে ক'লে,—“বেয়া নাপাবা ভাই। এয়া হ'ল গঞ্জৰ মিছা ঢং। কাইলৈ আহিলে বৈদ্য ডাঙৰীয়াৰ ঘৰৰ দুৱাৰমুখতে মিটিং হৈ থকা পাবাহি। সকলোৰে ৰায় দিলে নিৰ্বীজকৰণ হৈয়ে যাব। আমিতো ব্ৰহ্মচাৰী মানুহ, বিয়াবাৰু কৰোৱা নাই। ক'লে আমিও লাগিলে নিৰ্বীজকৰণ কৰাই লম। বেচ মজা লাগিব।”

ৰাইজে আনন্দেৰে ডেকাক বিদায় দিলে। ডেকাইও দুঃখ মনেৰে উভতিল।

বহু কুকুৰৰ ভুকুভুকনিত বাহিৰত কিবা গণ্ডগোল হৈছে বুলি ভাবি গয়াদীন দুৱাৰ খুলি বাহিৰলৈ ওলাই আহিল। আহি দেখে যে ডেকা এজন বাহিৰত ফোঁপাই-জোপাই বৈ আছে। হাতত এডাল এচাৰি। দুটামান কুকুৰে অলপ দূৰত ডেকালৈ চাই ভুকি আছে।

গয়াদীনে ডেকাক সুধিলে—“তুমি কোন বোপা?”

“মই আগৰৱাল।”

“বাহিৰতে বৈ আছা কিয়?” ভিতৰলৈ সোমাই আহাঁ।”

ডেকা ভিতৰলৈ সোমাই আহিলত গয়াদীনে ওচৰতে থকা খাট এখনত বহিবলৈ ডেকাক ক'লে। ডেকাইও গয়াদীনৰ নিৰ্দেশ অনুসৰি খাটখনৰ ওপৰত বহি পৰিল আৰু মুখৰ ঘামবোৰ মচিবলৈ ধৰিলে।

"বোপা তুমিনো কি কৰা ?"

"চাকৰি কৰোঁ।"

গয়াদীনে ডেকাৰ মুখখন ভালকৈ নিৰীক্ষণ কৰিলে। তেওঁ সুধিলে—"ইয়ালৈ বা কি কামত আৰু কেনেকৈ আহিলা ?"

ডেকাই বৈ বৈ দেশলৈ আহিব লগা ভৱিষ্যত বংশধৰহঁতৰ বিষয়ে কবলৈ ধৰিলে। অলপ পাছত গয়াদীনে এইটোকে বুজিলে যে আন মানুহে অনবৰত সন্তান জন্ম দি আহিছে আৰু এই ডেকাৰ ব্যৱসায় হ'ল তেওঁ তেনে মানুহক অধিক সংখ্যক সন্তান জন্ম দিয়াৰপৰা বিৰত ৰখা। গয়াদীনে ডেকাক তাৰ দৰমহাৰ বিষয়ে এটা প্ৰশ্ন কৰিলে। এনে প্ৰশ্ন শুনি ডেকাই কি উত্তৰ দিব ভাবি নাপাই মনে মনে থাকিল।

"তোমাৰ ল'ৰা-ছোৱালী কেইটা ?" ডেকাই প্ৰশ্ন শুনি থতমত খালে।

"এটাও নাই। মোৰ বিয়া হোৱা নাই।"

গয়াদীনে ডেকাক কৌতূহলেৰে সৈতে ওপৰৰপৰা তললৈ চালে।

"তুমি শূদ্ৰ আগৰৱাল নেকি ?"

"হয়"। তেতিয়া গয়াদীনে লাহেকৈ খাটখনতে ডেকাৰ ওচৰ চাপি বহিল। তেওঁ ডেকাক ঘৰৰ ঠিকনা সুধি গম পালে যে ওচৰৰ চহৰখনতে তাৰ ঘৰ আৰু তাৰ বাপেক এজন নামজ্বলা বেপাৰী। আৰু খবৰ লৈ গম পালে যে বহুতো সৰু-সুৰা বেপাৰীৰ দৰে সিও এজন সৰু-সুৰা নেতা। বাপেকে তাক চাকৰি কৰিবলৈ ঘৰৰপৰা আঁতৰলৈ নপঠাই পোন্ধৰ মাইলৰ ভিতৰতে ৰাখিছে। ভায়েক-ভনীয়েকহঁতৰ খবৰ কৰি জানিব পাৰিলে যে তাৰ ভনীয়েকৰ অলপতে এজন ধনী সেঠৰ লগত বিয়া হৈ গৈছে আৰু ভনী-

জোৱায়েক কলিকতাৰ এজন ধনী লোক। ডেকাৰ সৰু ভায়েকে ভনী-জোঁৱায়েকৰ সৈতে লগলাগি কাৰবাৰ আৰম্ভ কৰিছে। আৰু অলপ সোধাপোছা কৰি গম পালে যে সেই ধনী লোকজনৰ এয়া হৈছে তৃতীয় বিবাহ। তাৰ পাছত গয়াদীনে অলপ ঘূৰাই পকাই তাৰ বিয়া কৰাবৰ ইচ্ছা আছে নে নাই সুধিলে। সি উত্তৰ দিলে যে দেউতাকৰ ইচ্ছা সি এই বছৰতে বিয়া কৰাব লাগে।

শেষত গয়াদীনে ডেকাক ক'লে,—"বোপা তুমি হ'লা পঢ়াশুনা কৰা ল'ৰা। বি-এ, এম-এ পাচ কৰা ছোৱালীৰ বাহিৰে আন ছোৱালীতো বিয়া নকৰাবা।"

"মই এই বিষয়ে একো কব নোৱাৰোঁ। দেউতাই যেনেকৈ নিৰ্দেশ দিয়ে তেনেকৈ কৰিম।"

এই কথাষাৰ শুনিয়েই, ডেকাই খাটৰপৰা যাবলৈ বুলি থিয় দিয়াৰ আগতেই গয়াদীনে মাত লগালে,—"তুমি দেখোন বংশৰেই ল'ৰা। ঘৰলৈ আহিছা যেতিয়া চৰবত খাই যোৱাঁ। চৰবত নহলে গাখীৰ খোৱাঁ। তাকো নহলে চাহকে খোৱাঁ।" এইবুলি কৈয়েই গয়াদীনে জীয়েক বেলাক মাতিলে।

শিৱপালগঞ্জত খবৰ ওলাই গ'ল যে পুৰণা দাৰোগাজনে,—যি বৈদ্য ডাঙৰীয়াক খং তোলোৱাৰ বাবে শিৱপালগঞ্জৰপৰা যাবলগা হৈছিল, আজি যোগনাথৰ ওচৰত ক্ষমা খুজিবলৈ আহিছে। সেয়ে আজি বৈদ্য ডাঙৰীয়াৰ ঘৰত সভাৰ আয়োজন। খবৰটো অৱশ্যে ভালেখিনিয়েই সঁচা।

ৰূপ্পন আজিকালি দেখাদেখিকৈ প্ৰিন্সিপালৰ ঘোৰ বিৰোধী হ'ল আৰু বেছিভাগ সময় খান্না মাষ্টৰৰ ঘৰতে বহি থাকে। ৰঙ্গনাথে

প্ৰতি তিনি দিনৰ অন্তৰে অন্তৰে চহৰলৈ উলটি যোৱাৰ কথা উলিয়ায় আৰু কেতিয়াবা কেতিয়াবা সিও খান্না মাষ্টৰৰ ঘৰ পায়গৈ। বদ্ৰী পালোৱানে প্ৰায় তিনি দিনমানৰ আগতে জিলালৈ যাবলগা হৈছিল, কাৰণ তেওঁৰ দুজনমান শিষ্যক নিজৰ চাধা-চিধা স্বভাৱৰ বাবে কিবা ঘটনা আৰু ডকাইতিৰ অপৰাধত পুলিচে গ্ৰেপ্তাৰ কৰিছিল। গতিকে আজিৰ সভাত বৈদ্য ডাঙৰীয়া, দাৰোগা চাহাব, যোগনাথ আৰু সৰু পালোৱানৰ বাপেক কুসহৰপ্ৰসাদ উপস্থিত আছিল।

শিৱপালগঞ্জ থানাৰপৰা বদলি হোৱাৰ পাছত দাৰোগাই বহুতো সমস্যাৰ সম্মুখীন হব লগা হ'ল। প্ৰথম সমস্যা হ'ল তেওঁৰ ঠাইত যিজন দাৰোগা হৈ আহিছিল তেওঁ বেপৰোৱা ধৰণৰ আছিল। গতিকেই পুৰণা দাৰোগাৰ ওপৰত এই থানাৰ বহুতো গোচৰ লৈ অনুসন্ধান চলিছিল।

দ্বিতীয় সমস্যা হ'ল—গাইজনীক লৈ। চহৰ পাই তেওঁ গম পালে যে যদিও তেওঁৰ ভায়েকে মিলিটাৰী ফাৰ্মত কাম কৰে আৰু গাইজনীক তাতে ৰাখি বিনা পইচাৰে ভৰণ-পোষণ কৰিব পাৰিব,—তথাপি এই সময়ত তাত গো-হত্যা অভিযান চলিছে। সেইয়ে গাইজনী তাত ৰখাটো অসুবিধা হৈ পৰাত দাৰোগা চিন্তাত পৰিল।

তৃতীয় সমস্যা হ'ল—যোগনাথে দাৰোগাৰ ওপৰত আঠ হাজাৰ টকাৰ ক্ষতিপূৰণ দাবী কৰি চিভিল আদালতত দেৱানী গোচৰ দাখিল কৰিছে। এই গোচৰৰ কাৰণ হ'ল দাৰোগাই যোগনাথৰ ওপৰত চুৰি কৰাৰ মিছা অভিযোগ আনি তাৰ ক্ষতি সাধনৰ বাবে তাক দুমাহকাল হাজোতত ভৰাই থোৱা হ'ল। ইয়াৰ ফলত যোগনাথ সমাজৰ আগত হেয় প্ৰতিপন্ন হ'ল আৰু তাৰ ব্যৱসায়ত

যথেষ্ট লোকচান হ'ল। এই আটাইবোৰৰে ক্ষতিপূৰণ কেবা-লাখ টকা হয়গৈ। কিন্তু প্রতিবাদীৰ ফালৰপৰা ইমান বেছি ক্ষতিপূৰণ দিব নোৱাৰে। গতিকে তেওঁৰ ওপৰত আঠ হাজাৰ টকাৰ ক্ষতিপূৰণ দাবী কৰা হ'ল। ইয়াৰোপৰি এই গোচৰ লৈ দাৰোগাৰ বিৰুদ্ধে স্থানীয় বাতৰি কাকতত অপবাদমূলক বাতৰি প্রকাশ কৰিছিল। গতিকে চহৰলৈ অহাৰ লগে লগেই দাৰোগা চাহাব এজন বিখ্যাত লোক হৈ পৰিল।

দাৰোগা ক্লাবলৈ গলেও লগৰীয়া সকলৰপৰা তেওঁ এনেধৰণৰ সহানুভূতিসূচক কথা শুনিবলৈ পায়— "পৃথিৱীখন তেনেই নষ্ট হ'ল। কেইটামান পইচাৰ মানুহেই ধুৰন্ধৰ হৈ পৰিল। এতিয়া আৰু চাকৰি কৰাৰ দিন উকলিল, আৰু তুমিতো বেচ সাত ঘাট চিনা মানুহ আছিলা দিয়াচোন। এনেকুৱা গণ্ডগোলত কেনেকৈনো সাঙোৰ খালা?" তেওঁ লগৰীয়াহঁতৰপৰা ইমানেই সহানুভূতি পাবলৈ ধৰিলে যে শেষত গৈ তেওঁৰ পক্ষে বাটে পথে ওলাই সোমাই ফুৰাই মহা চিন্তাৰ কথা হ'ল। যেতিয়া সকলোৱে কোৰাচৰ দৰে সমবেত কণ্ঠেৰে কবলৈ ধৰিলে যে, চিন্তা কৰিবৰ কোনো কাৰণ নাই আমি আটাইবোৰ গোট খাই চুপ্রীম কোর্ট পর্য্যন্ত যাম। আৰু চোৱাঁ, শাস্ত্ৰতো লিখা আছে যে সত্যৰেই সদায় জয় হয়।—এনেবোৰ কথাত দাৰোগাৰ হিয়া ভাগি পৰে।

এদিনাখন তেওঁৰ এজন বয়সস্থ বন্ধুৱে তেওঁক উপদেশ দি ক'লে— "তুমিও এটা আচৰিত মানুহ হে। গোচৰটোৰ বিষয়ে ইমানকৈ চিন্তা কৰি থকাৰ প্রয়োজন কি! তাতকৈ তুমি শিৱপালগঞ্জলৈ গৈ কিবা উপায়েৰে গোচৰটো নিষ্পত্তি কৰি নাহা কিয়?"

ইয়াৰ পিছত দাৰোগা বৈদ্য ডাঙৰীয়াৰ শৰণাপন্ন হ'ল।

বৈদ্য ডাঙৰীয়াৰ সভাঘৰত সকলো মনে মনে বহি আছিল। যি কথা হ'বলগীয়া আছিল হয়তো ইমানপৰে হৈ গৈছিল। ৰাইজে বৈদ্য ডাঙৰীয়াৰ মুখলৈ চাই ৰৈ আছিল। হঠাতে দাৰোগাই মাত লগালে—"বৈদ্য ডাঙৰীয়া, মোৰ বাচৰ সময় হৈ আহিছে। তেনেহলে যেনেকৈ কয় তেনেকৈ কৰোঁ আৰু।" বৈদ্য ডাঙৰীয়াই দাৰোগাৰ কথাৰ লগে লগে মাত লগালে,—"আপুনি প্ৰতিবাদী আৰু যোগনাথ হ'ল বাদী। গতিকে এনেক্ষেত্ৰত আপোনালোক দুয়ো ইজন সিজনৰ সমক্ষ। দুয়ো পৰস্পৰে কথা বতৰা হৈ মীমাংসা এটা কৰি পেলাওক আৰু। নবযুৱকৰ কথাৰ মাজত মই আৰু কি মাতিম।"

যোগনাথে মাত লগালে—"মহাৰাজ, এইটো মোৰ কোনো নিজস্ব কথা নহয়। শিৱপালগঞ্জৰ সন্মানৰ কথা। গতিকে গাঁও-সভাই নিজৰ তৰফৰপৰা মোকৰ্দমাৰ বাবে খৰচ কৰিছে। মীমাংসাও গাঁও সভাৰ প্ৰস্তাৱতহে হ'ব। মইতো দাৰোগা ডাঙৰীয়াতকৈ তেতিয়াও সৰু আছিলোঁ আৰু এতিয়াও সৰু। হাকিম হাকিমেই থাকিব। পিছে মোৰ আৰু কবলগীয়া একো নাই, আপুনি যি কব সেয়েই হ'ব।"

বৈদ্য ডাঙৰীয়াই যোগনাথৰ ফালে চাই ক'লে—"তেনেহলে গাঁওসভাৰ ওপৰতেই এৰি দিয়াঁ। শনিচৰৰ সৈতে কথা হোৱাঁ। ইমান ডাঙৰ হাকিম চহৰৰপৰা ইমান দূৰলৈ ল'ৰি আহিছে। কথাটো ছিঙি পেলোৱাঁ।"

দাৰোগাৰ কপালত কেবাডালো ৰেখাই দেখা দিলে। সুধিলে,—"শনিচৰ আকৌ কোন?"

"আপুনি হয়তো নাজানে। তেওঁৰ প্ৰকৃত নাম মঙ্গলদাস।

আমাৰ গাঁৱৰ মুখিয়াল। সৌফালে তেওঁৰ দোকান আছে। আপুনি তালৈকে গৈ কথা হৈ লওক।” বৈদ্য ডাঙৰীয়াই মাতত কোমলতা সানি ক’লে।

ৰাইজৰ মাজৰে কোনোবা এজন ক’লে—“শনিচৰক ইয়ালৈকে মতাই অনাওক নহলে।”

বৈদ্য ডাঙৰীয়াই গহীনাই ক’লে—“পদৰ মৰ্য্যাদা দিয়া উচিত। প্ৰধানমন্ত্ৰী হোৱাৰ পিছত গান্ধীজীয়ে নেহৰুজীক কম সন্মান কৰা নাছিল। পৰস্পৰৰ মাজৰ সম্বন্ধৰ কথা বেলেগ, কিন্তু লোক ব্যৱহাৰত পদমৰ্য্যাদা ৰক্ষা কৰিবলগীয়া হয়।”

দাৰোগা ডাঙৰীয়াক সাহস দি তেওঁ আকৌ ক’লে—“আপুনি সৌ দোকানলৈকে যাওক। মুখিয়াল ডাঙৰীয়া হয়তো ইমানপৰে আহি পাইছে।”

শনিচৰে দোকানত বহি যোগনাথ আৰু দাৰোগাৰ বাবে প্ৰতীক্ষা কৰিছিল। পথাৰৰপৰা উভতি আহিয়েই গঞ্জৰ পদ্ধতিৰ দ্বাৰা তেওঁ গম পাই গৈছিল যে যোগনাথৰ প্ৰত্যাহ্বানত দাৰোগাৰ পাম্প্‌চাৰ হৈ গ’ল। তেওঁ ভিজা মেকুৰীটোৰ দৰে যোগনাথৰ লগত মিট্‌মাট কৰিবলৈ আহিছে। মুখিয়ালে ভাবিলে যে এই সুযোগতে দাৰোগাক এনে এটা শিক্ষা দিয়া হওক যাতে ভৱিষ্যতে শিৱপালগঞ্জত আন কোনেও তুৰিমুৰি কৰিব নোৱাৰে। যোগনাথহঁত আহি পোৱালৈকে মুখিয়ালৰ দোকানত চাৰি-পাঁচোটামান ভাঙৰ পুৰিয়া বিক্ৰী হৈ গ’ল। আন এটা পুৰিয়া বাটেদি যোৱা গাঁও-পঞ্চায়তৰ মেম্বাৰ এজনক এনেয়ে দি দিলে। তেওঁ সুধিলে—“এইটোৰে কি কৰিম?”

“ৰাখি থোৱাঁ। দাৰোগা ডাঙৰীয়াৰ পূৰ্বপুৰুষে মাত দিব।

ইয়াৰে ডাঙৰ ভোজ পাতিবা? ভাং মোৰ আৰু পেস্তা-বাদাম, চেনি-গাখীৰ সকলো তোমাৰ।”

মেম্বাৰে পুৰিয়াটো চুৰিয়াৰ খোচনিত ভৰাই হাঁহি মাৰি ক'লে, —“মুখিয়াল ডাঙৰীয়া, তুমি মোকেই প্ৰত্যাহ্বান কৰিছা। এটকাৰ ভাঙত নো কি ডাল আছে, আচল দামতো পেস্তা-বাদামৰহে।”

শনিয়ে মুখখন এনেদৰে ওন্দোলালে যেন তাৰ উদাৰতাৰ ওপৰত এই আক্ষেপটোৰ বাবে বেচ খং উঠিছে। ক'লে—“পুৰিয়াটো থৈ দিয়াঁ, তোমাক সি কিবা খাই পেলাবনে? দাৰোগাৰ পূৰ্বপুৰুষে কবলৈ দিয়া। তাৰ পাছতো নহয় যদি গাঁওসভাৰ তৰফৰপৰা ভাঙৰ ভোজ এটা দিয়া যাব।”

মেম্বাৰে সকীয়ালে—“পঁচিছ টকা খৰচ হ'ব।”

“হ'বলৈ দিয়া।”

“পঞ্চায়ত মন্ত্ৰীয়ে এই খৰচৰ বাবে বেয়া পাব।”

শনিচৰে খপ কৰি খং তুলি লৈ ক'লে—“এই কো-অপাৰেটিভ্ ইউনিয়নতে দহবছৰৰপৰা সদায়েই আবেলি ভাঙৰ ভোজ হয়। কোনো চালাই বেয়া নাপালে, গাঁওসভাৰ ভ'ং ভোজত কোনোবাই কিডাল খাই বেজাৰ পাব?”

দাৰোগা আৰু যোগনাথক দোকানৰ ফালে অহা দেখা গ'ল। শনিচৰে প্ৰথমতে কামিজটো লৈ পিন্ধিব খুজিলে। কামিজটো নিৰ্বাচনৰ পিছত বনোৱা হৈছিল আৰু ইয়াক বৈদ্য ডাঙৰীয়াৰ আদেশত বিশেষ বিশেষ কাৰণতহে পিন্ধিব পাৰিছিল। তাৰ পিছত জানো কি ভাবি কামিজটো চাউলৰ টুকুৰিটোতে পেলাই থলে। এবাৰ খালী গাটোতে হাতখন ফুৰালে। টিকনিডাল মূৰৰ

ওপৰত ঠিক কৰি ললে আৰু পিন্ধি থকা আণ্ডাৰৱেৰটো ওপৰলৈ টানি লৈ কৰঙনটো অৰ্দ্ধাবৃত কৰিলে। ইয়াৰ পিছত সি দাৰোগা ডাঙৰীয়াক স্বাগত জনাবলৈ সাজু হ'ল। অৰ্থাৎ কোনোবা কাল্পনিক গ্ৰাহকৰ বাবে এনেয়ে পাল্লাখনত কিবা উঠাই ওজন কৰিলে।

যোগনাথে আহি পায়েই ক'লে—“মুখিয়াল ডাঙৰীয়া, দাৰোগা ডাঙৰীয়া আহিছে।”

শনিচৰে দাৰোগাৰ মূৰৰ ওপৰেৰে দৃষ্টি ঘূৰাই সুধিলে—“হোঁ? কৰ্তা?”

“এখেতেই।”

শনিয়ে সন্মুখত পাৰি থোৱা বেঞ্চখনৰ ফালে দেখুৱাই দাৰোগাৰ প্ৰতি গুৰুত্ব নিদি ক'লে—“বহক দাৰোগা ডাঙৰীয়া। আপুনি পুলিচৰ কাপোৰ পিন্ধি নথকাৰ বাবে চিনাত অলপ অসুবিধা হ'ল।”

দাৰোগা বেঞ্চত বহি পৰিল। বেঞ্চৰ ওপৰৰ ধূলি গুচোৱাটো তেওঁ নীতিবিৰুদ্ধ কাম বুলি ভাবি ললে। তেওঁৰ কাষতে যোগনাথ বহিল।

দাৰোগাই কবলৈ ধৰিলে—“আপোনাৰ নিচিনা মানুহ মুখিয়াল হোৱাৰ বাবে শিৱপালগঞ্জে বহুতো উন্নতি কৰিব।” তেওঁ দুঃখ প্ৰকাশ কৰিলে যে তেওঁৰ টানৰ দিনবোৰত শনিৰে সৈতে চা-চিনাকি হ'ব নোৱাৰিলে। যোগনাথৰ এটা ভুল ধাৰণা হৈছে যাৰ বাবে তেওঁ প্ৰত্যাহ্বান— ”

শনিচৰে কথাটো মাজতে কাটি ক'লে—“ভুল ধাৰণা। এইটো আকৌ কেনে কথা। মই একো বুজি পোৱা নাই। আমি গাঁৱলীয়া মানুহ, একো বুজি নাপাওঁ। গতিকে সহজভাৱে কওক যাতে আমি বুজি পাওঁ।”

দাৰোগাই যিমান পাৰে সহজ কৰি বুজালে—“যোগনাথৰ অলপ ভ্ৰম হৈছে যে—”

শনিয়ে আকৌ মাজতে মাত লগালে—“ভ্ৰম হৈ গৈছে যেতিয়া এই গোচৰত সকলো পৰিষ্কাৰ হৈ যাব। চাৰিবাৰ হাজিৰা দিয়াৰ পাছত গম পাই যাব ভ্ৰম কাৰ?”

দাৰোগা ডাঙৰীয়াই একো মাত নামাতি নিৰৱে বেঞ্চত বহি থাকিল। ঘড়ী চাই মাত লগালে,—“চাওক মুখিয়াল ডাঙৰীয়া, আপুনি এইটোকে ধৰি লওক যে ভ্ৰম মোৰেই হৈছিল। দোষ মোৰ আছিল। সম্পূৰ্ণ প্ৰমাণ আদি নোপোৱাকৈ মই এই মোকৰ্দমাত হাত দিয়াটো উচিত নাছিল। মই এতিয়া মিটমাট কৰিবলৈ সাজু। আপুনি যিটোকে ভাল দেখে সেইটোৱেই হ'ব।”

যোগনাথে মিচিকিয়ালে। কিন্তু শনিচৰে গহীন হৈ ক'লে—“তুমি কি কোৱা যোগনাথ?”

“মইনো কি কম আৰু। তেতিয়াও মই গুণ্ডা আছিলোঁ, এতিয়াও সেই একেই। কোৱা আৰু শুনা এইবোৰ তোমাৰ কাম। এনেয়ে যদি মোৰ মতামত জানিব বিচাৰা তেনেহলে শুনি থোৱা বাৰু। দাৰোগা ডাঙৰীয়াই যিটো কৈছে সেইটোকে লিখিত ভাবে দিয়ক। মামলা খতম বুলি ধৰি লোৱা যাওক।”

দাৰোগাই নামাতিলে। শনিচৰে কিছু সময় তভক্ মাৰি ভাবিলে,—“মই কওঁ দাৰোগা ডাঙৰীয়া, ব'লক এবাৰ বৈদ্য ডাঙৰীয়াৰ সৈতে কথা হৈ লোৱা যাওক।”

“তেওঁৰ সৈতেতো মই কথা পাতিছোঁ ইতিমধ্যে। তেওঁ কয় যে মামলা গাঁও সভাৰ হাতত। যোগনাথৰ মোকৰ্দমা গাঁও সভাইহে বিচাৰ কৰিব। তেওঁ কৈছে যে গোচৰ উঠাই লোৱাৰ কথা

আপুনিহে ঠিক কৰিব। বৈদ্য ডাঙৰীয়া দেখোন গাঁও সভাৰ মেম্বৰো নহয়।”

“হয়, হওঁতে কথাটো ঠিকেই। তথাপিও বৈদ্য ডাঙৰিয়াৰ সৈতে কথা হৈ লোৱাটো ভাল হ'ব।”

“পিছে তেওঁ দেখোন কয় যে তেওঁ গাঁও সভাৰ মেম্বাৰ পৰ্য্যন্ত নহয়।”

শনিচৰে চাউলৰ টুকুৰিৰপৰা কামিজটো উলিয়াই জোৰেৰে জোকাৰ এটা মাৰিলে। এসোপা ধূলি উৰিল যদিও দাৰোগাই নাকত কোনো সোপা নিদিলে। কামিজটো গাত সুমুৱাই ক'লে —“ব'লক, সেই দৰবাৰলৈকে যাব লাগিব।”

তেওঁলোকে তিনিও বৈদ্য ডাঙৰীয়াৰ ঘৰৰ ফালে আগবাঢ়িল।

সেইদিনা আবেলি হোৱাৰ লগে লগে শিৱপালগঞ্জত গাঁও সভাৰ ফালৰপৰা ভাং ভোজ হ'ল। গান্ধী চবুতৰাত সেইদিনা কেবাখনো পিহনাই একেলগে খট্-খটাবলৈ ধৰিলে। ধূলিয়ে-চুলিয়ে একাকাৰ কৰি ভাং পিহা কাম চলি থাকিল। ক'ৰবাত কিজানি ভাঙে নিচা কৰিবলৈ এৰি দিয়ে সেই বিপদৰপৰা ৰক্ষা পৰিবলৈ ধুতুৰাৰ গুটি কিছুমানো লগতে মিলাই দিয়া হ'ল। পেস্তা-বাদাম, জালুক, ইলাচি আদি গৰম মছলাও মিহলোৱা হ'ল। অৱশেষত ইয়াৰ লগত গাখীৰ আৰু পানী মিহলাই কেবা বাল্টিও কৰা হ'ল। বান্দৰৰ দৰে জাপমাৰি শনিচৰে প্ৰথমেই এগিলাচ ভাং হাতত লৈ গছ এজোপাৰ তলত থকা শিৱলিঙ্গত ঢালি দিলেগৈ আৰু লগে লগে ভাঙৰ লগত সম্বন্ধ থকা মন্ত্ৰ আৰু প্ৰাৰ্থনা মুখে মুখে গাই থাকিল। আগৰ দিনৰ অশিক্ষিত মানুহ এজনেও আজিৰ দিনৰ শিক্ষিতৰ

তুলনাত কিমান বেছি জানে—এই কথাবোৰকে ভাবি ভাঙৰ অনুষ্ঠানত গোট খোৱা মানুহবিলাক প্ৰশংসাত শতমুখ হৈ মূৰ জোকাৰিবলৈ আৰম্ভ কৰিলে। তাৰ পিছত ভাং বিতৰণ আৰম্ভ হ'ল।

কিমান ল'ৰা যে গান্ধী চবুতৰাত থিয় দিলেহি তাৰ কোনো লেখেই নহ'ল। সিহঁতৰ চকুৰেদি পানী আৰু মুখেদি লেলাৱতী ওলাই আছিল। প্ৰায়বোৰ ল'ৰাৰে পেটবোৰ বাহিৰ ওলোৱা আৰু ইয়াৰ দ্বাৰা এইটোকে বুজা গৈছিল যে সিহঁতৰ ঘৰত খোৱাৰ অভাৱ নাছিল। ল'ৰা-বিলাকৰ মুখত ফুটি উঠা হাঁহিৰ উল্লাসখিনি খুব অস্বাভাৱিক আছিল। প্ৰতিজন বুদ্ধিয়ক লোকে বুজি উঠিছিল যে ভৱিষ্যত বংশধৰহঁতে আজিৰ উৎসৱৰ কথা সদায়েই কৈ থাকিব আৰু যি কোনো অৱস্থাতে ফুলি উঠা পেট আৰু হাঁহি থকা মুখবোৰ সদায় জিলিকি থাকিব! প্ৰথমতে এই ল'ৰাবোৰৰ মাজত ভাং বিলোৱা হ'ল। সিহঁতে গাখীৰৰ সোৱাদ কেনে নাজানিব পাৰে কিন্তু ভাঙৰ সোৱাদ হলে "বৰ বঢ়িয়া হৈছে, "একেবাৰে ফাষ্ট কিলাচ" আদি মন্তব্য দি চকু মুদি ভাং পিবলৈ ধৰিলে।

আনহাতে একেদিনাই যোগনাথে মদৰ দোকানত বিশেষভাৱে আমন্ত্ৰিত অতিথিক মদৰ ভোজ দিলে। সেই ভোজত মুখ্য অতিথি যিজনক কৰা হ'ল—তেওঁ আজি কিছুদিনৰ আগতে ওচৰ চুবুৰীয়া গাঁও এখনত ঘটা হত্যা কাণ্ডৰ অপৰাধত জেল খাটি ৰেহাই পাই জেলৰপৰা ওলাই আহিছিল। তেওঁৰ উপস্থিতিত পৰিৱেশ বেচ সন্মানজনক আৰু শান্ত আছিল। কিন্তু তাৰে এটা মানুহে মিলিটাৰী ভাষাত ক'লে যে শুই থকা মানুহক ছাগলী কটা দি

কটাটো কোনো বাহাদুৰীৰ কাম নহয়, এইটো কাপুৰুষৰ কাম। তেতিয়াই শান্ত পৰিৱেশ অশান্ত হৈ পৰিল।

"তুমি কেতিয়াবা ছাগলী কাটি পাইছানে ?" মুখ্য অতিথিয়ে প্ৰশ্ন কৰিলে।

"মই কাপুৰুষ নহয়।"

"মই সহজ প্ৰশ্ন সুধিছোঁ" মুখ্য অতিথিয়ে কথাষাৰ আকৌ দোহাৰি সুধিলে,—"বোলোঁ তুমি কেতিয়াবা ছাগলী কাটি পাইছানে ?"

তেওঁ নিজৰ ভাগৰ মদখিনিত চকু দি বৰ সৰু সৰুকৈ আৰু সহজভাৱে কৈ গৈছিল। তেওঁ যেতিয়া আকৌ একেষাৰ কথাকে পুনৰ দোহাৰিলে তেতিয়া কেবাজনো মানুহ ভয় খাই উঠি আহি তেওঁৰ কাষ পালেহি। কোনোবা এজনে তেওঁৰ হাতখনত ধৰি সুধিলে,—"যাবলৈ দিয়া।"

তেওঁ হাতখন টান মাৰি আঁজুৰি আনি তৃতীয়বাৰ আকৌ সুধিলে—"তুমি কেতিয়াবা ক'ৰবাত...... ?"

"যাবলৈ দিয়া, যাবলৈ দিয়া ভাই।" উপস্থিত সুধীবৃন্দই তোষামোদ কৰিবলৈ ধৰিলে। পিছে মিলিটাৰী ভাষা কোৱা মানুহজনো ইতিমধ্যে সেইখিনি অৱস্থা পাইছিলগৈ য'ত প্ৰতিটো বস্তুকে খেৰকুটা যেন আৰু প্ৰতিটো মানুহকে বুৰ্বক জ্ঞান কৰা হয়। তেওঁ বাকীসকল অভ্যাগতলৈ চাই ক'লে, "এই মানুহটোক মদৰ নিচাই পাইছে, ইয়াক সোঁ চুকত শুৱাই দিয়া আৰু মূৰত ঠাণ্ডা পানী ঢালি দিয়া।"

এইয়া আৰম্ভনিহে আছিল। বটল ভাঙিবলৈ আৰু বেছি সময় নালাগিল। তাৰ পিছত সিহঁতে মদৰ দোকানৰপৰা বাহিৰ ওলাই

আলিবাটৰ ওপৰত অলপ সময় গালাগালি কৰিবলৈ ধৰিলে। ৰাতি এক বজাৰ লগে লগেই গোৰ, চৰ-ভুকু আৰু লাঠীৰ শব্দ আৰম্ভ হৈ গ'ল।

আশে পাশে থকা ঘৰবোৰৰ মানুহবোৰ সাৰ পাই উঠিল আৰু সিফালে থানাত থকা মানুহবোৰে শুই নিঃপালি দিলে।

ৰঙ্গনাথে ছাটৰ ওপৰত বাৰান্দাত শুইছিল। সিও সাৰ পালে। সি কিছুসময় মনে মনে বিছনাতে পৰি থাকিল আৰু গাঁৱৰ এটা চুকৰপৰা অহা চিঞৰ-বাখৰবোৰ শুনি থাকিল। অলপ পিছত ৰূপ্পনক কলে—"মোৰ এই ঠাইখনৰ প্ৰতি কিবা এটা ঘৃণা উপজিছে। মই কাইলৈকে উভতি যামগৈ।"

ৰূপ্পনবাবু আজিৰ জলসাত উপস্থিত নাছিল। কিন্তু তেওঁ খাবলৈ বুলি ঘৰলৈকে ভাঙৰ ঘোটা পঠাই দিছিল। সি নিদ্ৰালস মাতেৰে ক'লে—"ক'লৈ যাবা দাদা? তাতো এনেকুৱা অশান্তি পাবা।"

ৰঙ্গনাথে ঘপকৰে ক'লে—"মোৰ সেইখন ঠাইৰ প্ৰতিও ঘৃণা উপজিছে।"

ৰূপ্পনবাবুৱে বাগৰ সলাই এঙামুৰি এটা দি ক'লে—"ঘিণ কৰিবলৈ তুমিনো কোন? এইবিলাকৰপৰাতো তুমি বেলেগ নোহোৱা।"

এনেদৰে কৈ কৈ তেওঁ বিছনাত উঠি বহিল।—"কেইবাদিনৰ পৰা তুমি এনে ধৰণৰ কথা কৈ আছা। তুমি এনেকৈ কথা কোৱা যেন তুমি বিলাতৰপৰাহে আহিছা আৰু বাকী এইবিলাক মাটিত থকা ক'লা মানুহ। শুবৰ মন আছে যদি মনে মনে শুই থাকাঁ, নহলে গোটেই ৰাতি শপি থাকাঁ।"

ছাব্বিছ

ঘৰলৈ ঘূৰি আহি বদ্ৰী পালোৱানে বাপেকক দুখমনেৰে বহি থকা দেখিলেহি।

বদ্ৰীৰ এজন বন্ধুৰ ওচৰৰে জিলা এখনত বে-আইনী ভাৱে অস্ত্ৰশস্ত্ৰ ৰখাৰ অপৰাধত শাস্তি হৈছিল। তেওঁৰ ঘৰত এটা ষ্টেনগান, কিছুমান হেণ্ড-গ্ৰেণেড, এটা ৰাইফল আৰু বন্দুক পোৱা গৈছিল আৰু এইটো প্ৰমাণিত হৈ গৈছিল যে সেই মানুহজনেই অস্ত্ৰাগাৰৰ মালিক। বন্ধুজনে আদালতত এই কথা অস্বীকাৰ কৰিছিল যে অস্ত্ৰাগাৰটো আৰু ঘৰটো তেওঁৰ নিজৰ নহয়। ঘৰটো তেওঁৰ পত্নীৰহে আছিল। পিছে আদালতৰ কথা, কথাৰ মেৰপাকত অস্ত্ৰশস্ত্ৰ ধৰা পৰি গ'ল আৰু বন্ধুগৰাকীক দুবছৰ কাৰাদণ্ড বিহি জেললৈ পঠালে।

বদ্ৰী পালোৱানৰ চকু অস্ত্ৰশস্ত্ৰত নাছিল, পিছে তেওঁ বন্ধুৰ দুখৰ দিনত খবৰ লবলৈ যোৱাটো উচিত বুলি ভাবিলে। বন্ধুৱে ইফালে হাইকোৰ্টলৈ আবেদন জনাইছিল আৰু নিজে জামিনত আছিল। বদ্ৰীক তেওঁ বহুবাৰ এই কথাষাৰ দোহাৰিছিল যে হাইকোৰ্টত হাৰি গলে চুপ্ৰীম কোৰ্টলৈ যাব লাগিব আৰু এই আটাইবোৰ কামতে বহুত টকা পইচা খৰচ হ'ব আৰু সেই আটাইবোৰ খৰচ তেৱেঁই বহন কৰিব লাগিব। কিয়নো, আজি-

কালি কোনো কাৰো আপোন নহয়। বদ্রীয়ে এইটোকে বুজিছিল যে এই মোকৰ্দমাৰ খৰচ বেলি ডুবাৰ পাছত আশে পাশে আলিয়েদি যোৱা বাটকুৱাৰ পৰাই উলিয়াব লাগিব। কিয়নো, তেওঁ লুটপাত কৰাটো ঘৃণাৰ চকুৰে চাইছিল। সেইবাবেই তেওঁ বন্ধুক আশ্বাস দিলে যে টকা পইচাৰ কাৰণে চিন্তা কৰিব নালাগে, সকলো প্রয়োজন ভগৱানে পূৰণ কৰিব। বন্ধুৱেও হাঁহি মাৰি ক'লে—"যিখিনি আছে সকলো ভগৱানৰেই দান।" ইয়াকে কৈ তেওঁ কাপোৰৰ টোপোলাৰ পৰা এটা টোপোলা উলিয়ালে। তাত বহুতো নোট বান্ধি থোৱা আছিল। তাৰপৰা দুহেজাৰ টকা উলিয়াই বদ্রীৰ হাতত গুজি দি ক'লে—"এইয়া তোমাৰ লগত থৈ দিবা। মোৰ কি ঠিক? ভ্রমি ফুৰা যোগী, বৈ যোৱা পানী। এটা ভৰি ইয়াত আনটো জেলত। যদি হাইকোর্টত আপীল নাকচ হৈ যায় তেনেহলে জামিন তাতেই শেষ হ'ব। তেতিয়া এই টকাৰে চুপ্রীম কোর্টলৈ যাবলৈ ব্যৱস্থা কৰিবা। ভগৱানে যদি ইয়াৰ মাজতে আৰু দুই চাৰি হাজাৰৰ ঠিকনা লগাই দিয়ে তাকো তোমাৰ গুৰিলৈ পঠাই দিম। মোৰ দিন কাল ভাল নহয়। এক ভগৱানৰ আৰু আনটো হ'ল তোমালোকৰ সহায়।"

বদ্রীয়ে ঘৰলৈ আহিয়েই বৈদ্য ডাঙৰীয়াক বন্ধুৰ বিলাই বিপত্তি শুনালেহি আৰু ক'লে—"বোধহয় চুপ্রাম কোর্টো পাবগৈ লাগিব আৰু তেনে অৱস্থাত মোৰো অলপ ঘূৰা-মেলা কৰা হ'ব।" বৈদ্য ডাঙৰীয়াই দুখেৰে ক'লে—"মই কি কম, যি মন গৈছে তাকে কৰগৈ।"

বদ্রীয়ে সচকিত হৈ বাপেকলৈ চালে। পেঘেনিয়াই পেঘেনিয়াই বাপেকৰ দুঃখৰ কাৰণ সুধিলে। বাপেকৰ পৰা গম পালে যে এই দুই চাৰি দিনতে বহুতো মানুহে বেয়া কাম কৰিছে।

প্ৰিন্সিপালে চহৰলৈ গৈ শিক্ষা বিভাগৰ উপ-সঞ্চালকক কলেজ কমিটিৰ বাৰ্ষিক ৰিপোৰ্ট দেখুৱাইছিলগৈ। ৰিপোৰ্টত অৱশ্যে উল্লেখ কৰা নাছিল—যে কেইজনমান সদস্যক বন্দুকেৰে ভয় খুওৱা হৈছিল আৰু নিৰ্বাচনৰ সময়ত তেওঁলোকক ভিতৰলৈ যাবলৈ দিয়া নহ'ল। এই লিখিত প্ৰমাণৰ পিছতো উপ-সঞ্চালকে ৰামাধীনৰ অভিযোগ অনুসন্ধান কৰিব খুজিছে। অনুসন্ধানৰ বাবে সময় হাতত নথকা সত্বেও তেওঁ প্ৰিন্সিপালক নোটিশ্ দিছে যে তেওঁ নিজে অনুসন্ধান কৰিব আৰু তাৰবাবে ইতিমধ্যে তাৰিখো ধাৰ্য্য কৰা হৈ গৈছে।

খান্নামাষ্টৰেও উপসঞ্চালকৰ ওচৰত এখন লিখিত প্ৰতিবেদন দাখিল কৰিছে আৰু তাত অভিযোগ কৰা হৈছে যে ইয়াৰ কলেজত শিক্ষকে যিমান বেতন পায় তাৰ দুগুণ পইচাৰ বিপৰীতে চহী লোৱা হয়। এইবোৰ কথা শতকৰা সত্তৰখন কলেজত হৈ থাকে। গতিকে এনেবোৰ কথাত মন দিব নালাগিছিল। পিছে উপ-সঞ্চালকে কথা দিছে যে তেওঁ ইয়াৰো অনুসন্ধান কৰিব।

মালবীয় মাষ্টৰৰ বিৰুদ্ধে কোনোবাই বেনামী নোটিশ্ ছপোৱাইছে। কথাটো সঁচাই হওক বা মিছাই হওক বেনামী অভিযোগ কৰাটো ভীৰু মানুহৰ কাম। কোনোবা ল'ৰাৰ সৈতে ব্যভিচাৰ কৰাটোও কাপুৰুষৰ কাম আৰু যদি মালবীয়ই এনে কৰিছিলেই তেনেহলে খোলাখুলি ভাবে তেওঁক গৰিহনা দিয়া উচিত আছিল। কিন্তু শুনা কথা যে খান্নামাষ্টৰে কলেজৰ কেইটামান ল'ৰাক সাক্ষী বনাই প্ৰমাণ কৰিব খুজিছে যে এই নোটিশ্ ছপোৱা কামটো প্ৰিন্সিপালৰহে। ৰূপ্পনে একো নামাতে। পিছে শুনা যায় যে খান্নাই নোটিশ্ ছপোৱাৰ প্ৰমাণ তাৰ সহায়তহে

পাইছে। বহুতো ছাত্ৰক ফুচুলাই সিহঁতৰ হতুৱাই অভিযোগ কৰোৱাইছে যে কলেজত সকলো ঘটনাই হয়, কেৱল পঢ়াহে নহয়। এই বিলাকৰ অৱশ্যে কোনো লিখিত প্ৰমাণ নাই যদিও ইয়াৰো অনুসন্ধান চলোৱা হ'ব।

সেয়া বাৰু থাওকেই। ৰঙ্গনাথেও আজিকালি কেতিয়াবা খান্নাৰ সৈতে কথা পাতে। ইফালে অৱশ্যে তেওঁৰ স্বাস্থ্যৰ বিকাশটো হৈছেই, কিন্তু মস্তিস্কহে দুষিত হৈ গৈছে।

কো-অপাৰেটিভ্ ইন্সপেক্টৰো দেখোন যুধিষ্ঠিৰৰ বাপেক। তেওঁ নিজৰ এটা ৰিপোৰ্ট তেওঁৰ বিভাগৰ মুৰব্বীলৈ পঠাইছে আৰু তাত লিখিছে যে ৰামস্বৰূপ চুপাৰভাইজৰে যি দুহেজাৰৰো বেছি টকা আত্মসাৎ কৰিলে সেইটো কথা বৈদ্য ডাঙৰীয়াই জানিছিল আৰু তেওঁ সেই টকা বৈদ্য ডাঙৰীয়াক ওভোতাই দিয়াৰ প্ৰস্তাৱ দিছিল। মেনেজিং ডাইৰেক্টৰ হিচাপে বৈদ্য ডাঙৰীয়াই ইন্সপেক্টৰৰ বিৰুদ্ধে যি ৰিপোৰ্ট দিছিল তাৰ ওপৰতো কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই আৰু অনেক চেষ্টা কৰা সত্বেও তেওঁৰ বদলিৰ কোনো উমঘামেই নাই।

বদ্ৰী পালোৱানে বাপেকৰ পৰা আটাইখিনি কথা শুনাৰ পাছত ক'লে,—"বচ।"

বৈদ্য ডাঙৰীয়াই ক'লে,—"তই ইয়াক 'বচ্' বুলি কৈছ? মোৰ সেৱাৰ এয়াই পুৰস্কাৰ।"

বদ্ৰী পালোৱানে পুৰস্কাৰ কথাটো নুশুনাৰ ভাও জুৰিলে আৰু ক'লে,—"এইবিলাক চব দহ মিনিটতে শেষ কৰি দিব পৰা যাব। কো-অপাৰেটিভ্ ইন্সপেক্টৰক দহ জোতামান মাৰিলেই সকলো ঠিক হৈ যাব। উপ-সঞ্চালকে যদি কথা নুশুনে আৰু তাৰ পাছতো

যদি অনুসন্ধান কৰিবলৈ আহে তেতিয়া তেওঁৰো উচিত ব্যৱস্থা লোৱা হ'ব। খান্না মাষ্টৰক হুকুম শুনাই দিম যে তেওঁ আৰু তেওঁৰ দলৰ মানুহ কাইলৈৰ পৰা কলেজৰ চৌহদৰ ভিতৰলৈ যোৱা নিষেধ। আটাইকে সমভাৱে অনুপস্থিত থকা দেখুৱাই পোন্ধৰ দিনৰ পাছত গতিয়াই বাহিৰ উলিয়াই দিম।"

বৈদ্য ডাঙৰীয়াই খঙেৰে ক'লে,—"এইটো কেনেকৈ হ'ব পাৰে?

"প্ৰিন্সিপালে কৰিব। যোৱা বছৰ ত্ৰিপাঠী ডাঙৰীয়াক কেনেকৈ উলিওৱা হৈছিল? তেওঁক এমাহকাল অনুপস্থিত কৰি ৰখা হৈছিলনে নাই? আপুনি কেৱল এই আটাইবোৰ ব্যৱস্থা এৰি দিয়ক, প্ৰিন্সিপালে সকলো ঠিক কৰি লব। সকৰেও ইফালে ছুটামানক ঠিক কৰিছে। কলেজৰ বাহিৰত সিহঁতৰ ডিউটী লগাই দিম! খান্নাই কলেজৰ ভিতৰ সোমোৱাৰ লগে লগে তাৰ ডিঙি মুচৰি দিয়া হ'ব।

ৰঙ্গনাথে যিমানেই চেলবেলাই নাথাকক লাগে তাৰ পৰা কোনো ভয় নাই। চহৰৰ মানুহ। আপুনি সেইফালে মনেই নিদিব, নিজেই ভয় খাই উভতি যাবগৈ। থাকিলগৈ ৰূপ্পন। তাক দুই-তিনিটা বোন্দা চৰ শোধাব লাগিব। আপুনি যেতিয়াই কব তেতিয়াই শোধাব পাৰিম।"

বৈদ্য ডাঙৰীয়াই বদ্ৰীৰ প্ৰতিৰক্ষাৰ আঁচনি শুনি কিছু সময় নিতাল মাৰি থাকিল। তাৰ পিছত মাত লগালে,—"ইয়াত বাৰু সকলো ঠিক হ'লেই, পিছে সিফালৰ ৰাজনীতিতহে মেৰপাক। সেই কাৰণেইতো সকস্থৰা বিষয়াৰ সাহ বাঢ়ি গৈছে। কো-অপাৰেটিভ্ অফিচাৰৰ বদলিটোৱেই আজি পৰ্য্যন্ত হৈ নুঠিলগৈ। ইয়াৰ পিছতো ডাঙৰ ডাঙৰ ৰাজনীতি আছে। এইটোৱেই এতিয়া চিন্তাৰ বিষয়।"

বদ্রী পালোৱানে খঙেৰে ক'লে,—"ৰাজনীতিৰ কথা আপুনি জানে। মইতো কথা এটা কলোঁ দিয়কচোন। ইন্সপেক্টৰক দহ জোতা মৰা হৈ যাব। অৱশ্যে সি যদি ছুটী লৈ ক'ৰবালৈ যায় তেনেহলে জোতা মৰাৰ আৰু কোনো দৰকাৰ নহ'ব। এৰি দিম তাক।"

বদ্রীয়ে তাৰ চোলাৰ জেপৰপৰা কিছুমান নোট উলিয়ালে। বাপেকৰ হাতত নোটখিনি দি ক'লে,—"ইয়াত তেৰশ টকা আছে। শুনিছোঁ পৰামৰ্শ, মিটমাট আদিৰ বাবে দাৰোগায়ো কিছু টকা দি গৈছে। সেইখিনিও মিলাই দুহেজাৰ পূৰা কৰি পেলাওক। কো-অপাৰেটিভে জোৰ কৰিলে আগতেই জমা কৰি দিয়া যাব।"

"দাৰোগা ডাঙৰীয়াই যি দিছিল তাৰে কিছু টকা যোগনাথক দিয়া হ'ল। এতিয়া চাৰি-পাঁচশ মান থাকিলগৈ। সেইয়া ৰাইজৰ বাবে।"

"কো-অপাৰেটিভো ৰাইজৰেই।"

বৈদ্য ডাঙৰীয়াই বদ্রীৰ টকাখিনি ঘূৰাই দি ক'লে,—"টকাখিনি তয়ে থৈ দে। পিছত দেখা যাব।"

ইয়াৰ পাছত বদ্রীয়ে ঘৰৰ ভিতৰলৈ সোমাই যোৱাৰ আগতে বাপেকক এষাৰ কথা কৈ গ'ল,—"দেউতা, গয়াদীনৰ লগতো কথা হৈ লব।"

বদ্রী পালোৱানে যোৱা কেইটামান বছৰৰপৰা বাপেকক একো সম্বোধন নকৰাকৈয়ে মাতিছিল। সৰুতে অৱশ্যে 'দেউতা' বুলি মাতিছিল। পিছত ডেকা হোৱাৰ লগে লগে এই সম্বোধন এৰি পেলাইছিল। বদ্রী পালোৱানৰ কথাটো বাপেকে শুনিলে আৰু একো নক'লে।

এদিন বৈদ্য ডাঙৰীয়াই অকলেই অন্তৰত শুভকামনা লৈ চহৰলৈ যাত্রা আৰম্ভ কৰিলে। চহৰ পায়েই ৰাতি পুৱাবৰেপৰা বহুতো বঙলা ঘুৰিলে। দুই এটা বঙলা এৰি—য'ত এঘণ্টা আধাঘণ্টা বাহিৰত বহি থকাটো অপমানজনক পৰিস্থিতি বুলি মানি লোৱা নহৈছিল যদিও বহুতো পৰিস্থিতিৰ সন্মুখীন হ'বলগা হোৱাত তেওঁৰ অন্তৰৰ আত্মবিশ্বাসটোৱে আকৌ ফোঁচ কৰি উঠিল। কেবাটাও বঙলাত বৈদ্যৰ বীৰ্য্যপুষ্টিৰ বড়ি পাই মানুহ প্ৰসন্ন হৈছিল। বহুতকে আকৌ বড়ি দিয়াৰ লগতে এই খবৰটোও দিছিল যে অলপ দিনৰ আগতে কোনো এক জ্যোতিষীৰ সৈতে তেওঁৰ চিনাকি হৈ গৈছে আৰু ইচ্ছা কৰিলে সেই জ্যোতিষীৰ হতুৱাই সোৱঁৰণীও দেখুৱাব পৰা যায়। কিছুমান মানুহৰ উৎসাহ বঢ়াবলৈ বড়িৰ প্ৰাপ্তি আৰু জ্যোতিষীৰ পৰিচয়েই যথেষ্ট নাছিল। তেওঁ-লোকক কবলগীয়া হৈছিল যে ঋষিকেশপৰা এজন মহাত্মন লোক কোনোবাদিনা এই ঠাই পাবহি। সেইজন মহাত্মনৰ আশীৰ্বাদত অমুকজন পুলিচ বিষয়াৰ বিৰুদ্ধে থকা আটাইবোৰ অভিযোগেই মিছা প্ৰমাণিত হৈছিল আৰু কেৱল সেয়ে নহয় তেওঁৰ পদোন্নতিও হ'ল। অৱশ্যে সেই মহাত্মনক ৰাতি দহ বজাৰ পিছতহে লগ পোৱাটো সমীচীন হ'ব আৰু কোনোবাই মহাত্মনৰ সৈতে চিনাকি হবলৈ ইচ্ছা কৰিলে তেওঁৰ লগত চিনাকি কৰি দিবলৈ বৈদ্য নিজে আহিব পাৰে।

কেইবাজনো স্বনামধন্য ৰাজনীতিজ্ঞ আৰু উচ্চপৰ্য্যায়ৰ চৰকাৰী বিষয়াক ছলাহী কথাৰে পৰাভৱ কৰি বৈদ্য ডাঙৰীয়াই শেষত এটা ৰাজহুৱা বঙলা পালেগৈ—য'ৰপৰা সমবায় ইন্সপেক্টৰৰ ৰক্ষাৰ আদেশ বাহিৰ হৈছিল। তাত তেওঁ জানিব পাৰিলে যে বৰ্তমান

সমবায় আন্দোলনত স্বজনপ্ৰীতি আৰু বন্ধু-বান্ধৱক সহায় কৰাৰ এক নতুন চিন্তাধাৰাৰ সঞ্চাৰ হৈছে। এই চিন্তাধাৰা অলপ এনে ধৰণৰ আছিল: যদি তোমাৰ বাহুত বল আছে তেনেহলে তাক যথাযোগ্য ভাৱে খটুৱাই শক্তি বৃদ্ধি কৰিবলৈ চেষ্টা নকৰিবা। বৰং তাৰ দ্বাৰা নতুন আৰু বিৰোধী শক্তিৰ জন্ম দিয়াঁ আৰু তাক এনেভাবে প্ৰয়োগ কৰাঁ যাতে সি নিজৰ ভিতৰতে খোৱা কামোৰা কৰি থাকিবলৈ প্ৰয়াস পায়। ইয়াৰ ফলতেই তোমাৰ শক্তি সুৰক্ষিত হৈ থাকিব আৰু সৰ্বগ্ৰাসী হৈ থাকিব। যদি তুমি নিজৰ শক্তিৰ বিকাশৰ বাবেই কেৱল চেষ্টা কৰি থাকা আৰু অন্যান্য পৰস্পৰ বিৰোধী শক্তিৰ সৃষ্টি, স্থিতি আৰু সংহাৰৰ নিয়ন্ত্ৰক হিচাপে থিয় নিদিয়া তেনেহলে কিছুদিনৰ পাছত কিছুমান অদৃশ্য-মান শক্তিয়ে মূৰ দাঙি উঠিব আৰু তোমাৰ ওপৰত আক্ৰমণ চলাই তোমাৰ শক্তিক চূৰ্ণ বিচূৰ্ণ কৰি দিব।

এই সিদ্ধান্তক বাস্তৱত ৰূপ দিবলৈ হলে কেৱল এটাই পৰিণাম আছিল আৰু সেইটো হ'ল যে সেই বঙলাত এতিয়া কেৱল নিজৰ দলীয় লোকৰেই নহয় অন্যান্য বিৰোধী দলৰো কথা শুনা গৈছিল। কিয়নো সমবায় ইন্সপেক্টৰৰ বদলিটো নাকচ কৰিবলৈ এইবাৰ হেনো এজন বিৰোধী দলৰ নেতাই হেঁচা দিছিল। এই নেতাই প্ৰয়োগ কৰা শক্তিয়ে এইবাৰ এটা তৃতীয় বিৰোধী দলৰ নেতাক খুন্দিয়াবলগা হৈছিল। ফলত বৈদ্য ডাঙৰীয়াই লাগিলে সমবায় ইন্সপেক্টৰৰ বদলিৰ বাবে আমৰণ অনশনেই আৰম্ভ নকৰক, তথাপি এই সময়ত তেওঁৰ বদলি হোৱা মুঠেতে সম্ভৱ নহ'ব।

বৈদ্য ডাঙৰীয়াক এই কথাও কোনেও কোৱা নাছিল যে এনে ধৰণৰ বঙলাত বহুতো কথাৰ আঁওভাও গম পোৱা যায়। তথাপি

তেওঁ সেইখিনি পায়েই সকলোবোৰ কথা গম পালে। তেওঁ কিন্তু অলপো হতাশ নহ'ল। তেওঁ নেতাসকলক বহুত কথা বুজাবলৈ চেষ্টা কৰিলে কিন্তু কথা ওলোটাহে হ'ল। তেওঁ আত্ম-পক্ষ সমৰ্থন কৰি ক'লে যে, আমাৰ ইউনিয়নত আত্মসাতৰ দৰে কোনো আত্মসাৎ হোৱা নাই। হৈছে যদিও আত্মসাৎ কৰাজন বৰ্তমান অন্তৰ্ধান আৰু শাসনযন্ত্ৰ নিষ্কৰ্মা হোৱাৰ বাবে এতিয়ালৈকে ধৰা পৰা নাই। তেওঁৰ এই কাজিয়াৰ সৈতে কোনো সম্পৰ্ক নাই, যদি কোনো সম্বন্ধ প্ৰমাণিত হৈয়ো যায় তথাপিও যিমান কব সিমান টকা ইউনিয়নক দানস্বৰূপে ঘূৰাই দিয়া হ'ব। কিন্তু ইয়াৰ আগতে ইন্সপেক্টৰ বদলি হোৱাটো আৱশ্যক। যি কব তেওঁ তাকে কৰিবলৈ সাজু, চৰ্তমাত্ৰ এইটোৱেই থাকিব যে···।

নেতাসকলৰ ফালৰপৰা বৈদ্য ডাঙৰীয়াক কোৱা হ'ল যে আমি ৰাইজৰ আগত আদৰ্শ দাঙি ধৰা উচিত। ইয়াকে নকৰিলে ৰাইজে বেয়া আচৰণ কৰিব। ৰাইজে দোষ ধৰা মানে সমগ্ৰ দেশেই দোষ ধৰা। বৰ্তমান সমাজে দোষ ধৰিলে ভৱিষ্যতৰ সমাজৰ ওচৰত আমি জগৰীয়া হৈ ৰ'ম। ৰামে কি কৰিছিল? সীতাক ত্যাগ কৰিছিল নে নাই? সেইবাবেইতো আমি আজিকোপতি ৰামৰাজ্যৰ কথা কৈ থাকোঁ। ত্যাগৰ দ্বাৰাই ভোগ কৰাটোৱেই হ'ল আমাৰ আদৰ্শ। "তেন ত্যক্তেন ভুঞ্জীথা" বুলি শাস্ত্ৰত এবাৰ কথা কোৱা আছে। সকলোবোৰ যশস্বী নেতাই তাকে কৰে। ভোগ কৰাৰ শেষত ত্যাগ কৰে আৰু ত্যাগৰ শেষত ভোগ কৰে। অমুক বিত্ত মন্ত্ৰীয়েনো কি কৰিলে। ত্যাগ পত্ৰ দিলেনে নাই? অমুক ৰেলমন্ত্ৰীয়েও তাকেই কৰিলে, আৰু অমুক তথ্য মন্ত্ৰীয়েও তাকে কৰা নাই জানো? গতিকে

এই সময়ত সমগ্ৰ দেশক, এই ৰাজ্যক, এই জিলাক, এই কো-অপাৰেটিভ্ ইউনিয়নক এনেকুৱা ত্যাগৰে প্ৰয়োজন। ইউনিয়নৰ বিৰুদ্ধে যি অভিযোগ আছে তাৰ মুকলিভাবে অনুসন্ধান চলক। ইয়াৰ পৰিৱৰ্তে এইটো বেছি ভাল হ'ব যে বৈদ্য ডাঙৰীয়াই ৰাইজৰ আগত এটা মহৎ আদৰ্শ দাঙি ধৰক। আদৰ্শৰ স্তূপৰ তলত সকলো অভিযোগেই লোপ পাব। সেইবাবে বৈদ্য ডাঙৰীয়াই মেনেজিং ডাইৰেক্টৰ পদ ত্যাগ কৰা উচিত। তেওঁৰ বিৰুদ্ধে যি ৰিপোৰ্ট আহিছে তাৰ একমাত্ৰ উত্তৰ হ'ব পদত্যাগ পত্ৰ দাখিল কৰাটো। ইচ্ছা কৰিলে তেওঁ কোনো এক সিদ্ধান্তত অটল থাকি নতুবা ইউনিয়নৰ কোনো সহকৰ্মীৰ অসহযোগৰ কাৰণ দেখুৱাই পদত্যাগপত্ৰ দাখিল কৰিব পাৰে। পদত্যাগপত্ৰ দাখিল কৰাৰ কাৰণ তেওঁ অনায়াসে দাঙি ধৰিব পাৰিব। পদত্যাগপত্ৰ দাখিল কৰাৰ সময়ত কোনো চৰ্ত আৰোপ কৰা উচিত নহ'ব।

বৈদ্য ডাঙৰীয়াই সকলো স্থিৰ কৰি পেলালে। তেওঁ ক'লে, —"মই পদত্যাগপত্ৰ দাখিল কৰিম। সম্ভৱ এইয়া মোৰ চৰম দুৰ্বলতা বুলিয়েই ধৰি লোৱা হ'ব। তথাপিও এই নিৰৰ্থক প্ৰচাৰৰ বিৰোধিতা কৰি মই আপোনালোকৰ উপদেশ অনুসৰি পদত্যাগ-পত্ৰ দাখিল কৰিম। কিন্তু প্ৰাদেশিক ফেডাৰেশ্যনৰ কাৰণে প্ৰাৰ্থী নিৰ্বাচিত কৰাত যেতিয়া প্ৰশ্ন উঠিব……।

তেওঁক আশ্বাস দিয়া হ'ল যাতে মহানুভৱতা থকা লোকসকলে একোটা উচ্চ আদৰ্শ দাঙি ধৰাৰ বাবে ত্যাগ স্বীকাৰ কৰাৰ দৰেই বৈদ্য ডাঙৰীয়াই পদত্যাগপত্ৰ নিশ্চিন্ত মনে দাখিল কৰিব পাৰে।

আজি শুভেচ্ছামূলক যাত্ৰাত বৈদ্য ডাঙৰীয়াই বীৰ্যপুষ্টিৰ বড়ি বিতৰণ, জ্যোতিষীৰ বাতৰি আৰু সন্ন্যাসী বাবাৰ সৈতে মধ্যস্থতা

কৰা—এই তিনিওটা কাৰ্য্যসূচীৰ বাদেও এটা চতুৰ্থ কামৰ বাবেও গৈছিল। গতিকে চৰকাৰী বঙলাৰ বাহিৰ ওলোৱাৰ আগতে তেওঁ এই কথাও কবলৈ না পাহৰিলে,—"আপোনালোকে শুনি সন্তোষ পাব যে মই মোৰ জ্যেষ্ঠ পুত্ৰৰ বিবাহ আন্তঃকুলীন বিবাহ পদ্ধতি অনুসৰি পাতিবলৈ স্থিৰ কৰিছোঁ। এতিয়াও কথাটো অৱশ্যে পকা হোৱা নাই যদিও নিমন্ত্ৰণী পত্ৰ অনতি পলমে আপোনালোকলৈ আগবঢ়াম। আপোনালোকৰ উপস্থিতি প্ৰাৰ্থনীয় হ'ব। হয়তো, ব্যক্তিগতৰূপে নিবেদন কৰিবলৈ সেই সময়ত আহিব নোৱাৰিবও পাৰোঁ। গতিকে এতিয়াই কৈ থলোঁ। এনেকুৱা আদৰ্শ বিবাহত আপোনালোকৰ সহযোগ আৰু আশীৰ্বাদ পোৱাটো অত্যন্ত আৱশ্যক।"

নেতাকেইগৰাকীয়ে বৈদ্য ডাঙৰীয়াৰ এই কথাষাৰ শুনি আনন্দ পালে। গতিকে তেওঁলোকে এই বিবাহত নিশ্চয় উপস্থিত থাকিব বুলি আশ্বাস দিলে।

কো-অপাৰেটিভ্ ইউনিয়নৰ বাৰ্ষিক সভা বেচ সুন্দৰভাবে পালন কৰা হ'ল। এইবাৰ সভাৰ শেষত চহৰৰপৰা মিঠাই আনি চাহ খুওৱাৰ ব্যৱস্থাও কৰা হৈছিল। ইউনিয়নৰ ভৱনত পতাকা উত্তোলন কৰা হৈছিল আৰু তাত ফুলৰ মালাৰে ভৰি পৰিছিল। যিজনা হাকিমে এই ইউনিয়নৰ দ্বাৰ উদঘাটন কৰিছিল তেওঁকো সভালৈ আমন্ত্ৰণ কৰা হৈছিল। ৰাইজৰ আগতে ভাষণ দিবলৈ আৰু বাৰ্ষিক সভাৰ সভাপতি হৈ মালা পিন্ধিবলৈ উথলি অহা তেজ তেওঁৰ মুখত বহুত আগৰেপৰা দেখা গৈছিল। তেওঁ চহৰৰ পৰা আহোঁতে এজন বেপাৰীৰ মটৰ গাড়ীত আহিছিল।

ইউনিয়নৰ বাৰ্ষিক ৰিপোৰ্ট নপঢ়াকৈয়ে পঢ়া হ'ল বুলি মানি

লোৱা হ'ল। বেপাৰত লাভ হোৱাৰ কথা আৰু সদস্যসকলে লাভৰ অংশ পোৱাৰ কথাও ৰিপোৰ্টত উল্লেখ আছিল যদিও তেওঁলোকে গম নাপালে। সেইয়ে তেওঁলোকক কোনো লাভাংশ নিদিয়াকৈয়ে তেওঁলোকে পাই গ'ল। বহুতো কাম নকৰাকৈয়ে হৈ গ'ল। শেষত যিটো কাম হোৱাৰ আৱশ্যক আছিল সেইটো আৰম্ভ হ'ল অৰ্থাৎ ভাষণ আৰম্ভ হ'ল।

ভাষণৰ প্ৰকৃত কথা কবলৈহে, গ্ৰহণ কৰিবলৈ নহয়। গতিকে সভাত ভাষণ দিয়ে থাকিল আৰু নিজৰ ভিতৰতে অন্যান্য সমস্যা-সমূহ সমাধান হৈ থাকিল। ভাষণ প্ৰসঙ্গত চহৰৰ পৰা আমদানী কৰা হাকিমে বৈদ্য ডাঙৰীয়াৰ ভূয়সী প্ৰংশসা কৰিলে। তেওঁ ক'লে যে বৈদ্য ডাঙৰীয়া হ'ল সমবায়ৰ প্ৰতিভা স্বৰূপ। মানুহে অৱশ্যে প্ৰতিভাৰ অৰ্থ কি তাক বুজিবলৈ চেষ্টা নকৰি তেওঁলোকৰ মাজত ফুচফুচীয়া আলাপ চলিল—বদ্ৰী পালোৱান গয়াদীনৰ জীয়েকৰ লগত কেনেকৈ প্ৰেমত পৰিল। হাকিমে আকৌ ক'লে যে যেতিয়ালৈকে গাঁৱে গাঁৱে এনে প্ৰতিভাৰ সৃষ্টি নহয়, কো-কোঅপাৰেটিভ্ আন্দোলনে প্ৰগতি লাভ কৰাটো অসম্ভৱ। এইবাৰো মানুহবিলাকে কো-অপাৰেটিভৰ অৰ্থ বুজিবলৈ চেষ্টা নকৰিলে আৰু হাকিমেও ইমানকে কৈ মনে মনে থাকিল। মানুহৰ মাজত ফুচফুচনি চলি থাকিল—কথাটো লুকুৱাই থোৱা নাই, নিজে নিজেহে লুকাই গৈছে,—গতিকে এই বিয়া হ'ব। এই ফুচফুচনিৰ ভিতৰত অৱশ্যে কোনেও কোনো দুঃখদায়ক কথা নক'লে।

তথাপিও ইয়াৰ পিছত দুঃখৰ কথা বৰ্ণাবলৈ ক'ৰবাৰ পৰা এটা ধোবা আহি ওলালহি। সি মানুহৰ মাজৰ পৰা থিয় হৈ চিঞৰি কলে যে সিও ভাষণ দিব।

তাৰ কাষতে বহি থকা মানুহে তাৰ চুৰিয়াৰ পোনত ধৰি টানিবলৈ ধৰিলে যাতে সি চুৰিয়াখন খুলি যোৱাৰ ভয়ত বহি পৰে। পিছে সেই মানুহটো ৰামাধীন ভীখম-খেড়ৱীৰ দলৰ মানুহ আছিল আৰু প্ৰতিটো কথাকে নীতি নিয়ম অনুসৰি কৰলৈ বুলি সাজু হৈ আহিছিল। সেইবাবেই সি চুৰিয়াৰ পোন খোলালৈ বৰ বিশেষ কাণ নিদিলে। বৰং তাৰ উৎসাহ দুগুণ বৃদ্ধিহে পালে আৰু সকলো বক্তাৰ ভাষণকে চেৰ পেলাই সি চিঞৰি চিঞৰি ক'লে যে আজি সিও ভাষণ দিব। চিঞৰি কোৱাৰ ফলত যিটো সাধাৰণতে ঘটনা হয় সেয়ে হ'ল। বিপক্ষই লাহে লাহে কৰলৈ ধৰিলে। চহৰৰ পৰা অহা হাকিমজনে ক'লে,—"বক্তৃতা তুমি নিশ্চয় দিব পাৰা তোমাকতো কোনেও বাধা দিয়া নাই।"

মানুহটোহে পৰম উৎসাহিত হৈ বক্তৃতা দিবলৈ আৰম্ভ কৰি দিলে। বক্তৃতা দিবলৈ আৰম্ভ কৰোঁতে চিৰাচৰিত সম্বোধন "শ্ৰদ্ধেয় সভাপতি ডাঙৰীয়া, উপস্থিত সুধীবৃন্দ" আদি শব্দ উল্লেখ নকৰিলে। সি একেবাৰে পঞ্চমত কৰলৈ ধৰিলে,—"এই ৰিপোৰ্টত—কিবা কয় বোলেনে"—বস্তু আত্মসাৎ হোৱাৰ কথা উল্লেখ কৰা নাই। ইয়াত এটা ধুৰন্ধৰ চুপাৰভাইজাৰ আছিল —কিবা নাম আছিল তাৰ—হয় মনত পৰিছে, ৰামস্বৰূপ। চালাই সাঙ্ঘাতিক কাম কৰিলে—কিবা নাম আছিল তাৰ— চহৰলৈ দুইগাড়ী ঘেঁহু লৈ পলাল। সি খুব মদ খাইছিল। গোটেই ৰাতি গাড়ীত ঘেঁহু কঢ়িয়াই শেষ কৰিলে। কোনেও গমকে নাপালে। কিবা নাম আছিল তাৰ—বৰ মিঠা কথা কয় সি। মোক দেখিলেই দূৰৈৰ পৰাই, কিবা নাম, ভৰি,—ভৰি চুই সেৱা কৰিছিল। বৈদ্য ডাঙৰীয়াৰ—কিবা নাম আছিল তাৰ, কোনোৱে

যাতে বেয়া নাপায়—মই কওঁ বা নকওঁ—গোটেই সংসাৰে কয়—মনোবাঞ্ছা সিদ্ধি হৈছিল। দুই হাজাৰ টকাৰ মজা উলিয়াই দিলে চালাই—কিবা নাম আছিল তাৰ—ইয়াৰ বো-বো-বো-বোজা কোনে ভাৰ বব? কো-অপাৰেটিভৰ ভাল প্ৰতিভা কিবা নাম—প্ৰতিষ্ঠা লৈ ঘূৰা এতিয়া। বৈদ্য ডাঙৰীয়াক সোধোঁতা কোনো নাই,—কোন ক'লৈ গৈছে। মিঠাই খাই যোৱা কিবা নাম, পানী খাই খাই সকলোৰে নিজৰ ঘৰ অভিমুখে যাত্ৰা কৰা। ইয়াৰপৰা দেশৰ কিবা নাম আছিল তাৰ—উদ্ধাৰ নহ'ব। দেশত দেশীয় ধৰণে চলিব লাগে—বস্তুৰ উধাও কেনেকৈ হ'বলৈ পালে, তাৰ অনুসন্ধান হ'ব লাগে। মই পঢ়াশুনা নজনা মানুহ। গতিকে মোৰ কথাত কোনোৰে যাতে বেয়া নাপায়। হুই!—কি মজা, আজি ফাকুৱা, ফাকুৱা।"

কথা কওঁতে মানুহটোৰ তেজ বাঢ়ি গৈছিল আৰু সেই দৰে ভাষণতো যা তা বকি গৈছিল। আনলোকে অনেক বাধা দিয়া সত্বেও সি কাৰো কথা শুনা নাছিল। ঠিক তেতিয়াই বৈদ্য ডাঙৰীয়া উঠি আহি তাৰ সন্মুখত থিয় দিলেহি। সেই মানুহটোৱে তেওঁক দেখি নিজৰ ঠাইত অলপ লৰচৰ কৰিলে,—ইফালে সিফালে চালে; তাৰ পিছত নেজ পেলোৱা কুকুৰৰ দৰে নিজৰ ঠাইত বহি তললৈ মূৰ কৰিলে।

বৈদ্য ডাঙৰীয়াই থিয় হৈ অলপ সময় হাঁহিলে। ইয়াৰপৰা তেওঁ ইয়াকে প্ৰমাণ কৰিব খুজিলে যে বস্তুৰ উধাও হোৱা কাৰ্য্যত তেওঁৰ কোনো হাত নাছিল। তাৰ পাছত কবলৈ আৰম্ভ কৰিলে,—"কোনো ৰাজহুৱা অনুষ্ঠানৰপৰা বস্তু কেনেকৈ চুৰি বা উধাও হয় তাৰ ওপৰত চকু দিয়া সকলোৰে কাম।

আপোনাৰ হাতত নিজৰ একহেজাৰ মুদ্ৰা আছে, তাক আপুনি চুৰি কৰা বা উধাও কৰা একেবাৰে অসম্ভৱ। আপুনি তাৰ অনুচিত ব্যয় কৰিব পাৰে কিন্তু আত্মসাৎ কৰাৰ কোনো প্ৰশ্ন নুঠে। আত্মসাৎ তেহেঁই কৰিব পাৰে যাৰ মুদ্ৰাখিনি নিজৰ নহয়।

সহযোগিতামূলক কামত কাৰো নিজৰ সম্পত্তি নাথাকে সেইয়া হ'ল সামূহিক সম্পত্তি। বহুতো মানুহৰ সম্পত্তি একে ঠাইতে একত্ৰিত কৰিব পাৰি। তাৰ সুৰক্ষা তেহেঁই দিয়ে যাৰ সেয়া সম্পত্তি নহয়। সম্পত্তি তেওঁৰ নহ'ব পাৰে কিন্তু সেই সমূহীয়া সম্পত্তিৰ সুৰক্ষাৰ বাবে তেওঁ নিযুক্ত। যদি তেওঁ তাৰপৰা অনুচিত ব্যয় কৰে তেনেহলে সেয়া আত্মসাৎ কৰা হ'ব। ৰাইজ! কথাষাৰ এবাৰ মন কৰি চাওক। নিজৰ সম্পত্তিৰ যদি আপুনি অনুচিত ব্যয় কৰে তেনেহলে সেইয়া আত্মসাৎ নহয়। আনে কৰিলে কিন্তু আত্মসাৎ হ'ব। সমূহীয়া সম্পত্তি কোনো ব্যক্তি বিশেষৰ সম্পত্তি নহয়; গতিকে তাৰ অনুচিত ব্যয় অথবা অনুচিত ৰক্ষণ এনে লোকৰ দ্বাৰাহে হয় যাৰ সেইয়া নিজৰ সম্পত্তি নহয়। গতিকে এই কাৰ্য্যই হ'ব আত্মসাৎ বা উধাও। তাৰপৰা এইটোৱেই প্ৰমাণ হয় যে সমূহীয়া সম্পত্তিৰ অনুচিত ব্যয় নহয়। হলে সদায়েই আত্মসাৎহে হয়। সমূহীয়া সম্পত্তিৰ এয়েই হ'ল দশা। ইয়াত আচৰিত হোৱা অনুচিত আৰু সমূহীয়া সম্পত্তিৰ লগত আত্মসাৎ শব্দটো প্ৰয়োগ কৰা দেখিলে ভয় কৰা উচিত।

কেতিয়াবা কেতিয়াবা আত্মসাৎ কৰা কাৰ্য্যটোক লুকুৱাবলৈ চেষ্টা কৰা হয়। দোষক লুকুৱাব নাপায়, নহলে পাপ হয়। মই এই সিদ্ধান্তটো মানো। যি সমবায় ইউনিয়নত আত্মসাৎ একেবাৰে নহয় তাক সন্দেহৰ চকুৰে চোৱা উচিত। প্ৰায়েই তাত হোৱা

আত্মসাৎ কাৰ্য্যক লুকুৱাই ৰখা হয়। শিৱপালগঞ্জৰ কো-অপাৰেটিভত কোনো আত্মসাৎ লুকুৱাই ৰখা হোৱা নাই, ইয়াৰ উত্তম ব্যৱস্থা ৰখা হৈছে। বস্তুৰ উধাও হ'ল, কিন্তু হৈয়ো নোহোৱাৰ দৰে। বছৰৰ অন্তত ইউনিয়নৰ কোনো হানি হোৱা নাই বৰং লাভ হে হ'ল। লাভ লাগিলে এক পইচাৰ হওক নতুবা এক কোটি মুদ্ৰাৰ হওক। লাভ লাভেই আৰু হানি সদায়েই হানি। ইয়াত হানিৰ প্ৰসঙ্গই উঠা নাই। প্ৰসঙ্গটো লাভৰহে। এনে পৰিস্থিতিত আত্মসাৎ বোলা কথাটো প্ৰয়োগ কৰা একেবাৰে নিৰৰ্থক আছিল। ইয়াত তেনে প্ৰশ্ন তোলাটো অপমানৰ কথা। এয়া হ'ল সমবায়ৰ প্ৰতি অপমান।

মোৰ বিৰুদ্ধে ব্যক্তিগত অভিযোগ অনা হৈছে। অভিযোগ অনাটো একেবাৰে অনুচিত আছিল। ব্যক্তিগত অভিযোগ যে একেবাৰে বেয়া কথা। এনেকুৱা পৰিৱেশত কোনো মানুহে কাম কৰিব নোৱাৰে। মই এনে ধৰণৰ অভিযোগৰ বিৰোধিতা কৰোঁ। কিন্তু এইখিনিতে মন কৰিব যে মোৰ বিৰোধ অভিযোগৰ লগতহে অভিযোগকাৰীসকলৰ লগত নহয়। অভিযোগকাৰী হ'ল শ্ৰীৰামচৰণ। মই তেওঁক আদৰ কৰোঁ। তেওঁৰ প্ৰতি মোৰ অন্তৰত অসীম শ্ৰদ্ধা আছে। কিন্তু মই তেওঁৰ অভিযোগৰ বিৰোধিতা কৰোঁ। এই বিৰোধিতাৰ প্ৰতি সন্মান জনাই আজি মই শিৱপালগঞ্জ কো-অপাৰেটিভ্ ইউনিয়নৰ মেনেজিং ডাইৰেক্টৰ পদৰপৰা পদত্যাগ কৰিছোঁ।" ইয়াকে কৈ বৈদ্য ডাঙৰীয়া নিজৰ ঠাইত মনে মনে বহি পৰিল।

ইয়াৰ পিছত সকলো কামেই খৰ-খেদাকৈ হ'বলৈ ধৰিলে। চাৰিওফালে চিঞৰ-বাখৰ হ'ল—যেনিবা বিধান সভাৰ কোনো

সদস্যক টানি আঁজুৰি বাহিৰ উলিয়াইহে দিয়া হৈছে। লাহে লাহে চিঞৰ-বাখৰ কমি আহিল আৰু চহৰৰপৰা অহা হাকিমৰ গুৰু-গম্ভীৰ মাত শুনা গ'ল—"বৈদ্য ডাঙৰীয়া নিজৰ কথাত অটল। গতিকে মোৰ মত এয়েই যে তেওঁৰ পদত্যাগ স্বীকাৰ কৰি লোৱা উচিত। আৰু এনেয়ো আজি অহা বছৰৰ বাবেও ইউনিয়নৰ নিৰ্বাচন হ'বলগীয়াই আছিল। পদত্যাগ কৰাৰ অৰ্থ এইটোৱেই যে বৈদ্য ডাঙৰীয়াই আৰু ভৱিষ্যতলৈ মেনেজিং ডাইৰেক্টৰৰ পদ লবলৈ নিবিচাৰে।"

বৈদ্য ডাঙৰীয়াই বহি থকাৰ পৰাই মাত লগালে—"মই সদস্যও হৈ থাকিব বিচৰা নাই। মোৰ কৰ্তব্য সম্পূৰ্ণ হ'ল। এতিয়া উঠি অহা ডেকাসকল আগবাঢ়ি আহিব লাগে। এই আন্দোলন তেওঁলোকেই চলাই নিয়া উচিত।"

চহৰৰ হাকিমে বুজালে—"মোৰ বোধেৰে আপুনি একেবাৰে গা এৰি দিয়াটো উচিত নহ'ব। তেনে কৰিলে হয়তো এই ইউনিয়ন ভাগি যাব। আপুনি উঠি অহা ডেকাৰ কথা কৈছে। এই যুগত তেওঁলোক আছে জানো?"

কিন্তু বৈদ্য ডাঙৰীয়াই কথাটো নামানিলে। তেওঁ এই কথাষাৰত খোপনি পুতি ৰ'ল যে এই যুগতো ডেকা ল'ৰা আছে আৰু তেওঁলোকেই এই আন্দোলন চলাই নিয়া উচিত। চহৰৰ হাকিমে শেষত ক'লে—"তেনেহলে নতুন মেনেজিং ডাইৰেক্টৰ পদৰ বাবে প্ৰাৰ্থী নিৰ্বাচন কৰা হওক।"

ইয়াকে কৈ আনক কবলৈ কোনো সুবিধা নিদি তেওঁ পুনৰ কবলৈ ধৰিলে,—"ৰাইজসকল এই ইউনিয়নৰ পৰম্পৰাগত নীতি অনুসৰি ইয়াৰ প্ৰতিটো নিৰ্বাচনেই ঐক্যমতৰ দ্বাৰা অনুষ্ঠিত হৈ আহিছে।

মই কেৱল আশাকে নকৰোঁ, মোৰ সম্পূৰ্ণ বিশ্বাস যে আজিও সেই পৰম্পৰাগতভাৱে নিৰ্বাচন অনুষ্ঠিত হ'ব। আপোনালোকে কোনো নাম……"

হঠাৎ দেখোন সৰুপালোৱানে নিজৰ লুঙিখন দাঙি থিয় হৈ গ'ল। খঙেৰে ক'লে, "এই নিৰ্বাচন চিৰ্বাচনত কিডালনো আছে চাহাব? অকণমান ফুটা এটাৰ সমান এখন ইউনিয়ন, তাতে আকৌ আপুনি নিৰ্বাচন পাতিবলৈ যায়।"

তাৰ পিছত সি ডাকৰ বচন এষাৰ আটাইৰে আগত গাই দিলে আৰু তাকে শুনি সকলোৱে হাঁহিবলৈ ধৰিলে। হাকিমে ভাবিলে সৰুপালোৱানে তেওঁৰ বিৰুদ্ধে কিবা অশ্লীল কথাহে কৈছে; তেওঁ ভয় খাই ক'লে, "পালোৱান ডাঙৰীয়া আপুনি ভুল বুজিছে……।"

সৰু পালোৱানে খঙৰেই তেওঁৰ কথাৰ ওপৰতে ক'লে, "অ' হয়তো! আমি ভুল বুজিমেই। আপুনি পটলুং পিন্ধি আছে নহয়। সঁচা কথা আক' আপুনিহে বুজিব।"

হাকিমে তোষামোদ কৰি ক'লে "অলপমান বুজি লওকচোন পালোৱান ডাঙৰীয়া! মইতো নিৰ্বাচনৰ বিৰুদ্ধেহে কৈ আছিলোঁ বোলোঁ ইয়াত নিৰ্বাচন পতাৰ পৰম্পৰাই নাই। ইয়াৰ প্ৰতিটো কথাই এক নিৰ্দেশতে চলি আহিছে। নিৰ্বাচন……।"

সৰু পালোৱানে বুকুখন ফুলাই চিঞৰি চিঞৰি ক'লে, "আপুনি আকৌ সেই নিৰ্বাচন নিৰ্বাচন লগাইছে চাহাব। মই কৈ দিলোঁ। এই নিৰ্বাচন চিৰ্বাচন নহ'ব হলে। তাৰ কোনো দৰকাৰ নাই। বৈদ্য ডাঙৰীয়া থাকিব খোজা নাই, নালাগে। য'ত কুকুৰা নাথাকে তাত আৰু কেতিয়াও ৰাতিও নুপুৱাবনে……?"

আবেলি চাৰিমান বাজিছিল হ'ব পায়। বতাহ এজাক বৰ

জোৰেৰে ধূলি উৰুৱাই বৈছিল। সৰু পালোৱানে ধূলিৰপৰা ৰক্ষা পাবৰ বাবে চকু কেইটা মুদি নিজৰ ঠাইতে লৰিচৰি ফুৰি জোৰেৰে চিঞৰিবলৈ ধৰিছিল। কিন্তু এই চিঞৰৰ বাখৰবোৰৰ কোনো কাৰণ নাছিল। সেই ধৰণে ৰাইজৰো তেজ গৰম হৈ গৈছিল, হাকিমৰ শঙ্কা বাঢ়ি গৈছিল। সৰু পালোৱানে মন্তব্য দি ক'লে, "বৈদ্য ডাঙৰীয়া আঁতৰি গ'ল, এতিয়া কোনো ভয় নাই। তেওঁৰ ঠাইত আন এজনক বহুৱাই দিলেই হ'ল। কিহৰ নিৰ্বাচনটো লাগিছে হুঁঃ। এওঁ আহিল ক'ৰবাৰ পৰা নিৰ্বাচনতো পাতিবলৈ। এই-বিলাক কাম চহৰত হে হয়। ইয়াত নচলিব। ইয়াত যাকে বিচৰা তাকে বৈদ্য ডাঙৰীয়াৰ ঠাইত বহুৱাই দিয়া। উঠি যোৱাঁ, বদ্ৰী ওস্তাদ। নহলে তুমিয়েই উঠি যোৱাঁ। উঠাঁ, উঠাঁ, ওস্তাদ। জাপমাৰি উঠাঁ।"

"এই হুলস্থুলৰ মাজেৰে কেইজনমানে জোৰেৰে ধ্বনি দিলে, "জয় ভাৰত মাতাৰ জয়।" আকৌ সেই পুৰণা ক্ৰম, "জয় মহাত্মা গান্ধীৰ······", "পণ্ডিত জৱহৰলাল নেহেৰুৰ······", বৈদ্য মহাৰাজৰ······", "বদ্ৰী পালোৱানৰ", "ইদ্ৰিচ চাহাবৰ······।"

ইদ্ৰিচ চাহাব অৰ্থাৎ চহৰৰপৰা অহা হাকিমৰ মগজ শুকাই গ'ল। তেওঁ চকুৰে গোটেইখন ধোৱাঁকোৱাঁ দেখিলে। যেতিয়া তেওঁ সম্বিৎ ঘূৰাই পালে, দেখিলে যে বৈদ্য ডাঙৰীয়া কেনিবাদি গুচি গৈছে, তেওঁৰ বিৰোধী ৰামচৰণক কোনোবাই হাতত ধৰি গেটৰ বাহিৰলৈ টানি লৈ গৈছে, বদ্ৰী পালোৱানে ডিঙিত মালা পিন্ধি মঞ্চত তেওঁৰ কাষতে বহি আছে, তেওঁৰ মুখ মণ্ডলত মেনেজিং ডাইৰেক্টৰৰ লালিমা ফুটি উঠিছে।

সাতাইছ

সেই বছৰত শিৱপালগঞ্জত ৰবী শস্যৰ উৎপাদন যথেষ্ট হৈছিল। শীতকালৰ সময়ছোৱাত খেতিৰ উপযোগী হোৱাকৈ বৰষুণ দিছিল। নহৰ নামে চহৰখনত থকা ডাঙৰ হাকিম গৰাকী, যি ৰাইজক ঘাঁহ-জাবৰ আৰু গণতন্ত্ৰক প্লেগ বুলি ভাবিছিল, বদলি হৈ গ'ল। তেওঁৰ ঠাইত এনে এজন হাকিম আহিল যি নহৰৰ পানীক পানীৰ দৰেই খৰচ কৰিলে আৰু প্ৰায় আটাইবোৰ ঠাইতে পানী যোগানৰ চেষ্টা কৰিলে। খেতিৰ সাফল্যত প্ৰাকৃতিক অৱদান হিচাপে লাভ কৰা সুবিধা সমূহ হ'ল, যেনে, এই বছৰটোত বসন্তকালৰ পচোৱা বতাহ মৃদু গতিত বৈছিল আৰু খেতিৰ সময়ত ফৰিং ও নিগনিৰ কোনো অত্যাচাৰ নাছিল। ইয়াৰ বাহিৰেও সেউজীয়া লহপহীয়া শস্যসমূহ নিজৰ গৰুৰ দ্বাৰা লাঠীৰ সহায়ত নষ্ট কৰা প্ৰবৃত্তিৰ দুটা গুণ্ডা ধৰণৰ লোক চহৰখনত আছিল। তাৰে এটা মটৰৰ চেপাত মৰিল আৰু আনটো কোনো কাজিয়া সম্পৰ্কত জেলত সোমাল। অঞ্চলটোত এনে কোনো অশান্তিৰ সৃষ্টি নহৈছিল— যাৰ ফলত কোনো শত্ৰুতাবশতঃ কাৰো শস্যৰ ভঁড়ালত জুই লগা নাছিল।

গাঁৱৰ কাষৰ হাবিত কিছুমান অঘৰীমানুহ আহি বহিছিলহি। সিহঁতৰ গাভৰু ছোৱালীবোৰ আছিল অতিপাত চঞ্চল। সিহঁতে

দেশী মদ বনাইছিল আৰু সস্তা দামত বেচিছিল। সেইফালেদি যোৱা ডেকাল'ৰাক বুৰ্বক বনাই সিহঁতে নিজৰ জুপুৰিলৈ লৈ গৈছিল। আৰু যি সময়ত শস্য গোটাবৰ বাবে ডেকাহঁতৰ খেতি পথাৰত উপস্থিত থকাটো অতি প্ৰয়োজনীয় আছিল, সেই অমূল্য সময়খিনি সিহঁতে জুপুৰিৰ ভিতৰত আৱদ্ধ আছিল। এই বছৰ পুলিচে প্ৰথমেই ছোৱালীহঁতৰ কাৰ্য্যত হস্তক্ষেপ কৰিলে, তাৰপিছত দেশী মদত আৰু শেষত অঘৰীহঁতৰ থকামেলাৰ ওপৰত হস্তক্ষেপ কৰি সিহঁতক একেবাৰেই সেই এলেকাৰ পৰা বাহিৰ কৰি দিলে। এইদৰেই ডেকাহঁত আৰু খেতিৰ মাজত, বাগিছাত সদায় চলি থকা জুৱাৰ বাহিৰে আন কোনো বাধা নাথাকিল। গতিকে সিহঁতে খেতিত মনপুতি পৰিশ্ৰম কৰিছিল।

উৎপাদন প্ৰচুৰ হৈছিল যদিও মানুহে আশাকৰা মতে নহ'ল। কাৰণ ইয়াত অশৰীৰি শক্তিৰ প্ৰভাৱ আছিল। বিশিষ্ট নেতৃবৰ্গই প্ৰকাশ কৰিলে যে উৎপাদনৰ কৃতকাৰ্য্যতাত তেওঁলোকৰ প্ৰচাৰমুখী প্ৰচেষ্টাই হ'ল অন্যতম। বিকাশ অধিকাৰীয়ে জোৰ দি ক'লে যে এই সফলতা তেওঁলোকৰ প্ৰয়াসৰ বাবেহে হৈছে। চৰকাৰী খণ্ডত মানুহে ইজনে সিজনক অভিনন্দন জনালে।

প্ৰচুৰ উৎপাদনৰ আন এটা দিশত গয়াদীনে মোকৰ্দমাৰ পৰা কিঞ্চিৎ ৰেহাই পালে। ধাৰ পৰিশোধৰ বাবে তেওঁ কিছুমান গোচৰ তৰি থৈছিল। সেই গোচৰসমূহ প্ৰতিবাদীয়ে টকা দি মিট্‌মাট্ কৰি ললে। বহুতো খেতিয়কে নিজৰ টকা লৈ তেওঁৰ তালৈ আহিবলৈ ধৰিলে আৰু বিয়াসবাহৰ বতৰ ওচৰ চপাৰ উপৰিও টকাৰ পৰিশোধ বাঢ়িল, ফলত ব্যৱসায়ত লাভ কমি গ'ল।

এদিন গয়াদীন সাত আঠজনমান খেতিয়কৰ সৈতে বহি নিজৰ

হিচাপ-নিকাচ কৰাত ব্যস্ত আছিল। এনেতে তেওঁ বৈদ্য ডাঙৰীয়াক তেওঁৰ ঘৰৰ ফাললৈকে অহা দেখিবলৈ পালে।

যেনেকৈ এজন মহাপুৰুষে আন এজন মহাপুৰুষক আদৰণী জনায়, গয়াদীনেও কিছু পৰিমাণে বৈদ্য ডাঙৰীয়াক তেনেদৰেই আদৰণী জনালে। তেওঁলোক দুয়ো বহিল। বৈদ্য ডাঙৰীয়াই মাত লগালে, "এটা গুৰুত্বপূর্ণ বিষয়ত আপোনাৰ সৈতে কথাবার্তা হ'বলৈ আহিছোঁ।"

গয়াদীনে একো নামাতিলে। যি কথা পাতিবলৈকে আহিছে, তেওঁ মনে মনে থাকিলেও যে সিজনে কথা কবই এই কথা তেওঁ ভালকৈয়ে জানিছিল। কিছু সময় নিৰৱতাৰ পাছত বৈদ্য ডাঙৰীয়াই পুনৰ মাত লগালে, "জাতি প্ৰথাৰ ওপৰত আপোনাৰ মতামত কি?"

গয়াদীনৰ চেহেৰাত চিন্তাৰ জাল এখন পৰি যোৱা যেন দেখা গ'ল। তেওঁ উত্তৰ দি ক'লে, "ভগৱানৰে দয়া, তেৰাই আপোনাক ব্ৰাহ্মণ বনালে আৰু মোক বেপাৰী কৰি সৃষ্টি কৰিলে।"

"মই কি এই কথাষাৰ নেমানো?" বৈদ্য ডাঙৰীয়াই হাঁহি ক'লে, "এই জাতপাতবোৰৰ বাবেই আমাৰ দেশখনৰ এনে দুৰ্দশা হৈছে। গতিকে মই মোৰ ল'ৰাৰ বিয়াখন আন্তঃকুলীন হিচাপে পাতিব খোজোঁ। কোনোবা নহয় কোনোবা এজনেতো এইটো দিশত আগবাঢ়ি আহিবই লাগিব। মহাত্মাজীয়ে কৈছিল......।"

গয়াদীনে হাতখন দাঙি কথা আগবাঢ়িবলৈ নিদি ক'লে, "ল'ৰাৰ জাতৰ বাহিৰত যদি বিয়া কৰোৱাৰ মন তেনেহলে কৰাওক। পিছে ইমান জনা বুজা মানুহ হৈয়ো মহাত্মাজীক এইবোৰৰ মাজলৈ নাটানিব।"

বৈদ্য ডাঙৰীয়া অলপ সঙ্কোচিত হ'ল। ক'লে, "মই কথাৰ লগৰ কথা এষাৰহে কেৱল কৈছিলোঁ।"

"ময়ো।" এই বুলি কৈ গয়াদীনো মনে মনে থাকিল। কিছুপৰৰ মূৰত বৈদ্য ডাঙৰীয়াই আকৌ মাত লগালে, "তেনেহলে আন্তঃকুলীন বিবাহৰ ওপৰত আপোনাৰ মতামত কি?"

গয়াদীনে তলমূৰ কৰি বহি আছিল। কথাষাৰ শুনি তেওঁ লাহেকৈ ডিঙিটো পোনাই ক'লে, "মহাৰাজ, এয়া ব্ৰাহ্মণ ঠাকুৰৰ ঘৰৰ কথা। ইয়াত আকৌ আমি এই বেপাৰী মানুহ বোৰে কি মতামত জনাম?"

বৈদ্য ডাঙৰীয়াই হাঁহি এটা মাৰি ক'লে "আপুনি কেনেকুৱা কথা কৈছে, গয়াদীন ডাঙৰীয়া? এয়া আমাৰ দুয়োৰে পৰিয়ালৰ প্ৰশ্ন। ইয়াত যদি আপুনিয়েই কিবা এটা নকয় তেনেহলে আৰু কোনে কব?"

গয়াদীনে তেতিয়া বৈদ্য ডাঙৰীয়াৰ ফাললৈ মুখখন লাহেকৈ ঘূৰাই সুধিলে, "ইয়াত মোৰ পৰিয়ালৰ সৈতে কিহৰ সম্পৰ্ক মহাৰাজ?"

বৈদ্য ডাঙৰীয়াই আশ্চৰ্য্য প্ৰকাশ কৰি সুধিলে, "তেনেহলে আপুনি একো নাজানে?"

বৈদ্য ডাঙৰীয়াই স্থিৰভাৱে কবলৈ ধৰিলে, "বদ্ৰীৰ এইটোৱেই পছন্দ। ষোল্লবছৰ বয়স হোৱাৰ পিছত নিজৰ পুত্ৰৰ সৈতেও বন্ধুৰ দৰেই ব্যৱহাৰ কৰিব লাগে। সেইবাবে মই কোনো আপত্তি নকৰিলোঁ। সি সম্ভৱতঃ কইনাৰ মতামতো জানি লৈছে। এতিয়া আপোনাৰ ফালৰ পৰাও কোনো আপত্তি থকা উচিত নহয়।"

এইবাৰ এৰাল দি থোৱা ম'হটোৱে এনেদৰে জাপ মাৰিলে যেন এই মাত্ৰ খুটিটো উভালি সি আকাশ হে চুবগৈ। গোটেই

পৰিৱেশটোকে অহেতুক যেন দেখুৱাই গয়াদীনে চেলাউৰী কেইডাল কোঁচালে আৰু বিৰক্তি প্ৰকাশ নকৰাকৈয়ে ক'লে, "মোৰ আপত্তি আক কেলেই হ'ব? আপোনাৰ ল'ৰাই য'তে মন যায় ত'তে বিয়া কৰক; মোক আকৌ কেলেই লেটিপেটিখন কৰাইছে মহাৰাজ?"

বৈদ্য ডাঙৰীয়া বিৰক্ত হৈছিল। তেওঁ ক'লে "মই আপোনাক লেটিপেটি কৰোৱা নাই। কন্যাতো আপোনাৰেই। সেইবাবে আপোনাৰ সৈতে কথা হৈছোঁ, পিছে দেখোন আপুনি জানি শুনি নজনাৰ ভাও জুৰিছে। শুই থকা মানুহক জগোৱা সহজ, পিছে কোনোবাই যদি মিছামিছিকে টোপনিৰ ভাও জুৰি পৰি থাকে তেওঁক আৰু কেনেকৈ জগাব পাৰি.........?"

গয়াদীনে প্ৰতিবাদ কৰি হাত দাঙি বৈদ্য ডাঙৰীয়াক কিবা কবলৈ খুজিলে। তেওঁ কিন্তু কৈয়েই গ'ল, "যেতিয়া বদ্ৰীয়ে নিশ্চয় কৰি পেলালে আৰু গোটেই সমাজতে কথাটো জনাজনি হ'ল, এতিয়া আমাৰ এইটোৱেই কৰ্তব্য হ'ব যে শান্তিপূৰ্বকভাৱে এই কথাটো স্বীকাৰ কৰি লোৱা। এইখন এখন আদৰ্শ বিবাহ বুলি ধৰি লোৱা হ'ব! দুয়ো সুখেৰে থাকিব, বদ্ৰীক মই ৰাজনীতিত পকা কৰিছোঁ, ইউনিয়নৰ মেনেজিং ডাইৰেক্টৰ তাক বনাইহে এৰিলোঁ। বোৱাৰীকো কিছুদিনৰ পিছত সমাজ কল্যাণৰ কামত লগাই দিম। মহিলা সকলৰ এখন বোৰ্ড আছে। তাতে তাইক যি কোনো এটা পদ দিয়াই দিম।

মটৰগাড়ী পাব, লগতে চাপ্ৰাচীও থাকিব। কিছুদিনৰ মূৰত এম-এ-লেৰ টিকটো দিয়াব পৰা যাব। পতি-পত্নী দুয়ো মিলি সুখেৰে দেশসেৱা কৰিব। আমাক আৰু লাগিছে কিটো?"

বৈদ্য ডাঙৰীয়াই নিজৰ উৎসাহৰ কোবত কবই নোৱাৰিলে যে এইবোৰ শুনি গয়াদীনৰ চেহেৰা কন্দনামুৱা হৈ পৰিছে। গয়াদীনে হাতযোৰকৈ কাকুতি মিনতি কৰি ক'লে, "মহাৰাজ, মোৰ সংসাৰত জুই নিদিব। মোৰ আইজনীৰ ওপৰত এনেয়ে জানো কম বিপদখন আছে। মাক সৰুতে ঢুকাল। কোনোমতে লেদেনা উকটি, তাইক ডাঙৰ দীঘল কৰিলোঁ। চহৰত আগৰৱাল বৈশ্যৰ পৰিয়াল এটা আছে। তেওঁলোকে তাইক উদ্ধাৰ কৰিবলৈ সন্মত হৈছে। ল'ৰা লিখা-পঢ়া জনা, চাকৰী কৰে। আজিৰ পৰা পোন্ধৰ দিনৰ মূৰত বিয়াৰ দিন পৰিছে। আৰু এতিয়া আপোনালোক আটাইবোৰ ডাঙৰ মানুহে মিলি যদি মিছাকৈয়ে তাইৰ বদনাম ৰটি ফুৰে তেনেহলে তাইৰ বেচেৰীৰ কি হ'ব মহাৰাজ? আপুনি নিজেই ভাবি চাওক। মোৰ আইজনীৰ গাত কলঙ্ক সানিলে আপুনি লাগিলে যিমানেই ডাঙৰ নেতা নহওক, নৰকত মকৰা, পোক-পৰুৱা হৈ থাকিবগৈ। আৰু বেছি মোৰ মুখখন নোখোলাব।"

বৈদ্য ডাঙৰীয়া নিৰৱ হৈ গ'ল! গয়াদীনে আকৌ ক'লে, "আপোনাৰ এই ষাঁড়কেইটা—কি নাম জানো সিহঁতৰ—সৰু, ৰূপন, শনি নে চনি, সিহঁতে যে তাইৰ বিষয়ে কি কি কথা গাই ফুফুৰিছে—। আপুনিও যে জনাবুজা জ্ঞানী লোক হৈ ফুকলীয়া ল'ৰাৰ দৰে কথাবোৰ কবলৈ ধৰিছে। এতিয়া মহাৰাজ, এইয়ে মোৰ মিনতি, আপুনি যেন নিজৰ মুখখন জপাই থয় আৰু আপোনাৰ এই ষাঁড়কেইটাক আঁতৰলৈ খেদাই দিয়ে। ছোৱালী-জনীৰ বিয়াখন যাতে কোনোমতে পাৰ হৈ যাওক, অন্ততঃ তেতিয়ালৈকে শান্ত হৈ থাওক। আজি আপোনাৰ যুগ চলিছে।

কিন্তু নিজকে ইমান পাহৰি নাযাব। ভদ্র মানুহকো শিৱপালগঞ্জত থাকিবলৈ দিয়ক।”

বৈদ্য ডাঙৰীয়াই মনে মনে আটাইবোৰ কথা শুনি আছিল। তাৰ পিছত যাওঁতে কৈ গ'ল “আপুনি আপোনাৰ ইচ্ছা অনুসৰি কন্যাৰ বিবাহ দিয়ক আৰু মোৰ বাবে কিবা কৰিব লগীয়া যোগ্য কাম আছে যদি জনাব! মই কোৱা কথাবোৰ পাহৰি যাওক। মোক ভুল খবৰ দিয়া হৈছিল। তাৰ বাবে মই দুঃখিত।

পিছে গয়াদীনৰ পৰা বেলাৰ ভৱিষ্যতৰ বিষয়ে যি শুনিছিল তাৰ বাবে তেওঁৰ অন্তৰত কোনো দুখ নাছিল। তেওঁৰ মন বহুত পাতলিল আৰু আনন্দিত হৈ ঘৰলৈ উলটি গ'ল।

গয়াদীনে বৈদ্য ডাঙৰীয়াক আধৰুৱা কথা এটা সম্পূর্ণ কৰি কৈছিল। বেলাৰ বিয়া তেতিয়াও ঠিক হোৱাই নাছিল। যিটো ডেকাই আজি কিছুদিনৰ আগতে শিৱপালগঞ্জত পৰিয়াল পৰি-কল্পনাৰ বিষয়ে কবলৈ আহিছিল, তাকেই গয়াদীনে জোঁৱাই কৰি কিনিবলৈ মনতে পাঙিছিল। তেওঁ ল'ৰাটো লগ পোৱাৰ পিছ-দিনাই চহৰলৈ গৈ তাৰ বাপেকক দেখা কৰি আহিছিলগৈ। তাত তেওঁৰ এখন কাপোৰৰ দোকান আছিল। দোকানখন অৱশ্যে প্রথম ডোখৰত ভালেই চলিছিল। পিছে আজি দুবছৰ হ'ল, ওচৰলৈ পঞ্জাবী দোকানী এটা আহি আন এখন দোকান খোলাৰ লগে লগেই সিহঁতৰ দোকানৰ বিক্রী কমি গ'ল। দোকানখন এখন ছোৱালী কলেজৰ পৰা প্রায় অলপ দূৰতেই আছিল। তাৰপৰা কিছু আগলৈ এখন বিশ্ববিদ্যালয় আছিল। বহু বছৰৰপৰাই কলেজ আৰু বিশ্ববিদ্যালয়ৰ ছোৱালীয়ে সকলুৱা কাপোৰ এই ডেকা ল'ৰাটোৰ বাপেকৰ দোকানৰ পৰাই কিনিছিল।

এই ছোৱালীবোৰ প্ৰকৃততে ফিতাহিমৰা আৰু বুৰ্বক ধৰণৰ আছিল। আৰু কব নোৱাৰি কিয় জানো সদায় কাপোৰ কিনি থকা সত্বেও সিহঁতৰ কাপোৰ সদায় কম পৰিছিল। সেইবাবে ডেকাৰ বাপেকৰ দোকান বেচ সুন্দৰভাৱে চলিছিল আৰু তাৰ আমদানীৰেই ডেকাই এম, এ পাছ কৰি পৰিয়াল পৰিকল্পনা বিভাগত চাকৰি পালে। ডেকাৰ ভনীয়েকেও বি, এ পাছ কৰি এটা ধুনীয়া দৰা হাত কৰি ললে। পিছে পঞ্জাবীৰ দোকান একেবাৰে ওচৰতে খোলাৰ বাবে গোটেই পৰিৱেশটোৱেই বদলি গ'ল। কিয়নো সেই দোকানত এটা বাইছ বছৰীয়া ধুনীয়া চফল ডেকাই ৰাতিপুৱাই ডাঢ়ি মোছ খুৰাই চিকণটো হৈ চেপা মৰা পটলুং আৰু টি-সাৰ্ট পিন্ধি বহেহি আৰু ছোৱালীহঁতে নতুন পঞ্জাবী ডেকাৰ ৰূপত ভোল গৈ আজিকালি আগৰ দোকান এৰি নতুন দোকানৰপৰা কাপোৰ কিনিবলৈ আৰম্ভ কৰিলে। নতুন ডেকাই ছোৱালীহঁতক 'বেহেনজী' বুলি সম্বোধন কৰে, চিত্ৰতাৰকাৰ নামত ডিজাইন কৰা কাপোৰ দেখুৱায় আৰু নতুন ধৰণৰ চোলা আৰু পায়জামাৰ ওপৰত ছোৱালী চাই বুজি উপদেশ নিবিচৰাকৈয়ে বিনামূলীয়া উপদেশ দিয়ে। এতিয়া ছোৱালীবোৰে এনে গতিত কাপোৰ কিনিবলৈ ধৰিলে যে তাৰপৰা এনেহে লাগিছিল যেন সিহঁতৰ কাপোৰৰ নাটনি আগতকৈয়ো বেছিহে পৰিছে। বোধহয় সিহঁতে দিনত নতুন কাপোৰ কিনে আৰু ৰাতি খুলি কাৰোবাক দি দিয়ে। সংক্ষেপতে কবলৈ গলে আমাৰ ডেকাৰ বাপেকৰ অৱস্থা ক্ৰমান্বয়ে শোচনীয় হৈ পৰিছিল।

তেওঁ গয়াদীনক গোটেই পৰিস্থিতিটো ভাল ধৰণে বুজাই ক'লে। তাৰ অৰ্থ এইটোৱেই আছিল যে,—"ল'ৰা আপোনাৰ। যেতিয়াই

বিচাৰিব তেতিয়াই বিয়া কৰোৱাই দিব। পিছে আজিকালি আমাৰ দুৰ্দিন আহিছে, গতিকে ল'ৰাক মই সস্তাত বেচিব নোখোজোঁ।"

ছোৱালীবোৰক ফুচুলাই আৰু সিহঁতক বদিচ বেচি যি নিজৰ দৈনন্দিন খৰচ উলিয়ায় সি কেতিয়াবা নহয় কেতিয়াবা নিশ্চয় দুখত পৰিব—গয়াদীনে ভাবিলে। তেওঁ ডেকাৰ বাপেকৰ দুখত দুখী হৈ ক'লে যে তেওঁ যেতিয়া জোঁৱাই কিনিবলৈকে বুলি আহিছে,—ভাল দাম দিবলৈও সাজু হৈ আহিছে। সেই মুহূৰ্ততেই কোনো অসুবিধা নোহোৱাকৈয়ে বিয়া ঠিক হৈ গ'ল, কেৱলমাত্ৰ ল'ৰাৰ দামৰ ওপৰতহে কথাটো পকা নহ'লগৈ। ল'ৰাৰ বাপেকে তেওঁৰ ঘৰৰ ওচৰলৈ পঞ্জাবী ল'ৰাটো অহাৰ দিনৰপৰা আজিলৈকে হিচাপ কৰি গয়াদীনৰপৰা পোন্ধৰ হাজাৰ টকাৰ দাবী কৰিলে। গয়াদীনে নিজৰ জাতিৰ ওপৰত গৰ্ব কৰি ক'লে যে তেওঁৰ এই দাবী সম্পূৰ্ণ যুক্তিসঙ্গত। কিয়নো, হাতীৰ গোবৰৰো ওজন আছে যেতিয়া এজন ব্যৱসায়ী দেৱলীয়া হৈয়ো নিজৰ ল'ৰাৰ দাম পোন্ধৰ হাজাৰ কৰাটো একো আচৰিত নহয়। ইয়াৰ পিছত তেওঁ খাটাংভাৱে ক'লে, "মই আপোনাতকৈ বহুতো সৰু মানুহ; গতিকে মই ল'ৰাৰ দাম সাত হাজাৰতকৈ অধিক দিব নোৱাৰিম।"

ইয়াৰ পিছত কথা সেই একেদৰেই বাগৰিবলৈ ধৰিলে। ল'ৰাৰ বাপেকে ক'লে যে সাত হাজাৰ বহুতো কম হয়। কিয়নো ইয়াৰ আগতে চৈধ্য হাজাৰ পৰ্য্যন্ত পোৱা গৈছিল।

গয়াদীনে ক'লে,—"মই সিমান দাম দিবলৈ সমৰ্থ নহওঁ। মই মাত্ৰ মোৰ অৱস্থাহে আপোনাৰ ওচৰত ব্যক্ত কৰিছোঁ।"

তেতিয়া ল'ৰাৰ বাপেকে ক'লে,—"মই তেনেহলে এতিয়া ল'ৰাৰ খুড়াকৰ সৈতে কথা পাতিব লাগিব—যি অমুক ঠাইত এচিষ্টেণ্ট

চেল্‌চ টেক্স অফিচাৰ হৈ আছে, আৰু ল'ৰাৰ মোমায়েকৰ খুড়াকৰ ভায়েকৰ খুলশালীয়েকৰ সৈতে কথা পাতিব লাগিব। তেওঁ অমুক ঠাইত জিলা ছেচন জাজ হৈ আছে। তেওঁ আকৌ ইয়াক একেবাৰে নিজৰ ল'ৰাৰ দৰে মৰম কৰে নহয়। আনফালে মই মোৰ নিজৰ মাহীদেউৰ ভায়েকৰ খুলশালীয়েকৰ সৈতেও কথা পাতিম,—তেওঁ কলিকতাত লোহাৰ কাৰবাৰ কৰে। ইয়াৰোপৰি মই ল'ৰাৰ মাক, খুড়ীয়েক, পেহীয়েক, মামীয়েক, জেঠায়েক, আইতাক, আজু আইতাকৰ সৈতেও কথা পাতিম।"

গয়াদীনক কথা দিলে যে এই আটাইবোৰৰপৰা মতামত লৈ ল'ৰাৰ দাম দহ-বাৰদিনৰ ভিতৰতে সঠিক কৰি তেওঁক জনোৱা হ'ব। আৰু ঈশ্বৰে কৰিলে তেওঁলোক দুয়ো মিতিৰ হ'ব পাৰিব। তেওঁ বেলাৰ বিষয়ে একোৱেই জানিবলৈ নিবিচাৰিলে। মাত্ৰ ইমানকে ক'লে যে ছোৱালীয়ে যদি পঢ়াশুনা জানে তেন্তে ভালেই আৰু যদি নাজানে তেনেহলে আৰু ভাল। কিয়নো তাইক বোৱাৰী কৰি আনি মাষ্টৰণী কৰাবৰ ইচ্ছা নাই। আৰু ছোৱালী যদি ধুনীয়া হয় তেনেহলে ভালেই, ধুনীয়া নহলে খুবেই ভাল, কিয়নো তাইক গণিকালয়ত নাচিবলৈ দিবলৈ ইচ্ছা নাই!

যি সময়ত বৈদ্য ডাঙৰীয়াই গয়াদীনৰ সৈতে আন্তঃকুলীন বিবাহ সম্পৰ্কে তৰ্ক আৰম্ভ কৰিলে,—তেওঁৰ প্ৰথম প্ৰতিক্ৰিয়া এইটোৱেই হ'ল যে তেওঁ যেন তেতিয়াই তাৰপৰা উঠি গৈ ল'ৰা-ঢপৰা কৰি চহৰলৈ গৈ ডেকাৰ বাপেকৰ হাতত পোন্ধৰ হাজাৰ টকা যাচি দিবগৈ। বৈদ্য ডাঙৰীয়া গয়াদীনৰ ঘৰৰপৰা গুচি যোৱাৰ লগে লগেই তেওঁ চহৰলৈ যাবলৈ বুলি সাজু হ'ল।

কিছু পৰৰ মূৰত যেতিয়া তেওঁ ঘৰৰ বাহিৰ ওলাল, তেতিয়া তেওঁ খান্না মাষ্টাৰ, মালবীয় আৰু ৰঙ্গনাথক তেওঁৰ ঘৰৰ ফাললৈকে আহি থকা দেখিলে। গয়াদীনে মনে মনে ভাবিলে—এওঁলোকে কথা পাতিবলৈ বহিলে কেবাঘণ্টাৰ আগতে নুঠিব। ইফালে আকৌ পলম হলে চহৰলৈ যোৱা বাছ দুঘণ্টালৈকে পোৱা নাযাব।

সঁচাকৈয়ে ৰঙ্গনাথহঁত তেওঁৰ ঘৰলৈকে সোমাই আহিল। খান্নামাষ্টৰে দুই এটা স্থানীয় খবৰ শুনাই এটা মন্তব্য দিলে— "দেশ ৰসাতললৈ গৈছে।"

নিজে নিৰস আৰু নিৰাশাবাদী হৈয়ো গয়াদীনে এই শিক্ষক-সকলক যথেষ্ট মনোৰঞ্জক যেন পাইছিল আৰু তেওঁলোকৰ প্ৰতি কথাতে মূৰ্খতাৰ চিকমকনি দেখা পাইছিল। তেওঁ সুধিলে,— "এই ৰসাতলখননো ক'ত?"

খান্নামাষ্টৰে ইতিহাস পঢ়াইছিল, তেওঁ ভূগোল নাজানিছিল। তেওঁ গয়াদীনৰ মুখৰপৰা ওলোৱা প্ৰশ্ন শুনি টাপ্ মাৰি ৰ'ল। উত্তৰত তেওঁ ডাঙৰৰপৰা শুনা এটা কথা ক'লে,—"ক'ত বুলিনো কোৱা যায় এতিয়া। সৰগ, নৰক, পাতাল, ৰসাতল—এই আটাইবোৰ আমাৰ মনৰ ভিতৰতে আছে।"

গয়াদীনে কিছু সময় এই দৰ্শনৰ ওপৰত চিন্তা কৰিলে। তাৰ পিছত ক'লে,—"মনৰ ভিতৰতে আছে যদি কষ্টবোৰ কিহৰ? যাবলৈ দিয়া দেশ ৰসাতললৈ। কাৰোবাৰ জানো ইয়াত কিবা লোকচান হ'ব?"

খান্না মাষ্টৰৰ উৎসাহ কমি গ'ল। ক'লে,—"লোকচানৰ ওপৰত কোনো কথা নাই। মাত্ৰ কথা এটাৰ লগৰ কথা কলোঁ।"

গয়াদীনে লাহেকৈ ক'লে,—"আটায়ে যেতিয়া কিবা কয়, তেতিয়া কোনো বিষয়ৰ কথাহে কয়।"

খান্নামাষ্টৰ মনে মনে থাকিল। কিছু সময়ৰ মূৰত প্ৰশ্ন কৰিলে—"বেলাৰ বৰ্তমান শৰীৰ কেনে? শুনিছিলোঁ,—এইফালে বোলে অসুখ হৈছিল।"

মালবীয়ই তেওঁলৈ ঘোপা কৰি চালে। ৰঙ্গনাথেও ভাবিলে—মাষ্টৰবোৰ এনেকুৱাই। শ্ৰেণীৰপৰা বাহিৰ ওলোৱাৰ লগে লগেই মূৰ্খৰ দৰে কিবা নহয় কিবা এটা কথা ফট্‌কে কৈ দিয়ে।

খান্নামাষ্টৰৰ প্ৰশ্নটোৱে কিন্তু গয়াদীনৰ মনত কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰিলে। তেওঁ মাত্ৰ খান্না মাষ্টৰলৈ একমিনিটমান সময় একেথৰে চাই থাকিল। খান্নাই বুজি নাপালে এই চাৱনিৰ অৰ্থ কি আৰু এই এক মিনিটৰ দীঘল যুগটোত তেওঁ নিজে এতিয়া কোনফাললৈ চায়? গয়াদীনে সুধিলে,—"আপোনাৰ শৰীৰৰ বিষয়ে জনাওক মাষ্টৰ চাহাব। আপোনাৰ ১০৭ ধাৰাৰ মোকৰ্দমাৰ কি হৈছে?"

"তাকেইতো আপোনাক কবলৈ আহিছিলোঁ।"

গয়াদীনে খান্নামাষ্টৰক মনত পেলাই ক'লে,—"পিছে আপুনিতো ৰসাতলৰ বিষয়েহে কৈছিল।"

খান্নামাষ্টৰ হঠাৎ যেন দীন দুখীয়া হৈ গ'ল। তেওঁ কবলৈ ধৰিলে,—"এতিয়া আমাক আপুনিয়েই বচাওক। দুয়োফালৰ পৰাই বিপদত পৰিছোঁ। প্ৰিন্সিপালে ইয়াত পিটাবলৈ সাজু হৈছে, তাত আকৌ এজলাচত ডিপ্‌টী চাহাবৰ মোকৰ্দমাটো সম্পূৰ্ণকৈ শুনাৰ আগতেই খং উঠি গ'ল।"

গয়াদীনে ৰঙ্গনাথৰফালে চালে। একো নামাতিলে। মালবীয়ই বুজালে,—"ৰঙ্গনাথবাবু আমাৰ ফলীয়া। এওঁৰ আগত সকলো কথা হ'ব পাৰি।"

প্ৰত্যেকজন বুদ্ধিজীৱীলোকে দলবদ্ধ হোৱাৰ উপৰিও দলবদ্ধতাৰ মুকলি দোষাৰোপ কৰাৰ লগে লগেই চমকি উঠে। সেইবাবে ৰঙ্গনাথেও অন্যমনস্কভাৱে ক'লে—"মই কাৰোফলীয়া নহয়। এওঁলোকৰ প্ৰতি অন্যায় কৰা হৈছে। গতিকে মই এওঁলোকৰ দুখত দুখী।"

গয়াদীনে ক'লে—"তেনেহলে কিয় কৈছা যে তুমি কাৰো-ফলীয়া নহয় বুলি?"

মালবীয়ই নিজৰ কথা বহাল ৰাখি ক'লে—"ইয়াত ইফালে প্ৰিন্সিপাল চাহাবে সকু পালোৱানক ফুচুলালে। পৰশি আলিবাটত মোক পাই ক'লে—'মাষ্টৰ চাহাব, এতিয়া একোৱেই হোৱা নাই। মনে মনে শিৱপালগঞ্জ এৰি গুচি যোৱাঁ। নহলে কিবা ওলোটা-পোলোটা হলে তোমাৰ ঘৰৰ মানুহে আকৌ মিছাতে কষ্ট পাব। এনেধৰণৰ উপদেশ আগতে বহুতো মানুহে দিছে। বোধহয় প্ৰিন্সিপালে আমাক পিটাব খুজিছে। এতিয়া একো উপায় পোৱা নাই—কি যে কৰা যায়।"

"কৰিবা কিটো? মনে মনে মাৰকেইটা খাই লোৱাঁ। মাষ্টৰ হৈ মাৰ খাবলৈ কিহৰ ভয়?" গয়াদীনে মাটিৰ ওপৰত দৃষ্টি ৰাখি কথাবোৰ কৈ গ'ল।

খান্নামাষ্টৰ গৰম হৈ গ'ল। কবলৈ ধৰিলে,—"আমি মনে মনে মাৰ খোৱা বিধৰ লোকে নহয় দেই। চুঙা চাই সোপা দিম।"

গয়াদীনে একো নামাতিলে। খান্না মাষ্টৰেই পুনৰ ক'লে—"এতিয়া সেই জমিদাৰীৰ দিন নাই যে যাকে মন যায় তাকে ধৰি পিটিব।"

"এতিয়া তাতোকৈয়ো বেয়া দিন আহিছে।" গয়াদীনে ক'লে,

—"মইতো চাৰি-পাঁচ বছৰৰপৰা ইয়াকে দেখি আহিছোঁ। কেলেই, তাত মানে ৰঙ্গাপুৰত হেডমাষ্টৰক হত্যা কৰা হৈছিল নে নাই? পিছে কিটো হ'ল? হত্যাকাৰীয়ে দেখোন আজিও হাতত যাঠি লৈ মোছত তাও দি ঘূৰি ফুৰিছে।"

তেওঁ সান্ত্বনা দিয়াৰ দৰে ক'লে,—"নহয় মাষ্টৰ নহয়, তুমি কেতিয়াও চুঙা চাই সোপা নিদিবা। প্ৰিন্সিপাল চাহাব আৰু বৈদ্য মহাৰাজৰ হাতত বহুতো শক্তি আছে। তেওঁলোকৰ আগত তুমি কোনো থাউনী নাপাবা। পৰীক্ষাৰ সময়ত প্ৰতি বছৰে কিমান মাষ্টৰ ল'ৰাৰ হাতত মাৰ খায়—তাৰ জানো কিবা লেখ আছে? পিছে কিটোনো হয়গৈ? মূৰটোত টিপা মাৰি ধৰি লাহে লাহে ঘৰলৈ যায়গৈ আৰু ঘৈণীয়েকক খুজি পানী এগিলাচ খায়গৈ। কোনো কোনোৱে গৈ থানাত গোচৰ দিয়েগৈ আৰু তেওঁলোকক আকৌ থানাতে ধৰি ভালকৈ পিটন এটা দিয়া হয়। এতিয়াতো সেইবোৰেই হৈছে। মাষ্টৰ হৈ মাৰপিটৰ পৰা ভয় কৰিলেতো নহ'ব।"

খান্নামাষ্টৰ মনে মনে থাকিল। তাৰ পিছত সুধিলে—"তেনেহলে কি কৰা যায়?"

"তেওঁলোকৰ কথা মানি লোৱাঁ। নতুবা ১০৭ ধাৰাৰ মোকৰ্দমাত মিটমাট কৰি লোৱাঁ। তাকে কৰিব নোৱাৰিলে শিৱপালগঞ্জ এৰি গুচি যোৱাঁগৈ।"

খান্নামাষ্টৰে কন্দনামুৱা হৈ ক'লে—"প্ৰিন্সিপালৰ গুৰিলৈ মিটমাট কৰিবৰ বাবে প্ৰস্তাৱ আগ বঢ়াইছিলোঁ। তেওঁ কয় যে মিটমাটো এই চৰ্ততহে হ'ব—যে শিৱপালগঞ্জ এৰি গুচি যাব লাগিব। প্ৰতিটো কথাতে ইয়াৰপৰা গুচি যাবলৈ কয়। আপুনিয়েই কওকচোন বাৰু,—ইয়াৰ পিছতনো কি কৰোঁ?"

গয়াদীনে ভাবিবলৈ ধৰিলে। বহুত পৰ ভাবি মাত লগালে— "ইয়াৰ পিছত কি কৰিবা মাষ্টৰ চাহাব? দেশৰ ছবিখন চকুৰ আগত লৈ চাবলৈ আৰম্ভ কৰি দিয়া। হয়তো কিজানি তাত শিৱপালগঞ্জৰ নিচিনা কোনোবা ঠাই ওলাই পৰেইবা।"

কিছুসময় তেওঁলোকে চুপচাপ বহি থাকিল। তাৰ পিছত যেনেকৈ তিতা মাটিৰ কেচুৱে নিজকে তেৰা বেকা কৰি ৰেখা টানি আকৌ মুছি পেলায়, ঠিক তেনেকৈ খান্না মাষ্টৰে মোকৰ্দমাত হৈ যোৱা উপস্থিতিৰ বিৱৰণ বিস্তাৰিতভাৱে শুনাবলৈ ধৰিলে।

১০৭ ধাৰাৰ মোকৰ্দমাৰ প্ৰথম বিৰোধী পক্ষ—অৰ্থাৎ তেওঁলোক —যাৰ দন্দুৰা স্বভাৱৰ বিষয়ে পুলিচে ভৱিষ্যতবাণী কৰিছিল— খান্নামাষ্টৰ, মালবীয় আৰু তেওঁৰ লগৰ তিনিজন নতুনকৈ অহা মাষ্টৰ আছিল—যি কেইজনক প্ৰিন্সিপালৰ দলত নথকাৰ বাবে তেওঁৰ বিৰুদ্ধে গৈছে বুলি ধৰি লোৱা হৈছিল। দ্বিতীয় বিৰোধী পক্ষত তেওঁলোক আছিল—যাৰ বিষয়ে খান্নামাষ্টৰে মেজিষ্ট্ৰেটৰ আগত ভৱিষ্যতবাণী কৰিছিল যে তেওঁলোকৰপৰা খান্নাৰ প্ৰাণ আৰু সা-সম্পত্তি নষ্ট হোৱাৰ সংশয় আছে। এজন উকীলে ধেমালিতে এইটোও কৈছিল যে মাষ্টৰৰ লগতনো সা-সম্পত্তি ক'ত থাকে আৰু মাষ্টৰ এজনৰ জীৱনৰ মূল্যাইবা কিমান? পিছে মেজিষ্ট্ৰেটে সেই কথাত কোনো কাণসাৰ নিদিয়াকৈ ইজন বিৰোধীৰ বিৰুদ্ধেহে চমন জাৰী কৰিছিল। এই দ্বিতীয় পক্ষত প্ৰিন্সিপাল চাহাবৰ বাহিৰেও তেওঁৰ দুজন ভতিজা আৰু দুজন ভাগিন আছিল, যি বিদ্যালয়ত যোৱা তিনি বছৰ ধৰি মাষ্টৰী কৰি আছিল। পিছে মানুহে তেওঁলোকক মাষ্টৰ বুলি নাজানি প্ৰিন্সিপালৰ ভতিজা আৰু ভাগিন বুলিহে জানিছিল।

মোকৰ্দমা চলি থকা সময়ত খান্নামাষ্টৰে এটা বিৰোধী মনোভাৱৰ সন্মুখীন হ'বলগীয়া হৈছিল। প্ৰথম পক্ষৰ ফালৰপৰা পুলিচ বিভাগৰ আটাইবোৰ বৰমূৰীয়া, বুৰঞ্জীবিদ আৰু অন্যান্য লোকসকলে প্ৰায় এইটোকে প্ৰমাণ কৰি পেলাব খুজিছিল যে খান্নামাষ্টৰ আৰু তেওঁৰ লগৰীয়াসকল দন্দুৰা স্বভাৱৰ। ইফালে খান্নাই নিজে প্ৰিন্সিপালৰ বিৰুদ্ধে শিৱপালগঞ্জত উচিত প্ৰমাণ বিচাৰি নোপোৱাৰ বাবে কোনো ইতিহাসৰ কাহিনী সৃষ্টি কৰিব পৰা নাছিল। গতিকে এদিন যেতিয়া খান্না মাষ্টৰৰ উকীলে কম তথ্য আৰু বেছি তৰ্কৰ সহায়েৰে প্ৰিন্সিপালৰ বিৰুদ্ধে এটা বৃজন পৰিমাণৰ তৰ্ক কৰি আছিল, তেতিয়া বিচাৰকে খান্না মাষ্টৰৰ ফালে কঢ়া চকুৰে চাই সুধি পেলালে,—

"আপোনালোক অধ্যাপক নেকি?"

"হয় ধৰ্মাৱতাৰ।"

"আপোনালোকৰ কাজিয়া কৰিবলৈ লাজ নেলাগেনে?"

অধ্যাপক হোৱাৰ বাবে লাজে সদায় তেওঁলোকক ঘেৰিয়েই আছিল। এই সময়ত কিন্তু মালবীয় ডাঙৰীয়াই এই কথাষাৰ মানি লবলৈ টান পালে। তেওঁ মাত লগালে—"অধ্যাপক হোৱাত লাজৰ কিবা কথা আছেনেকি ধৰ্মাৱতাৰ?"

"শিক্ষকতা কৰিও আপোনালোকে বজৰুৱাৰ দৰে কাজিয়া কৰে। আপোনালোকৰ দন্দুৰা স্বভাৱৰ বাবেই ১০৭ ধাৰা মোকৰ্দমা চলাব লগা হ'ল। আপোনালোকে ইয়াৰ বাবে লাজ পোৱা নাইনে?"

খান্নাৰ উকীলে বিচাৰকৰ আগত ক'লে, "ধৰ্মাৱতাৰ, এই কথাকে বিৰোধী পক্ষৰ আন আন দোষীকো কৈ দিয়া হওক।"

বিচাৰকৰ খং উঠিছিল। তেওঁ ভোৰভোৰাই ইংৰাজীতে ক'লে—

“নিশ্চয় কৈ দিয়া যাব। কিন্তু এওঁলোকক মোৰ কবলগীয়া আছে। এওঁলোক অধ্যাপক হৈ এনেধৰণৰ মোকৰ্দমা কৰিবলৈ লাজ নাপাইনে? মোৰ কিন্তু এই মোকৰ্দমা শুনিয়েই লাজ লাগিছে। মই ভাবোঁ, ছাত্রবোৰৰ ওপৰত ইয়াৰ কেনে ধৰণৰ প্ৰভাৱ পৰিব?”

প্রিন্সিপাল চাহাবৰ উকীলে মাত লগালে—“ধর্মাৱতাৰ, যদি বিৰোধীপক্ষৰ মাষ্টৰসকলক ভালকৈ শাস্তি দিয়া হয় তেতিয়া হ'লে ছাত্রসকলৰ ওপৰত ভাল প্ৰভাৱেই পৰিব। কিয়নো তেওঁলোকে জানি যাব যে গুণ্ডামীৰ ফলাফল সদায় বেয়া।”

বিচাৰকে কিন্তু নিজৰ তৰ্কবাদতে আৱদ্ধ থাকিল। তেওঁ শিক্ষক-সকলৰ গুণাগুণ সম্পৰ্কে ব্যাখ্যা কৰিলে আৰু প্ৰকাশ কৰি ক'লে যে বৰ্তমানৰ শিক্ষকসকলে তেওঁলোকৰ মহান দায়িত্বৰপৰা আঁতৰি গৈ সংযমহীন, নিৰাশাবাদী আৰু আৰু আত্মকেন্দ্ৰিক হৈ পৰিল। শিক্ষকসকলে পাহৰি গ'ল যে তেওঁলোকে সত্যৰ কাৰণে ত্যাগ কৰা উচিত, নতুন আদৰ্শ দাঙি ধৰা উচিত আৰু যি পৰিমাণৰ পাৰিতোষিক পায় তাতে সন্তোষ হৈ সন্মানিত ব্যক্তি হিচাপে ভাবি মহান নেতৃত্ব আৰু ভৱিষ্যত সু-নাগৰিকৰ সৃষ্টি কৰা উচিত।

খান্না মাষ্টৰৰ উকীলে শেষত কবলৈ বাধ্য হ'ল যে তেওঁলোকে বিচাৰকৰ সিদ্ধান্তৰ কথা স্বীকাৰ কৰি লাজ পোৱা উচিত। কিন্তু দুয়ো পক্ষই সমানে সমানে লাজ পোৱাটো উচিত হ'ব।

তেতিয়া বিচাৰকে প্রিন্সিপালক গালি পাৰিবলৈ ধৰিলে। তেওঁ এইটোকে কব খুজিছিল যে প্রিন্সিপালৰো লাজ লগা উচিত আছিল, কাৰণ তেওঁ এনে হীন মনোবৃত্তি লৈ প্রিন্সিপালগিৰী কৰিছে।

“মই প্রিন্সিপাল হোৱা হ'লে এনে ধৰণৰ মাষ্টৰক এদিনৰ বাবে হলেও বিদ্যালয়ৰ ভিতৰত থকাটো সহ্য নকৰিলোহেঁতেন। মাষ্টৰৰ

মাজত কাজিয়া লাগিলে থানা কাছাৰীৰ লগত কিহৰ সম্পৰ্ক? প্ৰিন্সিপাল সাৱধান হোৱা হলে এনেধৰণৰ সৰু কথাবিলাক তেওঁ আদিৰে পৰাই কলেজলৈ আহিবলৈ নিদিলেহেঁতেন, আৰু আহি যোৱা হলেও সংশ্লিষ্ট শিক্ষকজনক অনুশাসন হীনতাৰ বাবে কলেজত প্ৰৱেশ কৰিবলৈ নিদিলেহেঁতেন। এয়া হ'ল ছাত্ৰসকলৰ ভৱিষ্যতৰ প্ৰশ্ন। ইয়াত অনুগ্ৰহ কিহৰ? আজিকালিৰ প্ৰিন্সিপালবিলাক জানো কি হৈ গ'ল। আমাৰ সময়ত......।"

এতিয়া প্ৰিন্সিপালৰ উকীলেও কবলৈ বাধ্য হ'ল যে তেৱোঁ বিচাৰকৰ সিদ্ধান্তৰ কথা স্বীকাৰ কৰি কব খোজে যে মাষ্টৰৰ সৈতে প্ৰিন্সিপাল চাহাবো দুৰ্বল মনোভাৱেৰে সৈতে উপস্থিত হৈছেহি আৰু তেওঁৰ বিৰুদ্ধে তেওঁ কোনো কঠিন শাস্তিমূলক ব্যৱস্থা এতিয়ালৈকে কৰা নাই আৰু এনে কৰা আৰু নকৰাৰ বাবে প্ৰিন্সিপালৰ লাজ লগা উচিত।

শেষত বিচাৰকে খান্না মাষ্টৰক ক'লে, "এইয়া হ'ল ল'ৰা-ধেমালি এতিয়া এই কাজিয়া ইমানতে বন্ধ কৰা উচিত। নহলে নিজৰ ভিতৰতে মিটমাট কৰি লোৱাঁ অথবা কলেজ এৰি আন কেনিবা গুচি যোৱাঁ। নহলে এই মোকৰ্দমাত মই বিধান লিখিবগৈ লাগিব।"

দাৰোগাই বিচাৰকৰ মন্তব্য শুনি তেওঁৰ দয়াৰ ওপৰত এটা সংক্ষিপ্ত ভাষণ দি ক'লে,—"হুজুৰে বিধান নিলিখাই ভাল হ'ব যেন পাওঁ, নহলে অৱস্থা সাংঘাতিক হ'বগৈ। যিয়েই কি নহওক, এওঁলোক বেচেৰা মাষ্টৰ। ফুচুলনিৰ বশৱৰ্তী হ'ল। আপুনি বিধান লিখিলে কষ্টত পৰিবগৈ। আপুনি যি আদেশ কৰিলে সেয়েই বহুত। এওঁলোকক বহুতো বুজনি দিয়া হৈছে আৰু বুজি পাইছেও নিশ্চয়। মোৰ বিশ্বাস এতিয়া পৰস্পৰৰ মাজত মিট্‌মাট্

হ'বগৈ। এওঁলোকক আৰু এবাৰ উপস্থিতিৰ সুযোগ দান কৰা হওক। তেতিয়ালৈকে সকলো ঠিক হৈ যাব। হুজুৰে আৰু বিধান নিলিখিলেও হ'বগৈ।"

ৰঙ্গনাথে ক'লে,—"তাৰ মানে তাৰ অৰ্থ এইটোৱেই হ'লগৈ যে...... ।"

খান্না মাষ্টৰে মাত লগালে, "অৰ্থ এইটোৱেই হ'লগৈ যে কাছাৰীৰ পৰা উভতি আহিয়েই প্ৰিন্সিপাল চাহাবে মাষ্টৰ মতিৰামক আমাৰ পিছত লগাই দিলে। এতিয়ালৈকে তেওঁ মনে মনে বিজ্ঞান পঢ়াইছিল আৰু নিজৰ আটাপিচোৱা মেচিনৰ কামৰ তদাৰক কৰিছিল। এতিয়া পৰশিৰপৰা তেওঁ আমাক এইটোৱেই বুজাই আছে যে মাষ্টৰীত কৈ আটা পিচোৱা মেচিন বহুৱাই লোৱাটোহে বেছি লাভজনক কাম হ'ব। লাভ-লোকচানৰ কথা কৈ থাকোঁতে তেওঁ খৰি ফলা মেচিনৰ বিষয়েও উলিয়াইছিল। যোৱা কালি আবেলি মালবীয় ডাঙৰীয়াক পাণৰ দোকানৰ লাভালাভৰ বিষয়ে বুজাইছিল। এতিয়া কওক, এইচব কথাৰ উত্তৰ কি?"

গয়াদীনে এঙামুৰি এটা দি ক'লে,—"মিট্‌মাট্ কৰি লওক।"

"পিছে ইয়াৰ অৰ্থ...... ।"

"সেয়াতো আপুনি ইতিমধ্যে কৈছেই মাষ্টৰ চাহাব, মিট্‌মাট্ যদি শিৱপালগঞ্জ এৰিলেহে হয় তেনেহলে তাকেই কৰক। দিনে ৰাতিয়ে খিটখিটাই থাকিলে কি লাভ? নিবনুৱা কথাটো ইমান বেয়া কথা নহয়। কোটি কোটি মানুহ দেখোন নিবনুৱা হৈ আছে। প্ৰকৃত কথা হ'ল এই খিটখিট লাগি থকাটো। ইয়াৰ পৰা দূৰৈত থকা উচিত।"

ৰঙ্গনাথৰ চাওঁতে চাওঁতে শিৱপালগঞ্জত ছমাহেই হ'লগৈ। তেওঁ বেচ শকত আৰুত হৈছিল। মুখখন অৱশ্যে বেয়া হৈ গৈছিল। প্ৰকৃত সময়ত মনে মনে থকাটো আৰু অদৰকাৰী কথাত তৰ্ক কৰাৰ অভ্যাস হৈ গৈছিল। এই কাজিয়াখনত তেওঁ কাৰো ফলীয়া নাছিল যদিও এটা দোধোৰ-মোধোৰভাৱে তেওঁৰ মনত হীনতাৰ সূচনা কৰিছিল। পৰিস্থিতিৰ বিৰুদ্ধে তেওঁৰ মনত স্বাভাৱিক দুখো লাগিছিল। পিছে তেওঁ প্ৰতিজন ভাৰতীয়ৰ দৰেই তৰ্ক-বিতৰ্কৰ পথেৰে ওলাই গৈছিল। কিন্তু আজি এই হীনতাৰ অনুভূতিয়ে আৰু দুখী দুখী ভাৱটোৱে মিলি তেওঁক জানো কেনেকুৱা কৰি পেলালে, তেওঁ গুজৰিবলৈ আৰম্ভ কৰি দিলে। তেওঁ কথা গুজৰি গুমৰি আৰম্ভ কৰিছিল আৰু গুজৰি গুমৰিয়েই শেষ কৰিলে। সি যিয়েই নহওক, তেওঁৰ কথাৰ এইটোৱেই অৰ্থ হ'লগৈ,—"এই পৰিস্থিতিক সৰ্বশক্তি প্ৰয়োগ কৰি প্ৰতিৰোধ কৰিব লাগে—থাম্না মাষ্টৰে পিছ হোঁহকিব নালাগে, অন্যায়ৰ সৈতে হাত মিলাব নালাগে।"

মাষ্টৰে মাত লগালে, "আমি একোটো কৰিব নোৱাৰোঁ।" ৰঙ্গনাথে সুধিলে, "আৰু আপুনি, গয়াদীন ডাঙৰীয়াই?"

উত্তৰত গয়াদীনে অলপ চিন্তা কৰি এটা ঘটনাৰ বৰ্ণনা দিলে: "আমাৰ এলেকাত বহুত দিনৰ আগতে মাতাপ্ৰসাদ নামৰ এজন মানুহ আছিল। এই এলেকাৰ তেওঁ প্ৰথম নেতা আছিল। মানুহে তেওঁৰ কথা বেচ আনন্দেৰে শুনিছিল। প্ৰয়োজন হলে তেওঁ জেললৈও গৈছিল, মানুহে তেতিয়া তেওঁৰ কথা বেচ গভীৰ-ভাৱে চিন্তা কৰিছিল। যেতিয়া তেওঁ জেলৰ পৰা উভতি আহিছিল, মানুহে সাধাৰণতে তেওঁক এনে ধৰণৰ কথা কৈ বেচ

গৰম কৰি দিছিল, তেওঁ যাতে আকৌ জেললৈ যায়গৈ। এবাৰ তেওঁ কেইবা বছৰো জেললৈ নোযোৱাকৈ থাকিল। ইয়াৰ পৰিণাম এইটোৱেই হ'লগৈ যে মানুহে তেওঁৰ কথাবোৰৰ পৰা বিৰক্তি প্ৰকাশ কৰিবলৈ ধৰিলে। জমিদাৰী বিনাশ, স্ত্ৰীশিক্ষা, বিদেশী বস্তু আৰু মদৰ দোকান বৰ্জন আদি এই বিষয় সমূহৰ ওপৰত তেওঁৰ কথাবোৰ মানুহৰ এনে ধৰণে মনত বৈ গ'ল যে যেতিয়া তেওঁ কথা কবলৈ থিয় হয় স্কুলীয়া ল'ৰাই তেওঁ কিবা কোৱাৰ আগতেই কবলগীয়া কথাবোৰ টুকুৰা কৰি কৰি তেওঁক সোঁৱৰাই দিয়ে। মূৰকত তেওঁৰ কবলৈ বুলি একোৱেই বাকী নাথাকেগৈ। যেতিয়া কোনো ৰাজহুৱা কামত তেওঁ চান্দা বিচাৰি ওলায়, মানুহে ভাবে যে তেওঁ ভিক্ষাহে মাগি ফুৰিছে। তেওঁ যেতিয়া ভাৰত মাতাৰ জয়ধ্বনি দিয়ে—মানুহে ভাবে তেওঁ নিজৰ বংশৰ প্ৰচাৰ কৰিছে আৰু তেওঁ যেতিয়া জমিদাৰী বিনাশৰ কথা কয় তেতিয়া মানুহে বুজি পায় যে তেওঁ যোৰা-ফোন্দা নমৰাকৈয়ে বছৰটো পাৰ কৰি দিব খোজে। অৰ্থ এইটোৱেই যে মাতাপ্ৰসাদৰ নেতাগিৰী সেই অঞ্চলত পাঁচ বছৰৰ অধিক কাল নিটিকিল। তাৰ পিছত তেওঁ অনুভৱ কৰিলে যেন ক'ৰবাত কিবা কেনা লাগিছে। তেতিয়া শেষত ময়েই বুজাবলগীয়া হলোঁ যে ভাই মাতাপ্ৰসাদ, নেতা হ'বৰ বাবে যি গুণৰ প্ৰয়োজন সেই গুণ তোমাৰ গাত নাই। নেতা হ'বলৈ হলে তেওঁ ৰাইজৰ প্ৰতিটো কথাকে জানিব লাগিব আৰু ৰাইজে তেওঁৰ বিষয়ে একো জানিব নালাগিব। তোমাৰ ক্ষেত্ৰত আটাইবোৰ কথাই ওলোটা। তুমিতো নিজে ৰাইজৰ বিষয়ে একোৱেই নাজানা আৰু ইফালে ৰাইজে তোমাৰ প্ৰতিটো কথাই জানে। সেইবাবে এই অঞ্চলটোত তোমাৰ নিচিনা লোকে

নেতাগিৰী কৰাৰ যোগ্য নহয়। হয় তুমি এই এলেকা পৰিত্যাগ ক'ৰা, নহলে কিছুদিনৰ বাবে জেলত থাকাঁগৈ। মাতাপ্ৰসাদে মোৰ উপদেশ মানি জেললৈ গমন কৰিলে। তাৰ ঠিক দুই এক বছৰ মানৰ মূৰত তোমাৰ মোমায়েৰা বৈদ্য ডাঙৰীয়া কোনোবা এখন জিলাৰপৰা ইয়ালৈ আহিল। তেওঁৰ বিষয়ে মানুহে একোকেই নাজানিছিল; মাত্ৰ ইমানেই জানিছিল যে তেওঁৰ কিচকিচীয়া ক'লা মোছ আছে, এটা সুঠাম দেহ আছে আৰু বীৰ্যপুষ্টিৰি ঔষধৰ এটা আড়ম্বৰ আছে। তেওঁ কো-অপাৰেটিভ্ ছোচাইটী গঠন কৰিলে, ইয়াত এটা মধ্য ইংৰাজী স্কুল খোলালে, নিজৰ আয়ুৰ্বেদিক দৰবৰ দোকান খুলিলে আৰু মানুহে—তেওঁ কাৰ কি হয় এই কথাটো জানি উঠাৰ আগেয়েই নেতা হিচাপে থিতাপি লৈ বহিল। এখন গাঁৱৰ জমিদাৰীও তেওঁ বন্ধকত ৰাখি থলে। কো-অপাৰেটিভত টকা পইচা পলমকৈ পোৱাৰ বাবে যাতে কাৰো কষ্ট নহয় তাৰবাবে লগে লগে নিজৰ টকাও ধাৰ দিবলৈ আৰম্ভ কৰি দিলে। সিফালে মাতাপ্ৰসাদ জেলত পৰি থাকিল আৰু বৈদ্য ডাঙৰীয়াই এইফালে যুদ্ধৰ বাবে সৈনিক ভৰ্তি কৰি যাবলৈ ধৰিলে। চহৰৰ শান্তিসভালৈও যাবলৈ আৰম্ভ কৰি দিলে। স্বাধীনতা লাভৰ পিছত তেওঁ জমিদাৰীৰ বিৰোধিতা কৰি বন্ধকত ৰখা গাঁওখন বিক্ৰী কৰি দি জমিদাৰী অপযশৰ পৰা ৰক্ষা পৰিল। সিফালে মাতাপ্ৰসাদে জেলৰ পৰা ওলাই আহি চৰকাৰী পেঞ্চন লৈ চহৰত নিজৰ পেট প্ৰৱৰ্তাবলৈ ধৰিলে। ইফালে ৰঙ্গনাথ বাবু, তোমাৰ মোমায়েৰাই অকলেই এই অঞ্চলৰ বিশিষ্ট ব্যক্তি হৈ পৰিল।

ৰঙ্গনাথ বাবু, নেতাগিৰী এনেকুৱা এবিধ গছৰ গুটি যি ঘৰৰপৰা নিলগৰ মাটিতহে গজে। গতিকে মই ইয়াত নেতাগিৰী কৰিব

নোৱাৰেঁ। মানুহে মোক বহুত বেছি জানে। ইয়াত মোৰ নেতাগিৰী নচলিব। কিবা ক'লে মানুহে কব চোৰাঁ, সৌৱা গয়াদীনে নেতাগিৰী কৰিছে।

আৰু এই খান্না মাষ্টৰৰ ববে মই এনেয়ো নেতা নহওঁ। কোনো কথাই এওঁ বুজি নাপায়। গতিকে এওঁৰ বাবেনো কিমানলৈ ওকালতী কৰিব পাৰি?"

ৰঙ্গনাথে গয়াদীনৰ ব্যাখ্যান মন দি শুনি আছিল। তাৰ পাছত মাত লগালে—"পিছে গয়াদীন ডাঙৰীয়া,—মামাক আপুনিহে ভালদৰে জানে। আপুনিয়েহে তেওঁৰ ওপৰত প্ৰভাৱ পেলাব পাৰিব। আপুনি খান্নাক অলপ নহয় অলপ সহায় কৰিবই লাগিব।"

"খান্না মাষ্টৰকতো মই সহায় কৰিব নোৱাৰিম, কিন্তু তুমি পাৰিবা। তোমাৰ মোমায়েৰাৰ বিৰুদ্ধে তুমিতো আজিকালি কবলৈ ধৰিছা। ভয় তোমাৰ দূৰ হৈ গৈছে। তুমি বাহিৰত থকা মানুহ। ইয়াৰ মানুহে তোমাৰ আচল ৰূপ নাজানে আৰু যেনেকৈ এওঁ খান্না মাষ্টৰ, তেনেকৈ ঠিক তুমিও। এতিয়া তুমিয়েই নেতা হৈ দেখুওৱা।"

ৰঙ্গনাথে খঙৰ বশৱৰ্তী হৈ ক'লে—"তেনেহলে এইটোৱেই হ'ব, আপুনি কয় কি?"

"ল'ৰাৰ লগত মিতিৰালি কৰি চাৰিওফালে অশান্তি।" গয়াদীনে মন্তব্য কৰি ক'লে।

ৰঙ্গনাথ আৰু খান্না মাষ্টৰহঁতক অসন্তোষ মনেৰে বেগাই ওলাই যোৱা চাই থাকিল। হঠাৎ তেওঁৰ মনত পৰিল যে চহৰলৈ যাবলৈও সময় হৈছেহি। পোন্ধৰ হাজাৰ টকা এটা ডাঙৰ সংখ্যা, কিন্তু বেলাৰ বাবে এই সময়ত তাইৰ কোনো মূল্যই নাই।

আঠাইছ

শিক্ষাবিভাগৰ উপসঞ্চালকে কলেজৰ নিৰ্বাচনী ঘটনা সম্পৰ্কে তদন্ত কৰাৰ কথা আছিল। তেওঁ আহিবলৈ মাথোন চাৰিদিন বাকী। ৰূপ্পন বাবু আৰু ৰঙ্গনাথে ঠিক কৰিলে যে তেওঁলোক দুয়ো খান্না মাষ্টৰৰ ঘৰলৈ গৈ তেওঁনো কি প্ৰস্তুতি চলাইছে তাৰ বুজ লব।

সিহঁত দুয়ো গৈ মন্দিৰ আৰু বাচ আড্ডাৰ ওচৰৰ ফুটপাথ পালেগৈ। এনেতে সিহঁতে এটা দৃশ্য দেখা পালে। বাচ আড্ডাৰ দেৱালৰ আনফালে এটা মানুহৰ মূৰ ওপৰলৈ ওলাই আছিল। ডিঙিৰপৰা তলছোৱা দেৱালৰ আঁৰত লুকাই আছিল। তাৰ ঠুটৰীটোৰ ওপৰত এটা চিন আছিল। মূৰটো লৰচৰ নকৰাকৈ মন্দিৰৰফালে ঘূৰি আছিল। তাৰ মুখত এটা অস্বাভাৱিক হাঁহি দেখা গৈছিল। দূৰৰপৰা দেখিলে এনে অনুমান হয় যেন কোনো মানুহৰ এইমাত্ৰ মূৰটো কটা হৈছে, সি যেন হাঁহি আছে আৰু তাক দেৱালৰ ওপৰত তুলি থোৱা হৈছে।

ৰূপ্পনবাবুৱে তাকে ৰঙ্গনাথক ইঙ্গিত দি দেখুৱালে। তেওঁ অলপমান সময় ভালকৈ লক্ষ্য কৰিলে আৰু তৎক্ষণাৎ চিনি পালে যে সেইটো লঙ্গৰৰ মূৰহে।

ৰূপ্পনবাবুৱে ৰঙ্গনাথক চিঞৰোতেই তাৰ চকু দেৱালৰ ওপৰত পৰিল। দুয়ো লঙ্গৰৰ ওচৰলৈ আহিল আৰু তাৰ সৈতে কথা

পাতিবলৈ আৰম্ভ কৰিলে। ৰূপ্পনে মাত লগাই সুধিলে,—"বাচৰ আড্ডাত থিয় হৈ কি কৰিছা লঙ্গৰ ককাই?"

এসময়ত লঙ্গৰৰ মুখত হাঁহি নাইকীয়া হৈছিল আৰু এতিয়া সি ৰূপ্পনহঁতক লগ পাই অলপ স্বাভাৱিক হৈ পৰিল। সি উত্তৰ দিলে,—"ইয়াতনো কোনোবাই কিবা কৰেনে? অহা যোৱা কৰা মানুহেইতো ইয়ালৈ আহে। গতিকে কোনোবা চিনাকি মানুহ পোৱা যায় নেকি তাকে চাই আছোঁ। পিছে তোমালোক ঘূৰি যাবা নেকি?" ইয়াৰ অৰ্থ হ'ল যে লঙ্গৰে নকল পালে। ৰূপ্পনে সুধিলে,—"নকল কেতিয়া পালা লঙ্গৰ ককাই?"

"বাপু, নকলতো মোৰ লোৱা হৈ গৈছিলেই—। কিন্তু……"

লঙ্গৰে তাৰ বাঁওহাতৰ মুঠিৰে নিজৰ মূৰত চাৰি পাঁচোটামান ভুকু মাৰিলে। তাৰ ভুকু মৰাৰ গতি দেখিলে অনুমান হয় কোনোবাই যেন কাৰোবাৰ মূৰত হাঁতুৰীহে মাৰিছে। ৰঙ্গনাথ আৰু ৰূপ্পন দুয়োটাই মনে মনে থিয় দি থাকিল।

লঙ্গৰে মুখ মেলিলে আৰু তাৰ নকলৰ বতৰা কবলৈ আৰম্ভ কৰিলে,—"যোৱাবাৰ যেতিয়া তোমাক দোকানত লগ পাইছিলোঁ, ৰঙ্গনাথ বাপু,—তুমি যে কিমান খাটিৰ কৰি মোক গাখীৰ কিনি খুৱাইছিলা, মনত আছেনে? তাৰ পাছদিনাই মই গাঁৱলৈ যাব লগা হ'ল। খবৰ আহিছিল যে ভাইটোৰ ঘৰত অশৌচ লাগিছে। গতিকে তেতিয়াই যাবলগা হ'ল। পিছে গাঁও পাওঁতেমানে শেহবাতি হ'লগৈ, জাৰত খুব কষ্ট পালোঁ।

পূৰা সোতৰটা দিন বিছনাত পৰি আছিলোঁ। কালিহে ঘূৰি আহিছোঁ বাপু। জিলালৈ গৈ গম পালোঁ যে চৰায়ে ধান খাই শেষ কৰিলে।

তাত তেওঁলোকে ক'লে,—বোলে তোমাৰ নকল কেইবাদিন আগতেই তৈয়াৰ কৰি থোৱা হৈছিল। নোটিশ্ বোৰ্ডত ইয়াৰ খবৰ ওলাই গৈছিল। কিন্তু পোন্ধৰ দিন হৈ যোৱাৰ পাছতো নকল নিবলৈ কোনো নাহিল। গতিকে তেওঁলোকে নকল ফালি পেলালে।"

নকল বনাই পোন্ধৰ দিনলৈ থৈ দিয়ে আৰু কোনেও নিনিলে ফালি পেলায় বুলি এই কথা মই জনা নাছিলোঁ।" এই বুলি কৈ লঙ্গৰে হাঁহিবলৈ চেষ্টা কৰিলে যদিও ৰঙ্গনাথহঁতৰ দৃষ্টিত তাক কন্দনামুৱাহে দেখিলে।

ৰঙ্গনাথে বুজাবলৈ আৰম্ভ কৰিলে,—"চোৰাঁ লঙ্গৰ ককাই, তোমাৰ আইন-কানুন জনা থাকিলেও একো নহয়। জানিবৰ বাবে মাত্ৰ এটা কথা আছে আৰু সেইটো হ'ল—তুমি জনতা আৰু জনতাই ইমান সোনকালে কোনো বিষয়ত জয়ী হ'ব নোৱাৰে।"

লঙ্গৰে কান্দিবলৈ এৰি নিজৰ ঠুটৰীটোৰে দেৱালৰ ওপৰত ভেজা দি অপলক দৃষ্টিৰে ৰঙ্গনাথহঁতক চাবলৈ ধৰিলে।

"পৰাজয় বৰণ কৰিছা, কোনো কথা নাই। নিজৰ গাঁৱলৈ গৈ খেতি কৰাঁগৈ। কিছুদিনৰ পাছত দেখিবা তোমাৰ অন্তৰৰ ঘাটুকুৰা লাহে লাহে শুকাই গৈছে।"

"খেতি কৰিম কেনেকৈ বাপু। খেতিৰ মাটি লৈয়েইতো মোকৰ্দমা চলিছে।"

"তেনেহলে চুৰি কৰাঁ, ডকাইতি কৰাঁ।" ৰূপ্পনে খঙেৰে ক'লে।

লঙ্গৰে কিছুসময় মনে মনে থিয় দি থাকিল। পাছত অলপ সময় চিন্তা কৰি ক'লে—"নকলৰ বাবে দৰখাস্ত নিদিমনেকি?"

ৰঙ্গনাথে জোৰেৰে উশাহ এটা লৈ ক'লে,—"দি দিয়াঁ। কিন্তু এইবাৰ এজন উকীল লগাই লোৱাঁ। ভেটী ভাৰ দি হলেও

নিজৰ কামটো কৰি লোৱাঁ। নহলে মোকৰ্দমাত অকলে যুঁজি থাকিলে উকীলৰপৰা উদ্ধাৰ নাপাবা।”

ৰূপ্পন আৰু ৰঙ্গনাথ দুয়ো ৰাস্তাৰ ফুটপাথলৈ ঘূৰি আহিল। লঙ্গৰ আগৰ ঠাইতে থাকিল। ৰূপ্পনে ৰাস্তাত পৰি থকা কুকুৰ এটাৰ গাত নেদেখাকৈ খুন্দা এটা মাৰিলে। ফপৰা কুকুৰটোৱে ঘেং কৰি শব্দ এটা কৰাৰ বাহিৰে আন কোনো প্ৰতিক্ৰিয়া নেদেখুৱালে। ৰূপ্পনে মাত লগালে,—“এই লেঙেৰা লঙ্গৰটো শিৱপালগঞ্জৰ বাহিৰত থাকিলেই ভাল। ইয়াক দেখিলেই গাটো কিবা কিবা লাগে। মানুহটোক দেখিলেই চৰ এটা মাৰি দিবৰ মন যায়।”

“তেনেহলে চৰ এটা মাৰি নিদিয়ানো কিয়”—ৰঙ্গনাথে খঙেৰে উত্তৰ দিলে আৰু ভাবিলে সি আজি ইয়াত প্ৰথমবাৰৰ বাবে খং কৰিলে।

উনত্ৰিছ

তেওঁলোক খান্নামাষ্টৰৰ ঘৰত বহি আছিল। ঘৰ মানে এটা পুৰণা ধৰণৰ কোঠা যাৰ পাছফালে এখন চোতাল, বাৰান্দা আৰু এটা সৰু কোঠা আছিল। বাৰান্দাতেই ৰন্ধা-বঢ়া কৰা হৈছিল। চোতালৰ এফালে নলাৰ কাষত গা ধোৱা হৈছিল আৰু পেচাব কৰা হৈছিল। ঘৰটোৰ গা-ধোৱা আৰু পায়খানা ঘৰ শিৱপালগঞ্জৰ শতকৰা ৯৫ ভাগ ঘৰৰ নিচিনাই, অৰ্থাৎ নাছিল।

কোঠাটোত মাত্ৰ এখন তক্তা। তাৰ ওপৰত এখন ফটা বিছনা চাদৰ পাৰি থোৱা আছিল আৰু তাৰ এটা কোণত গিলিপ নোহোৱা এটা লেতেৰা গাৰু থৈ দিয়া হৈছিল। তক্তাখনৰ ওচৰতে এটা আলমাৰী আছিল। তাত চাবোন শুকাই কৰকৰীয়া মৰা এডাল দাড়ি খুৰোৱা ব্ৰাচ আৰু এডাল চেফ্‌টী ৰেজাৰ পৰি আছিল আলমাৰীটোৰ ওপৰৰ খলপাটোত জোতা ৰঙৰ এটা টেমা, এডাল পুৰণা ব্ৰাচ, এখন লেতেৰা ফটাকানি আৰু সাধনা নামৰ এজনী চিত্ৰ তাৰকাৰ ছবি সোঁতমোঁচ হৈ আছিল, যিখন ছবিত প্ৰায় নঙঠা অৱস্থাৰে "বিলাতী অভিনেত্ৰীৰ যি আছে মোৰও সেই একেই আছে" এই কথাষাৰ ঘোষণা কৰি তাই যেন অতি সাহসিকতাৰে থিয় হৈ আছিল।

আলমাৰীটোৰ একেবাৰে ওপৰৰ খলপাটোত সাহিত্য আছিল। অৰ্থাৎ ডাক্তৰ ঈশ্বৰপ্ৰসাদৰ ভাৰতবৰ্ষৰ ইতিহাস, ইতিহাসত গ্ৰেজুৱেটৰ দ্বাৰা লিখা পৰীক্ষাৰ উপযোগী কিছুমান টিপ্পনী, 'জৈঠী জাসুস' নামৰ পুস্তকমালাৰ কেইপাহমান ফুল, 'কল্যাণ' নামৰ পত্ৰিকাৰ ডাঙৰ ডাঙৰ বিশেষাঙ্ক আৰু গুলচান নন্দাৰ উপন্যাসৰ এটা সম্পূৰ্ণ চেট। খান্নামাষ্টৰে ইতিহাস পঢ়াইছিল আৰু এই সাহিত্য পঢ়িছিল।

বহি থকা মানুহৰ ভিতৰত আছিল খান্নামাষ্টৰ, মালবীয়জী আৰু তেওঁলোকৰ গোষ্ঠীৰ আন কেইজনমান মাষ্টৰ আৰু ৰঙ্গনাথ। এওঁলোকৰ বাহিৰেও দুটা ল'ৰা আছিল যি কেইটা কাজিয়া কৰাত ওস্তাদ আছিল আৰু ইচ্ছানুসাৰে কেতিয়াবা কেতিয়াবা কলেজলৈ আহি কলেজত পঢ়িছিলহি। বৈঠকত দুটা বিচাৰ্য বিষয় আছিল:

প্ৰথমটো হ'ল মালবীয়জীৰ বিৰুদ্ধে প্ৰকাশ কৰা অশ্লীল প্ৰচাৰ পত্ৰ আৰু খান্না মাষ্টৰৰ প্ৰতি প্ৰিন্সিপালে কৰা দুৰ্ব্যৱহাৰৰ ফলত

উদ্ভৱ হোৱা পৰিস্থিতি, আৰু দ্বিতীয় হ'ল—শিক্ষা বিভাগৰ উপ সঞ্চালকৰ দ্বাৰা হ'বলগীয়া তদন্তৰ কাৰণে তৈয়াৰ হোৱা। এই দুটা বিষয়ৰ উপৰিও আন এটা তৃতীয় বিষয় হ'ল—প্ৰিন্সিপালক নাক কাটি এৰি দিয়া যাব নে কেৱল জোতা মাৰি এৰি দিয়া যাব।

কিন্তু ৰঙ্গনাথৰ উপস্থিতিৰ কাৰণে এই বিষয়টো কাৰ্য্যসূচীত লব পৰা নগ'ল।

কথা-বতৰা আগৰ দৰেই চলিছিল।

এই সময়ত ল'ৰাবিলাকৰ বছৰেকীয়া পৰীক্ষা হৈ আছিল। তাতে খান্না মাষ্টৰে ল'ৰা এটাক নকল কৰোঁতে ধৰা পেলালে। ল'ৰাটোৱে ধৰা পৰোঁতে এই বুলি অস্বীকাৰ কৰিলে যে তাক প্ৰিন্সিপালৰ লগত ভাল ভাব থকাৰ কাৰণেই ধৰা হৈছে আৰু আনহাতেদি নিজৰ পছন্দৰ কেইটামান ল'ৰাক নকল কৰোঁতেও এৰি দিছে। ঠিক এই সময়তে মালবীয়জী উপস্থিত হৈ খান্না মাষ্টৰৰ পক্ষ লৈ কিবাকিবি কবলৈ চেষ্টা কৰিছিল। কিন্তু ল'ৰাটোৱে তেওঁ কোৱাৰ আগতেই কৈ উঠিল,—“চাৰ, আপুনি বক বক নকৰিব। যি ল'ৰাই আপোনাৰ লগত গৈ চহৰত চিনেমা চাই আহেগৈ তাক আপুনি গোটেই কিতাপখনকে নকল কৰিবলৈ দিয়ে আৰু আমি অকণমান লাইন এটা ইফাল সিফালৰপৰা লিখিলেই আপুনি দেখিব নোৱাৰে।” কথাষাৰ শুনি মালবীয়জী মনে মনে থাকিল যদিও খান্না মাষ্টৰে ল'ৰাটোক গালি পাৰিলে। তেতিয়া ল'ৰাটোৱে অলপ গম্ভীৰ হৈ ক'লে,—“মই আপোনাক অসন্মান কৰিব নোখোজোঁ। সেই কাৰণে আপুনি আন এটা কোঠালৈ যাওক। তাকে নকৰিলে মই আপোনাক অপমান কৰিবলৈ বাধ্য হম।”

খান্না মাষ্টৰে গৈ প্ৰিন্সিপালক এই বিষয়ে ৰিপোৰ্ট কৰিলে। প্ৰিন্সিপালে নিজকে নিজে ক'লে,—"এই খান্না মাষ্টৰটো য'লৈকে যায় ত'তে কিবা নহয় কিবা এটা গণ্ডগোল লগাব।" তেওঁ ৰিপোৰ্ট লবলৈ অস্বীকাৰ কৰিলে। ফলত ইয়াকে লৈ মহাসমৰৰ সূত্ৰপাত হ'ল। খান্না মাষ্টৰৰ গোষ্ঠীৰ চাৰি-পাঁচজন মাষ্টৰো প্ৰিন্সিপালৰ কোঠা পালেগৈ। তেওঁলোক যিবিলাক কোঠাৰপৰা গৈছিল তাত থকা ল'ৰাবিলাকে ইচ্ছামতে নকল কৰিবলৈ ধৰিলে। ইফালে প্ৰিন্সিপালে সেই গালিক নিজৰ কথাৰে তল পেলাই খান্না মাষ্টৰক কলেজৰপৰা বাহিৰলৈ যাবলৈ ক'লে আৰু যেতিয়ালৈকে পৰীক্ষা শেষ নহয় তেতিয়ালৈকে কলেজলৈ নাহিবলৈ আদেশ দিলে। সেই আদেশ অমান্য কৰি কলেজৰ চৌহদত দেখা দিলে তেওঁক জোতাৰে কোবাই বাহিৰ কৰি দিব। খান্না মাষ্টৰে এই আদেশৰ প্ৰতিবাদ কৰিলে। ফলত দুয়োৰে মাজত তৰ্কাতৰ্কি আৰম্ভ হ'ল আৰু অৱশেষত ই গৈ হতাহতিত পৰিণত হ'লগৈ। শেষত খান্না মাষ্টৰৰ লগৰীয়া শিক্ষক কেইজনে এই ঘটনা দেখি পুলিচ মতালে। পুলিচ মাতিবলৈ অৱশ্যে ক'লৈকো যাবলগীয়া নহ'ল। পৰীক্ষাৰ সময়ত শান্তি আৰু শৃঙ্খলা ৰক্ষাৰ বাবে পুলিচ কলেজৰ গেটৰ মুখতে সাজু আছিল। খবৰ দিওঁতেই পালেহি। পুলিচ আহিয়েই ঘটনাৰ আঁতিগুৰি লৈ প্ৰিন্সিপালৰ নিৰ্দেশতে মতামত দি অনতিপলমে খান্না মাষ্টৰক কলেজৰপৰা বাহিৰ ওলাই যাবলৈ ক'লে।

ল'ৰাবিলাক অৱশ্যে এই ঘটনাৰ দ্বাৰা বিশেষ প্ৰভাৱিত নহ'ল। তেওঁলোকে নিশ্চিন্তমনে পৰীক্ষা দি থাকিল আৰু নকল কৰিবলৈ ধৰিলে।

এই ঘটনাকে খান্না মাষ্টৰৰ প্ৰতি দুৰ্ব্যৱহাৰ কৰা বুলি আখ্যা দিয়া হৈছিল আৰু ইয়াৰ বিষয়ে বৈঠকত আলোচনা হৈছিল। খান্না মাষ্টৰে ৰঙ্গনাথক কৈছিল,—

"যোৱা বছৰত ত্ৰিপাঠী মাষ্টৰৰ লগতো এনেকুৱা ঘটনাই হৈছিল। তেওঁক কোৱা হৈছিল যে ঘটনাৰ পাছদিনাৰপৰা তেওঁ কলেজলৈ আহিব নালাগে। কিন্তু এই নিৰ্দেশ অমান্য কৰি পাছদিনা ত্ৰিপাঠী মাষ্টৰ কলেজলৈ যাওঁতে তেওঁক কলেজৰ গেটতে বদ্ৰী পালোৱানৰ তিনি-চাৰিজন শিষ্যই বেঢ়ি ধৰিলে। বেচাৰা ত্ৰিপাঠী মাষ্টৰে নিজৰ সন্মান ৰক্ষা কৰি উভত গ'ল। যিমানদিন ইফালে সিফালে ওজৰ-আপত্তি কৰিছিল সিমানদিন তেওঁক কলেজত অনুপস্থিত থকাৰ দোষ ধৰি সাময়িকভাবে বৰ্খাস্ত কৰিলে। শেহত তেওঁক কলেজৰ পৰাই বাহিৰ কৰি দিলে। অৱশ্যে তেওঁ মোকৰ্দমা দাখিল কৰিছিল আৰু ই আজিও চলি আছে। ত্ৰিপাঠীয়ে নিজৰ ফালৰপৰা টকা খৰচ কৰিছে আৰু প্ৰিন্সিপালৰ তৰফৰপৰা কলেজে খৰচখিনি বহন কৰিছে। মোকৰ্দমাৰ কাৰণে প্ৰিন্সিপালে একো ভয় নকৰে।

ৰঙ্গনাথে ক'লে,—"তেতিয়া হ'লে আপুনি কিবা এটা সোনকালে কৰিব লাগে।"

"পিছে সেই কিবাটোনো কি তাকেহে ভাবিব লাগে।"

তেওঁলোকে বহুত সময় চিন্তা কৰিলে।

মালবীয়ই লাহেকৈ মাত লগালে,—"পুলিচত ৰিপোৰ্ট কৰা হওক যে কলেজলৈ যাওঁতে মোক বাটত আগুৰি ধৰে।"

খান্না মাষ্টৰে তুচ্ছভাৱেৰে হাঁহি এটা মাৰি ক'লে,—"সঁচাকৈয়ে কি মোক বাটত আগচি ধৰিব? কিজানি মোক কলেজলৈ যাবলৈ

দি পাছত অপমান কৰি দিব? ৰিপোৰ্ট পাছত হ'ব, কিন্তু অপমান আগতে হৈ যাব।"

মালবীয়ই খুব মনোযোগেৰে খান্নাৰ কথা শুনিলে। তাৰ পাছত নিজৰ ব্যাখ্যা দি ক'লে—"তাৰ মানে ইয়াৰ অৰ্থ হ'ল—আপুনি তালৈ যাবলৈ ভয় কৰিছে।"

এতিয়ালৈকে খাটিয়াত লেপেতা খাই বহি থকা খান্না মাষ্টৰে এই কথা শুনি বুকু ফিন্দাই থিয় দিলে আৰু চিঞৰি চিঞৰি ক'লে,—"হয় ডাঙৰীয়া, মই ভয় কৰিছোঁ। তাত আপোনাৰ কিবা আপত্তি আছে?"

মালবীয়ই বুজোৱাৰ চলেৰে ক'লে,—"আপত্তিৰ কথা নহয়। যেতিয়ালৈকে আপুনি কলেজলৈ নাযায় আৰু তেওঁলোকে আপোনাক কাম কৰাত বাধা নিদিয়ে, তেতিয়ালৈকে আপুনি কেনেধৰণে দোষাৰোপৰ কথা কব?"

ৰঙ্গনাথে ক'লে—"ইংৰাজীতে খুব ভালকৈ এখন দৰ্খাস্ত লিখক আৰু যেতিয়া শিক্ষাবিভাগৰ উপসঞ্চালক ইয়ালৈ তদন্তৰ কাৰণে আহিব তেতিয়া তেওঁৰ হাতত দাখিল কৰক। দেখিব, আমাৰ প্ৰিন্সিপালৰ মুখ ক'লা হৈ যাব।"

খান্না মাষ্টৰে ক্ষীণ হাঁহি এটা মাৰি ক'লে,—"আপুনিও যে ৰঙ্গনাথবাবু, কিনো কম। মোৰ এই উপসঞ্চালকৰ ওপৰত কোনো ভাৰসা নাই। যাকেই আপুনি ভাল বুলি ভাবে সিয়েই আপোনাক অপকাৰ কৰিবলৈ বিচাৰে।"

খান্নাৰ কথাষাৰ শুনি আন এজন মাষ্টৰে হাঁহিবলৈ ধৰিলে। মালবীয়ই মাত লগালে—"এইজন উপ-সঞ্চালক দেখোন একেবাৰে নতুন। তেওঁৰপৰা কিছু আশা কৰিব পৰা যায়। শুনিছোঁ তেওঁ

বোলে বৰ চোকা ধৰণৰ। ডাঙৰ ডাঙৰ নেতাকো হেনো বহিবলৈ চকী নিদিয়ে। অনৰ্থক কথা শুনিলেই কোঠাৰপৰা উলিয়াই বাহিৰ কৰি দিয়ে।”

“আপুনি শুনিয়েই থাকক মালবীয়। মই সকলো জানো।” খান্নাই নিৰাশভাৱে ক'লে,—“যি কেইজন নেতা বিৰোধী গোষ্ঠীৰ তেওঁলোকৰ প্ৰতিহে তেওঁ চোকা ভাৱটো দেখুৱায়। তেওঁ বৰ ঘুঘু বিষয়া। আধা নেতা আৰু আধা অফিচাৰ। নিজৰ মতৰ দুই এজন নেতাক নিজৰফালে কৰি লয়। ৰাতি তেওঁলোকৰ ওচৰলৈ গৈ মূৰ দোঁৱায় আৰু দিনত আনৰ আগত নেতাসকলক গালি পাৰে।”

মালবীয়ই ক'লে,—“যেনেকৈয়ে হওক আগৰজনতকৈ এওঁ শতগুণে ভাল।” ৰঙ্গনাথলৈ চাই পুনৰ ক'লে,—“আগৰজন উপ-সঞ্চালক একেবাৰে নিৰ্জু প্ৰকৃতিৰ মানুহ আছিল। সেইটোৱেই তেওঁৰ যশৰ কাৰণ। আমি কেইজনমান শিক্ষকে লগলাগি তেওঁৰ ওচৰলৈ প্ৰতিবেদন এখন লৈ গৈছিলোঁ আৰু তেওঁক সকলো কথা বুজাই কৈছিলোঁ। তেওঁ মনোযোগেৰে সকলো কথা শুনিলে আৰু যেতিয়া কবলৈ ধৰিলে,—তেওঁৰ কথা শুনি এনে লাগিল যেন এই গাঁৱৰ গয়াদীন ডাঙৰীয়াইহে কৈছে। তেওঁ ক'লে,—

“আপোনালোকৰ কলেজখন দেখোন বেচ ভাল। আপোনালোকে আকৌ কৈছে তাত কেৱল গোষ্ঠী প্ৰাধান্যতাহে আছে। ল'ৰা-বিলাকৰ পঢ়াশুনা ভালকৈ নহয়। হিচাপ-পত্ৰৰ গণ্ডগোল। পৰীক্ষাত নকল কৰিবলৈ দিয়া হয়। প্ৰিন্সিপালে আপোনালোকৰ লগত দুৰ্ব্যৱহাৰ কৰে। বন্ধুসকল, এইবোৰো কথাৰ লগৰ কথানে? এইবোৰতো সকলো কলেজতেই হয়। ল'ৰাই যদি নিজে ভাল

হ'বলৈ ইচ্ছা নকৰে তেনেহলে কি কৰিবনো? ল'ৰাই যদি নিজে পঢ়িবলৈ ইচ্ছা নকৰে তেনেহলে তাঁহাতক কেনেকৈ পঢ়াব? আমাৰ দিনত সদবংশৰ ল'ৰা পঢ়িবলৈ আহিছিল, মনোযোগেৰে পঢ়িছিল। আজিকালি জামাদাৰ, চমাৰৰ ল'ৰাও পঢ়িবলৈ আহে, গতিকে পঢ়া কেলেই ভাল হ'ব? আপোনালোকে নিজেই ভাবি চাওকচোন।

মেনেজাৰ বৈদ্য ডাঙৰীয়া বেচ সাত্ত্বিক মানুহ। তেওঁৰ বাবেই আপোনালোকৰ কলেজে লোকচান ভৰা নাই, আপোনালোকেও মাহে মাহে দৰমহা পাই আছে। কলেজতো ধৰ্মঘট নহয়। সকলো শান্তিৰেই চলে। আপোনালোকৰ কলেজখন হ'ল এখন আদৰ্শ কলেজ।"

"ৰঙ্গনাথবাবু, উপসঞ্চালক ডাঙৰীয়াই মোক এনেদৰে শান্তিৰ বাণী শুনাই আমাৰ প্ৰতিনিধি দলটোক বিমুখ কৰি ঘূৰাই পঠালে। তেওঁ আমাক ক'লে যে এই ওজৰ-আপত্তিবোৰৰ কোনো প্ৰয়োজন নাই। যদি আপোনালোকৰ কোনো অসুবিধা আছে তেন্তে বৈদ্য ডাঙৰীয়াৰ ওচৰলৈ গৈ কওক, তেখেতেই সকলো ঠিক কৰি দিব।

গতিকে মই ভাবিলোঁ, বোপাই, তোমাৰ দ্বাৰা একো কাম নহ'ব। আৰু বেছি কোৱাৰ আৱশ্যক নাই, মনে মনে থাকাঁ।"

মানুহবোৰে হাঁহিবলৈ ধৰিলে। তাকে দেখি তাত উপস্থিত থকা ল'ৰাবিলাকেও হাঁহি দিলে। মালবীয়ই শেষবাৰৰ বাবে মন্তব্য দি ক'লে—"মোৰ হ'লে তেওঁৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছে। মই এইবাৰ আপত্তি কৰোঁতে তেওঁ তপৰাই উত্তৰ দিলে,—"আপুনি গৈ মনে মনে নিজৰ কাম কৰকগৈ। মই নিজে তালৈ যাম আৰু তদন্ত কৰিম।"

খান্না মাষ্টৰে নিৰাশাৰে মূৰ জোকাৰি ক'লে—"ওঁহো, মোৰ কিন্তু একেবাৰে বিশ্বাস নাই। এইটো নিৰ্বাচনৰ বছৰ। মই শুনিছোঁ তেওঁ এইবাৰ কলেজক আগতকৈ দুগুণ টকা দিয়াব। এইবছৰ সকলোৰে কাৰণে খোলা বজাৰ। তদন্ত পৰশিলৈকে হৈ যাব। ফল কিন্তু একো নহ'ব। গতিকে এতিয়া কি কৰা যায় তাৰহে উপায় বিচাৰি উলিয়াব লাগে।"

ল'ৰাবিলাকে এতিয়ালৈকে একো কোৱা নাছিল। সিহঁতৰ মাজৰে এটাই এইবাৰ কিবা এটা কবলৈ মুখ মেলিলে। সি শিৱপালগঞ্জৰ প্ৰসিদ্ধ পোচাক পিন্ধি আছিল অৰ্থাৎ পিন্ধনত পায়জামা আৰু বনিয়ন নোহোৱাকৈ গাত মলমল কাপোৰৰ কামিজ। মূৰটো আছিল টকলা। দেখিলেই তাক গুণ্ডা যেন অনুমান হৈছিল। যেতিয়া সি কথা কবলৈ আৰম্ভ কৰিলে তেতিয়া বুজা গ'ল যে সি দেখিবলৈ যেনেকুৱা তাৰ কথাবিলাকো তেনেকুৱা। সি ক'লে,—"মাষ্টৰ চাহাব, তদন্ত-চদন্তৰ দ্বাৰা একো নহ'ব। চিধা ৰাস্তা আপুনি কোৱাটোৱেই। আপুনি যদি আদেশ দিয়ে তেন্তে প্ৰিন্সিপাল চাহাবক কোনোবা এদিনা আন্ধাৰে মুধাৰে শেষ কৰি দিম।"

আন এটা ল'ৰাই ইয়াৰ অৰ্থ বুজালে যে নাক, কাণ কাটি পেলোৱা যাওক, প্ৰাণে মৰাৰ কোনো প্ৰয়োজন নাই।

ৰঙ্গনাথৰ অৱস্থা বেয়া হৈছিল। তেওঁ কিছুদিনৰপৰা খান্না মাষ্টৰৰ বিপত্তিত মনোনিবেশ কৰিছিল। তেওঁৰ মাষ্টৰবিলাকৰ প্ৰতি দয়াও উপজিছিল। বিশেষকৈ কোনো লিখিত নিৰ্দেশৰ পৰিৱৰ্তে মাৰপিটৰ ভাবুক দি প্ৰিন্সিপালে খান্না মাষ্টৰক কলেজলৈ যোৱাত বাধা দিয়াটো ৰঙ্গনাথে পছন্দ কৰা নাছিল। আনহাতেদি ৰঙ্গনাথক

যেতিয়া দুই-চাৰিবাৰ খান্না মাষ্টৰৰ দলত আহযাহ কৰা প্ৰিন্সিপাল আৰু বৈদ্য ডাঙৰীয়াই দেখা পাইছিল, তেতিয়া তেওঁলোকে মাথোন মিচিকিয়াই হাঁহিছিল। ৰঙ্গনাথে ইয়াকে কৈ তেওঁলোকক বুজাবৰ চেষ্টা কৰিছিল যে সি খান্না মাষ্টৰহঁতৰ দৃষ্টিকোণ উপলব্ধি কৰি পৰিস্থিতি সহজ কৰিবৰ কাৰণেহে চেষ্টা কৰিছে। বৈদ্য ডাঙৰীয়াই কেৱল এই কথা শুনিহে গৈছিল, কিন্তু একো কোৱা নাছিল।

ল'ৰা কেইটাই যি আত্মবিশ্বাসেৰে প্ৰিন্সিপালক শাস্তি দিয়াৰ প্ৰস্তাৱ কৰিছিল—ৰঙ্গনাথে তাকে নামঞ্জুৰ কৰিলে।

সি উঠি যোৱাৰ উপক্ৰম কৰোঁতেই বাহিৰত কাৰোবাৰ ভৰিৰ শব্দ শুনা গ'ল আৰু লগে লগে দুৱাৰখন খুলি ৰূপ্পনবাবু ভিতৰ সোমাই আহিল।

ৰঙ্গনাথে ক'লে,—"বহা ৰূপ্পন, মইও যাবলৈ ওলাইছিলোঁৱেই।"

"নহয় দাদা, মই এক মিনিটো অপেক্ষা কৰিব নোৱাৰোঁ। মই মাত্ৰ ইয়াকে কবলৈ আহিছোঁ যে মই ওচৰ-পাজৰৰ গাঁৱত সকলো ঠিক কৰি আহিছোঁ। এই কলেজৰ কাৰণে গোটেই অঞ্চলৰ মানুহে হক কথা কব। গোটেই জনতা আমাৰ লগত আছে। দেউতাই যিটোকে বিচাৰিছিল সেইটোকে পালে। এতিয়া তেখেতে বুজি পাওক যে, সত্যক সজোৱা-পৰোৱা কথাৰে লুকুৱাই ৰাখিব নোৱাৰি।"

খান্নামাষ্টৰে ৰূপ্পনৰ কথাত মাত লগালে—"বহকচোন ৰূপ্পনবাবু, কওক—কি কি কৰি আহিলে।"

"অনুগ্ৰহ কৰি সোনকালে বুজিবলৈ চেষ্টা কৰক। কাইলৈ সকলো কথা চকুৰ আগত জিলিকি উঠিব। এই শিৱপালগঞ্জতে পাঁচশ মানুহৰ আগত উপসঞ্চালকে প্ৰিন্সপালক এশজোতা

মাৰিব। যদি নলগায় তেনেহলে আপোনালোকে মোক এশ জোতা মাৰিব।

খান্নাচাহাব, আপুনি আৰামেৰে শুই থাকক। কাইলৈৰ কথা কাইলৈ হ'ব।

ব'লা ৰঙ্গনাথ দাদা, যোৱা হওক এতিয়া। মাষ্টৰ চাহাবক আৰাম কৰিবলৈ দিয়া।"

ল'ৰা কেইটাক উৎসাহ দি ৰূপ্পনে ক'লে—"তোমালোকৰ কাম চলাই থাকাঁ।"

ৰূপ্পন আৰু ৰঙ্গনাথ দুয়ো বাহিৰ ওলাই আহিল। দুয়ো অলপ সময় মনে মনে যাবলৈ ধৰিলে। ৰাস্তালৈ আহি ৰঙ্গনাথে ৰূপ্পনৰ কান্ধত হাতখন ৰাখিলে। ৰূপ্পনবাবুৱে ৰঙ্গনাথৰ ফালে চাই আকৌ আনফালে চালে।

"ৰূপ্পন, তুমি মদ খাইছা ?"

"কোৱাঁ যদি 'হয়' বুলি কওঁ আৰু নহলে নহয়। দাদা, এইখন শিৱপালগঞ্জ, ইয়াত কোনটো সঁচা, কোনটো মিছা, কোৱা মস্কিল।"

ৰঙ্গনাথে ঘৰৰ ফালে যোৱা ৰাস্তাই দি নগৈ ৰূপ্পনক লৈ আনফালে ঘূৰিল।

"ব'লা ৰূপ্পন, তোমাৰ কথাও অৱশ্যে ঠিকেই। বাৰু ব'লা এতিয়া পুল এটাত বহি অলপ বতাহকে খোৱা যাওক।"

সিহঁত দুয়োটাই লাহে লাহে জনকোলাহলশূন্য ঠাইৰ ফালে আগ বাঢ়িল। কিছু সময়ৰ পাছত ৰূপ্পনে নিজেই মাত লগালে,—"কেতিয়াবা নহয় কেতিয়াবাতো আৰম্ভ কৰিব লাগিলহেঁতেন। শিৱপালগঞ্জত থাকিবলৈ হলে এনেকৈয়ে থাকিব লাগিব, মদো

খাব লাগিব। ইয়াৰ পৰিৱেশ যে এনেকুৱাই।” অলপ মনে মনে থাকি পুনৰ ক'লে—“ইয়াত গান্ধী মহাত্মা হলে নচলিব।”

সিহঁত দুয়ো ৰাস্তাৰ কাষৰ এটা পুলত বহিল। ৰূপ্পনে ৰঙ্গনাথৰ একেবাৰে কাষ চাপি গাতে গা লগাই বহিল। আৰু এখন হাত মৰমতে ৰঙ্গনাথৰ কান্ধত থলে। তাৰ আচাৰ ব্যৱহাৰত কোনো নতুনত্ব বা মদৰ প্ৰভাৱ দেখা নগৈছিল। ৰঙ্গনাথে ৰূপ্পনৰ কথাত হস্তক্ষেপ কৰি ক'লে,—“তুমি এইবোৰ কি বকিছা ৰূপ্পন, তোমাৰ নিজস্ব ভাৱধাৰাটো শিৱপালগঞ্জৰ পৰিৱেশৰ অজুহাত দেখুৱাই নষ্ট কৰিব খুজিছা কিয়? পৃথিৱীত এখন শিৱপালগঞ্জেই নাই। তোমাৰ আমাৰ কাৰণে আৰু এখন বিশাল ঠাই পৃথিৱীৰ এচুকত পৰি আছে য'ত ন্যায়, সত্যতাৰ প্ৰতি সন্মান দেখুওৱা হয়।”

ৰূপ্পনে মুখখন ওন্দোলাই বহি আছিল। সি ভোৰভোৰাই ক'লে—“মোৰ তো এনে যেন লাগিছে দাদা, গোটেই পৃথিৱী-খনেই এখন শিৱপালগঞ্জ।”

কিছুসময়ৰ পাছত সিহঁত দুয়ো তাৰপৰা উঠি ঘৰমুৱা হ'ল।

প্ৰিন্সিপাল ডাঙৰীয়াই বহুতো বিপত্তিৰ সন্মুখীন হ'বলগা হৈছিল। পৰহিলৈ শিক্ষাবিভাগৰ উপসঞ্চালক তদন্ত কৰিবলৈ আহিব। ডাকবঙলাত থকামেলাৰ সকলো বন্দৱস্ত কৰিব লাগে। তেওঁ কলেজৰ কেৰাণীজনক কিছুমান কাম কৰাৰ বাবে নিৰ্দেশ দিলে। কেৰাণীজনে তেতিয়া নিজৰ কোঠাত বহি কেঁচাআমৰ চৰ্বত খাই আছিল আৰু প্ৰিন্সিপালৰ নিৰ্দেশ শুনি আছিল। শেষত মাত লগালে,—“এনেকুৱা চৰাই চিকাৰী সদায়েই আহে। আমি তেওঁ-লোকৰ পিছে পিছে কিমান ঘূৰি ফুৰিম।”

প্ৰিন্সিপাল ডাঙৰীয়াই কেৰাণীজনক বন্ধুত্বৰ সুৰত ক'লে—যে

উপসঞ্চালকে আনন্দিত হৈ আমাৰ কোনো লাভ নকৰিলেও অসন্তোষ হৈ বহুত ডাঙৰ লোকচান কৰিব পাৰে। এই প্ৰসঙ্গতে তেওঁ এটা লঘু কথাৰ উদাহৰণো দিলে। কিন্তু কেৰাণীজনৰ ওপৰত কোনো প্ৰভাৱ পৰা দেখা নগ'ল। তেওঁ চুপচাপ চৰ্বত গিলাচ শেষ কৰি দিলে আৰু তৃপ্তিৰ এটা উগাৰ মাৰিলে। তাৰ পাছত মাত লগালে—"খুড়া থাকোঁতে কোনেও একো অন্যায় কৰিব নোৱাৰে।"

খুড়া অৰ্থাৎ বৈদ্য ডাঙৰীয়া। প্ৰিন্সিপালে বুজি পালে যে কেৰাণীয়ে আজি কাম কৰিবলৈ ইচ্ছা কৰা নাই। আৰু তেওঁক কাম কৰিবলৈ জোৰ কৰিলে বেঞ্চখনত শুই পৰিব আৰু আগৰ সেই পুৰণা পেটৰ বিষৰ আপত্তি তুলিব। সেই অৱস্থাত অহা কাইলৈকো কাম নকৰিব। তেওঁৰ ওপৰতেই ভাৰসা বুলি কৈ বৈদ্য ডাঙৰীয়াৰ অনাৱশ্যক প্ৰশংসা কৰি প্ৰিন্সিপাল বাহিৰলৈ ওলাই আহিল। তেওঁ এজন বিশ্বাসী মাষ্টৰক মাতি আদেশ দিবলৈ বুলি ইচ্ছা কৰিলে। পাছে গম পালে যে সেই মাষ্টৰজন এটা ল'ৰাৰ লগত চহৰত চিনেমা চাবলৈ গৈছে। "এতিয়ালৈকেতো এটা মালবীয় আছিল, সিও এতিয়া একে পথকে ধৰিলে।" প্ৰিন্সিপালে জোৰেৰে ক'লে। কাইলৈৰ বাবে যোগাৰ-পাতিৰ ভাৰ কাৰ ওপৰত দিয়া যায়—তাকে ভাৱনা চিন্তা কৰি কাৰোবাৰ উদ্দেশ্যে গালি পাৰিবলৈ ধৰিলে। তাকে শুনি তেওঁৰ চাপৰাচীটোৱে তেওঁলৈ ঘৃণাৰ ভাবেৰে চাই ওচৰেদি খৰমেৰে খট্‌খট্ কৰি কোঠাৰপৰা বাহিৰ ওলাই গ'ল।

প্ৰিন্সিপাল যেতিয়া বৈদ্য ডাঙৰীয়াৰ ঘৰৰ ফালে আগবাঢ়িছিল তেনেতে এজাক ধূলিৰ বতাহ আহি তেওঁক পথৰোধ কৰিলে,

তেওঁৰ চকুমুখ ধূলিৰে ভৰি পৰিল। ৰাস্তাৰ কাষতে থকা পাণ-দোকানৰ সোলোক-ঢোলোক ঘৰৰ চাল উৰুৱাই নি কেনিবা লৈ গ'ল। তেওঁ ইফালে সিফালে ক'ত সোমাব পৰা যাব তাকে চাবলৈ ধৰিলে। অলপ পাছতে বিজুলী ঢেৰেকনীৰে শিল বৰষুণ আহিবলৈ ধৰাত তেওঁ দুই-তিনিটা মানুহক ঠেলি হেঁচি এখন চাহৰ দোকানত সোমালগৈ। তেওঁ অনবৰত খান্না মাষ্টৰকে গালি পাৰি আছিল।

বৰষুণজাক এৰাৰ পাছত তেওঁ দোকানৰপৰা ওলাই বৈদ্য ডাঙৰীয়াৰ ঘৰ পালেগৈ। বৈদ্যৰ ঘৰৰ আগফালে থকা কোঠাটোৰ দুৱাৰখন ভিতৰৰপৰা বন্ধ আছিল। প্ৰিন্সিপালে দুৱাৰৰ শলখাদাল বাহিৰৰপৰা খট্‌খটাই দিয়াত দুৱাৰখন ভিতৰৰপৰা খুলি দিলে। দুৱাৰ খোলাত ঘৰৰ ভিতৰৰ কোঠাটোত বৈদ্য ডাঙৰীয়া, বদ্ৰী পালোৱান, শনিচৰ আৰু ছোটে পালোৱানক বহি থকা দেখা গ'ল। তেওঁলোকক বেচ গম্ভীৰ যেন দেখা গৈছিল। বৈদ্য ডাঙৰীয়াই ইঙ্গিত দি প্ৰিন্সিপালক ভিতৰলৈ আহিবলৈ ক'লে। তেওঁ উত্তৰত জনালে,—"মোক আগতে এঘটি পানী অনাই দিয়ক। ভৰি দুফেৰা ধুইহে ঘৰৰ ভিতৰ সোমাবলৈ ইচ্ছা কৰোঁ। কাৰণ মোৰ ভৰিত গো-মাতাৰ শৌচ লাগিল।" তেওঁৰ কৌতূহলপূৰ্ণ কথাত কোনেও আগৰদৰে নাহাঁহিলে। কাৰণ, তেওঁলোকৰ মুখবিলাক গম্ভীৰ চিন্তামগ্ন আছিল। শনিচৰে চুপচাপ উঠি গৈ এঘটি পানী আনি প্ৰিন্সিপালৰ হাতত দিলেহি। তেওঁ ভৰি দুটা ধুই লাজতে দাঁত দুপাৰি উলিয়াই ভিতৰলৈ সোমাই আহিল আৰু বৈদ্য ডাঙৰীয়াৰ চৰণ স্পৰ্শ কৰি তেওঁৰ ওচৰতে বহিল। বদ্ৰী পালোৱানে সুধিলে,—"কি খবৰ প্ৰিন্সিপাল চাহাব?"

"মোৰ খবৰটো সদায়েই শুকান। পিছে আপোনাৰ খবৰ কওক। দৰাৰ লগত কেতিয়া যাব লাগিব?"

উত্তৰত বদ্ৰী পালোৱানে প্ৰিন্সিপালৰ ফালে এটা কৌতূহলপূৰ্ণ দৃষ্টি নিক্ষেপ কৰিলে,—যেন তেওঁ দৰাৰ লগত যোৱা কথাষাৰৰ অৰ্থ বুজি পোৱা নাই। বৈদ্য ডাঙৰীয়াই সুধিলে—"কাৰ বিয়াৰ কথা কৈছে প্ৰিন্সিপাল চাহাব?"

"আমাৰ নতুন মেনেজিং ডাইৰেক্টৰ চাহাবৰ। গাঁৱলৈকে যাব লগা হলেনো কি হ'ল? বিয়াতো বিয়াই। মই এটা পাটৰ পাঞ্জাবী চিলাইছোঁ। দাম কিন্তু আপোনালোকৰ জেপৰপৰা উলিয়াব লাগিব, নহয় জানো মেনেজাৰ ডাইৰেক্টৰ চাহাব?" প্ৰিন্সিপালে বদ্ৰী পালোৱানক হাঁহি হাঁহি সুধিলে।

বদ্ৰী পালোৱানে প্ৰিন্সিপালৰ কথাত কোনো গুৰুত্ব নিদি ছোটেৰ লগত আন কিবা কথা পাতিবলৈ ধৰিলে। বৈদ্য ডাঙৰীয়াই মাত লগালে—"বদ্ৰীৰতো এই বছৰ বিয়া নহয়। আপুনি কাৰ বিয়াৰ কথানো কৈছে?"

"কিয়? গয়াদীন ডাঙৰীয়াৰ ছোৱালী বে......।"

বৈদ্য ডাঙৰীয়াই হাত দাঙি প্ৰিন্সিপালৰ কথা শেষ হ'বলৈ নিদিলে। তেওঁ ক'লে—"আপুনিও দেখিছোঁ শত্ৰুৰ চক্ৰান্তৰ পালত পৰিল। বৰ দুঃখৰ বিষয়।"

প্ৰিন্সিপাল আচৰিত হ'ল, "গোটেই গাঁৱতে বদ্ৰী আৰু বেলাৰ বিয়াৰ চৰ্চা হৈ গৈছে দেখোন—।"

"শত্ৰুৱে গয়াদীন ডাঙৰীয়াৰ জীয়েকৰ বদনামী কৰিবৰ কাৰণেই এই উৰাবাতৰি উলিয়াইছে। আপুনি দেখোন নিজেই জানে, বেলা সাক্ষাত দেবী আৰু বদ্ৰী সকলোফালৰপৰা নিষ্কলঙ্ক। সেইদিনাখন

চহৰৰপৰা আহি মই সোধপোচ কৰাত গম পালোঁ যে ইয়াৰ অন্তৰালত কাৰোবাৰ চক্ৰান্ত সোমাই আছে। মই কলোঁ যে ছোৱালীৰ হিতৰ কাৰণে এই প্ৰসঙ্গটো পাহৰি যোৱাটোৱেই ভাল হ'ব। বেচেৰা গয়াদীনে এই অপবাদলৈ ভয় কৰি চহৰলৈ গুচি গ'ল। তেওঁৰ জীয়েকৰ বিয়া তাতেই কাৰোবাৰ লগত ঠিক কৰিছে।"

"ধন্য! এই গাঁওখনৰ কথাবিলাকো খুব অদ্ভূত ধৰণৰ।"

বদ্ৰী পালোৱান উঠি বাহিৰলৈ গ'ল। ছোটেই অন্যফালে চাই নিজৰ অনাবৃত কৰঙনটোৰ ওপৰত নিজৰ সোঁহাতখন ফুৰাবলৈ ধৰিলে। নিজৰ গাঁওবাসীক সজাগ কৰিবলৈ এইটোৱেই তাৰ অমোঘ অস্ত্ৰ আছিল। শনিচৰে গাঁৱৰ প্ৰধান হিচাপে নিজৰ দায়িত্ব পালন কৰি ক'লে "এই গাঁওখনক ময়েই ঠিক কৰিম। মই গাঁওখনৰ প্ৰধান হোৱানো কিমান দিন হৈছে?"

ভেকুলীৰ পিঠিতো নোম গজিবলৈ লৈছে—ইয়াকে ভাবি ছোটেই ঘৰৰ ভিতৰ মজিয়াতে থুৱাই দিলে। কিছু সময় সকলো মনে মনে থাকিল। বৈদ্য ডাঙৰীয়াই পুনৰ কবলৈ আৰম্ভ কৰিলে—"আন কাৰোবাৰ ছোৱালীৰ বিষয়ে কবলৈ হলে বহুতো ভাবি চিন্তি কব লাগে। নাজানো কোন শত্ৰুৱে অপবাদ উলিয়াই দিলে যে বদ্ৰীয়ে নিজে গয়াদীনৰ ঘৰৰ লগত সম্বন্ধ কৰিব খুজিছে......।"

ছোটেই নিজৰ কৰঙনৰ ওপৰত হাত ফুৰোৱা বন্ধ কৰিলে। সি ক'লে—"মই কিবা ক'লে বেয়া পাবনেকি মহাৰাজ?"

"তই এটা মূৰ্খ। মুঠতে তই যেতিয়ালৈকে কথা নকৱ তেতিয়ালৈকে তই ভদ্ৰ।" বৈদ্য ডাঙৰীয়াই অলপ টানমাতেৰে ক'লে,—"তইঁতি এতিয়াও ল'ৰা-ধেমালি এৰা নাই। মুখত যিহকে

আছে তাকে কৈ ফুৰিছ আৰু গয়াদীন ডাঙৰীয়াক অপমান কৰিছ। এতিয়া মনে মনে থাক। তেওঁৰ ছোৱালীজনীৰ বিয়াখন সুকলমে হৈ যাবলৈ দে। বচ, কথা ইয়াতেই শেষ হ'ল। এই প্ৰসঙ্গ আকৌ উত্থাপন কৰিব নালাগে।" ইয়াকে কৈ তেওঁ ডাঙৰ গাৰুটোত আঁউজি বাগৰ এটা দিলে—জানিবা কোনো মুছলমান বাদশাহে কোনো এক দোষীক দেশৰপৰা নিৰ্বাসন দি এক হুকুম জাৰী কৰিলে আৰু তাৰ ওপৰত কোনো কথা শুনিবলৈ প্ৰস্তুত নহয়।

ত্ৰিছ

যি সময়ত ভাৰতবৰ্ষত ইংৰাজৰ ৰাজত্ব চলিছিল (স্বাধীনতাৰ আগতে লিখা ইতিহাসে আমাক যেন অনুমতি দিয়ে) সেই সময়ত নৈৰ পাৰত বা ঘাটত, হাবি জঙ্ঘলৰ মাজত, অৰ্থাৎ য'ত ৱৰ্ডচৱৰ্থ, ৰবীন্দ্ৰনাথ ঠাকুৰ বা সুমিত্ৰানন্দন পান্তৰ কৱিতাৰাশিয়ে নিজে নিজে প্ৰস্ফুটিত হৈছিল, ডাকবঙলাৰ সৃষ্টি—ধূলিবালি, হাইজা-বসন্ত-প্লেগ আদিৰ দৰে মহামাৰী, ভোকাতুৰ অৰ্দ্ধনগ্ন কঙাল, গুণ্ডামি বদমাচিৰ নিচিনা কোনো সমস্যাই প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিছিল। দুয়োটা শ্ৰেণীৰ চাহাব বগা বা ক'লা যিয়েই নহওক গাঁৱলৈ যেতিয়া মফচল কৰিবলৈ যায় তেতিয়া তাতেই আছিল।

সেই সময়ত ডাকবঙলাত থকা মফচলক অনায়াসে পিক্‌নিকৰ

আখ্যা দিব পৰা গৈছিল—যেনেকৈ আজিকালি পিক্‌নিকক অনায়াসে মফচল বুলি কোৱা যায়। চাহাবসকলে তাত বহি হুকুমৰ দ্বাৰা সমস্যাক আৰু সমস্যাৰ দ্বাৰা হুকুমক কটকটীয়া কৰিছিল। গছ-লতা, জন্তু, চৰাই-চিৰিকতি, পোক-পৰুৱা আদিৰ ওপৰত গৱেষণা কৰিছিল। কেতিয়াবা ছাগলী চৰোৱা স্থানীয় ছোৱালীৰ সু-স্বাস্থ্য দেখি আচৰিত হৈছিল। কেতিয়াবা সেই অঞ্চলৰ অঘৰী তিৰোতাক বিশ্বাস জন্মাবলৈ চেষ্টা কৰিছিল যে কাপোৰ আৰু দৰ্জীৰ চক্ৰান্ত থকা সত্বেও প্ৰাচ্য আৰু পাশ্চাত্যৰ মানুহৰ ভিতৰত প্ৰকৃততে কোনো ভিন্নতা নাই। কেতিয়াবা ভেঁটী হিচাপে পোৱা স্কচ্‌ হুইস্কীৰ বোটল খুলিছিল, কেতিয়াবা হাঁহিছিল, কেতিয়াবা বিতুষ্ট হৈছিল, কেতিয়াবা আকৌ মনে মনে আছিল আৰু কেতিয়াবা জনতা আৰু শাসন কৰ্তাৰ মাজত থকা পাৰ্থক্য সম্পৰ্কে চিন্তা কৰিছিল।

এইয়া হ'ল স্বাধীনতা কালৰ আগৰ কথা। স্বাধীনতাৰ পাছত এতিয়া চহৰত তেতিয়াৰ গাঁৱৰ কথা সাধুকথা যেন লাগে। গাঁৱত প্ৰাইমেৰী স্কুল আৰু পঞ্চায়ত ঘৰ হৈছে আৰু প্লেগ মহামাৰীত যেতিয়ালৈকে কোনো মানুহৰ প্লেগ হৈ নাযায় তেতিয়ালৈকে কোনো শেষ হৈ নাযায়। কোনো শিক্ষিত মানুহ অৰ্থাৎ ইংৰাজী জনা মানুহ চহৰৰপৰা গাঁৱলৈ যায় তেওঁক হাৰিকিৰি কৰা বুলি কব নোৱাৰি। শ-শ মানুহৰ মাজত বিশ্বাস হৈছিল যে ক'লা চাহাব চহৰৰপৰা গাঁৱলৈ গ'ল আৰু তাত দুই এদিন থাকি তাৰ পানী খাই কোনো বেমাৰ আজাৰ নোহোৱাকৈ হাঁহি মাতি জীৱিত অৱস্থাত ঘূৰি গ'ল। এনে ধৰণৰ বিশ্বাসৰ পাছত গাঁৱৰ-প্ৰতি মানুহৰ মতৰ পৰিৱৰ্তন ঘটিছে। অৱশ্যে গাঁৱৰ পানীৰ বিষয়ে

শেষ মতামত দিব নোৱাৰি। আনহাতে দেশৰ চহৰসমূহত গাড়ী মটৰৰ দ্বাৰা সৃষ্টি হোৱা ধূলি-ধুমুহাৰ প্ৰভাৱ ক্ৰমান্বয়ে গাঁৱতো বিয়পিবলৈ লৈছে।

কিন্তু ক'লা চাহাবসকলৰ ভিতৰতো এনে কিছুমান দুৰ্লভ নমুনা আছে— যি ডাকবঙলাৰ প্ৰেমপাশত আৱদ্ধ থাকে। লাগিলে এওঁলোকৰ ভেঁটীত পোৱা স্কচৰ বটল বহুত আগৰেপৰাই খালী হৈ পৰি আছে, কম্পাউণ্ডত চৰি থকা ছাগলী কেতিয়াবাই খাই শেষ কৰিলে আৰু সেই ছাগলী চৰোৱা যুৱতীবোৰ বুঢ়ী হৈ গ'ল, তাত কোনো ক্ষতি নাই।

ছঞ্চামল বিদ্যালয় ইণ্টাৰ কলেজৰ তদন্তলৈ অহা শিক্ষাবিভাগৰ সহকাৰী সঞ্চালকজন এনেকুৱা নমুনাৰেই আছিল। বৰঞ্চ তেওঁ দুৰ্লভৰো দুৰ্লভ আছিল। যেতিয়া তেওঁ মাত্ৰ স্কুলৰ সহকাৰী পৰিদৰ্শক আছিল তেওঁৰ তেতিয়া শ্বেৰশ্বাহে দিল্লীৰ ৰাজপাট খোৱা হাবিয়াসৰ দৰেই মনত হাবিয়াস উদয় হৈছিল। তেওঁ ভাবিছিল যে সুবিধা পালে এই ডাকবঙলাতে থাকি পাছফালৰ চিড়িয়েদি নামি গৈ ঈশ্বৰভক্ত গৃহিনীক গঙ্গাস্নান কৰাব আৰু এই ডাক-বঙলাতেই থাকি মহাৰাণা প্ৰতাপৰ বিষয়ে এখন খণ্ডকাব্য লিখিব, যিখন ইণ্টাৰমিডিয়েটত পাঠ্য পুস্তক হিচাপে চলিব আৰু সেই ডাকবঙলাতেই থাকি বছৰেকত এবাৰ ফিটকৰিহা বাবাৰ কুটীৰলৈ যাব। সেই ডাকবঙলাতেই থাকি গীতাৰ অধ্যয়ন কৰি এতিয়ালৈকে মূৰ্খামিৰ দ্বাৰা হেৰুৱাই পেলোৱা সুবিধাবোৰক মনত পেলাই অন্তৰত সান্ত্বনা লভিব আৰু সেই ডাকবঙলাতেই গাভৰুৰ...।

এতিয়া সহকাৰী সঞ্চালক হোৱাৰ পাছত তেওঁ ভাবিছিল যে নগৰৰ কোলাহল, গণ্ডগোল আদিৰপৰা ৰক্ষা পাবৰ কাৰণে

শিৱপালগঞ্জৰ ডাকবঙলাৰফালে ঢাপলি মেলিব। তাত গৈ কুঁহিয়াৰ, গোমধান চোবাই চোবাই পাঁচশ টকা ফিক্স মূল্যৰ ফাইল ঘাটিব।

ছোটে পাললোৱানে ডাক-বঙলাত থিয় হৈ মাজে মাজে গৰজি আছিল,—"যাবলগীয়াবোৰ বিলাত পালেগৈ আৰু এই পো-নাতি-বোৰ এৰি থৈ গ'ল। গাঁৱলৈ পোনে পোনে অহাহেঁতেন তাতেই সোনকালে কথাবতৰা হৈ গ'লহেঁতেন! কিন্তু তেওঁৰ ঘোঁৰাইতো পোনে পোনে ডাকবঙলাতেই ৰয়হি। গোটেই গাঁওখন আহি ইয়াত ৰৈ আছেহি আৰু সেইপাত তাত বহি আছেহি।

ৰাতিপুৱা ৯ বজাতেই আহিছিলোঁ। তেতিয়াৰপৰা ইমান সময় হ'ল। এশ-ডেৰশ মানুহে অপেক্ষা কৰি বহি আছেহি। এতিয়া গধূলি হ'লহি। মটৰত পোঁ-পোঁ কৰি গুলাবহি আৰু কব হেঁ-হেঁ হেঁ ভাই, পলম হৈ গ'ল। তোমালোকো নিলাজ। দাঁত উলিয়াই উত্তৰ দিবা হেঁ হেঁ হেঁ! এইবোৰ কথাতে গাৰ নোমবোৰ গৰম হৈ যায়।"

ডাকবঙলাৰ ওচৰতে এটুকুৰা সেউজীয়া ঘাঁহনি আছিল। ওচৰতে ঘেঁহুৰ পথাৰ। পানীৰ অভাৱত শস্য শুকাই গলেও ইয়াৰ পথাৰ সদায় সেউজীয়া আছিল। চাৰিওফালে পথাৰৰ চাৰিসীমাৰ কাষে কাষে আম গছৰ জোপোহা আছিল। ইয়াৰ ফচল বেছি ভাগকে তাৰ মালী, চকীদাৰ, ওচৰে-পাজৰে থকা তিনি-চাৰিটা গুণ্ডা আৰু চহৰত থকা এজন ইঞ্জিনিয়াৰে উপভোগ কৰিছিল। কিন্তু ইয়াৰ বতাহৰ ওপৰত থকাৰ নিচিনাকৈ গছৰ ছাঁৰ ওপৰতো জনতাৰ অধিকাৰ আছিল। আৰু এই সময়ত গাঁজাখোৰৰ দুয়োটা দলে পূৰ্ণভাৱে ইয়াৰ ব্যৱহাৰ কৰিছিল।

ডাকবঙলাৰ দুটা কোণত গছৰ তলৰ ছাঁত দুখন সৰু ৰভা দিয়া হৈছিল। মণ্ডপত সতৰঞ্চী আৰু কাৰ্পেট পৰা আছিল। ৰভাদুখনৰ এখনত প্ৰিন্সিপাল চাহাব আৰু তেওঁৰ বন্ধুসকল আছিল। আনখন ৰভাত খান্নামাষ্টৰ আৰু তেওঁৰ দলৰ লোক-সকল আছিল। প্ৰিন্সিপাল থকা ৰভাত এই সময়ত তেওঁ আৰু বদ্ৰী পালোৱানৰ বাহিৰে প্ৰায় ষাঠিজনমান লোক আছিল। আনখন ৰভাত আছিল খান্নামাষ্টৰ, ৰূপ্পনবাবু, খান্নাৰ লগৰীয়া কেইজনমান মাষ্টৰ আৰু ৰামাধীন ভীখমখেড়বীৰ কেইজনমান শিষ্য। ৰামাধীনে আশা দিয়া মতে আহিম বুলি কৈয়ো অহা নাছিল।

ছোটে পালোৱানৰ গোজৰণি, মানুহৰ হিচাপ নোহোৱা কথা-বতৰা, খোৱা-বোৱা, শুবলৈ কৰা প্ৰয়াস, গা এঙামুৰী দিয়া, ধপাত, বিড়ী-চিগাৰেটৰ জোৱাৰত সংগীতৰ ধাৰা বৈছিল।

কথাবতৰা ট্ৰেঞ্জিচট্‌টাৰৰ যোগেদি হৈছিল। দুয়োখন ৰভাতে দুই চাৰিজন এনেধৰণৰ চৌখীন লোকো আছিল—যি হয়তো কান্ধত চাদৰ, গামোছা, কাণত চূণৰ বৰি, পিঠিত বন্দুক, এখন হাতত পাৰৰ খাঙ আৰু আনখনত ট্ৰেঞ্জিচট্‌টাৰ লৈ আহিছিল। চাওঁতে চাওঁতে দুয়োখন ৰভাতে ট্ৰেঞ্জিচট্‌টাৰৰ কোলাহল মুখৰিত হৈ পৰিল আৰু লগে লগে এটা পক্ষই আনটো পক্ষক গালি-গালাজ কৰিবলৈ ধৰিলে। ৰাতি ১১ বজাত খান্নামাষ্টৰ থকা দলটোৱে ক'ৰবাৰপৰা এটা গ্ৰামোফ'ন আৰু এমপ্লিফায়াৰ আনি ১১ বাজি ১৫ মিনিট যোৱাত ভোঁ ভোঁ শব্দ কৰি গালি-গালাজ-বিলাকক চেৰ পেলাই শান্তিপূৰ্ণ সহঅৱস্থান আৰু বিশ্ব-প্ৰেমৰ সঙ্গীত পৰিৱেশন কৰিবলৈ আৰম্ভ কৰিলে—"মুঝ কো আপ্‌নে গলে লগা লো, ইয়ে মেৰে হমদ্ধহী।"

আনহাতে খান্নামাষ্টৰৰ দলত মাইক বজোৱাৰ শব্দটোক প্ৰিন্সিপালৰ দলৰ মানুহে যুদ্ধৰ প্ৰত্যাহ্বান বুলি বুজি ললে আৰু অলপ সময়ৰ পাছতে তেওঁৰ দলতো মাইক বাজি উঠিল।

গাঁৱলীয়া বিয়াত এই সময়ত দুটা মাইক বজালে যি পৰিৱেশৰ সৃষ্টি হয় ঠিক তেনেকৈ দুয়ো পক্ষৰপৰা চিনেমা গানৰ জৰিয়তে যুঁজ লাগিবলৈ ধৰিলে।

ছোটে পালোৱানৰ বাহিৰে আন সকলোবিলাক এনে পৰিৱেশত সিমান অসন্তুষ্ট হোৱা নাছিল। ছোটে যে প্ৰায় অধৈৰ্য্য হৈ পৰিছিল তাৰ কাৰণো আছে অৱশ্যে। প্ৰকৃততে কিছুমান মানুহ ছোটেৰ সৈতে ৰাতিপুৱা ৮ বজাতেই আহি পাইছিলহি। কাৰণ সহকাৰী সঞ্চালক ডাকবঙলা পুৱা ৯ বজাতে আহি পোৱাৰ কথা আছিল। কিন্তু ৰাতিও আহি পোৱাহি নাই। অৱশ্যে দুই তিনি ঘণ্টা পলম হোৱাটো একো অস্বাভাৱিক নহয়।

"কিনো কৰিব ? দিনে ৰাতিয়ে তেখেতে মিটিঙতেই ব্যস্ত হৈ থাকে। যেতিয়াই ক'ৰবালৈ যাবলৈ ওলায়—তেতিয়াও কোনো নহয় কোনো এখন মিটিঙ ওলাবই। আজিও বোধহয় ক'ৰবাত ডাঙৰ মিটিঙত পৰি তাৰপৰা এৰাই অহাত পলম হৈছে। তেখেত অৱশ্যে নহাকৈ নাথাকে।" প্ৰিন্সিপাল ডাঙৰীয়াই অতিষ্ঠ হৈ ক'লে।

ছোটে পালোৱান কিছু সময় অলপ আঁতৰি গৈছিল। তাৰ পাছত পুনৰ উভতি আহি প্ৰিন্সিপাল থকা ৰভাৰ তলত সোমাল আৰু স্বপ্নবাবুৰ বিষয়ে কবলৈ ধৰিলে।

স্বপ্নে শত্ৰুৰ লগ লৈছে। ক'তো একো কৰিব নোৱাৰি এতিয়া নিজৰ দেউতাকৰ বিৰুদ্ধেই মাত মাতিছে। মইও নিজৰ বোপাই মহাৰাজ কুসুম প্ৰসাদক বৰ মাৰপিট কৰিলোঁ। মই বৰ

চালাকি কৰিলোঁ৷ আৰু বাহিৰৰ মানুহে 'টু' কেই কৰিব নোৱাৰিলে। ইয়াত এই চাল্লা খান্না পান্নাই তাৰ বাপেকক সাঙুৰিছে আৰু ই লেপলেপাই তাৰ পাছে পাছে ঘূৰি ফুৰিছে।"

বদ্রী পালোৱানে ৰভাৰ তলত এটা কোণত শুই আছিল। গোটেই কথাখিনি ভালদৰে শুনাকৈয়ে বুজি পালে যে ছোটে পালোৱানে কাপ্পনক নিজতকৈও সৰু কৰি দেখুৱাব খুজিছে। তেওঁ এজন বয়সস্থ ওস্তাদৰ ভাষাত ক'লে—"বচ্‌ বচ্‌ আৰু কোৱাৰ প্ৰয়োজন নাই। মুখত লেকাম লগা।"

প্রায় ৰাতি দহমান বজাত বৈদ্য ডাঙৰীয়াক শনিচৰৰ সৈতে ডাকবঙলাৰ গেটৰ ফালে অহা দেখা গ'ল। চহৰপৰা অহা মাইক বজোৱা মানুহ কেইটাই সুবিধা বুজি এটা চিনেমাৰ গান বজাই দিলে। গানৰ প্ৰথম কলিটো আছিল—"নজৰ লাগি ৰাজা তেৰে বঙ্গলে পৰ।" গান শুনামাত্ৰকে ছোটে পালোৱানে ইমান জোৰেৰে এটা ধমকি লগালে যে মাইক আপোনা আপুনি বন্ধ হৈ গ'ল। মানুহবিলাকে নিজৰ নিজৰ ঠাইত শৃঙ্খলাবদ্ধ ভাৱে বহি পৰিল আৰু কিছুমান থিয় দি ৰ'ল। কেৱল বদ্রী পালোৱান অলৰ-অচৰ হৈ চুকটোতে পৰি থাকিল। বৈদ্য ডাঙৰীয়া আহি আৰামেৰে দলিচা এখনৰ ওপৰত বহি পৰিল আৰু পাছফালে এটা ডাঙৰ গাৰু যোগান ধৰা হ'ল। শনিচৰ আৰু প্ৰিন্সিপাল এটা কাষত থিয় হ'লহি যেন আদেশ পালেই হাতত চোঁৱৰ ধৰিবলৈ ইচ্ছুক। বৈদ্য ডাঙৰীয়াক বহি থাকোঁতে এনে লাগিছিল যেন কোনোবা, চক্রবর্তী মহাৰাজ সিংহাসনত বহি আছে। সেই তুলনাত আনখন ৰভাৰ তলত বহি থকা খান্না মাষ্টৰ আৰু কাপ্পনক একেবাৰে ক'ৰবাৰ লুৎসা গুণ্ডাৰ নিচিনা দেখা গৈছিল।

বৈদ্য ডাঙৰীয়াই প্ৰিন্সিপালক সুধিলে—"কি খবৰ ?"

প্ৰিন্সিপাল ডাঙৰীয়াই উৎসাহেৰে কবলৈ ধৰিলে—"আমাৰ মানুহবোৰ ওচৰতেই আছে। সিফালৰ মানুহবোৰৰ বহুমূত্ৰ ৰোগ আৰম্ভ হৈছে। প্ৰায়বিলাকে অহাযোৱা কৰি আছে।"

শনিচৰে আনন্দেৰে ক'লে—"আপোনালোকে কয় যদি ৰূপনবাবুক মতাই আনি সুধিব পাৰোঁ। বৰ অসুবিধা হৈছে যদি মহাৰাজৰ ডাক্তৰখানাৰপৰা আনি এটা এটা জুলাপৰ গুলিও বিলাই দিওঁ।"

বৈদ্য ডাঙৰীয়াৰ চেহেৰাৰ প্ৰসন্নতা ম্লান হৈ গ'ল। ক'লে—"সেই নীচটোৰ নাম নলবি।" অলপ সময়ৰ পাছত পুনৰ প্ৰকৃতিস্থ হ'ল। তেওঁ সুধিলে,—"সহকাৰী সঞ্চালকৰ এতিয়ালৈকে কোনো সন্ধান পোৱা নগ'ল। ৰাতিও বহুত হ'ল। আজি অহাৰ আশা নাই আৰু।"

এই কথাখিনি শুনি, হয়তো হাকিমসকলৰ কাণ চুবগৈ—ইয়াকে ভাবি প্ৰিন্সিপালে ফুচফুচাই ক'লে—"ইমান ডাঙৰ অফিচাৰ। ক'ৰবাত বোধহয় কিবা ডাঙৰ কামত আৱদ্ধ হৈ পৰিল। কিজানি এতিয়াও আহি ওলায়হি,—গাড়ী-ঘোঁৰা থকা মানুহ।"

"কাৰোবাক পঠাই খবৰ এটা লোৱাব লাগিছিল।"

"পঠোৱাতো হৈছিলেই," প্ৰিন্সিপাল ডাঙৰীয়াই উত্তৰ দিলে,—"মতিৰাম মাষ্টৰ ৰাতিপুৱাই গৈছে। তেওঁ কোনো এটা দলত নাই, সম্পূৰ্ণ নিৰপেক্ষ। তেওঁৰ সম্বন্ধ হ'ল নিজৰ আটা কলটোৰ ওচৰত। গতিকে তেওঁ কলৰ যন্ত্ৰপাতি কিনিব আৰু সহকাৰী সঞ্চালকৰ খবৰ লৈ আহিব। গতিকে ময়েই কলোঁ—"মাষ্টৰ চাহাব, আপুনিয়েই যাওক, বয়সস্থ মানুহ। উভতি আহোঁতে সহকাৰী

সঞ্চালকৰ সৈতে তেওঁৰ গাড়ীতে উঠি আহিব। কোনেও আপোনাক নকয় যে আপুনি আমাৰ তৰফৰপৰা সহকাৰী সঞ্চালকৰ কাম এপাচি কৰিবলৈ গৈছে।"

বৈদ্য ডাঙৰীয়াই জনতাৰ মন স্থিৰ ৰাখিবলৈ গল্প শুনাবলৈ ধৰিলে।

"সেই সময়ত আমাৰ প্ৰান্তত পন্ত ডাঙৰীয়াৰ যুগ আছিল। জিলাধিপতি, পুলিচ চাহাব সকলোৱে প্ৰস্তুত হৈ আছিল পন্তজীক আদৰণি জনাবৰ বাবে। দিনৰ এঘাৰ বাজিল, বাৰ বাজিল, পুনৰ এক বাজিল। তাৰ পাছত দুই বাজিল। তথাপি পন্তজীৰ কোনো খবৰ নাই। উপস্থিত জনতা প্ৰায় অতিষ্ঠ হৈ পৰিছিল।"

গল্প চলি থাকিল। নিশা ক্ৰমে গভীৰ হৈ আহিল। তেতিয়াহে প্ৰিন্সিপাল ডাঙৰীয়াই গম পালে যে তেওঁলোকৰ ৰভাৰ তলৰপৰাও কিছুমান মানুহ উঠি উঠি জোপোহাৰ ফালে যাবলৈ আৰম্ভ কৰিছে আৰু বহুমূত্ৰ ৰোগৰ প্ৰভাৱ ইমান ব্যাপক হৈ পৰিছে যে কিছুমান মানুহ জোপোহাৰ আঁৰৰপৰা উভতি অহা নাই। তেওঁ ছোটে পালোৱানক ক'লে—"মেম্বাৰ ডাঙৰীয়া, এইটোতো ঠিক হোৱা নাই।"

ছোটে পালোৱান অতিষ্ঠ হৈ পৰিছিল। ক'লে—"তেনেহলে মই কি কৰোঁ। কাৰোবাৰ শৌচ-পেচাব বন্ধ কৰি দিমনেকি?"

ৰাতি গভীৰ হৈ অহাত দুয়োটা কেম্পৰ মানুহবিলাক ভাগৰি পৰিছিল। মাইকৰ শব্দও এসময়ত বন্ধ হৈ গ'ল। বৈদ্য ডাঙৰীয়াই মানুহবিলাকক অতিষ্ঠ হৈ পৰা দেখি প্ৰমাদ গণিলে আৰু সহকাৰী সঞ্চালকৰ আগমনৰ আশা নেদেখি দুয়োটা কেম্পৰ মানুহবিলাকক কোৱালে যে আজি ৰাতি হৈ আহিল, সহকাৰী সঞ্চালক আহি

পোৰাৰ আশা নাই। তেওঁ বোধহয় কোনো কামত আবদ্ধ হৈ পৰিছে। মতিৰাম মাষ্টৰো কোনো খবৰ লৈ নাহিল আৰু এতিয়া অহাৰো কোনো সময় নাই। গতিকে কাইলৈ সকলোৱেই যেন পুৱা ৮ বজাত আজিৰ দৰেই নিজৰ নিজৰ কেম্পত উপস্থিত হয়হি। সঞ্চালক কাইলৈ নিশ্চয় পুৱাতে ওলাবহি পাৰে। একান্তই তেওঁ যদি নাহে তেতিয়াহলে আমি সকলোৱে গোট খাই আমাৰ মাজৰ কাজিয়া-পেচালবোৰ মীমাংসা কৰি পেলাম। কাইলৈ নতুন সূৰ্য্যৰ কিৰণত আমাৰ মনৰ গ্লানিবিলাক যেন দূৰ হৈ যায় আৰু শিৱপালগঞ্জলৈ পূৰ্বৰ অৱস্থা ঘূৰি আহে।

বৈদ্য ডাঙৰীয়াৰ সিদ্ধান্তত দুয়োপক্ষৰ মানুহবিলাক আশ্বস্ত হৈ ঘৰাঘৰি গ'ল। জনকোলাহলপূৰ্ণ ডাকবঙলাত আগৰদৰে গভীৰতা বিৰাজ কৰিলে।

পাছদিনা পুৱা ৮ বজাত ডাকবঙলাৰ সন্মুখত আগৰদিনাৰ দৰেই দুয়োপক্ষৰ মানুহবিলাকে মনত নতুন আগ্ৰহ লৈ উপস্থিত হ'লহি। সকলোৱে আশাৰে সৈতে আলিবাটলৈ চাই আছে, সহকাৰী সঞ্চালকৰ গাড়ী কেতিয়া আহি পায়হি। সকলোৱে স্থিৰ দৃষ্টি আলিবাটৰ ওপৰত।

প্ৰিন্সিপাল ডাঙৰীয়াই ইফালে সিফালে চাই আছিল। হঠাৎ তেওঁ আচৰিত হৈ আলিবাটৰ এটা মূৰলৈ চাই পঠিয়ালে আৰু ক'লে—"সৌ বাচখন দেখোন এইফালে লাহে লাহে আহি আছে। সঞ্চালক চাহাবতো বাচত নাহে, তেওঁৰ নিজৰ চৰকাৰী গাড়ী আছে।"

দুয়োটা কেম্পৰ মানুহবিলাক আগ্ৰহান্বিত হৈ ডাকবঙলাৰ গেটৰ মুখলৈ আগবাঢ়ি গ'ল। সঁচাসঁচিকৈয়ে বাচখন আহি ডাকবঙলাৰ আগতে ৰ'লহি।

বাচৰপৰা এটা ডাঙৰ মোনা হাতত লৈ মতিৰাম মাষ্টৰ নামি আহিল। চকুৰে মুখে টোপনি খতিৰ চিন। দুয়োপক্ষৰ মানুহ আহি তেওঁক আগুৰি ধৰিলে। অলপ সময়ৰ পাছতে তেওঁ বৈদ্য ডাঙৰীয়াৰ ওচৰলৈ আহিল আৰু বিনম্ৰভাৱে ক'লে—"ডেপুটী ডাইৰেক্টৰ চাহাব যোৱা কালি নাহিল আৰু আজিও যে আহিব তাৰ আশা নাই।"

এই কথা আগতেই অৱশ্যে দুয়োপক্ষতে প্ৰায় জনাজাত হৈছিলেই।

প্ৰিন্সিপাল ডাঙৰীয়াই সুধিলে—"তেনেহলে আকৌ কোন তাৰিখেনো আহিম বুলি কৈছে?"

"একো কব নোৱাৰি। কালি তেওঁ চহৰত নাছিলেই। তিনি-চাৰি দিন হ'ল, বাহিৰলৈ মফচলত গৈছে। ঘূৰি অহা নাই।"

"কেতিয়ামানে ঘূৰিব?"

"কেনেকৈনো কওঁ। কোনেও একো কব নোৱাৰে। কোনোৱে কৈছিল চাৰি-পাঁচদিনৰ ভিতৰতে আহিব, কোনোৱে কৈছিল পাঁচ দিনৰ মূৰত আহিব। মোৰ বোধেৰে ঘূৰি আহোঁতে ছয়-সাত দিন লাগিব।"

বৈদ্য ডাঙৰীয়াই টোপনিৰ আমেজত চকু মুদি বহি আছিল। মতিৰাম মাষ্টৰক উদ্দেশ্য কৰি ক'লে—"তেনেহলে আপুনি কালিয়েই উভতি আহিব লাগিছিল। ৰাইজৰ বৰ কষ্ট হ'ল।"

মতিৰাম মাষ্টৰে বিনম্ৰতাৰ মূৰ দোঁৱালে আৰু ক'লে—"কেনেকৈনো আহোঁ ডাঙৰীয়া, এইবোৰ কিনিবলৈ আছিল।" তেওঁ নিজৰ হাতত থকা মোনাটোৰ ফালে আঙুলিয়ালে আৰু পুনৰ ক'লে—"পুৰণা আটাৰ কল। মেচিনত সদায় এটা নহয় এটা যন্ত্ৰ ভঙা-ছিঙা লাগি আছেই। কালি কম ঠাইত ঘূৰিলোঁ নে? আকৌ গৈ গৈ পুৰণা ভঙা-ছিঙা বজাৰত।"

মতিৰাম মাষ্টৰৰ কথা-বতৰা শুনা বহুত মানুহৰ ভিতৰত ৰঙ্গনাথো আছিল। বিপক্ষৰ তৰফৰপৰা বোধহয় ঘটনাৰ আঁতিগুৰি লবৰ বাবেই আহিছিল। পুনৰ লাহেকৈ উভতি যাব খোজোঁতেই বৈদ্য ডাঙৰীয়াই ৰঙ্গনাথক মাতিলে। তেওঁ আহি ওচৰতে বহিলহি।

বৈদ্য ডাঙৰীয়াই তেওঁক দেখি মিচিকিয়াই হাঁহিলে আৰু একেথৰে চাই থাকিল। ৰঙ্গনাথ কিছু সময় আচৰিত হৈ ৰ'ল। পাছত সাহ কৰি ক'লে—"কিবা কব খুজিছে মোমাইদেউ?"

"নাই, একো কব খোজা নাই।" বৈদ্য ডাঙৰীয়াই নম্রতাৰ সুৰত ক'লে,—"এইখন ধৰ্মযুদ্ধ। তুমি ভাৱিছা এই দুই-চাৰিজন অধ্যাপক সত্য পথেদি গৈছে আৰু তুমি তাকে দেখি তেওঁলোকৰ প্ৰতি অনুকম্পা দেখুৱাইছা। কিন্তু কোনটো পথ সত্য আৰু কোনটো অসত্য তুমি এতিয়াও অনুভৱ কৰিব পৰা নাই। যেতিয়া অনুভৱ কৰিব পাৰিবা তেতিয়া তুমি নিজেই তোমাৰ প্ৰথম অৱস্থালৈ ঘূৰি যাবা।"

তেওঁ পুনৰ উশাহ টানি ক'লে,—"তুমি শিক্ষিত, বুদ্ধিমান। তোমাৰ কাৰণে মোৰ কোনো চিন্তা নাই। চিন্তা কেৱল ৰূপ্পনৰ বাবেহে।"

বৈদ্য ডাঙৰীয়াৰ কথাত ৰসালতা আনিবৰ কাৰণে প্ৰিন্সিপালে ক'লে—"নহয় মহাৰাজ, আপুনি ৰঙ্গনাথবাবুক নাজানে। এওঁ এজন ডাঙৰ ৰাজনীতিজ্ঞ। সিফালৰ অৱস্থা প্ৰথমেই বুজি পাইছে,—বুজাব নালাগে।"

বৈদ্য ডাঙৰীয়াই পুনৰ মিচিকিয়ালে।—"ধৰ্মযুদ্ধত বুজাৰ কথা নহয়, বিশ্বাসৰহে কথা আছে। তোমাৰ যেতিয়া এইটোকে বিশ্বাস যে মই দোষী, তেতিয়া কোনো চিন্তা নকৰিবা, সাহসেৰে সৈতে

মোৰ বিৰোধিতা কৰিবা। যিদিনা মোৰ প্ৰাণৰ আৱশ্যক হয় মোক কৈ দিবা। মই ভীষ্ম পিতামহৰ নিচিনাকৈ মৃত্যুৰ দিন নিজে নিজেই নিশ্চিত কৰি লম।

ৰঙ্গনাথে একো কব নোৱাৰিলে। মাত্ৰ ক'লে—"আপুনি কিছু ভুল বুজিছে।"

বৈদ্য ডাঙৰীয়াৰ মুখমণ্ডল আৰক্তিম হৈ পৰিল। তেওঁ অলপ খঙেৰেই ক'লে,—"নহয় ভুল মোৰ। ভুল তেওঁলোকেহে বুজিছে।" মইতো প্ৰজাতন্ত্ৰৰ দৰে চলিছোঁ। সকলোকে কবলৈ স্বতন্ত্ৰতা দিওঁ। সেই কাৰণেই অধ্যাপকে যি মোৰ গোলাম, মোৰ বিৰোধিতা কৰি ঘূৰি ফুৰিছে। কিন্তু তাৰো এটা সীমা আছে। কি কয় প্ৰিন্সিপাল ডাঙৰীয়া?"

প্ৰিন্সিপালে তলমূৰ কৰি উত্তৰ দিলে—"আপোনাৰ আগত মইনো আৰু কি কম? কিন্তু আপুনি ইয়াত নথকাহেঁতেন মই কেতিয়াবাই ইস্তফা দি গুচি গলোহেঁতেন।"

"আপুনি কিয় গুচি যাব? এতিয়া এই অধ্যায়টোৰ সমাপ্ত হোৱাৰ দিন আহিছে। ৰ'ব, মই আজিয়েই এতিয়াই সকলো মীমাংসা কৰি দিছোঁ।"

তেওঁ ছোটে পালোৱানক চিঞৰি ক'লে—"ছোটে, সিফালৰ কেম্পলৈ যা। খান্না আৰু মালবীয়ক ইয়ালৈ মাতি আন। কাপ্তানকো লগত লৈ আহিবি। তেওঁলোক নাহে যদি আমিয়েই তালৈ যাম। আৰু চা, ৰাইজক কবি, তেওঁলোক যেন নিজৰ নিজৰ ঘৰলৈ গুচি যায়। প্ৰিন্সিপাল ডাঙৰীয়া, আপুনি তালৈ গৈ ৰাইজক ধন্যবাদ দি আহক।"

অলপ সময়ৰ ভিতৰতে দুয়োটা কেম্প জনশূন্য হৈ পৰিল।

খান্না মাষ্টৰৰ কেম্প কিছু সময়ৰ আগতেই হ'ল। কাৰণ তাত মানুহৰ বহুমূত্ৰ ৰোধ কৰিবৰ বাবে বদ্ৰী পালোৱান আৰু ছোটেৰ ব্যক্তিত্ব নাছিল আৰু সহকাৰী সঞ্চালকে ঠগিলে—এই খবৰ পোৱা মাত্ৰকেই বহুত মানুহ আগতে আঁতৰি গুচি গ'ল। এতিয়া সেই কেম্পৰ ওচৰত থকা মানুহকেইটা মাইক, গ্ৰামোফ'ন ৰেকৰ্ড আৰু পানীখোৱা গিলাচ আদি গোটোৱাত ব্যস্ত আছিল। বৈদ্য ডাঙৰীয়াৰ কেম্পত বদ্ৰী পালোৱান, ছোটে, শনিচৰ, বৈদ্য ডাঙৰীয়া, প্ৰিন্সিপাল, দুই চাৰিজন স্থানীয় প্ৰতিষ্ঠাবান লোক আৰু বদ্ৰীৰ দলৰ চান্দগুণ্ডা বৈ গ'ল।

বৈদ্য ডাঙৰীয়াৰ আহ্বানত খান্না, মালবীয় আৰু তেওঁলোকৰ দলৰ দুজন মাষ্টৰ আৰু ৰূপ্পনবাবুৱে নিজৰ ভিতৰতে দ্বিধাহীনভাৱে কথা পাতি পাতি আহি তেওঁৰ ওচৰতে বহিল। খান্না মাষ্টৰে মাত লগালে—"আপুনি বোলে আমাক মাতিছিল।"

"খান্না ডাঙৰীয়া আৰু মালবীয় ডাঙৰীয়া, মই আপোনালোকক ইয়ালৈ আত্মীয় বুলিহে মাতি আনিছোঁ।"

আপোনালোকৰ প্ৰিন্সিপালৰ সৈতে পাৰস্পৰিক বিৰোধ বেছি হৈ গৈছে। মোকৰ্দমা হৈ আছে। খোলাখুলিভাৱে গালি-গালাজো হৈছে। মাৰপিটৰো উপক্ৰম হৈছে। মই আপোনালোকক একেবাৰে দোষ নিদিওঁ। দোষ যাৰে তাৰে হ'ব পাৰে। মই নিজে দোষপূৰ্ণ। গতিকে প্ৰকৃততে দোষ কাৰ মই কেনেকৈ কওঁ। কিন্তু এটা কথা মই জানো যে পৰিস্থিতি বেয়াৰ ফালে গৈছে। তাৰ ইমানতে সমাধান হ'ব লাগে।"

খান্নাই ক'লে—"মোকো মোৰ কথা কবলৈ সুবিধা দিয়ক।"

—"নহয়, নহয়। আপুনি আপোনাৰ কথা বহুবাৰ কৈছে।

কেবাঠাইতো কৈছে। অনেক ৰূপত কৈছে। প্ৰিন্সিপালেও নিজৰ কথা কৈছে। কেৱল এজন মানুহে তেওঁৰ কথা কোৱা নাই। সেইজন মানুহ মই। আজি কেৱল মই মোৰ কথা কম।”

এইখন বিদ্যালয় মই তৈয়াৰ কৰিছোঁ। ইয়াৰ গঠনত মোৰ তেজ আছে। আপোনালোক দুয়োপক্ষ কেৱল বেতনভোগী। ইয়াত নহলে অন্য কোনো ঠাইত শিক্ষকতা কৰিব। ভাল দৰমহা পাব। কিন্তু মই ইয়াতেই থাকিম। এই বিদ্যালয়খন সফলতাপূৰ্ণ ভাবেৰে চলিলে নিজকেই সফল মানিম। এই বিদ্যালয়খন দলাদলি হৈ নষ্ট হলে মই নিজকেই নষ্ট হোৱা যেন ভাবিম। মই মনত খুব কষ্ট পাইছোঁ, আন্তৰিক আঘাত পাইছোঁ। মোৰ কষ্ট আপোনালোকে বুজিবলৈ চেষ্টা কৰা নাই।”

মই কেৱল এটা সমাধানৰ সূত্ৰ দেখা পাইছোঁ। কি কৰিব লাগে মই স্থিৰ কৰি পেলাইছোঁ। আপোনালোকৰ ওচৰত মোৰ কৰযুক্ত প্ৰাৰ্থনা, আপোনালোকে যেন মোৰ কথা মানি লয়। আপোনালোকৰ কাৰণে সেইটোৱেই হ'ব একমাত্ৰ প্ৰশস্ত পথ। আপোনালোকে সেই পথেদিয়েই চলিব লাগিব।

খান্না ডাঙৰীয়া আৰু মালবীয় ডাঙৰীয়া, মই আন কাকো কোৱা নাই। কেৱল আপোনালোক দুয়োকে কৈছোঁ। আপোনালোকে চাকৰি ইস্তফা দিব লাগিব।”

বৈদ্য ডাঙৰীয়াৰ কথাৰ মাজতে খান্নাই মাত লগালে;—“কিন্তু, পাছে······।”

“নহয়, নহয়। মই আগতেই কৈছোঁ আজি কেৱল মইহে কম। তেন্তে, মই কৈছিলোঁ আপোনালোকে ইস্তফা দিব লাগিব। আজি আৰু এতিয়াই। ইয়াতেই আৰু এই মুহূৰ্ততেই। আপোনালোকে

ইস্তফা দিব লাগিব। এইখিনি কথা মই খঙেৰে কোৱা নাই। ভাবি চিন্তিহে কৈছোঁ। আপোনালোকৰ হিতৰ কাৰণে কৈছোঁ, বিদ্যালয়খনৰ হিতৰ কাৰণে কৈছোঁ—গোটেই সমাজখনৰ হিতৰ কাৰণে কৈছোঁ।

মোৰ এয়েই বিনম্র নিবেদন। আপোনালোকে মোৰ এই প্রার্থনাক প্রত্যাখ্যান নকৰিব। আপোনালোকে এই সময়তেই ইস্তফা দিয়ক। পাছত আপোনালোকে স্বতন্ত্রতা পাব, যি ইচ্ছা তাকেই কব পাৰিব। তেতিয়া আপোনালোকে ইচ্ছা কৰিলে ইয়াকো কব পাৰিব যে আপোনালোকৰপৰা বলপূৰ্বকভাৱে ইস্তফাপত্র লিখাই লোৱা হৈছে। এই বিষয়ে আপোনালোকৰ মোৰ ওপৰত মোকৰ্দমা তৰিববলৈও স্বতন্ত্রতা থাকিব। কিন্তু মোৰ নিবেদন এই যে এই সময়তে আপোনালোকে স্বেচ্ছাই এই বিদ্যালয়ৰ হিতৈষী বুলি ভাবি চুপচাপ ইস্তফা দিয়ক।

আপোনালোকে মোৰপৰা বহুত বিচাৰিছিল আৰু বহুতো পাইছে। মই কেতিয়াও একো বিচৰা নাই। আজি এই বিদ্যালয়ৰ নামত কেৱল আপোনালোকৰপৰা ইস্তফা বিচাৰিছোঁ। মোৰ প্রার্থনা······।”

তেতিয়ালৈ ৰূপনবাবুৱে নিজৰ ঠাইতে থিয় দি আছিল। কথা কওঁতে তাৰ মাতটো লাগি ধৰিছিল। উত্তেজিত হৈ যেতিয়া কথা কবলৈ আৰম্ভ কৰিলে তেতিয়া এটা শব্দৰ লগত ইটো শব্দ লাগি ধৰিলে।—সি ক'লে—“অসম্ভৱ! এনেকুৱা কথা হ'ব নোৱাৰে। আপুনি বলপূৰ্বক ভাৱে এওঁলোকৰপৰা ইস্তফাপত্র লিখাই লব নোৱাৰে। এওঁলোকে ইস্তফা নিদিয়ে।”

বৈদ্য ডাঙৰীয়াই ৰূপনৰ কথাত কাণ নিদি প্রিন্সিপালক ক'লে—

"আপোনাৰ ওচৰত টাইপ কৰা কাগজ মজুত আছে নহয়। আছে যদি সোনকালে লৈ যাওক। ছোটে, তুমি খান্না ডাঙৰীয়া আৰু মালবীয় ডাঙৰীয়াক প্ৰিন্সিপালৰ লগতে লৈ যোৱাঁ। এখেতসকল বুদ্ধিমান লোক, সকলো বুজি পাব। যোৱাঁ বদ্ৰী, তুমিও যোৱাঁ।"

বৈদ্য ডাঙৰীয়াই আকৌ গৰজি উঠিল। বদ্ৰীপালোৱানে আকস্মিকভাৱে তেওঁৰ ওচৰলৈ জাপ মাৰি উঠি আহিল। আন মানুহো লৰি আহিল। বৈদ্য ডাঙৰীয়াই চিঞৰি ক'লে—"আৰু এই ৰূপ্পন, ই এটা মূৰ্খ, নীচ, পশু-পতিত বিশ্বাসঘাতক।"

তেওঁ এনেধৰণেৰে বকি থাকিল। খঙৰ কোবত গালিৰ লগতে কেতিয়াবা সংস্কৃত শব্দও বাহিৰ হৈছিল। মানুহবোৰে আজি প্ৰথমবাৰৰ বাবে বৈদ্য ডাঙৰীয়াক ইমান খঙত দেখিবলৈ পালে।

তেওঁ দলিচাত বহি আঁঠু দুটা পিছফালে চপাই লৈছিল আৰু কঁপা কঁপা মাতেৰে চিঞৰি আছিল—"তই নেতা হ'বলৈ আহিছ। মোৰ বিৰোধিতা কৰি তই নেতা হ'ব খুজিছ? তই চাই ল, মই তোক এতিয়াও কৈছোঁ—।"

তেওঁৰ মাতটো আৰু কঁপিবলৈ ধৰিলে। কিন্তু কৈয়েই থাকিল, —"আশা কৰিছিলোঁ বুঢ়া অৱস্থাটো শান্তিতেই যাব। গাঁওসভাৰ দন্দ-খৰিয়াল শেষ কৰিলোঁ। সমবায় সঙ্ঘ আছিল—তাৰ ভাৰ বদ্ৰীক দিলোঁ। ভাবিছিলোঁ এই কলেজৰ ভাৰ তোকেই দি যাম। দিবৰ কাৰণে ইয়াতকৈ আৰু অতিৰিক্ত মোৰ কি আছে? পাছে নীচ, তই বিশ্বাসঘাতক—ওলাই যা, এতিয়াই ঘৰৰপৰা ওলাই যা। তই একো নাপাবা।"

তেওঁৰ মাতত এটা আচৰিত উত্তেজনাই দেখা দিলে। তেওঁ চিঞৰি ক'লে—"যা, তোক মই মোৰ উত্তৰাধিকাৰী সূত্ৰৰপৰা

বঞ্চিত কৰিছোঁ। সকলোৱেই এই কথা শুনি লওক—মোৰ পাছত বদ্রীয়েই এই কলেজৰ মেনেজাৰ হ'ব। ই মোৰ অন্তিম সিদ্ধান্ত। ৰূপ্পনে একো নাপায়।"

কওঁতে কওঁতে বৈদ্য ডাঙৰীয়াৰ গলাবদ্ধ হ'ল। ক্ৰোধ আৰু কুণ্ঠাত তেওঁৰ চকুৰপৰা চকুলো বৈ আহিল। ৰঙ্গনাথে ভাবিলে—সকলোৱে তাকেই লক্ষ্য কৰিছে। সিও তলমূৰ কৰিলে।

যেতিয়া ৰূপ্পনবাবুৱে উঠি গেটৰফালে আগবাঢ়িল তেতিয়াহে মানুহৰ হুঁচ আহিল। বৈদ্য ডাঙৰীয়াই নিজৰ চকু মোহাৰি আছিল। মানুহৰ মাজত হঠাৎ হুলস্থূল লাগি গ'ল। তেওঁলোক ইফালে সিফালে যাবলৈ ধৰিলে। ডাকবঙলাৰ বাৰান্দাত মালবীয়ই চিঞৰি চিঞৰি কিবা কব ধৰিলে। ছোটে পালোৱানেও তেওঁক চিঞৰি ক'লে—"ধীৰে সুস্থিৰে কাম কৰা মাষ্টৰ।"

প্ৰিন্সিপালে খান্নাৰ হাতখনত জোৰেৰে ধৰি ক'লে—"আঁহা, মাষ্টৰ চাহাব, আমি সৌফালে যাওঁ। আমাৰ দন্দ শেষ হ'ল। আজিৰপৰা আমি আকৌ বন্ধু হৈ গলোঁ।"

ৰঙ্গনাথে সেইদিনা ৰাতি ভালকৈ শুব নোৱাৰিলে, ভাবিবও নোৱাৰিলে। কিন্তু সাৰ পাই উঠি সি নিজৰ বিষয়ে এটা কথা ভাবি ললে। কিছুদিনৰ আগতে সুদীৰ্ঘ অসুখ এটাৰ পাছত সি ইয়ালৈ সুস্থতাৰ কাৰণে আহিছিল। এতিয়া সি ভাবি পালে যে সি সম্পূৰ্ণ সুস্থ।

তাৰ বিছনাৰ কাষতে থকা ৰূপ্পনৰ খাটিয়াখন খালী আছিল। ৰাতিটোনো সি ক'ত কেনেকৈ কটালে কোনেও নাজানে। কিছুমান কথাত সি ৰূপ্পনৰ ওপৰত সম্পূৰ্ণভাৱে ভাৰসা কৰিছিল। সি জানিছিল যে ৰূপ্পনৰ অভঙালি প্ৰায়ে ইচ্ছাকৃত আছিল আৰু

এই অভঙালিত অসমৰ্থতা নাছিল,—আছিল এক আনন্দ চৌখিনতাহে। গতিকে ই দৃঢ় বিশ্বাসৰ কথা যে—বৈদ্য ডাঙৰীয়াৰ মানসিক হাহাকাৰ শুনি ৰূপ্পন কোনো মদৰ দোকানলৈও যোৱা নাই—আৰু কোনো মন্দিৰলৈও যোৱা নাই। কাৰণ বিপদত পৰিলে কিছুমান মানুহে মন্দিৰৰ আশ্ৰয় লোৱাৰ দৰে ৰূপ্পন তেনে প্ৰকৃতিৰ মানুহ নহয়।

তেনেহলে ৰূপ্পন ক'ত আছে? সি কি এই সময়ত কলেজত হৰতাল কৰিবৰ বাবে নিজৰ দল গঠন কৰিছে, নাইবা কলেজৰ দালানত জুই দি প্ৰিন্সিপালক মাৰপিট কৰিবলৈ বা বিনাকাৰণত বজাৰ লুটপাত কৰিবলৈ ক্ৰান্তিকাৰী দলৰ সংগঠন কৰিছে? অথবা সি শিক্ষা ব্যৱসায়ৰ প্ৰসিদ্ধ ফৰমূলা অনুসৰি ওচৰৰ কোনোবা গাঁৱত খান্না মাষ্টৰক প্ৰিন্সিপালৰ পদত অভিষিক্ত কৰি ছঞামল বিদ্যালয় ইণ্টাৰ কলেজৰ সমকক্ষ আন কোনো এটা কলেজ খুলিবলৈ চক্ৰান্তত লিপ্ত হৈছে নেকি?

ৰঙ্গনাথে ভাবিলে—যে ৰূপ্পনে নিশ্চয় এনেকুৱা কোনো এটা কাম কৰিবলৈ আগবাঢ়ি গৈছে। কাৰণ বৈদ্য ডাঙৰীয়াৰ খং দেখি যেতিয়া সি ভাবপৰা আঁতৰি গৈছিল—তেতিয়া তাৰ কোনো ব্যক্তিত্ব লোপ পোৱা নাছিল, বৰং সতেজহে হৈছিল।

বৈদ্য ডাঙৰীয়াই সদায় ৰাতিপুৱা বহুতদূৰ ফুৰিবলৈ যায়। আজিও গৈছে কিন্তু আজি অনেক দেৰি হৈ গৈছে, কিন্তু তেওঁ ঘূৰি অহা নাই। ৰঙ্গনাথে জানিছিল যে আজি মোমায়েকৰ সৈতে স্বাভাৱিক ধৰণে কথা কোৱাটো অলপ অসুবিধা হ'ব আৰু সিও অস্বাভাৱিক ধৰণে কথা কবলৈ সাজু নাছিল। সি নিজকে নিজে ক'লে,—বিৰোধিতাৰ প্ৰথম চেষ্টাতেই তুমি অতিষ্ঠ হৈ পৰিছা।

এতিয়া তুমি নিজৰ পথ লব লাগিব। মোমায়েৰ অহাৰ আগতেই এই ঠাই এৰিব লাগিব।

শনিচৰ গাওঁসভাৰ মুখিয়াল হোৱাৰ পাছতে এখন দোকান খুলিছিল। এদিন নাটকীয়ভাবে দোকানখনৰ ওচৰতে দুটা মানুহৰ কাজিয়া লাগিল। কাজিয়াৰ কাৰণ হ'ল—এটা মানুহে আন এটা মানুহৰ খালৰপৰা পানী নিজৰ পথাৰলৈ নিছিল। কথা ইমানেই, সিহঁত দুয়ো গাঁওসভাৰ মুখিয়ালজনৰ ওচৰলৈ আহিল—কাজিয়া নিষ্পত্তি কৰিবলৈ। গতিকে তাৰ আগতে দুয়ো মুখিয়ালৰ সন্মুখত এবাৰ কাজিয়া কৰি ললে।

ৰঙ্গনাথে ঘৰৰ দুৱাৰৰ ওচৰতে বহি চুপচাপ দোকানখনলৈ চাই আছিল। ছোটে পালোৱানে তেনেতে আনদিনাৰ দৰে খৰ খজুৱাই খজুৱাই ৰঙ্গনাথৰ ওচৰেদিয়েই পাৰ হৈ গ'ল, তথাপি তাৰফালে ঘূৰিকে নাচালে।

ৰাস্তাৰ ওপৰত ঘৰ্ ঘৰ্ শব্দ কৰি এখন গাড়ী অহা দেখা গ'ল। সেইখন বোধহয় চহৰৰ কো-অপাৰেটিভ্ ডেইৰীৰ ট্ৰাক হ'ব। ইয়ালৈ গাখীৰ গোটাবলৈ আহিছে; এটা মানুহক হাতত হাড়ি এটা লৈ শনিচৰৰ দোকানৰফালে যোৱা দেখা গ'ল। ৰঙ্গনাথে বুজি পালে এইটো সেই তেলী, যিটোৱে চহৰৰপৰা কিনি অনা মেচিনৰ তেল গাঁৱলৈ নি তাৰ শালত পেৰা মিঠাতেল বুলি বিক্ৰী কৰে। জাঙিয়া আৰু বনিয়ন পিন্ধা এটা চিপাহী সদৃশ মানুহে ওচৰৰ দোকান এখনৰপৰা মাংস কিনি ঘৰৰফালে উভতি যোৱা দেখা গ'ল। শনিচৰৰ দোকানৰ সন্মুখত হোৱা কাজিয়াখন তেতিয়াও সাম কটা নাই যেন লাগে। কাৰণ দুয়োপক্ষই গালি-গালাজ চলাই আছে। ৰঙ্গনাথৰ মনত এনে লাগিল—সি যেন ভাগৱি পৰিছে। তাৰ

আত্মাই তাক যেন চিঞৰি কৈছে, তই ইয়াৰপৰা পলাই যা। এই ঠাই তোৰবাবে উপযোগী নহয়। তই হলি মজলীয়া শ্ৰেণীৰ মানুহ আৰু মনুষ্যতাৰ বোকাত লাগি ধৰিছ। তোক চাৰিওফালে বোকাই, আবৰ্জনাই আগুৰি ধৰিছে। তই পলা। বোকাৰ প্ৰশংসা নকৰিবি। কেতিয়াও ভুল বুজিবলৈ চেষ্টা নকৰিবি যে বোকাৰপৰা পদুমৰ সৃষ্টি হয়। বোকাত বোকাইহে প্ৰাধান্য লাভ কৰে। গতিকে বোকাৰপৰা দূৰত থাক। এই ঠাইখন ভাল নহয়, তই অতি সোনকালে পলাই যা।

ইয়াত তোৰ নিচিনা বুদ্ধিজীৱী লোকৰ বাস কৰা সম্ভৱ নহয়। ইয়াত থকা ডাক্তৰ, ইঞ্জিনিয়াৰ, বৈজ্ঞানিক আদি কোনো সুখী নহয়। সকলো পলায়নবাদী।

যদি তোৰ কপালেই ফুটা আৰু যদি ইয়াতেই থাকিব লগা হয় তেতিয়া হলে ইয়াৰ পৰিৱেশতে তই এক নতুন অকলশৰীয়া সমাজ গঢ়ি ল—যি সমাজত সকলো বুদ্ধিজীৱী লোকেই নিজৰ ভাগ্যক ধিয়াই চকু মুদি পৰি থাকে আৰু আন কিছুমান লোকে নিজে নিজে আমোদ আহ্লাদৰ মাজত ব্যস্ত ৰাখিছে।

ইয়াকে কৰিব নোৱাৰিলে অতীতৰ বুকুত লীন যা। কনাদ, পতঞ্জলি, গৌতম, অজন্তা, ইলোৰা, এলিফেণ্টা, কোনাৰ্ক আৰু খাজুৰাহো-শালমঞ্জিকা, সুৰসুন্দৰী-অলসকন্যাৰ স্তনযুগলত, তপ-জপৰ মাজত, সন্ত-সাধু-জ্যোতিষী সমাগমত য'তেই স্থান পাৱ তাতে গৈ লুকাই থাকগৈ।

মুঠতে ইয়াৰপৰা পলাই যা। ইয়াৰ বাহিৰে তোৰ নিস্তাৰ নাই।

নানা ধৰণৰ চিন্তা ভাৱনাৰ পৰা সকাহ পাওঁ বুলি ৰঙ্গনাথে বহাৰ পৰা উঠিব খোজোঁতেই কলেজৰ ফালৰপৰা প্ৰিন্সিপালক

অহা দেখা পালে। আজি তেওঁ কামিজ আৰু হাফপেণ্টৰ লগত জোতা-মোজাও পিন্ধিছে। হাতত সদায় লৈ থকা বেতদাল আজিও আছে। দূৰৰপৰাই তেওঁ ৰঙ্গনাথক দেখি নমস্কাৰ কৰিলে। চাওঁতে চাওঁতেই তেওঁ আহি ওপৰৰ ছাট পালেহি। লগে লগে ৰঙ্গনাথৰ চকীৰ ওচৰতে খালী পৰি থকা চকীখনতে বহি পৰিল। সুধিলে—"মহাৰাজ এতিয়াও প্ৰাতঃভ্ৰমণ শেষ কৰি ঘূৰি আহি পোৱাহি নাই নেকি?" ইয়াকে কৈ তেওঁ অলপ আৰামত বহোঁ বুলি জোতা-মোজা খুলি চকীৰ ওপৰত ভৰি দুয়ো ভৰি তুলি বহি ললে।

"কালি মহাৰাজে মনত বৰ দুখ পালে। বাৰু বাদ দিয়ক সেইবিলাক কথা।" তেওঁ আৰু কিছু উৎসাহ দেখুৱাই ক'লে, —"মইতো আপোনাৰ কাৰণে প্ৰথমতেই কৈ দিছিলোঁ। ৰাম-ভৰোসাই বহি বহিয়েই সকলোৰেপৰা সম্মান পায়। আপুনিতো আমাৰ বিপক্ষে নাছিলেই। সিফালৰ খবৰ বাতৰি লবলৈহে গৈছিল। মহাৰাজক মই বুজাই দিছিলোঁ।"

দুয়ো অলপ সময় মনে মনে বহি থাকিল। বান্দৰ নচুওৱা ডম্বৰুৰ শব্দটো ক্ৰমান্বয়ে ওচৰ চাপি অহা যেন লাগিল।

প্ৰিন্সিপালে পুনৰ কথা আৰম্ভ কৰিলে—"আপোনাৰ স্বাস্থ্য এতিয়া সম্পূৰ্ণ সুস্থ যেন দেখা গৈছে।"

"সুস্থ?"

"হয়, এতিয়া আপুনি সম্পূৰ্ণ সুস্থ নহয় জানো?"

ৰঙ্গনাথে বৰ শিষ্টাচাৰ দেখুৱাই ক'লে—"অৱশ্যে আপোনাৰ কৃপাত!"

"তেনেহলে এতিয়া আপুনি কি কৰিম বুলি ঠিক কৰিছে?"

"উভতি যাম। ৰিচাৰ্ছৰ কাম বহুত দিনৰপৰা পৰি আছে। গৰমৰ দিন কেইটাতে শেষ কৰিব লাগিব।"

ৰঙ্গনাথে কিছুমান অলাগতিয়াল কথা অনৰ্গল কৈ যাব ধৰিলে। তাৰ কথাৰ তাৎপৰ্য্য হ'ল যে ৰঙ্গনাথ ইতিহাস শাস্ত্ৰত অভিজ্ঞতা থকা এজন জনাবুজা লোক। তাৰ মতে বেছি ভাগ মানুহেই মূৰ্খ হৈ গৈছে। ইউনিভাৰ্চিটিৰ অৱস্থা আস্তাবলৰ নিচিনা, তাত থকা ডাঙৰ ডাঙৰ প্ৰফেচাৰবোৰ নামতহে।

প্ৰিন্সিপালে ৰঙ্গনাথৰ কথাত সিমান মনোযোগ নিদিলে। তেওঁ সুধিলে—"আপোনাৰ 'চান্স' কেনেকুৱা? এই বছৰ তাত আপোনাৰ লেকচাৰাৰ হোৱাৰ আশা আছে নেকি?"

"এতিয়াতো তাৰ কোনো প্ৰশ্নই নুঠে।"

প্ৰিন্সিপালে তেওঁৰ চকীখন ৰঙ্গনাথৰ আৰু ওচৰলৈ আগবঢ়াই নি ক'লে—"আপুনি বোধকৰো জানেই যে খান্নাই তেওঁৰ পদ ইস্তফা দিছে। বৰ্তমান আমাৰ কলেজত ইতিহাসৰ লেকচাৰৰ পদটো খালী আছে। আপুনি তাৰ কাৰণে কিয় চেষ্টা নকৰে। মামাকৰ ঘৰত আৰাম কৰি থাকক, কলেজত দুঘণ্টা পঢ়াওক আৰু বাকীখিনি সময় ৰিচাৰ্ছৰ কামত ব্যৱহাৰ কৰক।"

ৰঙ্গনাথে গম পালে তাৰ দেহৰ সমস্ত তেজ গোট মাৰি সাপৰ নিচিনাকৈ তাৰ মূৰত উঠিছেগৈ। সি অলপ টানকৈ ক'লে,—"মই আপোনাৰ ইয়াত মাষ্টৰী কৰিম আৰু তাকো খান্নাৰ ঠাইত? এনে অসম্ভৱ কথা আপুনি কেনেকৈ কব পাৰিলে?"

ৰঙ্গনাথৰ কথাই প্ৰিন্সিপালৰ মনত কোনো পৰিৱৰ্তন আনিব নোৱাৰিলে। তেওঁ ক'লে,—"মই কিন্তু এই বিষয়ে বৈদ্য ডাঙৰীয়াৰ সৈতে কথা-বতৰা হলোঁৱেই।"

ৰঙ্গনাথে টান ভাৱেৰেই ক'লে,—"মোৰ চকুৰ আগত ঘটা ঘটনা। মই জানো, খান্নাক কেনেকৈ ইয়াৰপৰা অন্যায় কৰি খেদোৱা হ'ল।"

প্ৰিন্সিপালে উদাসভাৱেৰে ক'লে,—"কি কমনো? আপুনিও এনে কথা কয়। এইয়া হ'ল দলীয় কথা।"

ফটা-চিটা লুঙি এখন আৰু এটা ক'লা লেতেৰা কুৰ্তা পিন্ধি মানুহ এটাই ডম্বৰু বজাই বজাই শনিচৰৰ দোকানৰ সন্মুখত ৰ'লহি। তাৰ লগে লগে এহাল বান্দৰ আহি আছিল। সিহঁতৰ গাত কাপোৰৰ চোলা পিন্ধোৱা হৈছিল! মানুহটো আৰু বান্দৰ-বান্দৰী হালৰ পিছে পিছে কেইটামান সৰু ল'ৰা-ছোৱালীয়ে হাঁহি তামাছা কৰি আহি আছিল। বান্দৰহালক দেখি কেইটামান কুকুৰে ভুকি ভুকি পিছ লৈছিল। বান্দৰ নচুওৱা মানুহটোৱে মাজে মাজে একোবাৰকৈ জোৰেৰে ডম্বৰুটো বজাই কুকুৰকেইটাক খেদিবলৈ বৃথা চেষ্টা কৰিছিল।

ডম্বৰুটোৰপৰা ওলোৱা শব্দৰ কাৰণে প্ৰিন্সিপালে তেওঁৰ মাতটো ডাঙৰ কৰিবলগীয়া হৈছিল। তেওঁ কবলৈ ধৰিলে—"পদটো খান্নাই ইস্তফা দিয়াৰ বাবেই বা মালবীয় মৰাৰ বাবেই খালী হৈছে তাৰ বাবে আপোনাৰ চিন্তা কৰাৰ কি প্ৰয়োজন? আপোনাৰ ঘৰ বাগানত থকা আম গছৰপৰা আপুনি আম খাওক। কিন্তু আমগছ কেইডাল আছে আপুনি তাক গণনা কৰাৰ প্ৰয়োজন কি?"

ইয়াৰ কোনো উত্তৰ নাপাই প্ৰিন্সিপালে ৰঙ্গনাথক উৎসাহ দিবলৈ ধৰিলে। সম্বোধনটো 'আপোনাৰ'পৰা 'তুমি'লৈ নমাই ক'লে—"মই তোমাক ঘৰৰ মানুহ বুলিয়েই কৈছোঁ। শেহত

গৈনো কি কৰিবা? ক'ৰবাত নহয় ক'ৰবাত চাকৰীতো কৰিব লাগিব, নহয় জানো? ইয়াত তো খান্নাই নিজেই ইস্তফা দিছে। বাহিৰত নো কোনে জানিব যে খান্নাক সঁচাকৈয়ে কাণত ধৰি বাহিৰ কৰি দিয়া হৈছে।

ইয়াৰপৰা কিমান দূৰ বাচি থাকিবা ৰঙ্গনাথবাবু। য'লৈকে যোৱা লাগিলে, তুমি কোনোবা খান্নাৰ ঠাই পাবাগৈ।" এইবুলি কৈ প্ৰিন্সিপালে ছাটৰ ওপৰতে কিছুদূৰ আঁতৰি গৈ বান্দৰ নচুওৱা মানুহটোৰ ফালে চাই পঠিয়ালে আৰু হাতৰ ইঙ্গিতেৰে তাক জহান্নামে যাবলৈ অভিশাপ দিলে।

প্ৰিন্সিপালৰ কথা-বতৰাত ৰঙ্গনাথৰ খুব খং উঠিল। সি নিজৰ মাতটো অলপ ডাঙৰ কৰি ক'লে,—প্ৰিন্সিপাল ডাঙৰীয়া, আপোনাৰ কথা-বতৰাই মোক আমনি দিছে। আপোনাৰ কথা বন্ধ কৰক আৰু ইয়াৰপৰা আঁতৰি যাওক।"

প্ৰিন্সিপালে ৰঙ্গনাথৰ মুখত এনে ধৰণৰ কথা শুনি আচৰিত মানিলে। তেওঁ পুনৰ উদাস মনেৰে ক'লে—"ৰঙ্গনাথবাবু, তোমাৰ বিচাৰ বুদ্ধি উচ্চ খাপৰ। কিন্তু তোমাৰ কথা-বতৰা সকলো মিলালে ইয়াকেই বুজা যায় যে তুমি এটা মহামূৰ্খ।"

ইয়াৰ পাছত তেওঁলোক দুয়োৰে মাজত কথা-বতৰাৰ গতিৰোধ হ'ল। বান্দৰ-নচুওৱা মানুহটোৱে জহান্নামলৈ যোৱাৰ কথা বাদ দি, পুনৰাই ডাঙৰ শব্দত ডম্বৰুটো বজাই গান গাবলৈ আৰম্ভ কৰি দিলে। অলপ দূৰতে কুকুৰ কেইটামানে নেজ লৰাই লৰাই কঁকাল বেঁকা কৰি বান্দৰ কেইটালৈ চাই ভুকি আছিল। ল'ৰা-কেইটায়ো বান্দৰ নচুওৱা মানুহটো আৰু বান্দৰহালক বেঢ়ি ধৰি চাই থাকিল। মানুহটোৰ ওচৰতে বান্দৰহালেও সিহঁতৰ মুখ

ওফোন্দাই লৰচৰ নকৰাকৈ বহি আছে। সিহঁতেও যে গিৰিহঁতৰ কথা অমান্য কৰি ননচাকৈ বহি আছে। প্ৰিন্সিপালে বিফল মনোৰথ হৈ একো মাতবোল নকৰাকৈ ছাটৰপৰা নামি কলেজৰ ফালে গুচি গ'ল। ৰঙ্গনাথেও অলপ পাছতে চিন্তাক্লিষ্ট মন লৈ ঘৰৰপৰা বাহিৰ ওলাই গ'ল। সি যেন পুনৰ ঘূৰি নাহিব—এই পলায়নবাদী মনোভাব তাৰ মুখত দেখা গ'ল।